# কথা দশম

(মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত 'আদি দশম'ৰ
বিষয়-বস্তুৰ ওপৰত গদ্যত ৰচিত।
কঠিন শব্দাৰ্থ, প্ৰাসঙ্গিক টোকা সম্বলিত)


## বিপিন চুতীয়া

এম.এ, বি.টি, (নৰ্মাল থাৰ্ডইয়েৰ)
(অৱসৰ প্ৰাপ্ত অধ্যক্ষ, ৰাষ্ট্ৰীয় ও ৰাজ্যিক
পুৰস্কাৰ প্ৰাপ্ত শিক্ষক) ধেমাজি

**Katha Dasham–** *The most famous Bhakti Kabya written by Mahapurush Srimant Sankardeva and written in prose by Bipin Chutia, M,A,B.T, retired principal (National & State awardee teacher and published by Naba Kalita on behalf of Kiran Prakashan, D.K. Market Complex, Dhemaji Printed at Dhemaji offset printers, Ratanpur, Dhemaji 787057(Assam)*

**First Edition :** **Price :** 00/- only

প্ৰকাশক ঃ নৱ কলিতা
কিৰণ প্ৰকাশন
ডি.কে. মাৰ্কেট কমপ্লেক্স, ধেমাজি চাৰিআলি
ফোন নং - ৯৮৫৪০৮৮৬০৪

প্ৰথম প্ৰকাশ ঃ

মূল্য ঃ ০০০.০০ টকা

বেটুপাত ঃ

ডি.টি.পি ঃ বনপলাশী

মুদ্ৰণ ঃ ধেমাজি অফ্ছেট প্ৰিন্টাৰ্চ্ছ
ৰতনপুৰ, ধেমাজি।

**কথা-দশম—**

(আদি দশম ঃ কঠিন শব্দাৰ্থ, প্ৰাসঙ্গিক টোকা সম্বলিত)
মূল ৰচক — মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ।
কথাৰূপ দিওঁতা — বিপিন চুতীয়া

'ভগৱন্তই ২৪ টা অংশ, কলা, বিভূতি অৱতাৰ লৈছিল।
তাৰে ভিতৰত ১০টা প্ৰধান অৱতাৰ (দশাবতাৰ)।
চতুৰ্বিংশতি অৱতাৰত কৃষ্ণৰ উল্লেখ নাই। তেওঁ পূৰ্ণ অৱতাৰ।
ঈশ্বৰৰ গুণৰাশিৰ ১০০ ভাগৰ ১ ভাগলৈ অৱতাৰ হ'লে 'বিভূতি',
চাৰিভাগৰ ১ ভাগলৈ অৱতাৰ হ'লে 'অংশ
যোল্ল ভাগৰ ১ভাগলৈ অৱতাৰ হ'লে —'কলা'
১০০ ভাগৰ ১০০ ভাগলৈ অৱতাৰ হ'লে 'পূৰ্ণঅৱতাৰ' বোলা হয়।
"অপ্ৰপঞ্চাৎ প্ৰপঞ্চে অবতৰনং অৱতাৰঃ"

'আদি দশম' ভাগৱৎ পুৰাণৰ অন্তৰ্গত ভাগৱতৰ 'মুকুট মণি'। উইল্চন চাহাবে ভাগৱতৰ জনপ্ৰিয়তাৰ সন্দৰ্ভত কৈছিল—

" The Bhagawata is a work of great celibrity in India and exercises a more direct and powerful influence upon the opinions and feelings of the people than perheps any other of the Puranas."

এক শৰণ হৰিনাম ধৰ্মৰ চাৰিখন মূলপুথি হৈছে
'কীৰ্ত্তন, দশম, নাম-ঘোষা, ৰত্নাৱলী'

শ্ৰীমন্ত শঙ্কৰদেৱে মাধৱদেৱক কৈছিল— (গুৰুচৰিত মতে)

"শুনিয়ো মাধৱ মোৰ থাকিবাৰ থান।
কীৰ্ত্তন দশম মোৰ মূৰ্ত্তিৰ সমান।
কীৰ্ত্তন দশম পুথি থাকয় যথাত।
সাক্ষাতে মাধৱ মই থাকিবো তথাত।।"

লেখক— বিপিন চুতীয়া
ধেমাজি

**দশমৰ বিষয় সূচী —**


১। পৰীক্ষিত ৰজাৰ শ্ৰীকৃষ্ণৰ জন্ম বিষয়ক প্ৰশ্ন।

২। বসুদেৱৰ লগত দৈবকীৰ বিবাহ, দৈববাণী, কংসই দৈবকীক বধ কৰিবলৈ উদ্যত।

৩। কংসক নাৰদৰ উপদেশ, দৈবকী-বসুদেবক কাৰাগাৰত বন্দী আৰু তেওঁলোকৰ পুত্ৰবধ।

৪। দৈবকীৰ গৰ্ভত বিষ্ণুৰ আৰ্বিভাৱ, কংসৰ চিন্তা, দেৱগণৰ বিষ্ণু-স্তুতি।

৫। কৃষ্ণৰ জন্ম।

৬। বসুদেৱ-দৈৱকীৰ কৃষ্ণ-স্তুতি।

৭। কৃষ্ণৰ কথাত বসুদেৱ দৈৱকীৰ সন্দেহ-ভঞ্জন।

৮। বসুদেৱে কৃষ্ণক লৈ নন্দৰ ঘৰলৈ গমন আৰু নন্দৰ কন্যাক হৰণ।

৯। যোগমায়াক বধ কৰিবলৈ কংসৰ অপচেষ্টা আৰু যোগমায়াৰ ৰূপ দৰ্শন।

১০। যোগমায়াৰ কৃষ্ণজন্মৰ কথা প্ৰকাশ আৰু কংসৰ বসুদেৱৰ ওচৰত ক্ষমা প্ৰাৰ্থনা।

১১। দৈত্য সকলৰ লগত কংসৰ মন্ত্ৰণা।

১২। নন্দোৎসৱ।

১৩। বসুদেৱ-নন্দৰ আলাপ।

১৪। পুতনা বধ।

১৫। ৰোহিনী, যশোদা, গোপীগণৰ দ্বাৰা কৃষ্ণৰ অভিষেক ও ৰক্ষা বন্ধন।

১৬। শকট ভঞ্জন আৰু চক্ৰবাত অসুৰৰ মায়া প্ৰকাশ।

১৭। পৰীক্ষিতৰ কৃষ্ণৰ বাল্যলীলা বিষয়ক প্ৰশ্ন তৃণাবৰ্ত্ত বধ।

১৮। কৃষ্ণৰ মুখৰ ভিতৰত যশোদাৰ বিশ্ব-দৰ্শন।

১৯। কৃষ্ণৰ জাত-সংস্কাৰ আৰু নামকৰণ।

২০। কৃষ্ণৰ বাল্য-লীলা।

২১। নন্দ-যশোদাৰ পূৰ্ব-বৃত্তান্ত।

২২। যশোদাৰ দ্বাৰা কৃষ্ণৰ বন্ধন আৰু যমলাৰ্জ্জুন ভঞ্জন।

২৩। গোপ-গোপীসকলৰ বৃন্দাবনলৈ যাত্ৰা।

২৪। বৎসাসুৰ আৰু বকাসুৰ বধ।

২৫। কৃষ্ণৰ বন-ভোজনলৈ গমন।

২৬। অঘাসুৰ বধ।

২৭। গোপবালকসকলৰ সৈতে কৃষ্ণৰ বনভোজ।

২৮। ব্ৰহ্মাৰ গৰুচুৰি।

২৯। বলভদ্ৰৰ মোহ।

৩০। ব্ৰহ্মাৰ মোহ।

৩১। ব্ৰহ্মাৰ কৃষ্ণ-স্তুতি।

৩২। গৰখীয়াবেশে কৃষ্ণৰ বন-গমন।

৩৩। ধেনুকাসুৰ বধ।

৩৪। কালীয় দমন।

৩৫। কালীয় পত্নীসকলৰ কৃষ্ণ-স্তুতি।

৩৬। কৃষ্ণৰ বনাগ্নিপান।

৩৭। বৃন্দাবনত গোপসকলৰ লগত ৰাম-কৃষ্ণৰ খেলা। আৰু বলভদ্ৰৰ প্ৰলম্বাসুৰ বধ।

৩৮। গোপগণক দাবাগ্নিৰ পৰা উদ্ধাৰ।

৩৯। বৰ্ষা-বৰ্ণন।

৪০। শৰৎ বৰ্ণনা।

৪১। ৰাম-কৃষ্ণৰ সন্মুখত গোপীগণৰ গীত।

৪২। গোপকুমাৰী সকলৰ কাত্যায়নী ব্ৰত।

৪৩। গোপীৰ বস্ত্ৰ হৰণ।

৪৪। বিপ্ৰপত্নীৰ প্ৰসাদ।

৪৫। যাজ্ঞিক ব্ৰাহ্মণ সকলৰ দ্বাৰা ৰাম-কৃষ্ণৰ পূজা।

৪৬। নন্দ আদি গোপসকলৰ ইন্দ্ৰ-যজ্ঞৰ উদ্যোগ, কৃষ্ণৰ দ্বাৰা ইন্দ্ৰ-যজ্ঞ ভংগ আৰু গোবৰ্দ্ধন-পূজা।

৪৭। যজ্ঞ-ভংগ, ইন্দ্ৰৰ ক্ৰোধ।

৪৮। কৃষ্ণৰ গোবৰ্দ্ধন ধাৰণ।

৪৯। নন্দ আৰু গোপগণৰ কথোপ-কথন।

৫০। ইন্দ্ৰৰ কৃষ্ণ-স্তুতি আৰু সুৰভিৰ দ্বাৰা কৃষ্ণৰ অভিষেক।

৫০। বৰুণৰ দূতৰ দ্বাৰা নন্দ-হৰণ আৰু কৃষ্ণৰ দ্বাৰা নন্দ-উদ্ধাৰ।

৫২। ব্ৰজবাসীৰ বৈকুণ্ঠদৰ্শন।

৫৩। ৰাসলীলাঃ বংশধ্বনিত বিমোহিতা গোপীগণৰ বৃন্দাবন যাত্ৰা।
৫৪। গোপীসকলৰ লগত কৃষ্ণৰ ক্ৰীড়া।
৫৫। কৃষ্ণ-বিৰহ কাতৰা গোপীসবৰ কৃষ্ণলীলা অভিনয় ও কৃষ্ণ অন্বেষণ।
৫৬। গোপীসকলৰ কৃষ্ণ-স্তুতি।
৫৭। ৰাসলীলা
৫৮। কালিন্দীৰ উপকূলত কৃষ্ণৰ লগত গোপীৰ পুৰ্ণমিলন।
৫৯। সুদৰ্শন বিদ্যাধৰৰ শাপমুক্তি।
৬০। শঙ্খচূড় বধ।
৬১। গোপীসকলৰ গীত।
৬২। অৰিষ্টাসুৰ বধ।
৬৩। কেশী আৰু ব্যোমাসুৰ বধ।
৬৪। নাৰদৰ কৃষ্ণ-স্তুতি।
৬৫। গোষ্ঠলৈ অক্ৰূড়ৰ আগমন।
৬৬। ৰামকৃষ্ণ আৰু অক্ৰূড়ৰ কথোপকথন,ৰাম-কৃষ্ণৰ মধুপুৰ যাত্ৰা।
৬৭। গোপীসবৰ বিলাপ।
৬৮। অক্ৰূড়ৰ দ্বাৰা কৃষ্ণ-স্তুতি।
৬৯। ৰাম-কৃষ্ণাদিৰ মথুৰা প্ৰবেশ।
৭০। কৃষ্ণৰ ৰজকবধ।
৭১। সুদামাৰ কৃষ্ণ- কৃপা লাভ।
৭২। কুঁজীৰ কৃষ্ণ- কৃপা লাভ।
৭৩। কৃষ্ণৰ ধনুভঙ্গ।
৭৪। কংসৰ অমঙ্গল দৰ্শন।
৭৫। কুবলয়পীড় বধ।
৭৬। ৰাম-কৃষ্ণৰ লগত চানুৰ-মুষ্টিকৰ মল্লযুদ্ধ
৭৭। কংস বধ।
৭৮। বসুদেৱ-দৈৱকীৰ বন্ধন মুক্ত।
৭৯। উগ্ৰসেনক ৰাজপদত স্থাপন।
৮০। নন্দাদি-গোপৰ প্ৰত্যাবৰ্তন
৮১। ৰাম-কৃষ্ণৰ জাতকৰ্ম।
৮২। গুৰুকুলত ৰাম-কৃষ্ণৰ শিক্ষালাভ
৮৩। গুৰু দক্ষিণা প্ৰদান
৮৪। ৰাম-কৃষ্ণৰ গৃহাগমন।
৮৫। কবিৰ উপদেশ।
৮৬। গোপী উদ্ধৱ সংবাদ।
৮৭। কৃষ্ণৰ নিৰ্দেশত উদ্ধৱৰ ব্ৰজ যাত্ৰা।
৮৮। নন্দাদিক উদ্ধৱৰ শান্ত্বনা প্ৰদান।
৮৯। গোপী-উদ্ধৱ সংবাদ।
৯০। হৰিভক্তিৰ প্ৰশংসা।
৯১। উদ্ধৱৰ বিদায় গ্ৰহণ
৯২। কবিৰ উপদেশ
পৰিশিষ্ট
(ক) কঠিন শব্দাৰ্থ, প্ৰাসঙ্গিক টোকা—
(খ) দশমত পূৰ্ণব্ৰহ্ম কৃষ্ণৰ কৰ্মলীলাঃ সমীক্ষা
(গ) দশমৰ কিছুমান চৰিত্ৰৰ পূৰ্বজন্মৰ বৃত্তান্ত

# প্ৰস্তাৱনা

## আদি দশম

একশৰণ হৰিনাম ধৰ্মৰ প্ৰতিষ্ঠাপক চাৰিপুথিৰ ভিতৰত দশম অনুপম নিগম শাস্ত্ৰ। শ্ৰীমন্ত শঙ্কৰদেৱে জীৱনৰ শেষকালছোৱাত এই মহাগ্ৰন্থখনি ৰচনা কৰিছিল। কীৰ্ত্তন আৰু দশম অসমীয়া সাহিত্যৰ দুপাহ পুষ্পপাৰিজাত। তেৰাই কৈছে— 'কীৰ্ত্তন, দশম মোৰ মূৰ্ত্তিৰ সমান। সৰ্ব্ববেদান্তৰ সাৰ, বৈকুণ্ঠৰ কল্পতৰু পুৰাণ, সূৰ্য, মদ্ভাগৱতৰ দ্বাদশস্কন্ধৰ ভিতৰত দশম-স্কন্ধই প্ৰধান ভূমিকা গ্ৰহণ কৰিছে; কিয়নো বিষয় বস্তুৰ বাহুল্য আৰু ভগৱন্তৰ পূৰ্ণঅৱতাৰ আৰু বিস্তৃত কাৰ্যাৱলী সংঘটিত হৈছে এই স্কন্ধত। মদ্ভাগৱত পুৰাণৰ জনপ্ৰিয়তাৰ সন্দৰ্ভত উইলচন চাহাবে মন্তব্য কৰিছিল'—

'The Bhagawat is a work of great Celibrity in india and exercises a moredirect and powerful influence upon the opinions and feelings of the people than perheps any other of the Puranasa.' (ভাৰতৰ ভিতৰতে ভাগৱত পুৰাণ হৈছে অধিক শক্তিশালী, উচ্চ-মতাদৰ্শী অধিক বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ মহান শাস্ত্ৰ আৰু আনবোৰ পুৰাণতকৈ অধিক জনপ্ৰিয় শাস্ত্ৰ)।

ভাগৱত পুৰাণ ভক্তি-তত্ব নিৰূপক মূলগ্ৰন্থ। তামিল দেশৰ ভক্তিপ্ৰাণ আলৱাৰ সকলৰ দ্বাৰা ভাগৱত ৰচিত হৈছিল বুলি জনা যায়। ভাগৱতৰ মূল ৰচক বেদব্যাস। ভাৰতীয় বিভিন্ন নব্য ভাৰতীয় ভাষালৈ ইয়াক অনুবাদ কৰা হয়।

ভাগৱতৰ দ্বাদশস্কন্ধৰ ভিতৰত দশম স্কন্ধৰ মাহাত্ম্য অত্যধিক। ভগৱান কৃষ্ণৰ আৰ্বিভাৱৰ পৰা আৰম্ভ কৰি বৈকুণ্ঠপ্ৰয়াণলৈকে সমগ্ৰ ঘটনাফলক এই স্কন্ধত বৰ্ণিত হৈছে। আদি, মধ্য আৰু অন্ত্য খণ্ডত বিভক্ত দশম স্কন্ধৰ আদি দশম খণ্ড মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে আৰু তেৰাৰ আহবানত অনন্তকন্দলিয়ে মধ্য আৰু অন্ত্যদশম ৰচনা কৰে। দশমস্কন্ধত মুঠতে ৯০ টা অধ্যায় আছে; তাৰে ১ ৰ পৰা ৪৭ নং অধ্যায়লৈকে শঙ্কৰদেৱে অনুবাদ কৰে। অনন্ত কন্দলিয়ে গুৰুজনৰ পৰা উচ্চিষ্ট ভোজন কৰিবলৈ অনুৰোধ কৰাত গুৰুজনে দশম স্কন্ধৰ ৪৮ ৰ পৰা বাকী অধ্যায় সমূহ অনুবাদ কৰিবলৈ দিয়ে। ৪৮ ৰ পৰা ৮০ নং অধ্যায়লৈকে মধ্য দশম আৰু ৮১ ৰ পৰা ৯০ লৈ শেষ দশম।

আদি দশমত কৃষ্ণৰ আদ্যলীলা বা গোকুল লীলা, মধ্য দশমত মথুৰালীলা আৰু অন্ত্যদশমত দ্বাৰকালীলা বৰ্ণনা কৰা হৈছে। সাধাৰণতে 'দশম' বুলিলে গুৰুজনে ৰচনা কৰা আদি দশমকে বুজা যায়। দশম স্কন্ধত ভগৱন্ত কৃষ্ণৰ সগুণলীলা মালা অৱতাৰ কৰ্ম বৰ্ণিত হৈছে। দশমৰ মূলমন্ত্ৰ হৈছে 'কৃষ্ণস্তু ভগৱান স্বয়ম্'। ভগৱন্ত কৃষ্ণৰ সমস্ত লীলা আৰু নিগমৰ সাৰ তত্ব প্ৰতিভাত হৈছে দশমত। কবি-প্ৰতিভা, বৰ্ণনা-চাতুৰ্য, মৌলিকতাৰ চুড়ান্ত নিদৰ্শনে দশমক কৰি তুলিছে জীৱন্ত-জাগ্ৰত সাহিত্যিক প্ৰমূল্যৰে ভৰা অমূল্য গ্ৰন্থ। তেৰাই শ্ৰীধৰ স্বামীৰ 'ভাবাৰ্থ দীপিকাক আধাৰ হিচাবে লৈ দশমৰ অনুবাদ কৰিছে। গ্ৰন্থখনৰ প্ৰতি পৃষ্ঠাৰ চৌদিশে দাঁতিত বিভিন্ন ৰঙৰ সমাবেশেৰে লতাফুলৰ চিত্ৰ অঙ্কিত কৰি হেঙুল-হাইতালেৰে ৰঞ্জিত সাঁচিপাতত লিখিছে। দশমৰ ৰচনা-ৰীতি, গঠন ৰীতি, শব্দালঙ্কাৰ, অৰ্থলঙ্কাৰৰ প্ৰয়োগ, উপমা, ব্যঞ্জনাৰ যথাৰ্থ সংযোগ, সাৱলীল ছন্দ, আবেগময়ী প্ৰকাশভঙ্গী বিশেষ লক্ষণীয়।

বেদান্তৰ সাৰ, গীতাৰ তত্ব, উপনিষদৰ ৰহস্য ইয়াত স্তূপীকৃত হৈছে। ঈশ্বৰৰ সগুণ-সাকাৰ ৰূপী একেশ্বৰ বাদ (monotheism) ৰ ওপৰত নিৰ্ভৰ কৰি গুৰুজনে 'দশম' যুগুত কৰিছে। দশমৰ মূল-তত্ব নিৰ্গুণ কৃষ্ণই গুণক আশ্ৰয় কৰি জগতক স্ৰজন, পালন আৰু সংহাৰ কৰিছে।

'যদ্যপি নিৰ্গুণ জন্ম-ৰহিত ঈশ্বৰ।
তথাপিতো প্ৰকৃতিক কৰাই সচেতন
কৰান্ত গুণৰ হাতে স্ৰজন-পালন'—৮০

নিৰ্গুণ ব্ৰহ্মই নাৰায়ণ, নাৰায়ণেই কৃষ্ণ, কৃষ্ণই বিষ্ণু—

'যিটো ব্ৰহ্মৰূপ নিৰাকাৰ নিৰঞ্জন।
তেন্তে তুমি জানিলো সাক্ষাতে নাৰায়ণ।'—৮১
'যাক কৃষ্ণ বোলা এহেন্তেসে বিষ্ণু।
কোটি ব্ৰহ্মাণ্ডৰ অধিপতি।' ৮২

গুৰুজনে আদি দশমত-পৰীক্ষিত ৰজাৰ কৃষ্ণ জন্ম বিষয়ক প্ৰশ্নৰ পৰা আৰম্ভ কৰি গোপীউদ্ধৱ সংবাদ আৰু উদ্ধৱৰ বিদায় গ্ৰহণলৈকে কাহিনী ফলকক

পদ, দুলড়ি, ছবি, ঝুমুৰী আদি ছন্দৰ মাজেদি ২৪৭৩ টি পদৰ মাজেদি প্ৰকাশ কৰিছে আৰু প্ৰতিটো কাহিনী বৰ্ণনা কৰাৰ সাৰাংশ হিচাবে বিষয়ৰ লগত সঙ্গতি ৰাখি- একশৰণ হৰিনাম ধৰ্ম, ভক্তিৰ উপদেশ নৰসমাজলৈ দি গৈছে। অদ্ভুত, বীভৎস, হাস্যৰস আদি সৃষ্টি কৰিছে যদিও ভক্তিৰসৰ অনাবিল নিজৰাহে তেৰাৰ লক্ষ্য।

প্ৰকৃতিৰ মনোৰম বৰ্ণনা, কৃষ্ণৰ ভুবন-মোহন ৰূপ-সৌন্দৰ্যও ঐশ্বৰিক মাহাত্ম্য, চিত্ৰকল্পৰ চাতুৰ্য্যেৰে চিত্ৰধৰ্মী বৰ্ণনা, বেদান্তৰ গুপ্ত তত্বৰ প্ৰাঞ্জল বৰ্ণনা- তেৰাই দশমৰ মাজত ফুটাই তুলিছে; বিশেষকৈ দাৰ্শনিক দৃষ্টিভঙ্গীৰে অদ্বৈতবাদৰ জয় ঘোষণা কৰিছে। ঈশ্বৰ, ঈশ্বৰৰ বৈশিষ্ট্য, মায়া, জীৱ,জগত, আত্মা, পৰমাত্মা, অৱতাৰবাদ, সৃষ্টি-তত্ব, মুক্তি, স্বৰ্গ, পৰজীৱন, কৰ্মফল ভোগ, জন্মান্তৰ বাদ আৰু উক্তিৰ সম্পৰ্কত শ্ৰৱণ-কীৰ্ত্তনৰ ওপৰত গুৰুত্ব দি তেৰাই শাস্ত্ৰৰ মহানতত্বৰ সন্ধান দিছে। ভগৱানে পূৰ্ণঅৱতাৰ গ্ৰহণ কৰি অৱতাৰ কৰ্ম আৰু নানা লীলাৰ মাজেদি দুষ্টক দমন, শিষ্টক পালন, যুগধৰ্ম প্ৰবৰ্ত্তন, দুষ্কৃতিক নিৰ্মূল কৰি শান্ত-সমাহিত এখন ভক্তি সাম্ৰাজ্য প্ৰতিষ্ঠা কৰি থৈ গৈছে। ‘দশমে ৰসম্’— দশমতে সমস্ত ৰসৰ ৰসবৰ্তা উথিত হৈছে।

যাক দেখিলে আন একো দেখিবৰ প্ৰয়োজন নাই, যাক শুনিলে আন একো শুনিব লগা নহয়, সেয়ে ভূমা যাক দেখিলে আনো দেখি, যাক শুনিলে আনোশুনি, যাক জানিলে আনো জানি সেয়ে অল্প (ক্ষুদ্ৰ)। ‘ভূমা’ মানে অমৃত, অমৃতেই চিৰসুখ, চিৰআনন্দ, সেয়ে আত্মা, আত্মাই পৰমাত্মা। যি ক্ষুদ্ৰ সিয়ে মায়া, সিয়ে দুঃখ, সেয়ে বিষাদ, বিষাদেই সংসাৰ। দশমত এই ভূমাই হৈছে ঈশ্বৰ, ব্ৰহ্ম পৰমাত্মা কৃষ্ণ—

‘তুমি সত্যব্ৰহ্ম তোমাত প্ৰকাশ
জগত ইটো অসন্ত।
জগততো সদা তুমিয়ে প্ৰকাশ
অন্তৰ্যামী ভগৱন্ত।।’— কীৰ্ত্তন।।

ব্ৰহ্মই মূল তত্ব। ব্ৰহ্মৰ উপাদান তিনিটা- সৎ + চিৎ + আনন্দ সচ্চিদানন্দ। সৎ মানে শুদ্ধ, চিৎ-মানে স্ব-প্ৰকাশ, আনন্দ মানে চৈতন্যময়। দশমৰ গোপীউদ্ধৱ সংবাদত তেৰাই কৈছে ব্ৰহ্ম (কৃষ্ণ) জগতৰ পৰমাত্মা। জগতক অতিক্ৰম কৰি তেওঁ বিৰাজমান কাৰণে তেওঁ কুটস্থ। তেওঁ জগতৰ বাহিৰে-ভিতৰে বিৰাজমান। তেওঁ জীৱৰ মন-সাক্ষী, বুদ্ধি সাক্ষী, ঈশ্বৰ সাক্ষী। তেওঁ জীৱনক নিয়মন কৰে, শাসন কৰে, তেওঁ কাৰ্য-কাৰণ ৰূপী, দশমত গুৰুজনে কৈছে—

যেন জলবায়ু, পৃথিৱী আকাশে ব্যাপি আছে চৰাচৰ।
সেহিমতে মায়া, মন-বুদ্ধি প্ৰাণ ব্যাপি আছো সমস্তৰ।।
আপোনাতে মই আপোনাকে স্ৰজো, আপুনি পালো সকলে।
আপোনাকে পাছে আপুনি সংহৰো আপুনি মায়াৰ বলে।
পৰম বিশুদ্ধ গুণহীন মই জ্ঞানৰূপ আত্মা এক।
মোতে আছে ইটো, জগত মই পুনু জগতত ব্যতিৰেক।’— ৮৩

শ্বেতাশ্বতৰ উপনিষদত প্ৰকৃতিকে মায়া বুলি কৈছে। ব্ৰহ্ম যাদুকৰী শক্তি, মায়া অঘটন-ঘটন প্ৰতিয়সী শক্তি। মায়াৰ কাম দুটা-আবৰণ আৰু বিক্ষেপন। আবৰণৰ দ্বাৰা সত্যবস্তুক ঢাকি ৰখা হয়, বিক্ষেপনৰ দ্বাৰা মিছাক সঁচাৰূপে দেখুওৱা হয়। মায়াভগৱন্তৰ অধীন; ভগৱন্ত মায়াধীশ।

‘অবস্তুক দেখৱেয় বস্তুক আবৰি।
এহিসে মোহোৰ মায়া জানা নিষ্ঠাকৰি।।’—৮৮

দেহ-পিঞ্জৰাত আবদ্ধ কৰ্মফল-ভোগী আৰু মায়াবদ্ধ ব্ৰহ্মৰ অংশ অৰ্থাৎ আত্মাক জীৱ বোলে।

‘যদাৰি তোমাত কৰি জীৱ নুহি ভিন্ন।
তথাপিতো ভৈল প্ৰভু তোমাৰ অধীন।’৯০

কাষ্ঠত থকা অগ্নি ঘৰ্ষণৰ দ্বাৰা প্ৰকট হোৱাৰ দৰে সৰ্বভূততে থকা ব্ৰহ্মক ভক্তিৰূপ ঘৰ্ষণৰ দ্বাৰা উপলব্ধি কৰিব পাৰি। জগত প্ৰপঞ্চক বাহ্যিক দৃষ্টিৰে সত্য যেন লাগিলেও জগত মিথ্যা। ভ্ৰমৰ বাবেহে ইয়াক সৎ যেন লাগে। ব্ৰহ্মৰ পৰাই প্ৰকৃতি, প্ৰকৃতিৰ পৰা মহৎ বা বুদ্ধি, বুদ্ধিৰ পৰা অহঙ্কাৰ অৰ্থাৎ সত্ব ৰজ-তমৰ সৃষ্টি হৈছে। সত্বৰ পৰা দেবতাসকল আৰু মন, ৰজৰ পৰা ১০ ইন্দ্ৰিয়, তমৰ পৰা পঞ্চতন্মাত্ৰ আৰু পঞ্চ মহাভূতৰ সৃষ্টি হৈছে। ইয়াৰ লগত ব্ৰহ্মই চৈতন্য শক্তিৰূপে লগ লাগি জীৱক সক্ৰিয় কৰে। এই ব্ৰহ্মই ৰাম বা কৃষ্ণ; এৱেঁ পৰমাৰ্থ তত্ব

‘ইসে পৰমাৰ্থ তত্ব চাৰিও বেদৰ।
সমস্ত দেৱৰ জানা কৃষ্ণেসে ঈশ্বৰ।।’

‘মুক্তি’ মানে সংসাৰ চক্ৰৰ পৰা উদ্ধাৰ হোৱা। মনৰ কাম জাগন, চলন আৰু নিদ্ৰা। এই তিনি কাৰ্যশেষ হ’লে মুক্তি হয়। বিষয়ত মনক আসক্ত হ’বলৈ দিব নালাগে। আশা, কামনা, বাসনা, তৃষ্ণা, কাম, ক্ৰোধ আদিয়ে মনক অহৰ্নিশে

প্ৰভাবিত কৰে।

'আশা নামে নদী ঘোৰ জল মহাধন।
কাম ক্ৰোধ ভৈল তাত কুম্ভীৰ মগৰ।।
মোহচয় মহাপাপ চিন্তায়ে কাষৰ।
ক্ষণে ক্ষণে সেই ধৈৰ্য বৃক্ষৰ খহায়।।
কৃষ্ণ পদ নৌকাবিনে নহয় তৰণ। ৩৩৫।।

কামনা-বাসনা-লোভ-মোহাদি নদী; ছয় ৰিপু ঘড়িয়াল মগৰ; মোহ মহাপাপ, চিন্তা কাষৰি, ধৈৰ্য-নদীৰ পাৰৰ বৃক্ষ। নদীৰ সোঁতৰ দৰে কামনাৰ অন্ত নাই, ইয়াক তৃষ্ণা বোলা হয়। তৰ্কেৰে ভগবানক পাব নোৱাৰি, শ্ৰদ্ধা-ভক্তিৰেহে পোৱা যায়। ছয় ৰিপুৱে ধৈৰ্য্যহীন কৰে। কৃষ্ণ-পদ-পঙ্কজত শৰণ লৈ ভক্তিৰ দ্বাৰা সংসাৰ নদী অতিক্ৰম কৰিব পাৰি। গোপীগণে কৃষ্ণক সপ্ৰেম ভকতি কৰি জয় কৰিছিল আৰু সংসাৰ তৰি গৈছিল।

কংস কাৰাগাৰত ব্ৰহ্মা-হৰ-ত্ৰিদশ দেৱতাই নবাগত কৃষ্ণক স্তুতি কৰিছে; স্তুতিত সংসাৰ বৃক্ষ জোপাৰ বৰ্ণনা দিয়াৰ লগতে বৃক্ষ জোপা উঘলাৰ উপায়ো দিছে ৬২ নং পদত। এই পৰিদৃশ্যমান জগত খনক ঊৰ্দ্ধৰ ফালে মূল (শিপা) থকা বৃক্ষ বুলিছে—

'দ্বৈত প্ৰপঞ্চং বৃক্ষ ৰূপকেন নিৰূপয়ন্তি।'

বৃক্ষৰ শিপা = ১০ ইন্দ্ৰিয়ৰ শক্তি = দহোন্দ্ৰিয়
গুৰি = সত্ব-ৰজ- তম গুণ = ত্ৰিগুণ
ৰস = ধৰ্ম-অৰ্থ-কাম-মোক্ষ = চতুবৰ্গ
আত্মা = ছয় উৰ্ম্মি
ছাল = ৰস, ৰক্ত, মাংস, মেদ, হাড়, মজ্জা, শুক্ৰ, সপ্তধাতু
ডাল = পঞ্চ মহাভূত + মন + বুদ্ধি + অহঙ্কাৰ = অষ্ট প্ৰকৃতি
পাত = প্ৰাণ, অপান, সমান, উদান, ব্যান, দেবদত্ত, কৃকৰ, নাগ, ধনঞ্জয়, কুৰ্ম্ম দহবায়ু
ফল = সুখ + দুঃখ
উঘলাৰ উপায় = কৃষ্ণ-ভক্তি = শ্ৰবণ-কীৰ্ত্তন।

দশমৰ ৭ম আৰু ৮ম পদ ফাঁকিত আছে—

'মহাজ্ঞানীগণে যাক গাৱে অবিশ্ৰাম।
সংসাৰ ঔষধি কৰ্ণৰো অভিৰাম।।
হেন কৃষ্ণ কথা নশুনিব কোন নৰে।
একে মহাপাপী আত্মঘাটকীত পৰে।
দুৰ্ঘোৰ সাগৰ সেনাবল কৌৰবৰ।
দ্ৰোণ ভীষ্ম কৰ্ণ তাত কুম্ভীৰ মগৰ।।
মোৰ পিতামহবৰ্গে কৃষ্ণ নৌকা পাই।
লীলায়ে তৰিলা তাক গোখোজ পৰাই।।"

মহাজ্ঞানীসকলে আত্মাৰ নিত্যত্ব উপলব্ধি কৰে। আত্মজ্ঞ সকলেই মহাজ্ঞানী। তেওঁলোকে সত্যব্ৰহ্মক স্বীকাৰ কৰে। সত্যব্ৰহ্মৰ সাকাৰ সগুণ অৱতাৰী কৃষ্ণৰ গুণ-যশ, লীলা অৱতাৰ কৰ্মৰ শ্ৰবণ-কীৰ্ত্তন কৰাকে শ্ৰেয় বুলি তেওঁলোকে ভাবে।

সংসাৰ চক্ৰৰ পৰা অব্যাহতি পোৱাৰ অদ্বিতীয় পথ হৈছে কৃষ্ণ-ৰসত আপ্লুত হৈ ৰস অমৃত পান কৰা। শ্ৰৱণ-কীৰ্ত্তনৰ দ্বাৰা হৃদয়ত ভক্তিৰ উদ্ৰেক হয়, ভক্তিৰ পৰা শুদ্ধ-সত্ব জ্ঞান জন্মে। জ্ঞানৰ পৰা বৈৰাগ্য আহে। তেতিয়া অবিনাশ্বৰ সংসাৰৰ মায়া-মৰীচিকাৰ সমাপ্তি ঘটে আৰু সত্য-ব্ৰহ্মক জনাৰ প্ৰতি ধাউতি হয়। ভগৱন্তৰ অমৃত কথা শ্ৰবণ-কীৰ্ত্তন নকৰাজন মহাপাপী আৰু আত্মঘাতী হয়। বিপুল সেনাবাহিনী সহ মহাবীৰ ভীষ্ম, মহাৰথী কৰ্ণ, মহাধনুৰ্বিদ দ্ৰোণ আদিক কুৰুক্ষেত্ৰ মহাসমৰত কেৱল কৃষ্ণৰ কৃপাতে অৰ্জ্জুনে নিধন কৰিব পাৰিছিল। পাণ্ডৱে কৃষ্ণ-নৌকা পাই তৰি গ'ল। ভক্তি নৌকাৰ কৰ্ণধাৰ কৃষ্ণ, গুৰিবঠা ধৰোতা গুৰু শঙ্কৰ, ভকত যাত্ৰী, চৈ অনুকূল বায়ুৰূপী কৃষ্ণ নাম, টিং-পীৰ-পাট- ন বিধ ভক্তি। সংসাৰ সাগৰ পাৰ হোৱাৰ জীৱননৌকা হৈছে ভক্তিনৌকা।

'দশম' ভক্তি শাস্ত্ৰ আৰু গুৰুজনাৰ বাঙময় মূৰ্ত্তি। যাৰ গৃহত কীৰ্ত্তন-দশম নাই সেই গৃহত শ্ৰীমন্ত শঙ্কৰ নাই; যাৰ গৃহত নামঘোষা-ভক্তি ৰত্নাৱলী নাই, সেই গৃহত মাধব দেবো নাই। কীৰ্ত্তন-দশম- নামঘোষা-ভক্তিৰত্নাৱলী গৃহত ৰাখিলেই নহব, তাক নিৰন্তৰে চৈতন্য কৰি ৰাখিব লাগিব।

জয় গুৰু শঙ্কৰঙ্গ

লেখক— বিপিন চুতীয়া

## লেখকৰ বক্তব্য

"শঙ্কৰে সংশয় ছেদি শাস্ত্ৰৰ তত্ত্বক ভেদি
প্ৰচাৰিলা কৃষ্ণৰ ভকতি।
তাঙ্ক এৰি কোনজনে আনক বোলয় গুৰু
কিনো লোক মহামূঢ়মতি।।'

নামঘোষাঃ মাধৱদেৱ

অসমীয়া সাহিত্য-সংস্কৃতি-ভাষাৰ জনক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ ধৰ্মগুৰু, কলাগুৰু আৰু মানবতাৰ মহান পূজাৰী। তেৰাৰ সাহিত্যৰাজি কালজয়ী বিশ্বসাহিত্য। সংস্কৃত ভাষাৰ বিদগ্ধ পণ্ডিত গুৰুজনাই সৃষ্টি কৰি যোৱা সাহিত্যৰাজি অসমীয়া ভাষাৰ মেৰুদণ্ড স্বৰূপ। কবিৰ ভাষাত—

'জালিকটা যিকেডাল আছে পুষ্পহাৰ।
সিয়েই ভাষাক মাথো কৰিছে পোহৰ।।'

তেৰাই কাব্য, অঙ্কীয়া নাট, বৰগীত, গীতি-কবিতা, টোটয়, চপয়, চতিহা, উত্তৰাকাণ্ড ৰামায়ণ, ভগৱতৰ বিভিন্ন স্কন্ধ, ভক্তিৰত্নাকৰ আদি গ্ৰন্থ ৰচনা কৰিছিল। ভক্তিৰত্নাকৰ সংস্কৃত ভাষাত, নাট সমূহ গদ্যত তেৰাই ৰচনা কৰিছিল। গুৰুজনা অসমীয়া গদ্য সাহিত্যৰ প্ৰথম স্ৰষ্টা। তেৰাৰ ৰচিত সাহিত্যৰাজিৰ ভিতৰত কীৰ্তন-ঘোষা আৰু আদি দশম ক্ৰমে অসমীয়া সাহিত্যৰ মৌচাক আৰু মৌবিচনি। 'অনাদি পাতন' কাব্য অতি তত্ব গধুৰ শাস্ত্ৰ আৰু ভক্তিৰত্নাকৰ বৈষ্ণৱ ধৰ্মৰ ব্যাকৰণ।

পৌৰাণিক আৰু শঙ্কৰী সাহিত্য আধ্যাত্মিক জ্ঞানেৰে ভৰপুৰ। এই বিধ সাহিত্যই আমাক বিশেষভাবে আকৰ্ষিত কৰিছে। ইয়াত সত্য-শিৱ-সুন্দৰৰ জয়গান আছে, মানবতাবোধৰ আকৰ্ষণ আছে, আধ্যাত্মিক-নৈতিক জ্ঞানৰ অশেষ সম্বল আছে, আৰু কলিযুগৰ বিজ্ঞান সন্মত উপাদান পৰিপূৰ্ণ হৈ আছে। সুখময়, শান্তিময় সমাজ জীৱনৰ উপাদান সমূহে প্ৰকৃত মানব-সম্পদৰ সৰ্ব্বতোময় বিকাশ ঘটোৱাৰ বাবে প্ৰাচীন সাহিত্য ৰাজি বৰ্তমান সময়ৰ বাবে অতি প্ৰাসঙ্গিক হৈ পৰিছে।

গুৰুজনাৰ অমৰ সাহিত্যৰাজিক সম্যকভাৱে উপলব্ধি কৰাৰ দক্ষতা আমাৰ নাই যদিও সেই শাস্ত্ৰৰাজিৰ প্ৰতি তীব্ৰ আকৰ্ষণ থকাৰ বাবেই আৰু কিৰণ প্ৰকাশনৰ স্বত্বাধিকাৰী শ্ৰীমান নব কলিতাৰ অনুৰোধ ৰাখি ভালেমান পুৰণি সাহিত্যৰ ওপৰত আমি গ্ৰন্থৰচনা কৰি আহিছো। সমগ্ৰ কীৰ্ত্তন -ঘোষাৰ পদ্যময় বিষয়বস্তুক গদ্যৰূপত —'কথা কীৰ্ত্তন-ঘোষা', সপ্তকাণ্ড ৰামায়ণৰ গদ্যৰূপ— 'গদ্য ৰামায়ণ', সংস্কৃত ভক্তিৰত্নাকৰৰ 'কথা-ভক্তি ৰত্নাকৰ', উপনিষদ; বৰগীত আৰু নাম-ঘোষাৰ তত্ব ৰহস্য, পাৰমাৰ্থিক তত্ব, নব-বৈষ্ণৱ ভক্তি-কাব্যৰ সমীক্ষা, প্ৰাচীন অসমীয়া অভিধান, ভাগৱত কল্পতৰু, পদ্ম-পুৰাণ চাৰি বেদ, শ্ৰীকৃষ্ণ গীতা, হৃদয় বৃন্দাবনত গীতাৰ প্ৰতিধ্বনি, গদ্য আদি যামাল আদি প্ৰায় ২২-২৩ খন গ্ৰন্থ ৰচনা কৰি প্ৰকাশ কৰি অহা হৈছে। গুৰুজনাৰ মাইলৰ খুটি সদৃশ গ্ৰন্থ 'দশম'ক গদ্যৰূপ দি 'কথা দশম' নাম দি ৰচনা কৰা হৈছে।—

গ্ৰন্থখনিত দশমৰ সমগ্ৰ কথা-বস্তুক ব্যাখ্যাত্মক ভাবে দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। তত্ব-মূলক কথাবোৰ সহজ সৰল ভাৱে লিখা হৈছে। প্ৰয়োজন সাপেক্ষে বিষয়ৰ লগত সঙ্গতি থকা প্ৰসঙ্গক টানি অনা হৈছে। গ্ৰন্থৰ আৰম্ভণিত 'দশম' সম্পৰ্কে চমু আলোচনা প্ৰস্তাবনা ৰূপে উপস্থাপন কৰা হৈছে। গ্ৰন্থৰ শেষত পৰিশিষ্টৰ কঠিন শব্দৰ অৰ্থ, প্ৰাসঙ্গিক টোকা আদিও দিয়া হৈছে। এক শৰণ হৰিনাম ধৰ্মৰ মূলপুথি হিচাবে কীৰ্ত্তন আৰু দশম দুটি স্মৃতিসৌধ।

ধেমাজি কিৰণ প্ৰকাশনৰ স্বত্বাধিকাৰী শ্ৰী নৱ কলিতাদেৱৰ উদগণি আৰু গ্ৰন্থখনি প্ৰকাশ কৰাৰ বাবে অশেষ ধন্যবাদ জনালোঁ আৰু প্ৰেছৰ সমূহ কৰ্মকৰ্তালৈ কৃতজ্ঞতা আগবঢ়ালোঁ। গ্ৰন্থখনিত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সহৃদয় পাঠক-পাঠিকাৰ ওচৰত ক্ষমা ভিক্ষা কৰিলোঁ।

গ্ৰন্থখনিয়ে পঢ়ুৱৈ সকলৰ উপকাৰ সাধন কৰিলে আমাৰ কষ্ট লাঘৱ হ'ব আৰু শ্ৰম সাৰ্থক হ'ব।

সেৱাৰে
বিপিন চুতীয়া
ধেমাজি, অসম

# কথা দশম

"মূকং কৰোতি বাচালংপঙ্গুংলঙ্ঘয়তে গিৰিম।
যৎকৃপা তমহং বন্দে পৰমানন্দ মাধৱম।।"
"যাৰ কৃপাত বোবাই কথা ক'ব পাৰে,
যাৰ কৃপাত পঙ্গুৰেও পৰ্বতৰ আৰোহন কৰিব পাৰে,
সেই পৰম ঈশ্বৰক বন্দনা কৰোঁ।"

**পৰীক্ষিত ৰজাৰ কৃষ্ণ জন্ম-বিষয়ক প্ৰশ্ন ঃ**

১ ৰ পৰা ৫ নং শ্লোকলৈকে পাঁচটা শ্লোকত শ্ৰীমন্তশঙ্কৰদেৱে জগতৰ ঈশ্বৰক গ্ৰন্থৰ আৰম্ভণি কৰাৰ প্ৰাক্‌মূহুৰ্তত স্তুতি কৰিছে।

'হে যদুবংশৰ তিলক যাদব, হে লক্ষ্মী-বল্লভ মাধৱ হে মায়ামৰ্দ্দনকাৰী জনাৰ্দ্দন, হে ইন্দ্ৰিয় গণৰ অধীশ্বৰ হৃষিকেশ, হে মঙ্গলময় সদাশিৱ, হে পুৰাণপুৰুষ সনাতন, হে পতিতৰ উদ্ধাৰ কৰ্তা প্ৰণত তাৰণ, হে চাৰিবেদৰ প্ৰাণ নাৰায়ণ, হে গুণহীন-আকাৰ-বিহীন নিৰাকাৰ কৃষ্ণ, তোমাৰ পাদ-পদ্মত কোটি কোটি প্ৰণাম যাচিলোঁ।'।। ১।।

'হে ভকতৰ প্ৰাণধন ভগৱন, তোমাক নমস্কাৰ, তোমাক নমস্কাৰ, তোমাক স্মৰণ কৰি মহান কৰ্মৰ আৰম্ভণি কৰিব বিচাৰিছোঁ যাতে আমাৰ উদ্দেশ্য সিদ্ধি হয়।' মহাভাগৱত শাস্ত্ৰৰ দশম স্কন্ধৰ পদ-ৰচনা কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে কৰিবলৈ আগবাঢ়িছে।'।। ২।।

গুৰুজনে সভাসদ প্ৰমুখ্যে সকলোলৈ কৰযোৰ কৰি ক'বলৈ ধৰিলে— 'মই মহামূৰ্খ হৈও মহাভাগৱতৰ পদ ৰচনা কৰিবলৈ আগবাঢ়িছোঁ। আমি ৰচনা কৰা পদত যেন কোনেও দোষ নধৰে। কৃষ্ণৰ অমৃতময় কথা শুনি সকলোৰে চিত্ত যেন সন্তোষিত হয়'।। ৩।।

যি মানবৰ কোটি কোটি জন্মৰ অৰ্জ্জিত মহাপাপবোৰ নিঃশেষ হৈছে, সেই মানৱে কৃষ্ণ-কথা শুনিবলৈ সক্ষম হয়; কিন্তু যি সকল মহাপাপী, তেওঁলোকৰ কাণত এনে মধুময় কৃষ্ণকথা তীক্ষ্ণবেজিৰ আগে খুচে।। ৪।।

সেই কাৰণে সকলো মানুহে অতি সাবধানে শুনা যে কৃষ্ণ-কথা শ্ৰৱণৰ বাহিৰে আনধৰ্ম নাই। তপ-জপ-যজ্ঞ মহাদান, তীৰ্থস্নান আদি ধৰ্মবোৰ কৃষ্ণ-কথাৰ কোটি ভাগৰ এভাগো নহয়।। ৫।।

ইয়াৰ পাছতে দশমৰ কথা আৰম্ভ হৈছে। মুমূৰ্ষ পৰীক্ষিতে ৰজাই শুকমুনিৰ পৰা চন্দ্ৰবংশ, সূৰ্যবংশৰ কথা ইতিমধ্যে শুনিলে। ইয়াৰ পাচত নাৰায়ণে যদুবংশত অৱতাৰ গ্ৰহণ কৰি কি কি কৰ্ম সাধন কৰিলে, সেই বিষয়ে শুকৰ পৰা জানিব বিচাৰিলে ।। ৬।।

পৰীক্ষিতে যি কথা সুধিছে— সেই কৃষ্ণ কথা মহামহা জ্ঞানীগণে অবিশ্ৰাম ভাৱে শ্ৰৱণ কৰে, সেইকথা কাণত সোমালে ঐকান্তিক আনন্দ লাভ হয়। এই কথামৃত সংসাৰীৰ বাবে মহৌষধ। কৃষ্ণ-কথা নুশুনাকৈ কোনেও থাকিব নোৱাৰে। যি সকল মহাপাপী তেওঁলোকেহে কৃষ্ণ-কথা শ্ৰৱণ নকৰে; তেওঁলোকে কৃষ্ণ কথা শ্ৰৱণ নকৰি আত্মঘাটকীহে হয়।। ৭।।

কুৰুক্ষেত্ৰ মহা সমৰত কৌৰবৰ সেনা সাগৰ-শঙ্কা আছিল। দ্ৰোণ ভীষ্ম, কৰ্ণ আদি মহাবীৰ সকল সৈন্য সাগৰত যেন কুম্ভীৰ মগৰহে আছিল। পাণ্ডৱৰ লগত আছিল কৃষ্ণ সাৰথি ৰূপে। পৰীক্ষিতে কৈছে 'মোৰ পিতামহ বৰ্গই কৃষ্ণ-নৌকাত উঠি অতি অপ্ৰয়াসে লীলা কৰি সকলোকে বধ কৰিব পাৰিছিল। গৰুৰ খোজ পানীত থাকিয়েই কৌৰৱৰ সেনাৰ সাগৰত যুদ্ধ কৰি কৃষ্ণৰ কৃপাত বিজয়ী হৈছিল।।৮।।

'মহাজ্ঞানীগণে যাক গাৱে অবিশ্ৰাম।।
সংসাৰৰ ঔষধ কৰ্ণৰো অভিৰাম।।
হেন কৃষ্ণ-কথা নুশুনিব কোন নৰে।
একে মহাপাপী আত্মঘাটকীত পৰে।।
দুৰ্ঘোৰ সাগৰ সেনাবল কৌৰৱৰ।
দ্ৰোণ ভীষ্ম কৰ্ণ তাত কুম্ভীৰ মগৰ।।
মোৰ পিতামহবৰ্গে কৃষ্ণ-নৌকা পাই।
লীলায়ে তৰিলা তাক গোখোজ পৰাই।।

পৰীক্ষিতে পুনৰ কৈছে 'মোৰ দেহা দ্ৰোণীৰ (দ্ৰোণৰ পুত্ৰ অশ্বত্থামা) ব্ৰহ্মশৰে দহিলে; কিন্তু মাধৱে মোৰ মাতৃৰ গৰ্ভত প্ৰৱেশ কৰি অঙ্গুষ্ঠ সমান

আকৃতি ধৰি মোক গৰ্ভতে ব্ৰহ্মঅস্ত্ৰৰ পৰা ৰক্ষা কৰিলে। এনে পৰম দয়ালু দেব নাৰায়ণ মোৰ ইষ্টদেব আৰু সেই প্ৰভু দামোদৰৰ অমৃতময় চৰিত্ৰৰ বিষয়ে মোক কওক'।।৯।।

কৃষ্ণদেৱে কিয় নিজ মোমায়েক কংসক বধ কৰিলে? পিতৃ-গৃহএৰি কিয় কৃষ্ণ গোকুললৈ যাব লগা হ'ল। কৃষ্ণই মানবীতনু ধাৰণ কৰি কিমান দিন ধাৰাধামত আছিল? বৃষ্ণিবংশত কোন কোন স্থানত তেওঁ দিন কটাইছিল? ।।১০।।

ঈশ্বৰ কৃষ্ণই কিমান ভাৰ্য্যা বিবাহ কৰিছিল? হৰিকথা অমৃতৰ তুল্য আৰু তাক শ্ৰৱণ কৰিলে সমস্ত ভোক-পিয়াহ দূৰ হয়। তদুপৰি সংসাৰ দুঃখৰ পৰা ত্ৰাণ পোৱা হয়। গতিকে এনে অমৰ কথা কওক, এনে কথাত আমাৰ শ্ৰদ্ধা-ভক্তি বাঢ়ে।। ১১।।

পৰীক্ষিতৰ কথা শুনি শুকে ৰজাক ধন্যবাদ দিলে আৰু মাধবৰ কথা শুনিবলৈ আগ্ৰহ প্ৰকাশ কৰা মুনিয়ে কৃষ্ণ-কথা ক'বলৈ আৰম্ভ কৰিলে।।১২।।

ভূভাগত অসংখ্য দৈত্যই জন্মগ্ৰহণ কৰি ৰাজপাটত আৰোহন কৰিলে। বল-শক্তি দৰ্প কৰি দৈত্যৰজা গণে সাধু- সন্তলোকৰ ওপৰত দুৰ্ঘোৰ অমানুষিক অত্যাচাৰ চলালে। অত্যাচাৰত বসুমতীয়ে পাপৰ ভাৰ বহন কৰিব নোৱাৰা হ'ল। অৱশেষত বসুন্ধৰীয়ে ধেনুৰূপ লৈ সৃষ্টিকৰ্তা ব্ৰহ্মাত হৰণ ললেগৈ।।১৩।। ধেনুৰূপী বসুমতীয়ে গুৰুভাৰ বহন কৰি শুকাই খীনাই যাবলৈ ধৰিলে; বিষাদত দুচকুৰ পৰা ধাৰাসাৰে লোতক বাগৰি মুখমণ্ডল তিতি গ'ল। দুঃখত হুৱা-হুৱকৈ কান্দিবলৈ ধৰিলে। তেওঁ বিধাতাৰ আগত নিজৰ দুঃখ-যান্ত্ৰণাৰ কথা বিবৰি ক'লে।।১৪।।

ব্ৰহ্মাই বসুমতীৰ দুখ দেখি দেবগণক লগত লৈ ক্ষীৰ সাগৰত থকা পৰম পুৰুষ নাৰায়ণৰ ওচৰ পালেগৈ। আৰু সকলোৰে মিলি অনন্তশয্যাত শয়ন কৰি থকা মাধবক মন্ত্ৰ উচ্চাৰণ কৰি স্তুতি কৰিবলৈ ধৰিলে। ব্ৰহ্মাই সমাধিত থকা অৱস্থাত আকাশবাণী শুনিবলৈ পালে।।১৫।।

ব্ৰহ্মাই আকাশবাণী শুনি দেৱগণক ক'লে—'হে ত্ৰিদশ, বিষ্ণুৱে কি আদেশ কৰিছে সকলোৱে শুনাহঁক।'

পৃথিৱীৰ মহাভাৰ শ্ৰীহৰিয়ে অনতিপলমে আঁতৰাব। তেওঁ কৈছে যে দেবগণে যদুবংশত অবতাৰ হ'ব লাগে।।১৬।।

বসুদেবৰ গৃহত নাৰায়ণে সাক্ষাতে অৱতাৰ গ্ৰহণ কৰিব। তাৰ কাৰণে দিব্য নাৰীগণ সেই স্থানত জন্ম গ্ৰহণ কৰিব লাগিব। তেওঁ যাৰ বুকুত শয়ন কৰি থাকে সেই ভক্ত অনন্তই মাধবতকৈ আগেয়ে জন্ম গ্ৰহণ কৰিব।।১৭।।

বিষ্ণুৰ আদেশমতে যোগমায়াই সমস্ত কাৰ্য সমাধাৰ বাবে উৎপত্তি হ'ব। ব্ৰহ্মাই আকাশবাণীৰ মৰ্ম দেবগণৰ আগত ব্যক্ত কৰিলে বসুমতীকো ব্ৰহ্মাই আশ্বাস দি ক'লে যে অতি সোনকালে ভগৱন্তই বসুমতীৰ মহাদুখ দূৰ কৰি উদ্ধাৰ কৰিব।।১৮।।

গতিকে বসুধাই চিন্তা কৰিব লগা নাই। মনৰ বিষাদ দূৰ কৰি সুস্থ হ'বলৈ বসুমতীক আহ্বান জনালে। এই সমস্ত কথা সমাধা কৰি ব্ৰহ্মাই স্বস্থানলৈ প্ৰত্যাৱৰ্ত্তন কৰিলে।।১৯।।

**২।বসুদেৱৰ লগত দৈৱকীৰ বিবাহ, দৈববাণী, কংসই দৈবকীক বধ কৰিবলৈ উদ্যত।।**

ভগৱন্তই আৰ্বিভাৰ হোৱা স্থান বৈকুণ্ঠৰ দৰেই হ'ব। স্বৰ্গত কৈ অধিক মনোহৰ পুৰী মথুৰা নগৰী। সৰ্বতিকালতে দেবহৰিয়ে এনে স্থান পৰিহাৰ কৰিবলৈ নিবিচাৰে। মথুৰা নগৰীৰ সৌন্দৰ্য উপমাৰে প্ৰকাশ কৰিব নোৱাৰি। পৃথিৱীৰ ভিতৰত এই নগৰ অদ্বিতীয়। ইয়াতেই যাদব সকল আৰু প্ৰজাই বিহাৰ কৰিছিল।।২০।।

মথুৰা ৰাজ্যৰ ৰাজধানী মথুৰা নগৰত সুৰ যদুপতিয়ে ৰাজ সিংহাসনত অধিষ্ঠিত আছিল। তেওঁৰ পুত্ৰ মহামতি বসুদেৱক দৈবকে অতি আদৰ কৰি মাতি আনি দৈবকীক আনন্দমনেৰে বিয়া দিলে।।২১।।

বসুদেৱ-দৈবকীৰ বিবাহ যাত্ৰাৰ সমদল অতি চমৎকাৰ আছিল। ৰত্ন-খচিত দুই নব শত ৰথ, পোন্ধৰ হেজাৰ ঘোঁৰা, চাৰিশ হাতী, দুশগৰাকী সুকুমাৰী দাসী যৌতুক হিচাবে দিয়া হৈছিল।।২২।।

এইদৰে সজ্জিত হৈ বসুদেৱে দৈবকীক ৰথত তুলি দলদোপ হেন্দোলদোপ কৰি গৃহ অভিমুখে যাত্ৰা কৰিলে। কংসই ভনীয়েক আৰু বসুদেৱৰ ৰথৰ ধ্বজত বহি ঘোঁৰাৰ বাঘজৰী ধৰি অতি আনন্দ উল্লাস মনেৰে অগ্ৰসৰ হ'ল।।২৩।।

কংসই চলোৱা ৰথৰ চৌদিশে এশখন স্বৰ্ণময় ৰথে বেঢ়ি আগবাঢ়িল। বিবাহ দলত মৃদঙ্গ, গোমুখ, শঙ্খ আদিৰ ধ্বনিৰে, আকাশ-বতাহ কঁপাই তুলিছিল।

কংসই ঘোঁৰ ডকাই গৈ থাকোঁতে হঠাতে দৈববাণী শুনিবলৈ পালে।।২৪।।

দৈববাণী হৈছিল এনেধৰণৰ—

'যাক লৈয়া যাহ কংস শুনৰে অজ্ঞান।
এহিৰ অষ্টম পুত্ৰে তোৰ লৈবে প্ৰাণ।।
শুনিয়া নিস্থল কংসে খাণ্ডা লৈলা বুলি।
দৈবকীৰ কেশত ধৰিলা কাটো তুলি।।২৫।।

অৰ্থাৎ— 'হে অজ্ঞান কংসঙ্গ তই যাক লৈ আগবাঢ়ি গৈছে, তাইৰ গৰ্ভত জন্মা অষ্টম পুত্ৰৰ হাতত তোৰ মৃত্যু ঘটিব। এনে কৰ্কশ দৈব্যবাণী শুনি উদণ্ড, অত্যাচাৰী কংসই হাতত খাণ্ডা তুলি ললে আৰু দৈবকীৰ চুলিকোছাত ধৰি কাটিবলৈ উদ্যত হ'ল'।।২৫।।

বসুদেৱে অধৰ্মী, হিংসুক কুলাঙ্গাৰ কংসৰ এনে দুষ্কাৰ্য দেখি অত্যন্ত চিন্তিত হ'ল আৰু কংসক শান্ত কৰিবলৈ বসুদেৱে আগবাঢ়ি গৈ ক'লে— 'হে ঘোষ বংশৰ নন্দন, হে মহাৰাজ, মোৰ কথা শুনাচোন।' ২৬।।

ত্ৰিজগতে তোমাক মহান ৰজা বুলি চিনিপায়, তোমাৰ গুণসমূহক বীৰ সকলে শলাগে। এনে গুণশালী ৰজা হৈ তুমি কোন সতেৰে এওঁৰ অনিষ্ট সাধন কৰিব বিচাৰিছা? অন্যহাতে এওঁ স্ত্ৰী জাতি আৰু তোমাৰ নিজ ভনী। স্ত্ৰী জাতিৰ ওপৰত পুৰুষে অত্যাচাৰ কৰা অনুচিত আৰু সহোদৰ হৈ সহোদৰাৰ অনিষ্ট সাধন কৰা কেতিয়াও উচিত নহয়।২৭।।

দৈবকীক অনাহকতে বধ কৰিবলৈ কংসই চলোৱা প্ৰচেষ্টাৰ বিপৰীতে বসুদেৱে দিয়া শাস্ত্ৰীয় যুক্তি প্ৰণিধান যোগ্য। বসুদেৱে কৈছে যে কংসই নিজৰ মৃত্যুৰ ভয়ৰ বাবে মহান পাপ কাম কৰিবলৈ উদ্যত হৈছে। দেহৰ লগত মৃত্যু থাকিবই, জন্ম মানেই এদিন নহয় এদিন মৃত্যু অৱশ্যাম্ভাবী। জন্তুৰো মৃত্যু ভয় থাকে।।২৮।।

'আজি মৃত্যু হৌক নুহি শতেক অন্তৰে।
অৱশ্যে মৰণ আছে সৱ জগতৰে।'

মৃত্যুভয়ে লোকৰ হিতাহিত জ্ঞান হেৰুৱাই পেলায়। কংসই নিজৰ মৃত্যুক বাৰণ কৰিবলৈ আনক মৃত্যু ঘটালেও তেওঁ মৃত্যুৰ গ্ৰাসৰ পৰা অব্যাহতি নাপায়। জীৱ কৰ্মৰ অধীন। কৰ্মফলে জীৱৰ জীৱিত কাল, জীৱিত কালৰ সুখ-দুখ আৰু মৃত্যুৰ প্ৰকাৰ নিশ্চিত কৰে। পূৰ্বদেহা এৰি নতুন দেহা জীৱই লাভ কৰে কৰ্মফল অনুসাৰে। জন্ম হ'লেই মৃত্যু আসন্ন। সেইবাবে জীৱৰ মৃত্যু নহয়, দেহান্তৰ হে ঘটে। জোকে এডাল তৃণ এৰি আন এডাল তৃণলৈ বগাই যোৱাৰ দৰে জীৱয়ো এটা দেহ এৰি আন এটা দেহত প্ৰবেশ কৰে—

'কৰ্মৰ অধীন জীৱ যেতিক্ষণে যায়।
এড়ি পূৰ্বাদেহা আউৰ শৰীৰক পায়।।
যেন জোকে তৃণ পাইলে এড়ে আউৰ তৃণ।
জীৱৰ মৰণ স্বপ্নে এৰে নুহি ভিন্ন।'২৯।।

টোপনিত লোকে সপোন দেখে, সাৰ পালে সপোন ভাগে। জীৱন কালো এটা সপোন, জীৱন স্বপ্নময়। স্বপ্নৰ অৱসান ঘটিলে জীৱনৰো অৱসান ঘটে।২৯।।

বসুদেৱে আৰু যুক্তি দিছে যে যিজনে নিজৰ মঙ্গল চিন্তা কৰে, তেওঁ কেতিয়াও আনৰ দ্ৰোহ নাচৰে। সেইবাবে নিজৰ কুশলৰ বাবেই অইনৰ অহিত চিন্তা কৰিব নালাগে। ইহকালত আৰু পৰকালত দ্ৰোহীজনৰ কেতিয়াও কুশল হ'ব নোৱাৰে।৩০।।

দৈবকী যিহেতু কংসৰ ভনীয়েক যেতিয়া নিজৰ জীয়েকৰ তুল্য। গতিকে নিজ দুহিতাক হত্যা কৰা অনুচিত। বসুদেৱে এনে অকাট্য যুক্তি প্ৰদৰ্শন কৰি গৈছে যে সকলো কাম আগ-পাছ গুণিহে কৰিব লাগে; যিহেতু ৰজা দয়াশীল, দীনক উদ্ধাৰ কৰোঁতা। গতিকে দৈবকীক কটা অনুচিত।।৩১।।

বসুদেৱে অনেক কাকুতি-মিনতি কৰিলেহে কৰিলে, কিন্তু নিষ্ঠুৰ নিৰ্দ্দয় কংসই সকলোবোৰ যুক্তি উফৰাই দৈবকীক কাটিবলৈ উদ্যত হ'ল। বসুদেৱে উপায়হীন হৈ চিন্তা কৰিবলৈ ধৰিলে।

বসুদেৱে ভাবিলে যে যি পৰ্য্যন্ত শৰীৰত বল থাকিব, বুদ্ধি থাকিব, সেই পৰ্যন্ত অধৈৰ্য্য নহৈ মনস্থিৰ কৰি মৃত্যুৰ পৰা ৰক্ষা কৰিবলৈ যত্ন কৰি যাব। তেওঁ কংসক সন্তান উপজিলেই দিব বুলি কৈ কংসৰ হাতৰ পৰা যেনে-তেনে দৈৱকীক উদ্ধাৰ কৰিবলৈ মনস্থ কৰিলে। ৩৩।।

তেওঁ ভাবিলে ভৱিষ্যতে দৈৱকীৰ পুত্ৰ নুপজিবও পাৰে, নাইবা পুত্ৰ উপজাৰ আগতে কংস মৰি যাব পাৰে। কংস নমৰিলেও পুত্ৰৰ জন্ম হ'ব পাৰে আৰু তাৰ হাতত কংসৰ ধ্বংস পাত হ'ব পাৰে।৩৪।।

দৈৱৰ গতি দুৰ্বোধ্য, দৈবই বিপৰীত ফলো দিব পাৰে। এনেবোৰ কথা

মনতে ভাবি তেওঁ মুখত হাঁহি, পেটত বিষাদ লৈ কংসক ক'লে— ।।৩৫।।

"হে মহাৰাজ কংস, আকাশী বচনত তুমি শুনিছা যে দৈবকীৰ হাতত তোমাৰ মৰণ নাই, দৈৱকীৰ পুত্ৰৰ হাতত হে তোমাক মৰণ আছে। গতিকে পুত্ৰ উপজিলেই তোমাক অৰ্পণ কৰিম। যিমান পুত্ৰ উপজিব, সেই সকলোকে তোমাক জন্মা মাত্ৰেই সমৰ্পণ কৰিম বুলি প্ৰতিজ্ঞা কৰিলোঁ।" ৩৬।।

কংসই বসুদেৱৰ কথাত পতিয়ন গৈ দৈৱকীক এৰি নিজ গৃহলৈ গুচি গ'ল। বসুদেৱে উশাহ পালে আৰু হৰ্ষিত মনেৰে ভাৰ্যাসহ নিজ মন্দিৰলৈ গমন কৰিলে। ৩৭।।

পৰৱৰ্তী কালত এটা এটাকৈ আঠটা পুত্ৰ আৰু এক কন্যা জন্ম দিলে দৈৱকীয়ে আৰু প্ৰথমে কীৰ্তিমন্ত নামে এটি পুত্ৰ জন্ম দিলে আৰু বসুদেৱে কথা মতে কংসৰ হাতত অৰ্পণ কৰিলে।৩৮।।

বসুদেৱে সত্যৰক্ষা কৰি পুত্ৰস্নেহ ত্যাগ কৰিলে। হৰিভকতে সত্য ৰক্ষা কৰিববলৈ অতি দুৰূহ কৰ্মও কৰিব পাৰে। যাৰ মন কৃষ্ণত অৰ্পিত হয়, তেওঁ সাংসাৰিক মায়া-মমতাৰে ভৰা কোনো বস্তুকে নিবিচাৰে, আনকি মোক্ষকো ত্যাগ কৰিব পাৰে।৩৯।।

পুৰুষৰ অতি প্ৰিয় হৈছে— ভাৰ্যা, পুত্ৰ, ধন, জন। এইবোৰ স্বৰূপাৰ্থত মায়াৰ প্ৰহেলিকা। কৃষ্ণৰ চৰণাৰ বিন্দহে আচল বস্তু।

'মায়াৰ ৰচনা পুত্ৰ ভাৰ্যা ধন জন।
জানি সৰে ত্যজি ভজা কৃষ্ণৰ চৰণ।।'

সেইবাবে পাৰ্থিৱ অবস্তুক ত্যাগ কৰি ভগৱন্তৰ চৰণক সাৰটি ল'ব লাগে। কংসই বসুদেৱৰ সত্যৰক্ষাৰ কথা দেখি পৰম আনন্দিত হৈ প্ৰশংসা কৰিলে।৪০।।

কংসৰ মহানতা অৱশ্যে নোহোৱা নহয়। কংসই এই পুত্ৰটিক বসুদেৱক ঘূৰাই দি ক'লে— 'এই পুত্ৰত মোৰ মৃত্যু নাই।

অষ্টম পুত্ৰত হে মোৰ মৃত্যু আছে। গতিকে ৮ নং পুত্ৰক মোক আনি দিবা।'৪১।।

কংসৰ এনে উদাৰতাত বসুদেৱে খং এৰি নিজ গৃহলৈ গমন কৰিলে পুত্ৰক কোলাত লৈ। তথাপি ক্ৰুৰ কংসৰ কথাত বসুদেৱ আশ্বস্ত নহ'ল, কাৰণ পাচমুহূৰ্ততে কেঁচুৱাটো লৈ আহ বুলি ক'ব পাৰে।। ৪২।।

গুৰুজনাৰ উপদেশ—

কবি শ্ৰীমন্ত শঙ্কৰে প্ৰতিটো আখ্যান বৰ্ণনা কৰাৰ লগে লগে আখ্যানৰ মৰ্ম্মাৰ্থ হিচাবে মানব সমাজলৈ উপদেশ দি গৈছে—

তেৰাই কৈছে— 'হে প্ৰিয়লোক, হে মনুষ্যগণ, কলিকাল পাপেৰে ভৰপূৰ, পূণ্য তেনেই কম। কৃষ্ণ চৰিত্ৰ শ্ৰবণ কীৰ্ত্তনৰ বাহিৰে কলিত আন পুণ্যপথ নাই। ভগৱন্তৰ মহান দান হৈছে মনুষ্য শৰীৰ লাভ। ব্ৰহ্মায়ো বাঞ্ছা কৰা মনুষ্য জীৱন লাভ কৰি অতি যত্ন কৰি কৃষ্ণ-কথা-অমৃত পান কৰা উচিত।৪৩।।

"শুনিয়োক সৰ্ব্বজন কৃষ্ণৰ চৰিত।
অত পৰে আন পুন্য নাহিকে কলিতে।।
লভি আছা জন্ম যিটো ব্ৰহ্মাৰ বাঞ্ছিত।
জানি যত্নে কৰা পান কৃষ্ণ-কথামৃত। ৪৩।।

মানব শৰীৰ ক্ষন্তেকীয়া, জীৱন ক্ষণস্থায়ী, ক্ষন্তেকীয়া জীৱন কাল অবাবত নষ্ট নকৰি, অবিলম্বে কৃষ্ণৰ ভকতি কৰা উচিত। জীৱন চিন্তামণি, অৰ্থাৎ মানৱ জীৱনে চিন্তা কৰিব পাৰে, ভাবিব পাৰে, ভগৱানৰ নাম-গুণ ল'ব বা গাব পাৰে। এনে মূল্যৱান জীৱন হঠাতে হেৰাব পাৰে; গতিকে সময় থাকোতেই ভগৱন্তক চিন্তা কৰা উচিত। কাল-অজগৰে গিলি পেলাব পাৰে, চেতনা হেৰাই যাব পাৰে। ধন-জন-জীৱন ক্ষণিকতে হেৰাই যাব পাৰে। কিন্তু হেৰাই নাযায় ভগৱন্তৰ ভক্তি-সুৱৰ্ণ।৪৪।।

'ক্ষনিক শৰীৰ বিলম্বন কাৰ্য নাই।
চিন্তামনি জন্ম হেৰা হাততে হেৰাই।।
নাহিকে চেতন কাল অজগৰে গিলে।
ধন-জন-জীৱন যাইবেক একে-তিলে।।'৪৪।।

জীৱ-জগত প্ৰপঞ্চৰ সৃষ্টিৰ মূলত কাৰণৰূপী নাৰায়ণ আৰু প্ৰপঞ্চৰূপী জীৱ-জগত নাৰায়ণৰ কাৰ্য। 'তুমি কাৰ্য-কাৰণ সমস্ত চৰাচৰ'; কাৰণ-কাৰ্য একত্ৰে সূত্ৰাত্মা। কাৰণৰ বিশ্বজাগতিক জ্ঞান শক্তি (Cosmic Intellegence), কাৰ্য-বিশ্বজাগতিক ক্ৰিয়া শক্তি (Cosmic energy) প্ৰপঞ্চাধীনা ভাৰ্য্যা, পুত্ৰাদি অকাৰণ; কালে ইচ্ছা কৰিলে ক্ষন্তেকতে সকলোকে নিঃচ্ছিন্ন কৰিব। বিষয়-সুখ ক্ষন্তেকীয়া, এই আছে, এই নাই। মৃত্যুৱে মুখ মেলি গিলিববলৈ ৰৈ আছে।৪৫।।

যত দেখা ভাৰ্যা পুত্ৰ সবে অকাৰণ।
চাই মাত্ৰ থাকে ক'লে ধৰে সেতিক্ষণ।।

বিষয়ৰ সুখ একেতিলে কৰি চুৰ।
যমৰ কিঙ্কৰে ধৰি নিবে যমপুৰ ।।৪৫।।

যমৰ (কালৰ) মূৰ্ত্তি অতি ভয়াবহ, নৰক যান্ত্ৰণা অসহ্য। সেই কাৰণে সাৰবস্তু কৃষ্ণৰ চৰিত্ৰকে সাৰ কৰিব লাগে। ৪৬।।

কৃষ্ণ নাম ভকতি-মুকুতিৰ দুৱাৰ। কলিৰ পৰম ধৰ্ম হৰিনাম। সমস্ত নিগম শাস্ত্ৰৰ সাৰ-তত্ব এয়ে। ৪৭।।

বিচাৰি শাস্ত্ৰত পাইবা এহিসে যুগুতি।
কৃষ্ণৰ নামেসে সাধে ভকতি-মুকুতি।।
কলিৰ পৰম ধৰ্ম জানা হৰিনাম।'

শঙ্কৰে এই মহাশাস্ত্ৰ ৰচনা কৰিছে আৰু ৰাম ৰাম বুলিবলৈ কৈছে।।৪৭।।

**৩। কংসক নাৰদৰ উপদেশ, দৈবকী-বসুদেৱক কাৰাগাৰত বন্দী আৰু তেওঁলোকৰ পুত্ৰবধঃ**

নাৰদে কাহিনীফলকৰ যোগসূত্ৰ ৰক্ষা কৰিবলৈ কংসৰ ওচৰত উপনীত হ'লহি। প্ৰত্যক্ষ ভাবে নাৰদৰ কাৰ্য বসুদেৱ-দৈবকীৰ বিৰুদ্ধে যেন লাগিলেও পৰোক্ষভাৱে কংসক বেচি অত্যাচাৰী হ'বলৈ আগবঢ়াই দি কংসৰ ধ্বংস বিচাৰিছে। নাৰদে কংসক ক'লে— 'হে কংস, তই অবোধ; কিয়নো বসুদেবকে আদি কৰি এওঁলোক যাদব বংশৰ লোক। নন্দ আদি গোৱালগণ দেবগণৰ ছদ্মবেশ ধৰি নৰৰূপ জন্ম লৈছেহি।৪৮।।

তদুপৰি দৈবকী, যশোদা আদি নাৰীগণ দেবীৰ ছদ্মবেশ। হে, কংস তই পূৰ্ব্বজন্মত কালনেমী দৈত্য আছিলি আৰু কালনেমী হিৰণ্যকশিপুৰ পুত্ৰ আছিল। তোক বিষ্ণুৱে বধ কৰিছিল। তই পুনৰ বাৰ কংস নামলৈ জন্ম হৈছ। নাৰায়ণে দৈবকীৰ গৰ্ভত উপজি তোক মাৰিব। তই যাক জ্ঞাতিবৰ্গ বুলি ভাবিছ, সেই সকলে তোৰ শত্ৰু। সকলোৱে তোক মাৰিবৰ কাৰণে যত্ন কৰিছে।' এই তত্ব-কথাকৈ নাৰদে বীণা বাই গমন কৰিলে।।৪৯।।

নাৰদৰ কথা শুনি কংসৰ মহাক্ৰোধৰ সৃষ্টি হ'ল। কংসই হিতাহিত জ্ঞান হেৰুৱাই পেলালে আৰু বসুদেৱ-দৈবকীক তৎকালে লোৰ কাৰাগাৰত বন্দী কৰি ৰাখিলে।।৫০।।

দৈবকীৰ পুত্ৰ উপজা মাত্ৰে কংসই হত্যা কৰিবলৈ ধৰিলে। কংসই নিজ পিতৃ-মাতৃ-ভাতৃক নমনা হ'ল আৰু যাদব বংশক হিংসা কৰিবলৈ ধৰিলে। ৰজা উগ্ৰসেনক ৰাজপাটৰ পৰা খহাই নিজে সিংহাসনত বহি ৰজা হ'ল।৫১।।

কংসই নিজে একছত্ৰী সম্ৰাট বুলি ঘোষণা কৰিলে। তেওঁ সকলোকে বশ কৰিবলৈ প্ৰয়াস কৰিলে। অৰিষ্টাসুৰ, ধেনুকাসুৰ, পুতনা, প্ৰলম্বাসুৰ, বকাসুৰ, চানুৰ, বান, জৰাসন্ধ আদিক এক ঠাই কৰি যাদবসকলক বধ কৰিবলৈ আঁচনি তৈয়াৰ কৰিলে। অসুৰ গণে যাদবগণৰ ওপৰত মহাত্ৰাসৰ সৃষ্টি কৰাত যাদবসকল দশোদিশে পলাবলৈ ধৰিলে।৫২।।

দৈত্যগণৰ সহযোগত কংসই প্ৰচণ্ডভাৱে নিপীড়ন চলালে বিভিন্ন ৰাজ্য আৰু ৰজাৰ ওপৰত। কংসৰ বিপুল বাহিনী আৰু শক্তিৰ আগত তিষ্ঠিব নোৱাৰি যদুবীৰ আৰু ৰজাগণ ৰাজ্য-সম্পত্তি এৰি পলাবলৈ ধৰিলে। বিদৰ্ভ, নৈষধ, কৈকেয়, কোশল, কুৰু, পাঞ্চাল আদি ৰজাই পলাব নোৱাৰি কংসৰ শৰণাগত হ'ল। যদু, ভোজ, বৃষ্ণি কংস বাহিনীয়ে উচ্ছন্ন কৰিলে।৫৩।।

**৪। দৈবকীৰ গৰ্ভত বিষ্ণুৰ আৰ্বিভাৰ, কংসৰ চিন্তা, দেৱগণৰ বিষ্ণু-স্তুতি ঃ**

কংসই কাৰাগাৰত বন্দী হৈ থকা বসুদেৱ-দৈবকীৰ ছটি পুত্ৰক কংসই জন্মহোৱাৰ লগে লগে হত্যা কৰিলে। দৈবকীৰ উদৰত সপ্তম গৰ্ভ স্থিত হ'ল। পৰম বৈষ্ণব ৰক্তধাৰী অনন্তই দৈবকীৰ উদৰত আৰ্বিভূত হ'ল। অন্তৰ্যামী নাৰায়ণে কংসক বিভ্ৰম কৰিবলৈ আঁচনি কৰি ব্ৰহ্মাৰ আগত কোৱামতে অনন্তক অগ্ৰজ ভাবে পঠালে। বসুদেবৰ আন এগৰাকী ভাৰ্যা আত্মীয় নন্দ-ৰজাৰ ঘৰত আছিলগৈ। সমস্ত কাম ৰহস্যজনক ভাবে সমাধা কৰিবলৈ নাৰায়ণে মহামায়াক গোকুললৈ যাবলৈ আদেশ কৰিলে। নাৰায়ণে যোগমায়াক কলে যে দৈবকীৰ গৰ্ভ সময়মতে সঙ্কৰ্ষণ কৰি ৰোহিনীৰ গৰ্ভত স্থাপন কৰিব লাগিব আৰু যশোদাৰ গৰ্ভত যোগমায়াক উপজিবলৈ ক'লে।৫৪।।

নাৰায়ণে লগতে ক'লে যে তেওঁ নিজে গৈ দৈবকীৰ গৰ্ভত প্ৰবেশ কৰি সন্তান হিচাবে জন্মিব। জন্মাৰ লগে লগে বসুদেবে কৃষ্ণক গোকুললৈ লৈ গৈ তেওঁক যশোদাৰ কাষত থৈ যশোদাৰ সদ্যজাত যোগমায়াক লৈ আহি দৈবকীৰ কোলাত থবহি। যোগমায়াৰ নাম দুৰ্গা, ভদ্ৰা, কালী আদি হ'ব আৰু জনসমাজৰ পৰা পূজা-সেৱা গ্ৰহণ কৰি থাকিব। নাৰায়ণৰ কথা শুনি যোগমায়াই দৈবকীৰ গৰ্ভ সঙ্কৰ্ষণ (Abortion) কৰি ৰোহিনীৰ গৰ্ভত স্থাপন কৰিলে। দৈবকীৰ গৰ্ভ হঠাতে নাইকীয়া হোৱা শুনি সমাজৰ লোকে গৰ্ভপাত হ'ল বুলিয়েই

ভাবিলে।।৫৫।।

ইয়াৰ পাচত দেবহৰিয়ে ভকতৰ দুঃখ দূৰ কৰিবলৈ বসুদেৱৰ মনত প্ৰবিষ্ট হ'ল। বসুদেৱে পৰমবৈষ্ণৱ তেজ মনত ধাৰণ কৰি সূৰ্যৰ দৰে প্ৰকাশমান হৈ উঠিল। বসুদেৱে সেই ব্ৰহ্মময় বীৰ্য দৈবকীৰ গৰ্ভত অৰ্পণ কৰিলে আৰু দৈবকীৰ গৰ্ভত বিষ্ণুৱে স্থিতি লাভ কৰিলে।

'যেনা পূৰ্ব্ব দিশে আনন্দ চন্দ্ৰক ধৰে
দেবীয়ো ধৰিলা সেহি মতে।।৫৬।।

দৈবকীয়ে কৃষ্ণক গৰ্ভত ধাৰণ কৰি জ্যোতিৰ্ময়ী হৈ উঠিল। ৫৬।। কংসৰ বন্দীশালত আবদ্ধ হৈ থকা সতীৰ প্ৰকাশ মান জ্যোতি কেৱল কোঠাৰ ভিতৰতে উদভাসিত হ'ল। সপ্তম গৰ্ভ বিকাশ হোৱাৰ পাচত পৰৱৰ্তী যি গৰ্ভধাৰণ হৈছে সেই গৰ্ভত সপ্তম বুলি ধৰিব নে অষ্টম বুলি ধৰিব সিয়ো কংসৰ বাবে ৰহস্যৰ আবৰ্ত্তত সোমাই পৰিল। তথাপি দৈবকীৰ শৰীৰৰ প্ৰভা দেখি কংসই ভাবিলে যে এই গৰ্ভই তাৰ বিনাশৰ কাৰণ হ'ল। দৈবকীৰ দিব্য ৰূপ দেখি কংসই আকাশ বাণীৰ কথালৈ মনত পৰিল আৰু চিন্তাসাগৰত বিভ্ৰম হৈ পৰিল।৫৭।।

কংসৰ মনত মৃত্যু-ভয়ৰ তৰঙ্গ উঠিল। তেওঁ জানিলে যে দৈবকীৰ গৰ্ভস্থ অষ্টম সন্তান নিশ্চয়ে নাৰায়ণ আৰু তেওঁক বধিবলৈহে আহি আছে। জোঁৰ পুৰি হাত পালেহি, কি উপায়েৰে গৰ্ভস্থ সন্তানক বিনষ্ট কৰিব তাৰ উপায় উদ্ভাৱন কৰাত লাগি গ'ল। দৈবকীক হত্যা কৰিলে সন্তানটোও নষ্ট হ'ব; কিন্তু সি বৰ অন্যায় কাম হ'ব বুলি ভাবিলে। কিয়নো দৈবকী তেওঁ সোদৰৰ ভগ্নী আৰু বৰ্তমান গৰ্ভৱতী। গৰ্ভৱতী নাৰীক হত্যা কৰিলে তেওঁৰ শ্ৰী, যশ, আয়ু আদি সকলো নষ্ট হ'ব।।৫৮।।

এনে হিংসাকৰ্ম কৰিলে তেওঁ নিজেই মৰাতকৈ অধিক হ'ব। জীৱিত থাকিলেও লোক সমাজে অভিশাপ দিব, মৰি মৰি যাতনা ভোগ কৰিব লাগিব। গতিকে সি উপজক, উপজাৰ লগে লগে তাক মাৰি পেলাব বুলি কংসই মনতে থিৰাং কৰিলে। এইদৰে তেওঁ গৃহত অনিদ্ৰাৰে ভয়াৰ্ত্ত হৈ দিনবোৰ অতিক্ৰম কৰিলে।৫৯।।

শোঁওতে, বহোতে, ভোজন কৰোঁতে, কেৱল হৰিকে ভয় ভাবেৰে চিন্তিবলৈ ধৰিলে। সমস্ত জগতেত তেওঁ কেৱল হৰিকেই চকুৰ আগত দেখিবলৈ ধৰিলে। একক্ষণো মনত সুখ নাই, শান্তি নোহোৱা হ'ল। ইফালে দৈৱকী-বসুদেৱক বন্দী কৰি থোৱা পোতাশাললৈ ব্ৰহ্মা, হৰ, ত্ৰিদশৰ দেবগণ, নাৰদ আদিসকলে আহি বিষ্ণুক স্তুতি কৰিবলৈ ধৰিলে।৬০।।

'তুমি সত্যব্ৰত মোক্ষৰ সাধন
সৰ্বকালে থাকা স্বামী।
মহাপঞ্চভূত তোমাত উপজে
তুমি সব অন্তৰ্যামী।।

অৰ্থাৎ 'ভগৱান সত্যব্ৰহ্ম, পৰমাত্মা, সকলোকে মোক্ষদান কৰোঁতা, আদিত তেৱেঁ আছিল বাবে তেওঁ অনাদি, ক্ষেত্ৰত তেঁৱে থাকে বাবে অনন্ত, মধ্যত তেঁৱে থাকে বাবে পালনকৰ্তা সৰ্ব্বকালতে তেওঁ বিশ্বব্ৰহ্মাণ্ডত বিৰাজমান। 'আদি-মধ্য-অবসানেযু হৰি সৰ্ব্বত্ত গিয়তে।' তেওঁ সৃষ্টিত পঞ্চমহাভূত নামে উৎপত্তি হৈ বিশ্বৰ সকলো প্ৰাণীতে প্ৰবিষ্ট হৈ আছে। বাহিৰত মহাকাশ, মহাবায়ু মহাজল, মহাঅগ্নি আৰু লোষ্ট আকাৰে তেওঁ ব্যাপি আছে আৰু দেহৰ ভিতৰতো মাটি-পানী-বায়ু-আকাশ-তেজৰূপে ব্যাপ্ত হৈ আছে। দেহত চৈতন্য শক্তিৰূপে সাক্ষী হিচাবে অন্তৰ্যামী ৰূপত তেওঁ বিৰাজমান আছে। তেওঁ সকলোকে দেখে, সকলোকে জানে। সৃষ্টিৰ অন্তত তেওঁ সকলোকে গৰ্ভত ধাৰণ কৰি থাকে আৰু পুনৰ বিনন্দ বিলাস সৃষ্টিৰ পাতনি মেলি সৃষ্টিক পালন কৰি থাকে। গতিকে সেই পৰমাত্মাৰ অৰুণ চৰণত শৰণ লোৱাৰ বাহিৰে গতি নাই। ৬১।।

ব্ৰহ্মা, হৰ, নাৰদ, দেবগণ ভগবানক স্তুতি কৰোঁতে সংসাৰখনক আদিবৃক্ষ ৰূপে বৰ্ণনা কৰিছে। দশমৰ সংসাৰ বৃক্ষজোপা সংসাৰ-তত্ত্বৰ একৰূপক মাত্ৰ।

প্ৰকৃতি আশ্ৰয় আছে আদি বৃক্ষ
সুখ দুঃখ দুই ফল।
তিনিগুণে মূল অৰ্থ চাৰিৰস
শিপায়ে ইন্দ্ৰিয় বল।।
ছয় উৰ্ম্মি আত্মা সাত ধাতু ছাল
শাখায়ে অষ্ট প্ৰকৃতি।
দশ বায়ু পাত ঈশ জীৱ দুই
পক্ষী থাকে আত নীতি।।৬২।।

এই বৃক্ষজোপা নক্সাৰে এনে ধৰণৰ— গছজোপা ওপৰলৈ শিপা,

তললৈ ডাল-পত্ৰ-ফল




এই সংসাৰ বৃক্ষ দেহতেই বিৰাজমান। সংসাৰ বৃক্ষজোপা উঘালিব পাৰিব লাগিব উঘালিব নোৱাৰিলে সংসাৰ বদ্ধজীৱত হিচাবে সংসাৰ চক্ৰত ঘূৰি থাকিব লাগিব। গছজোপা উঘালিব পাৰিলে সংসাৰৰ পৰা মুক্ত জীৱ হৈ মোক্ষ লাভ কৰিব পাৰে।

সংসাৰ বৃক্ষ উঘালিবৰ বাবে—

(১) দেহ তত্ব জ্ঞান জানিব লাগিব

(২) আত্মাৰ-তত্ব-জ্ঞান উপলব্ধি কৰিব লাগিব।

(৩) ভক্তিৰে (শ্ৰৱণ-কীৰ্ত্তন) ভগৱানক বশ কৰিব পাৰিব লাগিব।

(৪) ভক্তিৰ বাবে গুৰু, ভকত সাধুসঙ্গ লাভ কৰি কৃষ্ণ কথা কথন মথনত মগ্ন থাকি

(৫) শাস্ত্ৰলাপ কৰি আদি।

এনে সংসাৰ বৃক্ষ ঈশ্বৰৰেই সৃষ্টি, ইয়াক মহাজ্ঞানী গণেহে উপলব্ধি কৰিব পাৰে। মায়াত মন মোহিত হৈ থকাসকলে ইয়াক বুজিব নোৱাৰে। তেওঁলোকৰ তত্ব-জ্ঞান নোহোৱাৰ বাবে অদ্বৈতভাৱে এক ভগৱানৰ অস্তিত্ব বুজিব নোৱাৰি বহুদেব-দেৱতাক পূজা-সেৱা কৰি ফুৰে। ঈশ্বৰ এজন হ'লেও বহুধা বিভক্তি। ভগৱানে সন্তক ৰক্ষা কৰিবলৈ আৰু অসন্তক বিনাশ কৰিবলৈ বিবিধ ৰূপ ধাৰণ কৰে। গৰুৰ খোজৰ পানীত বৃহৎ আকাশখন প্ৰতিবিম্বিত হোৱাৰ দৰে ভগৱানৰ চৰণ কমলতে বিশ্বব্ৰহ্মাণ্ড নিহিত হৈ থাকে।৬৩।।

ভগৱন্তৰ পদ-নৌকা লাভ কৰি ভক্তগণে সংসাৰ সাগৰ অনায়াসে পাৰ হ'ব পাৰে। ঈশ্বৰৰ চৰণ কমল এৰি ভকতে নিজকে মুক্ত বুলি ভাবিলে পুনঃ পুনঃ নৰকত পৰে। তেওঁৰ নাম অহৰ্নিশে কীৰ্ত্তন কৰিলে, তেওঁৰ মাধুৰ্য ৰূপ হৃদয়ত ধাৰণ কৰিলে সংসাৰ সাগৰৰ পৰা নিস্তাৰ পায়। এনে পৰম ঈশ্বৰে স্বয়ং অৱতাৰ গ্ৰহণ কৰি ভূমিৰ ভাৰ হৰণ কৰিব বুলি ব্ৰহ্মা, হৰ, নাৰদ ও দেৱগণে মহা আনন্দত উল্লাসিত হ'ল।৬৪।।

তেওঁলোকে স্তুতিত কৈছে— 'হে কৃষ্ণদেৱ, তুমি বসুধাৰ বুকুত অৱতাৰ লৈ ভূমিত খোজ দিয়াৰ লগে লগে ভূমিভাগ অলঙ্কৃত হ'ব। তোমাৰ পদৰ ধবজ, বজ্ৰ, অঙ্কুশ, পদ্ম, খবৰ পঞ্চ চিহ্ন মাটিত জিলিকি থাকিব। পদৰ পঞ্চচিহ্ন দেখি আমি পৰি পৰি প্ৰণাম কৰিম। হে পৰম পুৰুষ, তোমাৰ পদ পদ্মই আমাক ৰক্ষা কৰিব, আমি পদচিহ্নক প্ৰণাম যাচো। এনেদৰে তেওঁলোকে অনেক স্তুতি-মিনতি কৰিলে।৬৫।।

**কবিৰ উপদেশ ঃ** কাহিনী ফলকৰ তাৎপৰ্য হিচাবে মানৱ সমাজক গুৰুজনে মহাভাগৱতৰ কথা অনুসৰণ কৰিবলৈ কৈছে। কৃষ্ণ-দেৱতা সকলৰ ভিতৰতে অদ্বিতীয়। দেবৰো দেবতা কৃষ্ণদেৱত একান্ত শৰণলৈ তেওঁৰ গুণ-গীত গালে বৈকুণ্ঠত স্থান পোৱা যায়। কলিযুগত কৃষ্ণৰ যশ-গুণ-নাম-শ্ৰৱণ কীৰ্ত্তন কৰাৰ বাহিৰে অন্য গত্যন্তৰ নাই। আনকি অন্ত্য জাতিয়েও পৰম বান্ধব কৃষ্ণ নাম লৈ মহাশুদ্ধ হ'ব পাৰে। নামে সাতবিধ কাৰ্য সিদ্ধি কৰে।৬৬।।

নামে সিদ্ধি কৰা সাতকাৰ্য হৈছে—

(১) পাতক বা পাপসমূহ দগ্ধ কৰে।

(২) পুণ্য অভ্যোদয় কৰে।

(৩) বিষয়ৰ প্ৰতি বিৰক্তি আনে।

(৪) কৃষ্ণৰ চৰণত প্ৰেম-ভকতি উপজায়।

(৫) বৈষ্ণৱ জ্ঞান আৰু মহতত্ব উপলব্ধি হয়।

(৬) মায়াক দহন কৰে।

(৭) মহৎ উপকাৰ সাধন কৰে।

নামে সাতকার্য সাধন কৰিহে উপশান্ত হয়। ৬৭।।

এনে মধুময় নাম ওচৰতে থাকোঁতে আৰু মুখেৰে সহজে গাব পৰা সত্বেও লোকে কিয় নাম নলৈ যাতনা ভোগ কৰে। মানুহবোৰ কিয় মহামূঢ়মতি হৈছে যে আপুনি আপোনাৰ অনিষ্ট সাধন কৰি আত্মঘাতী হৈছে। সেইকাৰণে আনত মন নিদি ভকতিত ৰতি কৰি ৰাম নাম নিৰন্তৰে ল'ব লাগে। দুৰ্ঘোৰ সংসাৰৰ জ্বালা-যন্ত্ৰণাৰ পৰা মুক্তি পাবৰ কাৰণে নাম মহৌষধ, নামত আছে মুকুতি সুখ, সঘনে ৰাম ৰাম বুলি উচ্চাৰি বৈকুণ্ঠ গতি লাভ কৰিবলৈ তেৰাই নৰলোকক আহবান জনাইছে।৬৮।।

৫। **কৃষ্ণৰ জন্ম ঃ**

জগতৰ ঈশ্বৰ কৃষ্ণৰ জন্ম নাই, মৃত্যু নাই, কৰ্ম্ম নাই গুণ নাই; কিন্তু জগতৰ কল্যাণ সাধিবৰ বাবে তেওঁ প্ৰপঞ্চত সগুণ-সাকাৰ অৱতাৰ গ্ৰহণ কৰে। সম্পূৰ্ণ মানবী তনু ধাৰণ কৰি ভূমিৰ ভাৰ হৰণ কৰিবলৈ নাৰায়ণে পূৰ্ণঅৱতাৰ গ্ৰহণ কৰে। এনে মানবীয় ৰূপত আবিৰ্ভাৰ হোৱাৰ কাৰণে পৰম পুৰুষ 'কৃষ্ণৰ জন্ম' বুলি কোৱা হৈছে।

দেবগণে গৰ্ভৱতী দৈবকীক ক'লে— 'হে মাৱঙ্গ ভয় নকৰিবা, নিৰ্ভয় মনেৰে থাকা, স্বয়ং বিষ্ণুৱে আহি তোমাৰ উদৰত স্থান ললেহি। তাকে দেখি আমাৰ পৰম আনন্দ হৈছে।' ৬৯।।

কৃষ্ণই কংসক বধ কৰি তোমালোকক কাৰাগাৰৰ পৰা উদ্ধাৰ কৰিব আৰু তোমাৰ পুত্ৰক কোনেও বধ কৰিব নোৱাৰে, তেওঁ যদুবংশৰ তিলক হৈ ৰ'ব। দৈবকীক নানা আশ্বাস বাণীৰে প্ৰবোধ দি দেবগণ স্বস্থানে গমন কৰিলে।৭০।।

সেই সময়তে এক শুভক্ষণত ৰোহিণী নক্ষত্ৰ মিলিল, সুৰভি শীতল সুমঙ্গল বায়ু ববলৈ ধৰিলে।৭১।।

দশোদিশ নিৰ্ম্মল হৈ পৰিল, নিৰ্ম্মল পৰিবেশ, নক্ষত্ৰগনে তিৰবিৰকৈ পোহৰ দিবলৈ ধৰিলে। ফুলনিত নানা তৰহৰ ফুলবোৰ প্ৰস্ফুতিত হ'ল, মধুমক্ষিকাবোৰে পুষ্পিত বননিত মধুৰ গুঞ্জন কৰিবলৈ ধৰিলে, চাৰিওফালে সুমঙ্গল ধ্বনি হ'বলৈ ধৰিলে। নদ-নদীবোৰে স্বচ্ছফটিত জলৰ যোগান ধৰিলে আৰু পঙ্কজবোৰে পাহি মেলি জাতিস্কাৰ হ'ল।৭২।।

সজ্জন সকলৰ মন উল্লাসিত হ'ল, আকাশত সিদ্ধমুনিগণে স্তোত আৰম্ভ কৰিলে, অসংখ্য দুন্দুভিৰ ধ্বনিৰে স্বৰ্গক ছানি ধৰিলে, অপ্সৰা গণে নৃত্য কৰিবলৈ ধৰিলে আৰু বিদ্যাধৰে গীতৰ ৰাগিনী তুলিলে।৭৩।।

দেব-মুনিগণে মহাকাশৰ পৰা পুষ্পবৃষ্টি কৰিলে আৰু সাগৰৰ ওপৰত ক'লামেঘত ভীষণ গৰ্জ্জন হ'ল। মধ্যৰাতি ঔপগত হ'ল আৰু অন্ধকাৰে চৌদিশ আচ্ছন্ন হ'ল। সেই সময়তে নৰায়ণে জন্ম গ্ৰহণ কৰিলে।৭৪।।

দৈবকীৰ গৰ্ভৰ পৰা প্ৰভু ভগৱন্ত ব্যক্ত হ'ল। পূব দিশত উদিত চন্দ্ৰমাৰ দৰে নাৰায়ণে প্ৰকাশ পালে। তেওঁৰ মনোহৰ, ভুবনমোহন ৰূপ, কমললোচন, চাৰিভূজত চাৰি অস্ত্ৰ, কণ্ঠত কৌস্তভ আৰু গাত পীতবস্ত্ৰই শোভা কৰিবলৈ ধৰিলে।৭৫।।

তেওঁৰ শিৰত অমূল্য জ্যোৰ্তিময় কিৰীটি আৰু তাত নানাৰত্ন ৰাজিয়ে জিক্‌মিকালে। তাৰ চিকমিকনি কেশগুচ্ছত পৰি জিলমিলাবলৈ ধৰিলে। অনিন্দ সুন্দৰ কৰ্ণযুগলত মকৰ কুণ্ডলে সুমণ্ডিত কৰি তুলিলে, সুন্দৰ সুঠাম দেহ আৰু দেহৰ বৰণ নব-ঘনশ্যাম।৭৬।।

হিয়াত তেওঁৰ শ্ৰীবৎস-পান্তি, তাতে বমমালাই সৌন্দৰ্যৰ পোহৰ মেলিছে। কটিত ৰত্নৰ মেখলাই, দুই ভূজত কেয়ুৰ কঙ্কনে শৰীৰৰ দীপ্তি দুগুণে উজ্বলাই তুলিছে। তেওঁৰ পাদপদ্ম দুখানি দেখিলে তৃপ্তিত হিয়া মন জুৰ পৰি যায়।৭৭।।

তেওঁৰ দুই ভৰিত ৰত্নময় নুপূৰে ৰুণঝুনু শব্দেৰে ঝঙ্কাৰ তুলিছে, ভক্তই যাক পাই পৰম সন্তোষ লাভ কৰে। নাৰায়ণৰ শৰীৰৰ পৰা বিকিৰিত হোৱা জ্যোতিয়ে সুতিকা গৃহ আলোকিত কৰি তুলিলে। এনে এক অদ্ভুত বালক দেখি বসুদেবৰ হিয়া আনন্দৰ পুলকেৰে ভৰি পৰিল।৭৮।।

বসুদেবে জানিলে যে তেওঁৰ গৃহত স্বয়ং নাৰায়ণৰ আৰ্বিভাব হ'ল। তেওঁ পৰম শ্ৰদ্ধা উপজিল, মন উল্লাসিত, হ'ল, প্ৰাণ আনন্দত নাচি উঠিল। তেওঁ আথে-বেথে সবস্ত্ৰে মনতে স্নান কৰিলে। কাৰণ তেওঁক লোৰ শিকলিৰে বান্ধি থোৱা আছে। সেইবাবে মনতে স্নান কৰিলে।৭৯।।

কৃষ্ণৰ জন্মত তেওঁ মহানন্দ লভিলে, অযুত গাইগৰু ব্ৰাহ্মণক মনতে দান কৰিলে।

৬। **বসুদেৱ দৈৱকীৰ কৃষ্ণ-স্তুতিঃ**

বিষ্ণুৰ প্ৰভাৱ অনুভৱ কৰি বসুদেৱ-দৈবকীয়ে কৃতাঞ্জলি কৰি স্তুতি

কৰিবলৈ ধৰিলে।৮০।।

তেওঁলোকে নাৰায়ণক সাক্ষাত আগত দেখি পৰম সন্তোষ লাভ কৰি অবনত ভাবে ক'লে— 'হে সৃষ্টি-স্থিতি-প্ৰলয়ৰ অধিকাৰী পৰমেশ্বৰ, তুমি পুৰাণ পুৰুষ বুলি আমি জানিলো। তুমি নিৰঞ্জন, আনন্দ স্বৰূপ, সৰ্ব্বজ্ঞ ভগবান। তুমিহে কেৱল সঁচা, আনবোৰ মায়াৰে আবৃত। তোমাৰ দ্বাৰাই সৰ্বৰোচৰৰ সৃষ্টি হৈছে, তুমিয়ে সকলোকে পালন কৰিছা আৰু সৰ্ব্বশেষত তুমিয়েই সকলোকে সংহাৰ কৰিবা।৮১।।

'ব্ৰহ্মৰূপে স্ৰজাপালা বিষ্ণুৰূপ ধৰি।
ৰুদ্ৰৰূপে নিয়া সবে জগত সংহৰি।।
খণ্ডিবাক লাগি পৃথিৱীৰ মহাভাৰ।
মোহোৰ গৃহত আসি ভৈলা অৱতাৰ।।'৮২।।

'হে প্ৰভূঙ্গ তোমাৰ কাম তিনিটা— ব্ৰহ্মৰূপে তুমি সকলোকে সৃষ্টি কৰিছা, বিষ্ণুৰূপ ধৰি পালন কৰিছা আৰু ৰুদ্ৰৰূপে সংহাৰ কৰি আছা। পৃথিৱীত পাপৰ অত্যাচাৰ হোৱাত বসুমতীয়ে পাপৰ গধুৰ ভাৰ বহন কৰিব নোৱাৰা দেখি তুমি পৃথিৱীৰ মহাভাৰ খণ্ডাবৰ বাবে আমাৰ গৃহত জন্ম লৈছাহি।৮২।।

কোটি কোটি দৈত্যগণে ৰজা হৈ নানা অত্যাচাৰ উদভণ্ডালি কৰি ফুৰিছে; সেইবোৰক তুমি বধ কৰি শান্তি প্ৰতিষ্ঠা কৰিবা। তুমি দুষ্টগণক দমন কৰি পুণ্যপথ স্থাপন কৰিবা। সাধু-সন্ত-মহন্ত, ভক্তগণৰ মনোবাঞ্ছা তুমি পূৰণ কৰিবা।৮৩।।

হে ভগৱান, তোমাৰ ভক্তিত আমি নিজকে উচৰ্গা কৰিছোঁ। কংসৰ ভয়ত আমি অস্থিৰ হৈ পৰিছোঁ। কংসই আমাক নিঃশেষ কৰিবলৈ বিচাৰিছে, তেওঁৰ অভিপ্ৰায়ৰ কথা কওঁ, শুনা।

আকাশবাণীত তুমি উপজিবা বুলি শুনি আৰু তোমাৰ হাতত তাৰ মৰণ হ'ব বুলি জানি কংসই তোমাৰ অগ্ৰজ ছজন ভাতৃক জীৱন্তে হত্যা কৰিলে। তুমি উপজাৰ কথা গম পোৱাৰ লগে লগে কংসই আহি হাতত খাণ্ডালৈ হত্যা কৰিবহি।।।

ভগৱন্তৰ চতুৰ্ভূজ ৰূপ দেখিয়ো বসুদেবে মনুষ্যচেষ্টাৰে নাৰায়ণক কৈছে—'হে প্ৰভু সাৱধানে, সতৰ্ক হৈ থাকা, পাপীষ্ঠৰ প্ৰতি থকা ভয়ে মোৰ চিত্ত অস্থিৰ কৰি তুলিছে। বসুদেবে স্তুতি কৰি মৌন হৈ ৰ'ল।৮৬।।

দৈৱকীয়ে নাৰায়ণৰ ঐশ্বৰ্যমূৰ্তি দেখি নিজপুত্ৰ বুলি পাহৰি গ'ল আৰু পৰম পুৰুষ বুলি নিজ পুত্ৰক স্তুতি কৰিবলৈ ধৰিলে। দৈৱকী অতি বিস্ময় হ'ল— নিৰাকাৰ-নিৰঞ্জনৰ সগুণ সাকাৰ ৰূপ দেখি।

'যিটো ব্ৰহ্মৰূপ নিৰাকাৰ নিৰঞ্জন।
তেন্তে তুমি জানিলো সাক্ষাতে নাৰায়ণ।।'৮৭।।

মানুহে কোনো কালে মৃত্যুৰ পৰা হাত নাসাৰে। তোমাক ভকতি কৰিলে মৃত্যুৰ পৰা অব্যাহতি পায়; অৰ্থাৎ ভকতিৰে ভগবান পৰায়ণ হ'ব পাৰিলে জন্ম-মৃত্যু বা সংসাৰ চক্ৰৰ পৰা মুক্ত হ'ব পাৰে। তোমাৰ চৰণত আশ্ৰয় ল'ব পাৰিলে নিৰ্ভৰ মনেৰে জীৱন কটাব পাৰে।।।

মহাপ্ৰলয়ত জীৱ-জগত শেষ হোৱাৰ পাচত কেৱল তুমিহে থাকা। তুমিয়ে পুনৰ কাল-স্ৰষ্টা ৰূপে জগত আৰু জীৱকুল সৃষ্টি কৰা। তোমাৰ চৰণ কমলত শৰণ ললো।৮৯।।

দুৰ্ঘোৰ কংসলৈ ভয় লাগিছে, শৰীৰ কম্পিত হৈ পৰিছে। তুমি শৰণাগতৰ ভয়হাৰী, তুমি আমাক পৰিত্ৰাণ নকৰিলে কোনে কৰিব? পাপী কংসই তোমাক জানিব পৰা নাই। 'হে বাপ তোমাৰ এই দিব্যৰূপ সম্বৰণ কৰা। এনে ৰূপ চাবলৈ অসমৰ্থ হৈছোঁ।৯০।।

তোমাৰ কাৰণে চিন্তা কৰি অধীৰ হৈ পৰিছোঁ। তোমাৰ শঙ্খ-চক্ৰ-গদা-পদ্ম এই চতুৰ্ভূজ ৰূপ এৰি পেলোৱা নাৰায়ণ। কংসৰ ভয়ত মোৰ হৃদয় কঁপি উঠিছে, মই অজ্ঞানী, মই অবলানাৰী।৯১।।

**৭। কৃষ্ণৰ কথাত বসুদেব-দৈৱকীৰ সন্দেহ-ভঞ্জন ঃ**

পাৰ্থিৱ পিতৃ-মাতৃ বসুদেৱ-দৈৱকীৰ স্তুতিত ভগৱান কৃষ্ণই নিজৰ স্বৰূপ, লক্ষ্য আৰু ভবিষ্যতৰ কৰ্ম্মৰাজিৰ বিষয়ে বসুদেৱ- দৈবকীক বুজাই দি তেওঁলোকৰ মনৰ ভয় সঙ্কোচ দূৰ কৰিবলৈ যত্ন কৰিলে।

চক্ৰপাণিয়ে হাস্যবদনেৰে নিজৰ পূৰ্বজন্মৰ কথা ক'বলৈ ধৰিলে। তেওঁ ক'লে— 'হে পিতৃ, হে মাতৃ মোৰ কথা শুনা—পূৰ্ব্বতে তোমালোক দুয়ো সুতপা প্ৰজাপতি আৰু পৃশ্নী নামে সতী আছিল।।৯২।।

সুতপা আৰু পৃশ্নীক ব্ৰহ্মাই সৃষ্টি কৰিবলৈ আদেশ কৰিছিল। তেতিয়া দুয়ো জনে দুৰ্ঘোৰ তপ আচৰিলে। অত্যন্ত ঠাণ্ডা আৰু প্ৰখৰ তাপ সহ্য কৰি বৰষুণত তিতিবুৰি বায়ু ভক্ষণ কৰি আৰু গছৰ পকা পাত খাই মোক, মহাতপ

কৰিলে। ৯৩।।

'এই তপস্যাত বাৰ হেজাৰ দিব্যবছৰ অতিক্ৰম হ'ল। তপৰ অন্তত মই দেখা দিলো আৰু কি বৰ লাগে ল'বলৈ কলো। তেওঁলোকে বৰ ললে মোৰ সমকক্ষ পুত্ৰ লাগে বুলি।'৯৪।।

তেওঁলোকক মই বৰ দিলো। 'সেয়ে হওক' বুলি। মায়াত মোহিত হৈ তেওঁলোকে অন্যবৰ নামাগিলে। মই সুতপাৰ ঔৰষত স্থান লৈ পৃশ্নিৰ গৰ্ভৰ মোৰ সমস্ত ৰূপ গুণলৈ পুত্ৰহৈ জন্মিলোঁ আৰু মোৰ নাম হ'ল—পৃশ্নিগৰ্ভ।'৯৫।।

পৰবৰ্তী জন্মত সুতপাই কশ্যপ নামলৈ জন্ম গ্ৰহণ কৰিলে আৰু পৃশ্নিয়ে অদিতি নাম লৈ উপজিলে। দুয়োৰে পুত্ৰ হিচাবে মই 'বামন' নামে পুত্ৰ হৈ উপজি তেওঁলোকৰ মনোবাঞ্ছা পূৰণ কৰিলোঁ। তৃতীয়বাৰ জন্মত দুয়ো নাম ললে বসুদেব দৈবকী আৰু মই সত্যৰক্ষা কৰি কৃষ্ণৰূপে জন্ম ললো।৯৬।।

১ম জন্মত সুতপা প্ৰজাপতি পৃশ্নিসতী পুত্ৰ পৃশ্নিগৰ্ভ
২য় জন্মত কশ্যপ প্ৰজাপতি অদিতি পুত্ৰ বামন
৩য় জন্মত বসুদেব দৈবকী পুত্ৰ কৃষ্ণ

গতিকে 'হে পিতৃদেব আৰু মাতৃদেৱী মোক ব্ৰহ্মৰূপেহে চিন্তা কৰা। মোক পাৰ্থিব পুত্ৰ হিচাবে স্নেহ নকৰিবা। এই জন্মতে তোমালোকে মোক্ষ লাভ কৰিবা। এই দেহ থকালৈকে তিনিবাৰ তোমালোকে মোক পুত্ৰ হিচাবে পাই ধন্য হ'ল। যদি কংসলৈ ভয় কৰিছা তেন্তে উপায় দিওঁ, শুনা; মোকগোকুলত পলুৱাই থোৱাগৈ।৯৭।।

গকুলত নন্দৰজাৰ পৰিবাৰ যশোদাৰ গৰ্ভত যোগমায়াৰ জন্ম হ'ব আৰু যশোদাৰ ঘৰৰ যোগমায়াক লৈ, মোক যশোদাৰ কাষত থৈ আহিবা।

উপজিৰে যোগমায়া যশোদাৰ ঘৰে।
মোকথৈয়া তাঙ্কলৈয়া আসিয়ো সত্বৰে।'

এই কথাকৈ চতুৰ্ভূজৰূপী নাৰায়ণে চতুৰ্ভূজৰূপ এৰি তৎকালে মানব শিশু ৰূপ ধাৰণ কৰিলে। বসুদেৱ-দৈৱকীয়ে চকুৰ আগতে এনে অদ্ভুত দৃশ্য দেখি তবধ মানিলে।

**৮। বসুদেৱ কৃষ্ণক লৈ নন্দৰ ঘৰলৈ গমন আৰু নন্দৰ কন্যাক হৰণঃ**

কৃষ্ণৰ আদেশক্ৰমে বসুদেৱে যাবলৈ উদ্যোগ লোৱাৰ লগে লগে ভৰিৰ শিকলি নিজে নিজে সুলকি গ'ল আৰু পুত্ৰক কোলাত লৈ যাবলৈ ওলোৱা সময়তে নন্দ-যশোদাৰ ঘৰত যোগমায়াৰ জন্ম হয়।৯৯।। কাৰাগাৰৰ পালীপহৰীয়াবোৰ যোগমায়াৰ প্ৰভাৱত নিদ্ৰাত মগ্ন হৈ অচেতন হৈ পৰি থাকিল। জাগ্ৰত অৱস্থাত থকা সকলেও একো দেখা নেপালে।১০০।। লোৰ কপাট খোল খালে, দুৱাৰবোৰ মেলখালে। সূৰ্য্য ওলালে আন্ধাৰ দূৰ হোৱাৰ দৰে বসুদেৱ যোৱাৰ পথতো অন্তৰায় সমূহ আঁতৰি যাবলৈ ধৰিলে।১০১।।

'পালী পহৰীয়া সবো নাজানিলে কেৱ।
কৃষ্ণক কোলাত লৈয়া যান্ত বসুদেব।।
বৰিষে কণিকা মেঘে উপৰত গাজে।
ফনায়ে ধৰিলা ছত্ৰ আসি সৰ্পৰাজে।।১০২।।

বাৰিষা ক'লামেঘত গৰ্জ্জন হ'ল, মুষল ধাৰে বৰষুণ হ'বলৈ ধৰিলে। কৃষ্ণৰ গাত এটোপাল পানী পৰিব নোৱাৰাকৈ সৰ্পৰাজে ফণাতুলি ৰক্ষা কৰিলে।।১০২।।

বৰষুণৰ পানীৰে যমুনানদী ফেনে ফোটোকাৰে বাঢ়িবলৈ ধৰিলে, প্ৰকাণ্ড প্ৰকাণ্ড ঢৌ উঠিল, ঢৌদেখি ভয়ৰ সঞ্চাৰ হয়। উত্তাল জলধিয়ে কৃষ্ণক বাট এৰি দিলে, জলৰ মাজেদি স্থলপথৰ সৃষ্টি হ'ল।১০৩।।

বসুদেৱে কৃষ্ণক লৈ অপ্ৰয়াসে যমুনা নদী পাৰ হ'ল। এক নিমিষতে গৈ গকুল পালেগৈ, গোৱালসকল নিদ্ৰা গৈ আছিল। যশোদাও অচেতন হৈ পৰি আছিল।১০৪।।

বসুদেৱে কৃষ্ণক যশোদাৰ কাষতে শয্যাত শুৱাই দিলে আৰু যশোদাৰ কাষতে পৰি থকা কন্যাক কোলাত লৈ আনি দৈবকীৰ লগত শুৱাই থলে। লোৰ নিহল, দুৱাৰ, কপাত বন্ধ হৈ আগৰ দৰে হ'ল।১০৫।।

'দুনাই দুৱাৰত সবে কপাট লাগিল।
শিশুৰ ক্ৰন্দন শুনি প্ৰহৰী জাগিল।'

কাৰাগাৰৰ ভিতৰত শিশুৰ কান্দোন শুনি পালী-প্ৰহৰীয়া সকল জাগি উঠিল। সিহঁতে লৰিগৈ কংসক জনালেগৈ যে দৈবকীৰ পুত্ৰ উপজিল।১০৬।।

কংসই এই খবৰ প্ৰায় টোপনিৰ পৰা সাৰপাই বিহ্বল হৈ পৰিল। এইজনেই মোৰ মৃত্যু-কাল বুলি জানি উদ্বাউল হৈ সুতিকা গৃহত প্ৰবেশ কৰিলে। কৃষ্ণৰ কিঙ্কৰে এইপদসমূহ লিখি উপদেশ দিছে—

**কবিৰ উপদেশ ঃ** ওপৰৰ কাহিনীত উল্লেখহোৱা ঈশ্বৰৰ লীলা অৱতাৰ

কাহিনী শুনি সকলোৱে সংসাৰ তৰিবৰ কাৰণে হৰিকথা কীৰ্ত্তন কৰিব লাগে, প্ৰাণ থকালৈকে কীৰ্তন আৰু শ্ৰবণ ধৰ্ম্ম এৰিব নালাগে।১০৮।।

ঘোৰ কলিযুগত যিমানবোৰ প্ৰাণীয়ে জন্মগ্ৰহণ কৰে সেই সমস্তই পাপ সাগৰত তল যায়। সেই সকলক পাপ সাগৰৰ পৰা উদ্ধাৰ কৰিবলৈ কৃষ্ণই নিজৰ পুণ্যকীৰ্ত্তি সমূহ বিস্তাৰ কৰি থৈ গৈছে।১০৯।।

ভগৱন্তক অনুগ্ৰহ কৰিবৰ কাৰণে প্ৰভু নাৰায়ণে অনেক লীলা কৰিছে। তেওঁৰ লীলাৰ মাজতে উদ্ধাৰৰ সাকোঁ তৈয়াৰ কৰি গৈছে। ভগৱন্তৰ লীলাসমূহ একমনে, একচিত্তে পান কৰিলে সংসাৰৰ দুঃখ, শোক, যাতনা, অজ্ঞানতা দূৰ হয়।।১১০।।

সেইবাবে অজ্ঞসকলৰ যাৰ কৃষ্ণত ৰতি আছে, তেওঁলোকে কৃষ্ণত ভকতি কৰিবলৈ গুৰুজনে উপদেশ দিছে। তেতিয়াহে তেওঁলোকে ঘোৰ সংসাৰ সাগৰৰ  পৰা তৰিব পাৰিব। কলিযুগত ইয়াৰ বাহিৰে আনধৰ্ম্ম নাই।১১১।।

‘কলিৰ ভয়ত ত্ৰাস হয়া ধৰ্ম্ম যত।
একস্থান হুয়া ৰৈলা হৰিৰ নামত।।
জানি একচিতে ফুৰ। ৰাম নাম গাই।
সমস্তে ধৰ্ম্মকে লগ পাইবা একঠাই।।১১২।।

কলিযুগত অসংখ্য ধৰ্ম্মই বিৰাজ কৰিলেও সমস্ত ধৰ্ম্মই একেলগ হৈ হৰিনামতে আশ্ৰয় ললেহি। গতিকে এক নাম ৰামনাম গালে সকলো ধৰ্ম্মকে একেস্থানতে লগ পাব।১১২।।

‘ইস পৰমাৰ্থ তত্ত্ব চাৰিয়ো বেদৰ।
সমস্তে দেৱৰ জানা কৃষ্ণসে ঈশ্বৰ।।
সমস্ত ধৰ্ম্মৰ ৰাজা মাধবৰ নাম।
জানি নিৰন্তৰে নৰে বোলা ৰাম ৰাম।।১১৩।।’

চাৰিবেদৰ সাৰ নাৰায়ণ নাম, চাৰিবেদৰ গুপ্তবিত্ত কৃষ্ণনাম; ইয়াকেই পৰমাৰ্থ তত্ব বোলা হয়। তেত্ৰিশকোটি দেবতাৰ আৰাধ্য ইষ্টদেৱ কৃষ্ণদেব। সমস্ত ধৰ্ম্মৰ ভিতৰত মাধবৰ নামেই শ্ৰেষ্ঠ। এই তত্ব জানি ৰাম, ৰাম বোলা উচিত।

**৯। যোগমায়াক বধ কৰিবলৈ কংসৰ অপচেষ্টা আৰু যোগমায়াৰ ৰূপ-দৰ্শনঃ**

খঙত কংসই কাণ্ডজ্ঞান হেৰুৱাই পেলালে আৰু কঁপিবলৈ ধৰিলে। দৈবকীয়ে কংসৰ ৰাক্ষসৰ দৰে আকৃতি-প্ৰকৃতি দেখি ভয়ত ত্ৰ্যস্তমান হৈ পৰিল। তেওঁৰ হৃদয় কঁপিবলৈ ধৰিলে আৰু কংসৰ  আগত পৰি হুৰাওৱাৰে কান্দিবলৈ ধৰিলে। দৈৱকীয়ে দান্তে খেৰ তুলি ধৰি, অনেক কাপূণ্য কৰি নিজ কন্যা সন্তানৰ জীৱন ভিক্ষা কৰিলে। তেওঁ কংসক সবিনয়ে ক’লে— হে দাদা, এই কেঁচুৱাটি স্ত্ৰীজাতি, তাই তোমাৰ ভাগিনী, অবোধ বালিকা, কোন সতে তাইৰ প্ৰাণ লবা?’

‘তুমি মোৰ আটাইকেইজন পুত্ৰকে মাৰিলা, এই কন্যাটি মোক দান দিয়া, তাইকে লৈ মই সন্তাপ পাহৰিব পাৰিম। মই পুত্ৰ শোকত অত্যন্ত দগ্ধ হৈ আছোঁ, দুনাই মোৰ শোকৰ অগ্নি জ্বলাই নুতুলিবা। মই তোমাৰ চৰণতে ধৰিছোঁ। মই তোমাৰ কনিষ্ঠাভনী, মোক ভনী বুলি দয়া কৰা। কন্যাটি হত্যা কৰি তুমি কুখ্যাতি অৰ্জ্জন নকৰিবা। আঞ্চল পাতি কন্যাটিৰ জীৱন বিচাৰিছোঁ।’১১৫।।

এনেকৈ অনুনয়-বিনয় কৰি দৈবকীয়ে কন্যাটিক বুকুত সাৱতি ধৰি আৰ্তৰাৱে কান্দিবলৈ ধৰিলে। কিন্তু নিষ্ঠুৰ কংসই দাত কামুৰি দৈৱকীক চকু পকাই চাই ক’বলৈ ধৰিলে—‘হে পাপিষ্ঠী নাৰী, কুলক্ষিনী, কুলাঙ্গাৰী, তই মোক ইমানকৈ বুজাব নালাগে।’ কংসই দৈবকীক নানা ৰ্ভৎসনা কৰি কোলাৰ পৰা কন্যাটিক আঁজুৰি আনিলে।১১৬।।

কংসই কেঁচুৱাটিক এহাতেৰে দুইটি ভৰি মুঠিমাৰি ধৰি মূৰত আনখন হাতেৰে আঘাত কৰিবলৈ ধৰোতেই দুৰাচাৰী কংসৰ হাতৰ পৰা এৰাই কন্যাটিয়ে চমৎকাৰ ৰূপ ধাৰণ কৰি আকাশলৈ গতি কৰিলে। তেওঁৰ দেহ ভাস্বত সূৰ্যৰ দৰে তেজোময়, আঠখন হাতত আঠবিধ অস্ত্ৰ আৰু দিব্য অলঙ্কাৰে সুশোভিত। আকাশ মণ্ডলত অসংখ্য বিদ্যাধৰীয়ে নৃত্য কৰি, গীত গাইছিল। চাৰণগণে তেওঁক স্তুতি কৰিছিল।১১৭।।

ভগৱন্তৰ চালনা অবোধ কংসই কি বুজিব? ঈশ্বৰৰ ঐশ্বৰিক মায়াপ্ৰকৃতিৰ হাতত কংস পৰাস্ত হ’ল। কোনোবাই কাৰোবাক মাৰি পেলাম বুলিলেই মাৰি পেলাব নোৱাৰে, নিৰ্দ্দোষী জনক ভগৱানে হাতপাতি ধৰে। সবলৰ হাতৰ পৰা দুৰ্ব্বলীয়ে ৰক্ষা পাবলৈ ভগৱানৰ আশ্ৰয় ললে ঈশ্বৰে ৰক্ষা পোৱাৰ পথ সূচনা কৰে। ভক্তৰ ওপৰত উদণ্ডৰ অত্যাচাৰ চলিলে, ভগৱানে সহ্য নকৰে। নাৰীৰ ওপৰত অত্যাচাৰ, শিশুৰ ওপৰত অত্যাচাৰ কৰা সকল মহাপাপী; কংস তাৰে নামান্তৰ।।

**১০। যোগমায়াৰ কৃষ্ণজন্মৰ কথা প্ৰকাশ আৰু কংসৰ বসুদেৱৰ ওচৰত ক্ষমা-**

**প্ৰাৰ্থনা ঃ**

যোগ মায়াই আকাশৰ পৰা হাঁহি হাঁহি কংসক ক'বলৈ ধৰিলে— 'হে দুৰাচাৰী কংস, আমাক মাৰি তই ৰসাতলে যাবলৈহে বিচাৰিছ, তাৰ ফল তোৰ মৃত্যুহে হ'ব। তোৰ প্ৰাণবৈৰী যি কোনো স্থানতে ইতিমধ্যে জন্মগ্ৰহণ কৰিছে। পূৰ্ব্বকালত যি তোক বধ কৰিছে, তেৱেঁই বৰ্তমান জন্মগ্ৰহণ কৰি জীৱিত হৈ আছে। দুখুনী দৈৱকীক তই এনেয়ে হিংসা কৰিছ আৰু তাৰ ফলত তোৰ অধঃপতন হ'ব।১১৮।।

কংসক এই কথা শুনাই বিভিন্ন স্থানত পূজা খাই থাকিবলৈ ধৰিলে। যোগমায়াৰ মুখে এনে বাণীশুনি কংস বিস্ময়াভিভূত হ'ল আৰু মনতে ভাবিলে যে কি অদ্ভুত কথা হৈছে। মানুহে মিছা ক'ব পাৰে, কিন্তু দেৱতায়ো মিছা ক'বলৈ ধৰিছে।১১৯।। কালৰ কি পৰিহাস। কংসই ভাবিলে, যদি এই বাণী সত্য হয়, তেন্তে তেওঁ আকাশীবাণীকে সাৰোগত কৰি অতবোৰ ভাগিনক অনাহকতে হত্যা কৰিলো। মই ব্ৰহ্মবধী হৈ অধোগামী হ'লো। অনুশোচনাত দগ্ধ হৈ কংসই বসুদেৱ-দৈৱকীৰ কাষ চাপি ক'লে—'হে ভনী, হে বৈনাই, মই দুৰ্ঘোৰ পাপ কৰিলোঁ।১২০।। তোমালোকৰ ছজন পুত্ৰক মই মাৰি অধৰ্ম আচৰিলোঁ। মই ৰাক্ষসৰ দৰে আগ-পাছ নুগুনি আপোন- পৰ নিচিনি, বিবেক শূন্য হৈ এনে নীচ কৰ্ম কৰিলোঁ। তোমালোকে অনুতাপ নকৰিবা, মৃতপুত্ৰ সকলৰ বাবে দুখ নকৰিবা। কিয়নো— প্ৰাণী চিৰকাল জীয়াই নাথাকে, দৈবৰ গতি অতি বিষম।

'চিৰ কাল প্ৰাণী    একত্ৰে নথাকৈ
বিষয় দৈৱৰ গতি।।'১২১।।
পঞ্চভূতী দেহ    ইসে নষ্ট হুই
আত্মাৰ মৰণ নাই।।১২২।।

পঞ্চভূতেৰে তৈয়াৰী দেহ পঞ্চভূতৰ পৰা আহে আৰু পঞ্চভূতত বিলীন হয়। দেহত থকা চৈতন্যময় আত্মা বিনাশ নহয়; একদেহ এৰি আন দেহলৈ গতি কৰে। গতিকে দেহান্তৰহে হয়, মৃত্যু হ'ব নোৱাৰে। এই তত্ব যি অনুভৱ কৰিব পাৰে, তেওঁ মৃত্যুত শোক নকৰে। সেইবাবে তোমালোকে শোক পৰিহাৰ কৰি (মৃত পুত্ৰসকলৰ বাবে শোক নকৰি) শান্ত হোৱা। তেওঁলোকৰ ভাগ্যত মৃত্যু লিখাই আছিল, মই এনেয়ে বধভাগী হ'লোঁ।

কংসৰ মুখত এনে পৰমাৰ্থ তত্ব কংস চৰিত্ৰৰ বিশেষ বৈশিষ্ট্য। কংস অসুৰ হ'লেও অজ্ঞানী বুলি ক'ব নোৱাৰি; মাত্ৰ নিজৰ মৃত্যুৰ প্ৰতি অহা ভাবুকিত হে জ্ঞান হেৰুৱাই পেলাইছে। মৃত্যু ভয়ে মানুহক সকলো কু-কৰ্ম কৰোৱায়; কিন্তু বিবেকী জনে মৃত্যুৰ ভয়ত এনে কুকৰ্ম্ম নকৰে; তেহেলৈ নিজেই মৃত্যুক আকোঁৱালি ল'ব। কংসই বসুদেব-দৈৱকীৰ ভৰিত দুই হাতেৰে ধৰি নিজৰ ঘোৰ অপৰাধৰ বাবে ক্ষমা খোজে আৰু কয়— "তোমালোক দুয়োয়ে মোৰ অপৰাধ মৰিষণ কৰা, তোমালোক দুয়ো সজ্জনলোক, ক্ষমা কৰা তোমালোকৰ মহান গুণ, সন্তৰ ক্ষমা ভূষণ। কন্যাৰ বাণী শুনিহে বুজিলো যে তোমালোক সম্পূৰ্ণ নিৰ্দ্দোষী, তথাপি মই নিস্খলে বহু দুঃখ দিলো। এনেদৰে বিনয় বচনেৰে কংসই দোষত ক্ষমাখুজি তেওঁলোকৰ লোৰ বান্ধখুলি মুক্ত কৰিলে।১২৩।।

কংসৰ হৃদয়ৰ সন্তাপ দেখি দৈবকীয়ে কান্দিবলৈ এৰিলে আৰু আঁচলেৰে নিজৰ চকু মুখ মচিলে। বসুদেৱে কংসক দেখুৱাই হাঁহি মাৰি ক'লে— 'হে মহাৰাজ, শোক নকৰিব, মনৰ দুঃখ এৰক। আপুনি যি পৰম তত্ব কথা কলে,—সেই কথা পৰম সত্য শোক-মোহ-ভয় সম্পূৰ্ণ পাৰ্থিব, এইবোৰ ক্ষন্তেকীয়া, এইবোৰ মানুহৰ জীৱনত থাকেই।

'অজ্ঞানত থাকি নৰে    মিছাতে বিৰোধ কৰে
বিচাৰত সবে মায়াময়।।।।

অজ্ঞানতা বা মায়াত ডুব গৈ থকা মানুহে বিষাদত শোক কৰে, মৰমৰ মোহাচ্ছন্ন হয়, দেহৰ বাবেই ভয় কৰে। সূক্ষ্মদৃষ্টিৰে চালে এইবোৰ অলীক, মায়াভৰা, দেহ-জ্ঞানৰ বাবে এনে হয়, আত্মাজ্ঞানত থাকিলে ছয় উৰ্মিয়ে বিব্ৰত কৰিব নোৱাৰে।১২৪।।

বসুদেব-দৈৱকীয়ে কংসক আশ্বাস বাণী শুনোৱালে আৰু কংসই শান্তনা লভি নিজস্থানলৈ গমন কৰিলে। গৃহত থাকি ও কংসই সুখ-শান্তি নোপোৱা হ'ল; খাওঁতে শোঁওতে, উঠোঁতে, বহোঁতে কেৱল কৃষ্ণৰ প্ৰতি ভয়তে কাল কটাবলৈ ধৰিলে। এইদৰে তেওঁৰ ৰাতিটো পাৰ হ'ল আৰু ৰাতি পুৱালে।

**১১। দৈত্যসকলৰ লগত কংসৰ মন্ত্ৰণা ঃ**

কংসই অনাগত বিপদ দূৰ কৰিবলৈ দৈত্যগণক সমবেত কৰি মন্ত্ৰণা কৰিবলৈ সভাৰ আয়োজন কৰিলে। তেওঁ মন্ত্ৰীগণক ক'লে 'যোগমায়াই কি থৈ গ'ল সকলোৱে শুনিলাহঁক। এতিয়া তোমালোকে কি চিন্তা কৰিছা?' উত্তৰত

মন্ত্ৰীগণে এক হৈ দেৱগণক ক্ৰোধ কৰি কংসৰায়ক শান্তনা দিলে।১২৫।।

দৈত্যগণে ক'লে 'হে মহাৰাজ, আপোনাৰ পুৰণি শত্ৰু ইতিমধ্যে উপজিলে যেতিয়া আমি তাক অনুসন্ধান কৰি বিচাৰি উলিয়াম আৰু তাক বধ কৰিম। আমাক আদেশ দিয়ক মহাৰাজ! শত্ৰুজন নিশ্চয়ে এতিয়া শিশু হৈ আছে, আমি মায়া কৰি উক্ত শিশুক বধ কৰিম। দেশত যিমান শিশু আছে সেই সবক বধ কৰিব লাগিব। আপোনাৰ সুখ হৰণ কৰা শত্ৰুক আমি বধ কৰিমেই। আপোনাৰ অশান্তি আমি চাই জীয়াই থাকিব নোৱাৰোঁ। মহাৰাজৰ বিহনে আমি জীৱন ধাৰণ কৰি থকাৰ প্ৰয়োজন নাই।১২৬।।

এই অধ্যায়ৰ শেষত কৃষ্ণৰ পৰম সুহৃদ শঙ্কৰে মানৱ সমাজক উপদেশ দিছে—

'সংসাৰ সাগৰ ঘোৰ দুঃখ নাহিকে ওৰ
কেৱল তাপত মাত্ৰ মজি।
জানি এড়া আনৰতি কৰিয় একান্ত মতি
হুয়া পাৰ মাধৱক ভজি।।১২৭।।

কংসৰ কাৰাগাৰ হৈছে সংসাৰৰূপ কাৰাগাৰ, লোহাৰ কাঠগড়া হৈছে মায়া, বসুদেৱ-দৈৱকী মায়ামনুষ্য, কাৰাগাৰত স্বাধীনতা নোহোৱাৰ দৰে মায়ায়ে জীৱক পৰাধীন কৰি ৰাখে। কাৰাগাৰত দুঃখ যান্ত্ৰণা থকাৰ দৰে মায়াবদ্ধ জীৱৰ দুঃখ-যান্ত্ৰণা থাকিবই। সংসাৰক সাগৰ আখ্যাও দিয়া হয়। সাগৰত নানা বিপদ থকাৰ দৰে সংসাৰ সংঘাতেৰে ভাৰাক্ৰান্ত। তিনি তাপত জীৱই ছাটিফুটি কৰি থাকিব লাগিব। সংসাৰ সাগৰৰ পৰা উদ্ধাৰ পথ কৃষ্ণত একান্ত ৰতি কৰা, মতি ঈশ্বৰত ৰখা আৰু মাধৱক ভজা।

যি লক্ষ্মীত আশ কৰি সদায়ে আকুল মন
তেহো মহা চঞ্চল সৰ্ব্বথা।
বিষয় যত সুখ অন্তত সমস্তে দুখ
তাক যত্ন কৰি মৰা বৃথা।।১২৭।।

ঐশ্বৰ্য-বিভূতি, পুত্ৰ-ভাৰ্যা-ধন আদিত মন নিবৃষ্ট কৰি ৰাখিলে কেৱল লক্ষ্মীতে মন মগ্ন হৈ থাকিব, ভগৱন্তক মনত চিন্তিবলৈ মনত ঠাই নহ'ব। এই বিষয় সম্পদৰাজি বিজুলিৰ চমকৰ দৰে ক্ষন্তেকীয়া। বিষয়ৰ সুখবোৰৰ শেষ পৰিণতি কেৱল দুখময়। মায়ামৃগখেদি কেৱল কষ্টহে পোৱা যায়। গতিকে বিষয়ৰ পাচে পাচে দৌৰিলে বৃথা পৰিশ্ৰমহে হয়। অবিদ্যা জনিত সুখ ফলহীন তৰু সদৃশ।১২৭।।

'যিটো শৰীৰৰ অৰ্থে অনেক প্ৰবন্ধ কৰি
ইয়ো মহা আপদৰ ঘৰ।
যতেক বাঢ়য় ধন ততেক মৃত্যুসে বাঢ়ে
আপদ নাহিতে আতপৰ।।
যতেক আছয় লোক সবাৰো আত শোক
দুখ ময় সকলো সংসাৰ।
যতেক সুন্দৰী নাৰী পৰমে অনৰ্থ কাৰী
আতপৰে নাহিকে নিকাৰ।।১২৮।।

আমি গোটেই জীৱনতে কেৱল শৰীৰটোৰ বাবে দুখ-কষ্ট কৰোঁ। আহাৰ, নিদ্ৰা, ভোগ, আমোদ, বিলাসিতা, প্ৰবৃত্তি চৰিতাৰ্থ, মৈথুনসুখাদিৰ বাবেই অহৰহ যত্ন প্ৰযত্ন কৰি আছোঁ। কিন্তু শৰীৰটো আপদৰ ঘৰহে। দেহৰ কাৰণেই ধন ধন বুলি ঘূৰি ফুৰি হাবাথুৰি খাইছো; ধন যিমানে পাইছো, তাতোতকৈ বেচিধন পাবলৈ আগবাঢ়িছো, প্ৰয়োজনীয় ধনৰ পৰিমাণ অসীম-অনন্ত। ধনৰ লগত আপদো থাকে প্ৰতি পদে, আপদৰ শেষ সীমা মৃত্যুত ৰয়গৈ।

সকলো লোকৰে শোক আছে, ধনৰ বাবে সকলো লালায়িত। ধনবিচৰাৰ শেষ পৰিণতি অতি দুখ লগা হয়। ধনবেছি হোৱাৰ লগে লগে আনএটি বস্তুৰ প্ৰতি লোক উদ্বাউল হৈ পৰে। সেইটি হৈছে সুন্দৰীনাৰীৰ সান্নিধ্য। সুন্দৰী নাৰী পৰম অনৰ্থকাৰী। ৰাবণৰ স্বৰ্ণলঙ্কাৰ আৰু ৰাক্ষসকুল ধ্বংসৰ মূল কাৰণ অনিন্দসুন্দৰী লক্ষ্মীস্বৰূপা বৈদেহীৰ প্ৰতি লুলুপ দৃষ্টি। সুন্দৰী নাৰীৰ মায়াজালত পৰিলে তাৰ পৰা উদ্ধাৰ হোৱাৰ পুৰুষ তেনেই তাকৰ।১২৮।।

তেনেধৰণে মনোৰথ পূৰণৰ অনেকপথ আছে; সেইবোৰতে লোকৰ মন আকৃষ্ট হৈ থাকে। সৰ্ব্বোত্তম প্ৰিয় বস্তু হৈছে 'আত্মা'। প্ৰিয়তম আত্মা সুখৰ সাগৰ, শান্তিৰ নিকেতন, চিৰস্থায়ী আনন্দৰ ভাণ্ডাৰ। তাত কিন্তু লোকৰ মন স্থিত নহয়। পুণ্য কৰ্ম কৰি স্বৰ্গলাভ কৰিলেও পুণ্যখিনি শেষ হোৱাৰ লগে লগে পুনৰ নৰকত পৰেহি। স্বৰ্গৰ ইন্দ্ৰৰো বহুতবাৰ পতন ঘটিছে। অনেক তপস্যাৰ যোগে ব্ৰহ্মলোক লাভ কৰিলেও তাতো কালৰ হাতৰ পৰা অব্যাহতি নেপায়।১২৯।।

কৃষ্ণকথা স্পৰ্শ কৰি, কৃষ্ণত ভকতি কৰি সংসাৰৰ মহাকষ্টৰ পৰা উদ্ধাৰ হোৱাৰ সেন্দুৰীয়া আলি থাকোতে তাক এৰি আনত বিশ্বাস কৰি সংসাৰ যাতনা ভোগ কৰিব লগা হয় অবোধ লোকে। চাৰিবেদ, চৈধ্যশাস্ত্ৰই এই তত্বকে বাৰম্বাৰ স্বীকাৰ কৰিছে। মোক্ষ লাভৰ বাবে হৰিগুণ নামেই একমাত্ৰ মহৌষধ। ইয়াকে জানি, বুজি সকলো নৰে ৰাম-নাম লওক।১৩০।।

দৈত্য-সভাত দৈত্যগণে দেবতাসকলক নানা ভাবে ভৰ্ৎসনা কৰে। তেওঁলোকে কয় যে দেবতাসকল সদায় ৰণত পৰাজয় হয়। তেওঁলোকে অসুৰ দৈত্য-দানবক কি কৰিব পাৰে? কংসৰ আগত দেৱতাসকল শিয়ালৰ দৰে হ'ব, কংসৰ ভয়ত দেবগণ পলাই যাব।১৩১।।

কংসৰ শৰ সঞ্চালনাত দেবগণ তিষ্ঠিব নোৱাৰি পৃষ্ঠভঙ্গ দিব। পলাই যাব নোৱাৰা সকলে অস্ত্ৰ-শস্ত্ৰ এৰি কংসৰ শৰণে পশিব। ভতুৱা কুকুৰৰ দৰে দেবতাবিলাকে দৈত্যৰ ওচৰত অন্ন বিচাৰিব। দেবতাৰ ভিতৰত ব্ৰহ্মা, শিৱ, ইন্দ্ৰও, দৈত্যৰ লগত সমকক্ষ নহয়। ব্ৰহ্মা এজন তপস্বী, তেওঁ তপস্যাহে কৰিব পাৰে, শিব বনবাসী, ইন্দ্ৰ অল্পবীৰ্য।১৩৪।।

আমাৰ আজীৱন বৈৰীদেৱতাসকলক আমি নিৰ্মূল কৰিবই লাগিব। গতিকে মহাৰাজে আমাক আদেশ কৰক। ব্যাধিহোৱাৰ লগে লগে প্ৰতিষেধক ঔষধ ব্যৱহাৰ নকৰিলে পাচলৈ ৰোগ বেচি হ'লে আৰোগ্য লভাৰ সুবিধা নাথাকে। গতিকে দেৱতাসকলক বৰ বেছিকৈ আগবঢ়াৰ আগতেই মষিমূৰ কৰিব লাগিব।১৩৫।।

দেবগণৰ মূল সাহস মাধবহে। যৰ্জুবেদী ব্ৰাহ্মণসকল মাধৱৰ সমৰ্থক। গতিকে তপস্বী ঋষিগণকো বধ কৰা উচিত হ'ব। গাইবোৰক হত্যা কৰিব লাগিব আৰু যজ্ঞক নিষেধ কৰিব লাগিব।১৩৬।।

বিপ্ৰ আৰু ঋষিগণে যজ্ঞ নকৰিলে বিষ্ণুৱে খাবলৈ নাপাই শুকাই শুকাই মৰিব; বিষ্ণুক বধাৰ ই উত্তম উপায় হ'ব বুলি তেওঁলোকে থিৰাং কৰিলে। এই পৰামৰ্শবোৰ শুনি কংস বিমোহিত হ'ল আৰু ব্ৰাহ্মণক হিংসা কৰাটোকে প্ৰথমে আৰম্ভ কৰিব লাগে বুলি কংসই আদেশ কৰিলে।১৩৭।।

কংসই সভা ভঙ্গ কৰি নিজ গৃহলৈ গমন কৰিলে। কংসৰ আদেশ পাই দুষ্ট দৈত্যগণে নানা দেশত প্ৰবেশ কৰি গৰু, ব্ৰাহ্মণ, তপস্বী সকলক এফালৰ পৰা হত্যা কৰিবলৈ ধৰিলে।১৩৮।।

বৈষ্ণৱ গণৰ ওপৰত অমানুষিক অত্যাচাৰ চলাই সিহঁতে নিজৰ আয়ু, শ্ৰী, যশ-কীৰ্ত্তি, ধৰ্ম্ম আদি নিজৰ নিজৰ পুণ্যক্ষয় কৰিলে। কংসৰ আদেশত এনে নীচকৰ্ম্ম সাধন হোৱাৰ বাবে এই পাপে কংসকো ছানি ধৰিলে। বৈষ্ণৱক বিৰোধ কৰাৰ বাবে সিহঁতে আৰু কংসই নিজৰ ধ্বংস মাতি আনিলে। সেইবাবে সকলো সৎ পৰামৰ্শহে আগবঢ়াব লাগে, অসৎ অহিতকৰ পৰামৰ্শ কোনো ক্ষেত্ৰত আগবঢ়াব নালাগে আৰু অধিপতি জনে অহিতকৰ পৰামৰ্শ মানি ল'ব নালাগে।১৩৯।।

**১২। নন্দোৎসৱ ঃ**

গোৱালসকলৰ ৰজা নন্দ আৰু ৰাণী যশোদাৰ সতি-সন্ততি নাছিল। পূৰ্ব্বজনমৰ সাধনাৰ বলত বৃদ্ধবয়সত ভগৱন্তই দৈৱকীৰ গৰ্ভত জন্ম ধাৰণ কৰি ৰহস্যৰ মাজেদি যশোদাৰ পুত্ৰৰূপে ধৰা দিলে। নন্দযশোদাই কৃষ্ণক নিজপুত্ৰ বুলিয়েই মহানন্দত উত্ৰাৱল হৈ পৰিল। আৰু মহা সমাৰোহেৰে নন্দই কৃষ্ণৰ জন্মোৎসবৰ আয়োজন কৰিলে।

দানবসকলৰ অত্যাচাৰ বিভিন্ন দেশজুৰি চলি থকাৰ সময়তে নন্দৰ ঘৰত শিশুকৃষ্ণৰ লীলা আৰম্ভ হ'ল। নন্দই পুত্ৰ উপজাৰ খবৰ পায়েই সেই সময়ৰ চলিত নিয়মানুসৰি বস্ত্ৰ পিন্ধি পৰম আনন্দে স্নান কৰিলে।১৪০।।

নন্দই ব্ৰাহ্মণ, দৈৱজ্ঞসকলক মতাই অনালে আৰু কৃষ্ণৰ জাতকৰ্ম সম্পন্ন কৰিলে। দেবগণক, পিতৃগণক শক্তি অনুসাৰে অৰ্চ্চনা কৰি, ব্ৰাহ্মণক দান কৰিলে। দুই লাখ গাই ব্ৰাহ্মণক দান কৰিলে।১৪১।।

সাতটা তিলৰ পৰ্ব্বত নিৰ্মাণ কৰি অসংখ্য ৰত্ন স্থানে স্থানে থলে। সুবৰ্ণ, ৰূপ বস্ত্ৰেৰে আবৃত কৰি নন্দই দান কৰিলে।১৪২।। অসংখ্য বিপ্ৰই বেঢ়ি মাঙ্গল্য কৰ্ম্ম সম্পাদন কৰিলে। নট-ভাটে চপয় (চাৰিপদ যুক্তশ্লোক) পঢ়ি তুতি কৰিলে, গীতালী (গীত গাঁওতা) হাতত তাললৈ, মুখেৰে শঙ্খ-ভেৰী ফুঁদি, দুন্দভি বজালে।।১৪৩।। গোপবালকবোৰে আনন্দ কৰিলে আৰু গাই, পোৱালিবোৰৰ গাত তেল-হালধি ঘঁহিলে। গৰু-গোহালিবোৰ মচিকাচি সুগন্ধী জল ছটিয়ালে। বিচিত্ৰ পতাকা-ধবজ আদিৰে গোষ্টবোৰ সুশোভিত কৰিলে।১৪৪।।

হৰ্ষমনেৰে পুলকিত হৈ গোপগণে বিচিত্ৰ সাজ পিন্ধিলে, মূৰত মৰাপাখি পৰিধান কৰিলে আৰু মূৰত কাপোৰ মেৰাই ল'লৈ। তেওঁলোকে আঁঠুলৈকে

পৰা সুবৰ্ণৰ মালা পিন্ধিলে।১৪৫।।

দধি-দুগ্ধ-ঘিঁউৰ সন্দেশ লৈ নন্দৰ গৃহলৈ শাৰীপাতি আহিল। গোপীগণেও যশোদাৰ পুত্ৰ জন্ম হোৱাৰ বাতৰি পাই সাজি-কাচি, অলঙ্কাৰেৰে সুশোভিতা হৈ, ওখখোপা বান্ধি, খোপাত ফুল গুজি, চকুত অঞ্জন সানি, কপালত সেন্দূৰৰ ফোঁট লৈ, মুখপদ্মত কুঙ্কুম সানি, হাতত সন্দেশলৈ জুমাজুমে যশোদাৰ ঘৰলৈ আগ বাঢ়ি আহিল।১৪৯।।

তেওঁলোকৰ কাণত কুণ্ডল ডুলিবলৈ ধৰিলে, ওখ স্তনযুগল হলফল কৰিবলৈ ধৰিলে। নূপুৰৰ ৰুণঝুণ ধ্বনি, বাহুত বলয়া, গলত গলপতা, গাত পাটৰ শাৰী পিন্ধি লয়লাস গতিৰে তেওঁলোক অগ্ৰসৰ হ'ল।১৪৮।।

গোপীগণৰ খোপাৰ পৰা পুষ্পৰাজি খহি খহি পৰে; নন্দৰ ঘৰত প্ৰবেশ কৰি তেওঁলোকে উৰুলি দি মুখৰিত কৰি তোলে। যশোদাক বেঢ়ি ধৰি সকলোৰে শিশুৰ মঙ্গল হওক বুলি আশীৰ্ব্বাদ দিয়ে।১৪৯।।

হালধিৰ গুৰি তেল আৰু পানীৰ লগত মিহলি কৰি গোবিন্দৰ গীতগাই গাই পৰস্পৰে পৰস্পৰৰ গালৈ ছটিয়ায়। বাদ্যযন্ত্ৰৰ শব্দেৰে নন্দৰ গৃহ মুখৰিত হয় আৰু মহামহোৎসৱ সৃষ্টি হয়। সকলোৰে গম পালে যে নন্দৰ গৃহত মাধবৰ জন্ম হয়।১৫০।।

শকত-আৱত শৰীৰৰ গোপীগণে আনন্দ উল্লাস মনে খেড়ি খেলিবলৈ ধৰিলে, ইজনীয়ে সিজনীৰ গালৈ গাখীৰ ছটিয়ালে, গা আৰু মুখত ঘিঁউ-ঘোল লগালে, লবনুৰ লাডুৰে খেলিবলৈ ধৰিলে।১৫১।।

এইদৰে গোপীগণে নানাখেল ধেমালি কৰি আনন্দ উৎসৱ পাতিলে। নন্দই সকলোকে নতুন নতুন বস্ত্ৰ, নানা অলঙ্কাৰ দান কৰিলে আৰু তামোল পুষ্প চন্দন দিলে।১৫২।।

নট, ভাট, পাৰ্থক সকলক নানা তৰহৰ বস্তু দান কৰি, খুৱাই-বুৱাই সন্তোষ কৰিলে। সেইদিনধৰি গোকুলত মহানন্দ মিলিল। নন্দ-যশোদাৰ ঘৰত হৰিৰ বাস হোৱাৰ বাবে লক্ষ্মীয়ে বাস কৰিলে আৰু নন্দৰ-ঘৰ লক্ষ্মীৰ ক্ৰীড়াস্থলীলৈ পৰ্য্যবসিত হ'ল।১৫৩।।

**১৩। বসুদেৱ-নন্দৰ আলাপ ঃ**

শুকে পৰীক্ষিতক পাছৰ কথাখিনি ক'বলৈ ধৰিলে। নন্দ কংসৰ কৰতলীয়া ৰজা আছিল। বছেৰেকীয়া কৰ দিবলৈ নন্দই গোৱালসকলক গোকুলৰ ৰক্ষাৰ ভাৰ দি মথুৰালৈ গ'ল। মথুৰাত নন্দ উপস্থিত হোৱা শুনি বসুদেৱে আহি নন্দক সাক্ষাত কৰিলে।১৫৪।।

নন্দই বসুদেৱক সাবট মাৰি ধৰিলে। প্ৰাণমিত্ৰ বুলি নন্দই বসুদেৱক আদৰ সাদৰ কৰিলে।।। আনন্দত নন্দৰ চকুলো ওলাল। তেওঁ বসুদেৱক নিজৰ আসনত বহোৱালে আৰু সতকাৰ কৰি কুশল মঙ্গলৰ কথা সুধিলে। বসুদেৱে নিজৰ সুখ-দুখৰ কথা ক'লে আৰু নন্দৰ ঘৰৰ খা-খবৰ ল'লে।১৫৬।।

নন্দই বৃদ্ধকালত পুত্ৰ লাভ কৰাৰ কথা শুনি বসুদেৱে বৰ সন্তোষ পালে।১৫৭।। বসুদেৱে ক'লে 'আজি মোৰ মহাভাগ্য যে তোমাক দেখিবলৈ পালো। দুয়োয়ে প্ৰিয় আলাপ কৰিবলৈ পাই বৰ সুখী হ'লো।'১৫৮।। কিন্তু হৃদয়ত চিৰসুখ-শান্তি নাই। ক্ষণে ক্ষণে বিষমদৈৱৰ গতি। সোঁতৰ প্ৰবল গতিয়ে উটোৱাই নিয়ে যেনহে লাগে বুলি বসুদেৱে ক'লে। জীৱন নৈৰ জাজিত লাগি থকা জনৰ স্থিতি ক'ত?"।।১৫৯।।

'হৃদয়ৰ নাহি এক ঠাই থিতি।
বিহৰাৱে ক্ষনেকে বিষম দৈবগতি।।
সোঁতৰ বেগত যেন উটি যায় জাজি।
নিমিষেকে অন্তৰে পানীৰ বেগ বাজি।।"১৫৯।

নন্দই বসুদেৱৰ হৃদয়ৰ কথা কি বুজিব? বাহিৰত দেখুৱাই স্বাভাবিক যেন বোধ হ'লেও হৃদয়ৰ অন্তঃ সোঁত কি তাক বসুদেৱেহে জানে। নন্দই সেইবোৰৰ তত্ব পাব কেনেকৈ। ৰাতিৰ আন্ধাৰত নিজ পুত্ৰক নি যশোদাৰ বুকুত ৰাখি অহা ৰহস্যৰ কথা ৰহস্য হৈয়ে থাকিল।

সকলো মানুহৰ ক্ষেত্ৰতে এনে গোপন বেদনা থাকে। কাৰো হৃদয়তে চিৰস্থায়ী শান্তি নাই। কাৰোবাৰ নোপোৱাৰ বেদনা, কাৰোবাৰ পাই হেৰুওৱা যাতনা, কাৰোবাৰ নিয়তিৰ পৰিহাস আদিবোৰে হৃদয়ৰ শান্তি হেৰুৱায়। সংসাৰ সোঁতত মানৱজীৱন উটি ভাঁহি যায়। জাজিৰ দৰে প্ৰবল সোঁতে স্থবিৰ হৈ থকা জাজি কলৈ কোন মুহূৰ্তত উটোৱাই নিব তাৰ ইয়ত্বা নাই। মানুহৰ জীৱন ৰহস্যৰ আৰ্বৰ্ত্তত বন্দী।

সেইদৰে বান্ধৱৰ সমাগম হয় আৰু সময়ৰ লগে লগে সমাগম নাইকীয়া হয়। বলৰাম, কৃষ্ণৰ কুশল-মঙ্গল নন্দৰ পৰা বসুদেৱে জানিব বিচাৰিলে। মনতে বসুদেৱে ভাবিলে মোৰ পুত্ৰই নন্দক পিতৃ বুলি ভাবিছে আৰু নন্দ-যশোদাই

নিজপুত্ৰ বুলিয়েই ভাবি ডাঙৰ দীঘল কৰিছে। কাউৰীয়ে কুলী চৰাইৰ কণীকেইটাকে নিজৰ কণী বুলি উমনি দিয়ে; ই বিধিৰ বিড়ম্বনা।১৬০।।

'পুত্ৰভাৰ্য্যা বিষয়ক মিছামানি সুখ।
আসম্বাৰ বিয়োগ অধিকে মিলে সুখ।।'

পুত্ৰ, ভাৰ্যা, ধন আদি বিষয়; এইবোৰ শ্বাশ্বত নহয়, এইবোৰৰ সংযোগত পোৱা সুখ ক্ষণস্থায়ী, এইবোৰ হঠাতে হেৰাই গলে অধিক দুঃখ আহি পৰে। পিতৃ-মাতৃ-ভাতৃ-ভাৰ্যা আদি বিষয়ৰ সংযোগত কেতিয়াবা সুখ লাভ হয়, তাৰে কোনো এজনৰ বিয়োগ ঘটিলে অশান্তি আহে। বিয়োগ হোৱা জনক সুঁৱৰি প্ৰাণফুটি যায়।১৬১।।

বসুদেৱৰো তেনে অৱস্থা হৈছে, বিষাদত তেওঁৰ মাত গদগদ হৈছে, চকুলোৰে বাট নেদেখা হৈছে। কংসই তেওঁৰ ছয় পুত্ৰক হত্যা কৰিছে। বসুদেৱৰ দুঃখৰ কথা শুনি নন্দই ক'বলৈ ধৰিলে।১৬২।। 'ই বৰ দুখৰ কথা, এই কথা শুনি মই অত্যন্ত দগ্ধ হৈছো। তদুপৰি পেটমুচা কন্যাজনীকো কংসই হত্যা কৰাত হৃদয়ে কান্দি উঠিছে।১৬৩।।

নন্দই কৈছে—'দৈৱেসে লোকৰ সুখ-দুখৰ কাৰণ।
ক্ষণেকে উপজে জীৱ ক্ষণেকে মৰম।।'
সবে মিছা দেখে যেন সপোনৰ জাগি।
জানি এড়া মনুষ্য মিত্ৰ মৃতকক লাগি।।'

ভাগ্যৰ ফলতে মানুহৰ সুখ-দুখ হয়। জন্ম আৰু মৃত্যু কোনেও বাধা দিব নোৱাৰে। জন্ম, মৃত্যু, জীৱন হৈছে এটা সপোন। দিঠকত সপোনৰ মূল্য নেথাকে। গতিকে মৃত্যু হোৱাজনৰ কাৰণে বেজাৰ কৰি কি লাভ।১৬৪।।

নন্দৰ কথাত বসুদেৱে কিছু শান্তনা লভি ক'লে 'হে মিত্ৰ ৰজাক কৰ যোগালা, ইয়াত বেচিদিন থকা উচিত নহ'ব; কাৰণ গোকুলত নানা অপায় অমঙ্গল হ'ব পাৰে।১৬৫।। নন্দই বসুদেৱৰ কথাৰ মৰ্ম্মাৰ্থ বুজি যাবলৈ সাজু হ'ল। বসুদেৱক সাৱটি নন্দই চকুলো টুকিলে, বসুদেৱেও চকুপানী টুকিলে আৰু নন্দই বিদায় লৈ গমন কৰিলে।১৬৬।। বাটত যাওঁতে বসুদেৱৰ কথাকে নন্দই ভাবিলে।

**১৪। পুতনা বধঃ**

ৰামায়ণৰ তাড়কা ৰাক্ষসী, সূৰ্পনখাৰ দৰে পুতনা ৰাক্ষসীও প্ৰায় একে ধৰণৰে নাৰী। কৃষ্ণৰ গোকুল-লীলা আৰম্ভ হয় পুতনা বধৰপৰা। কংসই জানিলে যে কৃষ্ণ শিশুহৈ ক'ৰবাত আছে; সেইবাবে শিশুবোৰক হত্যা কৰিব পাৰিলেই কৃষ্ণৰ মৃত্যু হ'ব। এনে উদ্দেশ্য আগত ৰাখি কংসই প্ৰথমে পুতনাক মাতি আনি দেশৰ ভিতৰে-বাহিৰে গাঁও-নগৰত প্ৰৱেশ কৰি নৱজাত শিশু সকলক মাৰিবলৈ আদেশ কৰিলে। পুতনায়ো পূৰ্ব্বজন্মত বলিৰ পুত্ৰী হিচাবে বামণ অৱতাৰী ঈশ্বৰক পুত্ৰ হিচাবে পাবলৈ মানস কৰিছিল। তাই মাতৃদুগ্ধ কৃষ্ণক পান কৰাব পাৰিলে মাতৃগতি লভিব। পুতনা ৰাক্ষসীয়ে কংসৰ আদেশ পাই স্তনযুগলত কালকূট বিহ সানি ল'লে। যি স্থানত কৃষ্ণৰ শ্ৰৱণ-কীৰ্ত্তন নাথাকে তেনেবোৰ স্থানত তাইৰ অবাধ গতি। তাই এফালৰ পৰা শিশুবোৰক স্তনপান কৰোৱাই হত্যা কৰিবলৈ ধৰিলে। শিশু, অবলানাৰী, বৃডকতৰ অহিত চিন্তা কৰা জন দুৰ্জ্জন। তাই গৈ গৈ গোকুলত প্ৰবেশ কৰিলে। সাক্ষাৎ ভগৱান কৃষ্ণক নিশাচৰীয়ে কি কৰিব পাৰে?১৬৮,১৬৯।।

পুতনাই দিব্যনাৰীৰ বেশধৰি গোকুলত শিশু হত্যা আৰম্ভ কৰিবলৈ আগবাঢ়িল। মালতী ফুলৰ থোপা খোপাত গুজি ল'লে, তাই খোপা উচ্চ কৰি বান্ধিলে।১৭০।।

পুতনাৰ স্তনদ্বয় ওখ আৰু বৃহৎ আকাৰৰ, তপিনা ডাঙৰ, কঁকাল লাহী, দেহত পাটৰ শাৰী মেৰিয়াই ল'লে। কাণত তাইৰ কুণ্ডলে চিক্ মিকাবলৈ ধৰিলে, মুখ-মণ্ডল পদুমফুলৰ দৰে লোভনীয় হৈ ধৰা দিলে।

তাইৰ হাত লৱণু সদৃশ, পদ্মবদনত মৃদু হাস্য, দ্বিতীয় লক্ষ্মীৰ দৰে দেহৰ কান্তি, লাস্যময়ী গতিৰে গোপীগণৰ ঘৰেঘৰে ভ্ৰমি ফুৰিবলৈ ধৰিলে পুতনা-সুন্দৰীয়ে। তাইৰ অনিন্দ সুন্দৰ ৰূপ-যৌৱন দেখি কোনেও ক'তো বাধা নিদিলে, সকলোৰে হেঁপাহ পলোৱাই চালে।১৭২।।

পুতনাই প্ৰতিগৃহৰ পদূলিয়ে পদূলিয়ে শিশুৰ অনুসন্ধানত গৈ গৈ নন্দৰ ঘৰত সোমাল। গৃহত শয্যাত এটি শিশু শুই থকা তাই দেখা পালে। শিশুটিৰ ৰূপ-সৌন্দৰ্য-জ্যোতি দেখি তাই তবধ হৈ চাই থাকিল।১৭৩।।

জগতৰ আত্মা হৰিয়ে পুতনাক দেখিয়েই চিনিপালে। কৃষ্ণই চকুমুদি কোনো কথা নকৈ নিদ্ৰাৰ ভাও প্ৰদৰ্শন কৰিলে। কৃষ্ণই শিশু-চেষ্টা দেখুৱাই পুতনালৈ অপেক্ষা কৰিলে।১৭৪।। তেওঁ ভোকলগাৰ ছেও দেখুৱাই ভৰি দুটি এছাৰিবলৈ ধৰিলে আৰু ক্ৰন্দন কৰিলে। পুতনাই অতি সযতনে হাতমেলি

গুৱালৰ শিশু বুলি কৃষ্ণক দাঙি আনিলে। তাই দুই হাতেৰে কৃষ্ণক সাৱটি কোলাত তুলি ল'লে।১৭৫।। মুৰ্খই সাপকে ৰচি বুলি ধৰাৰ দৰে পুতনায়ো কৃষ্ণক সাধাৰণ গুৱালৰ শিশু বুলিয়েই ধৰিলে। যশোদা আৰু ৰোহিনীয়ে কৃষ্ণৰ কাষতে আছিল যদিও পুতনাৰ সুন্দৰ ৰূপ চাই থাকিল আৰু তাইক বাধা ও নিদিয়াকৈ থাকিল।১৭৬।।

নিশাচৰীয়ে শিশুক মাৰিবৰ কাৰণে যত্ন কৰিলে। তাই বুকুৰ বস্ত্ৰ উদঙাই স্তনটি কৃষ্ণৰ মুখত লগাই দিলে। বিষময় স্তন দি তাই ভাবিলে যে শিশুটি নিমিষতে মৰি থাকিব। কৃষ্ণয়ো হাতেৰে স্তনটো আটি ধৰি চুপিবলৈ ধৰিলে। স্তনৰ লগতে তাইৰ শৰীৰৰ অসহ্য বেদনা সহিব নোৱাৰি হাতেৰে কেঁচুৱাটিক হেচি এৰোৱাবলৈ চেষ্টা কৰিলে। তাই ক'লে— 'মোৰ স্তন এৰি দে এৰিদে',। এইদৰে তাই চিঞৰি চিঞৰি কেকাবলৈ ধৰিলে, তাইৰ সৰ্ব্বশৰীৰ ঘামেৰে আবৃত হ'ল, হাত ভৰি আছাৰিবলৈ ধৰিলে, চকুৰ ঢেল ওলাল আৰু আৰ্ত্তনাদ কৰি কান্দিবলৈ ধৰিলে।১৭৮।।

'মৰিলোঁ মৰিলোঁ', বুলি চিৎকাৰ কৰিলে, চাৰিওফালে মহাত্ৰাসৰ সৃষ্টি হ'ল। স্বৰ্গ-মৰ্ত্ত-পাতাল লৰিবলৈ ধৰিলে। সকলোৱে বজ্ৰপাত হোৱা বুলি ভয়ত বিহ্বল হৈ পৰিল।১৭৯।। স্তনৰ পীড়াত তাই অচেতন হৈ পৰিল। তাই মুখমেলি (পুতনাৰ) নিজৰূপত ঢলি পৰিল। তাই পৰোতে বজ্ৰৰ আঘাত পাই বৃত্ৰাসুৰ, পৰাৰ দৰে ভয়ঙ্কৰ শব্দৰ সৃষ্টি হ'ল। গোপপুৰ তলবল কৰি কঁপি উঠিল।১৮০।। পুতনাৰ শৰীৰ ডেৰ প্ৰহৰৰ পথ জুৰি পৰিল। তাৰ ফলত গছ-গছনি চূৰ্ণীকৃত হ'ল। পুতনাৰ ঘোৰ ৰূপ দেখি প্ৰজাগণে আচৰিত হ'ল। তাইৰ দাঁতবোৰ নাঙলৰ ডিলাৰ দৰে ওপৰলৈ ওলাই থাকিল। তাই নাসিকা গহ্বৰ পাহাৰৰ গুহাৰ দৰে দেখা গ'ল, ভয়ঙ্কৰ শৰীৰ যেন প্ৰকাণ্ড শিলাস্তৰ হৈ দৃশ্যমান হ'ল, চুলিবোৰ কুৰকটা আৰু বিকৃত, দুই অন্ধকূপৰ দৰে চকুৰ কোট-সমাজে দেখিবলৈ পালে।১৮১।। পুতনাৰ হাত ভৰি ৰাজ আলিৰ দৰে পৰি থাকিল, তাইৰ পেট জলহীন প্ৰকাণ্ড পুখুৰীৰ দৰে খালী হৈ দৃশ্যমান হ'ল। এনে ঘোৰ ৰূপ দেখি গোপীসকল ভয়ত বিব্ৰত হৈ উঠিল। সকলোৱে পিশাচিনীৰ ৰূপ ওচৰ চাপি চালে।১৮২।।

"তাইৰ হৃদয়ত পাছে কৃষ্ণক দেখিলা।
ক্ৰীড়ন্তে আছন্ত ৰঙ্গে কৰি মহালীলা।।"

কৃষ্ণই পুতনাৰ শৰীৰৰ ওপৰত উঠি কৌতুকে লীলা কৰি আছিল।১৮৩।।

**১৫। ৰোহিনী, যশোদা গোপীগণৰ দ্বাৰা কৃষ্ণৰ অভিষেক ও ৰক্ষা-বন্ধনঃ**

গোপীগণে আথে-বেথে কৃষ্ণক সাৱটি ধৰিলে।।। ৰোহিনী, যশোদাই আহি কৃষ্ণক সাৱটি ৰক্ষা মন্ত্ৰ পাঠ কৰিলে, গো-মূত্ৰে গা-ধুৱালে। গোপীগণে বাৰটা অঙ্গত বাৰটা নামে ৰক্ষাবন্ধন কৰিলে।১৮৬।। পুনৰ জল স্পৰ্শ কৰি, জপকৰি, বিষ্ণুক স্মৰণ কৰি মন্ত্ৰ গালে। উৰু জানু, জঙ্ঘাক মণিমন্তে, কটিত অচ্যুতে, উদৰত হয়গ্ৰীৱে, হৃদয়ক কেশৱ আৰু সদাশিৱে, উৰুস্থলক ঈশ্বৰে, কণ্ঠক বিষ্ণুভুজে, মুখক উৰুক্ৰমে ৰক্ষা কৰিবলৈ আহবান জনালে।১৮৭,১৮৮।। কৃষ্ণৰ শিৰত ঈশ্বৰ স্থিত হৈ, সন্মুখভাগত শ্ৰীহৰিয়ে চক্ৰধৰি, ধনুধৰি মধূহাই খড়গ ধৰি অঞ্জনে দুয়ো পাশে ৰক্ষা কৰক বুলি মন্ত্ৰ পাঠ কৰিলে।১৮৯।। ইন্দ্ৰিয়-প্ৰাণক হৃষিকেশ-নাৰায়ণে ৰক্ষা কৰে যেন বুলি আহবান জনায়। তেওঁৰ চিত্তক শ্বেতদ্বীপ পতিয়ে, বুদ্ধিক পৃশ্নিগৰ্ভে, মনক যোগেশ্বৰে ৰক্ষা কৰক। ভগৱন্তই অহঙ্কাৰক ৰক্ষা কৰি থাকিব।১৯০।। পতিয়ে, ভোজনত যজ্ঞ ভোক্তাই ৰক্ষা কৰক।১৯১।। বিষ্ণু নাম-কীৰ্ত্তন যক্ষ, ৰক্ষ, ভূত, ডাকিনী, যোগিনী, প্ৰেত,পিশাচীৰ ভয়ৰ পৰা ৰক্ষা কৰক।১৯২।।

গোপীগণে ৰক্ষাকবচ বন্ধাৰ পাচত যশোদায়ে পুত্ৰক স্তনপান কৰোঁৱালে আৰু শয্যাত শুৱালে।১৯৩।। নন্দই গোপগণৰ লগত আহি গোকুল পালেহি আৰু পুতনাৰ মৃতদেহ দেখি বিস্মিত হ'ল। বসুদেৱে কোৱামতে গোকুলত অথন্তৰ ঘটা দেখিবলৈ পালে।১৯৪।। গোপগণে কুঠাৰে পুতনাৰ দেহ খণ্ড খণ্ড কৰি দোলাত নি কাঠসংস্কাৰ কৰিলে। অগৰু-সুৰভিৰ গন্ধেৰে তাইৰ দেহ ভস্মিভূত কৰা হ'ল।১৯৫।।

যি পুতনাই শিশুকৃষ্ণক বিহপান কৰোৱাই মাৰিবলৈ চাইছিল, তেনে পুতনাকো কৃষ্ণই মাতৃগতি দি উদ্ধাৰ হে কৰিলে। যিজনে মাধবক ভজে, ভক্তি কৰে, তেওঁক ভগৱন্তই মহান দয়া কৰে; এয়ে ভগৱন্তৰ অচিন্ত্য মহিমা।১৯৬।। ঈশ্বৰ কৃষ্ণৰ যি পাদপদ্ম ভক্তৰ হৃদয়ত থাকে, সেই পাদপদ্ম পুতনাই কোলাত পোৱাটো কিমান ভাগ্যৰ কথা। পিশাচী, পাপমতি পুতনাই জননী গতি লাভ কৰাৰ মূলতে ভগৱন্তৰ প্ৰতি থকা পূৰ্ব্বজন্মৰ ভক্তিপ্ৰেম।১৯৭।। মাতৃয়ে সন্তানক নিজস্তন দি পৰম সন্তোষ লাভ কৰে, পুত্ৰ-স্নেহত কোনো স্বাৰ্থ নিহিত নাথাকে।

পুতনায়ো কৃষ্ণক পুত্ৰ হিচাবে স্তন-পান কৰোৱালে।১৯৮।।

নন্দই পুতনা-বধৰ কথা শুনি পৰম বিস্ময় মানিলে। হৰিয়েহে কৃষ্ণক এনে সঙ্কটৰ পৰা উদ্ধাৰ কৰিলে বুলি নন্দই হৰিৰ প্ৰতি পৰম কৃতজ্ঞতা প্ৰকাশ কৰিলে। মৰমতে কৃষ্ণৰ শিৰ সুঙি নন্দই কোলাত তুলি ল'লে।১৯৯।।

**উপদেশ ঃ** পুতনা বধ কাহিনীত ভগৱন্ত কৃষ্ণৰ লীলা-মাহাত্ম্য প্ৰকাশ পাইছে। কাহিনীৰ ফালৰ পৰা সমাজৰ প্ৰতিজন ব্যক্তিয়ে ভগৱানৰ অৰ্তক মহিমা উপলব্ধি কৰি তেওঁক ভক্তি কৰিবলৈ শিক্ষা ল'ব লাগে। ভগৱন্তৰ প্ৰতি ৰতি হ'লে মৃত্যু ভয় নাথাকে আৰু মোক্ষ লাভ হয়।২০০।।

গুৰুজনে কৈছে— 'হে নৰলোক, মহাভাগৱতৰ কথা একচিত্তে শুনা, ইয়াত কৃষ্ণ-কথা অমৃতেৰে ভৰপূৰ হৈ আছে; ভাগৱতত থকা কৃষ্ণ-মাহাত্ম্য তত্ত্ব কোনেও তৰ্কিব নোৱাৰে। পৰম পাতকী, পিশাচীলৈকে যাৰ কথা শ্ৰৱণ-কীৰ্ত্তন কৰি পৰম গতি লাভ কৰিব পাৰে।২০১।। ঘোৰ নিশাচৰীয়ে কৃষ্ণক মাৰিবলৈ বিষময় স্তন-দুগ্ধ পান কৰালে যদিও কৃষ্ণই তাইক জননী-গতিহে দান কৰিলে। এনে দয়ালু কৃষ্ণ কৃপাময়ক যিসকলে ভক্তিভাবে ভজনা কৰে, সেইসকলে পৰমপদ লাভ কৰে।২০২।। এই তত্ত্ব উপলব্ধি কৰি কৃষ্ণক ভক্তি কৰাহঁক; কিয়নো ঘোৰ কলি যুগত কৃষ্ণ নাম কীৰ্ত্তনহে গতি দিব পাৰে। এই ভক্তি কৰিবলৈ টকা-পইচা খৰছ নহয়, কোনো কষ্টও নহয়।২০৩।। এনে অমৰ কথা শুনিলে অমৃত পাণ কৰাত কৈ অধিক তৃপ্তি পোৱা হয়, মহামহা পাপ সমূহো দূৰ হয়, সহজে ধৰ্ম্ম সিজে; গতিকে দিনে-ৰাতিয়ে মুখত হৰি নাম নেৰিবি।১০৪।।

যিজনৰ মুখত হৰিনাম থাকে, তেওঁ গঙ্গা-গয়া-কাশী-পুস্কৰ তীৰ্থলৈ যোৱাৰ প্ৰয়োজন নাই। সমস্ত শাস্ত্ৰৰ সাৰ হৰিনাম; সকলোৱে ৰাম-নাম লৈ সহজে মুক্তি লাভ কৰক।।২০৫।।

**ঈশ্বৰ কৃষ্ণৰ জীৱনৰ কৰ্ম্মাৱলীৰ ক্ৰম (আদি দশমত) মহাত্ম্য-প্ৰকাশক কৰ্ম্ম**

১।পুতনা বধ
২। শকট ভঞ্জন, শকটাসুৰৰ মুক্তি আৰু চক্ৰবাত অসুৰ বধ।
৩। যশোদাক বিশ্ব-দৰ্শন (নিজৰ মুখৰ ভিতৰত)
৪। যমলাৰ্জ্জুন ভঞ্জন, নলকুবেৰ-মণিদ্বীপক শাপমুক্ত কৰণ।
৫। ব্যৎসাসুৰ বধ
৬। বকাসুৰ বধ
৭। অঘাসুৰ বধ
৮। ব্ৰহ্মাৰ মোহভঙ্গ।
৯। বলভদ্ৰৰ মোহভঙ্গ।
১০। ধেনুকাসুৰ বধ।
১১। কালীয় দমন।
১২। বনাগ্নি পান ও গোপগণক বনাগ্নিৰ পৰা উদ্ধাৰ।
১৩। গোপীৰ বস্ত্ৰ হৰণ লীলা।
১৪। বিপ্ৰপত্নীৰ প্ৰসাদ লাভ।
১৫। যাজ্ঞিক ব্ৰাহ্মণ সকলক ৰাম-কৃষ্ণৰ পূজা কৰোৱা।
১৬। ইন্দ্ৰযজ্ঞ ভঙ্গ, গোবৰ্দ্ধন ধাৰণ ও পূজা। ইন্দ্ৰৰ মোহ ভঙ্গ।
১৭। বৰুণৰ পৰা নন্দক উদ্ধাৰ।
১৮। ব্ৰজবাসী সকলক বৈকুণ্ঠ দৰ্শন কৰোৱা।
১৯। ৰাসলীলা।
২০। সুদৰ্শন বিদ্যাধৰক মুক্তি দান।
২১। শঙ্খচূড় বধ।
২২। অৱিষ্টাসুৰ বধ।
২৩। কেশী বধ, ব্যোমাসুৰ বধ।
২৪। অক্ৰূড়ক নিজৰূপ দৰ্শন কৰোৱা।
২৫। ৰজক বধ।
২৬। সুদামাক কৃপা কৰা।
২৭। কুঁজীৰ বাঞ্ছা পূৰণ।
২৮। কৃষ্ণৰ ধনুভঙ্গ।
২৯। কুবলয়পীৰ বধ।
৩০। চানুৰ (মল্লক) বধ।
৩১। কংস বধ।
৩২। বসুদেৱ-দৈৱকীক বন্ধন মুক্ত।
৩৩। উগ্ৰসনক ৰাজপাট দান।
৩৪। গুৰু দক্ষিণা প্ৰদান (গুৰুপুত্ৰ আনয়ন)

৩৫। গোপীগণলৈ উদ্ধৱৰ দ্বাৰা শান্ত্বনা প্ৰদান। আদি

**বলৰামৰ বিশেষ কৰ্ম —**

১। কৃষ্ণৰ সকলো মাহাত্ম্যসূচক কৰ্মতে সহযোগিতা কৰা।

২। প্ৰলম্বাসুৰ বধ।

৩। মুষ্টিক বধ। আদি

**১৬। শকট ভঞ্জন আৰু শকটাসুৰৰ মুক্তি আৰু চক্ৰবাত অসুৰৰ মায়া-প্ৰকাশঃ**

কৃষ্ণই পুতনাক বধ কৰাৰ বাতৰি পাই কংস মৰ্ম্মাহত হ'ল। শুকমুনিয়ে পৰীক্ষিতক কৃষ্ণৰ পৰম পুৰুষত্বৰ বিষয়ে ক'বলৈ ধৰিলে কৃষ্ণই জীৱনৰ প্ৰথম কৰ্ম্মহিচাবে কংসৰ পিশাচী পুতনাক বধ কৰি গোকুলত মহাৰঙ্গ মনে ক্ৰমে বাঢ়িবলৈ ধৰিলে আৰু গোকুলবাসীকো আনন্দ দিবলৈ ধৰিলে। কৃষ্ণ-কথামৃত পান কৰি পৰীক্ষিতে হাতযোৰ কৰি কৃষ্ণৰ পৰৱৰ্ত্তী কৰ্ম্মৰ বিষয়ে শুকৰ পৰা জানিবলৈ বিচাৰিলে।২০৬।। শুকে ক'লে— 'হৰিয়ে ধৰাধামত অৱতাৰ গ্ৰহণ কৰি ভূমিৰ ভাৰ হৰণ কৰিবলৈ যি যি কৰ্ম্ম সাধন কৰিলে, সেইবোৰ শুনিলে কৰ্ণেন্দ্ৰিয় তুষ্ট হোৱাৰ উপৰিও মনৰ পাপ দূৰ হয়, শৰীৰ পবিত্ৰ হয়, অচিৰ কালত হৰিভক্তি বৃদ্ধি হয়, হৰি ভক্তৰ প্ৰতি মিত্ৰতা বাঢ়ে।" এনে বালক কৃষ্ণৰ কথা যি সকলে আনন্দমনেৰে শুনে তেওঁলোকে পৰম আনন্দ লাভ কৰে। ২০৭।।

শুকে ৰজাক কলে যে কিছুদিনৰ পাছত শিশুকৃষ্ণৰ 'অঙ্গ পৰিৱৰ্ত' নামেৰে মহোৎসৱ অনুষ্ঠিত হয়। গোপনাৰী গণে নন্দৰ ঘৰত প্ৰৱেশ কৰি নানা বাদ্য বজালে, দ্বিজগণে মন্ত্ৰপাঠ কৰিলে।২০৮।। যশোদাই কৃষ্ণক স্নান কৰোৱালে আৰু ব্ৰাহ্মণসকলে মাঙ্গল্যধ্বনি কৰি আশীৰ্ব্বাদ দিলে। পুত্ৰৰ টোপনি অহাত যশোদাই শকটৰ (গাড়ীৰ) তলত শুৱাই থলে।ব্ৰজবাসী সকলক নন্দ-যশোদাই ভোজন কৰোঁৱাত ব্যস্ত হ'ল। কৃষ্ণৰ ভোক লগাত স্তনপান কৰিবলৈ কান্দিলে যদিও হুলস্থুলৰ মাজত যশোদাই নুশুনিলে।২০৯।।

কংসই অসুৰ সকলৰ লগত আলোচনা কৰি শকটাসুৰক পঠালে শিশুকৃষ্ণক বধ কৰিবৰ কাৰণে। শকটাসুৰে এখন গাড়ীৰ ৰূপ ধাৰণ কৰি নন্দৰ ঘৰৰ কাষতে খাপলৈ থাকিল। কৃষ্ণই কান্দি কান্দি ভৰি মাৰিবলৈ ধৰিলে। কৃষ্ণৰ ভৰিৰ প্ৰহাৰত গাড়ীখনে কৃষ্ণক হেঁচামাৰি ধৰিলে। গাড়ীৰ ধবজত থকা মায়াবী শকটাসুৰে গাড়ীখন কৃষ্ণৰ শৰীৰৰ ওপৰত পেলাইছিল। কৃষ্ণই লাঠিমাৰি গাড়ী বগৰাই পেলালে। লগে লগে ভয়ঙ্কৰ শব্দ কৰি চক্ৰ উফৰি পৰিল। তাৰ ভৰত মাটি কঁপি উঠিল।

গাড়ীখনত থোৱা দধি-দুগ্ধ-ঘৃত-ঘোলৰ কলহ উফৰি পৰিল। শকটাসুৰে প্ৰাণ এৰি নিজৰূপ ধৰি মুক্তি লাভ কৰিলে। এনে কাণ্ড দেখি যশোদা-নন্দ-গোপগণ আচৰিত হ'ল।২১০।। গোৱাল শিশুবোৰে কৃষ্ণৰ মাহাত্ম্য দেখি আচৰিত হ'ল। অনন্তবীৰ্যৰ পৰাক্ৰম কোনেও বুজিব নোৱাৰিলে। গাড়ীৰ চক্ৰত বহি থকা বাবে ইয়াক 'চক্ৰবাত' বোলা হয়।২১১।।

কান্দি থকা কৃষ্ণক যশোদাই কোলাত তুলি ললে। যশোদাই কৃষ্ণক অচিন গাড়ীখনত শুৱাই থোৱা উচিত নাছিল। যশোদাই কৃষ্ণক মানৱ শিশুৰূপে গণ্যকৰাৰ প্ৰতিফল প্ৰতি পদতে পাবলৈ ধৰিলে। তেওঁ ব্ৰাহ্মণ আনি ৰক্ষা মন্ত্ৰ গোৱালে আৰু স্তন দান কৰি কৃষ্ণক মৰম কৰিলে। গোপগণে গাড়ীখন উভতাই আগৰমতে স্থাপন কৰি থলে। নন্দই পুত্ৰৰ বাবে হোমপূজা কৰালে।২১২।।

নন্দই বিপ্ৰৰ দ্বাৰাই চণ্ডীপাঠ কৰোৱাই বস্ত্ৰ-অলঙ্কাৰ আৰু ধেনুদান কৰিলে। দ্বিজগণে ঋক মন্ত্ৰ উচ্চাৰিলে। নন্দই সকলোকে আদৰ আপ্যায়ণ কৰিলে।২১৩।।

**১৭। পৰীক্ষিতৰ কৃষ্ণৰ বাল্যলীলা বিষয়ক প্ৰশ্ন, তৃণাবৰ্ত্ত বধঃ**

শুক মুনিয়ে পৰীক্ষিতক ক'লে— এদিন যশোদাই কৃষ্ণক কোলাত লৈ ওমলাই থাকোতে এডোখৰ গধুৰ শিলৰ দৰে পালে আৰু এনে গুৰু ভাৰ যশোদাই বহন কৰিব নোৱাৰা হ'ল।২১৪।। অত্যন্ত শঙ্কাত যশোদাই ভগৱন্তক চিন্তা কৰিবলৈ ধৰিলে। সি ঘূৰ্ণীবতাহ (বা-মাওলি) ৰূপে আহি কৃষ্ণক হৰণ কৰি নিবলৈ কৃষ্ণক আবৰি ধৰি গধুৰ কৰি পেলালে। তৃৰ্ণাবৰ্ত্তই গোকুলক 'ধূলা'ৰে আবৰি পেলালে।২১৫।।

দশোদিশে প্ৰকাণ্ড শব্দৰ সৃষ্টি হ'ল, ধূলায়ে চাৰিওফালে অন্ধকাৰ কৰি ঢাকি পেলালে; কোনেও কাকো নেদেখা হ'ল, চাৰিওদিশে লোক বিহবল হৈ চিঞৰিবলৈ ধৰিলে। যশোদাই কৃষ্ণক ক'ত নমাই থলে তাকো দেখা নোপোৱা হ'ল। হাত বুলাই ইফালে-সিফালে চালে, কিন্তু ক'তো কৃষ্ণক নেপালে।২১৬।।

কিছুসময়ৰ পাছতে প্ৰচণ্ড বায়ু ব'বলৈ ধৰিলে আৰু ধূলিবোৰ আতৰি যোৱাত আন্ধাৰ দূৰ হ'ল। যশোদাই চকুমেলি চাই কৃষ্ণক কোনো স্থানতে নেদেখি বিবুধি হ'ল। জগতৰ ঈশ্বৰকো অসুৰৰ মায়াই ক্ষন্তেক ঢাকি ৰাখিলেও সেই মায়া

প্ৰভুৰ ইচ্ছাত মষিমূৰ হ'ব।২১৭।।

এই খিনিতে লিখক শ্ৰীমন্ত শঙ্কৰদেৱে মানৱলৈ উপদেশ যাচিছে কৃষ্ণৰ চৰণত শৰণ ল'বলৈ অকণো লাজ কৰিব নালাগে।

দিনে দিনে সংসাৰীলোকৰ আয়ু কমি আহে আৰু কোন ক্ষণত, কেতিয়া প্ৰাণবায়ু উৰি যাব তাৰ ঠিক নাই। প্ৰাণ থাকোতেই কৃষ্ণত একান্তভাৱে শৰণ লোৱা উচিত, কিয়নো কৃষ্ণৰ বিনে কাৰো অন্যগতি নাই। জীৱন চঞ্চল, এই আছে এই নাই; পদুম পাতৰ জল কেতিয়া খহি পৰে তাৰ নিশ্চয়তা নাই। ক্ষণিকতে সংযোগ, ক্ষণিকতে বিয়োগ সংসাৰৰ চলন্তনীতি।২১৮।।

নৰতনু লাভ কৰাটো অতি সাধাৰণ বস্তু। কৌটি কৌটি তপস্যা কৰিলেহে নৰতনু লাভ কৰিবলৈ পায়। এনে সাধনাৰ মানবীজনম লাভ কৰি আলেজালে নষ্ট কৰাটো মহা মুৰ্খামি। মানৱ জীৱনৰ পতন অৱশ্যেম্ভাৱী। তথাপি চেতনা নাই। কালে গ্ৰাস কৰোঁ কৰোঁ কৈ মুখ মেলি আছে। জ্ঞানীগণে অমূল্য মানব জীৱনৰ মূল্য উপলব্ধি কৰি সমস্ত অসাৰ বিষয় ত্যাগ কৰি মন ভগবানৰ ভক্তিত আপ্লুত কৰে। কাৰণ ভকতি মুক্তিৰ পথ। কৃষ্ণত ভক্তি কৰাৰ বাহিৰে কলিযুগত অন্য গত্যন্তৰ নাই।২১৯।।

'ভকতিসে মাতা ভকতিসে পিতা
ভকতিসে বন্ধুজন।
ভকতি সুহৃদ সোদৰ বিধাতা
ভকতিসে মহাধন।।
ভকতিসে মতি ভকতিসে গতি
ভকতিসে দেৱ নিজ।
ভকতিসে চিত ভকতিসে বিত
ভকতি মোক্ষৰ বীজ।।২২০।।
ভকতি সদায় সহায় ভকতি
জীৱন যৌৱন প্ৰাণ।
ইহ পৰলোকে ভকতি বিনাই
নাহিনাহি গতি আন।।"

হৰিভক্তি মূল তত্ব— ভকতি— মাতা অৰ্থাৎ জন্মদাত্ৰী মাতৃৰ সমান
ভকতি — পিতা অৰ্থাৎ জন্মদাতা, পৰমাত্মা।
ভকতি — পৰম বন্ধু, যি নিজকে ত্যাগ কৰিব পাৰে।

ভকতি, সুহৃদজন, ভাগ্যনিয়ন্ত্ৰণ কৰোঁতা, পৰমধন, মনৰ অধিষ্ঠাতা, জীৱনৰ লক্ষ্য, আত্মাদেৱ, চিত্তৰ বৃত্তি নিয়ামক, ধন-ঐশ্বৰ্য, মোক্ষ লাভৰ মূলবীজ, জীৱনৰ একমাত্ৰ সহায় বা আশ্ৰয়, জীৱন-যৌৱন-প্ৰাণৰ উৎস, ইহকালত প্ৰিয়তম, পৰকালত প্ৰিয়তম, সমস্ত কালৰ গতি দিওঁতা। সেই তত্ব জানি— সকলো মানুহে ভকতিত মনোনিবেশ। ২২১।। কৰা উচিত। পাৰ্থিব সকলো বিষয়ৰ পৰা মনক আতৰাই আনিব লাগে অৰ্থাৎ ত্যাগত মন নিবিষ্ট ৰাখিব লাগে। তেতিয়া মানবী জীৱন লাভ কৰা সম্ফল হয়। অনবৰতে কৃষ্ণৰাম নাম কীৰ্ত্তন কৰা উচিত।

যশোদাই নানা চেষ্টা কৰিয়ো পুত্ৰক নাপাই পুত্ৰ পুত্ৰ বুলি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। গায়ে দামুৰি বিচাৰি যিদৰে হাবাথুৰি খাই বলিয়াৰ দৰি ঘূৰি ফুৰে যশোদাই পুত্ৰক হেৰুৱাই মাটিত বাগৰি বাগৰি দীৰ্ঘৰাৱে ক্ৰন্দন কৰিবলৈ ধৰিলে।২২২।। 'এই মাত্ৰ বেচেৰাই মোৰ স্তন খাই আছিল, কোন যমেনো মোৰ ল'ৰাটো মোৰ বুকুৰ পৰা হঠাৎ কাঢ়ি নিলে? হাঁ বাপ, হাঁ কমললোচন, হে তনুশ্যাম, হে কৃষ্ণ বুলিনো কাৰ নামলৈ মাতিম?'২২৩।।

'মোৰ বাচাই আই আই বুলি মাতিলে কি অমৃতযে পাওঁ, সেই চন্দ্ৰবদন মোৰ কৃষ্ণক নেদেখি কেনেকৈ মই জীয়াই থাকিম? কিমান জনমৰ মূৰত, কিমান সাধনা কৰি তোক পুত্ৰৰূপে পাইছিলোঁ? মোৰ ঘৰ শুৱনি কৰি তই জিলিকি আছিলি?'।২২৪।।

'ঘোৰ শোক শেলে মোৰ বুকুত বিন্ধিছে, মই এনে মৰ্ম্মন্তুদ বেদনা সহিব নোৱাৰোঁ। শোকৰ বহ্নিয়ে মোৰ হৃদয় দগ্ধ কৰিছে। কি কাৰণেনো মই জীয়াই আছো? মোৰ প্ৰাণ কি দেহৰ পৰা গুচি যোৱা নাই? মাত্ৰ এটি পুত্ৰ আছিল, তাকো কাঢ়ি নিলে।'২২৫।।

বেদনাত চটফটাই যশোদা মাটিত পৰি যায়, দুইহাতেৰে বুকুত ভুকু মাৰিবলৈ ধৰিলে। পুত্ৰ পুত্ৰ বুলি উকি মাৰি যশোদা অস্থিৰ হৈ উঠিল। কোনেও যশোদাক নিচুকাবলৈ সাহস নকৰিলে।২২৬।।

গোপীগণে যশোদাৰ দুৰৱস্থা দেখি আৰু কৃষ্ণক নেদেখি বিলাপ কৰিবলৈ ধৰিলে। চকুলোৰে নৈ বুৱাই, হাঁ কৃষ্ণ, হাঁ কৃষ্ণ বুলি, সুখ শান্তি হেৰুৱাই, যশোদালৈ চাই চাই গোপীগণে হুৱাও ৰাৱে বিনাবলৈ ধৰিলে।২২৭।।

অন্যফালে তৃণাবৰ্ত্ত অসুৰে কৃষ্ণক আকাশলৈ লৈ গ'ল আৰু কৃষ্ণই ওজন বঢ়াই দি অত্যন্ত গধুৰ হৈ পৰিল। তৃৰ্ণাবন্তই গুৰুভাৰ বহন কৰিব নোৱাৰি আকাশতে ৰৈ গ'ল।২২৮।। সি এটা ভয়ঙ্কৰ পৰ্ব্বত কান্ধত লৈ থকা যেন অনুভৱ কৰিলে। গধূৰ কৃষ্ণক পেলাবলৈ যত্ন কৰিয়ো সি ব্যৰ্থ হ'ল। কৃষ্ণই হাতেৰে তাৰ গলত টানকৈ ছেপা দিলে আৰু চকুৰে ঢেল উলিয়াই সি হাতভৰি আছাৰিবলৈ ধৰিলে।২২৯।।

অসুৰ নিশ্চেষ্ট হ'ল, মুখৰ মাত নাইকিয়া হ'ল, প্ৰাণ এৰি মাটিত চক্ৰবাত অসুৰ ঢলি পৰিল। শিলৰ ওপৰত পৰি তাৰ দেহ চূৰ্ণীকৃত হ'ল। শিৱই ত্ৰিপুৰাসুৰক বধ কৰাৰ দৰে কৃষ্ণই চক্ৰবাতক বধ কৰিলে।২৩০।।

গোপীগণে কান্দি কান্দি থাকোতেই অসুৰৰ বুকুত কৃষ্ণক বহি থকা দেখাপালে। তেওঁলোকে দৌৰাদৌৰি কৰি কৃষ্ণক সাৱটি ধৰিলে।২৩১।। গোপীগণে যশোদাক ক'লৈগে— 'হে মাই নাকান্দিবা, নাকান্দিবা, এয়া তোমাৰ কৃষ্ণ, কোলাত লোৱা, বুলি গোপীগণে কৃষ্ণক দিলে। যশোদাই পুত্ৰৰ মুখদেখি সন্তাপ এৰিলে। বৰষুণৰ পানীৰে জুই নোমোৱাৰ দৰে যশোদাৰ শৰীৰ শান্ত হ'ল।২৩২।।

যশোদাই পুত্ৰৰ মূৰ সুঙি, বুকুত সাৱটি ললে, যমপুৰীৰ পৰা যেন কৃষ্ণক ঘূৰাই হে পালে। পুত্ৰক হেৰুৱাই নন্দ-যশোদা দুয়োজনে মৰিব লাগিলহেঁতেন, ভগৱন্তই তেওঁলোকক যেন পুনৰ জীৱন দান কৰিলে বুলি ভাবিলে।২৩৩।।

গোপ-গোপীগণে কৃষ্ণক পাই আনন্দ পালে। ৰাক্ষসে কৃষ্ণক মাৰিবলৈ লৈছিল।২৩৪।। হিংসুক সকলে নিজৰ দোষতে নিজে ধ্বংস হয়। সাধুসকলে সমভাৱে সকলোকে দেখাৰ বাবে ভয়হীন হৈ কাল কটাব পাৰে। তপ-জপ-যজ্ঞ আদি কৰি থকাৰ বাবেহে কৃষ্ণই মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ হৈ আহিল বুলি নন্দ-যশোদাই ভাবিলে।১৩৫।। ব্ৰজত নানা অমঙ্গল ঘটাৰ বাবে বসুদেৱে কোৱা কথালৈ মনত পৰিল নন্দৰ।২৩৬।।

**কৃষ্ণৰ মুখৰ ভিতৰত যশোদাৰ বিশ্ব-দৰ্শন ঃ**

নন্দ-ৰাণীয়ে কৃষ্ণক কোলাত লৈ স্তন পান কৰোৱাইছিল। কৃষ্ণই গাখীৰ খাই অটাই দাঁত চুবাইছিল আৰু যশোদাই পুত্ৰৰ মুখৰ ভিতৰখন লাৰি-চাৰি চাবলৈ ধৰাত কৃষ্ণই মুখ মেলি হামি মাৰিলে।২৩৭।। কৃষ্ণৰ মুখৰ ভিতৰত যশোদাই আচৰিত দৃশ্য প্ৰত্যক্ষ কৰিলে। সমস্ত জগত কৃষ্ণৰ মুখত ভাঁহি উঠিল। তেওঁৰ মুখ আৰু গৰ্ভৰ ভিতৰত তেওঁ দেখিবলৈ পালে—

'যশোদা দেখন্তে পাচে গৰ্ভতে জগত।
দশো দিশ আকাশ নক্ষত্ৰ গ্ৰহ যত।।২৩৮।।
চন্দ্ৰ সূৰ্য বায়ু বহ্নি পৰ্ব্বত সাগৰ।
সমস্তে পৃথিৱী আছে গৰ্ভৰ ভিতৰ।।
হেন দেখি যশোদাৰ তনু কাম্পে ভয়।
চক্ষু মুদি থাকিলন্ত পৰম বিস্ময়।।২৩৯।।

পূব-পশ্চিম-উত্তৰ-দক্ষিণ -নৈঋত-ঈশান- অগ্নি- বায়ু-উৰ্দ্ধ অধঃ এই দহদিশ, আকাশ, নক্ষত্ৰগণ, গ্ৰহগণ, চন্দ্ৰ, সূৰ্য, বায়ু, অগ্নি, পৰ্ব্বত সাগৰ আদি সমস্ত জগত যশোদাই কৃষ্ণৰ গৰ্ভতে দেখা পালে। তাকে দেখি যশোদাই বিস্ময় মানিলে আৰু বিশ্বৰূপ চাব নোৱাৰি চৰ্ম্ম চক্ষু মুদি দিলে, শৰীৰ কঁপি উঠিল, ভয়ত বিহবল হৈ পৰিল।

জগতৰ ঈশ্বৰে যশোদাক নিজ মহিমা দেখুৱালে যদিও যশোদাই কৃষ্ণক মানব শিশু বুলিয়েই ধৰি থাকিল। মায়া মনুষ্য শিশু হৈ তেওঁ নিজৰ ঐশ্বৰ্য প্ৰদৰ্শন কৰিলে।২৩৮,২৩৯।।

ঈশ্বৰ কৃষ্ণই নিজৰ ঐশ্বৰিক শক্তি বাৰম্বাৰ প্ৰদৰ্শন কৰা সত্বেও নন্দ-যশোদা-গোপ-গোপী আদি ব্ৰজবাসীয়ে কৃষ্ণক মানব শিশু বুলিয়েই ধৰি ল'লে। সেয়ে কৃষ্ণক ব্ৰজবাসীয়ে নিচিনিলে।

**১৯। কৃষ্ণৰ জাত-সংস্কাৰ আৰু নাম-কৰণঃ**

শুকমুনিয়ে ক'লে— যাদব সকলৰ পুৰোহিত গৰ্গঋষি। বসুদেৱে গৰ্গক নন্দৰ ঘৰলৈ পঠালে আৰু ঋষি গৈ নন্দৰ ঘৰত প্ৰৱেশ কৰিলে। নন্দই গৰ্গক আদৰ-সম্ভাষণ জনালে।২৪০।। গৰ্গই বিষ্ণুক পূজা কৰিলে আৰু তেওঁ হাতত লোৱা কৰ্ম্ম সমাধা কৰিবলৈ বিষ্ণুক স্তুতি-মিনতি কৰিলে। বেদজ্ঞ গৰ্গঋষিক নন্দই গুৰু হিচাবে মানি দুই পুত্ৰৰ জাতকৰ্ম্ম কৰিবলৈ অনুৰোধ কৰিলে।২৪১।।

গৰ্গই নন্দক ক'লে যে তেওঁ যাদবৰ হে পুৰোহিত, তেওঁ জাত কৰ্ম্ম সমাধা কৰিলে দুই পুত্ৰক লোকে দৈবকীৰ পুত্ৰ বুলি ক'ব। বসুদেব আৰু তোমাৰ মাজত বন্ধুত্ব সম্বন্ধ আছে, কংসই এই কথা জানে; গতিকে তেওঁ জাত কৰ্ম্ম কৰাটো ঠিক ন'হব বুলি ক'লে।১৪২।। নন্দই গৰ্গক এই কৰ্ম্ম গোপনে কৰিবলৈ

ক'লে আৰু এই কথা নন্দই গুপ্ত কৰি ৰাখিব বুলিও ক'লে— গৰ্গই ৰাজ অন্তঃপুৰত গোপনে দুইজনৰ জাতকৰ্ম্ম সম্পন্ন কৰিলে।২৪৩।।

জাত কৰ্ম্ম কৰি গৰ্গই ক'লে যে ৰোহিনী পুত্ৰই জ্ঞাতিৰ ৰঞ্জিব, গতিকে তেওঁৰ নাম হ'ব 'ৰাম'। তেওঁ অধিক বলৱন্ত হোৱাৰ বাবে 'বল' বুলিব। দুয়োপদ মিলি 'বলৰাম' নাম হ'ব। তেওঁৰ মুখ্য অস্ত্ৰ হ'ব নাঙল আৰু মুষল।২৪৫।।

'তিনিবৰ্ণ আছিলেক তোমাৰ পুত্ৰৰ।
প্ৰথমে সত্যত ভৈল শুক্ল কলেবৰ।।
ত্ৰেতাত ৰাতুল ভৈলা দ্বাপৰত শ্যাম।
আবে কৃষ্ণ ভৈলা পদে ভৈল কৃষ্ণনাম।।"২৪৬।।

তেওঁ তিনিযুগত তিনি বৰ্ণৰ আছিল— সত্যযুগত বগাবৰণৰ, ত্ৰেতাত 'ৰঙা' বৰণৰ আৰু দ্বাপৰ যুগত শ্যাম বৰণৰ আছিল।

পূৰ্ব্বতে তেওঁ বসুদেবৰ তনয় হোৱাৰ বাবে তেওঁৰ নাম বাসুদেব (বসুদেব+জ্ঞ) হ'ব। গুণ আৰু কৰ্ম্ম অনুসৰি তেওঁৰ নাম বহুত হ'ব। তেওঁ নন্দৰ কল্যাণ সাধন কৰিব। ২৪৭।। গুণত নন্দৰ পুত্ৰ 'নাৰায়ণৰ' সমান হ'ব আৰু অনেকক নিস্তাৰ কৰিব। এই পুত্ৰদ্বয়ক যত্নেৰে ৰক্ষা কৰিবলৈ গৰ্গই নন্দক ক'লে। এনে পৰামৰ্শ দি গৰ্গ নিজস্থানলৈ গমন কৰিলে।১৪৮।।

**২০। কৃষ্ণৰ বাল্যলীলা ঃ**

ৰাম-কৃষ্ণ দুয়ো ভাই সমবয়সীয়া শিশু; মাত্ৰ ৮ দিনৰ অগাপিছা। দুয়ো বাল্যলীলা অতি ৰঙ্গমনে আৰম্ভ কৰিলে। দুয়ো বাৰান্দাত, ঘৰৰ মজিয়াত আঁঠুকাঢ়ি ক্ৰীড়া আৰম্ভিলে।২৪৯।। পৰম আনন্দ মনেৰে দুয়োয়ে ইফালৰ পৰা সিফাললৈ যায়, ভৰিত বোকা লাগিছিল আৰু বোকাপানী খচি দুয়ো লেতেৰা হৈছিল। দুই মাতৃয়ে বোকা মোহাৰি কোলাত লৈ সাৱটি লৈছিল। মৰম কৰি মাতৃয়ে স্তন পান কৰোৱাইছিল। নতুনকৈ গজা দাঁত কেইটি দেখি মাতৃৰ মনত অপাৰ আনন্দ হৈছিল।।২৫০/২৫১।।

তেওঁলোকে আন আন শিশুৰ লগত মিলি ব্ৰজত ক্ৰীড়া কৰিছিল। তেওঁলোকে দামুৰি বোৰৰ নেজত ধৰি টানিছিল। সিহঁতৰ ক্ৰীড়া-কৌতুকবোৰ সকলোৱে গৃহকৰ্ম্ম এৰি উপভোগ কৰিছিল।২৫২।। ল'ৰাবোৰে জুই, সাপকো ধৰিবলৈ যায়, কাঁইটৰ মাজত সোমাই লুকাভাকু খেলিছিল, মাকহঁতে বাধা দিলেও সিহঁতে নামানিছিল। ৰোহিনী যশোদাই সিহঁতৰ কাণ্ড দেখি মূৰে-কপালে হাত দিয়ে।২৫৩।। সিহঁত ল'ৰা নহয় যেন যমকালহে হ'ল। কেতিয়াবা ধৰি আমি মাকে লপা-থপা কৰে। মাকবোৰে ল'ৰাক চম্ভালোতে গৃহকৰ্ম্ম কৰিবলৈ আহৰিয়েই নাপায়। চকু পচাৰতে এঠাইৰ পৰা আনঠাই পাইগৈ।।২৫৪।।

কিছুকালৰ পাচতে ৰাম-কৃষ্ণই আঁঠুকাঢ়িবলৈ এৰি থিয়দঙা দিলে আৰু খোজ কাঢ়ি গোকুলত ভ্ৰমিবলৈ ধৰিলে। সমবয়সীয়া গোপ শিশুগণে গোপী সকলৰ আনন্দ বঢ়াই ব্ৰজত ক্ৰীড়া কৰিবলৈ আৰম্ভ কৰিলে।২৫৫।। কৃষ্ণৰ স্বভাৱ অতি চঞ্চল আছিল; নানা উদ্‌ভণ্ডালি কৰি গোপীগণক আমনি দিয়াত গোপীগণে আহি যশোদাৰ ওচৰত গোচৰ দিয়েহি—

'শুনিয়োক কৰ্ম্মমাৰ পুত্ৰৰ তোমাৰ।
কৰন্ত মাধৱে যেন যেন অপকাৰ।।'২৫৬।।

মাধৱৰ শিশুলীলা সকলোৱে দেখি শুনি আনন্দ লভিছিল।

**কবিৰ উপদেশ ঃ** ভগৱন্তৰ লীলাচৰিত্ৰ অমৃতৰ তুল্য। মনুষ্যৰ শ্ৰেষ্ঠধৰ্ম্ম হৈছে ভগৱন্তৰ চতুৰ্বিধ লীলা-শ্ৰৱণ-কীৰ্ত্তন। সৃষ্টিলীলা, স্থিতিলীলা, সংহাৰ লীলা আৰু অবতাৰ কৰ্ম্মৰ লীলা— এই চাৰিবিধ লীলা শ্ৰবণ কৰা, কীৰ্ত্তন কৰা, স্মৰণ কৰাই মূলধৰ্ম। হৰিনাম সমস্ত ধৰ্ম্মৰ ৰজা। কৃষ্ণ নামৰ আশ্চৰ্য্য মহিমা আছে।২৫৭।। মহাভক্তগণে মাধৱৰ গুণনাম গোৱা শুনি যি পৰম আনন্দ মনেৰে শুনে, তেওঁৰ সমস্ত পাপ দূৰ হয় আৰু বিষ্ণুপুৰীত পৰম আনন্দত থাকিবলৈ পায়।২৫৮।।

বিষ্ণু ভকতক দেখি যি নমস্কাৰ কৰে, তেওঁৰ কোটি জন্মৰ পাপ ৰাশি বিনষ্ট হয়। সেই পুণ্যৰ প্ৰভাৱত বিষ্ণুপুৰীত স্থান পাই মাধৱৰ লগত বাস কৰে।২৫৯।। মহাপাপী অজামিল ব্ৰাহ্মণে নামৰ আভাস মাত্ৰ কৰি সংসাৰ তৰি গ'ল। অঘাইটং ডকাইত ৰত্নাকৰে ৰামনামলৈ মহাকবি বাল্মীকি হ'ল, নাৰদ দাসীসুতহৈ মহাঋষি হ'ল আৰু জীৱন্তে মুক্ত হ'ল।২৬০।। নামৰ মহিমা কোনেও কৈ শেষ কৰিব নোৱাৰে। আনকি চতুৰানন ব্ৰহ্মায়ো নামৰ মহিমা নাপালে। এনে নাম এৰি আনধৰ্ম্মত বিশ্বাস কৰিলে ঘোৰ সংসাৰৰ ভয়ৰ পৰা মুক্ত নহয়।২৬১।।

মাধৱৰ নাম সমস্ত জগত ব্যাপি আছে। সংসাৰ তাপত চেতনাহীন সকলে তথাপি নাম নলয়, সেইটোহে অতি আচৰিত কথা। তেওঁলোকৰ পাপৰ সীমা নাই।২৬২।। সেইবাবে সকলো লোকে অন্যকাম্যকৰ্ম্ম এৰি মাধৱৰ নামৰ

মালা কণ্ঠত পিন্ধি সংসাৰৰ পৰা উদ্ধাৰ হোৱা উচিত। ৰাম ৰাম ৰাম বুলি পাপৰ ভঁৰাল উদংকৰা উচিত।।

কৃষ্ণই গোকুলত গোপীসকলৰ গৃহত নানাৰকমৰ ধেমেলীয়া কাম কৰিবলৈ ধৰিলে। বান্ধিথোৱা গাইবোৰৰ পঘা খুলি দিয়ে, গাখীৰ খিৰাবলৈ বান্ধি থোৱা দামুৰিবোৰ মেলি দিয়ে, দামুৰি নেমেলিবা নেমেলিবা বুলি গোৱালীসকলে ক'লেও চিঞঁৰি চিঞঁৰি হাঁহে। গোপীগণে গৃহকামত ব্যস্ত হৈ থাকোতে কৃষ্ণই বান্দৰবোৰক লগত লৈ গোৱালীৰ ঘৰত সোমাই গাখীৰ পীয়ে আৰু বান্দৰকে খুৱায়।২৬৪।। শিকিয়াত থোৱা গাখীৰ পিৰা, উড়ুখলত উঠি নমাই নিজে খোৱাৰ উপৰিও আনকো খুৱাই তেওঁ কৌতুক কৰে। কৃষ্ণ বৰ দুষ্ট। তেওঁ জানে যে বান্দৰে গাখীৰ নেখায়, তথাপি বান্দৰক দিয়া দেখুৱাই গাখীৰৰ ভাণ্ডবোৰ ভাঙি পেলায়। তেওঁ আন্ধাৰতো নিজশৰীৰত পিন্ধা ৰত্নৰাজিৰ পোহৰত সেই ভাণ্ডাবোৰ দেখা পায়। যিদিনা গাখীৰ খাবলৈ নেপায়, সিদিনা কেঁচুৱাবোৰকে আঁচুৰি-কামুৰি কন্দুৱাই থৈ যায়।২৬৫।।

গোৱালবোৰে কৃষ্ণক চোৰ চোৰ বুলি আগুৰি ধৰে আৰু বান্ধি নিব বুলি কয় যদিও কৃষ্ণয়ে তেওঁলোকক হে চোৰ বুলি কয়। কৃষ্ণই মচিথোৱা ঘৰৰ মজিয়াত শৌচ-প্ৰস্ৰাৱ কৰি থৈ যায়, তাকে দেখি গোৱালবোৰে হাঁহি হাঁহি মৰে। গোৱালীবোৰে যশোদাক কয়— ' হে মাই যশোৱা, তোমাৰ কোলাত শুই গাখীৰ খাই থকা কৃষ্ণক অতি বিনয়ী শিশু বুলিয়েই ভাবিছা।'২৬৬।। কৃষ্ণৰ মুখলৈ চাই গোপীগণে হাঁহি হাঁহি এনেদৰে কয়। যশোদাই এইবোৰ কথা শুনি কৃষ্ণৰ মুখলৈ চাই বেথা উপজে। যশোদাই কৃষ্ণক বুকুত সাৱটি চুমাখাই কয় 'ভয় নকৰিবা।' এইদৰে কৃষ্ণই অনুক্ষণে ক্ৰীড়া কৰিবলৈ ধৰিলে।২৬৭।।

এদিন কৃষ্ণই গোপশিশুৰ লগত খেলা কৰি থাকোঁতে কৃষ্ণই মাটি খাইছে বুলি গোপশিশুৱে চিঞৰিবলৈ ধৰিলে। যশোদাই এই কথা শুনি পুনৰ হাতত ধৰি টানি আনি ক'লে— 'আজি তোৰ মুণ্ড ভাঙিম'। বলোভদ্ৰকে আদি কৰি সকলোৱে সাক্ষী দিলে।২৬৮।। কৃষ্ণই মাকলৈ ভয় খোৱা দেখুৱাই ক'লে—'আই, এইকথা মিছা, সকলোৱে মিছা কথা কৈছে। মই যদি মাটি খাইছো মোৰ মুখখন চোৱা বুলি মুখ খন বৰকৈ মেলি দিলে। যশোদাই দেখিলে—

'পুত্ৰৰ গৰ্ভত সমস্তে জগত
যশোদা দেখন্তে পাছে।
সসাগৰা মহী বায়ু সূৰ্য শশী
তাৰাগণো তৈতে আছে।।২৬৯।।
গোকুলে সহিতে আপোনাকো তৈতে
দেখিয়া শঙ্কিত সতী।
কিবা স্বপ্ন দেখো কিবা দেবমায়া
কিবা ভ্ৰম ভৈলা মতি।।
নোহন্ত মানুষ পৰম পুৰুষ
জানিয়া লৈলো শৰণ।

কৃষ্ণৰ গৰ্ভত সসাগৰা পৃথিৱী, চন্দ্ৰ, সূৰ্য, নক্ষত্ৰ মণ্ডলী, বায়ু, গোকুল আনকি নিজকো যশোদাই দেখি ভাবিলে এয়া সপোননে, দেবমায়ানে নাইবা তেওঁৰ মতিভ্ৰম? যদি ঠিক হয়-এই পুত্ৰ মানুহ হ'ব নোৱাৰে, এওঁ স্বয়ং পৰম পুৰুষ। এওঁক শৰণ লোৱাহে উচিত হ'ব।

বাক্যমনে যাক তৰ্কিবে নপাৰি
প্ৰণামো তানে চৰণ।।২৭০।।

যশোদাই ভাবিলে 'তেনেহ'লে মোৰ স্বামী, গোপ-গোপী, ব্ৰজৰ সতী সকল ভগৱন্তৰ মায়াৰ ৰচনা। বৈষ্ণৱী মায়াত হে তেওঁলোক বন্দী হৈ আছে।' এই বুলি ভাবি যশোদাই কৃষ্ণক কোলাত তুলি ললে।২৭১।।

**২১। নন্দ-যশোদাৰ পূৰ্ব্ব-বৃত্তান্ত ঃ**

সকলো প্ৰাণীৰে পূৰ্ব্বজন্ম আছে; ইহজন্মৰ পাছত পৰজন্মও আছে। পূৰ্ব্বজন্মৰ কৰ্ম্মৰ ফল ইহ জন্মত, ইহজন্মৰ সঞ্চিত ফল পৰজন্মত প্ৰতিফলিত হয়। ভগৱান কৃষ্ণক পুত্ৰৰূপে পোৱাৰ প্ৰাৰব্ধ ফল নন্দ-যশোদাৰ আছিল। পৰীক্ষিতে শুকক সুধিলে— যশোদাই কি পুণ্যৰ ফলত জগতৰ ঈশ্বৰক স্তন পান কৰোৱাবলৈ পালে? উত্তৰত মুনিয়ে ক'লে— পূৰ্ব্বকালত অষ্টবসুৰ ভিতৰত দ্ৰোণ নামেৰে এজন বসু আছিল আৰু এঁৱে নন্দ হৈ জন্ম গ্ৰহণ কৰিলে। দ্ৰোণৰ ভাৰ্যাৰ নাম ধৰা আছিল আৰু তেৱে যশোদা নামে জন্মিলে বিধাতাৰ আদেশত।।২৭২।।

তেওঁলোকক ব্ৰহ্মাই বৰ দিলে যে কৃষ্ণত তেওঁলোকৰ অশেষ ভকতি

হ'ব। কৃষ্ণই তেওঁলোকৰ পুত্ৰ হিচাবে জন্ম লৈ প্ৰীতি সাধন কৰিলে। নন্দ-যশোদাৰ প্ৰেম-প্ৰীতি ঈশ্বৰ কৃষ্ণই বঢ়াই দিছিল।।২৭৩।।

**কবিৰ উপদেশ ঃ**

ভক্তিৰ মহিমা তুলনাহীন। গুৰুজনে সমাজৰ সকলোকে উপদেশ দি কৈছে যে কৃষ্ণত মন অৰ্পণ কৰি ভক্তি কৰিব লাগে। ব্ৰহ্মা, হৰ আদি প্ৰধান দেৱতায়ো যাক সদায় সেৱা কৰে, তেনে ভগৱানক গোপীসকলে গৃহতে লাভ কৰিলে। যোগীসকলে ধ্যান-সমাধি কৰি ভগৱন্তৰ চৰণ চিন্তা কৰিও সততে তেওঁক লাভ কৰিব নোৱাৰে। বুদ্ধিৰেও তেওঁক ঢুকি পোৱা নাযায়; কিন্তু ভক্তিত তেওঁ বশ্য হয়।২৭৪।।

দেৱভগৱন্তৰ আদি-অন্ত নাই, বেদেও তেওঁৰ সীমা চুব নোৱাৰে, অথচ ভকতিৰে ভগৱন্তক জয় কৰিব পাৰে। ভকতিত ৰতি কৰা উচিত। ভকতিৰ দ্বাৰা মহাকল্যাণ সাধন হয়। এনে মহাধন সযতনে লাভ কৰা জ্ঞানীৰ কাম।২৭৫।। চাৰি বেদৰ মাজৰ মূল বস্তু কৃষ্ণ নাম। 'নাৰায়ণ' নামবেদৰ তত্ত্ব-বস্তু। সংসাৰত কৃষ্ণ নামেহে গতি প্ৰদান কৰিব পাৰে।

গীতাত ভগৱান কৃষ্ণই অৰ্জ্জুনক নিষ্ঠ কৰি পঞ্চসত্য কৈছিল। অন্ত্যজাতিয়েও নাম সোঁৱৰণ কৰি তৰিব পাৰে, গতিকে সদায় নাম সোঁৱৰণ কৰিব লাগে। মুখেৰে ৰাম নাম ল'ব লাগে আৰু হাতেৰে ভগৱন্তৰ কৰ্ম্ম কৰিব লাগে। আৰু কাণেৰে তেওঁৰ নাম শ্ৰৱণ কৰিব লাগে।২৭৬।। কালে গ্ৰাস কৰোঁ কৰোঁ বুলি মুখমেলি আছে, জীৱনৰ সময় নিচেই কম সময় নষ্ট নকৰি ভগৱানৰ নাম লোৱা উচিত। আয়ু দিনে দিনে কমি আহিছে, মৃত্যু চমু চাপি আহিয়েই আছে, কালৰ হাতৰ পৰা ৰক্ষা পাব নোৱাৰি; গতিকে মাধৱৰ অৰুণ চৰণত শৰণ লোৱাৰ বাদে অন্য উপায় নাই। বিষয়ত মজি থাকিলে বিষয়ে সাবটি লৈ থাকে, এৰি নিদিয়ে, গতিকে বিষয় ত্যাগ কৰি গলত ৰামনামৰ মালা পিন্ধা উচিত। সমস্ত শাস্ত্ৰৰ এয়ে সাৰ-তত্ত্ব। কৃষ্ণ নাম সঘনে ঘোষি মুক্তি লাভ কৰিবলৈ তেৰাই উপদেশ দিছে।

**২২। যশোদাৰ দ্বাৰা কৃষ্ণক বন্ধন আৰু যমলাৰ্জ্জুন ভঞ্জন।।**

পৰীক্ষিতক শুকমুনিয়ে যশোদাৰ দধিদাৰ দধিমথনৰ সম্পৰ্কত ক'বলৈ ধৰিলে। এদিন যশোদাই দাসদাসী সকলক বিভিন্ন কামত নিয়োগ কৰি নিজে দধি মন্থন কাৰ্যত লাগিল।২৭৮।। কৃষ্ণৰ কেঁচুৱা কালৰ সোঁৱৰণ কৰি কৰি গীত গাই দধি মথিবলৈ লাগিল। নিতম্বত ক্ষৌম (পাট) কাপোৰ পিন্ধি, কঁকালত সোণালীমেখেলা টানকৈ বান্ধি ল'লে।২৭৯।। কাণত পিন্ধা কুণ্ডল মথনি মাৰি মৰাৰ লগে লগে দুলিবলৈ ধৰিলে। পুত্ৰৰ স্নেহত দুয়োস্তনৰ পৰা গাখীৰ নিৰ্গত হ'ল, খোপাৰ মালতীফুল খহি খহি পৰিল, সৰ্ব্বশৰীৰত ঘামবিন্দুবোৰ ওলাল আৰু তেওঁ ভাগৰত শ্ৰান্ত-ক্লান্ত হ'ল।২৮০।।

কৃষ্ণই মাকৰ দুখ দেখি মথনিত ধৰি মথিবলৈ নিদিলে। যশোদাই কোলাত লৈ স্তন দিলে আৰু আনন্দমনে পুত্ৰৰ মুখলৈ চাই শান্তি লভিলে।২৮১।। এইদৰে কৃষ্ণৰ লগত ব্যস্ত হৈ থাকোঁতে গাখীৰ উতলি পৰা দেখি কৃষ্ণক এৰি লৰ মাৰি গ'ল। স্তন পান কৰিবলৈ নাপাই দামোদৰে খং কৰি দাঁত কামোৰিলে। ২৮২।। কপট কৰি কান্দিবলৈ ধৰিলে আৰু চকুৰ লোতক বাগৰি গ'ল। সেই সময়ত কৃষ্ণৰ লীলাকৰ্ম্ম আছিল বাবে মথনিৰ মাৰি শিলগুটি নিক্ষেপ কৰি ভাঙি পেলালে। তেওঁ পৰা গাখীৰবোৰ খাবলৈ ধৰিলে। যশোদাই গাখীৰ নমাই কৃষ্ণৰ ওচৰ পাই দেখিলে কৃষ্ণৰ কাণ্ড।২৮৩।।

গাখীৰৰ কলহবোৰ ভাঙি থোৱা দেখি জানিলে এইবোৰ কৃষ্ণৰ কাণ্ড। কৃষ্ণই উড়লত বহি থকা দেখিলে।২৮৪।। কৃষ্ণই গাখীৰবোৰ পেলাই বান্দৰক খাবলৈ দিছিল। যশোদাই খং কৰি হাতত মাৰিলৈ কৃষ্ণৰ ওচৰলৈ হাতত সাৰে ভৰিতসাৰে আগবাঢ়িল।২৮৫।। মাকে মাৰিবলৈ আহিছে বুলি কৃষ্ণই ভয় খুৱা ভাও জুৰি উড়লৰ পৰা নামি লৰ মাৰিলে। যশোদায়ো পাছে পাছে খেদি গ'ল। মাকক লগ নিদি কৃষ্ণয়ো দৌৰিবলৈ ধৰিলে।২৮৬।। যোগীয়ে পবিত্ৰধ্যানেৰে যাক লগ নাপায়, তেনে ঈশ্বৰক যশোদাই খেদি ফুৰিলে। তপিনাৰ ভিৰত যশোদাই বৰকৈ দৌৰিব নোৱাৰা হ'ল, খোপা সুলকিল আৰু খোপাৰ মালতী খহিল।২৮৭।। মাকৰ এনে দশা দেখি কৃষ্ণই পলাব নোৱাৰাৰ ভাও দেখুৱাই কঁপা কঁপাৰ দৰে দেখুৱালে আৰু হাতেৰে মুখ ঢাকি ধৰিলে। তবধ চকুৰে মাকলৈ চালে। মাকে কৃষ্ণক হাতত ধৰিলে।২৮৮।।

যশোদাই ক'লে—'হে দুষ্টপুত্ৰ, আজি ক'ত যাবি? তোৰ মূৰ ভাঙিহে এৰিম। গাখীৰৰ কলহবোৰ ভাঙি সকলো নষ্ট কৰিলি। ভয়ত কৃষ্ণৰ শৰীৰ কঁপি উঠিল। তাকে দেখি যশোদাই হাতৰ এচাৰি পেলাই দিলে।২৮৯।।

**কৃষ্ণক উড়লত বন্ধন** — যশোদাই কৃষ্ণক ৰচিৰে বান্ধিবলৈ মনস্থ কৰিলে। যশোদাই বুজি নাপালে কৃষ্ণৰ মহিমা। যিজনৰ পূৰ্ব্বাপৰ নাই, আদি-অন্ত নাই,

বাহিৰ-ভিতৰ নাই, তেওঁকনো পাৰ্থিব ৰচিৰে বান্ধিব পাৰিনে?২৯০।। হেন মাধবক যশোদাই গোপীৰ পুত্ৰ বুলিয়েই জ্ঞান কৰিছিল। ইয়াৰ আগতেও কৃষ্ণৰ ঐশ্বৰিক প্ৰভাৱ আৰু মাহাত্ম্য দেখিয়ো যশোদাই মানবীয় মোহপাশত পৰি সকলোবোৰ পাহৰি কৃষ্ণক মানৱ শিশু বুলিয়েই মানবীয় চেষ্টাৰে বান্ধিব খুজিছিল। যেন সামান্য শিশুক হে তেওঁ ৰচিৰে বান্ধি থ'ব। যশোদাই কৃষ্ণক উড়ুখলে বান্ধি থ'বলৈ যত্ন কৰিলে। তেওঁ আটি আটি কৃষ্ণক উড়ালত বান্ধিলে।২৯০।।

কৃষ্ণক বান্ধত আটি যশোদা সুন্দৰী।
নজুড়িল দেখন্ত আঙ্গুলি দুই জৰী।২৯১।।
আনি আৰো জৰী সতী তাতে জোৰা দিলে।
বান্ধি চাবে সিয়ো দুই আঙ্গুল নাটিল।।
দুনাই জৰী জুড়িয়া গাঁৰৰ বলে আটে।
দেখে গোপী তথাপি আঙ্গুল দুই নাটে।২৯২।।
এহিমতে গৃহত পাইলন্ত যত জৰী।
আনি আনি জোৰা দিয়া বান্ধন্ত সুন্দৰী।।
তথাপিতো নোজোৰে আঙ্গুল দুই আসি।
দেখি সেৰে গোৱালিৰ ৰঙ্গেউঠে হাসি।।২৯৩।।
যশোদায়ো হাসন্ত বিস্ময় দেখি কৰ্ম্ম।
পীড়িলেক ভাগবে শৰীৰে বহে ঘৰ্ম্ম।

কৃষ্ণক বান্ধিবলৈ যশোদাই অনা ৰচি মাত্ৰ দুআঙুল নোজোৰে। সিমান জৰী জোৰা লগালেও দুআঙুল নোজোৰে। দুআঙুলৰ তাত্বিক মূল্য আছে। যশোদাই ভাবিছিল—'মই (অহঙ্কাৰ) বান্ধিম-এইয়া এক আঙুল, মোৰ জৰীৰে বান্ধিলে—এইয়া দ্বিতীয় আঙুল; 'মই' আৰু 'মোৰ ভাব থকালৈকে ঈশ্বৰ বশ্য নহয়। 'মই' আৰু মোৰ ভাব অহঙ্কাৰৰ প্ৰতীক। যেতিয়ালৈকে মই বৰ ভাব এৰিব নোৱাৰিব আৰু সংসাৰ ঐশ্বৰ্যক মোৰ বুলি ভাবি থাকিব, সেই মূহূৰ্তলৈকে ভক্তি কৰিলেও ভক্তি নিসিজে। কৃষ্ণই এই তত্ব যশোদাক দেখুৱাৰ চলেৰে জগতক প্ৰদৰ্শন কৰিছে।২৯১,২৯২,২৯৩।।

ভক্তৰ অধীন ভগৱান। যশোদাই বাৎসল্য ভাবে কৃষ্ণক ভক্তি কৰাৰ বাবে ভকতৰ প্ৰতি দয়া প্ৰদৰ্শন কৰি কৃষ্ণই নিজেই বন্ধন ললে।

'মাতৃৰ দেখিয়া শ্ৰম পাছে মনে গুণি
কৃপাময় কৃষ্ণে বান্ধ লৈলন্ত আপুনি।২৯৪।।
মোহোৰ অধীন ইটো যত ত্ৰিজগত।
ময়ো ভকতৰ বশ্য দেখায়া লোকত।।'

কৃষ্ণই কৈছে—'এই তিনি ত্ৰৈলোক্য মোৰ অধীন হ'লেও মই ভকতৰ অধীন। ব্ৰহ্মা, হৰ, লক্ষ্মীয়েও মোৰ ভকতৰ সম নহয়। যশোদাই এই মহা প্ৰসাদ লাভ কৰিবলৈ পাইছে।২৯৫।। ধন, জন, পুত্ৰ, ভাৰ্যা বুলি যিজনে হাবাথুৰি খাই ফুৰে, তেওঁলোকে কোটি কোটি জন্মতো মোক পাব নোৱাৰে।' মহাজ্ঞানী গণে যোগধ্যানৰ যোগেদিও ঈশ্বৰক পোৱা অসম্ভৱ হয়; কিন্তু শ্ৰৱণ-কীৰ্ত্তনৰ যোগে ঈশ্বৰক সহজে লাভ কৰিব পাৰে।২৯৬।।

যশোদাই গৃহকৰ্মত ব্যস্ত হৈ থকাৰ পিছত যমলাৰ্জ্জুন ভঞ্জন হয়।

**যমলাৰ্জ্জুন ভঞ্জন ঃ**

উড়ুখলত বান্ধি থোৱাত কৃষ্ণই ভাবিলে যে তেওঁ আন এটি লীলা কৰিবলগীয়া সময় সমাগত হৈছে। গছ দুজোপা দেখি কৃষ্ণ আগবাঢ়িল উড়ল সহিতে। যমল অৰ্জ্জুন গছ দুজোপা আচলতে শাপগ্ৰস্ত দুজন লোকৰ। কুবেৰৰ পুত্ৰদ্বয়ে অভিশাপত এইগছ দুজোপা হৈ আছিল।২৯৭।। পৰীক্ষিতে শুকক ইয়াৰ তত্ব বিচাৰিলে। শুকে ক'লে—'কুবেৰৰ দুই পুত্ৰক নাৰদে কিয় শাপ দিছিল?'২৯৮।।

যমলাৰ্জ্জুন ভঞ্জন কাহিনীৰ ভিতৰতে থকা আনটি কাহিনী হৈছে—মণিগ্ৰীৱ— নলকুবেৰৰ মুক্তি

কুবেৰৰ দুই পুত্ৰ মণিগ্ৰীৱ আৰু নলকুৱেৰ। দুয়ো মদ্যপান কৰি ৰুদ্ৰৰ অনুচৰ স্ত্ৰীগণক লৈ কৈলাস শিখৰত হ্ৰদত বস্ত্ৰহীন হৈ জলক্ৰীড়া কৰি আছিল।২৯৯।। হাতীয়ে হস্তিনীৰ লগত মদমত্ত হৈ থকাৰ দৰে দুই ভাতৃক নাৰদে গৈ দেখা পালে। নাৰদক দেখি উলঙ্গ নাৰীগণে বৰ লাজ পালে আৰু লৰালৰিকৈ বস্ত্ৰ পৰিধান কৰিলে।৩০০।। কিন্তু শ্ৰীমদত অন্ধহৈ মদৰ নিচাত ক'ব নোৱাৰা হৈ থকা দুয়ো ভাতৃয়ে বিবস্ত্ৰ হৈয়ে থাকিল।

'শ্ৰীমদে অন্ধ আৰু মদ্যে অচেতন।
থাকিলা বিবস্ত্ৰে দুয়ো কুবেৰ নন্দন।।
তাসম্বাক অনুগ্ৰহ কৰিবাক প্ৰতি।

শাপ দিবে লাগিহেন নাৰদ বদতি।।৩০১।।
শ্ৰীমদে অন্ধকৰি যেন মতে মাৰে।
আন গৰ্ব্বে কৰিবাক তদূৰ নপাৰে।।
শ্ৰীভৈলে লাগে স্ত্ৰীক কৰে মদ্যপান।
অন্ধ হুয়া অনেক পশুৰ লৰে প্ৰাণ।।৩০২।।

শ্ৰীমদ মানে বিপুল ঐশ্বৰ্যৰ অধিপতি হ'লে মনলৈ অহা গৰ্ব বা অহঙ্কাৰ। ধন, ঐশ্বৰ্য হোৱাৰ লগে লগে স্ত্ৰী-সম্ভোগৰ বাসনা জাগি উঠে। এনে বাসনা বাস্তবায়িত কৰিবলৈ লাগে মদৰ নিচা। মদৰ নিচা বঢ়াবলৈ লাগে মাংস। মাংসৰ বাবে কৰা হয় পশুবধ। গতিকে-মাংসৰ সংযোগ + মদৰ মাদকতা + উলঙ্গ স্ত্ৰীৰ লগত সম্ভোগ সুখৰ পৰিণতি—স্ত্ৰীমদ হানি। ঈশ্বৰে এনে পতিতলোকক উদ্ধাৰৰ বাবে পৰোক্ষ ভাবে যত্ন কৰে আৰু ভগৱানে নাৰদ হৈ ভক্তৰ পুত্ৰদ্বয়ক অভিশাপ দিলে দুজোপা অৰ্জ্জুন গছ হৈ ভগৱন্তৰ ক্ৰীড়াস্থান গোকুলত গজি উঠিবলৈ।

ঐশ্বৰ্য-বিভূতি ভোগ-বিলাস, শ্ৰীমদত আসক্ত লোকৰ দেহ ক্ষণিকতে নিচ্ছি ঃন্ন হ'ব পাৰে। তেনেস্থলত গৰ্ব্বকৰা, পৰস্ত্ৰী গমন কৰা, মদ্যপান কৰা, পশুবধ কৰা মহাপাপ।

'কেতক্ষণে পৰয় ক্ষণিক ইটো কায়।
অন্ত কালে হ'বে যিটো বিষ্ঠাপলু চাই।।
তাৰ অৰ্থে বৃথা কেনে প্ৰাণী হিংসা কৰে।
এনে নিদাৰুণ স্ত্ৰী মদান্ধত পৰে।।৩০৩।।

দেহৰ সৌন্দৰ্য, শ্ৰীক ব্যাধিয়ে বিনষ্ট কৰে। তেতিয়া চেতনাৰ উদয় হয় আৰু এই মহাব্যাধিৰ যান্ত্ৰণাৰ পৰা ৰক্ষা পাবলৈ আপদৰ ঔষধ বিচাৰিব লগা হয়। তেনে ভুক্তভোগীয়ে পুনৰ তেনে ভুল নকৰে।।৩০৪।।

ঐশ্বৰ্য হানি হোৱাৰ পাচত ক্ষুধাৰ যান্ত্ৰণাত এমুঠি অন্ন বিচাৰি হাবাথুৰি খাব লগা হয়, মুখ শুকাই যায়, নাড়ী শুকাই যায়। তেতিয়া অহঙ্কাৰ-গৰ্ব্ব হেৰাই যায় আৰু মহাদুখত নিমৰ্জ্জিত হ'ব লগা হয়। তেতিয়া মনলৈ অনুশোচনা আহে, তপস্যা আহে, মনশুদ্ধ হয় আৰু তেতিয়া দৰিদ্ৰই সন্তৰ সঙ্গতি বিচাৰিলৈ শান্তি পায়।৩০৫।।

সন্তৰ সঙ্গত সুবাসনা আহে, বৈষ্ণৱৰ আলাপত মন নিৰ্ম্মল হয়; তেতিয়া কৃষ্ণৰ কথা শ্ৰৱণ কৰি পৰম আনন্দ লাভ হয়। শ্ৰীমদ দূৰ কৰিবলৈ কৃষ্ণই নাৰদৰ যোগে দুয়োকে শাপ দিয়াই অৰ্জ্জুন গছ হ'বলৈ দিলে।৩০৬।।

নাৰদে কৈছে— 'মোৰ প্ৰসাদত তহঁত দুইজন জাতিস্মৰ হবি। এইদৰে শতবছৰ পাৰ হ'ব। মোক লগপাই নমস্কাৰ কৰি ভক্তি কৰিবি। পুনৰ স্বৰ্গ পাবিহি।৩০৭।। এই দৰে কৈ নাৰদ নিজ স্থানলৈ গমন কৰিলে। লগে লগে দুয়ো ভাতৃ যমলাৰ্জ্জুন হ'ল। এওঁলোক দুয়ো গুহ্যক (যক্ষ) আছিল। নাৰদৰ বাক্যৰ সত্যতা ৰক্ষা কৰিবলৈ কৃষ্ণই উডুখল টানি নিলে। ৩০৮।। মাকলৈ দৃষ্টি নিক্ষেপ কৰি, নিজৰ শৰীৰ সঙ্কোচিত কৰি গৈ গৈ গছ দুজোপাৰ মাজেদি সৰকি যাবলৈ ধৰোতে উড়ালটো গছদুজোপাত লাগি ধৰিলে। ৩০৯।। কৃষ্ণই কঁকালত জোৰ দি উড়লটো টানিবলৈ ধৰিলে। আজোৰ লাগি গছ দুজোপা হঠাতে উঘলি পৰিল আৰু প্ৰচণ্ড শব্দৰ সৃষ্টি হ'ল। ৩১০।।

গছ দুজোপাৰ পৰা দুজন দেৱতা বাহিৰ হ'ল। মূৰ্ত্তিমন্ত অগ্নিৰ দৰে তেওঁলোক প্ৰতিভাত হ'ল। দুয়োয়ে আহি কৃষ্ণক শিৰেৰে পদযুগলত সেৱা জনালে। দুয়োয়ে কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে— ।৩১১।।

'হে কৃষ্ণ অচিন্ত্য প্ৰভাৱ দামোদৰ।
তোমাৰেসে ৰূপ স্থূল-সূক্ষ্ম চৰাচৰ।।
সকলে প্ৰাণীৰ প্ৰভু তুমি অন্তৰ্য্যামী
তুমি কাল প্ৰকৃতি ঈশ্বৰ স্বামী।।৩১২।।
নমো ভগৱন্ত প্ৰভাৱৰ নাহি সীমা।
আপোনাৰ গুণে ছন্ন কৰিছা মহিমা।।'

ভগৱন্তৰ অচিন্ত্য ৰূপ, স্থূল-সূক্ষ্মৰূপ, গুণ আদি মহিমা উল্লেখ কৰি স্তুতি কৰিলে দুয়োজনে। 'হে জগতৰ স্বামী, তোমাৰ তিনি গুণে সমস্ত প্ৰপঞ্চ ছন্ন কৰি ৰাখিছা। তুমি অৱতাৰ গ্ৰহণ কৰি দেবতাৰ প্ৰয়োজন সাধন কৰিছা। সাধুক ৰক্ষা কৰি দুৰ্জ্জনক বিনাশ কৰিছা।৩১৩।। তোমাক বাৰম্বাৰ নমস্কাৰ কৰোঁ। তুমি পৰম মঙ্গলময় বাসুদেৱ। হে যদুপতি তোমাক পৰিপৰি সেৱা কৰোঁ, আমি তোমাৰ ভৃত্যৰো ভৃত্য, নাৰদৰ কৃপাত তোমাক দেখিলো।।৩১৪।। তোমাৰ গুণনাম মুখেৰে নেৰোঁ, তোমাৰ কথা কাণেৰে শুনিম, হাতেৰে তোমাৰ কামকে কৰিম, মন তোমাৰ চৰণ চিন্তাত ৰাখিম।৩১৫।।

'তুমি সমস্ত ভূততে আছা-জগন্নাথ ৰূপে। সেই ভূতগণকে প্ৰণাম কৰি থাকিম। তোমাক ভক্তক অনবৰতে চকুৰে চাম।' হৰিয়ে হাস্যবদনে দুয়োকে ক'লে—'নাৰদে তোমালোকক কৃপাহে কৰিলে। তোমালোকক শ্ৰীমদৰ পৰা উদ্ধাৰ কৰিলে।'

'মোৰ ভকতৰ দৰশনে চিণ্ডে বন্ধ।
যেন সূৰ্য্য উদয়ে চক্ষুত গুচে অন্ধ।।'

'সুৰ্যোদয় হ'লে আন্ধাৰ দূৰীভূত হোৱাৰ দৰে হৰিভকতক দেখিলেও মায়াবন্ধ দূৰ হয়। 'মোত তোমালোক দুয়োৰে ভকতি অনুক্ষণে থাকিব' বুলি বিদায় দিলে আৰু দুয়োয়ে কৃষ্ণক প্ৰদক্ষিণ কৰি কৈলাসলৈ গতি কৰিলে।৩১৮।।

নন্দানি গোপগণে শব্দ শুনি আহি অৰ্জ্জুন গছ-উঘালি পৰি থকা দেখিলে। প্ৰত্যক্ষদৰ্শী সকলে কৃষ্ণই উড়াল লগাই গছ দুজোপা উঘলালে বুলি কোৱাত সকলো অতি আচৰিত হ'ল। তেওঁলোকে ভাবিলে যে ৰাক্ষসে গছ উঘালিলে বুলি। গোপশিশুৰে ক'লে যে কৃষ্ণই গছ উঘালিলে। গছ দুজোপাৰ পৰা দুজন দেৱতা নিৰ্গত হৈ কৃষ্ণক কিবা কথা কৈছিল বুলি গোপনে ক'লে। কোনেও গোপগণৰ কথা নামানিলে। কৃষ্ণক বন্দী হৈ থকা দেখি সকলোৱে হাঁহি হাঁহি বান্ধখুলি দিলে।। ৩১৯,৩২০,৩২১,৩২২।।

এনেদৰে কৃষ্ণই গোকুলৰ আনন্দ বঢ়াই দিনবোৰ অতিক্ৰম কৰিলে। গোপীগণে কৃষ্ণক নাচিবলৈ কৈ চাপৰি বজায়। কৃষ্ণয়ো নানা অঙ্গি-ভঙ্গিৰে নৃত্য কৰে। ৩২৩।। গোপীৰ কথামতে কৃষ্ণই গীত গায় আৰু গোপী গণে নচুৱাই আমোদ লাভ কৰে।৩২৪।। গোপগণৰ লগতো কৃষ্ণই খেলা খেলে। এইদৰে নানাবিধ শিশুলীলা ব্ৰজত কৰি আনন্দৰ সৃষ্টি কৰিছিল।৩২৫।। পসাৰীয়ে কৃষ্ণক মিঠাফল কিনি ল'বলৈ কয়, কৃষ্ণই ধান দি ফল ল'বলৈ হাত পাতে। কৃষ্ণৰ হাতত পসাৰীয়ে ফল দিয়ে। কৃষ্ণই দিয়া ধানবোৰ সোণ-ৰূপহৈ পসাৰীৰ পাচি উপচি পৰে।৩২৬।।

কেতিয়াবা ৰাম-কৃষ্ণই শিশুগণৰ লগত যমুনাৰ পাৰত নানা খেলা কৰে। ৰোহিনীয়ে দুয়োকে মতাৰ পাছতো তেওঁলোকে নাহিল। ৩২৭।। ৰোহিনীয়ে যশোদাক পঠোৱালে আৰু যশোদাই গৈ দুয়োকে খেলি থকাকে দেখিলে।৩২৮।। খেলাএৰি কৃষ্ণ গাখীৰ খাবলৈ ক'লে আৰু বলোৰামকো ঘৰলৈ আহি আহাৰ খাবলৈ ক'লে।৩২৯,৩৩০।। ঘৰলৈ আহি স্নান কৰি ভোজন কৰিবলৈ যশোদাই বৰকৈ খাটিলে। যশোদাই হাতত ধৰি গৃহলৈ নিলে।৩৩১,৩৩২।। তেওঁলোকে দুয়োকে গা ধুৱাই, অলঙ্কাৰ পিন্ধাই অন্নপান কৰোৱালে।৩৩৩।।

জগতৰ ঈশ্বৰে ভকতৰ ভক্তিত তুষ্ট হৈ মানৱ শিশুৰূপে গোৱালীৰ বশ্য হৈছিল।৩৩৪,৩৩৫।।

তত্ত্ব-উপদেশ ঃ ইয়াত কবিয়ে ৰূপকৰ যোগেদি তত্ত্ব প্ৰকাশ কৰিছে

আশা — হৈছে— সদ্য প্ৰবাহিত নদী।
মহাধন— হৈছে— নদীৰ জল।
নানা বিধ তৃষ্ণা— হৈছে— নদীত উঠা ঢৌ বা উৰ্ম্মিমালা।
কাম-ক্ৰোধ হৈছে— নদীৰ জলত থকা কুম্ভীৰ-মগৰ।
নানা তৰ্ক-বিতৰ্ক— নদীৰ গভীৰতা।—৩৩৬
মোহ, মহাপাপ চিন্তা আদিবোৰ নদীৰ কাষ।
দিন-ৰাতি হৈছে— নদীৰ তীব্ৰবেগী সোঁত।
ধৈৰ্য— নদীৰ পাৰৰ বৃক্ষ।
জীৱগণ হৈছে— নদীত উটি যোৱা জাঁজি সমূহ।

মানুহৰ মন আশাৰে ভৰপূৰ, আশাপূৰণৰ বাবে নকৰিবলগা কৰ্মও কৰে।৩৩৭।। আশা অনবৰতে নদীৰ দৰে বৈ থাকে। নদীৰ জলৰ দৰে ধনৰ প্ৰতি তৃষ্ণা বাঢ়ে কাম-ক্ৰোধে কুম্ভীৰ-মগৰৰ দৰে মনক অহঙ্কাৰী কৰে। মোহ-চিন্তা আদিবোৰে আশানদীৰ দুয়োপাৰে অৱস্থান কৰে। নদীবৈ যোৱাৰ দৰে দিন-ৰাতি আহে আৰু যায় মৃত্যুৰ মুখলৈ। নদীৰ পাৰৰ গছ কেতিয়া উঘালি পৰি নদীত বিলীন হ'ব তাৰ ঠিকনা নাথাকে। তথাপি ধৈৰ্য্য ধৰি বৃক্ষ ৰৈ থাকে। নদীয়ে উটুৱাই নিয়া জাঁজিবোৰ হৈছে সংসাৰ যাত্ৰী জীৱবোৰ।

কৃষ্ণপদ নৌকা বিনে নাযায় তৰণ
হেন জানি লৈয়ো ঝান্টে কৃষ্ণত শৰণ।।
ভকতৰ সঙ্গত শুনিয়ো কৃষ্ণকথা।
মুখে মাধৱৰ নাম লৈয়োক সৰ্ব্বথা।৩৩৮।।

আশা-নদী অতিক্ৰম কৰাটো সম্ভৱ নহয় যদিও কৃষ্ণ-নামৰ নৌকাত আৰোহন কৰিব পাৰিলে সংসাৰ তৰুণ হয়। সেইবাবে কৃষ্ণত শৰণলৈ কৃষ্ণভক্তি কৰিলেহে মুক্তি লাভ হ'ব। ভকতৰ সঙ্গত কৃষ্ণকথা শ্ৰৱণ কৰি মুখে মাধৱৰ নাম কীৰ্ত্তন

কৰিব লাগে ।৩৩৮ ।। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ৰাম নাম ল'বলৈ সকলোকে আহবান জনাইছে। ৩৩৯ ।।

**২৩। গোপ-গোপীসকলৰ বৃন্দাবনলৈ গমনঃ**

ইয়াৰপাচতে কৃষ্ণৰ বৃন্দাবন লীলা আৰম্ভ হয়। গোকুল বা ব্ৰজত কেঁচুৱাৰ পৰা বাল্যবস্থা অতিক্ৰম কৰি ল'ৰালিকাল আৰম্ভ হোৱাত গোকুলৰ ওচৰত অৱস্থিত বৃন্দাবনলৈ কৃষ্ণ-বলৰাম আৰু গোপগণ বৃন্দাবনলৈ যাত্ৰা আৰম্ভ কৰিলে। বৃন্দা+অবন বৃন্দাবন; বৃন্দা মানে আনন্দ, 'অবন' মানে ৰক্ষণ স্থান। ঈশ্বৰ কৃষ্ণই আনন্দস্থানত লীলা-কৌতুক কৰিছিল। তত্বাৰ্থত আত্মাত বৃন্দাবন, আত্মাই ভগৱন্তই আনন্দৰ পোহাৰ মেলে। কৃষ্ণই আত্মাত বিচৰণ কৰাৰ বাবে হৃদয়ত আনন্দৰ উদ্ৰেক হয়।

এদিন বয়সস্থ গোপগণে এখন সভা পাতি গোকুলৰ মঙ্গলৰ কাৰণে আলোচনা কৰিলে। নন্দই গোপগণৰ লগত সকলো কথা বিবৰি পাতিলে। উপনন্দ নামে এজন বৃদ্ধগোৱালে সকলোকে ক'লে যে গোকুলত পুতনাবধকে আদি কৰি নানা অঘটন ঘটাৰ বাবে এই ঠাই এৰি গুচি যোৱাই যুগুত হ'ব ।৩৪০ ।। শকট উলটি পৰা, চক্ৰবাত অসুৰৰ আক্ৰমণ আদি কাৰ্য অসহনীয় হৈছে বুলি তেওঁ সভাত দাঙি ধৰে ।৩৪১ ।। ভাগ্যক্ৰমে এই দুষ্টচক্ৰৰ পৰা কৃষ্ণ উদ্ধাৰ হোৱাৰ বাবে তেওঁলোকে শান্তি লভিলে যদিও ভবিষ্যতে বা কি হ'ব পাৰে তাৰ বাবে শঙ্কিত হ'ল।

বৃন্দাবন নামে সুন্দৰ স্থানত বাস কৰাটো ভাল হ'ব বুলি থিৰাং কৰিলে। সকলোৰে ৰথত উঠি ধেনুবোৰ লৈ বৃন্দাবনলৈ যাত্ৰা কৰিলে। শিঙ্গ আদি বাদ্যযন্ত্ৰলৈ তেওঁলোক সমদলে আগ বাঢ়িল।

**২৪। বৎসাসুৰ আৰু বকাসুৰ বধঃ**

গোপ-গোপীগণে মহানন্দে কৃষ্ণক মাজতলৈ গীত গাই, বাদ্যধ্বনিৎ কৰি বৃন্দাবনলৈ যাত্ৰা কৰিলে। যশোদা, ৰোহিনী আদি সকলে ৰথত উঠি গৈ বৃন্দাবনত উপনীত হ'লগৈ ।৩৪৪ ।। গোপগণৰ দ্বাৰা নন্দই অৰ্দ্ধচন্দ্ৰাকাৰ কৰি গোপপুৰী নিৰ্মাণ কৰিলে। বৃন্দাবন অতি মনোৰম, তাতে গোবৰ্দ্ধন পৰ্ব্বত, যমুনাৰ বালিৰ সৌন্দৰ্য দেখি ৰাম-কৃষ্ণৰ মহা আনন্দ মিলিল। ৰাম-কৃষ্ণই বৎস পাল, গোপশিশু আদিক লৈ ধেনু-দামুৰীবোৰ চৰাবলৈ গ'ল ।৩৪৫ ।। কুমাৰ কালৰ আনন্দ-উচ্চাহত বেনু বজাই কৃষ্ণই নানাখেলা খেলিবলৈ ধৰিলে। বেল, আমলখী ফল আদি খাই গৰু চৰাই ফুৰি তেওঁলোকে আনন্দ কৰিলে। মৈৰা-কুকিলক চাই চাই বৃন্দাবনত কৃষ্ণই লগৰীয়া সৈতে ৰং ধেমালি কৰি ফুৰিছিল ।৩৪৬ ।।

**বৎসাসুৰ বধ ঃ** এদিন কৃষ্ণ-বলৰাম আদিয়ে 'ধেনুচৰাই ফুৰোতে কংসই প্ৰেৰণ কৰা দৈত্যই বৎস ৰূপ কৰি কৃষ্ণক বধ কৰিবলৈ আহিল। কৃষ্ণই তাক দেখা পালে আৰু আকাৰে ইঙ্গিতে বলোভদ্ৰক দেখুৱালে। কৃষ্ণই চলচাই তাক ধৰি ওপৰলৈ পাকঘূৰাই ঔগছত এচাৰমাৰি পেলালে আৰু দৈত্যই প্ৰাণ এৰিলে। সি মাটিত পৰি গ'ল। গোপশিশুগণে কৃষ্ণক প্ৰশংসা কৰিলে। তেওঁলোকে কৃষ্ণৰ পৰাক্ৰম দেখি বিচুৰ্তি খালে। বৎসাসুৰক বধ কৰি দুয়ো ভাতৃয়ে ধেনুচৰাই থাকিল ।৩৪৮ ।।

**বকাসুৰ বধঃ**

তেওঁলোকে গৰুবোৰক পানীত নমাই গা-ধুৱালে। তেওঁলোকে নদীৰ জলত এটা প্ৰকাণ্ড জন্তু দেখা পালে। তাৰ শৰীৰ পৰ্ব্বতৰ শিখৰৰ সমান, বজ্ৰৰ দৰে টান। সি বক ৰূপ ধাৰণ কৰি আছিল। সি আচলতে কংসই পঠোৱা দানৱ। তাৰ ঠোঁট তীক্ষ্ণতৰ। ৩৪৯ ।। শিশুসকলে তাক দেখি বৰ ভয় কৰিলে। বকে মুখমেলি কৃষ্ণক গিলি পেলালে। গোপ শিশুগণে কৃষ্ণক গিলা দেখি সকলোৰে মৃতপ্ৰায় হ'ল। কৃষ্ণ বিনে তেওঁলোক জীয়াতে মৰা ।৩৫০ ।।

**গুৰুজনৰ উপদেশ ঃ**

তেওঁ কৈছে — হে নৰগণ, কৃষ্ণৰ চৰিত্ৰ পাপৰ যম। কৃষ্ণ কথা শুনিলে অমৃত পান কৰা যেন লাগে। অমৃতৰ নদী বৈ অহাৰ দৰে মুকুতিৰ ৰস অবিৰল ধাৰে, বৈ আহে। নামে সদ কৰ্ম কৰায়, সদ মতি দিয়ে, জাতি-অজাতি, বিভিন্ন ধৰ্ম্ম কৰা লোকেও নামৰ বলত সকলোতে সিদ্ধিলাভ কৰে। তপ, জপ, যাগ, যজ্ঞ, যোগ, তীৰ্থ, ব্ৰত দান আদি নামৰ যোগে অপ্ৰয়াসে সিজে ।৩৫১ ।।

হৰিনাম শুদ্ধভাৱে ল'লে বিষয় ভোগো কৰিবলৈ পায়, পুত্ৰ,ভাৰ্য্যা আদিক লৈ সুখে সংসাৰ উপভোগ কৰিবলৈ পায়। যি সকলে বেদৰ কৰ্ম নকৰে, সি নিজ ধৰ্ম্ম এৰে, নিতে পৰহিংসা কৰে, জ্ঞান-তত্ব অৰ্জন নকৰে, ব্ৰহ্মচৰ্য সাধন নকৰে, তীৰ্থব্ৰত নকৰে, বিষয়ত বিৰকতি নোহোৱা সকলেও হৰিনাম একান্তভাবে লৈ শুদ্ধ হ'ব পাৰে, চিত্তক নিৰ্মল কৰিব পাৰে। এনে মধুময় হৰিনাম এৰি আন তন্ত্ৰ-মন্ত্ৰত ব্ৰতী হোৱাজন দুৰ্ভগীয়া ।৩৫২ ।।

সেইকাৰণে কায়েৰে, বাক্যব্ৰহ্মৰে, মনক এক কৰি এক চিত্তে, দৃঢ়মনেৰে মুখেৰে হৰিনাম উচ্চাৰণ কৰা উচিত। সমস্ত ধাৰ্ম্মিক লোকে যি গতি নেপায়, হৰিনামে সেই গতি দিয়ে।

এনে হৰিনাম এৰি আন কাম যি কৰে সি বুদ্ধিক পুৰি খায়। সমস্ত ৰোগ-ব্যাধিৰ পৰা ৰক্ষা পোৱাৰ ঔষধ হৰিনাম। হাততে থকা ঔষধ এৰি ৰোগীয়ে ক্ষণে ক্ষণে আয়ুক্ষয় কৰি মৃত্যুৰ মুখলৈ ঢাপলি মেলে। তথাপি চেতনা নাহে, কিনো মায়াৰ বিপৰীত প্ৰভাব? ।৩৫৩।। মৃত্যু একতিলে আহিব পাৰে, জীৱন এই আছে এই নাই। মেঘৰ ছাঁৰ দৰে হঠাতে আঁতৰি যায়। এই তত্ত্ব উপলব্ধি কৰি একান্ত মতিৰে ভকতিত ৰতি কৰিবলৈ কৈছে; আন ভাষভূষ ত্যাগ কৰা উচিত। জীৱনৰ সমস্ত দুখ দূৰ কৰি, পুণ্য সঞ্চয় কৰি নিৰন্তৰে ৰাম ৰাম বোলা উচিত।।৩৫৪।। বকাসুৰে কৃষ্ণক গিলোতে গলত কৃষ্ণক জুইৰ দৰে লগাত সি বমি কৰি বাহিৰ কৰি মূৰ্চ্চা গ'ল। কংসৰ বন্ধু বকাসুৰে পুনৰ ঠোঁতেৰে কৃষ্ণক প্ৰহাৰ কৰিলে।৩৫৫।। কৃষ্ণই জাপ মাৰি দুই হাতেৰে দুই ঠোঁটত ধৰি দুফাল কৰি পেলালে। শিশুগণে এই দৃশ্য চাই বৰ আচৰিত হ'ল আৰু আনন্দ পালে।৩৫৬।। দেবগণে আকাশৰ পৰা কৃষ্ণৰ লীলা চাই পৰম আনন্দ পাই পুষ্প বৃষ্টি কৰিলে। দেবসবে শঙ্খ, ভেৰী বজালে আৰু কৃষ্ণক স্তুতি কৰিলে।৩৫৭।। গোপগণে কৃষ্ণক সাৱটি ধৰিলে আৰু গৰুগাই লৈ ব্ৰজলৈ উলটি আহিলে। তেওঁলোকে বকাসুৰৰ বধৰ কথা ঘৰত সকলোকে কলেহি।৩৫৮।।

গোপগণে পৰম বিস্ময় মানিলে। কৃষ্ণই মৰিও প্ৰাণ পোৱাত সকলোৱে উশাহ পালে। সকলোৱে কৃষ্ণক বেঢ়ি চাই পৰম আনন্দ কৰিলে।৩৫৯।। কিছুমানে কংসৰ চল-চাতুৰী হিংসাক গৰিহণা দিলে। হিংসা কৰিবলৈ আহি নিজেই মৃত্যুক সাৱটি ল'ব লগা হোৱাত আনন্দ লাভ কৰে তেওঁলোকে। গৰ্গৰ বচন সত্য বুলি তেওঁলোকে প্ৰমাণ পাবলৈ ধৰিলে। কৃষ্ণই যে নাৰায়ণ সেই কথা সত্য যেন লাগিল। কৃষ্ণৰ গুণ-লীলা স্মৰি সকলোৱে সংসাৰৰ কথা পাহৰি গ'ল।।৩৬০,৩৬১।। এইদৰে খেলা কৰি থাকোঁতে থাকোঁতে কৃষ্ণই ছয় বছৰত ভৰি দিলে।

**২৫। কৃষ্ণৰ বন ভোজলৈ গমন ঃ**

গৰখীয়া ল'ৰাই সাধাৰণতে অৰণ্য অঞ্চলৰ জানজুৰি, সেউজীয়া পথাৰ আদিত বনভোজ খাই পৰম তৃপ্তি পায়। কৃষ্ণ-বলৰাম আদিয়েও এনে আনন্দ উপভোগ কৰিবৰ কাৰণে মানবীয় লীলা কৰিবলৈ মনস্থ কৰিলে। এদিন ৰাতি পুৱা শুই উঠি কৃষ্ণই শিঙা বজাই সকলো গোপকে আহিবলৈ ইঙ্গিত দিলে। শিঙাৰ নিনাদ শুনি অসংখ্য গোপ শিশুৱে সিকিয়াতে দধি-ভাত আদি বান্ধি কৃষ্ণৰ ওচৰ পালেহি।৩৬৩।

প্ৰতিজনে আগে আগে দামুৰি লৈ শিঙ্গা-বেত-বাংশী সহ আগবাঢ়িল। বনত গৰু চৰাই তেওঁলোকে আনন্দত বিভোৰ হৈ ক্ৰীড়া কৰিবলৈ ধৰিলে।৩৬৪।। তেওঁলোকে মৈৰাপাখি পিন্ধি, কুঁহিপাত গাত ওলোমাই কৃষ্ণক আবৰি বৃন্দাবনত উমলিবলৈ ধৰিলে। কোনোজনে আনজনৰ সিকিয়া চুৰ কৰি আনি দূৰত আতৰাই থয়।৩৬৫।। আনএজনে তাৰ পৰাও আতৰাই থয়। পাছত হাঁহি হাঁহি বিচাৰি আনি দিয়ে। কৃষ্ণ আতৰত থাকিলে কোনে আগে গৈ চুব পাৰে তাৰে বাবে প্ৰতিযোগিতাও কৰে।৩৬৬।। এইদৰে ভ্ৰমণ কৰি, শিঙা-বেত বেনু বজাই কৃষ্ণৰ ছায়াত সকলোবোৰ ঘূৰি ফুৰে। কুলিৰ মাত মাতি কেতিয়াবা তেওঁলোকে অভিনয় কৰে, ভোমোৰাৰ লগে লগে দৌৰি ফুৰে।।৩৬৭।। তেওঁলোকে কেতিয়াবা হাঁহবোৰ খেদি ফুৰে, কেতিয়াবা বকচৰাই খেদি ফুৰে। এইদৰে মৈৰা চৰাইৰ পাছে পাছে ফুৰি আনন্দ কৰে। কৃষ্ণই বান্দৰক নেজত ধৰি ঘূৰায়।৩৬৮।

গছত উঠি বান্দৰৰ মাত মাতি বান্দৰবোৰৰ লগত, ভেকুলীৰ পাছত দৌৰি ধেমালি কৰিছিল গোপশিশুগণে।।৩৬৯।। ভকতৰ পৰম ধন আৰু মহাযোগী গণৰ আৰাধ্যদেৱতা ব্ৰহ্মক চকুৰে দেখিবলৈ পোৱা অসম্ভৱ; তেনে পৰমব্ৰহ্ম কৃষ্ণক ব্ৰজলোকে পাইছিল। কৃষ্ণৰ এই বাল্যলীলা শ্ৰৱণ কৰিলে মহা পুণ্য লাভ হয়।

**২৬। অঘাসুৰ বধঃ**

কংসই দৈত্য-দানৱ-ৰাক্ষস সকলক এজন এজনকৈ কৃষ্ণক বধ কৰিবলৈ পঠাই আছিল। এইবাৰ অঘাসুৰক কংসই প্ৰেৰণ কৰিলে। অঘাসুৰ বক আৰু পুতনাৰ সহোদৰ আছিল। বৃন্দাবনত গোপশিশুগণৰ লগত কৃষ্ণই ঘূৰি ফুৰাৰ কথা জানি অঘাসুৰে তাৰ ককায়েক আৰু বায়েক ক্ৰমে বকাসুৰ আৰু পুতনাক বধ কৰাৰ প্ৰতিশোধ ল'বলৈ ভয়ঙ্কৰ সৰ্পৰ আকৃত ধৰি অৰণ্যত প্ৰবেশ কৰিলে— ৩৭০-৩৭৩।।

সি দীঘল এক যোজন পথ আগুৰিলে, সি মুখখন পৰ্ব্বতৰ গহ্বৰ দৰে মেলিলে।

তল ওঠগোট নমাই মাটিত থাপিল।
ওপৰৰ ওঠ গৈয়া মেঘত লাগিল।৩৭৪।।
পৰ্ব্বতৰ শৃঙ্গ যেন দাঁত দুই পাৰি।
মেলিলেক জিহ্বাখান যেন ৰাজ আলি।।
প্ৰচণ্ড বতাহ হেন নিশ্বাস ফোকাৰে।
ৰঙ্গা দুই চক্ষু জুই আঙ্গনি আকাৰে।।৩৭৫।।

তাৰ আকাৰ, আকৃতি, প্ৰকৃতি কবিয়ে চিত্ৰিত কৰিছে ভয়াবহ ভাৱে। ভয়ঙ্কৰ আকাৰ, খাওঁ খাওঁ আকৃতিৰে মুখখন ইমান ডাঙৰকৈ মেলিছে যে উৰ্দ্ধ ওঠ আকাশত, তলৰ ওঠ মাটিত পাতি থৈছে। মুখখন মেলোতে এটা পাহাৰৰ গহবৰৰ দৰে দেখা গৈছিল। বৰদীঘল দীঘল দাঁত, দীঘল জিভা, দুই চক্ষু জুইৰ আঙনিৰ দৰে আৰু মুখৰ ভিতৰত প্ৰচণ্ড বতাহ প্ৰবাহিত হোৱা দেখা গৈছিল।৩৭৫।

গোপশিশুগণে গো-বৎস লৈ আহি দেখিলে যে সিহঁত অহাৰ পথতে সৰ্পৰ দৰে কিবা এটাই মুখ মেলি আছে।৩৭৬।। ওপৰ ওঠৰ ভিতৰখন এচপৰা ৰঙা ডাৱৰ দৰে আৰু তলৰ ওঠৰ গহ্বৰ মেঘৰ ছাৰ দৰে জিলিকিছিল। গিৰি শৃঙ্গৰ দৰে দুপাৰি দাঁতৰ মাজত ৰাজ আলিৰ দৰে জিভাখন ওলমি আছিল।৩৭৭।। তেওঁলোকে এই দৃশ্য দেখি ভাবিলে যে সি তেওঁলোকক খাবলৈ যেন বাট চাই আছে। কৃষ্ণৰ হাতত তাৰ স্কন্ধ ছেদ হ'ব বুলি গোপশিশুগণে থমকি ৰ'ল। কৃষ্ণৰ মুখলৈ চাই দেখিলে যে কৃষ্ণই প্ৰসন্ন বদনেৰে আছে।৩৭৮।। শিশুগণে ক'লে— 'ভয়নাই'। তেওঁলোক চাপৰি বজাই বজাই অঘৰ গৰ্ভত প্ৰৱেশ কৰিলে। কৃষ্ণই শিশুগণক গিলা দেখি সৰ্পৰ নিৰূপণ কৰিলে।৩৭৯।। কৃষ্ণয়ো সৰ্পৰ গৰ্ভত প্ৰবেশ কৰিলে। ভকতৰ অভয়দাতা কৃষ্ণই মনতে ভাবিলে যে, গৰু-গৰখীয়া, দামুৰীবোৰ দুষ্টৰ গৰ্ভত সোমাই মৃত্যুৰ মুখত পৰিব। গতিকে অসুৰক বধ কৰিবলৈ কৃষ্ণই মনতে ভাবিলে।৩৮০।।

কি প্ৰকাৰে শিশুগণক, গৰুবোৰক, দামুৰীবোৰক ৰক্ষা কৰিব পৰা যায়, সেই বিষয়ে কৃষ্ণই অসুৰৰ গৰ্ভত ভাবিবলৈ ধৰিলে। অসুৰে সকলোকে জীৰ্ণ কৰিবলৈ চেষ্টা কৰিলে। কৃষ্ণই নিজৰ দেহা বঢ়াই তাৰ ডিঙি ভেটি ধৰিলে।৩৮২।। ডিঙি ভেটিধৰাত অঘাসুৰে উশাহ ল'ব নোৱাৰা হ'ল, চকু উলটি গ'ল, পেট ওখহিল, আৰু মূৰ্দ্ধাফুটি অসুৰৰ প্ৰাণ গ'ল।৩৮৩।। অঘাসুৰৰ গৰ্ভত থকা গোৰক্ষ আৰু গৰুবোৰক কৃষ্ণই অমৃত নয়নে নিৰীক্ষণ কৰি জীয়াই দিলে। অঘৰ গৰ্ভৰপৰা তেওঁলোকে আনন্দ মনেৰে ওলাই আহিল।৩৮৪।। অঘাসুৰৰ অদ্ভুত তেজপুঞ্জ জ্বলি আহি কৃষ্ণৰ ওচৰত শৰণ ললে। দেবগণে অঘাসুৰক বধ কৰাৰ বাবে কৃষ্ণৰ শিৰত পুষ্পবৃষ্টি কৰে, অপেস্বৰা সকলে নৃত্য কৰিলে, গন্ধৰ্ব্বই মৃদঙ্গ বজালে, আনন্দত দেবগণে জয়ধ্বনি কৰিলে। ব্ৰহ্মাই তাত হঠাতে উপস্থিত হৈ কৃষ্ণৰ মহিমা দেখি তবধ মানিলে।৩৮৫,৩৮৬।। গোপগণে এবছৰ কালধৰি সেই স্থানত ক্ৰীড়া কৰি কটালে।৩৮৭।। কৃষ্ণৰ হাতত মৃত্যু হোৱাত সি মোক্ষ লাভ কৰিলে। ঈশ্বৰ কৃষ্ণৰ ৰূপ মনেৰে হৃদয়ত স্থাপন কৰি যি প্ৰতিদিনে স্মৰণ কৰে, তেনেজনে উত্তম ভক্তৰ গতি লাভ কৰে।৩৮৮।।

**২৭। গোপবালক সকলৰ সৈতে কৃষ্ণৰ বনভোজ ঃ**

অঘাসুৰ বধৰ কথা গোপগণে এবছৰ পূৰ্ণ হোৱাৰ পাছত হে ক'লে। এই কথা এবছৰৰ পাছত ব্যক্ত কৰাৰ ৰহস্য আছে। পৰীক্ষিতে এই ৰহস্য বুজিবলৈ টান পোৱাত শুকক ব্যাখ্যা কৰি ক'বলৈ অনুৰোধ কৰে।৩৯০।।

'কি কাৰণে গোপশিশুগণে নিৰন্তৰে।
অঘবধ কৈলা এক বৰিষ অন্তৰে?'৩৯০।।

শুকমুনিয়ে কৃষ্ণক মনত স্থাপন কৰি একচিত্তে সমাধিষ্ঠ হয় আৰু পৰম আনন্দ লাভ কৰি কৃষ্ণকথা ক'বলৈ ধৰিলে।'হে মহাৰাজ; ভাগৱত অমৃত কথা শুনা। কৃষ্ণকথা শুনিবলৈ ইচ্ছুক হোৱাৰ বাবে মই ক'বলৈও আগ্ৰহ কৰিছোঁ। কাৰণ শ্ৰবণ কৰাজন ইচ্ছুক হ'লেহে কওঁতাজন আগ্ৰহী হয়। কৃষ্ণ কথা শ্ৰৱণ কৰিলে শ্ৰদ্ধা বাঢ়ি যায়। বিষ্ণুভকতৰ এইটো স্বভাৱগত লক্ষণ'।।৩৯১-৩৯২।।

কামাতুৰে স্ত্ৰীৰ লগত আলাপ কৰিবলৈ যেনেকৈ বিচাৰি ফুৰে। তেনেকৈ কৃষ্ণ-ভক্তয়ো কৃষ্ণ-কথা বিচাৰি হাবাথুৰি খাই ফুৰে। কৃষ্ণৰ মহিমাৰ ৰহস্য কথা শুকে ক'বলৈ ধৰিলে।৩৯৩।

কৃষ্ণই গোপশিশুগণক (বৎস-শিশুগণক) এবছৰ কাল মৃত্যুত ৰাখি এবছৰৰ মূৰত যমুনাৰ বালিত নমাই ক'লে— 'যমুনাৰ কোমল বালি কিমান ৰম্যস্থান। পদুমৰ গন্ধই ভ্ৰমৰক উন্মাদ কৰা এই স্থান কিমান মনোৰম।৩৯৪।। বৃক্ষত, পাতত ভ্ৰমৰবোৰে বেঢ়ি বেঢ়ি পৰি মধুৰ গুঞ্জন কৰে। এনে মধুময় স্থানত

তেওঁলোকে ভোজন কৰি থাকোতে বেলি প্ৰায় মাৰ যাবৰ সময় হ'ল, বৎসগণে পানীখাই চৰিবলৈ ধৰিলে।৩৯৫।। কৃষ্ণৰ আদেশত শিশুসকলে বৎসক পানীখুৱাই সিকিয়াৰ পৰা দধি, ভাত উলিয়াই কৃষ্ণৰ লগত বহি ভোজন কৰিলে।৩৯৬।। কৃষ্ণক মাজত উপবিষ্ট কৰি চাৰিওফালে শাৰী শাৰী পাতি তেওঁলোক খাবলৈ বহিল। সকলোৰে কৃষ্ণৰ পদ্মবদন চাই চাই পৰম তৃপ্তিৰে অন্নখাবলৈ ধৰিলে।৩৯৭।। শিশুগণৰ মাজত বহি ভোজনত ব্যস্ত কানাইক পদুম ফুলৰ চকাৰ মাজত জিলিকি থকা পদ্মৰকণিকা যেন দেখা গ'ল।৩৯৮।। কোনোজনে পদুম পাতত দধি আৰু ভাত থ'লে, কোনোজনে সিকিয়াত। কোনোবাই শিলৰ ওপৰতে অন্নথৈ খাবলৈ ধৰিলে।৩৯৯।।

কোনো কোনোৱে নিজে খোৱা অন্ন অতি তৃপ্তিকৰ বুলি হাত দাঙি দাঙি ক'লে, এজনৰ পৰা আনজনে থপিয়াই আনি দধি খাবলৈ লাগি গ'ল আৰু এইকাৰ্য দেখি হাঁহিবলৈ ধৰিলে।৪০০।। নানা ৰকমৰ হাঁহি ধেমালি কৰি কৰি কৃষ্ণৰ সৈতে অন্ন ভোজন কৰি তেওঁলোকে পৰম আনন্দ লভিলে।৪০১।। জগতৰ ঈশ্বৰে এইদৰে মানবীয় শিশু হৈ আহাৰ ভোজন কৰি লীলা প্ৰদৰ্শন কৰিলে। তেওঁলোকে খাই বৈ উঠি শিঙা-বেত, বংশীবোৰ গোটাই ল'লে।৪০২।। আঙুলিৰে পকাকল ছিঙি বখলিয়াই হাস্য কৰি শিশুগণে ভক্ষণ কৰিলে। দেবতাসবে শিশুৰ বনভোজ সতৃষ্ণ নয়নে চাই বৰ আমোদ পালে। বৎসগণে চৰিচৰি গৈ অৰণ্যৰ মাজত সোমাল।৪০৪।। শিশুগণে বৎসগণক নেদেখি ভয় খাই উঠিল। তেওঁলোকে ল'ৰালৰিকৈ উঠি যাবলৈ বিচৰাত কৃষ্ণই 'ভয় নাই ভয় নাই' বুলি আশ্বাস দিলে। কৃষ্ণই বৎসগণৰ অনুসন্ধানত দৌৰি যাবলৈ ধৰিলে।৪০৬।। দামুৰীৰ খোজ নিৰীক্ষণ কৰি কৰি অকলে অকলে অতি বিপদ সঙ্কুল স্থান অতিক্ৰম কৰি লতাৰ মাজে মাজে হাউলি হাউলি বনত ভ্ৰমি গৰুবোৰ বিচাৰিলে পৰ্ব্বত, গহ্বৰ আদিৰ অভ্যন্তৰতো বৎসগণক কৃষ্ণই বিচাৰিবলৈ ধৰিলে।৪০৭।।

উপদেশ ঃ সকলোৱে ভাগৱত অমৃত পান কৰক। কৃষ্ণ ভকত বৎসল। ভকতৰ প্ৰতি ভগৱন্ত সদায়ে আকুল। এনে কৃপালু কৃষ্ণক নভজাজন অতি মূঢ়লোক।৪০৮।। মাধৱৰ লীলা কিমান কৌতুকময়। যি ব্ৰহ্মক জ্ঞানেৰেও ঢুকি পোৱা অসম্ভৱ, যিজনে অন্তৰ্যামী, যি জন যজ্ঞভোক্তা, তেনেজন ঈশ্বৰে শিশুহৈ নিজ ঐশ্বৰ্যক নিজে ভোজন কৰি দেখুৱাইছে।৪০৯।। এনে কৃপাময় দয়াময় দেব আন ক'ত বিচাৰি পোৱা যাব ? এই পৰমতত্ব উপলব্ধি কৰি কৃষ্ণৰ অৰুণ চৰণক সাৰ কৰি ধৰ্ম্ম-অৰ্থ-কাম-মোক্ষকে নাভাবি কেৱল ভক্তিৰে লাভ কৰিবলৈ যত্ন কৰা উচিত। মানবী জনম চিন্তামণি জনম, এনে মূল্যবান জীৱন হাততে যাব পাৰে।৪১০।।

কলিযুগত সমস্ত লোক একাকাৰ হয়। এই যুগত জাতিভেদ লোপ পায়। সকলোৱে একেলগ হৈ কেৱল হৰিনাম লোৱা উচিত, কাৰণ ইয়াৰ বিনে অন্যগতি নাই।

—কলিৰ লোকৰ মন মলিন অপাৰ
অন্যত্ৰ ধৰ্ম্মত কাৰো নাহি অধিকাৰ।৪১১।।

কলিত অনেক ধৰ্ম্মপন্থা থাকিলেও সেইবোৰে নৰক; প্ৰকৃত পথ নিৰ্দ্দেশ কৰিব নোৱাৰে। কিয়নো এইযুগত মানুহৰ মন স্বভাৱতে মলিন হয়; মনৰ মলি দূৰ কৰিবলৈ একমাত্ৰ নামৰহে শক্তি আছে। কলিত নামলোৱাতহে মানৱৰ অধিকাৰ আছে। 'ৰাম' নামৰ দুটি অক্ষৰ যি নৰে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে, সেই নৰে ঘোৰ কলিৰ ঘোৰ সংসাৰৰ আপদ-বিপদ অতি অপ্ৰয়াসে অতিক্ৰম কৰিবলৈ সক্ষম হয় আৰু মুক্তি লাভ কৰিব পাৰে।৪১২।।

সত্য যুগে যেন ফল পাৰে ধ্যান কৰি।
মহামহা যজ্ঞে ত্ৰেতা যুগে যজি হৰি।।
যেন ফল পাৰে পূজা কৰি দ্বাপৰত।
পাৰে সবে ফল কলিযুগে কীৰ্ত্তনত।৪১৩।।

চাৰিযুগত আচৰণীয় ধৰ্ম্মপন্থা বেলেগ বেলেগ। কাল-গুণ, কৰ্ম্মৰ ধৰণ অনুসৰি সত্যযুগত ধ্যান কৰিলেই ঈশ্বৰক লাভ কৰিব পাৰে। ত্ৰেতাযুগত যজ্ঞানুষ্ঠান কৰি ভগৱন্তক সন্তোষ্ট কৰিব পাৰি। দ্বাপৰ যুগত বিহিত ধৰ্ম্মপন্থা পূজা। কলি যুগত এই তিনিবিধ পন্থা অচল, নিষ্ক্ৰিয়, কেৱল হৰি কীৰ্তন-শ্ৰৱণ হে সক্ৰিয়, বাস্তৱ পন্থা। নাম ধৰ্ম্ম কলিযুগৰ ধৰ্ম্ম; নাম যজ্ঞৰ দ্বাৰা কলিত ভগৱান অলপতে সন্তোষ্ট হয়।

সেইবাবে কলিৰ নৰে কৃষ্ণক ভজি সংসাৰ তৰি যাবলৈ উপদেশ দিছে লিখকে। দুৰ্ঘোৰ সংসাৰ তৰিবলৈ ৰাম নিৰ্ভয় নৌকা। কৃষ্ণনৌকাত উঠি পাণ্ডৱ সকল তৰি গ'ল। কৃষ্ণক সাৰথি হিচাবে ল'ব পাৰিলে জীৱন যুদ্ধত নিশ্চয়ে জয়ী হ'ব পাৰিব।

**২৮। ব্ৰহ্মাৰ মোহ ঃ**

বিষ্ণু মায়াত ব্ৰহ্মা, হৰ আদিৰো পৰাভৱ হয়। ব্ৰহ্মা সৃষ্টিকৰ্তা হ'লেও বিষ্ণুৰ পৰামৰ্শতহে সৃষ্টিকৰ্ম্ম সম্পন্ন কৰে। নাৰায়ণে গোকুল বৃন্দাবনত কৃষ্ণই লীলা কৰি থকাৰ সময়ত ব্ৰহ্মাই কৃষ্ণৰ মায়াত মোহত পৰে। অঘাসুৰ বধৰ সময়তে ব্ৰহ্মাই আহি কৃষ্ণৰ মাহাত্ম্য দেখা পায়। অঘাসুৰে কেনেকৈ মুক্তি লাভ কৰিলে তাক স্বচক্ষে দেখি পৰম বিস্ময় মানিলে। বালক কৃষ্ণৰ মহিমা দেখিবলৈ মন কৰি ব্ৰহ্মাই সেই ঠাইলৈ আহি গোৰক্ষ-দামুৰীগণক যোগবলে চুৰ কৰি নি লুকুৱাই থলে। কৃষ্ণই কেনেকৈনো সিহঁতক উদ্ধাৰ কৰিব পাৰে তাক পৰীক্ষা কৰিবলৈ এই কৰ্ম কৰি নিজস্থানলৈ গমন কৰিলে।৪১৫।।

কৃষ্ণই অৰণ্য চলাথ কৰি বিচাৰি গোৰক্ষ-দামুৰীবোৰক নাপাই যমুনাৰ বালিত উপনীত হ'লহি। যমুনাৰ বালিত সিহঁতক নাপাই পুনৰ অৰণ্যত প্ৰবেশ কৰিলে। তেওঁ হৃদয়ত ধ্যান কৰিলে আৰু ব্ৰহ্মাই গোৰক্ষ-দামুৰীক চুৰ কৰি নি লুকুৱাই থৈছে বুলি জানিব পাৰিলে। কৃষ্ণই ভাবিলে যে গৰখীয়াবোৰক নিনিয়াকৈ কৃষ্ণই অকলে গৃহত প্ৰবেশ কৰিলে গৰখীয়াৰ মাকবোৰে মৰাৰ সমান তাপ পাব। আনহাতে ব্ৰহ্মাই চুৰকৰি নি ৰাখি থোৱা গৰখীয়া আৰু গৰুবোৰক নিনিলে ব্ৰহ্মায়ো সন্তোষ নাপাব। দুয়োকুল ৰক্ষাৰ বাবে কৃষ্ণই নিজে গোৰক্ষ দামুৰী হৈ দেখা দিলে। যিমান গোৰক্ষ আৰু দামুৰী আছিল ঠিক সিমান পৰিমাণৰ আৰু একে আকৃতি-প্ৰকৃতিৰ ৰূপলৈ প্ৰকাশ কৰিলে।৪১৭।।

তেওঁলোকে প্ৰত্যেকেই নিজৰ সিকিয়া লৈ নিজ তনুৰ দৰে হৈ, একে বসন পিন্ধি, একে অলংকাৰ পৰিধান কৰিলে। তেওঁলোকৰ মাতবোৰো, নাকমুখবোৰো একে হ'ল। নিজৰ বয়স, গুণ-গতিবোৰো সাইলাখ একে ধৰণৰ হ'ল।৪১৮।।

'সবে বিষ্ণুময় যিটো বেদবাক্য আছে সিটো
ভৈল যেন সাক্ষাতে প্ৰকাশ'।।৪১৮।।

কৃষ্ণই গোৰক্ষ-দামুৰী হৈ মহাৰঙ্গমনে ব্ৰজলৈ গমন কৰিলে।

অনন্তৰে দেবহৰি সমস্তৰে ৰূপ ধৰি
মহাৰঙ্গে লৰিলা ব্ৰজক।।

কৃষ্ণই বিভিন্ন গোৰক্ষ হৈ নানা ৰং কৰি গৰুবোৰ আগত লৈ গমন কৰিলে আৰু নিজ নিজ দামুৰীক নিজ নিজ গৃহত বান্ধি নিজ নিজ গৃহত প্ৰবেশ কৰিলে। এয়ে গোবিন্দৰ মায়াৰ খেলা। মাতৃগণে নিজ নিজ পুত্ৰক লৈ পৰম সন্তোষ লভিলে।৪১৯।। গোপীসকলে নিজ নিজ পুত্ৰক কোলাত সাৱটি, মূৰত চুমা খাই, স্তনদান কৰি পৰম তৃপ্তি লাভ কৰিছিল। তাৰ পাচত গা-পা ধুৱাই, আ-অলঙ্কাৰ পিন্ধাই পুত্ৰৰ মুখলৈ চাই চাই সংসাৰৰ দুখ পাহৰি আনন্দত মগ্ন হ'ল।৪২০।। পূৰ্ণানন্দ হৰিয়ে এইদৰে লোকক আনন্দ দি সুখী কৰিছিল। কৃষ্ণই অনবৰতে বিহাৰ কৰি ব্ৰজবাসীক প্ৰেমানন্দ দান কৰিছিল। যোগীয়ে নোপোৱা জনকো গোপীগণে ঘৰতে লাভ কৰিবলৈ পাইছিল। মাতৃসকলক নানা অঙ্গি-ভঙ্গি কৰি হহোঁৱাই কৃষ্ণই বিনোদ লীলা কৰিছিল।৪২১।।

ইফালে বৎস গণে নিজ নিজ গোহালিত সোমাই বৰ আনন্দেৰে চেলেকা চেলেকি কৰিছিল। সিহঁতে ব্ৰহ্মাৰ পুত্ৰ হিচাবে বৰ সন্তোষ লভিছিল। সিহঁতৰ ওসাৰৰপৰা দুগ্ধ নিৰ্গত হৈছিল, পোৱালিবোৰক পিবলৈ দিছিল। পোৱালিবোৰৰ স্নেহত সিহঁত আপ্লুত হৈছিল।৪২২।। গোপগণৰ মাতৃসকলে কৃষ্ণক তনয় হিচাবে পোৱাৰ সৌভাগ্য ঘটিছিল। আচলতে কৃষ্ণই নিজেই গোৰক্ষ হৈ গোপীৰ পৰা অকৃত্ৰিম স্নেহ লাভ কৰিছিল যদিও সঁচাকথাটো গুপ্ত কৰি থবলৈ বেয়া পালে। এবছৰ কাল এনেদৰে আচল কথা কৃষ্ণই গুপ্ত কৰি ৰাখিলে।৪২৩।। কৃষ্ণই আনকি অগ্ৰজ বলভদ্ৰকো মুহি ৰাখিলে। কাৰণ বলভদ্ৰও কৃষ্ণৰ লগত আছিল যদিও এই গুপ্তকথা জানিব পৰা নাছিল। এবছৰৰ মূৰত এই কথা কেনেকৈ ব্যক্ত হ'ল তাক পাছত কোৱা হ'ব।

**উপদেশ ঃ**

নিৰাকাৰ, নিৰঞ্জন নাৰায়ণ, যাৰ পূৰ্বাপৰ, আদি অন্ত নাই, সেই পূৰ্ণব্ৰহ্মৰূপী কৃষ্ণক সেৱাকৰি শঙ্কৰে মহাভাগৱত কথা পয়াৰ ছন্দত লিখিলে।৪২৪।।

'হে পৃথিবীৰ সমস্ত নৰগণ, মহাভাগৱত শাস্ত্ৰ শ্ৰৱণ কৰিবলৈ প্ৰথমে মন কৃষ্ণদেৱত অৰ্পণ কৰি লওক। মহাভাগৱত শাস্ত্ৰ অষ্টাদশ পুৰাণৰ ভিতৰত সূৰ্যৰ দৰে ভাস্বত। এই শাস্ত্ৰ ভক্তিৰে ভৰপূৰ আৰু বেদৰ সাৰতত্ত্ব।

'শুনিয়োক সৰ্ব্বজন কৃষ্ণত অৰ্পিয়া মন
মহাভাগৱত কথা সাৰ।
ইসে পুৰাণৰ সূৰ্য্য ভকতিৰ প্ৰকাশক
সমস্তে বেদৰ সাৰোদ্ধাৰ।।'

মহাভাগৱতৰ তত্বভেদ কৰিবলৈ হ'লে কল্পতৰু বেদৰ ওচৰ চাপিব লাগিব। বেদৰ গুপ্তবিত্ত হৈছে নাৰায়ণ বা কৃষ্ণ। বেদ কল্পতৰু সদৃশ; ইয়াত নোহোৱা বস্তু জগতত নাই। বেদ বৃক্ষৰ মহাফল হৈছে মহাভাগৱত। এই ফল মহা মধুৰ।

'শুনা আৰু তত্বভেদ কল্পতৰু ভৈলা বেদ
তাৰ ফল মহাভাগৱত।'
নাহিসাৰ সিঠা ছাল নাছিলেক এতকাল
স্বৰ্গ-মৰ্ত্য-পাতাল মধ্যত।৪২৫।।

মহাভাগৱত মহাফলৰ সাৰ, সিঠা,ছাল একোৰেই নাই; স্বৰ্গ-মৰ্ত্য-পাতাল তিনি ত্ৰৈলোক্যত ইমান কালধৰি নাছিল। অৰ্থাৎ মহাপ্ৰপঞ্চ বা চৈধ্য ব্ৰহ্মাণ্ডত এই মহা অমৃতময় ফল অৰ্থাৎ ভাগৱত নাছিল। ব্ৰহ্মাণ্ডৰ ওপৰত বৈকুণ্ঠতহে এই ফল আছিল।

এই ফল ভাগৱত মুখত ললে অমৃতৰ দৰে গলি যায়, কেৱল আনন্দময় ৰসেৰে ই আবৃত হৈ থাকে, ই পূৰ্ব্বতে বৈকুণ্ঠত আছিল। সত্য-ত্ৰেতাত ভাগৱত বৈকুণ্ঠত আছিল, দ্বাপৰত কৃষ্ণ-সূৰ্য উদয় হৈ ব্ৰহ্মাণ্ডলৈ নমাই আনিলে আৰু পদ্মকল্পত ব্ৰহ্মাই কৃষ্ণৰ পৰা এই মহাফল লাভ কৰে।

'স্বাদত অমৃতময় কেৱল আনন্দ ৰস
আছিল পূৰ্ব্বক বৈকুণ্ঠত।
কৃষ্ণৰ কৃপাত পাছে অৰ্দ্ধেক বয়স গৈলে
পাইলা ব্ৰহ্মা পদ্মকল্পত।।'

ব্ৰহ্মাই এই ভাগৱত শাস্ত্ৰ চতুঃ শ্লোকত নাৰায়ণৰ পৰা লাভ কৰি নাৰদক দিলে, নাৰদে ব্যাসক দিলে,ব্যাসে শুকক শুনালে, শুকে ৰজা পৰীক্ষিতক দিয়াত পৃথিৱীত ই প্ৰচাৰ হ'ল। চাৰিশ্লোকৰ পৰা মুখ পৰম্পৰা বাগৰি শুকে বাৰশ্লোকত পৰীক্ষিতক শুনালে আৰু মুখৰ পৰা বাগৰি আহিলেও ইয়াৰ এটা কথাও ইফাল-সিফাল নহ'ল।

'ব্ৰহ্মা দিলা নাৰদক ইটো ফল ৰহস্যক
নাৰদে ব্যাসক আনি দিলা।
নগৈল তিলেকো ভাগি ইডালে সিডালে লাগি
শুক মুখে মাটিত নামিলা।।'৪৬২।।

"এই অমৃতময় ফল পান কৰা যাৰ ভাগ্য আছে তেওঁহে পান কৰিবলৈ পাব, অৰ্থাৎ ভক্তিৰস বিচৰা জনেহে লাভ কৰিব। সাধু বা ভক্তৰ সঙ্গলাভ কৰি কৰ্ণেৰে কৃষ্ণ কথা শ্ৰৱণ কৰিলে জীৱনৰ সমস্ত আপদ বিপদ দূৰ হ'ব।

"কৰাপান ফল ইটো যাৰ আছে ভাগ্যসিটো
ৰস বিভাবনত চতুৰ।
সাধু সঙ্গে যত্ন কৰি কৃষ্ণকথা কৰ্ণভৰি
সমস্তে আপদ কৰা দূৰ।"

"কালসৰ্পই এফালৰ পৰা গিলি আনিছে, ক্ষণে ক্ষণে আয়ুগৈ আছে, অকলে নিজ পথে আগবাঢ়িব লাগিব, পথৰ সম্বল আহৰণ কৰি ল'ব লাগিব। জীৱন পদুম পাতৰ পানী; কেতিয়া খহি পৰিব ঠিক নাই। মাধৱেহে পিতা,মাতা, ভকত অভয় দিওঁতা, গুৰু গুৰি বঠা ধৰোতা, হৰিয়ে অনুকূল বায়ু হৈ জীৱন ডিঙা প্ৰবল ঢৌৰ মাজেদি বাই নিব; গতিকে প্ৰতিক্ষণে এই কথা পাহৰি নাযাব।"

**২৯।বলভদ্ৰৰ মোহ ঃ**

শুকে পৰীক্ষিতক ক'লে যে, এবছৰ পাৰ হ'বলৈ পাঁচ-ছয় দিন থাকোতে কৃষ্ণই এদিন গৰু চৰাই থাকোঁতে বলৰামে বৃন্দাবনত প্ৰৱেশ কৰিলে।৪২৯।। সেই সময়ত গোৱালবোৰে গোবৰ্দ্ধন পাহাৰৰ শিখৰত গৰু চৰাই আছিল। গাইগৰুবোৰে বহুদূৰত বৎসগণক দেখা পালে আৰু আনন্দ অনুভৱ কৰিলে।৪৩০।। গাইবোৰে আনন্দত মতলীয়া হৈ পৰ্ব্বতৰ পৰা জাপ মাৰি পৰিবলৈ ধৰিলে আৰু ওসাৰৰ পৰা দুগ্ধ পৰিবলৈ ধৰিলে। গোৱালবোৰে মাৰি লৈ আগছিবলৈ ধৰিলে।৪৩১।। গাইবোৰে জাপ মাৰি গোৱালবোৰকো ডেই যাবলৈ ধৰিলে। নেজ ওপৰলৈ তুলি পোৱালিবোৰৰ ওচৰলৈ হেম্বেলিয়াই ঢাপলি মেলিলে।।৪৩২।। বায়ু বেগে গৈ বৎসগণক লগ পাই গাখীৰ খুৱাবলৈ ধৰিলে। পোৱালিবোৰৰ গা-বোৰ চেলেকিবলৈ ধৰিলে আৰু বৰ আনন্দ লাভ কৰিলে।৪৩৩।।

গোৱালবোৰে গাইবোৰ ৰাখিব নোৱাৰি খং আৰু অপমান পাই দাঁত কামুৰিবলৈ ল'লে।৪৩৪।। দুৰ্গম পথ অতিক্ৰম কৰি সিহঁতে বৰ কষ্ট পাই খং কৰি মাৰি দাণ্ডি গাইবোৰৰ ওচৰলৈ গ'ল।৪৩৫।। এইদৰে গৈ সিহঁতে দেখিলে যে গো-বৎস সহিতে নিজপুত্ৰগণ আছে। পুত্ৰগণক দেখি গোপগনে শান্ত্বনা লভিলে।৪৩৬।। গোৱালবোৰে নিজ সন্তান সকলক লগ পাই মৰম লাগিল আৰু হাতক ডাংবোৰ দলিয়াই পেলালে। তনয় গণক বাহুমেলি সাৱটি ধৰি,

মূৰত চুমাখাই বৰ আনন্দ পালে। আনন্দত চকুলো ওলাল আৰু লোতকে পুত্ৰগণৰ শৰীৰ তিয়াই পেলালে।৪৩৮।।

বলভদ্ৰই এই দৃশ্যবোৰ চাই আছিল আৰু তেওঁ বৰ আচৰিত হ'ল। গৰু আৰু গোপৰ মৰম-চেনেহ দেখি বলভদ্ৰই মনতে ভাবিলে যে এইবোৰ আচৰিত কাৰ্য হৈছে। ৪৩৯।। কাৰণ নতুনকৈ জগা পোৱালিবোৰ এৰি গাইবোৰ পিয়নি এৰা (বোকণ্ডা) পোৱালীক হে গাখীৰ পিবলৈ দিছে।৪৪০।। এনেবোৰ বিপৰীত কাণ্ড দেখি বলৰামে ভাবিলে যে এইবোৰ কৃষ্ণৰহে লীলা। কৃষ্ণৰ বাহিৰে আনৰ মায়াই তেওঁক মোহিব নোৱাৰে বুলি ভাবিলে।৪৪১-৪৪৩।।

বলৰামে জ্ঞান-চকুৰে চাবলৈ ধৰি দেখেযে গোৰক্ষ-দামুৰীবোৰ কৃষ্ণমূৰ্ত্তি। এনে দৃশ্যদেখি বলোভদ্ৰৰ জ্ঞান হেৰাই গ'ল। প্ৰতি গোৰক্ষ-দামুৰীয়ে চতুৰ্ভূজ মূৰ্ত্তি ধাৰণ কৰি আছে। ডিঙিত-তেওঁলোকৰ বনমালা আৰু গাত পীতবস্ত্ৰ। বলভদ্ৰই তেতিয়াহে বুজিলে এই সমস্ত কৃষ্ণৰ মায়া-ৰচনা। বৎসগণ ঋষিসকল, গোপ শিশুদেবতা সকল। বলভদ্ৰই কৃষ্ণক ক'লে—

'সমস্তে তুমিসে আবে দেখো বিপৰীত।
কহিয়ো সত্বৰে নাথ থিৰ নহি চিত।।"৪৪৪।।

বলভদ্ৰই প্ৰশ্ন শুনি কৃষ্ণই উত্তৰ দিলে— 'হে দাদা তুমি এইবোৰৰ বিষয়ে নাজানা। আমাৰ মহিমা পৰীক্ষা কৰিবলৈ ব্ৰহ্মাই আমাৰ গোৰক্ষ দামুৰী চুৰ কৰি নি মায়া কৰি কোনো অজ্ঞাত স্থানত নিজ পুৰীত থৈ নিজস্থানত আছেগৈ। মই গোৰক্ষ-দামুৰীৰ সৃষ্টি কৰি আগৰ দৰে ধেনুচৰাই ফুৰিছোঁ আৰু সকলোকে নি গোৱাল সকলৰ ঘৰত তেওঁলোকৰ নিজৰ পুত্ৰ হিচাবে আৰু ধেনু, দামুৰীবোৰকো তেনে ৰূপত ৰাখিছো।'৪৪৫-৪৪৭।। কৃষ্ণৰ পৰা বলভদ্ৰই সকলো বৃত্তান্ত জানিব পাৰি মোহভঙ্গ হয়।

**৩০। ব্ৰহ্মাৰ মোহ ঃ**

ব্ৰহ্মাৰ একক্ষণ মানবৰ বাবে এবছৰ কাল। এক্ষণৰ পাছতে ব্ৰহ্মাই আহি কৃষ্ণই গৰুচৰোৱা ঠাই পালেহি। ব্ৰহ্মাই দেখিলে যে পূৰ্ব্বৰ দৰে শিশুসকলে ক্ৰীড়া কৰি গো-বৎসবোৰক পালন কৰি আছে। তেওঁ অত্যন্ত বিস্ময়াভিভূত হ'ল। তেওঁ ভাবিলে কৃষ্ণই লুকুৱাই থোৱা গৰু-গোৰক্ষবোৰ লৈ আহিলে।৪৪৮-৪৪৯।।

ব্ৰহ্মাই তৎকালে তেওঁ লুকুৱাই থোৱা গৰুবোৰ চাবলৈ গৈ দেখিলে যে সেই সকলো গৰু-গোৰক্ষ শয়ন কৰি আছে। তথাপি গৰুবোৰৰ কিছুমান কৃষ্ণই নিব পাৰে বুলি ভাবি গণনা কৰি চালে। গণনা কৰি দেখিলে যে এটা গৰুও নিয়া নাই।৪৫০।। তেওঁ পুনৰ কৃষ্ণৰ ওচৰ পাই দেখিলে যে সেই একেখিনি শিশুৱেই ক্ৰীড়াত ব্যস্ত হৈ আছে আৰু সমস্ত গৰুও চৰি আছে। কৃষ্ণই এই গোৰক্ষ আৰু গৰুনো ক'ত পালে চিন্তিবলৈ ধৰিলে।৪৫১।। কোনটো সঁচা কোনটো মিছা তাৰ তত্ব ব্ৰহ্মাই নাপালে। মনত গুণি গুণি ব্ৰহ্মাই ভাবিলে কৃষ্ণক মোহিবলৈ গৈ তেওঁ নিজেই মোহত পৰিছে।৪৫২।।

'নিশবদ বিধি জ্ঞান চুৰুতি টুটিল।
আপোনাৰ শৰে যেন আপুনি ফুটিল।।
মহন্তক মায়া কৰি আপোনাকে নাশে।
সূৰ্য আগে যেন জুই আঙ্গনি প্ৰকাশে।৪৫৩।।
সাগৰৰ আগে ক্ষুদ্ৰ নদী বাৰে চটি।
বাড়ব বহ্নিৰ আগে যেন ফিৰিঙতি।।
প্ৰচণ্ড বায়ুক জোৰে শিমলুৰ তুলা।
মেৰু পৰ্ব্বতৰ আগে যেন উইছুলা।৪৫৪।।

ব্ৰহ্মাৰ মাত হৰিল, জ্ঞান, হেৰাল, নিজৰ শৰে যেন নিজকে শালিলে। মহন্তক মায়া কৰিলে নিজৰে সৰ্ব্বনাশ হয়। সূৰ্যক জুয়ে ঢুকি নোপোৱাৰ দৰে ব্ৰহ্মায়ো পৰমব্ৰহ্মক মায়াৰে মোহিত কৰিবলৈ যোৱাৰ ফল লভিলে। সাগৰক নদীয়ে উপলুঙা কৰা যেনে কথা, বাড়ৱ অগ্নিৰ আগত জুইৰ ফিৰিঙতি যেনে, প্ৰচণ্ড বায়ুৰ আগত শিমলু তুলা যেনেকৈ উৰি যায়, মেৰু পৰ্ব্বতৰ তুলনাত উঁইহাফলু যেনে, কৃষ্ণৰ ওচৰত ব্ৰহ্মাও তেনে ক্ষুদ্ৰ হৈ পৰিল।৪৫৪।। সিংহৰ আগত নিগনিৰ অতপালি কৰাৰ দৰে ব্ৰহ্মাই কৃষ্ণক মায়াৰে মোহিব বিচৰাটো ব্ৰহ্মাৰ মিছা দম্ভৰ দৰে হ'ল। ব্ৰহ্মাই এনে কাৰ্য কৰাৰ বাবে বুদ্ধিভ্ৰষ্ট হ'ল।৪৫৫।।

সৃষ্টিকৰে কৃষ্ণলৈ একেথিৰে চাই থাকোঁতেই চতুভূজ মূৰ্তি এৰি কৃষ্ণই নিজৰূপত দেখা দিলে।৪৫৬।। কৃষ্ণৰ হাতত শিঙা, বেত, বাশী দেখা পালে ব্ৰহ্মাই। সকলো বৎস পালে কৃষ্ণৰ মূৰ্ত্তি ধাৰণ কৰিলে।৪৫৭।। সকলো বৎসপালৰ শৰীৰৰ বৰণ ঘনশ্যাম, সুস্থ শৰীৰ, চতুৰ্ভূজ ৰূপ, শৰীৰত পীতবস্ত্ৰ, হাতত শঙ্খ-চক্ৰ-গদা-পদ্ম, শিৰত কিৰীটি, কৰ্ণত কুণ্ডল, হাতত তিনিশিৰীয়া কঙ্কন, চৰণত নূপূৰে শোভা কৰি দেখা দিলে। মূৰৰ পৰা ভৰিলৈকে পদ্ম মালা

পিন্ধি আৰু তুলসীৰ মালা তেওঁলোকে লৈ পদুম পাহিৰ দৰে নয়নেৰে হাঁহি হাঁহি ব্ৰহ্মালৈ কটাক্ষ কৰি নিৰীক্ষণ কৰিলে। ভকতৰ মন মোহিবৰ বাবে বৎসপাল আৰু বৎসসকলে এনে মাধুৰ্য ৰূপ প্ৰদৰ্শন কৰিলে। তেওঁলোকৰ সৌন্দৰ্য কোটি ইন্দু সদৃশ হৈ ধৰা দিলে।৪৬০।।

'একো ব্ৰহ্মাণ্ডৰ চৰাচৰ লৈয়া আসি।
গাঁৰে গাঁৰে একো ব্ৰহ্মা আছন্ত উপাসি।।'

কৃষ্ণৰূপত থকা বৎসপাল বৎসবোৰে প্ৰতিজনেই একোখন ব্ৰহ্মাণ্ড; তাত চৰা-চৰ (চৈতন্য আৰু জড়) জগতক লৈ আছে আৰু একো একোজন ব্ৰহ্মাই স্তুতি কৰি থকা ব্ৰহ্মাই দেখা পালে।৪৬১।। মহামায়া প্ৰমুখ্যে বিভূতিসমূহে বেঢ়ি, অষ্ট ঐশ্বৰ্যই প্ৰণাম কৰি থকা কৃষ্ণৰূপী তেওঁলোকক ব্ৰহ্মাই প্ৰত্যক্ষে দেখা পালে। সেই ব্ৰহ্মৰূপী ভগৱন্ত অস্থূলম, অননু, অহ্রস্বম, অৰ্ঘীঘম্, অনুৰণীয়ান, মহতোমহীয়ান্।

চব্বিশ তত্ত্ব তিনিগুণ বেদশাস্ত্ৰ যত।
মূৰ্ত্তিমন্ত ছয় তৰ্ক পুৰাণ ভাৰত।৪৬২।।

বেদ, ছখন তৰ্কশাস্ত্ৰ, পুৰাণ, মহাভাৰত শৰীৰত ধাৰণ কৰি তেওঁ বিৰাজমান। চৌবিশ তত্ত্ব তেওঁৰ দেহত প্ৰবিষ্ট হৈ আছে। পঞ্চমহাভূত+ পঞ্চ জ্ঞানেন্দ্ৰিয়+পঞ্চ কৰ্ম্মেন্দ্ৰিয়+পঞ্চতন্মাত্ৰ+মন+বুদ্ধি +চিত্ত +অহঙ্কাৰ এই চৌবিশ তত্ত্বৰ উপৰি তিনিগুণ আৰু মূল প্ৰকৃতিক ধৰি আঠাইশ তত্ত্বও তেওঁতে সন্নিবেশ হৈ আছে। এনে মূৰ্তিমন্ত কৃষ্ণক বেঢ়ি লৈ তত্ত্বসমূহে মহিমা কীৰ্তন কৰিছে। সমস্তৰে উচ্চত প্ৰভুনাৰায়ণে প্ৰকাশ মান হৈ থকা বিৰিঞ্চিয়ে দেখা পালে।৪৬৩।।

আত্মা পৰব্ৰহ্ম, আত্মা নিত্য-নিৰঞ্জন। পৰব্ৰহ্মই চৰাচৰ জগতক পোহৰ কৰি ৰাখিছে আৰু চৰাচৰ জগত সকলোতে প্ৰবিষ্ট হৈ আছে। মহামহা জ্ঞানীসকলে যিজনক সদায় ধ্যান কৰে, যাৰ মহিমা বুজিবলৈ শক্তি নাই; সেই নিত্য-নিৰঞ্জনেই কৃষ্ণ হৈ ধৰাধামত প্ৰকাশ পাইছে।৪৬৪।।
তেওঁ অনন্ত আনন্দ ৰসৰূপে মূৰ্ত্তিধাৰণ কৰি আছে, তেওঁ কোটি কোটি সূৰ্যৰ দৰে পোহৰ হৈ প্ৰকাশ হৈছে। এই সমস্ত মাহাত্ম্য দেখি ব্ৰহ্মা আচৰিত হ'ল।৪৬৫।

ব্ৰহ্মাই হঠাতে চমকি উঠিল, গাৰ নোমবোৰ শিহৰি উঠিল, ব্ৰহ্মাৰ জ্যোতিয়ে তেওঁক দিগভ্ৰান্ত কৰি তুলিলে, তেওঁৰ চমৎকাৰ মূৰ্ত্তি দেখি বিধিৰ শৰীৰ থৰথৰকৈ কঁপিবলৈ ধৰিলে।৪৬৬।। মহামোহত পৰি তেওঁ চেতনাহীন হৈ পৰিল, নিজবাহন হংসতে আঁঠুকাঢ়ি পৰিল আৰু চকু ওলাই যাওঁ, ওলাই যাওঁ হ'ল, হাত-ভৰি নিস্পন্দ হ'ল আৰু মুখ বিবৰ্ণ হ'ল। তেওঁৰ উশাহ বন্ধ হৈ যোৱাৰ দৰে হ'ল।৪৬৭।।

ব্ৰহ্মা প্ৰায় মৃতকৰ দৰে হ'ল, পেট উখহিল, হৃদয় বিকম্পিত হ'ল আৰু চাৰিখন মুখ মৃতকৰ দৰে দেখা গ'ল আৰু দাঁতবোৰ জিলিকি পৰিল।৪৬৮।।

যিটো প্ৰকৃতিত পৰ প্ৰভূ ভগৱন্ত।
বেদান্তৰো মুখ্যভাগে যাক প্ৰকাশন্ত।।
নিজ ব্ৰহ্মৰূপ আতি অতৰ্ক মহিমা।
তাঙ্ক কি চক্ষুৰে চাহিবাক পাৰে ব্ৰহ্মা।।৪৬৯।।

মহাপুৰুষ মহাপ্ৰকৃতিতকৈ শ্ৰেষ্ঠ। প্ৰভু ভগৱন্ত বেদান্তৰ মূলতত্ব অদ্বৈত পুৰুষ। 'একম্ এবম্ অদ্বিতীয়ম্' 'একংসৎ', প্ৰকৃতি তেওঁৰ অধীনত। ব্ৰহ্মসূত্ৰ, ঔপনিষদ, গীতাক একেলগে বেদান্ত বুলি কোৱা হয়। বেদান্ত দৰ্শনৰ মতে জীৱ-জগত-মায়া এক ঈশ্বৰৰ ইচ্ছাত হোৱা সত্তা। তেওঁৰ মহিমা কোনেও তৰ্কিব নোৱাৰে, তেওঁ ব্ৰহ্মৰূপী অনন্ত সূৰ্যৰ প্ৰভা। তেনে সত্তাক ব্ৰহ্মাই কেনেকৈ চকুৰে চাই থাকিব পাৰিব?৪৬৯।।

ব্ৰহ্মাৰ ধাতু টিমিক্ টিমিক্ কৰি স্পন্দন হৈ থাকিল। ব্ৰহ্মাৰ শোচনীয় অৱস্থা দেখি চক্ৰপানিয়ে হাঁহি মাৰিলে।৪৭০।। বিধাতালৈ দয়া উপজাত কৃষ্ণই নিজৰ মায়া সঙ্কোচিত কৰিলে; তেওঁৰ যিমানবোৰ ৰূপ আছিল সকলোবোৰ সম্বৰণ কৰিলে আৰু ব্ৰহ্মাক মোহ-সাগৰৰ পৰা উদ্ধাৰ কৰিলে।৪৭১।। কৃষ্ণৰ কৃপাত ব্ৰহ্মাই চেতনা ঘূৰাই পালে, চকু দুটি অলপ অলপকৈ মেলিবলৈ ধৰিলে, হাতদুখনত ভিৰ দি লাহে লাহে উঠি বহিল।৪৭২।। নিজৰ দেহ কিছু স্বস্ত কৰি অতি দুঃখত কাতৰ কৈ আঠটি চকু মেলিলে। তেওঁ চতুৰ্ভিতি সচকিত নয়নে চালে, তেওঁ সন্মুখতে বৃন্দাবন দেখিবলৈ পালে।৪৭৩।। ফল-ফুলে বৃন্দাবন জাতিস্কাৰ হৈ আছে, সিংহ-বাঘ, ছাগ, গৰু গাইবোৰ পালে পালে বিচৰণ কৰি থকা দেখা পালে। সিহঁতে কোনেও কাকো আক্ৰমণ কৰা দেখা নাপালে।৪৭৪।। সিহঁতে মিত্ৰভাৱে বঞ্চে, সিহঁতৰ ক্ষুধা, তৃষ্ণা, কাম, ক্ৰোধ নাই। বৃন্দাবনত ব্ৰহ্মাই কৃষ্ণক একেশ্বৰে দেখা পালে।৪৭৫।।

শিঙা-বেত-বংশী কাযত থৈ এহাতেৰে এমুঠি ভাতলৈ গোৰক্ষ-

দামুৰীবোৰ চাই ফুৰা কৃষ্ণক দেখিলে। নন্দ-শিশুৰূপধৰি নৃত্য কৰাও দেখা পালে।৪৭৬। ব্ৰহ্মাই এই দৃশ্য দেখি হংস যানৰ পৰা জাপমাৰি কৃষ্ণৰ সন্মুখত লোট-সোট হৈ দীঘল দি পৰিল।৪৭৭।। ব্ৰহ্মাই অবনত হৈ মুকুতৰ আগেৰে কৃষ্ণৰ অৰুণ চৰণ স্পৰ্শ কৰি প্ৰণাম কৰিলে। লোতকেৰে তেওঁৰ মুখ তিতিল, আৰু চকুলো গোবিন্দৰ পাদপদ্মত পেলালে।৪৭৮। পুনঃপুনং কৃষ্ণক মিনতি কৰি থাকিল। কিছু সময়ৰ মূৰত হাত; চকু মচি ব্ৰহ্মাই মূৰ দোৱাই কৃষ্ণক।৪৭৯।। সেৱা জনালে। ব্ৰহ্মাই কৃষ্ণক গোপ শিশুৰূপকে প্ৰথমে বৰ্ণনা কৰিবলৈ ধৰিলে।৪৮০-৪৮১।।

**উপদেশ ঃ**

কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে মানৱ সমাজক উপদেশ দি কৈছে যে মানৱ জীৱন পানীৰ বুৰবুৰণিৰ দৰে অথিৰ, ধন-জন-বন্ধু আদি সকলোবোৰ অকাৰণ, এইবোৰ এই আছে, এই নাই। মুঠতে মানুহৰ জীৱনৰ সকলো সুখ-শান্তি-বৈভৱ এটা সপোন।৪৮২।। এইবোৰৰ বাবে অমূল্য মানৱী জীৱন অবাবতে নষ্ট কৰিব নালাগে। তাৰ পৰিবৰ্তে একচিত্তে মাধবৰ গুণগান কৰাহে উচিত। কাৰণ আনকি ব্ৰহ্মায়ো মানৱী তনুলাভ কৰিবলৈ বাঞ্ছা কৰে। ইয়াক কাচৰ বাবে বিক্ৰি কৰিব নালাগে। সঞ্জীৱনী মণি সদৃশ নৰজীৱন যি কোনো পাৰ্থিৱ বস্তুৰ বিনিময়ত বেচিব নালাগে।।৪৮৩।।

‘জল বুদবুদ্ যেন অথিৰ জীৱন।।’
ধন জন ‘বন্ধু য’ত সবে অকাৰণ।
এই আছে এই নাই সম্যকে সপোন।।৪৮৪।।
তাৰ অৰ্থে নৰ তনু নকৰিয়ো বৃথা।
একচিত মনে শুনা মাধবৰ কথা।।
লভি আছা জন্ম যিটো ব্ৰহ্মাৰ বাঞ্ছনী।
নিবিকা কাচৰ মোলে মৃত্যু সঞ্জীৱনী।।৪৮৩।।

যমদূতে অৰ্থাৎ কালে একেতিলে জীৱন কাঢ়ি লৈ যাব, যমৰ মূৰ্ত্তিক দেখি চেতনা হেৰাই যাব, দুৰ্ঘোৰ নৰকত পেলাই অশেষ-অসহ্য যান্ত্ৰণা ভোগাব। দুখৰ সাগৰৰ পৰা উদ্ধাৰ পাবলৈ ঈশ্বৰৰ পৰম মঙ্গলময় নাম-গুণ-কীৰ্ত্তন-শ্ৰৱণ কৰা উচিত। উদ্ধৱৰ আগত কৃষ্ণই কৈছে ‘যি লোক অতি টেঙৰ তেওঁলোকে আন সকলো এৰি মোক ভজে আৰু মুক্তি লাভ কৰে। ব্ৰহ্মভূবনত মৃত্যুৰ হাত নেৰায়, মহাযত্ন কৰি ব্ৰহ্মলোকত জন্ম পালেও কালৰ হাতত মৃত্যু হ’বলগীয়া হয়। জন্ম মানেই মৃত্যু অঙ্গাঙ্গি। মৃত্যু ভয় মহাপ্ৰপঞ্চত থাকিবই।

চৈধ্য ব্ৰহ্মাণ্ডই প্ৰপঞ্চ—।।৪৮৩-৪৮৭।।

| | |
|---|---|
| সপ্তস্বৰ্গ | সপ্তপাতাল = ১৪ ব্ৰহ্মাণ্ড |
| ভূ ঃ (পৃথিৱীলোক) | বিতল |
| ভূব ঃ (আলোকলোক) | অতল |
| স্বঃ স্বৰ্গলোক | নিতল |
| মহ ঃ | সুতল |
| জন ঃ | মহাতল |
| তপ ঃ | ৰসাতল |
| ব্ৰহ্মালোক ঃ | তলাতল |

**৩১। ব্ৰহ্মাৰ কৃষ্ণ-স্তুতি ঃ**

কৃষ্ণৰ মহামাহাত্ম্য আৰু বিষ্ণুমায়াৰ মোহত পৰি জ্বলা-কলা হোৱাৰ পাছত ব্ৰহ্মাই পৰমজ্ঞান লাভ কৰি কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে। শিৱই বিষ্ণুমায়াত পৰি লটিঘটি হোৱাৰ পাচত কৃষ্ণক স্তুতি কৰিছিল। মাৰ্কণ্ডেয় মুনিয়েও বিষ্ণুমায়া চাবলৈ বিচাৰি অশেষ দুখ-কষ্ট ভূগি বাল মুকুণ্ডক স্তুতি কৰিছিল। প্ৰধান দেবতা ব্ৰহ্মা-শিৱৰে তেনে অৱস্থা, অইনৰ কথা কৈ লাভ নাই।

ব্ৰহ্মাই প্ৰাৰ্থনা কৰি কৈছে—‘হে নন্দসূত, হে তনু ঘনশ্যাম, হে পীতবস্ত্ৰ পৰিধানকাৰী, তুমি কাষত শিঙা-বেত-বেনু-বংশী, হাতত এগৰাহ ভাত লৈ আছা। তোমাৰ কাণত গুঞ্জামণি, মূৰত মৈৰাপাখি, হাস্যসুন্দৰ বদন, ডিঙিত বন্য পুষ্পমালা আৰু সুকোমল পদযুগলেৰে শোভি আছাঁ।৪৮৮।। তোমাৰ শুদ্ধ-সত্য চৈতন্যময় তনুত যিমানবোৰ মহিমা আছে, আমি তাৰ মহিমা নাপাওঁ। তেওঁৰ অপাৰ, মহিমা জনা দুৰুহ, তেন্তে অজ্ঞানী সকলে কেনেকৈ তৰিব?৪৮৯।। তাৰ উপায় মহন্ত সকলে কৈছে- যে প্ৰথম অৱস্থাত ক্ষুদ্ৰ জ্ঞান লাভ কৰি ভগৱন্তক কায়-বাক্য-মনে মহন্তৰ পৰা শ্ৰৱণ কৰিলে অতি অপ্ৰয়াসে জগতৰ ঈশ্বৰক লাভ কৰিব পাৰে।৪৯০।। তেওঁক ভক্তি কৰিলে মুক্তিকো লাভ কৰে। জ্ঞানী বা ব্ৰহ্মবাদীয়ে জ্ঞান পথেদি মুক্তি লাভ কৰিবলৈ যোগ-অভ্যাস কৰে, কিন্তু এনে সাধনাত দুঃখকষ্টহে পায়, পাছত হে বুজি উঠে যে কৃচ্ছ সাধনাৰ যোগে ভগৱন্তক পোৱা দুঃসাধ্য। ভক্তিহে ধান, অন্যপথ পতানৰ দৰে।৪৯১।। আনকি

শুকমুনিয়েও অৱশেষত ভকতিৰ তত্ত্ব জানি ভাগৱত শাস্ত্ৰত মনোনিবেশ কৰিছিল। পূৰ্ব্বকালত এই সম্পৰ্কে বহুত উদাহৰণ আছে। ভকতে শ্ৰৱণ-কীৰ্ত্তন কৰিয়েই তোমাক লাভ কৰিলে। জগতৰ হিত সাধন কৰিবলৈ তুমি অৱতাৰ গ্ৰহণ কৰিছা। তোমাৰ অচিন্ত্য গুণসমূহক কোনে গণনা কৰিব পাৰে? কাৰ এনে শক্তি আছে?৪৯২।।

‘হিমৰ কণিকা গণৈ যিটোজনে
পৃথিৱীৰে লেখে ধূলি।
অনেক জনমে নজানিবে সিটো
তোমাৰ গুণ সমূলি।।’

হিমৰ কণিকা, পৃথিৱীৰ ধূলি লেখি অন্ত কৰিব নোৱাৰাৰ দৰে অনেক জন্মত তোমাৰ গুণসমূহ লেখি অন্ত কৰিব নোৱাৰে। কৰ্ম্মবন্ধৰ বিপাকত পৰি দুঃখ ভূঞ্জি তোমাৰ কৃপা বিচাৰি যিজনে কায়-বাক্য-মনক এক কৰি তোমাক সেৱা কৰে, তেওঁ মোক্ষ পায়।৪৯৩।।

হে নাৰায়ণ, মই যে কিমান দুৰ্ব্বল, মই মৰিবলৈও ভয় নকৰিছিলোঁ, মায়াবীৰ পৰম ঈশ্বৰ তোমাক মুহিবলৈ চাইছিলোঁ। তোমাৰ মহিমাক মই পৰীক্ষা কৰিবলৈ চাইছিলোঁ, মই মোৰ ক্ষুদ্ৰতম মায়া প্ৰকাশ কৰি, কাৰণ প্ৰচণ্ড অগনিক ক্ষুদ্ৰা ফিৰিঙতিহে মই তোমাক পৰীক্ষা কৰিবলৈ গৈছিলোঁ।৪৯৪।।’

ব্ৰহ্মাই পুনৰ নিজৰ শক্তি-সামৰ্থ্য, জ্ঞান-বিবেকক ভগৱন্তৰ অনন্ত-অসীম মহিমাৰ ওচৰত ক্ষুদ্ৰাতিক্ষুদ্ৰ জ্ঞান কৰি কৃষ্ণক স্তুতি কৰিলে—

‘মই জগতক স্ৰজো বুলি, মই ব্ৰহ্মা বুলি অহঙ্কাৰ কৰি অন্ধ হ’লো। মোৰ পৰম অজ্ঞানতাক হে স্বামী ভৃত্য বুলি ক্ষমা কৰা। গৰ্ভস্থ সন্তানৰ ভৰি আস্ফালনত মাতৃয়ে দুঃখ পালেও সন্তোষ বুলিহে ধৰে।

গৰ্ভত থাকন্তে যেন ছৱালে আছাৰে ভৰি
তাত কি মাতৃৰ অসন্তোষ।
তোমাৰ কুক্ষিত ইটো আছে চৰাচৰ সবে
হেন জানি মৰষিয়ো দোষ।।৪৯৫।।

তেনেদৰে তোমাৰ গৰ্ভৰ ভিতৰতে চৰাচৰ বিশ্বপ্ৰবিষ্ট হৈ আছে, ময়ো তোমাৰ কুক্ষিতে থকা ক্ষুদ্ৰ বালিৰ কণিকা; গতিকে মোক ক্ষমা কৰা প্ৰভু। হে প্ৰভু, মই তোমাৰ নিজ ভৃত্য; কিয়নো তোমাৰ নাভি পদ্মতে মই জন্ম লাভ কৰিছোঁ। তুমি মোৰ নিজ পিতৃ; গতিকে নিজপুত্ৰৰ দোষ ক্ষমা কৰা। হে প্ৰভু, এই ব্ৰহ্মপদ আৰু আমাক নালাগে, কীট-পতঙ্গহে থাকিবলৈ দিয়া। এনে জন্ম লৈয়েই তোমাৰ চৰণচিন্তি তোমাৰ ভকতৰ লগত জীয়াই থাকোঁ।৪৯৬।।

বৃন্দাবনৰ এই গাইসমূহ, গোপীসমূহে সম্ফল জীৱন লাভ কৰিলে; কিয়নো দেৱৰো দেৱ শ্ৰীহৰিয়ে এওঁলোকৰ স্তনপাণ কৰি পৰম তৃপ্তি লাভ কৰিলে। মহামহা যজ্ঞ কৰিয়ো শ্ৰীহৰিক তুষ্ট কৰিব পৰা নাযায়, তেনে হৰিক সন্তোষ কৰিব পৰাৰ ভাগ্য গোপী আৰু ধেনুগণৰ ভাগ্যত ঘটিল। গতিকে দেৱজন্মতকৈ অজাতি ভকতয়ে শ্ৰেষ্ঠ তাক নিশ্চিত হলোঁ।৪৯৭।। ব্ৰজৰ প্ৰজা গণৰ এই মহাভাগ্য, এওঁলোক কি পুণ্য আচৰি এই মহাফল লভিলে? তুমি সনাতন পূৰ্ণ পৰমানন্দ, তুমি অবতাৰ হৈ ব্ৰজবাসীৰ মিত্ৰ হ’লাহি। এই বৃন্দাবনত তৃণ হৈ থাকিব পাৰিলেও মোৰ মহাভাগ্য উদয় হ’ব। কিয়নো গৰু, গোপ, গোপিকাৰ চৰণৰ স্পৰ্শ ইয়াত তৃণহে থাকিলে পাম।৪৯৮।।

চাৰিবেদেও তযু চৰণৰ ধূলি পাবলৈ বিচাৰি হাবাথুৰি খায়, তুমি ব্ৰজবাসীৰ জীৱন হৈ মহিমা প্ৰকাশ কৰিছাঁ। গোপিকাৰ বেশেৰে আহি তোমাক কোলাতলৈ পুতনাই তোমাক স্তনদান কৰিলে আৰু তুমি তাইক মুক্তি দিলা।৪৯৯।। ব্ৰজৰ পৰম ভক্তা সকলক তোমাৰ ওচৰত শুজিব নোৱাৰা ধাৰ থাকিল। ৰাগ, লোভ, মোহ, গৃহ বন্দীশালত থকা সকলেও তোমাৰ পাদ-পদ্মত ভকতি কৰি মুক্তি লাভ কৰে।৫০০।। তুমি সমস্তৰে চিত্তজগতত সোমাই আছা বাবে তুমি সকলোকে জানা। তোমাত শৰীৰ অৰ্পণ কৰিলোঁ, তোমাৰ দাস হ’লো, মোৰ মোহ-পাশ ছিঙিপেলোৱা, মোক কৃপা কৰা প্ৰভু। হে জগতৰ আধাৰ হে বৃষ্ণিকুল মণি, হে পৰমপ্ৰকাশ সূৰ্য মণি, তুমি দেৱ-দ্বিজৰ সংৰক্ষক। তুমি দুষ্ট দানৱৰ ক্ষয়ঙ্কাৰী নাৰায়ণ, তোমাৰ চৰণত প্ৰণাম জনাওঁ।৫০১।। প্ৰজাপতিয়ে নানামতে স্তুতি কৰি কৃষ্ণৰ চৰণতধৰি পৰি আছিল। ব্ৰহ্মাৰ ভয় দেখি হাস্যমুখে কৃষ্ণই তেওঁক আশ্বাস-কৰিলে আৰু ব্ৰহ্মায়ো ভয়হীন হৈ তিনিবাৰ কৃষ্ণক প্ৰদক্ষিণ কৰি পুনৰ প্ৰণাম জনালে। কৃষ্ণৰ পৰা বিদায়লৈ প্ৰজাপতি হংস যানত উঠি নিজস্থানলৈ গমন কৰিলে।৫০২।।

ইয়াৰ পাচত কৃষ্ণই ব্ৰহ্মাই নিয়া গোপশিশুসকলক যমুনাৰ বালিলে আনিলে। সকলোৰে কৃষ্ণক মণ্ডলাকাৰে আগুৰি উপাসা কৰিবলৈ ধৰিলে। ব্যৎসবোৰো কৃষ্ণই আনিলে আৰু সকলো একেলগ হ’ল।৫০৩।। শিশুসকলে

কৃষ্ণচন্দ্ৰক পাই নথৈ আনন্দ পালে আৰু কুশল-মঙ্গল সুধিলে গোপশিশুসকলৰ সৈতে ভোজন কৰি অঘ অসুৰৰ শুকান ছাল আনি কৃষ্ণই সকলোৰে লগতে খেড়ি খেলিবলৈ ধৰিলে।৫০৩-৫০৫। গোপগণে বংশী, শিঙা, পেঁপা বজাই, গীত গাই গৈ গৈ গোষ্ঠত প্ৰবেশ কৰিলে।৫০৬।। শিশুগণে গৈ পৰ্ব্বত আকাৰৰ সৰ্পক কৃষ্ণই বধ কৰি গোপগণক ৰক্ষা কৰাৰ কথা ক'লে।৫০৭।।

শুকে ক'লে যে— সম্যক অমৃতৰ তুল্য কৃষ্ণৰ চৰিত্ৰ পাপ নাশৰ প্ৰধান ঔষধ। অঘাসুৰৰ মোক্ষন, কৃষ্ণৰ ভোজন, ব্ৰহ্মামোহন ও স্তুতিৰ কথা যি একমনে শ্ৰৱণ কৰে, তেওঁ মুক্তি লাভ কৰে।৫০৮।। মাধবৰ পাদ পদ্মত আশ্ৰয় লোৱা জনে মৃত্যুৰ পাছত বৈকুণ্ঠত স্থান পায়। এয়ে ভকতৰ পৰম গতি।৫০৯।।

**উপদেশ ঃ**

হৰিৰ চৰিত্ৰ সম্যকে অমৃত। ক্ষণভঙ্গুৰ শৰীৰৰ বিনাশ কেতিয়া হয়, একো ঠিক নাই। এই নৰতনু লাভ কৰি মিছা বিষয়-জঞ্জালত লিপ্ত নাথাকি, হৰিক ভজনা কৰা উচিত।৫১০।।

'যেন বিষলতা    চয় ফলে ফুলে
আছে ঝক্‌মক্ কৰি।
প্ৰথমে সুন্দৰ    দেখন্তে পাছত
পৰশিলে যায় মৰি।।
সেহিমতে ইটো    পুত্ৰ দাৰা ধন
বিষয়ৰ যত সুখ।
প্ৰথমে আনন্দ    মিলয় পাছত
গুচন্তে পৰম দুখ।৫১১।।

বিষলতাবোৰত ফুলফুলি ঝক্‌মক্ কৰি থাকে। প্ৰথমতে দেখাত সুন্দৰ বিষলতাৰ ফুল-ফল হাতেৰে স্পৰ্শ কৰাৰ লগে লগে নষ্ট হয়। সেইদৰে পুত্ৰ, ভাৰ্যা, ধন, বিষয় সমস্ত সুখ-সম্ভোগত প্ৰথম অৱস্থাত আনন্দ হ'লেও পাচলৈ এইবোৰ দুখৰ কাৰণ হৈ উঠে। ধন, জন, পুত্ৰ, ভাৰ্য্যা আদিবোৰ মৰিলে লগত নাযায়। হৰিভক্তি কিন্তু ইহলোকত লগৰীয়া আৰু পৰলোকৰো পৰমধন। গতিকে মাধৱৰ নাম গলত বান্ধি ভৱনদী পাৰ হ'ব পাৰি। বয়স বাঢ়ি অহাৰ লগে লগে ব্যাধিয়ে শৰীৰ দুৰ্ব্বল কৰে, ইন্দ্ৰিয়বোৰ অকামিলা হৈ আহে, গতিকে দেহা থাকোতেই মুকুতিৰ বাবে ভক্তি কৰা উচিত।৫১২।। কলিযুগত মাধবৰ নাম লোৱাৰ বাহিৰে অন্য গতি নাই। নাম ললে নিজেও তৰা যায় আৰু পুৰুষোকো উদ্ধাৰ কৰিব পৰা হয়।৫১৩।।

**৩২। গৰখীয়াবেশে কৃষ্ণৰ বনগমন ঃ**

শুকমুনিয়ে ৰজাক ক'লে— 'গুৱালসকলৰ ভিতৰত বলৰাম আৰু কৃষ্ণ প্ৰধান গুৱাল হৈ বৎসবোৰ এৰি ধেনুগণক চৰাই লৈ ফুৰিছিল। তেওঁলোক বৃন্দাবনত ধেনু চৰাই বৃন্দাবনক পবিত্ৰ কৰিলে।৫১৪।। এদিন তেওঁলোকে গাইবোৰ আগত লৈ অৰণ্যত প্ৰৱেশ কৰিলে। গোপগণে নানাধৰণৰ ৰংতামাচা কৰি, কৃষ্ণগুণ গাই গাই, বৃন্দাবনৰ অনুপম সৌন্দৰ্য্য চাই চাই অগ্ৰসৰ হ'ল।৫১৫।।

বিভিন্ন পক্ষীকুলে নানা মাতেৰে অৰণ্য মুখৰিত কৰিছিল, ভোমোৰাই মধুৰ গুঞ্জন কৰিছিল, নানা তৰহৰ জন্তুৱে বিধে বিধে বিচৰণ কৰিছিল। শীতল সুগন্ধি বায়ু সৰ্ব্বক্ষণতে প্ৰবাহিত হৈছিল। এনে মধুৰ পৰিবেশত কৃষ্ণই ক্ৰীড়িবলৈ মন কৰিলে।৫১৬।। কৃষ্ণই ৰঙা ৰঙা কুঁহিপাত, ফল, ফুলবোৰ ওলোমাই শিখা তৈয়াৰ কৰিলে। বৃক্ষ হৈ ৰাম আৰু কৃষ্ণৰ চৰণ স্পৰ্শ কৰাত কৃষ্ণই বলৰামক কলে এই বৃক্ষবোৰৰ যেন পুনৰ বৃক্ষজন্ম নহওক আৰু আমাৰো বৃক্ষজন্ম নহওক' বুলি নমস্কাৰ কৰিলে।৫১৮।। কৃষ্ণই পুনৰ ক'লে—'দাদা, ইয়াৰ ভোমোৰাবোৰ মুনিসকল আৰু এওঁলোকে তোমাৰেই জয়গান গাইছে। তুমি গুপ্ত হৈ আত্মাদেৱ হিচাবে বৃন্দাবনত বিচৰণ কৰি ফুৰিছা। গোপন ভাৱে থাকিলেও বৃক্ষ হৈ, ভোমোৰা হৈ তোমাকে সেৱা জনাই ফুৰিছে।৫১৯।। তোমাক দেখি মৈৰাবোৰে নৃত্য কৰিছে, কুলিয়ে কুউকুউ মাতেৰে গীত গাইছে, হৰিণা-গণে তোমালৈ সতৃষ্ণ নয়নেৰে চাইছে; যেন মহন্তক পাই সজ্জন সকলে অৰ্চনাহে কৰিছে।৫২০।।'

'এই ধৰণীৰ জীৱন সম্ফল হৈছে; য'ৰ তৃণ-লতাই তোমাৰ চৰণ চুইছে।' বৃন্দাবনৰ পশু-পক্ষী ধন্য হৈছে।৫২১।। কৃষ্ণই এইদৰে বৃন্দাবনৰ মাহাত্ম্য বৰ্ণনা কৰিছে।৫২২।। কৃষ্ণই ভ্ৰমৰৰ লগে লগে যেন উৰি গৈছে, কুকিলৰ দৰে মাত মাতিছে, হংস হৈ হংসৰ মাত মাতিছে, মৈৰাহৈ মৈৰাৰ দৰে চালি ধৰিছে, নানা পক্ষীৰ মাত মাতি সকলোকে হঁহোৱাইছে।৫২৩।।

গোপশিশু গণেও গাইবোৰক নাম ধৰি ধৰি মাতিছে, গাইবোৰেও হেম্বেলিয়াই কাষলৈ আহিছে, সিংহ-বাঘ আদিক দেখি কোনোবা ভীত হৈছে আৰু পলাবলৈ ধৰিছে।৫২৪।। বলৰামে ক্ৰীড়া কৰি শ্ৰান্ত-ক্লান্ত হৈ পৰাত কৃষ্ণই ভৰি পিতিকি দিছে, গোপগণে নাচি, গাই, হাঁহি ৰাম কৃষ্ণক প্ৰশংসা কৰিছে,

কেতিয়াবা তেওঁলোকে বাহুযুদ্ধ কৰি গছৰ তলত শুই পৰিছে। কৃষ্ণয়ো বৃক্ষৰ ছায়াত দীঘলদি গোপৰ কোলাত মূৰথৈ জিৰণি লৈছে।৫২৫-৫২৬।।

কোনোৱে আনজনৰ শৰীৰত শীতল জল সিঁচিছে, কোনোৱে বৃক্ষৰ পল্লৱ লৈ বিচিছে, কৃষ্ণ গুণ-গাই প্ৰেমে পুলকিত হৈছে, কোনোৱে কৃষ্ণৰ চৰণ চাই থিয় হৈ আছে, গোপগণে এইদৰে কৃষ্ণ-ভক্তিত তন্ময় হৈ আছে।৫২৮।। যি নাৰায়ণক স্বয়ং লক্ষ্মীয়ে সেৱা কৰে, তেনে মাধৱক শিশুগণে সেৱা কৰিবলৈ পাইছে।৫২৯।।

**৩৩। ধেনুকাসুৰ বধ ঃ**

কৃষ্ণ-বলৰামে শুই থকা অৱস্থাত গোপগণে আহি দুয়োকে সেৱা জনালে। শ্ৰীদাম নামে গোৱালৰ নেতৃত্বত গোপশিশুগণে হাতযোৰ কৰি ক'লে। 'হে ৰাম, হে কৃষ্ণ তোমালোকে দুয়োয়ে দুষ্টক দমন কৰিছা। ওচৰতে এখন মহা তালবন আছে; অজস্ৰ পকাকল তাত সৰি পৰি আছে। সেই তালবন ধেনুকাসুৰ নামে অসুৰে ৰখি আছে।৫৩১।। সেই দুষ্ট অসুৰে মানুহ ধৰি খায়; সেইবাবে কোনো মানুহ তালৈ নাযায়। কিন্তু তাৰ তালফলৰ গন্ধে দশোদিশ মলমলাই আছে।৫৩২।। সেই ফল খাবলৈ আমাৰ বৰ হাবিয়াস হৈছে, তোমাৰ চৰণত ধৰি কৈছোঁ আমি ক্ৰীড়া কৰি কৰি শ্ৰান্ত-ক্লান্ত হৈ পৰিছোঁ।৫৩৩।। তাল ফলৰ গন্ধত আমাৰ জিহবাৰ পানী ওলাইছে। হে বন্ধু মাধৱ, তোমাক কান্ধত লৈ যাওঁ, তোমাৰ অনুগ্ৰহত সেই তালফল ভূঞ্জো।৫৩৪।। শিশুগণৰ কথা শুনি দুয়ো ভায়ে হাঁহি হাঁহি গোপৰ প্ৰীতি সাধিবৰ কাৰণে সকলোকে লৈ গমন কৰিলে।৫৩৫।। তালবনত প্ৰৱেশ কৰি দুই হাতেৰে তালগছ জোকাৰি ফল পাৰিলে।৫৩৬।।

তাল ফল পৰাৰ শব্দ শুনি ধেনুক নামেৰে গৰ্দ্ধভই খং কৰি খোজত পৃথিৱী কঁপাই জপিয়াই জপিয়াই খেদি আহিল।৫৩৭।। সি আহি বলৰামক দেখি ঠেং দুটা দাঙি বলৰামৰ হিয়াত লাঠী মাৰিলে। সি চিঞৰ মাৰি তাতে অন্তৰ্দ্ধান হ'ল। তাৰ প্ৰহাৰ পাই বলভদ্ৰই বিশেষ কষ্ট অনুভৱ নকৰিলে।৫৩৮।। দৈত্যই খঙত চকু ৰঙা কৰি ওপৰলৈ নেজ দাঙি, কাণ ওপৰলৈ তুলি বিজুলী সঞ্চাৰে পুনৰ পাছ ভৰিৰে প্ৰহাৰ কৰিলে। বলৰামে দুই হাতে তাৰ ভৰি দুটা থাপ মাৰি ধৰি ওপৰলৈ তুলি পাকঘূৰালে আৰু ধেনুকাসুৰে প্ৰাণ এৰিলে।৫৪০।। বলৰামৰ হাতত তাৰ মৃত্যু হ'ল। তাৰ ভয়ঙ্কৰ শৰীৰ পৰি তাল গছবোৰ মষিমূৰ হ'ল।৫৪১।। ৰামৰ মহিমা দেখি সকলোৱে তবধ মানিলে। ধেনুকাসুৰৰ জ্ঞাতি-কুটুম্বই তাৰ মৃত্যুত বৰ বেজাৰ পালে। সিহঁতে ৰাম-কৃষ্ণক খেদি আহি তীব্ৰ ভাবে আক্ৰমণ কৰিলে আৰু দুয়ো ভায়ে হেলাৰঙে সিহঁতক বধ কৰিলে।৫৪২-৫৪৪।।

তেওঁলোকে তাৰ পাছত তালফল পাৰি দ'ম কৰিলে। ৰাম-কৃষ্ণৰ মহিমা দেখি আকাশত দেবতা সকলে অৱস্থান কৰি স্তুতি কৰিবলৈ ধৰিলে। দেৱগণে ৰাম-কৃষ্ণৰ শিৰত পুষ্প বৰিষণ কৰিলে। দেবগণে দুন্দুভি বজাই গীত গালে আৰু নৃত্য কৰিলে।৫৪৬।। তাকে দেখি গোপগণে ৰাম-কৃষ্ণক পৰি পৰি নমস্কাৰ কৰিলে। ৰামকৃষ্ণই গোপ শিশুগণক তালফল খাবলৈ অনুমতি দিয়াত সকলোৱে অতি আনন্দ কৰি সৰি থকা তালফলবোৰ খাবলৈ হৈ চৈ লগালে। সিহঁতে বাকলি নুগুচুৱাকৈ তালফলবোৰ খাবলৈ ধৰিলে। যাৰ যিমান ইচ্ছা আছিল সিমান ফল খাই উগাৰিবলৈ ধৰিলে, খাওঁতে খাওঁতে পেট ফুলি উঠিল। কোনোটো আধা খাই, কোনোটো কামোৰ মাৰি পেলাই দি আন এটা খাই হেঁপাহ পলুৱায়। শিশুগণৰ তালফলৰ প্ৰতি এনে হেঁপাহ দেখি কৃষ্ণবলৰামে অত্যন্ত আনন্দ পালে।৫৪৭-৫৫২।।

শিশুগণে কৃষ্ণত অগাধ ভক্তি থকাৰ বাবেই এনে তৃপ্তিকৰ ফল ভুঞ্জিবলৈ পালে। হৰিচৰণত যাৰ ভক্তি থাকে তেনেজনে ইপ্সিত ফল-ভোগ কৰিবলৈ সমৰ্থ হয়।৫৫৩-৫৫৪।।

কৃষ্ণ-বলৰামে বৃন্দাবনৰ ধেনুক বধ কৰাৰ পাছৰ পৰা সকলোৱে তাত মুক্ত-বিচৰণ কৰিব পৰা হ'ল। তাৰ পাচত তেওঁলোক ব্ৰজলৈ ঘূৰি আহিলে। তেওঁলোকে বংশী-শিঙ্গা বজাই গোবিন্দই গীত গাই গাই গৃহাগমন কৰিলে আৰু ৰোহিনী-যশোদাকে আদি কৰি গোপীসকলে পৰম আনন্দ পালে। তেওঁলোকে পুত্ৰক কোলাত লৈ শৰীৰ মালিচ, বস্ত্ৰ অলঙ্কাৰ পিন্ধাই, পঞ্চামৃত ভক্ষণ কৰোৱালে। কৃষ্ণ-বলৰাম আদিয়ে তাৰ পাচত নিজ নিজ শয্যাত আনন্দ মনেৰে শয়ন কৰিলে।৫৫৫-৫৬২।।

**উপদেশ ঃ** অধ্যায়ৰ অন্তত লিখক গুৰুজনে উপদেশ হিচাবে কৃষ্ণ-নামৰ মাহাত্ম্য নৰগণক কৈছে আৰু নাম লৈ সংসাৰৰ দুঃখ যাতনাৰ পৰা উদ্ধাৰ হ'বলৈ আৰু মুক্তি লাভ কৰিবলৈ আহবান জনাইছে—

শুনা সৰ্ব্বজন ইটো কৃষ্ণৰ চৰিত্ৰ।

আত পৰে পুণ্য আন নাহিকে কলিত।।

কলিকালত মুক্তিৰ পথ ভগৱন্তৰ নাম শ্ৰৱণ-কীৰ্ত্তন কৰাৰ বাহিৰে আন কোনো পন্থা নাই। কলিযুগ পাপেৰে ভৰা যদিও নাম ললে কোটি কোটি পাপ তিলিকতে নাশ হয়।

আন ধৰ্ম্ম কৃষ্ণৰ লগতে গুচি গৈল।
একস্থান হুয়া হৰিনাম মাজে ৰৈল।।৫৬৩।।

সত্য-ত্ৰেতা-দ্বাপৰত থকা বিভিন্ন ধৰ্ম্মবোৰৰ স্থান কলিযুগত হেৰাই যোৱাত সেই সকলো ধৰ্ম্মই তিষ্ঠি থাকিবলৈ নামত শৰণ লৈ নামৰ মাজতে থাকিল। তপ-জপ-যজ্ঞ-পূজা, দান, তীৰ্থ, হোম আদিবোৰ নামৰ তলতীয়া হ'ল।

'এতেকেসে নামতে সমস্তে পূণ্যপাই।
জানিয়া যতনে ফুৰা হৰিনাম গাই।।
নামেসে সাধিবে সবে মনোৰথ সিদ্ধি।
জানিবাহা হৰিৰ নামেসে নবনিধি।।৫৬৪।।

সেইবাবে সমস্ত পুণ্য লাভ কৰিব পৰা নাম যতনেৰে গাব লাগে। নামে মনোবাঞ্ছা সিদ্ধি কৰে; কাৰণ হৰিনাম মূল্যবান নৰৰত্ন।

নামো তপ জপ যজ্ঞ নামে যোগধ্যান।
নামে দান পুণ্য কৌটি তীৰ্থ স্থান।।
নামে ধন জন বন্ধু নামে পিতা মাতা।
নামে নিজ সুহৃদ নামেসে গতি দাতা।৫৬৫।।

সত্যযুগে প্ৰধান ধৰ্ম্ম ধ্যান, ত্ৰেতা যুগত যজ্ঞ, দ্বাপৰত পূজা, জপ, তপ, যোগ, দান, তীৰ্থভ্ৰমণ আদিবোৰ ধৰ্ম্মপন্থা আছিল। কলিত সকলো ধৰ্ম্মপন্থা নামত একাকাৰ হোৱাৰ বাবে সমস্ত পুণ্য হৰিনামত হে লাভ হয়। সেই কাৰণে কলিত আচল ধন, জন, বন্ধু, পিতা, মাতা, সুহৃদ-গতিদাতা কেৱল হৰিনামহে।

'ইহ পৰলোক নাম বিনে আন নাই।
চাৰিওবেদৰ ইসে মোক্ষ অভিপ্ৰায়।।
হেন জানি ৰামৰ চৰণ চাপিধৰা।
গৃহতে থাকিয়া সুখে সংসাৰক তৰা।।৫৬৬।।

ইহ জন্ম, পূৰ্ব্বজন্ম-ত নামলোৱাৰ বাহিৰে আন মুক্তিৰ পথ নাই। চাৰিবেদৰ মূল তত্বও কেৱল নাৰায়ণ নামহে। নামে সকলো লক্ষ্য পূৰণ কৰাৰ উপৰিও মূল লক্ষ্য মোক্ষদান কৰে। সেই বাবে 'ৰাম' একনামত শৰণ লৈ কায়-মন-বাক্যে নাম উচ্চাৰণ কৰিব লাগে। ঘৰতে থাকিয়েই নাম লৈ সুখ-শান্তিৰে সংসাৰ অতিক্ৰম কৰা উচিত।

কৃষ্ণৰ নামেসে ৰাজা সমস্তে ধৰ্ম্মৰ।
সুমৰন্তে নাম সিজে ধৰ্ম্ম নিৰন্তৰ।।৫৬৭।।

'কৃষ্ণনাম' সমস্ত ধৰ্ম্মৰ ৰজা, 'ৰাম' নাম সমস্ত মন্ত্ৰৰ মূল বীজ। 'ৰাম-কৃষ্ণ' নাম সুঁৱৰণ কৰিলে সমস্ত ধৰ্ম্মৰ ফল লাভ কৰে; এয়ে ভাগৱত ধৰ্ম্মৰ মূলতত্ব।

**৩৪। কালীয় দমন ঃ**

এদিন কৃষ্ণই বলৰামক লগত লৈ গাইবোৰ মেলি গোপশিশুসহ যমুনাৰ পাৰলৈ যাত্ৰা কৰিলে। জেঠ মাহ, সূৰ্যৰ প্ৰখৰ তাপত সকলোকে তৃষ্ণাই আকুল কৰিলে। সেই ঠাইত এখন ডাঙৰ হ্ৰদ আছিল। হ্ৰদখনৰ নাম কালীয়হ্ৰদ আছিল। গৰু, গোপ সকলোৱে হ্ৰদত নামি হেঁপাহ পলুৱাই পানী খালে।৫৬৮।। হ্ৰদৰ পানীত কালীয়নাগৰ বিহ মিহলি হৈ আছিল। এই জল পান কৰি তেওঁলোকৰ চেতনা হেৰাই গ'ল। সিহঁতৰ শৰীৰ কঁপি উঠিল আৰু হ্ৰদৰ পাৰত পৰি প্ৰাণ গ'ল। কৃষ্ণই দেখিলে যে হ্ৰদৰ পানী খাই গৰুবোৰ-গোপগণ পৰি মৰি আছে। কৃষ্ণই বৰ দুঃখ পাই পৰম চিন্তিত হ'ল। ভকতৰ বিলাই দেখি তেওঁ উপায় চিন্তিলে।৫৬৯।।

কৃষ্ণই অমৃত নয়নে চাই সকলোকে জীয়ালে; সকলোৱে পুনৰ জীৱন পাই উঠি বহিল। তেওঁলোকে সপোনৰ পৰা সাৰপোৱা যেন পালে। তেওঁলোকে বুজি পালে যে হ্ৰদৰ বিষপানী খাই তেওঁলোক মৃত্যু হৈছিল; কৃষ্ণইহে তেওঁলোকক জীয়ালে বুলি নিশ্চিত হ'ল।৫৭০।

গোপগণে কৃষ্ণৰ মহিমা দেখি পৰম বিস্ময় মানিলে। যমুনাৰ জলক বিষশূন্য কৰিবলৈ কৃষ্ণই পৰিকল্পনা কৰিলে। পৰীক্ষিতে শুকক সুধিলে— 'এই হ্ৰদত কিয় কালী নাগ সোমাই আছিল?' কৃষ্ণৰ অমৃতময় কথা মুনিৰ মুখৰ পৰা শুনিবলৈ ৰজাই আশা কৰাত শুকে ক'লে।৫৭১।।

**উপদেশঃ**

কলিযুগত ৰাম-নাম মুখেৰে নলৈ আন কামত ব্যস্ত থাকিলে তাৰ

কেতিয়াও সুখ হ'ব নোৱাৰে।৫৭২।। কলিত শাস্ত্ৰৰ মৰ্ম্ম নুবুজা সকলে কীৰ্ত্তন ধৰ্ম্ম এৰি আন কৰ্ম্মকাণ্ডত লিপ্ত হয়। শাস্ত্ৰত পাৰ্গত বুলি পণ্ডিত বোলাই নামৰ প্ৰতি অৱহেলা কৰা সকলে মূল পথ এৰি বিপথে যায়। চাৰিবেদ, ৰামায়ণ, পুৰাণ, মহাভাৰত আদি সকলো শাস্ত্ৰই কেৱল হৰি নামক হে শ্ৰেষ্ঠ বুলি কয়। তথাপিও অন্য কিছুমানে অন্য অৰ্থ ব্যাখ্যা কৰি অন্য সাধাৰণ পথৰ কথা কয়; তেওঁলোক অতি মূৰ্খলোক।৫৭৩।।

কলি পাপসাগৰৰ দৰে। বিস্তৃত অতি গভীৰ। পাপ সাগৰত জগতৰ লোক তল গৈছে, তথাপি চেতনা নাহে। তেওঁলোকে পাপমতি, মূঢ়মতি, পাপ-কৰ্ম্মতহে তেওঁলোকৰ ৰতি। মহাপাপ বিমোচনৰ বাবে মাধৱৰ গুণ সমূহ কীৰ্তন-শ্ৰৱণ কৰিবলৈ মূঢ়জনেহে এৰে। ৰোগীসকলে ৰোগৰ পৰা আৰোগ্য লাভৰ বাবে হাতত থকা মহৌষধি থাকোঁতেও তাক সেৱন নকৰি ৰোগত ভোগাৰ দৰে কৃষ্ণনাম মুখত থাকোতেও তাক নলৈ বিনাশ প্ৰাপ্ত হয়।।। হাততে থকা অমৃত এৰি বিহ পান কৰা জনে আত্ম-ঘাতী হোৱাৰ দৰে হৰিনাম থকা সত্বেও তাক নলৈ লোকে অধঃপতনে গৈছে।৫৭৫।।

**কালীয় হ্ৰদৰ ইতিবৃত্ত ঃ**

শুক মুনিয়ে ৰজা পৰীক্ষিতৰ প্ৰশ্নৰ উত্তৰত কালীয় হ্ৰদৰ ইতিবৃত্তৰ বিষয়ে ক'লে। হ্ৰদটো অগাধ জলেৰে পৰিপূৰ্ণ। তাত কালী নাগে সমস্ত হ্ৰদজুৰি জলভাগ উথলাই ৰাখিছিল, জলত সি বিষ ঢালি বিষময় কৰি ৰাখিছিল।৫৭৬।। হ্ৰদৰ বিষ-বহ্নিৰ প্ৰভাৱত ওপৰেদি উৰিযোৱা পক্ষীও মৰিছিল। তাৰ আস্ফালনত জল বহুদূৰলৈ ছিটিকি পৰিছিল আৰু পাৰৰ গছ-গছনিবোৰ বিষ লাগি মৰি গৈছিল।৫৭৭।। পাৰত মাত্ৰ এজোপা গছ বাচি আছিল আৰু সেই জোপা আছিল কদম্বগছ। কদম্বজোপা বাচি থকাৰ তত্ত্ব আছিল। পূৰ্ব্বকালত গৰুড়-পক্ষীয়ে অমৃত লৈ আহোঁতে কিছুসময় অমৃতৰ পৰশ পোৱাৰ বাবে জীয়াই আছিল।৫৭৮।। তদুপৰি গছজোপাৰ ভাগ্যত কৃষ্ণৰ পৰশ পাব বুলি লিখিত আছিল। সেইবাবেও গছজোপা মৰি যোৱা নাছিল। বিষময় হ্ৰদখন দেখি কৃষ্ণই তাত থকা প্ৰচণ্ড কালীক দেখিবলৈ পালে।৫৭৯।।

কৃষ্ণই মনত গুণি চালে যে কালীয় সৰ্প দুষ্ট, দুৰাচাৰ। তাৰ বিষপান কৰি অনেক জীৱই প্ৰাণ এৰিছে। তাক দমন কৰা উচিত হ'ব। তেওঁৰ অৱতাৰ দুষ্টক দমন কৰিবৰ কাৰণেই। এই বুলি থিৰাং কৰি কালীয়ক বধিবলৈ কৃষ্ণই পীতবস্ত্ৰ আটি কঁকালত বান্ধি ল'লে।৫৮০।। কৃষ্ণই জাপ মাৰি দুই হাতমেলি কদম্বৰ গছত উঠিলে আৰু কৃষ্ণৰ ভৰত কদম্ব তলবল কৰি কঁপি উঠিল। তেওঁ বৃক্ষৰ পৰা হ্ৰদত জাপ মাৰি পৰিল।৫৮০-৫৮১।।

জগতৰ হৰিয়ে হ্ৰদত পৰাৰ লগে লগে তাৰ জলৰাশি উথলি উঠিল আৰু তাৰ ঢৌৱে চৌপাশ বুৰাই পেলালে। অনন্তবীৰ্য পুৰুষে জলৰ অন্তৰ ভাগত প্ৰৱেশ কৰি ক্ৰীড়া আৰম্ভ কৰিলে। তেওঁ দুই হাতেৰে পানীফালি পানীত মহাৰঙ্গে বিচৰণ কৰিবলৈ ধৰিলে আৰু পানীত প্ৰকাণ্ড ঢৌ উঠিল।৫৮৩।। হ্ৰদৰ পানীৰ খলকনি শব্দত দশোদিশ ৰজন জনাই গ'ল। কালীয়ই হ্ৰদৰ ভিতৰত প্ৰচণ্ড শব্দ শুনিলে আৰু পানীৰ কল্লোল তাৰ শৰীৰত লাগিল।৫৮৪।। মহাদৰ্পী সি ভয়ঙ্কৰ সৰ্পই তাৰ সহচৰসকলকলৈ মহাক্ৰোধ কৰি আগবাঢ়ি আহিল। সি সহস্ৰ ফণা তুলি ফোঁফাই ফোঁফাই খেদি আহি কৃষ্ণৰ সন্মুখ পালেহি।৫৮৫।।

**কৃষ্ণৰ ৰূপ ঃ** কৃষ্ণৰ সুন্দৰ লাৱণ্যৰূপ কালীয়ই নিৰীক্ষণ কৰিলে। কোটি কোটি মদনৰ ৰূপতকৈ লাৱণ্য ৰূপ প্ৰত্যক্ষ কৰিলে কালীয়ই। এনে মনোহৰ মূৰ্ত্তি দেখি সৰ্পই একেৰাহে চাই থাকিল।৫৮৬।।

নৱমেঘৰ দৰে শ্যাম বৰণৰ শৰীৰ, সুন্দৰ সুকুমাৰ তনু, পীতবস্ত্ৰ পৰিধানেৰে সুশোভিত, পদ্মনয়নযুক্ত, চান্দবদনেৰে প্ৰোজ্জল, কুণ্ডৰ কলিৰ দৰে দশন-পান্তি, অৰুণ অধৰে কৃষ্ণৰ ৰূপ-মাধুৰী পৰ্য্যবেক্ষণ কৰি কালীয়ই একেথৰে ৰ'লাগি চাই আছিল।৫৮৭।। তেওঁৰ কপালত অলকা-পান্তি, সুবলিত ৰত্নৰ তিলক, উন্নত নাক, মুখত মৃদু হাস্য মনত কোটি চন্দ্ৰমাৰ আনন্দ-উল্লাস দেখি সি তন্ময় হৈছিল।৫৮৮।।

কৃষ্ণৰ শিৰত কিৰীটি, কৰ্ণত মকৰকুণ্ডলৰ জ্যোতি, কণ্ঠত কৌস্তুভৰ তিৰ্‌বিৰণি, বুকুত শ্ৰীবৎসৰ পান্তি, উৰুস্থলত চটা, ললিত বলিত ভুজযুগল, ভূজঙ্গৰদৰে কায়, ৰঙাবৰণৰ কিশলয় সদৃশ নখচয়, কনক কঙ্কন, কেয়ুৰ-বলয়, আঙুলিত আঙঠিৰে তেওঁৰ জকমকীয়া দেহৰ সৌষ্ঠৱ দেখি কালীয়ৰ চকু থৰ লাগিছিল।৫৯০।।

বনমালীৰ গলত বনমালাই আপাদলৈকে জলমলাই ওলমি আছিল, তাত মধুকৰে মধুলোভে গুঞ্জন কৰি আছে। ৰতনৰে খচিত কঁকালত পিন্ধা কাঞ্চি, টিকাত কিঙ্কিনী, সুন্দৰ উৰুযুগল, সুবলিত আঁঠু।৫৯১।। তেওঁৰ অৰুণ চৰণ যুগল নৱপ্ৰস্ফুটিত পদুমৰ কোষৰ দৰে, নুপূৰৰ ৰুণঝুণ ধ্বনি, ভৰিৰ আঙুলিৰ

শাৰী আৰু তাত পিন্ধা উজন্তি, ৰঙানখ-চন্দ্ৰৰ কান্তি অতি মনোৰম।৫৯২।। পদতল ৰাতুল আৰু ভকতৰ মনোমত, তাত ধ্বজ-বজ্ৰ-যব-পদ্ম-অঙ্কুশ-পঞ্চ পদচিহ্ন- এনে ৰূপময় আবেশেৰে কৃষ্ণক ক্ৰীড়া কৰা কালীয়ই দেখা পালে।৫৯৩।।

তেওঁ বাহুৰে পানী আউদালি আছিল। কালীয়ই এনে ৰূপ অধিক সময় চাই থাকিব নোৱাৰিলে; সি মহাখঙত হাজাৰ ফণামেলি ফোঁফাই, জিভামেলি, কোৰাৰি চেলেকিবলৈ ধৰিলে।৫৯৪।।

**কৃষ্ণক কালীয়ৰ আক্ৰমণ**— কালীয়ৰ চকুৰে-মুখে বিষবহ্নি বাহিৰ হ'ল, চকু দুটাত হাজাৰ অগ্নি জ্বলি উঠিল। চমৎকাৰ ৰূপ ধাৰণ কৰি সি গুজৰিবলৈ ধৰিলে আৰু দ্ৰুতবেগে আহি কৃষ্ণৰ বুকুত খোট মাৰিলে।৫৯৫।। দুষ্ট সৰ্পই কৃষ্ণক সাধাৰণ মনুষ্য বুলি ভাবি আৰু কৃষ্ণৰ প্ৰভাৱৰ উমান নাপাই নেজেৰে কৃষ্ণৰ সৰ্ব্ব শৰীৰ মেৰাই ধৰিলে। সি কৃষ্ণক বন্দী কৰি পেলালে আৰু বিষৰ জ্বালাত বনমালী অচেতন হ'ল।৫৯৬।। নাকেৰে উশাহ বাজ নহ'ল, মুখ বন্ধ হ'ল, চকু নেমেলা হ'ল, মৃতপ্ৰায় অৱস্থাপ্ৰাপ্ত হ'ল। হাত-ভৰি লৰচৰ নকৰা হ'ল আৰু বিষলাগি হ্ৰদতে তেওঁ পৰি ৰ'ল।৫৯৭।।

**গোপশিশু আৰু গোকুলবাসীৰ শোক** —

গোকুল আৰু গোপগণৰ প্ৰাণধন মুকুন্দমুৰাৰীৰ মৃতপ্ৰায় অৱস্থা দেখি হ্ৰদৰ পাৰত ৰৈ থকা গোপগণে হিয়াঢাকুৰী বিনাববলৈ ধৰিলে। কৃষ্ণৰ বিৰহত তেওঁলোকৰ ধাতু যেন আকাশলৈ উৰা মাৰিলে। তেওঁলোকে কৈছিল— 'হা নাথ হা নাথ, আমাক এৰি তুমি গুচি গ'লা, আমাক জীৱন দান দি তুমি নিজৰ জীৱন এৰিলা।৫৯৮।। আমাৰ সৰ্ব্বস্ব তোমাতে অৰ্পণ কৰিলো, তোমাৰ অবিহনে আমি কেনেকৈ জীয়াই থাকিম?' এনেদৰে বিনাই বিনাই তেওঁলোকে মৰ্ম্মাহতহৈ মূৰ্চ্চা গ'ল।৫৯৯।। গৰু গাইবোৰে ঘাঁহ খাবলৈ এৰি চকুলোকে নদীবোৱাই ৰৈ থাকিল।৬০০।।

ইফালে গোকুলত নানা অমঙ্গলৰ সৃষ্টি হ'ল— ঘনে ঘনে মাটি কঁপি উঠিল, বতাহ নবলাকৈ গছবোৰ উঘলি পৰিল, শিয়ালে দিনতেই মাতিবলৈ ধৰিলে, সঘনে মেঘৰ পৰা হালধীয়া ৰঙৰ তেজ বৰষিবলৈ ধৰিলে, মনবোৰ এনেয়ে কঁপি উঠিল, চকুৰ পৰা ধাৰাসাৰে লোতক বাগৰি আহিবলৈ ধৰিলে, যশোদাৰ সোঁ বাহু আৰু নন্দৰ বাওঁবাহু লৰিবলৈ ধৰিলে।৬০১,৬০২।।এনেবোৰ বিমঙ্গল দেখি গোপ; গোপীসকল নন্দৰ ঘৰত একত্ৰিত হ'লহি। সকলোৰে ক'লে যে সেইদিনা বলৰাম গৰু চৰাবলৈ যোৱা নাছিল। কৃষ্ণৰ কিবা অথন্তৰ ঘটিছে, কাৰণ বলৰাম লগত থকা হ'লে এনে অথন্তৰ নহ'লহেঁতেন বুলি তেওঁলোকে ভাবিলে।৬০৩।। এইবোৰ লক্ষণৰ পৰা কৃষ্ণৰ যে কিবা এটা বিপৰ্যয় হৈছে তাক সকলোৰে থিৰাং কৰিলে। কৃষ্ণৰ মৃত্যু হৈছে বুলি আশঙ্কা কৰি তেওঁলোক অচেতন হ'ল। সকলোৰে সযতনে উঠি বৃন্দাবনলৈ লৰ মাৰিলে।৬০৪।। কৃষ্ণ সকলোৰে প্ৰাণ, জীৱন, মন; গতিকে অবলা, বৃদ্ধ আদিয়েও হা কৃষ্ণ, হা কৃষ্ণ বুলি উচ্চাৰণ কৰি ঢাপলি মেলিলে। নন্দ-যশোদাই মৰ্ম্মাহতহৈ বৃন্দাবন পালেগৈ সকলো গোকুলবাসী লৈ।৬০৫।। যাওঁতে নন্দ-যশোদা আদিসকলে খোজ কাঢ়োতে পৰি গৈছিল তাকে দেখি বলৰামে হাঁহিছিল; কিয়নো কৃষ্ণৰ মাহাত্ম্যৰ কথা তেওঁলোকে জানিব নোৱাৰিছিল বুলি বলোৰে বুজিছিল।৬০৬।। কৃষ্ণই গোপশিশু, গোকুলবাসী; গোপীগণক নিজ মাহাত্ম্য প্ৰদৰ্শন কৰিবলৈ, কালীয়ক ক্ষন্তেকলৈ বিজয়ী বুলি সন্তোষ লভিবলৈ আৰু মানবীয় চেষ্টা প্ৰদৰ্শন কৰিবলৈকে সৰ্পৰ কোলাত শুই আছিল।

গোৱাল-গোৱালীগণে বৰ দুঃখ মনেৰে কৃষ্ণ খোজত ধ্বজ-বজ্ৰ-পদ্ম -অঙ্কুৰ-যৱৰ চিন লক্ষ্য কৰিশোকে মৰ্ম্মাহত হৈ ঢলি পৰিছিল।৬০৭।। নন্দক তেওঁলোকে আবৰি ধৰি নিছিল। এইদৰে যমুনাৰ তীৰ অতিক্ৰম কৰি দেখিলেগৈ যে গোপ, গৰুবোৰে কান্দি কান্দি আছে।৬০৮।। হ্ৰদৰ মাজত সৰ্পই মেৰিয়াই যোৱা কৃষ্ণক দেখা পাই তেওঁলোকৰ চেতনা হেৰাই গ'ল। কৃষ্ণৰ যে মৃত্যু হৈছে তাক তেওঁলোকে নিশ্চিত ভাবে জানিলে আৰু তেওঁলোকৰ ধাতু উৰি গ'ল।৬০৯।। ক্ৰন্দনৰ মহাৰোল উঠিল,তেওঁ লোকৰ ক্ৰন্দনৰ উৰ্ম্মিমালাই যেন মন সাগৰত কল্লোলৰ সৃষ্টি কৰিলে। 'হে প্ৰাণনাথ, হে কৃষ্ণ, আমাক এৰি ক'লৈ যোৱা' বুলি যমুনাৰ তীৰত বেঢ়ি বেঢ়ি কান্দিবলৈ ধৰিলে।৬৭০।। গোপীসকলৰ সন্তাপৰ পাৰ নাই, কৃষ্ণ বিনে দিনতে আন্ধাৰ দেখিবলৈ পালে। কৃষ্ণৰ মধুৰ কটাক্ষ, হাস্যবদন, সৌহাদ্য সুমৰণ কৰি আৰ্ত্তৰাৱে বিলাপ আৰম্ভ কৰিলে।৬১১।। 'হা হা কলৈ গ'লা? হে প্ৰভু বান্ধৱ, আমাক শোক-সাগৰত পেলাই থৈ তুমি কি ৰং চাইছা? তোমাৰ চৰণকে আশা কৰি আছিলো জীয়াই, তোমাৰ অবিহনে আমাৰ সৰ্ব্বস্ব বিনাশ হ'ল।' বুলি বিলাপ কৰিলে।৬১২।।

"গধূলি আৰু প্ৰভাতত যাৰ চকুলৈ চাই শান্তি পাওঁ, যাক নেদেখিলে

প্ৰাণ ফুটি যায়, তেনে কৃষ্ণবিনে কেনেকৈ জীৱনৰ জ্বালা সহ্য কৰোঁ” বুলি গোপীগণে কান্দি কান্দি চৌদিশে আন্ধাৰ দেখিলে।৬১৩।। কৃষ্ণৰ বদন পদ্ম চকুৰে দেখি যশোদাক আবৰি গোপীগণে লোতকেৰে তিয়াই মহা শোকত দগ্ধ হ'ল।৬১৪।। কৃষ্ণৰ অৱস্থা দেখি নন্দ-যশোদা পুত্ৰ শোকত জাজ্বল্যমান হৈ চাৰিওফালে অন্ধকাৰ দেখিলে। মহামৰ্ম্মত তেওঁলোক দুয়ো মূৰ্চ্ছা গ'ল। কিছু সময়ৰ পাচতহে জ্ঞান ঘূৰি আহিল।৬১৫।। তেওঁলোকে দুয়ো মাটিত পুনৰ ঢালখাই পৰিলে। 'হাঁ-কৃষ্ণ' বুলি মাটিত মূৰ ঠেকেছিলে, হিয়া ভুকুৱালে, চিৎকাৰ কৰিলে, শ্ৰুতিহেৰাল, চকুলোৰে একো নেদেখা হ'ল, কৃষ্ণৰ সুন্দৰ দেহটোলৈ চাই কান্দিবলৈ ধৰিলে ।৬১৬,৬১৭।।

'গধূলি কোনে বাঁহী বজাই বজাই গৰু লৈ ঘৰলৈ আহিব? কোনে মোক 'আই' বুলি মাতিবহি? গাৰ ধূলি-মাকতি গুচাই কাক স্নান কৰোৱাই স্তন খুৱাম,।৬১৮।। সুকোমল তুলি পাৰি কাক বিচনাত শুৱাম? পুৱা কাক 'জাগা' বুলি উঠাম? সুন্দৰ বদনে কোনে বেনু বজাব? পুৱাতে কোনে গৰু মেলি নিব?।৬১৯।। কিমান জন্মত তপ কৰি কৰি তোমাক লাভ কৰিছিলোঁ? অলপ কালৰ ভিতৰতে অনাথিনী কৰি মোক এৰি গ'লা? আজি তোমাৰ কি হৈ গ'ল? তোমাৰ জীৱনলৈ ক'ৰপৰা এই সাপটো যমকাল হৈ আহিল?।৬২০।। পুত্ৰৰ লগতে মোকো তই খাই মাৰ, মোৰ জীয়াই থকাৰ আৰু কোনো প্ৰয়োজন নাই, কৃষ্ণ অবিহনে কেনেকৈ প্ৰাণ ধৰো? এই যমুনাৰ জলত জাপদি মৰোঁ।৬২১।।

এইদৰে মহাশোকত বিহুল হৈ যশোদা আৰু গোপ-গোপী, নন্দই অথিৰ অবিৰ হৈ কৃষ্ণক চাই চাই কান্দিবলৈ ধৰিলে আৰু কালীৰ হ্ৰদত জাপ দিবলৈ আগবাঢ়ে।৬২২।। বলৰামে দেখিলে যে এটা ডাঙৰ ঘটনা ঘটিব; তেওঁ সকলোকে বাধা দিলে, আগভেটি ধৰিলে। তেওঁ ক'লে 'কৃষ্ণই অনতি পলমে সৰ্প দৰ্পক চূৰ্ণ কৰি পাৰলৈ উঠি আহিব। কোনো চিন্তা কৰিব নালাগে।৬২৩।। কৃষ্ণৰ আগত সেই সৰ্প পতঙ্গৰ দৰে, তাক দমন কৰিবলৈ তেওঁৰ বেছি সময়ৰ প্ৰয়োজন নহ'ব। সকলোৱে আনন্দ মনেৰে চাই থাকা।' বলোৰ আশ্বাসত ব্ৰজবাসী শান্ত হ'ল। সকলোৱে কৃষ্ণলৈ লক্ষ্য কৰি পাৰতে থাকিল।৬২৪।। কৃষ্ণৰ মুখলৈ চাই সকলোৱে নিৰৱে থাকিল।।

**উপদেশ —**

সকলোৱে দেখিলে যে মহন্তসকলৰো কিমান দুঃখ হ'ব পাৰে। সংসাৰ অনিত্য; ইয়াত কাৰো দুখ থাকিব নোৱাৰে। সংসাৰ বুলিলে দুঃখ মিহলি হৈ থাকে।৬২৫।। জগতত এককক্ষণো সুখ নাথাকে; ধন-বিত প্ৰিয়জন, এই আছে, এই নাই, সপোনত পোৱা ৰত্নৰ দৰে সাৰপোৱাৰ লগে লগে হেৰাই যায়। মেঘত সৃষ্টি হোৱা ছাঁয়াৰ দৰে ক্ষন্তেকতে নাইকীয়া হয়। ডাৱৰ আঁতৰি যোৱাৰ লগে লগে ছায়া আঁতৰি যায় আৰু তেনেকৈ ধন-জন-পুত্ৰ-ভাৰ্যাও আঁতৰি যায়।৬২৬।। তেনে ক্ষণস্থায়ী বিষয়ত বিশ্বাস কৰি কি লাভ? অমৃত এৰি কালকূট বিহপান কৰা উচিত জানো? কৃষ্ণৰ ভকতি সুখ সাগৰৰ দৰে বিস্তীৰ্ণ আৰু সু-গভীৰ, অমৃততকৈ অধিক আস্বাস যুক্ত।৬২৭।।

দেখা সৰ্ব্বলোকে কোন মহন্তৰ দুঃখ।
অনিত্য সংসাৰ আত কিছু নাহি সুখ।।৬২৫।।
অনুমাত্ৰ নাহি সুখ ইটো সংসাৰত।
সপোনৰ নিধিসম ধন জন যত।।
ক্ষণিকতে অন্তৰে মেঘৰ যেন ছায়া।
তেনয় অথিৰ যত সুত-বিত জায়া।৬২৬।।
হেন বিষয়ত কৰা কিমতে বিশ্বাস।
অমৃতক তেজি কালকূটে কৰা গ্ৰাস।।
কৃষ্ণৰ ভকতি সুখ সাগৰ সঙ্কাশ।
অমৃততোধিক স্বাদ নাহিকে প্ৰয়াস।৬২৭।।

দুটি মাত্ৰ আখৰৰ সংযোগ হৰি নাম— 'কৃষ্ণ' (কৃষ্+ ন), ৰাম-(ৰা+ম), হৰি ( হ+ৰি) এই দুটি আখৰে জগতৰ সমস্ত কৰ্ম্ম সাধন কৰিব পাৰে, ব্ৰহ্মাণ্ডক জয় কৰিব পাৰে, পৰম ব্ৰহ্মকো আপোন কৰিব পাৰে। সংসাৰ-ব্যাধিৰ ই প্ৰধান ঔষধ। দুঃখ সাগৰৰ পৰা অনায়াসে ই উদ্ধাৰ কৰিব পাৰে।৬২৮।। এই অক্ষয় ব্ৰহ্মই পৰলোকৰ বাবেও মহাধন স্বৰূপ। সেইবাবে হৰিনামত মন দিব লাগে।৬২৯।।

দুইগুটি অক্ষৰ ইটো হৰি হেন নাম।
সাধে তথাপিতো ইটো দেখা কেন কাম।।
সংসাৰ ব্যাধিৰ ইসে ঔষধ সুসাৰ।
অনায়াসে কৰে দুঃখ সাগৰত পাৰ।।৬২৮।।

পৰম অক্ষয় ইটো পৰলোক বিত।
হেনজানি হৰিৰ নামত দিয়া চিত।।৬২৯।।

**কালীয়ক কৃষ্ণৰ দমন**— দুই দণ্ড সময় কৃষ্ণই সৰ্পৰ গৰাহত আৱদ্ধ হৈ আছিল মনুষ্য চেষ্টা দেখাই। গোপ-গোপীৰ মুমূৰ্যু অৱস্থা দেখি কৃষ্ণই উফাল মাৰি সৰ্পৰ বন্ধনৰ পৰা এৰাই লীলা কৰি সৰ্পক আঘাত কৰিলে আৰু সৰ্প উফৰি পৰিল।৬৩০।। কৃষ্ণৰ আক্ৰমণত সৰ্পই বৰ দুখ পালে আৰু হাজাৰ ফণাৰে ফোফাবলৈ ধৰিলে। তাৰ চকুৰ পৰা জুই আঙনি বাহিৰ হ'ল, নাকে-মুখে বিষ নিৰ্গত হ'বলৈ ধৰিলে। জিভামেলি কোৰাৰি চেলেকিবলৈ ধৰিলে আৰু নেজ ওপৰলৈ তুলিলে। গৰুড়ই সৰ্পধৰাৰ দৰে হৰিয়ে কালীৰায়ক হাতেৰে হাম্ফুলি লৈ চক্ৰাকাৰৰূপে ঘূৰাবলৈ ধৰিলে। সৰ্পয়ো কৃষ্ণৰ সন্মুখত ফেট তুলি ঘূৰিবলৈ ধৰিলে। তাক ঘূৰাই ঘূৰাই হাৰাশাস্তি কৰিলে আৰু সৰ্পৰ কান্ধত উঠি মূৰত ভৰি দিলে।৬৩১-৬৩২।।

কালীয়ই প্ৰচণ্ড উদণ্ড হাজাৰ মুণ্ড ছত্ৰাকাৰে উঠালে আৰু কৃষ্ণই ছত্ৰাকাৰ মূৰৰ ওপৰত উঠি নানা ভঙ্গিমাৰে নৃত্য কৰিবলৈ ধৰিলে। জগতৰ গুৰুভাৰ কৃষ্ণই তাৰ শিৰৰ ওপৰত ভৰিৰে দি নৃত্য কৰাত তাৰ শিৰ তেজেৰে ৰাঙলী হ'ল আৰু কৃষ্ণৰ পাদ পদ্মত লাগি জেউতি চৰিল। অখিল কলাৰে গুৰু নাৰায়ণে আনন্দিত মনেৰে মহাবিশ্বনৃত্য কৰিবলৈ ধৰিলে।৬৩৩।। সিদ্ধ, বিদ্যাধৰ, গন্ধৰ্বব, চাৰণ আদিয়ে কৃষ্ণৰ নৃত্য উপভোগ কৰিলে। তেওঁলোকে দুন্দুভি, মৃদঙ্গ, বৰতাল, তাল আদি বজাই কৃষ্ণ-গুণ-গীত গাবলৈ ল'লে। কৃষ্ণৰ শিৰত সুৰভি পুষ্প বৰিষণ হ'ল। আকাশত মুনিগণ, দেৱগণ উপনীত হৈ স্তুতি কৰিবলৈ ধৰিলে।৬৩৪।। মৃদঙ্গৰ চেৱে চেৱে শ্ৰীহৰিয়ে অঙ্গি-ভঙ্গি কৰি নৃত্য কৰিলে। এটা ফণাৰ পৰা আনএটা ফণালৈ জাপ মাৰি গৈ নাচিবলৈ ধৰাত তাৰ হাজাৰটা শিৰ ছিৰাচিৰ হৈ ফাটিলে।

ভগবানৰ দুষ্মহ ভৰ সহ্য কৰিব নোৱাৰি তাৰ শিৰবোৰ তললৈ বহি যাবলৈ ধৰে, আৰু যিটো শিৰ ওপৰত ওলাই থাকে, তাতো কৃষ্ণই ভৰ দিয়াত তাৰ দেহা ঢলো পৰো, ঢলো পৰো কৰিবলৈ ধৰিলে। মুখেৰে তাৰ ভলকা-ভলকে তেজ ওলাবলৈ ধৰিলে।৩৩৬।।

কৃষ্ণৰ প্ৰচণ্ড নৃত্যৰ ভিৰত তাৰ সহস্ৰফণা ভাগিবলৈ ধৰিলে। তাৰ মুখৰ পৰা তেজৰ নদী বৈ গ'ল, সি তমোময় দেখিলে।৬৩৭।। তাৰ মদগৰ্ব্ব, দম্ভ-অহঙ্কাৰ ক্ৰমে কমি আহিল, চৰাচৰ পৰম গুৰুৰ ওচৰত সি নতি স্বীকাৰ কৰি সন্মান জনাই কৃষ্ণত শৰণ ল'বলৈ বাধ্য হ'ল। সি মনতে এইদৰে ভাবিবলৈ ধৰিলে। তাৰ জ্ঞান হেৰাই গ'ল, শৰীৰ অথিৰ-অবিৰ হ'ল। তাৰ এনে দুৰবস্থা দেখি নাগপত্নী সকলে বৰ বিহ্বল হ'ল, শৰীৰৰ বস্ত্ৰ সোলকি যাবলৈ ধৰিলে, চুলি মেলখালে, শৰীৰ ঘামিল। স্বামী মৰিল বুলি ভাবি সিহঁতে বুকুত মুষ্ঠি হানি হানি স্বামীৰ ওচৰলৈ দৌৰি গ'ল। কালীয়ৰ অৱস্থা দেখি সিহঁতে কান্দিবলৈ ধৰিলে। সিহঁতৰ চকুৰ লোতক বাগৰিল, নিশ্বাস ঘন হ'ল। সন্তাপত চিঞৰিবলৈ ধৰিলে সিহঁতে।৬৪০।। হৃদয়ত বেদনাৰ জুই জ্বলি উঠিল, পতিব্ৰতা নাগনাৰী সকলে জগতৰ গুৰু কৃষ্ণস্বামীৰ ওচৰত কৃতাঞ্জলি কৰি প্ৰণাম জনাই দণ্ডৱতে সেৱা জনালে। স্বামীৰ মোক্ষৰ বাবে নাগপত্নী গণে কৃষ্ণত শৰণ ললে।৬৪১।।

**৩৫। কালীয়-পত্নী সকলৰ কৃষ্ণ স্তুতি ঃ**

নাগপত্নীসকলে স্বামীৰ মুক্তিৰ বাবে কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে 'হে জগতৰ গুৰু, আমাৰ স্বামী কালীয়ক সমুচিত দণ্ড দিলা। আমাৰ চণ্ড স্বামীয়ে ঘোৰ অপৰাধ কৰিলে।৬৪২।। তুমি পুৰাণ পুৰুষ, সনাতন হৰি, দুষ্টক দমন কৰিবৰ কাৰণেই তুমি অৱতাৰ লৈছা।'

'যদ্যপি তোমাৰ শত্ৰু-মিত্ৰ নাহি কেৱ।
দুষ্টকেসে দণ্ডা তথাপিতো তুমি দেব।'৬৪২।।

'তোমাৰ শত্ৰু-মিত্ৰ নাই; দুষ্টক দমন কৰাই তোমাৰ ধৰ্ম। আমাৰ স্বামীয়ে কৰা পাপ তোমাৰ দণ্ডত ইতিমধ্যে বিনাশ হৈছে। তোমাৰ ক্ৰোধ অধিক।'৬৪৪।। 'এই সৰ্পই পূৰ্ব্বকালত নো কি তপ কৰিছিল নাইবা ভূতদায়া আচৰিছিল যাৰ বাবে তোমাৰ হাতত দণ্ডপাই উপকৃত হৈছে। তুমি তুষ্ট হৈ তেওঁক দয়া কৰিলা। তোমাৰ পদধূলায়ে তেওঁ লাভ কৰিবলৈ সমৰ্থ হ'ল। তেওঁৰ পৰম ভাগ্য উদয় হ'ল, যি সৌভাগ্য লক্ষ্মীদেৱীয়ে অনেক কায়-ক্লেশ ভূগি, কষ্ট ব্ৰত কৰি, তপ আচৰি লাভ কৰে।'৬৪৬।।

'যিটো পদধূলাক ভকতে প্ৰভু পাই।
সাৰ্ব্বভৌম ৰাজাৰ পদকো এড়ে যায়।।
স্বৰ্গব্ৰহ্মপদকো নাহিকে হৰি বাঞ্ছা।
নকৰন্ত যোগৰ সিদ্ধিকো লাগি ইচ্ছা।'৬৪৭।।
নোখোজন্ত হুইবে পাতালৰ অধিপতি।

মোক্ষৰ সুখতো নাহি ভকতৰ ৰতি।।
চৰণৰ তোমাৰ ৰেণুক অভিলাষি।।
পদপঙ্কজত মাত্ৰ থাকন্ত উপাসি।।'৬৪৮।।

অৰ্থাৎ—'সাৰ্ব্বভৌম ৰজাৰ পদক এৰি ভকতে ভগৱন্তৰ পদধূলাকহে পাবলৈ বাঞ্ছা কৰে। ব্ৰহ্মপদ; স্বৰ্গকো ভকতে নিবিচাৰে, যোগসিদ্ধিকে ভকতে আদৰ নকৰে, পাতালৰ অধিপতি হ'বলৈও নিবিচাৰে আনকি মোক্ষৰ সুখকো ভকতে নিবিচাৰে, তাত ৰতি নাই। মাত্ৰ ভগৱন্তৰ চৰণৰ ৰেণু বিচাৰি তেওঁৰ পদ-পঙ্কজকে ভকতে উপাসি থাকে।।'৬৪৭-৬৪৮।।

'লক্ষ্মী, ব্ৰহ্মা, মহেশ আদি দেবগণে যাৰ পদধূলি পাবলৈ সমৰ্থ নহয়, এটা তামসিক ক্ৰূড়, ক্ৰোধী সৰ্পই এনে অমৃত পদধূলি কেনেকৈ পালে?৬৪৯।। নাগপত্নীয়ে পুনঃপুনঃ নাৰায়ণক স্তুতি কৰিবলৈ ধৰিলে' 'হে অচিন্ত্য শকতি নাৰায়ণ, হে কাৰণৰো কাৰণ, হে অনাদি অনন্ত, তুমি আদি, অন্ত, মধ্যত অবস্থিত, তোমাৰ সীমা নাই, তুমি পূৰ্ণানন্দ, তোমাকে নমস্কাৰ কৰোঁ।৬৫০।। হে অতৰ্ক মহিমান্বিত, হে দেৱহৰি, তুমি সমস্ত জগত ধাৰণ কৰি আছা, তুমি সৰ্ব্বসাক্ষী, তোমাৰ পৰাই উৎপত্তি-প্ৰলয় হয়।৬৫১।। তোমাৰ প্ৰধান মূৰ্ত্তি বলৰাম, কামদেৱ, অনিৰুদ্ধ, বাসুদেব এই চাৰিটা মহাঅনুপম। তুমি দেবতাৰো আদি দেব, তোমাৰ চৰণত লক্ষ্যকোটিবাৰ সেৱা জনাওঁ।' ৬৫২।। তেওঁ স্তুতি এৰি কৃষ্ণক মিনতি বচনে ক'লে— 'হে স্বামী মাধৱ, আমাৰ স্বামী মৰোঁ মৰোঁ হৈ আছে।৬৫৩।। তোমাক নিচিনি দংশন কৰিলে, তেওঁৰ দোষ প্ৰথমবাৰলৈ মৰিষণ কৰক। তোমাৰ বাবে এওঁ ক্ষুদ্ৰ প্ৰাণী, এওঁক মাৰিলে কোনো যশ নাথাকে।৬৫৪।। হে নাৰায়ণ, হে কৃপাময়, কৃপা কৰি এওঁক জীৱদান দিয়ক। এওঁৰ ধাতুপ্ৰায়ে নোহোৱা হৈছে, প্ৰাণ যাওঁ যাওঁ অবস্থা হৈছে, মুখৰ পৰা পানী পৰিছে, এওঁৰ যেন কাল আহি পৰিছে।৬৫৫।। এওঁক যিমান শাস্তি দিব লাগে দিলা প্ৰভু; এওঁক মাৰি আমাক অনাথ নকৰিব। পতিব্ৰতা নাৰীৰ বাবে স্বামীয়েই প্ৰাণ। আমি আঞ্চল পাতি স্বামী দান বিচাৰিছোঁ।৬৫৬।।'

এইদৰে নাগপত্নীগণে কৃষ্ণৰ চৰণত পৰি, নয়নৰ জলেৰে মুখ তিয়াই পৰম সন্তাপেৰে সেৱা জনালে। স্ত্ৰীসকলৰ কাৰুণ্য দেখি কৃষ্ণৰ দয়া উপজিল।৬৫৭।। কৃষ্ণই বিমূৰ্চ্ছিত হৈ থকা কালীৰ মূৰৰ পৰা জাপমাৰি নামি আহিল। তাৰ ধাতু তেতিয়াহে ঘূৰি আহিল। সি যেন যমৰ দুৱাৰৰ পৰা ঘূৰি আহিলে।৬৫৮।। সি কেঁকাই কেঁকাই, কিছু চেতনা লাভ কৰি চকুমেলি চাই দেখিলে যে তেওঁ জগতৰ নাথ আৰু হাজাৰ মূৰ দোঁৱাই প্ৰণাম জনালে। বেদনাত তাৰ মুখৰ মাত নোলোৱা হ'ল, লাহে লাহে কৃতাঞ্জলি কৰি ক'লে—'হে প্ৰভু, আমি অতি ক্ৰূৰপতি সৰ্ব্বক্ষণতে আমাৰ ক্ৰোধ নুগুছে।৬৫৯-৬৬১।। হে, প্ৰভু মই অহঙ্কাৰ কৰি গৰ্ব্বকৰি তোমাৰ অপকাৰ সাধন কৰিলোঁ। তুমি মোৰ দৰ্প চূৰ্ণ কৰি ভালহে কৰিলা। আজি মোৰ অজ্ঞানতা দূৰ হ'ল।৬৬২।।

এতিয়াহে জানিব পাৰিলো যে তুমি পৰম ঈশ্বৰ। মই তোমাৰ চাকৰ, মোৰ দোষ ক্ষমা কৰা প্ৰভু দয়াময়। তোমাৰ চৰণত মোৰ ৰতি সদায়ে থাকক। হে, ত্ৰিজগতৰ পতি, মই কি কৰিব লাগিব কোৱা।৬৬৩।।

তাৰ স্তুতি শুনি হৰিয়ে হাঁহি উত্তৰ দিলে—'তই এই হ্ৰদৰ পৰা সাগৰলৈ যা আৰু তোৰ পুত্ৰ পত্নী আদি সকলোবোৰক লৈ যা; যাতে ইয়াৰ জল পশু-পক্ষীগণে খাব পাৰে।৬৬৪।। যি তোৰ-মোৰ কথা সুমৰে, পুৱা-গধূলি কীৰ্ত্তন কৰে, তেওঁ সৰ্পৰ হাতত কেতিয়াও পৰাস্ত নহয়। আজিৰ পৰা এই হ্ৰদ বিখ্যাত হ্ৰদ হিচাবে পৰিগণিত হওক।৬৬৫।। যি ইয়াত স্নান কৰি পিতৃক তৰ্পণ কৰে, আমাৰ স্মৰণ কৰাৰ বাবে তেওঁৰ পাপ দূৰ হ'ব। ৰমনক দ্বীপত তই বাস কৰগৈ আৰু তই গৰুড়লৈ ভয় কৰিব লগা নাই। ধ্বজ, ব্ৰজ, পঙ্কজ আদি চিহ্ন তোৰ শিৰত চিহ্নিত হৈ থকাৰ বাবে গৰুড়ই তোক অনিষ্ট কৰিবলৈ ভয় কৰিব।' এই কথা শুনি সি অতি আনন্দ পালে।৬৬৭।।

সি কৃষ্ণক ৰত্নেৰে পূজিলে। গন্ধ-পুষ্প-ধূপ-দীপে, বস্ত্ৰ অলঙ্কাৰে পূজা কৰিলে আৰু পত্নী-পুত্ৰ সমন্বিতে পৰি সেৱা কৰিলে আৰু কৃষ্ণৰ পদধূলি শিৰত তুলি ললে।৬৬৮।। কৃষ্ণক সিহঁতে সাতবাৰ প্ৰদক্ষিণ কৰি প্ৰণাম জনালে আৰু পাচ ভৰি কৰি, হাত যোৰ কৰি আঁতৰি গ'ল। কালীয়ৰ চকুৰ পৰা চকুলো ওলাল আৰু ৰমনক দ্বীপলৈ সবান্ধবে গমন কৰিলে।৬৬৯।। সেই দিনাৰ পৰা এই হ্ৰদৰ জল নিৰ্ম্মল আৰু অমৃতময় হ'ল।৬৭০।।

পৰীক্ষিতে শুকক সুধিলে যে ৰমনক দ্বীপ কিয় সৰ্পৰ আলয় আৰু কালীয়ই কিয় ৰমনক দ্বীপলৈ গ'ল। গৰুড়ক সৰ্পই দ্ৰোহ আচৰিছিল নেকি?৬৭১।।

শুকে ক'লে যে তাত প্ৰতিমাহে সৰ্পৰাজে গৰুড়ক পূজা কৰে; অনেক নৈবেদ্য দি প্ৰতি পূৰ্ণিমা তিথিত গছৰ গুৰিত সিহঁতে দিয়ে।৬৭২। প্ৰতি ঘৰে

এইদৰে গৰুড়ক পূজে আৰু গৰুড়ই অতি আনন্দমনে ভোজন কৰে। পৰম গৰ্ব্বী কালীয়ই গৰুড়ক ভয় নকৰে আৰু সদায় অহিত চিন্তা কৰে। কালীয়ই গৰুড়ক পূজা নিদিছিল। আনে দিয়া পূজাদ্ৰব্যবোৰ সি নিজে ভোজন কৰিছিল।৬৭৩-৬৭৪।।

গোবিন্দৰ প্ৰিয় গৰুড়ে কালীয়ৰ লগত যুদ্ধ কৰিবলৈ আগ বাঢ়িল। গৰুড়ে প্ৰচণ্ড ভাবে কালীয়ক আক্ৰমণ কৰিলে। পৰ্ব্বতৰ শিখৰ খহি পৰাৰ দৰে গৰুড়ে জলত নমাত সাগৰৰ পানীৰ হেন্দুলনি উঠিল, সাগৰৰ পাৰ বুৰি গ'ল। গৰুড়ক দেখি কালীয়ই সহস্ৰ শিৰ ওপৰলৈ তুলি খেদি আহিল। ৰঙা চকুৰে কোৰাৰি চেলেকি হোৰ হোৰ কৈ বতাহ বোৱাই, নেজেৰে মেঘ খণ্ডখণ্ড কৰি দ্ৰুতগতিৰে আহি গৰুড়ত আক্ৰমণ কৰিলে।৬৭৭।। গৰুড়েও তীব্ৰবেগেৰে কালীয়ক আক্ৰমণ কৰিলে। দুয়োৰে মাজত তুমুল সংগ্ৰাম হ'ল। দুয়োয়ে আন্দোলা আন্দোলি কৰি, ঘাৰমোৰ বান্ধি ভিৰি যুদ্ধ কৰিলে।৬৭৮।। দুয়োকে দুয়োকে আক্ৰান্ত কৰিলে, সিহঁতৰ যুদ্ধত মাটি তলবল কৰিবলৈ ধৰিলে। সৰ্পই গৰুড়ত হাজাৰ মুখেৰে কামোৰ মাৰিলে।৬৭৯।। নাঙলৰ ফালৰ দৰে দাঁতবোৰ সি গৰুড়ৰ শৰীৰত বহোৱালে আৰু বিষ ঢালিলে। গৰুড়ে সেই বিষক গণ্য নকৰি খণ্ডত উগ্ৰমূৰ্ত্তি ধৰি সৰ্পক আক্ৰমণ কৰিলে।৬৮০।। গৰুড়ে জাপমাৰি ঠোঁটেৰে কালীয়ৰ মঙ্গহ সোপাহোপে ছিঙিবলৈ ধৰিলে। কালীয়ই গৰুড়ৰ আক্ৰমণত অস্থিৰ হৈ পৰিল।৬৮১।। সি জিহবা মেলি, দাঁত নিকটাই অচেতন হৈ পৰিল।৬৮২।। গৰুড়ৰ হাতৰ পৰা ৰক্ষা পাবলৈ সি হ্ৰদত বুৰ মাৰিলে আৰু গৰুড়ে লগ নাপাই উলটি আহিলে। গৰুড়ে হ্ৰদত প্ৰৱেশ নকৰিলে। পৰীক্ষিতক শুকে তাৰ কাৰণ ব্যাখ্যা কৰি ক'লে যে পূৰ্ব্বতে এই হ্ৰদত সৌভৰি নামেৰে ঋষিয়ে বসতি কৰিছিল। ইয়াত এটা প্ৰকাণ্ড মাছে কুটুম্বসহ চৰি ফুৰে। গৰুড় পক্ষীয়ে মাছটো খাবলৈ বিচৰাত মুনিয়ে বাধা দিলে। ঋষিবাক্য নামানি গৰুড়ে মাছটো ধৰি খোৱাত আন তাৰ কুটুম্ব সকল অনাথ হ'ল।।৬৮৩-৬৮৫।।

ঋষিয়ে গৰুড়ক অভিশাপ দিলে যে পুনৰ এই হ্ৰদত মৎস্য ভক্ষণ কৰিলে গৰুড়ৰ মৃত্যু হ'ব। এই কথা কালীয়ই জানে বাবে ৰক্ষা পৰিবলৈ এই হ্ৰদত আশ্ৰয় ললে।৬৮৬।।

**উপদেশ—**

কেশৱৰ গুণ-কৰ্ম্ম কলিযুগৰ লোকৰ বাবে মহৌষধ।৬৮৭।। পৰম দুৰ্জ্জন কলি কাল পাপৰ সাগৰ। কলিয়ে লোকৰ মন মলিন কৰিলে। কলি সৰ্পৰ দৰে; এই সৰ্পই দংশন কৰিলে চেতনা হেৰায়। কলিৰ অমৃত ৰাম-নাম। 'ৰামনাম' যত্ন কৰি লোৱা উচিত।৬৮৮-৬৮৯।।

তত্বাৰ্থত দেহতেই কাল সৰ্পই বাস কৰি থাকে। বৃন্দাবন আত্মা। আত্মাই কৃষ্ণ, যি সৰ্ব্বানন্দ। কাম-ক্ৰোধ-লোভ-মোহ-মদ-মাৎসৰ্য-দম্ভ-দ্বেষ্য-অহঙ্কাৰ আদিবোৰ দেহহ্ৰদত বাস কৰি থকা কালীয় নাগ। দেহত সংসাৰ থাকে, আত্মাত কিন্তু সংসাৰ নাথাকে। সংসাৰত মিহলি হৈ থাকে বিষ। যিয়ে দেহ আৰু বিষয়ত মজি থাকে সি যান্ত্ৰণাতে ভোগে আৰু মৃত্যু হয়। কালীয় সংসাৰী সকলৰ ৰূপকমাত্ৰ কৃষ্ণৰ স্পৰ্শত হ্ৰদৰ জল নিৰ্মল, বিষমুক্ত হোৱাৰ দৰে কৃষ্ণনাম হৃদয়ত থাকোতে মায়া দূৰ নহৈ নোৱাৰে; যদিহে ভগৱন্তৰ একান্ত শৰণলৈ ভক্তিত মন মজাই ৰাখে।।

কালীয়ক দমন কৰি কৃষ্ণই হ্ৰদৰ পাৰলৈ অহাত গোপীগণে উল্লাসিত কৃষ্ণক বেঢ়ি ধৰিলে। সকলো গোপীয়ে 'প্ৰাণ পালোঁ, প্ৰাণ পালোঁ' বুলি গলাগলি কৰিলে। সকলোৱে আনন্দ কৰিবলৈ ধৰিলে।৬৯০।। ৰোহিনী, যশোদা আৰু নন্দই আনন্দতে চকুলো বুৱাই কান্দিবলৈ ধৰিলে। বলৰামে কৃষ্ণৰ প্ৰভাৱ দেখি সাৱটি ধৰিলে, বিপ্ৰগণেও পৰম আনন্দ পালে।৬৯১।।

যশোদাই কৃষ্ণক কোলাত সাৱটি লৈ স্নেহতে মৰম কৰিবলৈ ধৰিলে। ঘনে ঘনে তেওঁ শিৰত চুমাখালে, চকুলোৰে কৃষ্ণৰ শৰীৰ তিতিলে। যশোদাৰ হৃদয় শাঁত পৰিলে আৰু ক'লে— 'তুমি কিয় হ্ৰদত জাপ দিছিলা? ঈশ্বৰেহে তোমাক ৰক্ষা কৰিলে, তোমাক ঘূৰাই নোপোৱা হ'লে মই কেনেকৈ জীয়াই থাকিলোহেঁতেন। এতিয়াও সেই শোক মনৰ পৰা আঁতৰি যোৱা নাই।৬৯২।। কৃষ্ণৰ মুখ দেখি গৰু গাইবোৰেও আনন্দ লাভ কৰিলে। কৃষ্ণৰ সন্তাপত তৰু-লতা আদিবোৰেও তলমূৰ কৰি বেদনাবিধুৰ হৈ আছিল আৰু কৃষ্ণক পুনৰ লভি গছ-লতিকাই মুঞ্জুৰি উঠিল। এইদৰে ব্ৰজবাসীয়ে কৃষ্ণৰ পদ-পঙ্কজৰ ৰসত আপ্লুত হৈ উলস-মালস কৰি আনন্দ সাগৰত নিমগ্ন হ'ল।৬৯৩।।

**৩৬। কৃষ্ণৰ বনাগ্নি পান ঃ**

কালীয় দমনৰ পাছত ৰাতি হোৱাত যমুনাৰ পাৰতে গোপ-গোপীৰ সৈতে কৃষ্ণ-বলৰামে ৰাতি তাতে কটাব লগা হ'ল। তেওঁলোক ক্ষুধা আৰু তৃষ্ণাত অতীষ্ঠ হ'ল আৰু খালীপেটেৰে টোপনিত লাল কালহৈ পৰি থাকিল। ৰাতি

দুভাগ মানত বনত বিপুল বনজুইৰ সৃষ্টি হ'ল।৬৯৪।। বনজুইৰ লগতে গিৰ্গিৰ শব্দ কৰি বায়ু ববলৈ ধৰিলে। বতাহৰ লগত জুই প্ৰচণ্ড গতিৰে আগবাঢ়ি আহিল। শুই থকা গোপ-গোপী গণে শব্দৰ গৰ্জ্জনত সাৰ পাই বনজুই দেখিবলৈ পালে। তেওঁলোকৰ শ্ৰুতি-বুদ্ধি হেৰাই গ'ল, শৰীৰ কঁপি উঠিল আৰু মৰণৰ বিভীষিকা দেখিলে। মহাভয়ত কম্পিত হৈ গোপ-গোপী গণে কৃষ্ণত শৰণ ল'লে।৬৯৫।। তেওঁলোকে কৃষ্ণক মাতি ক'লে—'হে কৃষ্ণ, হে কৃপাময়, হে প্ৰভু, আমাৰ ভয়ত ধাতু উৰি গৈছে। আমি বৰ বিপাকত পৰিলোঁ, আমাক ৰক্ষা কৰা, আমাক জুয়ে পুৰি মাৰিব। হে মাধৱ, তুমি বিপদৰ বন্ধু, তোমাৰ বাহিৰে আমাৰ সুহৃদ আন কোনো নাই, তোমাৰ চৰণত শৰণ ললো, আমাক প্ৰাণ দান দিয়া।৬৯৬।।

'নাহি মৃত্যু ভয় ইটো শৰীৰৰ
অৱশ্যে আছে বিচ্ছেদ।
নেদেখিবো আৰ চৰণ তোমাৰ
ইসে বৰ হৃদিখেদ।।'

অৰ্থাৎ শৰীৰৰ মৃত্যু অৱশ্যাম্ভাবী, মৃত্যুলৈ ভয় কৰি লাভ নাই। মৰিলে কৃষ্ণৰ চৰণ আৰু দেখিবলৈ পোৱা নাযাব বুলি তেওঁলোকে খেদ কৰিছে। ভকতৰ বাবে মূলধন ঈশ্বৰ কৃষ্ণহে, জীৱন ঈশ্বৰৰ সান্নিধ্য লাভৰ বাবেহে। সংসাৰৰ সাৰবস্তু হৈছে কেৱল কৃষ্ণৰ সান্নিধ্য লাভ। কৃষ্ণৰ চৰণ ভকতৰ ভয়হাৰী। সেইবাবে 'হে প্ৰভু তোমাৰ চৰণত আমি শৰণ ললো, বনাগ্নিৰ পৰা আমাক ৰক্ষা কৰা।'৬৯৭।।

ব্ৰজবাসীসকলে কৃষ্ণক আবৰি মৰণৰ ভাবত ত্ৰাসিত হৈ ক'লে— 'আমাৰ বৰ ভয় লাগিছে।' ভকত সকলৰ ভয় দেখি কৃষ্ণই ক'লে— 'ভয় নাই, চিন্তা নকৰিবা।' কৃষ্ণই মুখমেলি বনাগ্নি পান কৰিবলৈ ধৰিলে। সকলোৰে কৃষ্ণই বনৰ জুই গিলিখোৱা দেখি—'ধৰ্ম, ধৰ্ম বুলি ব্যক্ত কৰিলে। কৃষ্ণ অনন্ত শক্তিৰ আধাৰ, মহেশ্বৰ মাধৱৰ বাবে কোনো অসম্ভৱ নাই, তেওঁ অসম্ভৱ কৰ্ম্মকো কৰিব পাৰে।'৬৯৮।। কৃষ্ণৰ কৰ্ম দেখি গোপ-গোপী গণে বিস্ময় মানিলে আৰু তেওঁযে মানুহ হ'ব নোৱাৰে তাকো উমান পালে। তেওঁ ভকতৰ গতি সাক্ষাত পৰম পুৰুষ বুলি গোপ-গোপীয়ে নিশ্চিত কৰে। পৃথিৱীৰ মহাভাৰ খণ্ডিবলৈ তেওঁ অৱতাৰ হৈছে বুলি ভাবিলে। এইদৰে নানা ধৰণেৰে মাধৱক প্ৰশংসা কৰি গোপ-গোপীগণে আনন্দ কৰিলে।৬৯৯।।

কৃষ্ণই ইয়াৰ পাছতে বংশী বজালে আৰু গৰুবোৰ আগ কৰি, গোপগণক লৈ শিঙা-বেত-বেনু বাই আগবাঢ়িল। গোপগণে হৰিগুণ গাই, কৃষ্ণক আবৰি অগ্ৰসৰ হ'ল।৭০০।। গোপগণে কৃষ্ণৰ চৰণ চিন্তি প্ৰেমৰসত তন্ময় হৈ গৈ ব্ৰজত সকলোৰে প্ৰৱেশ কৰিলে।৭০১।।

**উপদেশ ঃ**

মানবী জন্মৰ মূল লক্ষ্য ৰামনাম, ইয়াৰে সেতু বান্ধি সংসাৰ সাগৰ পাৰ হ'ব লাগিব। নাম বিনে জীৱৰ গতি নাই। চাৰিও বেদতে এই কথাকেই কোৱা হৈছে। আন সকলো পৰিহাৰ কৰি সুদৃঢ় বিশ্বাসেৰে হৰিনাম ল'বলৈ লিখকে উপদেশ দিছে। তেতিয়াহে বৈকুণ্ঠ লোক পাব, পুৰুষ উদ্ধাৰ হ'ব। প্ৰতি ক্ষণে ক্ষণে ৰাম নাম আওৰাব লাগে যাতে পাপ কাষ চাপিব নোৱাৰে।৭০২।।

**৩৭। বৃন্দাবনত গোপসকলৰ লগত ৰাম-কৃষ্ণৰ খেলা আৰু বলভদ্ৰৰ প্ৰলম্বাসুৰ বধ ঃ**

কৃষ্ণই কালীয়ৰ ফনাত নৃত্য কৰি যি আমোদ পালে, সেই আমোদ বলৰামকো দিবৰ বাবে কৃষ্ণই দৈত্যৰ কান্ধত বলৰামক উঠাবলৈ পৰিকল্পনা কৰিলে।৭০৩।।

সেই ঠাইতে কৃষ্ণই ক্ৰীড়া কৰি ছদ্মৰূপ ধৰি বৎসগণক চৰাবলৈ ধৰিলে। সেই সময়তে গ্ৰীষ্মকাল আহিল।৭০৪।। গ্ৰীষ্মৰ প্ৰখৰ ৰদে শৰীৰক প্ৰীড়া কৰে। কিন্তু ভগৱন্ত কৃষ্ণই তাত বাস কৰাৰ কাৰণে গ্ৰীষ্মৰ পৰিবৰ্তে তাত বসন্ত কালৰ সৃষ্টি হ'ল।৭০৫।।

অসংখ্য নিজৰা কুলু কুলু সুৰে প্ৰবাহিত হ'ল, অৰণ্যৰ গছ-লতিকাই বসন্তৰ পৰশত প্ৰাণ পাই উঠিছিল।৭০৬।। বৃন্দাবনত শীতল বায়ু প্ৰবাহিত হ'ল, উৎপল আদি ফুল ফুলিল, নদীৰ জল ছিটিকি পৰিল। গছ-গছনিবোৰ বতাহত লৰিবলৈ ধৰিলে।৭০৭।। লতাবোৰত নব-পল্লৱ ধৰিলে, সূৰ্যৰ তাপ মৃদু হ'ল, ফল আৰু পুষ্পেৰে বৃক্ষৰডাল ওলমি পৰিলে, পশু-পক্ষীবোৰে পালে পালে বিচৰণ কৰি ফুৰিবলৈ ধৰিলে।৭০৮।। হ্ৰদবোৰৰ জলৰাশিত প্ৰচণ্ড উৰ্ম্মিমালা উঠিল আৰু চৌপাশে হ্ৰদৰ পানী উফন্দি পৰিল। বৃন্দাবনৰ ভূমি ভাগ কৰ্দ্দমেৰে ভৰি পৰিল, সূৰ্যৰ ৰশ্মিয়ে ভূমি ভাগৰ জল শুহিব নোৱাৰা হ'ল।৭০৯।।

চাৰিওফালে পুষ্পৰাজি ফুলিল, ফুলৰ জকমকনিত প্ৰকৃতিত আহিল

আহলাদ, মৃগগণে আনন্দত আৰাও কৰিলে, পক্ষীকুলে উৰি উৰি ফলমূলবোৰ খাবলৈ ধৰিলে আৰু আনন্দত আত্মা হাৰা হৈ চিঞৰিবলৈ ধৰিলে।৭১০।। অলিকুলে পুষ্পবনত পৰি গুঞ্জন তুলিলে, ময়ূৰৰ ৰোলে, বৃন্দাবন মুগ্ধ কৰি তুলিলে, কুকিলৰ কুউ কুউ ধ্বনিয়ে প্ৰকৃতিক উন্মাদ কৰিলে আৰু জলচৰ পক্ষীবোৰে মাতিবলৈ আৰম্ভ কৰিলে।৭১১।।

এনে মধুময় বৃন্দাবনৰ মধু আবেগত গোপগণ সমে গোবিন্দই গৰু চৰালে। গৰুবোৰ আগকৰি অধৰে বাংশী বজাই কৌতুকে নানা ক্ৰীড়া কেশৰে কৰিবলৈ ধৰিলে।৭১২।। কৃষ্ণই মূৰত ময়ূৰ পুচ্ছ গুজি, কৰ্ণত পল্লৱ লৈ, ডিঙিত বন্যপুষ্প মালা পিন্ধি, ফুলৰ ফাকু গাত ঘঁহি গোপগণেও নাচবাগ কৰি গীতগাই বা কেতিয়াবা বাহুযুদ্ধ কৰি ক্ৰীড়া কৰিলে।৭১৩।। নাৰায়ণে নিজেও নৃত্য কৰাত ব্যস্ত হ'ল, গোপগণে চাপৰি বজাই নাচিবলৈ ধৰিলে।৭১৪।। গোপৰূপী ৰাম আৰু মাধবক মাজত লৈ দেৰৰূপী গোপগণে বহুবিধৰ ক্ৰীড়া-কৌতুক কৰিছিল।৭১৪-৭১৭।। তেওঁলোকে আজুৰা-আজুৰি, খেদাখেদি, টনাটনি, ফলদলিয়াদলি কৰি, ঢেৰাকোট খেলি, লোকালোকি খেলি আনন্দ-ধেমালি কৰি পৰম তৃপ্তি লভিছিল।৭১৮-৭২০।। কেতিয়াবা হয়তু তেওঁলোকে জাপমাৰি, ৰজাহৈ, ছত্ৰধৰি হাতত চামৰ লৈ, সিংহাসনত বহি, নদী-সৰোবৰ-বন-গহ্বৰত পাখি বিবিধ ক্ৰীড়া কৰিছিল।৭২১-৭২২।।

**প্ৰলম্বাসুৰ বধ ঃ**

সেই সময়তে প্ৰলম্বাসুৰ নামে এটা অসুৰে গোপৰূপ ধৰি গৰুৰ মাজত প্ৰবেশ কৰিলে। তাৰ উদ্দেশ্য আছিল ৰাম-কৃষ্ণক হৰণ কৰি নিয়া। সি গৰুবোৰৰ মাজতে সোমাই উমলিছিল।৭২৩।। কৃষ্ণই গৰুবোৰ চাওঁতে তাক দেখা পালে। তাক দেখি কৃষ্ণই হাঁহি মাৰি বধিবলৈ আশা কৰিছিল যদিও চিন্তাকৰি পালে যে প্ৰলম্বাসুৰৰ মৰণ বলোৰ হাতত হে আছে। সেইবাবে কৃষ্ণই গোপগণক মাতি আনি দুটা ভাগত ভাগ হৈ খেলাখেলিবলৈ কলে। শ্ৰীদাম, বৃষভ আদি গোপগণণ বলৰামৰ দলত থাকিল আৰু কৃষ্ণৰ পক্ষত থাকিল ভদ্ৰসেন, প্ৰলম্ব আদি গোপসকল। খেলৰ পণ হৈছে যি পক্ষ হাৰিব, সেইপক্ষৰ গোপবিলাকে জিকা পক্ষৰ গোপগণক কান্ধত তুলি নিৰ্দ্দিষ্ট সীমালৈ নিব লাগিব। খেলত কৃষ্ণৰ পক্ষ পৰাজয় হয় আৰু বলৰামৰ পক্ষ জয়ী হয়।৭২৪-৭২৯।।

শ্ৰীদাম গোপক কৃষ্ণই, ভদ্ৰসেনে বৃষভক কান্ধত বহন কৰিলে। প্ৰলম্বই বলৰামক বহন কৰি নিলে। এইদৰে এজনে আনজনক বহন কৰি নি নিৰ্দ্দিষ্ট সীমাত থলে, কিন্তু প্ৰলম্বই বলৰামক সীমাত নথৈ সুদূৰলৈ লৈ গ'ল। ৭৩০,৭৩১।। বলৰামৰ ওজন বহন কৰিব নোৱাৰি প্ৰলম্বই নিজৰ আসুৰী শৰীৰ ধৰিলে।৭৩২।। তাৰ দেহ এচপৰা কালমেঘৰ দৰে, নানা অলঙ্কাৰে তাৰ দেহ বিভূষিত। তাৰ ওপৰত উঠি যোৱা বলৰাম চন্দ্ৰৰ দৰে শোভা পাইছিল। অসুৰৰ শৰীৰ অঞ্জন পৰ্ব্বতৰ দৰে থুলন্তৰ, ভয়ঙ্কৰ আকাৰৰ অঙ্গ, দুই চকু প্ৰকাণ্ড অগ্নিৰ দৰে, নাকৰ বিন্ধা আৰু দাত অন্ধকূপৰ নিচিনা, দুটা ওঠ মৌবাহৰ দৰে কুৰূপ, মুখ খন ভ্ৰকুটি কুটিল গিৰিগহ্বৰ দৰে, তাৰ দাড়িবোৰ পিঙ্গলবৰণৰ; কাণদুখন দুখন বৃহৎ কুলাৰ দৰে, মূৰ বৃহদাকাৰৰ আৰু আকাশ লঙ্ঘা।৭৩৩-৭৩৫।। সি কাল ভূজঙ্গৰদৰে ফোঁফাইছিল, দাঁতবোৰ কপালত লাগি জিলিকি আছিল। সি লহলহকৈ জিভামেলি কিল কিলকৈ হাঁহিছিল। দুই বাহু দুটা প্ৰকাণ্ড দীঘল শিলৰ দৰে আছিল।৭৩৬।।

হাতৰ পাৰৰ নখ আছে ফুলি ফুলি।
খালী আছে পেট যেন শুখান পুখুৰী।।
স্থুল জাঙ্গ ভেঙ্গুৰা ভেঙ্গুৰি ভৰি তাৰ।
যায় ভূমিকম্প পায়া পাৰৰ প্ৰহাৰ।।৭৩৭।।
নাকৰ নিশ্বাস যেন বতাস শোষাই।
কালান্তক মূৰ্ত্তিক দেখন্তে ধাতু যায়।।
প্ৰলয়ৰ মেঘে যেন তেজিল আটাস।
দেখি বলভদ্ৰৰ ঈষত ভৈল ত্ৰাস।।৭৩৮।।

হাত-ভৰিৰ দীঘল আৰু চোকানখ, শুকান পুখুৰীৰ দৰে তাৰ পেট, জাঙ্গাস্থূল, ভৰি ভেঙ্গুৰা-ভেঙ্গুৰি, নাকৰ বতাহ ধুমুহাৰ দৰে প্ৰৱল। এনে ভয়ঙ্কৰ আকৃতিৰ অসুৰক দেখি বলৰাম কিছু শঙ্কিত হৈছিল। পাচলৈ চাই কৃষ্ণকো দেখা নাপালে।

বলৰামে নিজকে দৃঢ় কৰি ক্ৰোধত ওঠ কামুৰি অসুৰৰ কান্ধত উঠি তাৰ মূৰত এটা প্ৰকাণ্ড মুষ্টি প্ৰহাৰ কৰিলে।৭৪০।। বজ্ৰই গিৰিশৃঙ্গ খহোৱাৰ দৰে প্ৰলম্বৰ শিৰ ছিগি গ'ল তাৰ মুখৰ পৰা তেজ নিৰ্গত হ'ল, এটা প্ৰকাণ্ড চিঞৰ মাৰি সি পৰি গ'ল আৰু প্ৰাণ বায়ু ওলাই গ'ল।৭৪১।।

বলৰামে তাৰ কান্ধৰ পৰা ডেৰ দি নামিল। তাৰ শৰীৰ বৃহৎ অঞ্চল আগুৰি পৰিল। সি তাৰ শৰীৰ পৰোতে বসুমতী লৰিছিল।৭৪২।।

প্ৰলম্বক বধ কৰা দেখি গোপগণ পৰম বিস্মিত হ'ল। তেওঁলোকে বলৰামক ভূয়সী প্ৰশংসা কৰিলে। বলোক তেওঁলোকে সাৰটি ধন্য মানিলে। কৃষ্ণই আহি জ্যেষ্ঠ ভাতৃক আলিঙ্গন কৰিলে।৭৪৩-৭৪৪।। প্ৰলম্বাসুৰক বধ কৰাৰ বাবে দেবগণে বলোৰ শিৰত পুষ্পবৃষ্টি কৰিলে, স্বৰ্গত পৰম আনন্দ উৎসৱ হ'ল; অপেশ্বৰীয়ে নৃত্য কৰিলে, গন্ধৰ্ব্বই গীতগালে, মৃদঙ্গ-দুন্দুভি ধ্বনিৰে জয় জয় ধ্বনি মুখৰিত হ'ল।৭৪৫-৭৪৬।।

**উপদেশ ঃ**

স্বয়ং ঈশ্বৰে আহি কৃষ্ণ ৰূপে অৱতাৰ গ্ৰহণ কৰি যি অমৃতৰ তুল্য চৰিত্ৰ প্ৰদৰ্শন কৰি থৈ গ'ল, তাক শুনিলে জীৱই মুক্তি লাভ কৰে। তেওঁ অন্য বাৰত অংশ অৱতাৰ লৈ একো একোটা মহান কৰ্ম্ম সাধন কৰিছিল; এইবাৰ পূৰ্ণ অৱতাৰ গ্ৰহণ কৰি সমস্তলোকক মুক্তি দিবৰ বাবেই বিবিধ লীলা কৰিছিল। যি সকলে ভগবানৰ এই লীলাৰ কথা-শ্ৰৱণ কৰে, কীৰ্ত্তন কৰে, তিনিবিধ সাধন একেবাৰতে সমাধা হয়।৭৪৮।।

কলিৰ পৰম পাপ সাগৰ সঙ্গাশ।
প্ৰথমতে দহি তাক কৰে সৰ্ব্বনাশ।।
সমস্তে পুণ্যৰ কীৰ্ত্তনতে পাই ফল।
হাততে মিলাৰে মহা মুকুতি মঙ্গল।।৭৪৯।।

তিনিবিধ সাধন— প্ৰথমতে পাপ বিনাশ, দ্বিতীয়তে পুণ্য অৰ্জন আৰু তৃতীয়তে মুক্তি লাভ।

হৰিগুণ নাম ধৰ্ম্ম অনুপম। এনে অমূল্য ধৰ্ম্ম এৰি অন্য ধৰ্ম্ম আচৰণ কৰাজন বুদ্ধিহীন। পশু-পক্ষীৰ শৰীৰতো বিষয়ৰ সুখ- পোৱা যায়।৭৫০।। মানৱজীৱন অতি দুৰ্ল্লভ; বিশেষকৈ ভাৰতত মানবীয় তনু পোৱাটো ভাগ্যৰ কথা। কোটি কোটি কল্পৰ সাধনাৰ বলত হে মানবী জন্ম পোৱা যায়। এনে সাধনাৰ জন্ম বিষয়ত মজি থাকি বিফল কৰিব নাপায়। মালয়চন্দন কাঠ পুৰি তাৰ ছাই বিচৰাটো মুখাৰ্মি।৭৫১।। কালে টানি আছে, কেতিয়া প্ৰাণ লৈ যাব, তাৰ ঠিক নাই। আত্মঘাতী হ'ব নালাগে। সংসাৰ সাগৰ পাৰ হ'বলৈ ৰামনামৰ সেতু বন্ধা উচিত। চিত্তত কৃষ্ণৰ চৰণ নিতে চিন্তা কৰিব লাগে। কৃষ্ণত শৰণলোৱাৰ বাহিৰে কোনো গতি থাকিব নোৱাৰে।

'সেইবাবে আন কাম এৰি হৰি হৰি বোলা' বুলি গুৰুজনে নৰলোকক উপদেশ দিছে।

**৩৮। গোপগণক দাবাগ্নিৰ পৰা উদ্ধাৰ ঃ**

শ্ৰীদাম নামৰ গোপজন কৃষ্ণৰ গাৰ ওপৰত উঠি গৈ বৰ সন্তোষ পালে। কৃষ্ণকো জিনিলো বুলি শ্ৰীদামৰ অৱগৰ্ব্ব হ'ল। বলৰামক সতকাৰ কৰি, মৃতপ্ৰলম্বাসুৰক এৰি গছৰ তলত সকলোৱে খেড়ি খেলিবলৈ ধৰিলে। ৰাম-কৃষ্ণই গোৱাল সকলৰ দুটাপক্ষ কৰি ক'লে—'যাক যি জনে ইচ্ছা কৰে তেওঁ কান্ধত বগাই ফুৰিব পাৰিব।"৭৫৫।। এইদৰে খেলাখেলি থাকোঁতেই গাই-গৰুৰ পাল সুদূৰলৈ আতৰি গ'ল। গৰুপালৰ লগত মেথোন, ছাগলী, ম'হ আদিবোৰেও গৈ ঘাঁহৰ লোভত গৈ গহ্বৰত প্ৰৱেশ কৰিলে। মুঞ্জবনত প্ৰৱেশ কৰি বনজুইৰ তাপত গৰুবোৰে হেম্বেলিয়াবলৈ ধৰিলে, ম'হবোৰে ডেডোৱাবলৈ লাগিল, ছাগলীবোৰে পলাবলৈ ধৰিলে। গৰুবোৰক নেদেখি গোপগণে চিন্তিত হৈ বনত ঘূৰি ফুৰি গৰুৰ অনুসন্ধান কৰিলে।৭৫৭।।

গোপগণে গৰুৰ খোজৰ চিন অনুসৰণ কৰি কৰি গৈ মুঞ্জবনত প্ৰৱেশ কৰিলে।৭৫৮।। তেওঁলোকে গৈ গৰুবোৰ দেখিলে। গৰুবোৰে ক্ষুধা, তৃষ্ণাত আতুৰ হৈ থকা গোৱালবোৰ দেখিলে। কৃষ্ণই বৰ ওখ-গছত উঠি গৰুগাইবোৰ দেখি দয়াৰে দৃষ্টি কৰিলত গৰুবোৰে শান্তনা লভিলে।৭৫৯-৭৬০।। কৃষ্ণক দেখাৰ লগে লগে সিহঁতৰ ক্ষুধা-তৃষ্ণা দূৰ হ'ল, শৰীৰ পুলকিত হ'ল।৭৬১।। ইতিমধ্যে বনত জুই লাগিল। প্ৰচণ্ড বায়ুৰ সান্নিধ্যত বনজুয়ে আকাশ লঙ্ঘিলে। গৰুবোৰে ভয়ত আৰ্ত্তনাদ কৰিলে—৭৬১-৭৬২।। চাৰিওফালে গিৰ্ গিৰ্ শব্দ হ'ল, গৰুবোৰে পলাবলৈ বাট বিচাৰি নোপোৱা হ'ল। ভয়াৰ্ত্ত গোপ গণে ত্ৰাহি হৰি ত্ৰাহি হৰি চিঞৰিবলৈ ধৰিলে। গৰু-গাই-গোপগণে মৃত্যুৰ পৰা উদ্ধাৰ হ'বলৈ কৃষ্ণক প্ৰাৰ্থনা জনালে—

'হে কৃষ্ণ কৃষ্ণ পৰম বিক্ৰম
হেৰা মৰি যাওঁ প্ৰাণে।
বনজুইত পুড়ি মৰি যাওঁ আমি
স্বামী কৰা পৰিত্ৰানে।।'৭৬৪।।

'তুমি আমাৰ পৰম সুহৃদ, তোমাৰ বিহনে আমাৰ গতি নাই, হে বান্ধৱ, বনজুইৰ পৰা আমাক উদ্ধাৰ কৰা' বুলি গোপগণে কৃষ্ণক মিনতি কৰিলে। 'আমি তোমাৰ নিজভৃত্য, আমাক উদ্ধাৰা' তেওঁলোকে ক'লে।৭৬৫।।

ভৃত্যগণৰ আকুল প্ৰাৰ্থনা শুনি কৃষ্ণই হাতদাঙি 'ভয় নাই ভয় নাই' বুলি আশ্বাস দিলে। তোমালোক মোৰ পৰম ভকত, আমি থকালৈকে তোমালোকে নিৰ্ভয় হৈ থাকা; বনজুয়ে তোমালোকক অপকাৰ কৰিব নোৱাৰে।৭৬৬।। কৃষ্ণই সকলোকে চকুমুদি থাকিবলৈ ক'লে। কৃষ্ণৰ বচন শুনি গোপ, গৰু সকলোৱে চকু জপাই থাকিল। কৃষ্ণই পৰমলীলা কৰি দাবাগ্নি মুখেৰে পান কৰিলে। গোপ আৰু গৰুবোৰে মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ হ'ল।৭৬৭।। কৃষ্ণই সকলো গোপ আৰু গৰুবোৰক নিজ যোগাবলে পুনৰ ঘূৰাই আনি একত্ৰিত কৰিলে।

গোপ আৰু গৰুবোৰে চকুমেলি চাই বনজুই দেখা নাপালে আৰু বৰগছজোপাৰ তলত সকলোৱে একেলগে থকাদেখি কৃষ্ণৰ আশ্চৰ্য মহিমাত বিস্মিত হ'ল।৭৬৮।। নন্দসুত যে প্ৰকৃততে মানুহ নহয় জগতৰ পতি পৰম পুৰুষ বুলি সকলোৱে মানি ললে। তেওঁলোকে চৌদিশৰ পৰা বেঢ়ি পৰি পৰি কৃষ্ণক প্ৰণাম জনালে। গধূলি হোৱাত কৃষ্ণ-বলৰাম আৰু গোপগণে গৰুবোৰ লৈ মোহন বংশী বজাই বজাই নিজ বাসস্থানলৈ প্ৰত্যাবৰ্ত্তন কৰিলে।৭৬৯।।

ব্ৰজৰ গোপীগণে কৃষ্ণৰ অনুপস্থিতিত শোক-বিহ্বল হৈ আছিল আৰু কৃষ্ণাদিৰ প্ৰবেশত মনত আনন্দত হিয়া-নাচি উঠিল।৭৭০।। সকলোৱে হৃদয় শাতপৰিলে। কৃষ্ণৰ মুখপদ্ম নিৰেক্ষি তেওঁলোকে পৰম তৃপ্তি লাভ কৰিলে। কৃষ্ণয়ো আনন্দত আত্মহাৰা হ'ল।৭৭১।।

গোপগণে ব্ৰজত প্ৰবেশ কৰাৰ পাছত ব্ৰজবাসীক কৃষ্ণ-বলৰামৰ মহিমাৰ কথা বিবৰি ক'লে। গৰু চৰাই থাকোতে এটা অসুৰে কৃষ্ণ বলৰামক হৰণ কৰিবলৈ আহি যি ষড়যন্ত্ৰ কৰিছিল আৰু বলৰামে মুষ্টিৰ প্ৰহাৰত কেনেকৈ প্ৰাণ ললে, তাৰ কথা ব্যক্ত কৰিলত সকলোৱে শুনি আচৰিত হ'ল আৰু বলৰামক ভূৰিভূৰি প্ৰশংসা কৰিলে। গোপ-গোগণক বনাগ্নিয়ে কেনেকৈ বেঢ়িলৈ মাৰিবলৈ বিচাৰিছিল আৰু কৃষ্ণই কিমান সহজে বনাগ্নি পান কৰি তেওঁলোকক মৃত্যুৰ মুখৰ পৰা প্ৰাণৰক্ষা কৰিলে, সেইকথা শুনি ব্ৰজবাসীয়ে বিস্ময় মানিলে। তেওঁলোকে কৃষ্ণৰ মাহাত্ম্যক প্ৰশংসা কৰিলে। তেওঁলোকে জানিলে যে কৃষ্ণ ৰাম মানুহ নহয়, পৰম পুৰুষহে।৭৭২,৭৭৩।।

**উপদেশ ঃ**

কেশৱৰ অমৃতময় চৰিত্ৰ শ্ৰৱণ কৰি উচিত। সংসাৰ সুখেৰে তৰিবলৈ কেশৱৰ চৰিত্ৰামৃত নিতৌ পান কৰা একান্ত উচিত। সুখেৰে সংসাৰ তৰিবলৈ, কুলক উদ্ধাৰ কৰিবলৈ, পিতৃলোকক কৃত্যকৃত্য কৰিবলৈ হৰিনাম শ্ৰৱণ কীৰ্ত্তন কৰিব লাগে। পুত্ৰ-পুত্ৰাদিয়ে হৰিত ভকতি কৰিলে নৰকত থকা উপৰিপুৰুষে স্বৰ্গগতি লাভ কৰে। দধি, দুগ্ধ, মধু খাই তৃপ্তি পোৱাৰ দৰে কীৰ্তন শুনিলে নৰকত থকা পিতৃ-পিতামহে পৰম তৃপ্তি লভে। সেইবাবেই কৃষ্ণ-ভক্তি মহামূল্যৱান।৭৭৩-৭৭৫।।

**৩৯। বৰ্ষাবৰ্ণন ঃ**

বৃন্দাবনত গ্ৰীষ্মকাল পাৰহৈ বৰ্ষাঋতু সমাগত হ'ল। বিভিন্ন ঋতুত প্ৰকৃতি ৰাজ্যত বিভিন্ন পৰিৱেশৰ সৃষ্টি হয়। ঋতুৰ পৰিৱৰ্ত্তনৰ লগে লগে মনৰাজ্যতো চিন্তা-ভাৱনাৰ পৰিৱৰ্ত্তন ঘটে। গুৰু-শ্ৰীমন্ত শঙ্কৰদেৱে গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত আৰু বসন্ত কালৰ প্ৰকৃতিৰ বৰ্ণনা দশমৰ বিভিন্ন বিষয়ৰ বৰ্ণনাত সুন্দৰভাৱে দাঙি ধৰিছে। বৰ্ষা আৰু শৰতৰ বৰ্ণনাত কবি পঞ্চমুখ হৈ পৰিছে। বৰ্ষা বৰ্ণনাত বৰ্ষাৰ নিতুল ছবি ফুটি উঠিছে।

বৰ্ষাঋতুৰ গগনমণ্ডলত সূৰ্য্যই বিমল পোহৰ বিলায়; সূৰ্য্যৰ ৰশ্মিৰেখাই আকাশ চিক্‌মিকায়।৭৭৬।। ভূভাগৰ ওপৰেদি প্ৰবলবেগেৰে বায়ু প্ৰবাহিত হয়। বতাহৰ হো-হোৱনিত কাৰো মাতবোল নুশুনা হয়। গগনমণ্ডল আগুৰি মেঘৰ আন্দোলন হয়। ক'লামেঘত ঘনে ঘনে বিজুলিৰ চকমকনি দেখা যায়। খদ্যোতৰ চিক্‌মিক্‌নিত চকুত ঝমক লাগে।।৭৭৭।। ঘনঘোৰে আকাশ ঢাকিধৰাৰ বাবে চন্দ্ৰ-সূৰ্য্য, নক্ষত্ৰবোৰ দেখা পোৱা নাযায়।৭৭৮।। ডাৱৰত বিদ্যুতৰ লগতে বায়ুৰেও প্ৰচণ্ড মূৰ্ত্তি ধাৰণ কৰে। দিনে ৰাতিয়ে মেঘৰ পৰা ধাৰ সাৰে বৃষ্টিপাত হৈ থাকে। বৰষুণৰ পানীৰে খাল বিল, দ'ঠাই বামঠাই সকলো স্থানকে বুৰাই পেলায় আৰু জানজুৰি বোৰত পানীৰ প্ৰবাহ তীব্ৰ হয়।৭৭৯।।

গ্ৰীষ্মকালত প্ৰখৰ ৰৌদ্ৰ তাপত শুকাই থকা স্থলভাগ বৰ্ষাৰ লগে লগে পুষ্ট হৈ উঠে। তপস্বীৰ শৰীৰ তাপত শুকাই ক্ষীণাই যায় আৰু পুনৰ ভোজন কৰি পুষ্ট হোৱাৰ দৰে গ্ৰীষ্মৰ পৃথিৱী বৰ্ষাত পুষ্ট হয়।৭৮০।। বৰ্ষা-ৰাতিত নক্ষত্ৰ মণ্ডলীয়ে পোহৰ দিব নোৱাৰিলেও ডাৱৰত প্ৰতিভাত হোৱা বিজুলিয়ে পোহৰ দিয়ে। কলিযুগত বেদশাস্ত্ৰ ছন্ন হয় যদিও পাষণ্ডগণে তাতে বচন শুনাৰ দৰে বিদ্যুতৰ পোহৰত নক্ষত্ৰগণক দেখা যেন লাগে।৭৮১।।

মেঘৰ নাদ শুনি বেঙ্গৰ ৰোল বাঢ়ি যায়। গুৰুৱে পাঠ দিলে শিষ্যই

পাঠ পঢ়াৰ দৰে ভেকুলীবোৰেও মেঘৰ নাদৰ লগে লগে চিঞৰে। নদীবোৰ পানীৰে চপ্‌চপীয়া হোৱাৰ বাবে বামেৰে বৈ যায়। লোকে ধনৰ গৰ্বত অকাৰ্য কৰাৰ দৰে, নদীয়েও পানীৰ গৰ্ব্বত মানুহৰ অনিষ্ট সাধন কৰে।৭৮২।। সেউজীয়া সুকোমল ঘাঁহনিবোৰ পানীয়ে বুৰাই বিধস্ত কৰে, ভূমিভাগকো বিবৰ্ণ কৰি তোলে।৭৮৩।। বাৰিষাৰ বসুমতী নানা ৰঙৰ হৈ দেখা দিয়ে, পানীয়ে সা-সম্পত্তি, খেতি-বাতি আদিক নষ্ট কৰি লৈ যায়। ৰাজ্যৰ পৰা লক্ষ্মী আতৰি গলে ৰজাৰ যি দুৰ্দ্দশা হয়, পানীয়েও ৰাজ্যৰ শ্ৰীহৰণ কৰে।৭৮৪।। অন্যহাতে বৰষুণৰ পানী পাই খেতি লহপহকৈ বাঢ়ি উঠে আৰু কৃষকে দেখি আনন্দ লাভ কৰে। পানী শুকাই গলে শস্যবোৰ নিস্তেজ হৈ পৰে আৰু তেতিয়া কৃষকৰ মহাদুঃখ হয়।৭৮৫।।

বাৰিষাৰ নতুন পানী পাই স্থলচৰ বাসীয়ে স্নান, পান, আচমন কৰি আনন্দ পায়। হৰিভক্তিয়ে লোকক সুন্দৰ আৰু মহান কৰাৰ দৰে বাৰিষাৰ জলে প্ৰকৃতিৰ ৰূপ মনোহৰ কৰি তোলে।৭৮৬।। বৰ্ষাৰ প্ৰকৃতিৰ লগত ভক্তিক্ষেত্ৰৰ সমন্বয় লিখকে অন্বয় কৰিছে— কেশৱৰ সেৱা যি পৰমসেৱা, আৰু অতি সুখকৰ সেৱা, হৰিৰ সেৱাই সুহৃদলোকৰ বদগুণবোৰ নিকাকৰাৰ দৰে বৰ্ষাৰ জলে পৃথিৱীৰ মলিবোৰ ধুই লৈ যায়।৭৮৬,৭৮৭।।

বৰ্ষাৰ জল নদীহৈ বৈ গৈ সাগৰত পৰে। সাগৰৰ সঙ্গমত মহা উৰ্ম্মি উত্থিত হয়। যোগীয়ে যোগ সাধনাৰে মনক শুদ্ধ কৰিবলৈ বিচাৰে, কিন্তু মনত কামভাৰ থকাৰ বাবে বিষয়ৰ সান্নিধ্যত যোগসাধনা নষ্ট হোৱাৰ দৰে নদীৰ জলৰ ধৰ্ম্ম অনুসৰি সাগৰত মিলহোৱাৰ লগে প্ৰচণ্ড উন্মত্ততা বৃদ্ধি হয়।৭৮৮।। মেঘে মুষলধাৰে বৰষিলেও পৰ্ব্বতে ভয় কৰিবলগা নাই; কিয়নো পৰ্ব্বতৰ শিখৰত বন্যা নুঠে। সেইদৰে যিজনৰ মনত কৃষ্ণৰ প্ৰবেশ হৈছে, তেওঁক সংসাৰৰ দুঃখ-ক্লেশে লঙ্ঘিব নোৱাৰে।৭৮৯।।

বৰষুণৰ পানীপাই তৃণাদি উদ্ভিদে নিমজ বাটপথবোৰ ঢাকি পেলায়, সেই পথেদি লোকৰ যাতায়ত বন্ধ হয়। সেইদৰে ব্ৰাহ্মণে বেদ পাঠ ত্যাগ কৰিলে বেদপথ নাশ হয়।৭৯০।। ডাৱৰৰ বিজুলী থাকে; মেঘধীৰ স্থিৰ, কিন্তু মেঘত সৃষ্টি হোৱা বিজুলী অতিকে চঞ্চল। তেনেদৰে ভক্তিৰ ক্ষেত্ৰতো দেখা যায় যে গুণৱন্ত পুৰুষ মহাধীৰ স্থিৰ; কিন্তু বেশ্যাৰ ৰূপ-সৌন্দৰ্যই তেনে পুৰুষৰ বুদ্ধিত অস্থিৰতা আনে।৭৯১।।

যেন মহা গুণৱন্ত পুৰুষক পাই।
তথাপিতো বেশ্যাৰ বুদ্ধিৰ স্থিৰ নাই।৭৯১।।

ইন্দ্ৰধনু নিৰ্গুণ, মেঘ গুণময়। গুণময় মেঘত নিৰ্গুণ ইন্দ্ৰধনু প্ৰতিফলিত হয়। ৰামধেনু সপ্তবৰণৰ—বেঙেনাবুলীয়া (Violet) ঘননীলা (Indigo) নীলা (Blue) সেউজীয়া (green) হালধীয়া (yellow) কমলা (orange) ৰঙা (Red) Viloggor. ইন্দ্ৰধনুত পঞ্চম বৰ্ণৰ সমাবেশ আৰু ইয়াৰ মূল ৰং বগা। বগা সত্ব গুণৰ প্ৰতীক, ক'লা মেঘ গুণযুক্ত। ক'লামেঘত ইন্দ্ৰধনু প্ৰকাশ পায়।

যেন তিনি গুণময় জগত যতেক।
নিৰ্গুণ পুৰুষ তাত প্ৰকাশে প্ৰত্যেক।৭৯২।।

সমস্ত জগত, জীৱ, তিনিগুণেৰে আবৰা, পৰমপুৰুষ নিৰ্গুণ। দেহ গুণময়, দেহত থকা আত্মা পৰমাত্মাৰ অংশবাবে নিৰ্গুণ। ক'লা-মেঘ জীৱৰ দেহ আৰু ইন্দ্ৰধনু আত্মা। ইন্দ্ৰধনু আত্মাৰ (শুদ্ধ-সত্ব) প্ৰতীক।

চন্দ্ৰজ্যোতি প্ৰকাশিত যিটো মেঘগণ।
নজ্বলন্ত চন্দ্ৰো সেহি মেঘে হুয়া ছন্ন।।
যেন যিটো চৈত্যন্যে প্ৰকাশে অহঙ্কাৰ।
সেহি অহঙ্কাৰে ঢাকে জ্যোতি জীৱাত্মাৰ।৭৯৩।।

সূৰ্য্যৰ পোহৰত চন্দ্ৰ প্ৰতিফলিত হয়। চন্দ্ৰৰ প্ৰতিফলন ডাৱৰৰ মাজত বিচ্ছুৰণ হয়। চন্দ্ৰক ডাৱৰে ঢাকি ৰাখে বাবে দেখা নাযায়। চন্দ্ৰৰ জ্যোতিৰ ওপৰত ঢাকনি স্বৰূপে ডাৱৰ থাকে; এই ডাৱৰেই অহঙ্কাৰৰ আবৰণ। চৈতন্যময় ঈশ্বৰ আত্মাৰূপে দেহত থাকে। অহঙ্কাৰে হৃদয়ত প্ৰবেশ কৰি আত্মাক ঢাকি ৰাখে। গতিকে জীৱাত্মাক অহঙ্কাৰে ঢাকি গুণময় কৰি তোলে। চন্দ্ৰজ্যোতিক ডাৱৰে ঢকাৰ দৰে জীৱাত্মাৰ জ্যোতিক অহঙ্কাৰে ঢাকি কৰ্ম্ম কৰোৱাই গুণত আবদ্ধ কৰে।

বৰ্ষাৰ মেঘে পৃথিৱীলৈ যে নতুন বাৰ্ত্তা লৈ আহে। সেই সংবাদত ময়ূৰ-ময়ূৰীয়ে চালিধৰি নৃত্য কৰে। গৃহবাসীয়ে সংসাৰ তাপত ক্লিষ্ট হৈ হৰি ভকতক লগ পালে সেইদৰে শান্তনা লাভ কৰে।৭৯৪।। বৃক্ষবোৰেও বৰষুণৰ পানী শিপাৰে শুহি ফল-পাত-পুষ্প সুশোভিত হয়। উপবাসত দেহা শুকাই যোৱাৰ পাচত পাৰণ কৰি মহাপুষ্টি অনুভৱ কৰে। সৰোবৰৰ পাৰ কাঁইটেৰে উপচি থাকে যদিও চকোৱা পক্ষীয়ে তাতে থাকি ভাল পায়। তেনেকৈ গৃহবাসত থাকি পৰম নিৰ্য্যাতন ভোগ কৰা দুৰাশয়লোকে গৃহবাস নেৰে। বৰ্ষাৰ মূষল ধাৰাৰে দিয়া বৰষুণৰ

পানীয়ে আলিবোৰ ভাঙি নিয়াৰ দৰে পাষণ্ড সকলৰ তৰ্কবাদে লোকক মোহে আৰু বেদপস্থক ছন্ন কৰে।৭৯৫-৭৯৬।।

বায়ুয়ে মেঘগণক চলাই লৈ ফুৰে আৰু বিৰাম নোহোৱাকৈ ধাৰাসাৰে বৰষুণ দিয়ে, সেই একেদৰে পুৰোহিত সকলে বেদৰ বিধান দিয়ে আৰু ৰজাসকলক দান কৰে। বাৰিষা কালৰ বৃন্দাবন এইদৰে সমৃদ্ধ হয়। পকা খেজুৰ, জামু আদিয়ে বৃক্ষসমূহ দোঁখাই থাকে। গৰু-গোপ-গণে এনে বৃন্দাবনত প্ৰবেশ কৰিলে।৭৯৮-৭৯৯।। কৃষ্ণই ডাক দিয়াৰ লগে লগে ধেনুগণে জাপমাৰি কাষ পায়হি দুগ্ধেৰে ভৰপূৰ উসাৰৰ পৰা দুগ্ধ নিৰ্গত হয়।৮০০।। গোপ আৰু ধেনুবোৰে কৃষ্ণৰ মধুৰ মূৰুতি চকুৰে চাই তৃপ্তি লভে। কৃষ্ণই মোহন বংশী বজাই সকলোকে আকৰ্ষিত কৰে। সকলোৱে মধুৰ বংশীৰ সুৰ শুনি আপ্লুত হয়; নয়নৰ নীৰ বৈ যায়।৮০১।। কৃষ্ণৰ সুন্দৰ মূৰ্ত্তি নেত্ৰেৰে পান কৰে, আনন্দত হৃদয় দ্ৰবিত হয়। পক্ষীবোৰেও সেই ধ্বনি শুনি ৰোমাঞ্চিত হয়। ৮০২।।

গীতশুনি বনৰ হৰিণীবোৰেও উত্ৰাৱল হয়, কৃষ্ণসাৰো কৃষ্ণক দেখি প্ৰেমত চিত দ্ৰবীভূত হয়।৮০৩,৮০৪।। বৃক্ষসবেও পুলকিত হৈ উঠে। ফলফুলবোৰে নতশিৰ হৈ কৃষ্ণক যেন সেৱা কৰে।৮০৫।। আনকি কিৰাতৰ ভাৰ্য্যাগণে গীত শুনি প্ৰেমত আকুল হৈছিল, কৃষ্ণৰ খোজৰ ধূলি গাত ঘঁহিছিল।৮০৬।। কিৰাতিনীৰ হৃদয় দ্ৰবীভূত হোৱা দেখি কৃষ্ণই আনন্দ কৰিছিল। পশু-পক্ষী-বৃক্ষৰ মন আনন্দত আত্মাহাৰা হৈছিল। এইয়া বৰ্ষাঋতুৰ আনন্দ-উল্লাস।৮০৭।।

পৰ্ব্বতৰ নিজৰাৰ ধ্বনি শুণি গোপগণে কাণপাতি শুনিছিল। বৰষুণ অহাৰ লগে লগে গোপগণে গহবৰত প্ৰৱেশ কৰিছিল। ফলমূলবোৰ নি গহবৰত তেওঁলোকে ভোজন কৰিছিল।৮০৮।। জলৰ কাষলৈ গৈ ডাঙৰ শিলত বহি তেওঁলোকে দধি-ভাত আদি খাইছিল।৮০৯।। কোমল বনত গৰুবোৰে মনপুতি চৰিছিল। উসাৰৰ ভৰত গাইবোৰে তৃণৰ ওপৰত শুইছিল।৮১০।। জলপান কৰি গোপীগণে তৃপ্তি হৈ কৃষ্ণক ধ্যান কৰিছিল। গোপগণে এইবোৰ দেখি হাঁহিছিল।৮১১।। কৃষ্ণই বৰ্ষাৰ শ্ৰী দেখি পৰম আনন্দ পাইছিল। তাৰপাছত তেওঁলোকে গৰুবোৰ লৈ শিঙা, বাংশী আদি বজাই গোকুললৈ ঘূৰি আহিছিল। গোপগণৰ কৃষ্ণ-কীৰ্ত্তনৰ ৰোল শুনি গোকুলবাসীয়ে প্ৰেমত বিহবল হৈ পৰিছিল।৮১৩।। কৃষ্ণৰ সু-কোমল মুখ দেখি তেওঁলোকে নেত্ৰভৰি চাইছিল, আনন্দৰ লোতক টুকিছিল। কৃষ্ণ-পদ পঙ্কজক ধ্যান কৰি তেওঁলোকে তৃপ্তি পাইছিল।৮১৪।। যশোদা, ৰোহিনীয়ে পদুলিৰ পৰা কৃষ্ণ-বলোৰামক ডিঙিত ধৰি সাৱটি নিছিল। তেওঁলোকে দুয়োকে ধুৱাই, কাপোৰ পিন্ধাই ভোজন কৰাইছিল।৮১৫।। এইদৰে ব্ৰজৰ আনন্দ বঢ়াই বাৰিষা ঋতু পাৰ কৰিলে। তেওঁলোকে গৃহতে থাকিয়েই জগতৰ ঈশ্বৰক পাই পৰম কৃতাৰ্থ হৈছিল।৮১৬-৮১৭।।

**উপদেশ ঃ**

মানৱ জন্ম লৈ কৃষ্ণক নভজি জীৱন অতিক্ৰম কৰিব নালাগে। পাতকীয়েও ঈশ্বৰো ঈশ্বৰ পৰম দেব হৰিক স্মৰণ কৰি তৰি যায়।৮১৮।। কৃষ্ণত একান্ত শৰণ লৈ যিজনে ভজে, তেনেজনে কেতিয়াও নৰক যাতনা ভোগ কৰিব লগা নহয়। তেওঁলোকে অতি সহজে হাততে মুক্তি লাভ কৰে। গীতা-ভাগৱতে এই মতকে দান কৰিছে।৮১৯।। বিলম্ব কৰি ৰৈ থাকিব নালাগে, কাৰণ মৃত্যু কেতিয়া আহিব ক'ব নোৱাৰি। চিন্তামণি জন্ম আলে জালে নিয়াব নালাগে। মৃত্যুৰ আগতে মাধৱৰ নাম ডিঙিত বন্ধা উচিত।৮২০।। কৃষ্ণৰ কথা শুনি মনক শান্ত কৰিব লাগে, একান্ত ভাবে কৃষ্ণৰ চৰণত চিত্তন্যস্ত কৰিব লাগে।৮২১।।

**৩৮। শৰৎ বৰ্ণনা ঃ**

বসন্ত কালক ঋতুৰাজ আৰু শৰৎ কালক 'ঋতুৰাণী' বোলা হয়। বৰ্ষাঋতুৰ পাছত আৰু শৰৎকাল। বৰ্ষাঋতুৰ উদ্দাম প্ৰকৃতি শৰৎ কালত শান্ত হয়। শৰতৰ মহাগুণবোৰে প্ৰকৃতিক সাম্যকৰাৰ লগতে জীৱজগতৰো মহান উপকাৰ সাধন কৰে। শুকে শৰতৰ মহাগুণ ৰাজি ৰজা পৰীক্ষিতৰ আগত বৰ্ণনা কৰিছে।

বৰ্ষাৰ ক'লামেঘ গগন মণ্ডলৰ পৰা আঁতৰি যায় আৰু আকাশ নিৰ্ম্মল হয়। বৰ্ষাৰ পঙ্কময় মলীন জলভাগ পৰিশোধিত হৈ স্বচ্ছ হয়। বৰ্ষাৰ প্ৰচণ্ড বতাহ শৰতত সাম্য-শান্ত হয় আৰু বায়ু শীতল হয়। সৰ্ব্বক্ষণতে সুৰভি বায়ু প্ৰবাহিত হৈ থাকে।৮২২।। পক্ষীকুলে সৰোবৰ বোৰত পৰি পৰি মধুৰ ধ্বনি কৰে, পুষ্পবন বিকশি উঠে। যোগীসকলে যোগধ্যান কৰি থাকোতে কেনেবাকৈ ধ্যানভ্ৰষ্ট হ'লে পুনৰ যত্ন কৰি চিত্তক একাগ্ৰ কৰাৰ দৰে শৰতে প্ৰকৃতি আৰু জীৱকুলৰ চিত্ত,মন

নিৰ্ম্মল কৰে। উতপল ফুলে, আকাশত নক্ষত্ৰমণ্ডলী প্ৰতিভাত হয়।৮২৩।। শৰতে চাৰিটা কাৰ্য সাধন কৰে—

(১) শৰতৰ সমান সুখময় কাল আন একোকাল হ'ব নোৱাৰে। এই কালত দুঃখবোৰ আতৰি যায়।

(২) আকাশত থকা মেঘবোৰ আঁতৰি যায়। বাৰিষা কালত সঙ্কটত থকা জীৱ জন্তুবোৰে সঙ্কটৰ পৰা উদ্ধাৰ হয়।

(৩) শৰতত ইচ্ছা মতে মুকলি মনেৰে বিচৰণ কৰিব পৰা হয়।৮২৪।।

(৪) পৃথিবীৰ কৰ্দ্দমবোৰ আঁতৰি যায়, বোকাময় বাটবোৰ যাতায়তৰ বাবে সুচল হয়। পানীৰ মলি, মাটিৰ আবৰ্জ্জনাবোৰ নোহোৱা হয়।

**শৰতৰ কালৰ চাৰিঠাইৰ চাৰিকাৰ্য্য—**

চাৰিআশ্ৰমৰ চাৰিবিধ দুঃখ কৃষ্ণৰ ভকতিয়ে দূৰ কৰাৰ দৰে শৰতে দুঃখ দূৰ কৰে। বেদ অধ্যয়ন, ব্ৰহ্ম কথা, গৃহ কৰ্মত মন মগ্ন হ'লেও হৰিভক্তিহে উত্তম পন্থা।৮২৫।।ব্ৰহ্মচৰ্য্য, গৃহস্থাশ্ৰম অতিক্ৰম কৰি বানপ্ৰস্থ আশ্ৰম ধৰ্ম ধৰাৰ পাচত সন্যাস বা যতি ধৰ্ম্মত কাল কটায়। শৰৎ কালৰ উপমা হৰি ভকতিহে। চাৰি আশ্ৰম ধৰ্ম বিষয়ীৰ বাবেহে, বিষয় ত্যাগীয়ে হৰি ভক্তিকহে ধৰ্ম বুলি গ্ৰহণ কৰে। শৰৎ কাল হৰিভক্তি সাধনৰ বাবে অনুকূল পৰিবেশ।৮২৬।।

আকাশ বৰষুণ যুক্ত ক'লা মেঘবোৰে পানীৰ কণিকা এৰি শুক্ল বৰণ ধাৰণ কৰিলে; ঠিক তেনে ধৰণে মুনিসকলে বিত্তৰ প্ৰতি লালসা এৰি পৰম শুদ্ধ হয়। পৰ্ব্বতবোৰে সাধাৰণতে সকলো ঠাইতে জলদান নকৰাৰ দৰে জ্ঞানী গুৰুৱেও গুপ্ত তত্ব-জ্ঞান নকয়।৮২৭।। অলপ পানীত থকা মাছে বুজিব নোৱাৰে যে তাৰ পানী অনতিপলমে শুকাই যাব আৰু সিহঁতৰ মৃত্যু আহিব। সেইদৰে মুৰ্খ প্ৰাণী সকলেও জানিব নোৱাৰে যে দিনে দিনে আয়ু টুটি সিহঁত মৃত্যুৰ মুখলৈ আগ-বাঢ়ি গৈছে। সূৰ্য্যৰ তাপত অলপ গৰমহোৱা পানীত মাছবোৰে কমায়; তেনে দৰে মহা দুঃখী মানুহবোৰেও দুখৰ পাৰ নেদেখি বিষাদ গনে।৮২৮।।

শৰত কালত ক্ৰমে ক্ৰমে বোকাবোৰ শুকাই মাটি টান হ'বলৈ ধৰে। জ্ঞানীগণেও শৰীৰ আৰু গৃহবাসৰ প্ৰতি থকা আসক্তি ক্ৰমে এৰিবলৈ ধৰে। শৰত কালৰ জলপৃষ্ঠৰ উৰ্ম্মিমালা ক্ৰমে শান্ত হৈ আহে আৰু সাগৰ নিশ্চল হয়; মুনিগণেও চিত- শান্ত কৰি, বেদপাঠ এৰি মৌনতা অৱলম্বন কৰে।৮২৯।।

শাৰদীয় সূৰ্যৰ তাপ দিনৰ অন্তত কমে আৰু চন্দ্ৰই ৰাতি শীতল তাপ দিয়ে। গোপীগণেও তেনেদৰে কৃষ্ণৰ মুখ-চন্দ্ৰমা দেখি মনৰ দুঃখ লাঘৱ কৰে। শৰত কালৰ আকাশত ডাৱৰ অন্তৰ্হিত হোৱাৰ বাবে আকাশ নিৰ্ম্মল হয় আৰু নক্ষত্ৰ মণ্ডলীয়ে আকাশ সুশোভিত কৰে। বেদজ্ঞ-জ্ঞানীয়ে বেদৰ তত্বলাভ কৰি চিত্ত আৰু বুদ্ধিক শুদ্ধ সত্ত্ব কৰে।৮৩০।। তৰাভৰা আকাশৰ মধ্যত থাকি শশীয়ে আকাশ ৰমনীয় কৰি তোলে। পূৰ্ণ চন্দ্ৰমাৰ বিকশিত জ্যোৎস্নাই শাৰদীয় যামিনীক কৰি তোলে মধুময়। বৃষ্ণিবংশৰ মাজতো যদুপতি কৃষ্ণই অখণ্ড-মণ্ডল শশীৰ দৰে প্ৰকাশ পায়।

সুগন্ধী শীতল বায়ু প্ৰবাহিত হৈ ৰৌদ্ৰতাপ প্ৰশমিত কৰে। গোপীগণেও কৃষ্ণৰ মধুৰ আলিঙ্গনত মহাসুখ অনুভৱ কৰে।৮৩১।। সূৰ্য্য উদয় হোৱাৰ লগে লগে লগে প্ৰেমিকা পদুমী সৰসীৰ বুকুত প্ৰস্ফুটিত হয় আৰু ভেটফুল জঁই পৰি যায়। সন্ধিয়া চন্দ্ৰমাৰ উদয়ৰ লগে লগে পদ্মিনীৰ পাহি মেল খায় আৰু কুমুদিনী বিকশিত হৈ উঠে। ৰজাৰ প্ৰবেশত চোৰগণৰ চিত্ত ও আকুল হয়। নগৰ, গাঁও আদিৰ ভূমি ভাগত শস্যৰ গুটিবোৰ পকে। গোকুলতো কৃষ্ণ বলৰামৰ উপস্থিতিয়ে উপভোগ্য কৰি তোলে।৮৩২।। শৰতৰ প্ৰকৃতিয়ে বৃন্দাবনক সকলো ফালে জকমকীয়া কৰি তোলে। গৰু, গোপগণে আনন্দত ব্যাকুল হৈ উঠে সকলোৱে স্বচ্ছ জল পান কৰি, সুৰভি শীতল বায়ুৰ সান্নিধ্য লাভ কৰি গোপী গণেও সখীসবৰ লগত নানা ক্ৰীড়া কৌতুক কৰে।৮৩৩।।

উপদেশ ঃ

কবিয়ে নৰ সমাজক কৈছে যে মহাভাগৱত পদ সকলোৱে শ্ৰৱণ কৰিব লাগে; কাৰণ ইয়াত কৃষ্ণ-কথা ভৰপূৰ হৈ আছে। সংসাৰৰ সাৰ বস্তু কৃষ্ণ-কথা। কৃষ্ণক হৃদয়ত ধৰি নিজে তৰি যোৱা আৰু পুৰুষকো উদ্ধাৰ কৰা উচিত। একান্ত ভকতে কৃষ্ণ নাম স্মৰণ কৰি কুল উদ্ধাৰ কৰাৰ উপৰিও তাৎক্ষণিক ভাবে স্বৰ্গলাভ কৰে।৮৩৪।।

ইয়াত সংশয় কৰিব লগা একো নাই। মৃত্যুৰ হাতৰ পৰা অব্যাহতি পাবলৈ কৃষ্ণৰ শৰণ ল'ব লাগে। নিষ্ঠুৰ মৃত্যু আহি আছে, কালে গ্ৰাস কৰোঁ কৰো বুলি অপেক্ষা কৰি আছে বাবে আলেজালে সময় নষ্ট নকৰি কৃষ্ণনাম ল'ব লাগে। পুত্ৰ-পত্নী, জীৱনা-যৌৱন, ধন-জন চঞ্চল মেঘৰ ছাঁৰ দৰে, হঠাৎ ছাঁ আতৰি যোৱাৰ দৰে পাৰ্থিৱ এইবোৰো গুচি যাব, এইবোৰ যাদুৰ খেলাৰ দৰে

মায়াৰ খেলা। অলীক সপোন দিঠকত চুৰমাৰ হোৱাৰ দৰে এইবোৰেও এৰা দি গুচি যাব।৮৩৫।।

চঞ্চল মেঘৰ ছায়া সমপুত্ৰ পত্নী জায়া
জীৱন যৌৱন ধন জন।
হইবা সবে এড়া এড়ি জানা টাটেকৰ খেড়ি
হৰায় যেন জাগিল সপোন।৮৩৫।।

এইবোৰৰ বায়ু আয়ুক্ষয় কৰি দুৰ্ল্লভ মানবী জীৱন, মানৱী শৰীৰ নিয়োৱা পৰম দুঃখৰ কাৰণ; গতিকে ইয়াৰ বাদে ভকতৰ সঙ্গত কৃষ্ণকথাত মগ্নহোৱা উচিত। শীঘ্ৰে বিষয় ত্যাগ কৰি কৃষ্ণ পদত আশ্ৰয় লোৱা জ্ঞানীৰ কাম।৮৩৬।।

**৩৯। ৰাম-কৃষ্ণৰ সন্মুখত গোপীসকলৰ গীত—**

শৰত কালৰ মনোহৰ বৃন্দাবনত কৃষ্ণই গোপগণৰ লগত ক্ৰীড়া কৌতুক, বংশীৰ সুৰত ব্ৰজৰ গোপীগণৰ বৃন্দাবনলৈ গমন, ৰাম-কৃষ্ণৰ সন্মুখত গোপীগণে প্ৰেম পুলকিত হৈ গোৱা কৃষ্ণ-গীত আৰু তেওঁলোকৰ কৃষ্ণৰ প্ৰতি কৰা মন্তব্য সমূহৰ সুন্দৰ বৰ্ণনা ইয়াত বৰ্ণিত হৈছে।

**শৰতকালৰ বৃন্দাবনৰ বৰ্ণনা ঃ** বসন্তকালত কৈ অধিক মনোহৰ শৰতৰ বৃন্দাবন। দেবগণেও বৃন্দাবনৰ সৌন্দৰ্য আৰু মাহাত্ম্যক দেখি পৰম আনন্দিত হয়।৮৩৭।। বৃন্দাবন ফুলে ফলে জাতিষ্কাৰ, ভ্ৰমৰে ফুলৰ মধুপান কৰি মধুৰ গুঞ্জন কৰি বৃন্দাবন মুখৰিত কৰে, ময়ূৰবোৰে আৰাও কৰে, কুলিৰ কুউ কুউ ধ্বনিৰে বৃন্দাবনৰ আকাশ মুখৰিত কৰে।৮৩৮।। সৰোবৰবোৰত পদুম ফুল ফুলি ৰঞ্জিত কৰে, ৰাজহংসবোৰে পদুমক উভঞ্জে, জলচৰ পক্ষীবোৰে সুললিত মাতেৰে আৰাও কৰে আৰু সুগন্ধ বতাহ বলি মনক আহলাদিত কৰে।৮৩৯।। ফুলৰ সৌৰভ বতাহত দশোদিশে গৈ গন্ধত আমোলমোলায়; কৃষ্ণই এনে মধুৰ পৰিবেশত গাইগৰুবোৰ মেলি চৰাবলৈ যায় আৰু গোপগণৰ সঙ্গত বংশী বজায়। ৮৪০।।

**ব্ৰজৰ যুৱতীগণৰ বৃন্দাবন যাত্ৰা আৰু গীত —**

গোকুলৰ গোপীগণে কেৱল কৃষ্ণৰ মধুৰ মূৰতিৰ কথাকে চিন্তা কৰি থাকে আৰু কৃষ্ণৰ প্ৰতি থকা প্ৰেমত জৰ্জ্জৰিত হৈ কৃষ্ণৰ মধুৰ সান্নিধ্য বিচাৰি ব্যামোহ হৈ থাকে। তেওঁলোকে কৃষ্ণমূৰ্ত্তিক হৃদয়ত ধ্যান কৰি, জীৱ, মন, প্ৰাণ কৃষ্ণতে অৰ্পণ কৰে।৮৪১।। কোনোৱে কৃষ্ণৰ ভাও দি কৃষ্ণক সোঁৱৰণ কৰে। কৃষ্ণৰ বৰ্ণনা কৰি কৰি প্ৰেমত তন্ময় হয়।৮৪২।। কৃষ্ণই বৃন্দাবনত বংশী বজোৱাৰ শব্দ শুনি-গোপীগণে উদ্‌বাউল হৈ বৃন্দাবনত প্ৰবেশ কৰিলে।৮৪৩।।

গোপগণে আনন্দমনেৰে, মূৰত মৈৰাৰ পাখি পিন্ধি, শৰীৰত পীত বস্ত্ৰ পৰিধান কৰি, ডিঙিত পঙ্কজৰ মালাপিন্ধি জাতিষ্কাৰ হৈ গৰু চৰি আছিল। ৮৪৪।। তেওঁলোকে কৰ্ণত কনক কাঞ্চলি, অধৰত বংশী ৰাশি বংশী বজাই আছিল। মুঠতে বৃন্দাবন ধ্বজ-বজ্ৰ-পঙ্কজে ৰঞ্জিত হৈ মধুময় হৈছিল আৰু গোপশিশুগণে পঞ্চচিহ্নক বেঢ়ি মহিমা কীৰ্ত্তন কৰিছিল।৮৪৫।। গোপীসকলে এইবোৰ দেখিশুনি প্ৰেমে পুলকিত হৈছিল। তেওঁলোকে মনেৰে মাধবক আলিঙ্গন কৰি কৃষ্ণগুণ গান কৰিছিল।৭৪৬।। এজনীয়ে আনজনীক মাধবৰ গুণবোৰ শুনায়।

গোপ গণে সঙ্গেৰঙ্গে চৰাৱন্ত ধেনু।
পৰম মোহন বৃন্দাবনে বায়া বেনু।।৮৪৭।।

গোপীগণে মৃদু হাঁহি মাৰি প্ৰেমৰ চাৱনিৰে প্ৰভুৰ মুখপদ্মক চাবলৈ বিচাৰে।৮৪৮।। গোপী গণে গোবিন্দৰ গুণ, কিশলয়-মৈৰাপাখি, পদ্ম মালা পিন্ধা কৃষ্ণৰ মধুৰ মূৰ্ত্তিৰ কথা পৰস্পৰে পৰস্পৰৰ আগত বখানিবলৈ ধৰিলে।৮৪৯।।
গোপীগণে কৃষ্ণৰ পীতবস্ত্ৰ, বাংশী, তেওঁ পিন্ধা, বিভিন্ন অলঙ্কাৰ, কৃষ্ণৰ তনুৰ মাধুৰ্য আদিবোৰৰ মাহাত্ম্য বৰ্ণাই গীত-গাবলৈ ধৰিলে। তেওঁলোকে নাচি নাচি, গীত গাই গাই পৰম আনন্দত আপোনপাহৰা হ'ল।৮৫০-৮৫৫।।

কৃষ্ণৰ ভৰিৰ পঞ্চচিহ্ন, খোজ-চিহ্ন, বংশীৰ নাদ, কামিনীমোহন ৰূপ-সৌন্দৰ্য্য বৰ্ণনা কৰি কৰি তেওঁলোক ভক্তি প্ৰেমত পুলকিত হৈছিল। তেওঁলোকৰ কৃষ্ণ-প্ৰেমমূলক গীত শুনি বিমানৰ পৰা দেবনাৰীসকলে চাই মোহিত হৈছিল।৮৫৬-৮৬১।।

নাচোতে নাচোতে, গীত গাওঁতে প্ৰেম পুলকিতা গোপীগণৰ খোপাৰ ফুল সৰি পৰিছিল, কঁকালৰ বস্ত্ৰ সম্বৰিবলৈ পাহৰিছিল, কামবানত জৰ্জ্জৰিত গোপীৰ অৱস্থা দেখি দেবাঙ্গনা সকলৰো তথৈবচ অৱস্থা হৈছিল। গো-বৎস সকলেও এই গীত শুনি স্তব্ধ হৈ মাতৃৰ স্তন পান কৰিবলৈ পাহৰি গৈছিল।

‘মহা প্ৰেমমনে আলিঙ্গয় গোবিন্দক।
ঝৰে নয়নৰ নীৰ আনন্দ লোতক।৮৬৪।।

কৃষ্ণ গত শুনি পক্ষীগণেও তন্তি ৰ'ল। সিহঁতে বৃক্ষত নপৰি অঙ্কুৰতে মাত্ৰ পৰি কৃষ্ণক চিন্তিলে।৮৬২-৯৬৭।।

গোপীৰ কৃষ্ণগীত শুনি মুনিগণে, বেদ, বেদবিহিত কৰ্ম্ম ধৰ্ম্ম এৰি মহাহৰিকে স্মৰণ কৰিলে। জড় নদীগণেও গোবিন্দৰ গীতত তন্ময় হৈ উলটি ব'বলৈ ধৰিলে। আকাশৰ মেঘত নীল তনু, পীতবস্ত্ৰে বিচিত্ৰ কৃষ্ণক পৰম মিত্ৰ বুলি চিন্তিলে।৮৬৯-৮৭৩।।

গোপীসবে কৰে কুচকুঙ্কুমে মণ্ডিত।
ৰতি সময়ত লাগে কৃষ্ণৰ ভৰিত।।
বৃন্দাবনে ভ্ৰমন্তে বনত লাগি থাকে।
পাৰে পীড়া কামে কিৰাতিনী দেখে তাকে।৮৭৫।।
কৰে সেহি কুঙ্কুমে লেপিত তনু মুখ।
মিলে মহোৎসব মদনৰ এৰাই দুঃখ।

গোপীগণে গোবৰ্দ্ধন পৰ্ব্বতক অতি শ্ৰেষ্ঠ পৰ্ব্বত বুলি কৈছে; কিয়নো এই পৰ্ব্বতে কৃষ্ণৰ স্পৰ্শ লাভ কৰিছে। ইয়াত থকা তৃৰ্ণবৰ্গই কৃষ্ণৰ চৰণৰ পৰশ পাই কৃত্যকৃত্য হৈছে।৮৭৪-৮৭৭।।

স্থাৱৰে জঙ্গম ভৈল জঙ্গমে স্থাৱৰ।
পৰম মোহন কিনো গীত গোবিন্দৰ।।
এহিমতে কৃষ্ণক্ৰীড়া বৰ্ণাইলা অনেক।
মহামোহ হুয়া গোপ যুৱতী যতেক।৮৮১।।

কৃষ্ণগীত শুনি জড়ত চৈতন্য হয়, আৰু চৈতন্যও তন্ময় হৈ জড়প্ৰায় হয়। গোবিন্দৰ গীত পৰম মোহনীয়।৮৭৮-৮৮১।।

গোপীৰ গীতত সমস্ত বৃন্দাবন কৃষ্ণময় হৈ পৰিল।৮৮২।।

তেওঁলোকৰ গৃহ আৰু শৰীৰৰ জ্ঞান লোপ পাই কৃষ্ণতেই সমুদায় মন নিমগ্ন হ'ল। হাঁ কৃষ্ণ, হা কৃষ্ণ বাক্য কাৰো মুখত নুগুচা হ'ল, হিয়াতো কেৱল কৃষ্ণৰ বিহনে অন্য নাইকীয়া হ'ল। গধূলি ধেনুলৈ গৃহলৈ ঘূৰি আহিলেহে ব্ৰজবাসীৰ প্ৰাণযেন ঘূৰি আহে।৮৮৬।। যশোদাই কৃষ্ণক সাৱটিলৈহে জীৱন ঘূৰাই পায়। এইদৰে শৰত কালত বৃন্দাবনত ক্ৰীড়া কৰি মহাহৰিয়ে বাল্যলীলা কৰিছিল। ৮৮৭।।

**৪০। গোপীকুমাৰীসকলৰ কাত্যয়নী ব্ৰত ঃ**

প্ৰকৃতিৰ লগে জীৱনৰ লীলাও আগবাঢ়ে। শৰতৰ পাছত প্ৰকৃতি ৰাজ্যলৈ আহে হেমন্তঋতু। কৃষ্ণ পৰমাত্মা, গোপীসকল আত্মা (জীৱাত্মা) মহাপ্ৰকৃতি পৰমাত্মাৰ সৃষ্টি, বিভিন্ন কালবোৰো ঈশ্বৰে সৃষ্টি। শৰতত পানীৰ মল দূৰ হোৱাৰ দৰে জীৱাত্মাৰূপী গোপীকন্যৰো মন ভক্তিৰ বাবে শুদ্ধ-সত্ব হৈ উঠে। আঘোন মাহত গোপীগণৰ ক্ৰীড়া মহাব্ৰতলৈ ৰূপান্তৰ হয়। গোপীৰ প্ৰাণধন কৃষ্ণ; কৃষ্ণক পাবলৈ তেওঁলোকে কাত্যায়নী দেবীৰ ওচৰ পালেগৈ। তেওঁলোকে কুমাৰিকা ব্ৰত পালন কৰিলে। নিয়ম-সংযম পালন কৰি, হবিষ্য আহাৰ গ্ৰহণ কৰি গোপীগণে কৃষ্ণৰ চৰণ মনেৰে চিন্তি ব্ৰত কৰিবলৈ মন কৰিলে।৮৮৮-৮৮৯।।

কাত্যায়নীদেবী হৈছে-মহামায়া। মহামায়াৰ যোগেদি ঈশ্বৰ কৃষ্ণক স্বামী হিচাবে পাবলৈ তেওঁলোকে বিচাৰে। তেওঁলোকে প্ৰত্যোযতে শুই উঠি জোমবান্ধি, হাতে হাতে ধৰি, সুললিত সুৰে কৃষ্ণ গীত গাই গাই প্ৰেমৰসে আপ্লুতহৈ যমুনাৰ তীৰলৈ গমন কৰে। মহাপ্ৰেমত তদগদ্হৈ তেওঁলোকে যমুনাৰ বালিত উপনীত হ'ল।৮৯০-৮৯১।।

তেওঁলোকে যমুনাৰ তীৰত বস্ত্ৰবোৰ থৈ বস্ত্ৰহীন হৈ যমুনাত স্নান কৰে। বালিৰ প্ৰতিমা সাজি যমুনাৰ তীৰত, গন্ধে-পুষ্পে-দীপে-ধূপে প্ৰতি দিনে ৰাতিপুৱা তেওঁলোকে মহামায়াক পূজা কৰে।৮৯২।।

ফল মূল-তামোল, বিবিধ উপকৰণ উচৰ্গা কৰি দেবীক নমস্কাৰ জনায়। তেওঁলোকে দেবীক সেৱা জনাই বৰ মাগে—

'মহামায়া কাত্যায়নী দিয়ো এহি বৰ।
আমাৰ হোন্তোক স্বামী নন্দৰ কুমাৰ।।'৮৯৩

'হে মহামায়া, হে দেবী কাত্যায়নী, আমাক দয়া কৰি এই বৰ দিয়ক যাতে আমি নন্দৰ নন্দন কৃষ্ণক স্বামী হিচাবে পাওঁ।"

এই মন্ত্ৰেৰে দেবীক প্ৰতি ৰাতি-দিনে বিচাৰিবলৈ ধৰিলে। এমাহ কাল ধৰি তেওঁলোকে এনে ব্ৰত কৰি ব্ৰত সম্পন্ন কৰিলে।৮৯৪।।

**৪১। গোপীৰ বস্ত্ৰ হৰণ ঃ**

ৰাসলীলাৰ প্ৰস্তুতি (সূচনা) হয় গোপীৰ কাত্যায়নী ব্ৰতত, প্ৰস্তাবনা (পাতনি) হয় বস্ত্ৰহৰণত। দ্বাদশ স্কন্ধভাগৱত মূল তত্ব নিহিত আছে দশম স্কন্ধত, দশম স্কন্ধৰ সাৰতত্ব স্তুপীকৃত হৈছে ৰাসলীলাত। কৃষ্ণ-গুপ্তবিত্ত, কৃষ্ণ পৰমব্ৰহ্ম;

গোপীসকল জীৱাত্মা। জীৱাত্মা আৰু আত্মাৰ মিলনৰ বাবে জীৱাত্মাৰ মায়া দূৰ হ'ব লাগিব। বস্ত্ৰ আৰু বস্ত্ৰৰ আবৰণ মায়াৰ ঢাকোন। মায়া দূৰ হ'লেহে অদ্বৈত জ্ঞান হয়। অদ্বৈত জ্ঞান হলেহে জীৱাত্মাই পৰমাত্মাৰ লগত মিলি যাব পাৰে। কৃষ্ণ আঠবছৰীয়া পৌগণ্ড বয়সৰ শিশু। ৰূপক ধৰ্ম্মিতাৰ মাজেদি মহৎ তত্ব বস্ত্ৰহৰণ আৰু ৰাসলীলাত প্ৰকাশ পাইছে।

এদিন পূৰ্ব্বৰ দৰে যমুনাৰ পাৰত বস্ত্ৰথৈ গোপীসকল বিবস্ত্ৰা হৈ যমুনা নদীত নামিলে। তেওঁলোকে কৃষ্ণৰ চৰিত্ৰক লৈ চিঞৰি চিঞৰি গীত গাবলৈ ধৰিলে। কৃষ্ণক সুমৰি সুমৰি তেওঁলোকে জলকেলি লীলা কৰিছিল।৮৯৫।। তেওঁলোকে কেলি কৰোঁতে জলমল কৰি কৰ্ণৰ কুণ্ডল লৰিছিল, তেওঁলোকৰ কান্তিময় বদন নীলাকাশৰ চন্দ্ৰমাৰ দৰে জিলিকিছিল। ফুলিথকা পদুমৰ শাৰীৰ দৰে তেওঁলোকে শাৰীপাতি লীলা কৰিছিল।৮৯৬।।

গোপগণক লগত লৈ যোগেশ্বৰ কৃষ্ণই তেওঁলোকৰ মনোভাব জানি তাত আহি উপস্থিত হ'লহি। ভকতৰ অধীন ভগৱান কৃষ্ণই ভক্তা গোপীগণৰ মনোবাঞ্ছাপূৰণ কৰিবলৈ মানস কৰিলে।৮৯৭।। কৃষ্ণই এটা উপায়ৰ যোগেদি তেওঁলোকক পৰীক্ষা কৰিবলৈ থিৰাং কৰি গোপীগণৰ বস্ত্ৰবোৰ একেলগ কৰি কদম্ব বৃক্ষত তুলিলে। জলত নামি উলঙ্গ হৈ থকা গোপীগণক চাই কৃষ্ণই হাঁহি হাঁহি ক'বলৈ ধৰিলে— 'তোমালোকে নিজৰ নিজৰ বস্ত্ৰবোৰ ল'বলৈ জলৰ পৰা উঠি আঁহা।৮৯৮।।

'তোমালোকে ব্ৰত কৰি শ্ৰান্ত ক্লান্ত হৈছা, তোমালোকক মই পৰিহাস কৰা নাই, তোমালোক এনেদৰে বস্ত্ৰবোৰ নিলে মোৰ মন বৰ সন্তোষ্ট হ'ব। গতিকে জলৰ পৰা উঠি আহি বস্ত্ৰবোৰ নিয়াহি।৮৯৯।। এজনী এজনীকৈ আহি বস্ত্ৰ সংগ্ৰহ কৰা।" কৃষ্ণৰ চালাকি আৰু পৰিহাস গোপীসকলে বুজিব পাৰিলে আৰু তেওঁলোকে মহা প্ৰেম ৰসত নিমৰ্জিত হ'ল।৯০০।। তেওঁলোকে মনে মনে বৰ ভাল পালে, ইজনীয়ে সিজনীলৈ মাত্ৰ চাই থাকিল। লাজত বিব্ৰতা ৰমনী সকল কেনেকৈ উলঙ্গ হৈ উঠি আহে।৯০১।।

উপদেশ — এইখিনিতে কবিয়ে মানবক উপদেশ দিব বিচাৰিছে। মনুষ্যজীৱন মহামূল্যৱান, তাক অবাবত নিয়াব নালাগে। সকলো শাস্ত্ৰত এই কথাকেই কৈছে যে কোটিশত কল্পতো সাধনা কৰি মানৱী জন্ম পোৱা টান। দেবৰো দুৰ্ল্লভ এনে চিন্তামণি জন্ম লাভ কৰাটো। এই মূল্যবান চিন্তামণি জীৱন বিক্ৰি কৰি কাচ কিনা অনুচিত, মুৰ্খামি।৯০২।।

দুৰ্ঘোৰ মৰণ সমাগত। মৃত্যুবাঘে কেতিয়া গ্ৰাস কৰিব তাৰ ঠিক নাই। যমৰ যাতনা ভোগ কৰিব লগা যাতে নহয়, তাৰ বাবে শীঘ্ৰে কৃষ্ণত শৰণ লোৱা উচিত।৯০৩।। মহাহৰিক সেৱা কৰা সুখ পৰম সুখকৰ। যাৰ নাম ললে সংসাৰ তৰিব পাৰি, সেই দেব নাৰায়ণৰ নাম লোৱা উচিত। নিৰন্তৰে তেওঁৰ নাম লৈ ভৱসাগৰ পাৰ হ'ব লাগে।

কৃষ্ণই গোপীৰ লগত এনে আমোদ কৰা অতি তাৎপৰ্যপূৰ্ণ। মাধবৰ এনে পৰিহাস মূলক বাক্যশুনি মনেমনে ভাল পালেও আকণ্ঠ জলত মজি থকা গোপীসকলৰ বুকু ঢপ্‌ঢপ্‌কৈ কঁপি উঠিল। গোপীসকলে ক'লে—

'যতেক কুমাৰী তৈৰে পৰা বোলে
শুনা গোপৰাজ সুত।
তুমি মহাজন হেনয় অন্যায়
কৰিতে নুহি যুগুত।।'

কৃষ্ণ মহান পুৰুষ, ৰজাৰ পুৰুষ, গোপগণৰ শিৰোমণি হৈ সাধাৰণ গ্ৰাম্যগোপীৰ লগত এনে আমোদ কৰিবলৈ বিচৰাটো উচিত নহয় বুলি তেওঁলোকে কৈছিল। গোপবধু সকল কৃষ্ণৰ দাসী, গতিকে তেওঁলোকক কৃষ্ণই কদম্ব বৃক্ষৰ পৰা বসন সমূহ আনি দিব লাগে বুলি কৃষ্ণক কাকুতি মিনতি কৰিলে।৯০৬।। যুবনাৰীগণে কৃষ্ণক ভয়খুৱাই কৈছিল যে যদি কৃষ্ণই বস্ত্ৰবোৰ নিদিয়ে, নাৰীগণে ৰজাৰ আগত গোচৰ দিব। তাকে শুনি মাধৱে হাঁহি ক'লে 'তোমালোকে মোৰ দাসী বুলি স্বীকাৰ কৰিছা যেতিয়া মোৰ বাক্য মানি বস্ত্ৰ লোৱাহি।'৯০৭।। তোমালোকে পানীৰ পৰা উঠি নাহিলে কোনোপধ্যে বস্ত্ৰ দিব নোৱাৰিম। তোমালোকৰ ৰজাই ক্ৰোধ কৰি মোক দণ্ড দিবই।'

কৃষ্ণৰ সিদ্ধান্তৰ কথা শুনি গোপীগণে বৰ ভয় খালে আৰু উপায়হীন হৈ দুইহাতে গুপ্তাঙ্গ ঢাকি, তললৈ গা হাঁওলাই পানীৰ পৰা উঠি আহিল।৯০৮।। ইয়াকে দেখি কৃষ্ণই কদম্বৰপৰা নামি কান্ধত বস্ত্ৰবোৰ লৈ আহিল। বৰ সন্তোষ লাভ কৰি কৃষ্ণই হাস্য বদনে গোপীগণক ক'লে—'হে সখীগণ, তোমালোতে মহাব্ৰত কৰি বস্ত্ৰহীন হৈ স্নান কৰিলা; ব্ৰত নষ্ট হোৱাৰ বাবে তোমালোকৰ পাপ হ'ল, তোমালোকৰ এই বিষয়ে জ্ঞানেই নহ'ল।'৯০৯।।

'ব্ৰতনষ্ট হোৱা পাতকৰ বাবে তোমালোকে শিৰৰ ওপৰত কৃতাঞ্জলি

কৰি নমস্কাৰ কৰা। তেতিয়া পাপ নষ্ট হ'ব আৰু তাৰ পাচত বস্ত্ৰগ্ৰহণ কৰিবা। গোপীগণে একহাতে নিজৰ যোনিমণ্ডল ঢাকি এখন হাতেৰে মূৰৰ ওপৰৰ ৰাখি নমস্কাৰ কৰিলে।৯১০।। তেতিয়া কৃষ্ণই পুনৰ ক'লে—'এইবাৰ তোমালোকে বেদ লঙ্ঘন কৰিলা। এখন হাতেৰে দেৱক প্ৰণাম জনালে তেওঁৰ হস্তদেৱতাই ছেদ কৰে। দুয়ো হাতেৰে প্ৰণাম কৰিলেহে ব্ৰত সাধন হয়।' গোপীয়ে এইকথা শুনি দুই হাত শিৰত তুলি নমস্কাৰ কৰিলত গুপ্তাঙ্গ বিমুক্ত হ'ল।৯১১।।

ব্ৰতভঙ্গৰ ভয়ত কৃতাঞ্জলি কৰি মনৰ কামনা পূৰণৰ বাবে তেওঁলোকে কৃষ্ণক প্ৰণাম জনালে। তেওঁলোকে কৃষ্ণৰ চৰণত আঁঠুকাঢ়ি, মূৰেৰে পদস্পৰ্শ কৰি, অৱনত হৈ সেৱা জনালে।৯১২।। তেতিয়া কৃষ্ণই কান্ধৰ পৰা বস্ত্ৰবোৰ নমাই তেওঁলোকক প্ৰদান কৰিলে। গোপীসকলে কৃষ্ণৰ পৰশলগা বস্ত্ৰবোৰ অতি আনন্দ মনেৰে পৰিধান কৰিলে। কৃষ্ণৰ সকলো পৰিহাসকে তেওঁলোকে সহিলে।৯১৩।। কৃষ্ণৰ সান্নিধ্য লাভ কৰি তেওঁলোকৰ চিত্ত দ্ৰবিভূত হ'ল আৰু কৃষ্ণৰ মুখলৈ চাই তেওঁলোকে লজ্জানম্ৰা হৈ নিৰৱ হৈ ৰৈ আছিল। তেওঁলোকৰ মনৰ কামনা পূৰাবলৈ উত্তৰ দি ক'লে 'হে সখীসকল, তোমালোকে লাজ কৰি কোৱা নাই যদিও মই তোমালোকৰ হৃদয়ৰ কথা জানো।৯১৪।। তোমালোকে যি অভিলাষ কৰি ব্ৰত কৰিলা, সেই ব্ৰত সফল হৈছে। আজিৰ দৰে চিৰকাল মোৰ প্ৰতি এই প্ৰেম ভক্তিভাৱ ৰাখিবা। মোত যি একান্ত ভাবে চিত্ত দি থাকে তেওঁলোকক কামে অনৰ্থ কৰিব নোৱাৰে। তোমালোকে নিশ্চিত ভাবে জানিবা যে ভজাধানৰ পৰা কেতিয়াও গাজ নোলায়।''।৯১৫।।

কৃষ্ণই গোপী সকলক ক'লে— 'শৰৎ কালৰ বিতোপন ৰাতিত বৃন্দাবন বিকশি উঠিব। পূৰ্ণ চন্দ্ৰমাই নীলগগনৰ পৰা স্নিগ্ধপোহৰ বিলাব। তেতিয়া মোৰ লগত তোমালোকৰ ক্ৰীড়া আৰম্ভ হ'ব। পৰম আনন্দ মনেৰে মই তোমালোকৰ লগত ক্ৰীড়া কৰি তোমালোকৰ মনোৰথ পূৰ্ণ কৰিম। এতিয়া তোমালোকে নিঃসন্দেহে ব্ৰজলৈ ঘূৰি যোৱা।৯১৬।। কৃষ্ণৰ বচন শুনি গোপীগণৰ আনন্দই হিয়া নধৰা হ'ল। মুখ আলোকিত হৈ উঠিল, নয়ন জুৰালে, তনু পুলকিত হ'ল। কৃষ্ণৰ চৰণত তেওঁলোকে পৰি পৰি প্ৰণাম কৰিলে, শিৰত ধূলি তুলি ল'লে। কৃষ্ণৰ অৰুণ চৰণ স্মৰণ কৰি লাহে লাহে তেওঁলোকে ব্ৰজলৈ গমন কৰিলে।৯১৭।। কৃষ্ণক এৰি যাবলৈ মন নগ'ল, ঘূৰি ঘূৰি কৃষ্ণৰ মুখলৈ চাবলৈ ধৰিলে। ভৰি আগলৈ যাওক চাৰি পাচলৈ যাবলৈ ধৰিলে। তেওঁলোকৰ মনত বিৰহ অগ্নি জ্বলি উঠিল। তেওঁলোকে হুমুনিয়াহ কাঢ়ি কাঢ়ি,কৃষ্ণপাদ পদ্ম বুকুত সাৱটি লৈ ব্ৰজত প্ৰবেশ কৰিলে।৯১৮।।

**উপদেশ ঃ** মানুহে ইহলোকত চিৰদিন থাকিম বুলিয়েই ভাবে, পৰলোকলৈ যে যাব লাগিব সেই কথা জানিও নাভাবে। বয়সৰ গতিত মানুহ ক্ৰমে বৃদ্ধ হৈ আহে, দাঁতবোৰ সৰে, ধন-জন আদিৰ মোহ এৰি হঠাতে সংসাৰৰ পৰা বিদায় ল'ব লাগিব। মনৰ সকলো গৰ্ব্ব খৰ্ব্ব হ'ব, যমপুৰত গৈ মহা যাতনা ভুগিব লাগিব। কোনেও কাকো ৰাখিবৰ শকতি নাই। বেদাদি শাস্ত্ৰয়ে এই সত্যকে কৈছে।৯১৯।।

কলি যুগত কলিয়ে ধৰ্ম্মক খেদাই অধৰ্মক বলী কৰিব; সকলো জাতি একাকাৰ হ'ব, দিনে দিনে পাপ বাঢ়ি যাব, কৃষ্ণৰ চৰণৰ বাহিৰে কলিত নিস্তাৰৰ অন্য উপায় নাই। কৃষ্ণই কেৱল মোক্ষৰ বীজ, কৃষ্ণই সুহৃদ, কৃষ্ণত একান্ত শৰণ লোৱা উচিত। সংসাৰ সুখে তৰিবলৈ অনেকযত্ন কৰি মুখেৰে কৃষ্ণ নাম লোৱা উচিত।৯২০।।

ক্ষণে ক্ষণে আয়ুস যাব ধৰিছে; কেতিয়া শৰীৰ পৰি ৰ'ব তাক চিন্তিবলৈ সময় নাই। ক্ষন্তেকীয়া জীৱন পৰিক্ৰমাৰ মূল্যবান সময়বোৰ আলেজালে নিয়াব নেলাগে। কৃষ্ণ নাম বিনে ত্ৰানপোৱাৰ উপায় নাই। সেইবাবে বিষয়ৰ ধান্দা এৰি গলত হৰিনাম বান্ধিব লাগে, মায়াময় অৰ্থ, কাম ত্যাগ কৰিব লাগে। নাশপ্ৰাপ্ত জীৱনক মূল্যৱান কৰিবলৈ নিৰন্তৰ ৰাম ৰাম বোলা উচিত।।

**৪২। বিপ্ৰ পত্নী প্ৰসাদ ঃ**

শুক মুনিয়ে পৰীক্ষিত দ্বিজগণৰ কৰ্ম্মকাণ্ড গৌৰৱ আৰু তেওঁলোকৰ পত্নীগণৰ কৃষ্ণ-ভক্তি পৰায়ণতাৰ বিষয়ে কৈছে। দ্বিজ সকলে যাগ-যজ্ঞ আদি কৰ্ম্মকাণ্ডত নিমগ্ন হৈছিল। কৃষ্ণই কৰ্ম্মকাণ্ডৰ অসাৰতা। প্ৰতিপন্ন কৰিবলৈ মনস্থ কৰিলে। কৃষ্ণই তেওঁলোকৰ গৰ্ব্ব খৰ্ব্ব কৰিলে।৯২২।।

কৃষ্ণই বলৰামৰ সৈতে গৰু চৰাবলৈ বৃন্দাবনলৈ যাত্ৰা কৰিলে। গোপগণে কৃষ্ণৰ গুণ-গৰিমা কীৰ্ত্তন কৰি কৰি বহুদূৰলৈকে গ'ল।৯২৩।। সূৰ্য্যৰ প্ৰখৰ তাপে তেওঁলোকক জ্বলা-কলা কৰিলে। অৰণ্যে গছলতিকাবোৰে সূৰ্য্যৰ তাপৰ পৰা তেওঁলোকক কিছু সকাহ দিছিল।৯২৪।।

গোপগণক সম্বোধন কৰি কৃষ্ণই ক'লে—'হে স্তোক কৃষ্ণ, হে সুবল অৰ্জ্জুন, বিশাল, ঋষভ, বৰুযপ, দেবপ্ৰস্থ আৰু প্ৰাণসখি শ্ৰীদাম; এই বৃন্দাবনত

থকা তৰুগণৰ মহা সাধুলক্ষণবোৰ চোৱাচোন; এইবোৰে কেনেকৈ পৰোপকাৰ কৰিছে। পৰৰ কাৰণেই ইহঁতে জীৱ ধাৰণ কৰি আছে।৯২৫,৯২৬।। ইহঁতে ৰৌদ্ৰৰ তাপ, বৃষ্টিপাত অনবৰতে সহ্য কৰিছে আৰু আমি ইয়াৰ শীতল ছাঁয়াত সুখেৰে বঞ্চিছোঁ। পৰোপকাৰী বৃক্ষগণৰ জীৱন সাৰ্থক হৈছে। ইহঁতে সন্তৰ সঙ্গহে বিচাৰিছে।৯২৭।। বৃক্ষত যেয়ে যি বিচাৰে তাকে পায়, বাকলি, পল্লৱ, মূল, পত্ৰ, পুষ্প ফল ইহঁতে দান কৰে। সিহঁতে দেহ পোৱাৰ সাফল্য লাভ কৰিছে। জীৱই জীৱৰ উপকাৰৰ কাৰণে স্বাৰ্থ বলিদান দিয়া মহান ধৰ্ম্ম।৯২৮।।'

কৃষ্ণই বৃক্ষৰ মহিমা ব্যাখ্যা কৰি কৰি বৃক্ষৰ অৱদান গ্ৰহণ কৰি গৰু চৰাই ছিল আৰু তেওঁলোকে যমুনাৰ পাৰত উপস্থিত হ'লগৈ।৯২৯।। গোৱালবোৰে গৰুবোৰক নদীত পানী খোৱালে, নিজেও পানী খালে। গৰুবোৰক চৰিবলৈ এৰি দি কৃষ্ণ-ৰামৰ কাষ চাপি সিহঁতে ক'লে— ।৯৩০।।'হে কৃষ্ণ, হে বলৰাম, তোমালোক দুষ্টক বিনাশ কৰোঁতা, আমাৰ প্ৰভু, আমাৰ জীৱনধন। ৰাতিপুৱাই আহাৰ নোখোৱাকৈ অহাৰ বাবে আমাৰ অত্যন্ত ভোক লাগিছে। ক্ষুধা নিবাৰণৰ বাবে উপায় উদ্ভাৱন কৰা।৯৩১।।

গোপগণৰ কথা শুনি তেওঁলোকৰ ক্ষুধা নিবাৰণৰ বাবে, লগতে বিপ্ৰপত্নীগণক প্ৰসাদ দিবৰ মনেৰে নাৰায়ণে চিন্তা কৰি গোৱাল সকলক লগত লৈ বিপ্ৰগণে কৰা যজ্ঞস্থলীলৈ গ'ল। বিপ্ৰগণে স্বৰ্গলাভৰ আশাৰে যজ্ঞ কৰিছিল।৯৩২।।ব্ৰাহ্মণ সকল বেদত পাৰ্গত আছিল। ৰাম-কৃষ্ণই ব্ৰাহ্মণ সকলক অন্ন ভিক্ষা কৰিবলৈ গোৱালগণক পঠালে।৯৩৩।। কৃষ্ণ বলৰামে ক্ষুৰ্ধাত গোৱাল সকলক অন্নব্যঞ্জন দান কৰিব বুলি বিনীত ভাবে ব্ৰাহ্মণ সকলক অনুৰোধ জনাবলৈ কলে। গোৱালসকলে কলে 'গোৱালসকলে ওচৰতে গৰু চৰাই আছে। তেওঁলোকে ভোকত আতুৰ হৈছে। তোমালোক পণ্ডিত প্ৰবৰলোক, সৰ্ব্বজন, অন্নদান কৰি পুন্য অৰ্জ্জন কৰা।'৯৩৫।। তেওঁলোকে ক'লে যে ক্ষুধাতুৰৰ অন্নদান কৰিলে পুণ্য অভ্যুদয় হয় বুলি শাস্ত্ৰীয় যুক্তিও দিয়ে।'৯৩৬।।

গোৱালৰ কথা শুনিও নুশুনাৰ ভাও জুৰি ব্ৰাহ্মণ সকলে চকু তেলেকা কৰিহে চালে আৰু কোনো উত্তৰেই নিদিলে। ব্ৰাহ্মণসকল কৰ্ম্মজড়ত মহা অৱগৰ্ব্বী হৈ আছিল।৯৩৭।। তেওঁলোকে কেৱল মাত্ৰ স্বৰ্গকহে ধিয়াই আছিল। মুৰ্খ হৈ তেওঁলোকে পণ্ডিত বোলায়। নিজকে মহা মহন্ত বুলি ভাবে আৰু তেওঁলোকৰ মানত নন্দন পুত্ৰ কৃষ্ণ কোন-বুলি জ্ঞান কৰে।৯৩৮।। তেওঁলোকে নেজানে যে সমস্ত মন্ত্ৰ-ৰন্ত্ৰ-অগ্নি-দ্ৰব্য, দেবগণ, কাল, কৰ্ম্ম আদিবোৰ কৃষ্ণৰ তলতীয়া সকলোবোৰতে কৃষ্ণই প্ৰবিষ্ট হৈ আছে। কৃষ্ণ তুষ্ট হ'লেহে কোটি কোটি যজ্ঞ সম্ফল হয়। কিন্তু তেওঁলোকে কৰ্ম্মৰ গৰ্বত কৃষ্ণক নামানে।৯৩৯।। গোপগণে ব্ৰাহ্মণ সকলৰ পৰা কোনো উত্তৰ নাপাই নিৰাশ মনেৰে প্ৰত্যাগমন কৰিলে। গোৱালগণে কৃষ্ণ-বলৰামৰ ওচৰত সমস্ত কথা ব্যক্ত কৰিলে। তেওঁলোকে ক'লে—'ব্ৰাহ্মণ সকলে যজ্ঞ কৰি আছিল, তেওঁলোক মহা অহঙ্কাৰী আছিল। আমাৰ কথাত তেওঁলোকে কোনো গুৰুত্বই নিদিলে। সেই অবৈষ্ণৱৰ ওচৰলৈ আমাক পঠাবই নালাগিছিল।৯৪০-৯৪১।।

এই কথা শুনি কৃষ্ণই হাঁহি মাৰি ক'লে—'প্ৰাৰ্থনা কৰা জনক বিমুখ কৰিব নালাগে। যি নহওক এইবাৰ ব্ৰাহ্মণৰ পত্নীসকলৰ ওচৰলৈ গৈ অন্ন বিচৰাটো উচিত হ'ব। বিপ্ৰপত্নীগণ মোৰ পৰম ভক্তা তেওঁলোকৰ ওচৰলৈ গৈ মই যাম বুলি কবা আৰু তেতিয়া তেওঁলোকে তোমালোকক প্ৰচুৰ অন্ন দিব।৯৪২-৯৪৩।। কৃষ্ণৰ আদেশক্ৰমে গোপ সকল বিপ্ৰপত্নীসকলৰ ওচৰলৈ গ'ল। অতি সুচৰিত্ৰা, আলঙ্কৃতা ব্ৰাহ্মণ পত্নীসকলক গোপগণে আঁঠুকাঢ়ি, প্ৰণাম জনাই ক'লে— 'হে বিপ্ৰপত্নী সকল, আমাক ৰামকৃষ্ণই পঠাইছে, ওচৰতে তেওঁলোকে গৰু চৰাই আছে, ভোকত তেওঁলোক আতুৰ হৈছে।৯৪৫।। ক্ষুধাতুৰ কৃষ্ণৰ বাবে কিছু অন্ন দান কৰা।' গোপগণৰ কথা শুনি বিপ্ৰপত্নীগণ আনন্দত উল্লাসিত হ'ল; কাৰণ তেওঁলোকে স্বচক্ষে কৃষ্ণক দেখিবলৈ পাব।৯৪৬।। তেওঁলোকে যাৰ কথা ভাবি মন মজি আছে, যাক দেখিবৰ কাৰণে উৎসুক হৈ আছে, সেই প্ৰাণকৃষ্ণ সেই ঠাইত আছে বুলি শুনি উদবাউল হ'ল। তেওঁলোকে কি কৰিব, কি নকৰিব ভাবিয়েই আপোন পাহৰা হ'ল।৯৪৭।। ব্ৰাহ্মণী সকলে কৃষ্ণত মন অৰ্পণ কৰিলে, চিত্ত উত্ৰাৱল হ'ল। গোবিন্দৰ বাবে অনেক সুগন্ধি পুষ্প বিচিত্ৰ পাত্ৰত ভৰাই ল'লে।৯৪৮।। বহুবিধ ব্যঞ্জন, ষড়ৰস মুক্ত দ্ৰব্য, কুঁহিয়াৰ, আখৈ, চিৰা, লাডু, গুড়ৰ কলহ, সুগন্ধীকল, দধি, দুগ্ধ, মধু, ঘিউ, পিঠা-পনা, পনস, পায়স, পঞ্চামৃত, তেওঁলোকে তৈয়াৰ কৰি ললে।৯৪৯।। ঘনক্ষীৰ খিৰিসা, শাক, বগাচেনি, ঘিউৰ সন্দেশ আদি ভিন ভিন দ্ৰব্য যোগাৰ কৰিলে। প্ৰাণতো অধিক প্ৰিয় কৃষ্ণৰ ওচৰলৈ ঢাপলি মেলিলে।৯৫০।।

শীঘ্ৰ গতিৰে যাওঁতে তেওঁলোকৰ কৃষ্ণৰ প্ৰতি অনুৰাগ বাঢ়িলে।

তেওঁলোকক দেখি স্বামী ব্ৰাহ্মণ সকলে আগচি ধৰি, যাব নালাগে বুলি ক'লে। তেওঁলোকক পিতৃ-পুত্ৰ-ভাতৃ গণেও নিষেধ কৰিলে। কিন্তু বিপ্ৰপত্নীগণে কাৰো হকাবাধা নামানি কৃষ্ণৰ ওচৰলৈ আগ বাঢ়িল।৯৫১-৯৫২।। ব্ৰাহ্মণ সকলে খংকৰি বাট ভেটি ধৰাত পত্নীগণে লৰমাৰি আগবাঢ়ি গ'ল। কৃষ্ণক কেতিয়া দেখিব, সেই চিন্তাৰ বাহিৰে আন চিন্তা তেওঁলোকৰ নাই, তেওঁলোকক বাধা দিবলৈ কাৰো শকতি নাই।৯৫৩।। নদীক বাধা দিলেও সাগৰ অভিমুখে নদী বৈ যাবই। নাৰীগণেও কৃষ্ণৰ সান্নিধ্য সাগৰত মিলিবলৈ অগ্ৰসৰ হ'ল।৯৫৪।।

যমুনাৰ পাৰৰ নব অশোক বনত গোপসকলৰ মাজত কোটি মদনতকৈ মনোহৰ ৰূপলৈ কৃষ্ণই প্ৰকাশ মান হৈ আছিল। কৃষ্ণৰ মধুৰ মূৰতি ব্ৰাহ্মণী সকলে দেখিবলৈ পালে।৯৫৫।। তেওঁৰ তনু শ্যামবৰণীয়া, পীতবস্ত্ৰে তনুসুশোভিত, কমনীয় কান্তিৰে ভৰা মুখ মণ্ডল, কোটি চন্দ্ৰমাৰ দৰে নিৰ্ম্মল বদন, মূৰত মৈৰাপাখি পৰিহিত, গলত বন্যমালাৰে শোভা কৰা অনিন্দ সুন্দৰ মাধুৰিমাৰে ভৰা।৯৫৬।। দুই কৰ্ণ উৎপল ফুলৰ দৰে, কঁপালত অলকা পঙ্কতি, প্ৰফুল্ল পদ্মসুখত মৃদু হাস্য, গাতগেৰু, পৰম মোহনীয় নৃত্যভঙ্গিমাযুক্ত আবেশত কৃষ্ণক বিপ্ৰপত্নীগণে দেখি পৰম সন্তোষিত হ'ল।৯৫৭।। এখন হাত সখীয়েকৰ কান্ধত থৈ, আনখন হাতেৰে পদ্মফুল ঘূৰাই ফুৰা লাৱণ্য চমৎকাৰ ৰূপ দেখি বিপ্ৰপত্নীগণৰ চকু থৰ হৈছিল।৯৫৮।। কৃষ্ণকথাৰ শ্ৰৱণত কৃতাৰ্থ হোৱা স্ত্ৰীগণে কৃষ্ণত মন মজাই চকুৰে মোহন ৰূপটি হৃদয়ত ভৰাই লৈছিল।৯৫৯।। তেওঁলোকৰ হৃদয়ত ভক্তি-প্ৰেমৰ জোৱাৰ উঠিল, আনন্দৰ লোতক নিগৰি ওলাল, তনু পুলকিত হ'ল, চৌদিশে কৃষ্ণকে দেখা পালে, সংসাৰৰ সকলো তাপ পাহৰি গ'ল।৯৬০।। হৃদয়ৰ মাজত কৃষ্ণৰ পাদপদ্মক মনেৰে স্থাপন কৰি আনন্দ সিন্ধুত তেওঁলোক নিমগ্ন হ'ল। তেওঁলোকে চকু নেমেলে, বাহিৰত জ্ঞান নাইকীয়া হ'ল, সুহৃদ মনে নিৰ্ব্বাক হৈ পৰিল।৯৬১।।

তেওঁলোকৰ প্ৰেমভাৰ দেখি কৃষ্ণই সকলোকে মধুৰ সম্ভাষণেৰে হাস্যবদনে ক'লে—'তোমালোক পৰম ভাগ্যৱতী তোমালোকৰ কি উপকাৰ সাধন কৰিম কোৱাচোন। বান্ধৱৰ বাধাকো নেওচি মোক দেখিবলৈ আহিলাহঁক, মোৰ বাবে প্ৰিয় পতি সকলকো এৰি আহিলা, তোমালোক পৰম ভক্তা। যি নিজৰ প্ৰয়োজন সাধনৰ বাবে মোক আত্মা, প্ৰিয় বুলি ধৰি লয়, সেই সকলে সদায়ে নিষ্কাম ভকতি কৰে।৯৬৪।। তেওঁলোকে মোৰ শ্ৰৱণ-কীৰ্ত্তন ভকতি কৰি নিজকো উদ্ধাৰ কৰে, সংসাৰত কৃতাৰ্থ হয়, সংসাৰ সাগৰৰ পাৰ পায়।৯৬৬।। তোমালোকৰ স্বামীগণে যজ্ঞ কৰি আছে, তেওঁলোকক যজ্ঞৰ কামত সহায় কৰাগৈ। নিজৰ স্বামী সকলৰ প্ৰতি সদয় হোৱা। তোমালোকে এনেকৈ মোৰ প্ৰতি আকৃষ্ট হ'লে তেওঁলোক বিতুষ্ট হ'ব।৯৬৭।।

**উপদেশ ঃ** অৰগৰ্বীৰ অৱস্থা শেষত শোচনীয় হয়। কৰ্ম্মকাণ্ডৰ প্ৰতি আসক্ত হৈ কৰ্ম্মীসকলে কৰ্ম্মৰ গৰ্ব্বত নিজকে পাহৰি কাকো নগনা হয়। আনকি সকলো ধৰ্ম্ম-কৰ্ম্মৰ ঊৰ্দ্ধত থকা কৃষ্ণকো তেওঁলোকে নামানে।৯৬৮।। তেওঁলোকে চাৰিবেদ, চৈধ্যশাস্ত্ৰত পাণ্ডিত্য লাভ কৰিয়ো দেবশ্ৰেষ্ঠজনক নিচিনে; তেওঁলোকৰ বিবেক বুদ্ধি লোপ পাইছে। কৰ্ম্মৰ গৰ্ব্বত পৰি তেওঁলোক কৃষ্ণত বিমুখ হৈছে।৯৬৯।। তেওঁলোকে মন্ত্ৰ, তপ, তীৰ্থাদিক, ধৰ্ম্ম বোলে। কৰ্ম্ম মলত পৰি তেওঁলোকে কৃষ্ণক নেদেখে। কৰ্ম্ম-বিনাশী, তাক উপলব্ধি কৰিব নোৱাৰি কৰ্ম্মকে কৰি থাকে।৯৭০।। যাৰ সেৱা কৰিলে অনুমাত্ৰও দুঃখ পোৱা নাযায়, যাক জানিলে মহা মোক্ষসুখ লাভ হয়, যাক নিতে ব্ৰহ্মা মহাদেৱেও সেৱা কৰে। যি মূৰ্ত্তি ব্ৰহ্মময়, এনে কৃষ্ণক নভজি অন্যকৰ্ম্ম কৰা অনুচিত। কৃষ্ণ কথা অমৃত পান কৰা উচিত। একচিত্তে কৃষ্ণৰ চৰণত মন দি, কৃষ্ণ গুণ নাম শ্ৰৱণ-কীৰ্ত্তন কৰিব লাগে।৯৭১-৯৭২।। তেহে সংসাৰ সাগৰ পাৰ হ'ব পাৰি। কলিযুগত কীৰ্ত্তনৰ বাহিৰে ধৰ্ম্ম নাই। সেইবাবে কৃষ্ণৰ দাসৰো দাস হৈ নিৰন্তৰে ৰাম ৰাম বুলিব লাগে।

**বিপ্ৰপত্নীগণৰ বক্তব্য ঃ** কৃষ্ণৰ বাণী শুনি বিপ্ৰপত্নীগণে কৃষ্ণক সেৱা জনাই ক'লে— 'হে বাসুদেৱ, আমাক নিষ্ঠুৰ বাণী শুনোৱাব নেলাগে। আমি বেদৰ আৰু শাস্ত্ৰৰ তত্বমতে শুনি আহিছো যে ভকতক ত্যাগ কৰিব নালাগে। গতিকে আমাক তোমাৰ পৰা বিৰত ৰাখি মনত দুঃখ নিদিবা।৯৭৪।।

পতি-পুত্ৰবোৰ দুঃখময়, গৃহবাসো দুঃখৰ কাৰণ; সেইবাবে আমি গৃহ আৰু পতি-পুত্ৰচয় ত্যাগ কৰি তোমাৰ চৰণৰ ধূলি বিচাৰিছোঁ, আমাক নিৰাশ নকৰিবা। তুমি ভৰিৰে ঠেলি পেলালেও তোমাৰ চৰণৰ ধূলি শিৰত তুলি লম।৯৭৫।।

তোমাৰ চৰণত দাসী হৈ থাকিবলৈ বিচাৰোঁ। সেই পতি, পুত্ৰ, সুহৃদ, সোদৰ সকলৰ সঙ্গলৈ আমাক ঘূৰাই নপঠাবা। আমাক ভ্ৰষ্টনাৰী বুলি তেওঁলোকে আমাক ঠাই নিদিব, তাত জীৱন অতিবাহিত কৰিব নোৱাৰিম। তোমাৰ বাদে

আমাৰ অন্য গতি নাই।।। তোমাৰ পাৰত আমি দীঘল দি পৰি আশ্রয় বিচাৰিছোঁ, আমাৰ সংসাৰৰ মায়া-মোহ পাশ ছিঙি পেলোৱা। আমি তোমাৰ দাসী হৈ পৰি থাকিম।' এনেদৰে কৈ নাৰীগণে দণ্ডৱতে কৃষ্ণৰ পাৰত পৰি থকা দেখি আৰু তেওঁলোকৰ ভক্তিত সন্তোষ পাই কৃষ্ণই প্ৰবোধ দিলে।৯৭৭।। কৃষ্ণই ক'লে—'হে নাৰীসব, তোমালোকে উঠি বহা, চিন্তা এৰা, তোমালোকৰ স্বামীসকলে আৰু পুত্ৰগণে তোমালোকক কেতিয়াও অসূয়া নকৰে। সমস্ত পুৰুষ আৰু দেৱগণো মোৰ হৃদয়তে আছে, মোৰ বাক্য মানি চলে, তোমালোকৰ পতি পুত্ৰই মোৰ বাক্য মানিব।' এইদৰে কৈ কৃষ্ণই সমস্ত দেৱক প্ৰত্যক্ষ কৰোৱালে।৯৭৮।।ব্ৰহ্মা, ৰুদ্ৰ, ইন্দ্ৰ, চন্দ্ৰ, দহ দিক্‌পাল আদিয়ে তোমালোকক কোনেও অসূয়া নকৰে। কৃষ্ণৰ বচন শুনিয়ো নাৰীগণে কৃষ্ণৰ চৰণৰ পৰা নুঠা দেখি তেওঁ ক'লে—

'শুনা নাৰীগণ সঙ্গত থাকন্তে
প্ৰীতি অনুৰাগ গুচে।
যেন অমৃতক পিয়ন্তে পিয়ন্তে
মুখত সিটো নুৰুচে।।'

সঙ্গত থকালৈকে প্ৰীতি, অনুৰাগ নথকা হয়। যিদৰে অনবৰতে অমৃত খাই থাকোঁতে থাকোঁতে অমৃত খাবলৈ মন নোহোৱাৰ দৰে, সঙ্গত থাকোতে থাকোতে প্ৰতি ক্ৰমে কমি যায়। মনেৰে চিন্তা কৰি কৰি থাকিলে অনতিপলমে তেওঁক (ভগৱানক) লাভ কৰিব পাৰে। কৃষ্ণই ক'লে—'তোমালোক মোৰ পৰম ভকত, তোমালোক সদায় মোৰ হৃদয়তে থাকিব।৯৭৯,৯৮০।।

'শ্ৰৱণ-কীৰ্ত্তনেও আমাক যিদৰে ভকতি বঢ়ায়, কাষত থাকিলে সেইমতে প্ৰেমভকতি সিদ্ধ নহয়। সেইবাবে তোমালোকে গৃহলৈ গৈ মোক ভক্তি কৰি সংসাৰ অতিক্ৰম কৰিব পাৰিবা আৰু মোক্ষ লাভ কৰিব পাৰিবা। আমাত ভকতি থকা সকলক গৃহবাসে একো অনিষ্ট কৰিব নোৱাৰে।'৯৮১।।

**৪৬। যাজ্ঞিক ব্ৰাহ্মণ সকলৰ দ্বাৰা ৰাম-কৃষ্ণৰ পূজাঃ**

বিপ্ৰপত্নীসকলে কৃষ্ণৰ অমৃতবাণী শুনি ভক্তিভাৱে কৃষ্ণক সেৱা সৎকাৰ কৰি, কৃষ্ণক হৃদয়ত লৈ হাঁ কৃষ্ণ হাঁ কৃষ্ণ বুলি কান্দি কান্দি নিজ গৃহলৈ গমন কৰিলে। পত্নীগণৰ কৃষ্ণ-ভক্তিৰ প্ৰাবল্য দেখি স্বামীসকলে কোনো অসূয়া নকৰি তেওঁলোকক সাদৰে গ্ৰহণ কৰিলে আৰু তেওঁলোকক সহযোগী কৰিলৈ যজ্ঞ সমাপনো কৰিলে।৯৮২।। এজনী স্ত্ৰীক স্বামীয়ে কৃষ্ণৰ ওচৰলৈ যাবলৈ নিদি ধৰি ৰাখিলে; তেওঁ কৃষ্ণক হৃদয়ত ধৰি প্ৰাণত্যাগ কৰিছিল। তেওঁ কৃষ্ণত লীন গৈছিল।

কৃষ্ণ আৰু গোপগণে বিপ্ৰপত্নী আৰু স্বামী সকলে দিয়া বিচিত্ৰ অন্ন আনন্দ মনেৰে ভোজন কৰিলে।৯৮৩।। এইদৰে দেৱ শ্ৰীহৰিয়ে লীলা নৰতনু ধৰি মানবীয় চেষ্টা দেখুৱাই আচৰিত আচৰিত কৰ্ম্মসাধন কৰি গোপগণৰ লগত কৌতুক কৰি গৰু চৰাইছিল। বিপ্ৰগণে কৃষ্ণ-বলৰামপ্ৰমুখ্যে গোপগণক কৰা বঞ্চনাৰ বাবে অশান্তি আৰু হৃদিতাপৰ দগ্ধ হৈ অনুশোচনা কৰিলে। জগতৰ ঈশ্বৰে প্ৰাৰ্থনা কৰি অন্ন বিচৰাতো, অন্ন নিদিয়াৰ বাবে মহাপাপ সিজিল বুলি ভাবি অনুতপ্ত হ'ল।৯৮৪।।

নাৰীগণৰ কৃষ্ণ-ভকতি দেখি তেওঁলোকৰ নিজকে গৰিহণা দিলে। তেওঁলোকে কৈছে—'আমি কিমান পাপ কৰিলো? আমি স্ত্ৰীতকৈ অধম হ'লো, আমি ব্ৰাহ্মণ জন্ম বৃথাই ল'লোঁ, আমি ধিক্ ধিক্। আমি যজ্ঞ-ব্ৰত-পণ্ডিতালি কৰি নিজকে ঘৃণনীয় কৰিলোঁ। আমি কৃষ্ণত বিমুখ হ'লো, সমূলঞ্চে অধোগতি গলোঁ, আমাৰ জীৱন ধিক ধিক।'৯৮৫।। তেওঁলোকে জানিলে যে বিষ্ণুমায়াই জ্ঞানীকো মুহিব পাৰে। তেওঁলোকে ক'লে—'আমি জগতত গুৰু বোলাই ফুৰি নিজ কৰ্ম্মদোষত বুদ্ধিহত হ'লোঁ, কিন্তু আমাৰ পত্নী সকলে কৃষ্ণত ভকতি কৰি পৰম ভক্তা হ'ল। তেওঁলোকে গৃহসংসাৰৰ আশা ত্যাগ কৰি, মৃত্যুৰ মোহজৰী ছিঙি মহা ভাগ্যৱতী হ'ল।৯৮৬।। তেওঁলোকে গুৰুৰ মান, তপ-জপ-জ্ঞান, শৌচাগাৰ, সংস্কাৰৰ কোনো জ্ঞান নাই; তথাপি কৃষ্ণত সুদৃঢ় ভকতি কৰি তৰি গ'ল। তেওঁলোকৰ কি সৌভাগ্য।'

বিপ্ৰসকলে ব্ৰহ্মচৰ্য্যব্ৰত ধৰি, গুৰু-শুশ্ৰূষা কৰি বেদ অধ্যয়ন কৰিয়ো কোনো ফল নাপালে। কৃষ্ণক ভকতি নকৰি, কৃষ্ণত বিমুখ হৈ তেওঁলোক আত্মঘাত হ'ল বুলি বিপ্ৰগণে অনুশোচনা কৰিছে।৯৮৭।।

ব্ৰাহ্মণসকলে নিজৰ কৃতকৰ্মৰ ওপৰত নানাভাৱে চিন্তা কৰিবলৈ ধৰিলে।'কৰ্ম্মৰ গৰ্বত আমি সদায়ে প্ৰমত্ত হৈ বৰ মুৰ্খামি কৰিলোঁ, গৃহবাসত থাকি ঈশ্বৰক পাহৰি পেলালোঁ। সেই বাবে কৃপাময় কৃষ্ণই আমাক স্মৰণ কৰালেহি নহলেনো কৃষ্ণই আমাৰ ওচৰত অন্ন ভিক্ষা কৰিবনে? তেওঁ লক্ষ্মীপতি হৈ অন্ন বিচাৰিবনে? আমি অচেতন, কেৱল যজ্ঞত হে মন, তাক চিন্তা কৰি

নাপালোঁ।৯৮৮।।

মন্ত্র, তন্ত্র, যজ্ঞ আদি ধৰ্ম্ম-কৰ্ম্ম সকলো কৃষ্ণময়। সকলো ধৰ্ম্ম কৰ্ম্মৰ বাবে কৃষ্ণই যদুবংশত জন্মিছিল বুলি ব্ৰাহ্মণ সকলে শুনিছিল। তথাপি তেওঁলোকে কৃষ্ণক জানিব নোৱাৰিলো বুলি নিজকে মন্দভাগী বুলিছে। এনেদৰে কৈ সকলোৰে কৃষ্ণৰ ফালে চাই পৰি প্ৰণাম কৰিলে।৯৮৯।।

'নমো নমো কৃষ্ণ প্ৰভূ ভগৱন্ত
তুমি জগতৰ স্বামী।
তোমাৰ মায়ায়ে মুহিলেক মতি
কৰ্ম্মপথে ভ্ৰমো আমি।।
নজানি প্ৰভাৱ আমি মূঢ় ভাৱ
কৰাইলোহো অসন্তোষ।
তোমাৰ চৰণে পশিলো শৰণে
মৰষিয়ো সবে দোষ।৯৯০।।

তেওঁলোকে কৃষ্ণক স্তুতি কৰিছে। ঈশ্বৰৰ মায়াত মোহিত হৈহে তেওঁলোকে কৰ্ম্মপথ গ্ৰহণ কৰিছিল। কৃষ্ণক চিনিব নোৱাৰিহে দোষ লগলো। সেই বাবে কৃষ্ণৰ চৰণত শৰণ লৈ দোষ মৰিষণ কৰিবলৈ প্ৰাৰ্থনা কৰিছে।

কোনো কোনো বিপ্ৰই ব্ৰজলৈ যোৱাই ভাল হ'ব বুলি আলোচনা কৰিছে। ব্ৰজলৈ গলে কৃষ্ণক দেখা পাব, কাতৰ কৰিব পাৰিব, হয়তো তেতিয়া দোষমুক্ত হ'ব। কিন্তু কোনোবে ভাবিছে যে ব্ৰজলৈ গ'লে দুষ্ট কংসই আহি সিহঁতক বিনাশ কৰিবও পাৰে।৯৯১।।

কংসৰ ভয়ৰ বাবেহে তেওঁলোকে ব্ৰজলৈ নগ'ল। তাৰ পৰিৱৰ্তে গৃহতে থাকিয়েই কৃষ্ণৰ গুণৰ শ্ৰৱণ-কীৰ্ত্তন কৰিব বুলি স্থিৰ কৰিলে।

কৃষ্ণই এইদৰে বিপ্ৰগণৰ কৰ্ম্মৰ গৰ্ব চুৰ কৰিলে আৰু বিপ্ৰপত্নীগণক অন্নমগাৰ ছলেৰে প্ৰসাদ দান কৰিলে।৯৯২।। গুৰু শঙ্কৰে এই কথা ৰচনা কৰি নিৰন্তৰে নাম শ্ৰৱণ-কীৰ্ত্তন কৰিবলৈ নৰগণক সাৱধান কৰি দিছে।

উপদেশ ঃ কৰ্ম্মকাণ্ডৰ সাধন মাৰ্গ যেন তপ, জপ, হোম, দান তীৰ্থ, যাগ, যজ্ঞ আদি ধৰ্ম্মমাৰ্গবোৰৰ দ্বাৰা কৃষ্ণক সহজে পোৱা কঠিন। কেৱল ভক্তি পন্থৰ যোগেদিহে কৃষ্ণক লাভ কৰিব পাৰি। তদুপৰি জাতি-কুলাচাৰ, স্বধৰ্ম্ম, সন্ন্যাসৰ দ্বাৰা কৃষ্ণক পোৱা জটিল। শ্ৰৱণ-কীৰ্ত্তনৰ যোগে নিৰন্তৰে ভজিলে অপ্ৰয়াসে কৃষ্ণক লাভ কৰাৰ উপৰিও হাততে মুক্তি আহি পৰে। এই পৰম তত্ত্ব জানি ঈশ্বৰ কৃষ্ণত এক শৰণ হ'ব লাগে। একচিতে গুণ-গীত গাই মৃত্যুক জয় কৰিব পাৰি।৯৯৩,৯৯৪।।

কলিত নামেসে কলিত নামেসে
কলিত নামসে গতি।
নাম এৰি আন গতি নাই নাই
নাই জানা প্ৰতি প্ৰতি।।

কলিযুগত গতি দিব পাৰে কেৱল নামে। নাম এৰি কোনেও গতি নাপায়। পাপ-শিৰোমণি, অনাচাৰী, মন্দমতি দ্বিজ অজামিলে নামৰ দ্বাৰা বৈকুণ্ঠগতি লাভ কৰিলে।৯৯৫।। নামৰ সমান পুণ্যপথ আন নাই; এই কথা শাস্ত্ৰ সন্মত। সমস্ত দেৱৰ ভিতৰত কৃষ্ণই শ্ৰেষ্ঠতম দেৱ-ঈশ্বৰ, পুণ্যবোৰৰ ভিতৰত ৰজা নাম এই কথা জানি আন কৰ্ম্ম এৰি নামলোৱা উচিত। নাম লৈ জীৱাত্মাক উদ্ধাৰ কৰিবলৈ গুৰুৱে দঢ়াই দঢ়াই কৈছে।৯৯৬।।

**৪৬। নন্দ আদি গোপসকলৰ ইন্দ্ৰযজ্ঞৰ উদ্যোগ, কৃষ্ণৰ দ্বাৰা ইন্দ্ৰ-যজ্ঞ ভঙ্গ আৰু গোবৰ্দ্ধন পূজাঃ**

কৃষ্ণই প্ৰথমে ব্ৰহ্মাৰ, দ্বিতীয়তে বিপ্ৰগণৰ, তৃতীয়তে ইন্দ্ৰৰ গৰ্ব্ব চুৰ কৰিছিল। বিপ্ৰগণৰ কৰ্মগৰ্ব্ব চুৰ্ণ কৰি কৃষ্ণই ইন্দ্ৰৰ দৰ্প হৰণ কৰিবৰ মনেৰে নন্দৰজাই প্ৰতি বছৰে কৰা ইন্দ্ৰযজ্ঞ ভঙ্গ কৰিবলৈ উদ্যোগ কৰিলে।৯৯৭।। নন্দৰ আদেশত গোপগণে ইন্দ্ৰযজ্ঞ (মখ যজ্ঞ) কৰিবলৈ সম্ভাৰবোৰ সংগ্ৰহ কৰি ক'বলৈ লোৱা দেখি কৃষ্ণই নন্দৰ ওচৰ পালেগৈ।৯৯৮।। কৃষ্ণই পিতৃ নন্দক সুধিলে— 'হে পিতৃ, হে বৃদ্ধসকল, তোমালোকে সামৰাজে কোন দেৱতাৰ পূজা কৰিবলৈ আয়োজন কৰিছা? এই পূজাৰ পৰা কি ফল লাভ কৰিবা? এইবোৰ কথাৰ উত্তৰ দিয়ক।৯৯৯।। মহন্ত সকলে কোনো গুপ্যকৰ্ম্ম নকৰে, সকলো দেৱকে সমান দেখে, আত্ম-পৰ ভাৱ নাৰাখে। মহাত্মা সকলে সকলো জানিয়ো নজনাৰ দৰে কৰ্ম্ম কৰে। জানি বুজি অজ্ঞানী হৈ কৰ্ম্ম কৰিলে সিদ্ধি ফল লাভ কৰিব নোৱাৰে।১০০০।। তোমালোকে এই কৰ্ম শাস্ত্ৰৰ বিচাৰত নে লোকব্যৱহাৰৰ বাবে কৰিব বিচাৰিছা? মোক বুজাই কোৱা। নন্দই কৃষ্ণৰ প্ৰশ্নৰ উত্তৰ দিবলৈ ধৰিলে।১০০১।।

'ত্ৰৈলোক্যৰ ৰজা ইন্দ্ৰ। তেওঁৰ প্ৰিয়মূৰ্ত্তি মেঘগণ। মেঘে সকলো লোকৰ

জীৱন ধাৰণৰ বাবে জলবৃষ্টিৰ যোগান ধৰে। সেই মেঘৰ গৰাকী সহস্ৰ লোচন।১০০২।। সেয়ে প্ৰাচীন পৰম্পৰা অনুসৰি ইন্দ্ৰক পূজা কৰোঁ। লোভ মোহত পৰি যি সকলে এই বিধানবোৰ ত্যাগ কৰে, তেওঁলোকৰ কোনো কালে কল্যাণ নহয়।১০০৩।। নন্দৰ কথা শুনি কৃষ্ণই মনতে চিন্তাচৰ্চা কৰিলে। ইন্দ্ৰৰ পূজা তেওঁ নিজে ভুজি ইন্দ্ৰৰ খং উঠাৱলৈ কৃষ্ণই চিন্তা কৰিলে। ইন্দ্ৰক গৰ্ব্ব পৰ্বতৰ পৰা খহাবলৈ তেওঁ থিৰাং কৰিলে।১০০৪।।

কৃষ্ণই নন্দক সমিধান দি ক'লে—

শুনা পিতৃ কহোযেন শাস্ত্ৰৰ বিধান।।
কৰ্ম্মেসে উপজে জীৱ কৰ্ম্মেসে প্ৰলয়।
সুখ দুঃখ ভয় শোক কৰ্ম্মেসে মিলয়।।১০০৫।।
আছন্ত ঈশ্বৰ যদি ফলদাতা হোন্ত।
কৰ্ম্মীক পাৰন্ত অকৰ্ম্মীক কিছু নন্ত।।
শুভাশুভ ভূঞ্জেলোকে নিজকৰ্ম্ম ভাগে।
ইন্দ্ৰক পূজয় কিয় ইন্দ্ৰ কৈত লাগে।১০০৬।।

শাস্ত্ৰীয় বিধান মতে কৰ্ম্মই জীৱক পুনৰ জন্ম দিয়ায় আৰু মৃত্যু ঘটায়। কৰ্ম্মবন্ধই জীৱক সংসাৰত বান্ধি ৰাখে। কৰ্ম্মৰ দ্বাৰাই জীৱই সুখ-দুঃখ ভোগে, ভয়-শোক আদিও কৰ্ম্মফলৰ পৰাই আহে। কৰ্ম্মীক ঈশ্বৰে যদি ফলদান কৰে, কৰ্ম্ম নকৰা জনক ফলদান নকৰিব। যি যেনে কৰ্ম্ম কৰে তেওঁ সেই মতে ফল পায়। শুভ বা অশুভ কৰ্ম্ম অনুসৰি শুভ বা অশুভ ফল লাভ হয়। ইন্দ্ৰক যে পূজা কৰা হয়, ইন্দ্ৰনো ক'ত প্ৰয়োজন হয়?

ইন্দ্ৰক পূজিলে বৰষুণ হয় বোলা কথা অমূলক। বন-পৰ্ব্বতত বৰষুণ শিলাবৃষ্টি স্বাভাৱিকতে হয়। বৰষুণ হোৱাৰ লগত পূজাৰ সম্বন্ধ নাই।১০০৭।। কপালত বিধিয়ে লিখাটো অৱশ্যে হয়; তাক ইন্দ্ৰয়ে কেতিয়াও ৰোধ কৰিব নোৱাৰে। কৰ্ম্মত চৰাচৰ জগত প্ৰৱৰ্ত্তি আছে; কৰ্ম্মই জীৱৰ ভূত ভৱিষ্যত গঢ়ে; দেৱতা অসুৰ নৰ কৰ্ম্মৰ অধীন।১০০৮।।

ললাটে লিখিত যিটো বিহিত সবাৰে।
তাক কি আসিয়া ইন্দ্ৰে গুচাইবাক পাৰে।।
কৰ্ম্মেসে প্ৰবৰ্তে দেখা যত চৰাচৰ।
কৰ্মৰ অধীনা সবে দেবাসুৰ নৰ।১০০৮।।

দেৱতা কাক বোলে। কৃষ্ণই দেৱতাৰ সংজ্ঞা দিছে—

কৰ্ম্মে মিলাই আছে সবে জীয়ে যাত হন্তে।
তাকেসে দেবতা বুলি মানন্ত মহন্তে।।

কৰ্ম্মই জীৱৰ জীৱন, জন্ম নিৰ্মাণ কৰে, মহন্তে তাকে দেবতা বুলি মানে, দেৱতা মানে 'দৈব্য' বা বিধিৰ লিখন; ঈশ্বৰে কৰ্ম্ম অনুসৰি জীৱৰ বিধি লিপি নিৰ্দ্ধাৰণ কৰে। গতিকে যি যাৰ পৰা জীৱৰ সৃষ্টি হৈছে, জী আছে সেই এক অদ্বিতীয় শক্তিক এৰি আনক পূজিলে স্বামী এৰি নাৰীয়ে উপপতি ভজাৰ দৰে হয়।১০০৯।। কৃষ্ণই কৈছে— 'আমি ৰাতিয়ে দিনে পৰ্ব্বত, বনত খপো, পাহাৰৰ পৰাই আমাৰ সৰ্ব্বসিদ্ধি হৈছে; গতিকে পৰ্ব্বতক পূজা কৰাহে বিধিসন্মত হ'ব।'১০১০।। ইন্দ্ৰক পূজিবলৈ অনা সম্ভাৰেৰে গিৰিযাগ আৰম্ভ কৰা উচিত হ'ব। আমাৰ বাবে পৰ্ব্বতহে দেৱতা। গতিকে অন্ন-ব্যঞ্জন তাৰ বাবে যুগুত কৰা উচিত হ'ব।১০১১।। সকলোবোৰ ব্যঞ্জন একেঠাইত গোটাব লাগে। পিঠা, পৰমান্ন, পায়স, সন্দেশ, ঘিউ আদিবোৰ তৈয়াৰ কৰা হওক। বেদজ্ঞ বিপ্ৰই হোম কৰক, তেওঁলোকক ধেনুদান কৰি পঞ্চামৃত ভোজন কৰোৱা হওক। আনকি চণ্ডাল, পাতকী কুকুৰকো অন্ন দিয়া হওক। গাইগণক কোমল ঘাঁহ যোগান ধৰা হওক।১০১২,১০১৩।।

পৰ্বতক সতকাৰ কৰি, অন্ন-ব্যঞ্জন গোপগণক ভুঞ্জিবলৈ দিয়াওক, বিচিত্ৰ বস্ত্ৰ তেওঁলোকে পৰিধান কৰি সালঙ্কৃতা হওক।১০১৪।। তেওঁলোকে নানা বাদ্যবজাই গীতগাই পৰ্বতক প্ৰদক্ষিণ কৰক। তেতিয়া পৰ্বতে আমাৰ কল্যাণ সাধন কৰিব। মই দিয়া পৰামৰ্শ মতে গিৰিযাগ আৰম্ভ কৰক।১০১৫।। এইদৰে ইন্দ্ৰযজ্ঞ ভঙ্গ কৰি ইন্দ্ৰৰ দৰ্প খৰ্ব কৰিম।১০০৬।।

কৃষ্ণৰ কথা বৃদ্ধগণেও সমৰ্থন কৰি গিৰিযাগ আৰম্ভ কৰিলে। বহুবিধৰ বাদ্য ধ্বনি কৰা হ'ল। বেদধ্বনি উচ্চাৰণ কৰি বিপ্ৰগণে আহুতি দিলে।১০১৭।। বিপ্ৰগণক ভোজন কৰোৱাই ধেনুদান কৰিলে। চাণ্ডাল পৰ্যন্ত সকলোৱে ভোজন কৰি তৃপ্ত হ'ল। গোবৰ্দ্ধন পৰ্ব্বতক সতকাৰ কৰি ওপৰত সম্ভাৰবোৰ ৰখা হ'ল। গন্ধে-পুষ্পে ধূপে-দীপে গিৰিক ৰঞ্জিত কৰা হ'ল। নানা শব্দধ্বনি কৰি উৎসৱ পালন কৰা হ'ল। গৰুবোৰক ঘাহ খুওৱা হ'ল, গোপ গোপীকাসকলে ভোজন কৰিলে।১০১৯।। তেওঁলোক বিবিধ ৰত্ন-অলঙ্কাৰ আৰু বস্ত্ৰ পিন্ধি গন্ধ-পুষ্প-চন্দনেৰে ভূষিত হৈ জাতিষ্কাৰ হ'ল আৰু গৰুবোৰ আগতলৈ আগবাঢ়িল।

বংশীধ্বনি কৰি তেওঁলোকে পৰ্বতক প্ৰদক্ষিণ কৰিলে।১০২০।। নন্দ আদি গোপগণে আনন্দ মনেৰে, যশোদা আদি গোপীগণে খেড়ি খেলি শকটত উঠি পৰ্ব্বতৰ চাৰিওকাষে ঘূৰিলে।১০২১।। সালঙ্কৃতা হৈ তেওঁলোকে কুঙ্কুম ঘঁহি কৃষ্ণ-গুণ গান কৰিবলৈ ধৰিলে। প্ৰেমে পুলকিত হৈ সলোতক চকুৰে কৃষ্ণৰ জয়গান গালে।১০২২।। বিপ্ৰগণেও শিঙা, শঙ্খ বজাই আশীৰ্বাদ কৰিলে। সকলোৱে মিলি মহামহোৎসৱ কৰিলে। কৃষ্ণয়ো সকলোৰে লগত পৰিভ্ৰমণ কৰিলে।১০২৩।।

কৃষ্ণই পৰ্বতত এক বিশেষৰূপ গ্ৰহণ কৰি আৰোহন কৰিলে। তেওঁ বৃহদাকাৰ কৰি শৰীৰ বঢ়ালে। কৃষ্ণই নিজকে পৰ্বত বুলি কৈ সমস্ত সন্দেশ, ভূঞ্জিবলৈ ধৰিলে।১০২৪।। কুঁহিয়াৰ, আখৈ, ছিৰা, গুৰ, লাড়ু, ঘিউৰ সন্দেশ, পিঠা-পনা, দধি-দুগ্ধ আদি উপকৰণ সমূহ খাই তেওঁ অন্ত কৰিলে।১০২৫।। সকলো ভোজন কৰি মেঘৰ দৰে গৰ্জ্জন কৰি উগাৰ মাৰিলে। গোপ-গোপী গণে এই দৃশ্য দেখি কৃষ্ণৰ কথাৰ প্ৰমাণ পাই বৰ বিস্ময় মানিলে।১০২৬।। তেওঁলোকে চমৎকাৰ ৰূপ দেখি পৰি পৰি নমস্কাৰ কৰিলে। কৃষ্ণয়ো তেওঁলোকৰ লগতে পৰি নমস্কাৰ কৰি দেখুৱালে, অৰ্থাৎ নিজকে নিজে নমস্কাৰ কৰিলে।১০২৭।।

সকলোৱে কৰযোৰে পৰ্বতক স্তুতি কৰিলে।১০২৮।। গোবৰ্দ্ধনে আচৰিত ৰূপ ধৰিলে বুলি তেওঁলোকে কলে আৰু ইমান দিনে পৰ্বতক পূজা নকৰাৰ বাবেই ইমানবোৰ অপায়-অমঙ্গল কাৰ্য্য হৈছে বুলি তেওঁলোকে ঠাৰৰ কৰিলে।১০২৯।। পৰ্বতপূজা কৰি তেওঁলোক গোকুললৈ আনন্দমনেৰে প্ৰত্যাবৰ্তন কৰিলে। কৃষ্ণই সকলোকে লৈ ব্ৰজত প্ৰবেশ কৰিলে আৰু মহেন্দ্ৰৰ মখভঙ্গ কৰিলে।১০৩০।।

উপদেশ ঃ কৃষ্ণৰ অচিন্ত্য মহা সকলোৱে দেখিলে, শুনিলে। ইন্দ্ৰই ভকতৰ অনিষ্ট সাধন কৰিব যদিও কৃষ্ণই হাতেৰে গিৰি দাঙি ধৰি ভকতক ৰক্ষা কৰিব। কাৰণ ঈশ্বৰে ভকতৰ দুঃখ কেতিয়াও সহ্য নকৰে।১০৩১,১০৩২।। এনে মহিমাময় কৃষ্ণক এৰি অন্ধ হৈ আনদেৱক মুৰ্খই পূজে। অমৃতক এৰি বিষপান কৰা, সোণ এৰি সানিয়াত গাষ্টীমৰা, চক্ৰবৰ্তী পদ এৰি হালবোৱা, গঙ্গাজল এৰি বোকাপানী (কাদোৱাণী পানী) খোৱা যেনে কৃষ্ণক এৰি অন্য দেৱতাৰ আশ্ৰয় লোৱাও তেনে।১০৩৩-১০৩৪।। সেইবাবে অন্যদেৱ ধৰ্ম তেজি কৃষ্ণৰ চৰণত সুদৃঢ় বিশ্বাসে শৰণ লোৱা, আন ধৰ্ম এৰি মাধৱৰ নামলোৱা উচিত।১০৩৫।।

**৪৭। যজ্ঞভঙ্গ, ইন্দ্ৰৰ ক্ৰোধ ঃ**

শুকমুনিয়ে ক'লে— যে ইন্দ্ৰই পূজা নাপাই গোপগণক খং কৰি গৰ্জ্জিবলৈ ধৰিলে।১০৩৬।। ইন্দ্ৰই নানা তৰ্জ্জন গৰ্জ্জন কৰি কৃষ্ণ সমন্বিতে গোপগণক নিৰ্মূল কৰিবলৈ প্ৰলয়ৰ মেঘগণক আদেশ কৰিলে। ইন্দ্ৰই সম্বৰ্ত্তকগণক (মেঘগণক) নিৰ্দ্দেশ দি ক'লে।১০৩৭-১০৩৮।।

— 'শুন সম্বৰ্ত্তক গণ।
গোকুলক কৰ ছন্ন
শ্ৰীমদে অন্ধ গোপ।
মোহোৰ তোলাৰে কোপ।।'১০৩৯।

ইন্দ্ৰই গোকুলক ধ্বংস কৰিবৰ কাৰণে সম্বৰ্ত্তকগণক পঠাবলৈ বাধ্য হ'ল; কিয়নো ইন্দ্ৰক নন্দৰৰজাই পূৰ্ব্বৰ পৰাই পূজা দি আহিছিল। ইন্দ্ৰই নিজকে ত্ৰৈলোক্যৰ ৰজা বুলি অহঙ্কাৰত মত্ত হৈ আছিল। কিন্তু নন্দই মনুষ্য কৃষ্ণক পাই ইন্দ্ৰৰ প্ৰতি পিঠি দিয়াত অত্যন্ত অপমান বোধ কৰিছিল।১০৪০।। ইন্দ্ৰই নন্দক মুৰ্খ বুলি ভাবিছে; ব্ৰহ্মজ্ঞান এৰি কৰ্ম্মময় পচা নাৱত উঠি সংসাৰ তৰিবলৈ নন্দই বিচাৰিছে।১০৪১।। ইন্দ্ৰই কৃষ্ণক অপণ্ডিত, দুবিধনীত (অহঙ্কাৰী) বুলি কৈছে। তেন কৃষ্ণৰ পৰামৰ্শকে সাৰ বুলি ভাবি ইন্দ্ৰৰ দ্ৰোহ আচৰিছে।১০৪২।। নন্দ আদি গোপগণ শ্ৰীমদত অন্ধ হৈছে। গতিকে তেওঁলোকৰ গৰ্ব চূৰ কৰিবলৈ মেঘগণক আদেশ কৰিছে যাতে গোপপুৰ পানীত তল যায়।১০৪৩।। কৃষ্ণৰ গৰুগাই বোৰকো বিনাশ কৰিবলৈ আদেশিছে। ইন্দ্ৰৰ আজ্ঞামানি মেঘগণে কৃষ্ণ আৰু কৃষ্ণভকতক অনিষ্ট কৰিবলৈ ভয় কৰিছে, শৰীৰ কঁপি উঠিছে। ইন্দ্ৰই তাকে দেখি কৈছে— 'তোমালোকে কাক ভয় কৰিছা?১০৪৪-১০৪৫।। ময়ো ঐৰাৱতত উঠি তোমালোকৰ পাছতে যাম আৰু দেৱগণো সাজি-কাচি যাব আৰু ব্ৰজক নিঃশেষ কৰিম।১০৪৬।।

মেঘগণে শ্ৰীমদত অন্ধহৈ উন্মত্ত বেশেৰে অগ্ৰসৰ হ'ল।১০৪৭।।
পৰম আটোপ কোপে।
চলে চপকৰে জোপে।
গগন মণ্ডলে থাকি।

গৰ্জে গোকুলক ঢাকি।১০৪৭-১০৪৮।।

ডাৱৰবোৰে পৰম আস্ফালন কৰি, আকাশ আগুৰি গৰ্জিবলৈ ধৰিলে। ভয়ঙ্কৰ গাজনি মাৰিবলৈ ধৰিলে, বিজুলিৰ চমকনিত আকাশ পোহৰ হ'ল শব্দত কাণ ফাটো ফাটো যেন লাগিল; দশোদিশ তিৰিমিৰ অন্ধকাৰে আৱৰি ধৰিলে, সমস্ত গোকুলত প্ৰলয়ৰ সৃষ্টি হ'ল আৰু ব্ৰজবাসীসকল উত্ৰাৱল হৈ পৰিল।১০৪৯-৫০।।

**উপদেশ ঃ** কবিয়ে সমাজৰ লোকক উপদেশ দি কৈছে মানৱ জীৱন অথিৰ-অবিৰ।১০৫১।। জীৱন অস্থিৰ এই আছে, এই নাই। সদায় জীৱন ৰৈ থাকিব বুলি বাটচাই থাকি লাভ নাই। বিষয় সুখ ক্ষন্তেকীয়া, বিচাৰ কৰি চালে সুখতে দুঃখ সোমাই আছে ।১০৫২।। বিষয় চিন্তাত কাল কটোৱাহে উচিত। এই তত্ব উপলব্ধি কৰি ঘনে ঘনে ৰাম নাম লোৱাহে আচল কাম।১০৫৩।।

**৪৮। শ্ৰীকৃষ্ণৰ গোবৰ্দ্ধন ধাৰণ ঃ**

ইন্দ্ৰৰ আদেশ পাই মেঘগণে আকাশত ভয়ঙ্কৰ গৰ্জ্জন কৰিলে। হৰ্ হৰ্ শব্দই দহদিশ মুখৰিত কৰিলে, বজ্ৰৰ নিনাদত গৰ্ভত্ৰাসৰ সৃষ্টি হ'ল।১০৫৪।। দিনতে অন্ধকাৰ হ'ল, দশোদিশে আন্ধাৰে আৱৰি ধৰিলে আৰু ব্ৰজৰ প্ৰজাগণৰ মাজত দুৰ্ঘোৰ ভয়ৰ সৃষ্টি হ'ল। প্ৰচণ্ড বতাহৰ প্ৰবাহে চাল-বেৰ উৰুৱাই নিবলৈ ধৰিলে, বিজুলী চক্‌মকনিয়ে দশোদিশ পোহৰ কৰি তুলিলে।১০৫৫।। বায়ুৰ আস্ফালনত মেঘবোৰ চপৰা চপৰে দৌৰিবলৈ ধৰিলে, মেঘৰ গৰ্জনত ভূমিখণ্ড কঁপি উঠিল, কাণ তাল মাৰি ধৰিলে, আকৰ্ণ শব্দেৰে ধাৰাসাৰে বৃষ্টিপাত হ'বলৈ ধৰিলে, বৰষুণৰ লগতে শিলাবৃষ্টিও হ'ল আৰু সকলোৰে চেতনা হেৰাই গ'ল।১০৫৬।।

গোকুলত একেৰাহে প্ৰবল বৰষুণ হ'ল, জলপ্ৰবাহ বৈ গ'ল, খাল-বিলবোৰ পানীৰে উপচি পৰিল, মহাপ্ৰলয় নামি আহিল আৰু প্ৰজাগণ আতঙ্কত কিংকৰ্তব্য বিমূঢ় হ'ল।১০৫৭।। শিলা-বৃষ্টি, বায়ুৰ আন্দোলন, অন্ধকাৰ, মেঘৰ ভীষণ গৰ্জ্জন, বিজুলীৰ চিক্‌মিকনিত দিশ-বিদিশ নেদেখা হ'ল আৰু কাৰো মাত কোনেও নুশুনা হ'ল। গৰু-গাই-পোৱালীবোৰ ভয়ত বিব্ৰত হ'ল, অত্যন্ত ঠাণ্ডাত সিহঁত থক্‌থক্‌কৈ কঁপিবলৈ ধৰিলে।১০৫৮।। শিলাবৃষ্টিয়ে যেন সিহঁতৰ হাড়-মূৰ ভাঙি চূৰমাৰ কৰিব, দামুৰিবোৰক গাইবোৰে পেটৰ তলত ৰাখি, চকুজপাই, মূৰতললৈ কৰি ভয়ত কঁপিবলৈ ধৰিলে আৰু কৃষ্ণৰ কাষলৈ সিহঁতে চাপি গ'ল।১০৫৯।। গোকুলৰ পশু কিমান জ্ঞানী যে ৰক্ষা কৰ্তা কোন তাক জানিব পাৰিছে। গৰুবোৰে হেম্বেলিয়াই হেম্বেলিয়াই জুমে জুমে আহি কৃষ্ণৰ চৰণত শৰণ ললেহি।১০৬০।। গোপ-গোপীগণেও শিলাবৃষ্টিত অতীষ্ঠ হৈ, ঠাণ্ডাবতাহত থৰ্থৰ্কৈ কঁপি, ভয়ত বিহ্বল আৰু ত্ৰাসিত হৈ কৃষ্ণত শৰণ ল'লৈহি।১০৬১।। তেওঁলোকে কৃষ্ণক প্ৰাৰ্থনা জনালে—

'ত্ৰাহি ত্ৰাহি হে কৃষ্ণ কৃষ্ণ কৃপাম।
বিপদৰ বন্ধু হেৰা যাওঁ যমালয়।।
যেন লাগে চিন্তা আত উপায় সম্প্ৰতি।
তোমাৰ চৰণে বিনে নাহি আন গতি।১০৬২।।
একচিতে তোমাতেসে আমি কৰোঁ সেৱ।
তুমি বিনে আন একো নজানোহো দেৱ।।
তুমিসে আমাৰ নিজ নাথ নাৰায়ণ।
চৰম পঙ্কজে আমি পশিলো শৰণ।।১০৬৩।।
কৰি পৰিত্ৰাণ প্ৰাণ আমাৰ মাধৱ।
তুমিসে ব্ৰজৰ প্ৰভু পৰম বান্ধৱ।।
তযুপদ পঙ্কজেসে জীৱন আমাৰ।
ভকতৰ বন্ধু মধুসূদন উদ্ধাৰ।১০৬৪।।
মখভঙ্গ খঙ্গে ইন্দ্ৰদেৱে বৰিষয়।
ঘোৰ শিলাবৃষ্টি বাতে মিলাৱে প্ৰলয়।।
বাৰা ঝাণ্টে ৰক্ষা জীউ নতু যায়। যাৱে।
কৰে কোলাহল সবে আতি আৰ্ত্তৰাৱে।১০৬৫।।

গোপ-গোপী-গায়, দামুৰী, পশুগণে একত্ৰিত হৈ কৃষ্ণৰ কাষ চাপি শৰণাগত হয় আৰু বিপদকালত ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা জনায়।

'হে কৃপাময় কৃষ্ণ, তুমি বিপদৰ বন্ধু, আমি মৃত্যুমুখী, আমাক উদ্ধাৰ কৰিবলৈ উপায় কৰা, তোমাৰ চৰণৰ বিনে আমাৰ আন গতি নাই।১০৬২।। তোমাক আমি একচিতে সেৱা জনাইছোঁ, তোমাৰ বাহিৰে আন দেৱতাক আমি নিচিনো, তুমি আমাৰ গৰাকী, তুমি নাৰায়ণ, তোমাৰ চৰণত শৰণ ল'লো। ১০৬৩।। হে প্ৰাণ-মাধৱ, আমাক প্ৰৰিত্ৰাণ কৰা, তুমি ব্ৰজৰ পৰম বন্ধু, তোমাৰ পদ পঙ্কজ আমাৰ জীৱন, তুমি ভকতৰ বন্ধু, মধূসূদন, আমাক উদ্ধাৰ কৰা।

১০৬৪।। ইন্দ্ৰই মখভঙ্গৰ খঙত এনে দুখত আমাক পেলাইছে, প্ৰলয়ত আমি উটি ভাঁহি ফুৰিছোঁ।' এইদৰে সকলোৱে আৰ্তৰাৱে স্তুতি কৰিবলৈ ধৰিলে।১০৬২-১০৬৫।।

ভকত বৎসল কৃষ্ণই ভক্তৰ দুঃখ দেখি সহ্য কৰিব নোৱাৰিলে। ইন্দ্ৰৰ গৰ্বদেখিও তেওঁ অসহনীয় হ'ল।১০৬৬।। অত্যন্ত অহঙ্কাৰী ইন্দ্ৰৰ অহঙ্কাৰ চূৰ্ণ কৰিবলৈ কৃষ্ণই মনস্থ কৰিলে। ঈশ্বৰকো ভয় নকৰা ইন্দ্ৰৰ দৰ্প খৰ্ব নকৰিলে নচলিব। কৃষ্ণই একহাতে গিৰিগোবৰ্দ্ধনক উঘালি ওপৰলৈ তুলি ললে। ছাটি এটা ওপৰলৈ উঠাই লোৱাৰ দৰে গোবৰ্দ্ধন পৰ্বতক উঠাই লোৱাত ছাটিৰ তলত সমস্ত গোকুলবাসীৰ বাবে স্থান সৃষ্টি হ'ল।১০৬৭-১০৭০।। তেওঁ গোকুলৰ লোকক পৰ্বতৰ তলত সোমাবলৈ ক'লে। কৃষ্ণই পিতৃ-মাতৃকো গোবৰ্দ্ধনৰ তলত আশ্ৰয় ল'বলৈ ক'লে।১০৭১।। গোপ-গোপী, গাই সমস্তক গোবৰ্দ্ধনৰ তলত নিৰ্ভয় মনেৰে থাকিবলৈ আহবান জনালে কৃষ্ণই।১০৭২।। 'মোৰ হাতৰ পৰা পৰ্বতটো খহি পৰিব বুলি সন্দেহ নকৰিবা। তোমালোক ভকত, মোৰ অতি প্ৰিয়, মোৰপ্ৰাণ সদৃশ, তোমালোকৰ বাহিৰে মোৰ বন্ধু নাই। মই উপায় কৰি থোৱা মতে ইয়াত বতাহ, বৰষুণৰ ভয় নাই।' এই বুলি কৃষ্ণই কোৱাত সকলোৱে নিঃসন্দেহে পৰ্ব্বতৰ গৰ্ভত প্ৰবেশ কৰিলে।১০৭৩-১০৭৪।।

গৰু-গাই-গাড়ী, পুৰোহিত সকল তাত প্ৰবেশ কৰিলে। সকলোৱে মহাসুখে গৰ্তৰ ভিতৰত কটালে।১০৭৫।। কৃষ্ণই দুই ভৰি পৃথিৱীত থৈ এহাতেৰে গোবৰ্দ্ধন পৰ্বত ধৰি ৰাখিলে। সকলোৱে শিলাবৃষ্টিৰ সঙ্কটৰ পৰা ৰক্ষা পৰিল। ঈশ্বৰ কৃষ্ণই নিজ ঐশ্বৰ্যক প্ৰকাশ কৰি দেখা দিলে—।১০৭৬।। তেওঁ মুখৰ মৃদু হাস্য, পদ্মকোষৰদৰে মুখ, অৰুণ পঙ্কজনেত্ৰ, অলকাতিলক, কেশ নীল আকুঞ্চিত, কনক কিৰীটিয়ে মনোহৰ প্ৰকাশমান হ'ল।১০৭৭।। সুন্দৰ বগাগাল (পাণ্ডুৰ গণ্ড), কুণ্ডলৰ কান্তি, ৰাতুল অধৰ, মুকুতাৰ শাৰীৰ দৰে দন্ত, ৰুচিমতে থুতৰি (চিবুক) শঙ্খৰ দৰে ৰেখাযুক্ত ডিঙি (কম্বুকণ্ঠ) অতি মনোৰম। কণ্ঠত তেওঁৰ কৌস্তভে উদিত সূৰ্য্যৰ দৰে প্ৰভা বিলাইছিল।১০৭৮।। চাৰুশ্যাম তনু, পীতবস্ত্ৰে সুশোভিত, নৱমেঘ খণ্ডত বিজুলীৰ চিক্‌মিকনিৰ দৰে শৰীৰৰ কান্তি, বহল বক্ষত মণি-মুক্তাৰ হাৰ, কৰ যুগলত জিলিমিলাই থকা পেছন্দাৰ, গণ্ডস্থলত শ্ৰীবৎসৰ শাৰী, ভৰিলৈকে পৰা (আপাদলম্বিত) বনমালা (পঞ্চভূতৰ মালা) কণ্ঠত উদ্‌ভাসিত হৈছিল। মত্ত মধুকৰে তেওঁৰ চৌদিশে উৰি ফুৰিছিল মকৰন্দ পান কৰিবলৈ চাৰিভুজ নব কিশলয়ৰ দৰে ওলমি আছিল।১০৭৯-১০৮০।।

সুবলিত ভুজত কেয়ুৰ কঙ্কনে, কটিত কনক কাঞ্চি-খচিত ৰতনে, কিঙ্কিনীৰ ৰুণ-ঝুণ ধ্বনিয়ে, মাটিত পৰি যোৱাকৈ (পাট পীত ভূনি) পাটৰ হালধীয়া বস্ত্ৰই শোভা কৰিছিল।১০৮১।। তেওঁৰ দুখনি চৰণ নবপদ্ম-কোষৰ দৰে, ভৰিত ৰত্নৰ নুপূৰ, আঙুলিত ৰত্নৰ পাকৰি, নখত নখচন্দ্ৰই শোভা বঢ়ায়।১০৮২।। কৃষ্ণৰ অনিন্দসুন্দৰ মূৰ্ত্তিয়ে সকলোকে মোহিত কৰিলে। তেওঁৰ দৰশনে সংসাৰৰ তিনিতাপ দূৰ হয়। ভকতৰ প্ৰীতিৰ বাবে পৰম আনন্দ মূৰ্ত্তি তেওঁ অবগাহন কৰে।১০৮৩।। তেওঁ শৰীৰ কোটি চন্দ্ৰমাতকৈয়ো অধিক সুন্দৰ, কোটি সমুদ্ৰতকৈয়ো তেওঁ গম্ভীৰ, এককোটি মদনেও তেওঁ কমনীয়তাক পেলাব নোৱাৰে।১০৮৪।। তেওঁ এখন হাতত গদা, এখনত পদ্ম, এখন হাত দাঙি অভয় দান আৰু চতুৰ্থখন হাতেৰে গোবৰ্দ্ধনক ধৰি সকলোৰে প্ৰতি স্নেহ দৃষ্টিৰে চাইছিল।১০৮৫।। ধেনুগণে কৃষ্ণৰ আনন্দ মুখলৈ চাই আনন্দ পাইছিল। সিহঁতৰ নয়নৰ পৰা অশ্ৰু-সিক্ত বাগৰি আহিছিল আৰু আনন্দত গাৰ নোমত শিহৰণ উঠিছিল। সিহঁতে চিত্ৰৰ পুতলিৰ দৰে কৃষ্ণলৈ চাই আছিল।১০৮৬।। কৃষ্ণৰ নিৰুপম ৰূপ দেখি ব্ৰজবাসীয়ে চৌপাশৰ পৰা একেৰাহে চাই আছিল। তেওঁৰ মুখপদ্ম নেত্ৰ ভৰি চাইছিল।১০৮৭।। হাতেৰে আলিঙ্গন কৰি যেন জিভাৰে চেলেকি হেঁপাহ পলাব। নাকেৰে যেন শুঙি সুগন্ধ উপভোগ কৰিব। অঙ্গে অঙ্গে প্ৰেম পুলকেৰে আপ্লুত হ'ব, আৰু নয়নৰ নীৰে যেন পৃথিবী তিয়াব।১০৮৮।।

সকলোৰে মৰণৰ সন্ত্ৰাস আতৰি গ'ল, বৃষ্টিপাতৰ উত্‌পাত্‌ কমিল, কৃষ্ণত সকলোৰে মন মজিল, কৃষ্ণৰ মাধুৰ্য্যমূৰ্ত্তিক ধ্যান কৰিবলৈ ধৰিলে।১০৮৯।। কৃষ্ণয়ো সকলোৰে প্ৰতি স্নেহৰ চাৱনিয়ে দৃষ্টি কৰি অমৃত সিঞ্চন কৰিলে। সকলোৱে সেই অমৃতময় দৃষ্টি লাভ কৰি ক্ষুধা-তৃষ্ণা দূৰ হ'ল। এনে দৰে আনন্দতে সাতদিন সাত ৰাতি অতিবাহিত হ'ল।১০৯০।। ভকতৰ বান্ধৱ মাধৱে লীলাকৰি এখন হাতেৰে সাতদিন গোবৰ্দ্ধন ধৰি এখোজ লৰচৰ নকৰাকৈ থকা দেখি ত্ৰিদশৰ দেৱতাই বিস্ময় মানিলে।১০৯১।। ইন্দ্ৰই প্ৰবল প্ৰতাপেৰে বৰষুণ দিয়ালে, কিন্তু সকলো চেষ্টা ব্যৰ্থ হ'ল। ঈশ্বৰ কৃষ্ণৰ পৰম প্ৰভাৱ দেখি ইন্দ্ৰই বৰ অপমান পালে আৰু গৰ্ব নষ্ট হ'লত নিজৰ ওপৰত ধিক্কাৰ আহিল।১০৯২।। তেওঁৰ অঙ্গীকাৰ ভ্ৰষ্ট হ'ল আৰু তলমূৰ কৰি হুমুনিয়াহ

কাঢ়িলে। অনাহকতে মাধবৰ বিৰোধী হ'ল বুলি ইন্দ্ৰই অনুতাপ কৰিলে। তেওঁ কৃষ্ণৰ নোম এডালকো ল'ৰাব নোৱাৰিলে বুলি মৰ্ম্মাহত হ'ল।১০৯৩।। ইন্দ্ৰই হতভম্ব হৈ মেঘগণক বৰষুণ দিবলৈ মানা কৰিলে। ইন্দ্ৰই আদেশত মেঘগণ গুচি যোৱাত আকাশ নিৰ্ম্মল হ'ল, সূৰ্য্য আকাশত প্ৰকাশিত হ'ল, দশোদিশে গোকুলৰ মুকলি আকাশ দেখি কৃষ্ণই সকলোলৈকে চাই ক'বলৈ ধৰিলে।১০৯৫।।

'হে পিতৃ-মাতৃ, গোপ-গোপীগণ, এতিয়া বতাহ-বৰষুণ নাই, ইন্দ্ৰই লাজ পাই গুচি গৈছে। এতিয়া ভয় কৰিব লগা একো নাই। সকলোৰে মুক্তমনেৰে পৰ্বতৰ গুহাৰ পৰা ওলাই আঁহা।১৯৬।। বৰষুণৰ পানী এতিয়া শুকাল; চাৰিওফালে ফৰকাল হ'ল।' গোপ-গোপীগণে 'জয় জয় কৃষ্ণ' বুলি ওলাই আহিল।১০৯৭।। স্ত্ৰী, বাল্য, বৃদ্ধ আদিয়ে নিজৰ নিজৰ গৰুবোৰক মাতিলে, গাড়ীবোৰ ললে, শিঙা-বেত-বেনু বজাই মহা মহোৎসৱ কৰি যাবলৈ ধৰিলে।১০৯৮।। নন্দই ব্ৰজবাসী সকলক লৈ গৰ্তৰ পৰা ওলাই আহিল আৰু কৃষ্ণ গুণ-গান কৰিলে।১০৯৯।। জগতৰ ঈশ্বৰ হৰিয়ে মহালীলা কৰি গোবৰ্দ্ধন পৰ্বত আগৰ স্থানত স্থাপন কৰিলে। তাৰ পাছত কৃষ্ণই পিতৃ-মাতৃৰ ওচৰলৈ আহিল, আৰু নন্দ-যশোদাই কৃষ্ণক সাৱটি ধৰিলে।১০১০০।। ৰোহিনীয়ে বলৰামক আঁকোৱালি ধৰিলে আৰু আশীৰ্বাদ দিলে। আনন্দত তেওঁ বলৰাম আৰু মাধবৰ গাত প্ৰেম লোতকেৰে তিয়ালে।১১০১।। গোপ-গণৰ চিত্ত প্ৰেমে পৰিপূৰ্ণ হৈ উঠিল আৰু কৃষ্ণক আদৰ কৰি ক'লে যে কৃষ্ণৰ কৃপাতহে তেওঁলোকে দুৰ্গতিৰ পৰা উদ্ধাৰ হ'ল।১১০২।।

তেওঁলোকে কৃষ্ণক আবৰি প্ৰশংসা কৰিলে আৰু দধি-দুগ্ধ কুসুম-চন্দনেৰে তেওঁৰ চৰণত পূজা কৰিলে।১১০৩।। আকাশত কিন্নৰ-সিদ্ধগণ-চাৰণ সকলে স্তুতি কৰি পুষ্পবৃষ্টি কৰিলে। দুন্দুভি শঙ্খৰ ধ্বনিত অপেশ্বৰী গণে নৃত্য কৰিলে, তুম্বুৰু সকলে হাতত তাললৈ নাচিলে।১১০৪।। কৃষ্ণই ঈশ্বৰৰ শক্তিৰ মাহাত্ম্য প্ৰদৰ্শন কৰি গোকুললৈ যাত্ৰা কৰিলে। গোপগণে নানা কৌতুক কৰি বাদ্য বজাই কৃষ্ণক মাজত লৈ অগ্ৰসৰ হ'ল। কৃষ্ণক লগত পাই সকলোৰে সংসাৰৰ দুঃখ পাহৰি গ'ল। কৃষ্ণৰ বাল্য লীলাই মনক প্ৰেমভাবে আকুল কৰে।১১০৫-১১০৬।। তেওঁলোকৰ তনু পুলকিত হয়, নয়নৰ নীৰ বাগৰে, কৃষ্ণৰ পাদ-পদ্মক নিৰেক্ষি তেওঁলোকে গমন কৰে।১১০৭।। তেওঁলোকৰ মন কৃষ্ণত মগ্ন হ'ল, 'জয় জয় কৃষ্ণ' বুলি চিঞৰিবলৈ ধৰিলে। এইদৰে আনন্দ কৰি কৰি তেওঁলোকে ব্ৰজত প্ৰৱেশ কৰিলে।১১০৮।।

**উপদেশ ঃ** কৃষ্ণৰ ভকত বৎসল ৰূপ সকলোৱে দেখিলে আৰু ইন্দ্ৰই প্ৰৱল প্ৰতাপ প্ৰদৰ্শন কৰিয়ো গোকুলৰ নোমডালো ল'ৰাব নোৱাৰাৰ কথাও সকলোৰে প্ৰত্যক্ষ কৰিলে। ১১০৯।। সেইবাবে ঈশ্বৰ কৃষ্ণক যি ভকতি কৰে তেওঁক দুৰ্গতিয়ে লঙ্ঘিব নোৱাৰে। একচিত্তে যি কৃষ্ণ-কীৰ্ত্তন কৰে, তেওঁক নাৰায়ণে ৰক্ষা কৰি ফুৰে।১১১০।। অতয়েব নৰতনু আলে-জালে পাৰ কৰিব নালাগে। কেতিয়া কালে গ্ৰাস কৰে তাৰ ঠিকনা নাই, মানবী জীৱন লাভ কৰাটো দেৱতাৰো দুৰ্ল্লভ; বিশেষকৈ ধৰ্ম্মীয় আদৰ্শৰ দেশ ভাৰতত মানবীজীৱন পোৱাটো সৌভাগ্যৰ কথা। চিন্তামণি জন্ম হাততে পাই হেৰুৱাব নালাগে।১১১১।। পৰলোকলৈতো যাবই লাগিব, গতিকে, জীৱন থাকোতেই বিলম্ব নকৰি হৰিৰ চৰণ-সেৱা কৰা উচিত। শাস্ত্ৰই দিয়া উপদেশ কাণত পৰশিব লাগে, কাৰণ কলিত হৰি কীৰ্ত্তনেই মূল।১১১২।। হৰি নামতে সকলো ধৰ্ম্মই বাহ পাতি আছে; সেইবাবে সকলো এলাহ ত্যাগ কৰি পৰম বান্ধৱ মাধৱৰ গুণ নাম নিৰন্তৰে লোৱা উচিত।১১১৩।।

**৪৯। নন্দ আৰু গোপগণৰ কথোপকথন ঃ**

গোবৰ্দ্ধন ধাৰণৰ পাচত নন্দৰজাৰ লগত গোপগণ মিলিত হৈ কৃষ্ণৰ ঐশ্বৰিক মহৎ কৰ্ম্মৰ সম্পৰ্কত আলোচনা কৰে। গোপগণে একেমুখে ব্যক্ত কৰে যে কৃষ্ণৰ কৰ্ম্মাৱলীলৈ চাই কৃষ্ণ যে আচলতে মানব শিশু নহয়, সেই কথা নন্দক কয়।১১১৪।। সাত বছৰীয়া এজন শিশুৱে যিবোৰ কাম কৰিছে, সেইকাম কেতিয়াও মানৱ শিশুৰ কাম হ'ব নোৱাৰে বুলি তেওঁলোকে নন্দক কয়। এটা প্ৰকাণ্ড পাহাৰ এখন হাতেৰে ছত্ৰাকৃতি কৰি প্ৰমত্ত হাতীয়ে পদ্ম পুষ্প কৌতুক কৰি দাঙি ধৰাৰ দৰে দাঙি ধৰিলে কৃষ্ণই। গোপৰ ঘৰত এনে অদ্ভুত শক্তিশালী শিশু জন্ম হোৱাটো আচৰিত কথা।১১১৫।। প্ৰথমতে পুতনাৰ স্তন পান কৰি তাইৰ শৰীৰ শোষণ কৰি মাৰিলে। দ্বিতীয়তে তিনিমহীয়া শিশুকৃষ্ণই শকট উভাৰি পেলালে। চক্ৰবাত অসুৰক এবছৰ বয়সত শিলত পেলাই ডিঙি চেপি মাৰিলে কৃষ্ণই। যশোদাই মাটিখোৱা কৃষ্ণৰ মুখৰ ভিতৰত সমস্ত জগত দেখাটো অতি আশ্চৰ্যজনক কথা।১১১৬,১১১৭।। এনে দৃশ্যদেখি যশোদাই ভয় খাই তুতি কৰিবলৈ বাধ্য হৈছিল। চতুৰ্থতে যশোদাই লবনুখোৱাৰ

দোষত উড়লত বান্ধিথোৱা কৃষ্ণই উড়ল পথালি কৰি অৰ্জ্জুন গছ দুজোপাত লগাই গছ দুজোপা উঘালি পেলোৱাটো অতি আচৰিত কৰ্ম্ম আছিল। গতিকে কৃষ্ণ মনুষ্য হ'ব নোৱাৰে।১১১৮।।

পঞ্চমতে বৎস অসুৰক, ষষ্ঠতে ঠোঁটত ধৰি বকাসুৰক বধ কৰা আৰু সপ্তমত ধেনুকাসুৰক তালগছলৈ বধ কৰা কাৰ্য্য অতি চমৎকাৰ কাম। বলৰামৰ দ্বাৰা প্ৰলম্বাসুৰক তেওঁ চলেৰে বধ কৰোৱাটো তেওঁৰে অষ্টম কৰ্ম।

নৱমতে বনবহ্নিৰ পৰা গৰু আৰু গোপগণক উদ্ধাৰ কৰা, দশমত দুৰ্জ্জন কালিক দমন কৰি খেদোৱা আৰু জলাশয় বিষশূন্য কৰা, কৃষ্ণৰ অতি ঐশ্বৰিক কৰ্মসাধন।১১১৯,১১২০।। অঘাসুৰে ঘোৰ অজগৰ ৰূপ ধাৰণ কৰি গৰু-গোপগণক গিলিখোৱাত কৃষ্ণই অঘাসুৰক বধ কৰি গোৰক্ষ-দামুৰিক উদ্ধাৰ কৰা তেওঁৰ একাদশ কৰ্ম। গোপগণে নন্দক কৈছে যে এইবোৰ কাৰণতে তেওঁলোকে কৃষ্ণক অত্যন্ত স্নেহ আৰু ভক্তি কৰে। এৱেঁই যে জগতৰ আত্মা বুলি মনত সন্দেহ উপজে বুলি গোপগণে নন্দক কৈছে।১১২১।।

সাত বছৰ বয়সৰ এটি শিশুৱে সাতদিন পৰ্বতক একথিৰে ধৰি ৰখা কাৰ্য্য ঈশ্বৰৰ অৱতাৰৰ বাহিৰে আন একো হ'ব নোৱাৰে বুলি তেওঁলোকে মন্তব্য কৰিছে। গতিকে এঁৱেই কাৰ্য্যৰ দ্বাৰা পৰমপুৰুষ। 'তোমাৰ তনয় মানুষ নোহয়' বুলি তেওঁলোকে সিদ্ধান্ত দিছে।১১২২।।

তেতিয়া নন্দই গোপগণক কৈছে যে তেওঁৰ পুত্ৰৰ অলেখ গুণ গৰিমা আছে। গৰ্গই নামকৰণ কৰোঁতেই এই কথাবোৰ কৈছিল। সত্যযুগত তেওঁ শুক্লবৰ্ণৰ, ত্ৰেতাত ৰাতুল (ৰঙা) বৰ্ণৰ, দ্বাপৰত শ্যামবৰ্ণৰ আৰু কৃষ্ণবৰ্ণৰ হোৱাৰ বাবে তেওঁৰ নাম 'কৃষ্ণ' হৈছে।১১২৩।। গৰ্গই আৰু কৈছিল যে কৃষ্ণই কোনো সময়ত বসুদেৱৰ গৃহত জন্ম হোৱাৰ বাবে তেওঁক 'বসুদেৱ' নাম দিয়া হৈছিল। গুণ আৰু কৰ্ম অনুসাৰে তেওঁৰ নাম বিস্তৰ। এওঁ অনেক কল্যাণকৰ কাম সাধিব বুলি কৈছিল।১১২৪।। কৃষ্ণই সন্তক পালন কৰিব, দুষ্টক নাশ কৰিব। কৃষ্ণক একচিত্তে ৰতি কৰিলে পাপবোৰ বিনাশহৈ পৰমগতি পাব বুলিও গৰ্গই কৈছিল।১১২৫।।

নন্দৰজাৰ পুত্ৰ কৃষ্ণ পুৰুষৰ ভিতৰতে উত্তম, তেওঁৰ শ্ৰী, যশ, কীৰ্ত্তি, পৰম প্ৰভাৱ আৰু গুণত স্বয়ং নাৰায়ণ বুলি গোপন কথা গৰ্গই কৈছিল বুলি ক'লে। এনেবোৰ গুপ্যকথা শুনি গোপগণৰ মনৰ সংশয় আতৰিল আৰু নন্দক তেওঁলোকে প্ৰশংসা কৰিলে। তেওঁলোকে কৃষ্ণকো ভক্তি প্ৰেম যাচিলে।১১২৬-১১২৭।। ইয়াৰ পাছত তেওঁলোকে ঘৰাঘৰি গ'ল।

শুকে পৰীক্ষিতক কৃষ্ণৰ চৰিত্ৰ সৰ্ম্পকে কৈছে— যে কৃষ্ণ চৰিত্ৰ সম্যক অমৃত। ইয়াক শুনি পৰীক্ষিতৰ সংসাৰৰ ক্লেশ, ক্ষুধা, তৃষ্ণা ক্ৰমে কমি আহিল।১১২৮।। মুখভঙ্গৰ খণ্ডত গোকুলক সমূলঞ্চে বিনাশ কৰিম বুলি ইন্দ্ৰই দুঘোৰ বৰ্ষা নমাই আনিছিল, কিন্তু ভকত বৎসল কৃষ্ণই গিৰিগোবৰ্দ্ধন ধাৰণ কৰি ভকতগণক ৰক্ষা কৰিলে আৰু মহেন্দ্ৰৰ দৰ্প চুৰ কৰিলে।১১২৯।।

হৰিয়ে ভকতৰ প্ৰতি আকুল হৈ গোকুলক ৰক্ষা কৰি থাকিল। হৰিয়ে গোকুলৰ দৰে সংসাৰখনকো ৰক্ষা কৰি আছে; সংসাৰত যি সকল ভক্ত আছে, তেওঁলোককো সংসাৰৰ দুঃখৰ পৰা মুক্ত কৰি ৰাখে। গতিকে কৃষ্ণক সেৱা কৰিলে কৃষ্ণয়ে ৰক্ষা কৰে।১১৩০।। তেওঁৰ নাম গুণ স্মৰণ কৰিলে কালৰ হাতৰ পৰা ৰক্ষা পায়। হিয়াত থকা কৃষ্ণক দেহতেই পোৱা যায়; মহাপাপী গণে হৃদয়স্থ ভগৱানক স্মৰণ কৰি তৰি যায়। এনে হৰি নাম বুকুতে থাকোতে সংসাৰ সাগৰত বিচাৰি মিছাতে কষ্ট পোৱা যায়।১১৩১।।

হৰি ভকতি সহজপন্থা; ইয়াক পাবলৈ টকাৰ প্ৰয়োজন নাই, ব্যয় বহুল নহয়, কোনো কায়-ক্লেশো নাই। যি কোনো প্ৰকাৰে কৃষ্ণক স্মৰণ কৰিব পাৰিলেই মুকুতি পোৱা যায়। ভগৱন্তৰ সেৱা পৰম সুলভ। অথিৰ জীৱনত ভগৱন্ত সেৱা কৰি মৃত্যুক জয় কৰা উচিত।১১৩২।। পুনৰ যে ভাৰতৰ নিচিনা পুণ্যভূমিত জন্ম লাভ হ'ব, সেই আশা নাই। সেইবাবে অন্য কথা এৰি তৰি যাবলৈ ৰাম-কৃষ্ণ নাম সাধনা কৰাহে উপাদেয়।১১৩২-১১৩৩।।

**৫০। ইন্দ্ৰৰ কৃষ্ণ-স্তুতি আৰু সুৰভিৰ দ্বাৰা কৃষ্ণৰ অভিষেকঃ**

ইন্দ্ৰই কৃষ্ণৰ ওচৰত লগোৱা দোষৰ বাবে অনুতপ্ত হৈ কি দৰে কৃষ্ণক সন্তোষ্ট কৰিব পাৰি তাৰ উপায় চিন্তা কৰিলে। ইন্দ্ৰই সৰগৰ সুৰভিক লৈ আহি কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে। কৃষ্ণৰ মহিমাক প্ৰকাশ কৰি তেওঁ স্তুতি আৰম্ভ কৰিলে।১১৩৪।। কিয়নো গোবৰ্দ্ধন ধাৰণ কৰি কৃষ্ণই গোকুলক ৰাখিব লগা হ'ল ইন্দ্ৰৰ বাবেই। সেইবাবে তেওঁ এহাতে লাজ পালে আৰু আনহাতে বৰ ভয়ো খালে। এই দুচিন্তাতে তেওঁ অশান্ত হৈ উঠিল আৰু শ্ৰীমদ্ নষ্ট হোৱাত তেওঁৰ তথৈবচ অৱস্থা হ'ল।১১৩৫।। হৰিক বিতুষ্ট কৰি তেওঁৰ হৃদয় দগ্ধ হ'ল, সুখ-শান্তি হেৰাই গ'ল। সেইবাবে ভাবি গুণি সুৰভিক লগত লৈ আহি নিৰ্জ্জন

স্থানত কৃষ্ণক লগ ধৰিলেহি। ইন্দ্ৰই মাধৱৰ মহিমা সুমৰি লাজে ভয়ে তল মূৰ কৰি, মুকুতৰ আগে কৃষ্ণৰ দুইচৰণ স্পৰ্শ কৰি, দণ্ডবতে পৰি কৃতাঞ্জলি কৰিলে।১১৩৭।।

'আচৰিলো দ্ৰোহ মই মহা অহঙ্কাৰে।
হুমাহুমি কান্দন্ত লোতক পৰে ধাৰে।।'

ইন্দ্ৰই ক'লে— 'মই অহঙ্কাৰ কৰি দ্ৰোহ আচৰণ কৰিলোঁ।' বাসবৰ সকলো গৰ্ব খৰ্ব হ'ল, পৰি পৰি তেওঁ প্ৰণাম যাচিলে। কৰযোৰে ইন্দ্ৰই তুতি আৰম্ভ কৰিলে।১১৩৮।।

'ক্ষমিয়োক মোৰ অপৰাধ নাৰায়ণ।
শ্ৰীমদে অন্ধ আতি মই মূঢ়জন।১১৩৯।।
শুদ্ধ ব্ৰহ্মমূৰ্ত্তি তুমি সৰ্বজ্ঞ আপুনি।
তোমাক মোছোৰে ৰজস্তম একোগুনি।
অধীন তোমাৰ মায়া তুমি নিত্যবোধ
এতেকে তোমাত নাহি ৰাগ লোভ ক্ৰোধ।১১৪০।।

'হে নাৰায়ণ, মোৰ অপৰাধ ক্ষমা কৰক। মই শ্ৰীমদত মুগ্ধ হ'লো, মই মহামুৰ্খ। তুমি শুদ্ধ ব্ৰহ্ম, তুমি সৰ্বজ্ঞ, ৰজ; তম গুণে তোমাক স্পৰ্শ কৰিব নোৱাৰে। মায়া তোমাৰ অধীন, তুমি নিত্যজ্ঞানী বাবে তোমাৰ খং, লোভ, ক্ৰোধ নাই।'১১৪০।।

'যদ্যাপি সবাতো সম তুমি প্ৰভু হৰি।
তথাপি দুষ্টক দণ্ড কৰা অৱতৰি।।
তুমি গুৰু পিতৃ জগতৰে মহেশ্বৰ।
তুমি কালমূৰ্ত্তি জগতৰে দণ্ডধৰ।১১৪১।।
জগতৰে হিতক চিন্তিয়া বাৰম্বাৰ।
লীলায়ে ধৰাহা নানাবিধ অৱতাৰ।।
উপকাৰ সাধি ক্ৰীড়া কৰিয়া প্ৰচুৰ।
ঈশ্বৰ মানিয়া সবে গৰ্ব্ব কৰা দূৰ।১১৪২।।

ইন্দ্ৰই স্তুতি কৰি কৈছে—'হে হৰি তুমি সকলোকে সমান দেখা, তথাপি দুষ্ট গণক দণ্ড দিবলৈ অৱতাৰ লোৱা। তুমি জগতৰ গুৰু, তুমি জগতৰ পিতৃ জগতৰ মহান ঈশ্বৰ। সংহাৰ কালত তুমি কালাত্মক মূৰ্ত্তিধাৰণ কৰি দুষ্টক দমন কৰা। সমস্ত জগতৰ মঙ্গলৰ বাবে তুমি বিভিন্ন অৱতাৰ লোৱা। সকলোৰে উপকাৰ সাধন কৰি তুমি নিজ মূৰ্ত্তি প্ৰতিষ্ঠা কৰা'।১১৪২।।

'মোৰ দৰে মূৰ্খ ৰজাবোৰ মদগৰ্বী হ'লে তুমি মদগৰ্ব দূৰ কৰি শুদ্ধ কৰা, মদগৰ্বীয়ে তোমাক দেখি ভয় কৰে আৰু তোমাৰ চৰণত ভজি মদগৰ্ব এৰে।১১৪৩।। হে প্ৰভু, তোমাৰ মহিমা কৈ অন্ত কৰিব নোৱাৰোঁ। দুৰ্জ্জন সকলকো দণ্ডদি তুমি উপকাৰহে কৰা। তোমাৰ প্ৰসাদত শ্ৰীমদ দূৰ হয় আৰু ভক্তি পন্থ অৱলম্বন কৰিবলৈ তাক সুমতি দিয়া।১১৪৪।। হে লক্ষ্মীপতি, তুমি জগতৰ হিত সাধন কৰিছা, তোমাক স্মৰণ কৰি অধমেও গতি পায়। ঈশ্বৰ স্বৰূপে তুমি জগতব্যাপি আছা, মই নাজানি তোমাক অবহেলা কৰিলো, মই মহাপাপী।১১৪৫।। শ্ৰীমদে মোক অন্ধ কৰিছিল বাবে ব্ৰজক মাৰিবলৈ মই যত্ন কৰিছিলোঁ। মই  নাজানি তোমাক অসন্তোষ কৰিছিলোঁ। পাতকীৰ সৰ্বদোষ মৰিষণ কৰা।১১৪৬।।'

'মোৰ ইন্দ্ৰপদত কাম নাই, মই ইন্দ্ৰপদ ত্যাগ কৰিছোঁ, অভ্ৰাৱতীত আৰু মই প্ৰৱেশ নকৰোঁ আৰু পুনৰ যেন মোৰ তেনে নীচ মতি নহওক; তোমাৰ পদতে মোৰ মতি হওক, ভকতি হওক।১১৪৭।। পৃথিৱীৰ মহাভাৰ খণ্ডিবলৈ দৈবকীৰ গৰ্ভত পুত্ৰৰূপে তুমি অবতাৰ হ'লা। সমস্ত দৈত্যৰ মহামাৰ চিন্তা কৰিলা আৰু সিহঁতৰ প্ৰলয় ঘটালা। সন্তসকলক ৰক্ষা কৰিলা। ১১৪৮। সেই কাৰণে মই তোমাৰ চৰণৰ দাস হ'লো, মোৰ দোষ মৰিষণ কৰিলো বুলি কলেহে মোৰ ভয় দূৰ হ'ব, হে যদুপতি কৃষ্ণ, তুমি পৰম পুৰুষ, তোমাক পৰি পৰি সেৱা জনালো। তুমি বিনে মোৰ আন নাই। ১১৪৯। "হে নিত্য নিৰঞ্জন, শুদ্ধ- আনন্দ স্বৰূপব্ৰহ্ম, তুমি ভকতৰ দৰে ৰূপ পৰিগ্ৰহ কৰা। তুমি সকলোৰে অন্তৰ্য্যামী, তোমাৰ বেলেগৰূপ নাই, তোমাৰ প্ৰণাম কৰি ভকতি প্ৰসাদ মাগোঁ। ১১৫০।। "প্ৰভু, মই অবোধ, মখভঙ্গ দেখি মোৰ মহাক্ৰোধৰ সৃষ্টি হ'ল আৰু ব্ৰজত উৎপাত কৰিলোঁ। ১১৫১।। "মই অপৰাধী সকলক দুঃখদিলোঁ, তথাপি মোক তুমি একো নকৰিলা। মোৰ অহঙ্কাৰ মহাব্যাধি তুমি গুচালা আৰু ঈশ্বৰ চিনি পালোঁ। এই পাপীক কৃপা কৰিলা।১১৫২।। তুমি ঈশ্বৰ, গুৰু, নাৰায়ণ, তোমাৰ চৰণ পশিলো আৰু শৰণ লঁলো' এইদৰে ইন্দ্ৰই বহু স্তুতি মিনতি কৰিলে।১১৫৩।।

**কৃষ্ণৰ আশ্বাস —**

কৃষ্ণই পুৰন্দৰক ক'লে— 'শুনা পুৰন্দৰ, তুমি খেদ নকৰিবা। তোমাক

কৃপা কৰিবৰ কাৰণেহে দৰ্পচূৰ কৰিলোঁ। তোমাৰ প্ৰমত্ত ভাৱ শান্ত কৰিবৰ কাৰণে মোৰ মন গ'ল। সদায় শ্ৰৱণ-কীৰ্ত্তন কৰিবা।১১৫৪।। যি সকলে শ্ৰীমদত অন্ধ হয়, সেই সকলক মই দণ্ড দিওঁ। যিজনৰ মোৰ প্ৰতি প্ৰেম উপজে, তেওঁক মই দয়া কৰোঁ। অহঙ্কাৰীজনৰ সম্পতিৰ গৰ্ব হৰণ কৰোঁ।১১৫৫।। হে দেৱৰাজ,খেদ পৰিহাৰ কৰা আৰু মোৰ আজ্ঞাপালি স্বৰ্গৰাজ্য ভোগ কৰাগৈ। স্বৰ্গত দম্ভ-অহংকাৰ এৰি, আমাত ভকতি ৰাখিবা।'১১৫৬।। জগন্নাথে ইন্দ্ৰক প্ৰবোধ দিলে আৰু ইন্দ্ৰই সুৰভিক নমাই আগবঢ়াই দিলে। সুৰভিয়ে কৃষ্ণক স্তুতি কৰিলে।১১৫৭।।

সুৰভিৰ স্তুতি কৃষ্ণক অভিষেক ঃ সুৰভিয়ে মূৰ দোঁৱাই ক'লে—
'হে কৃষ্ণ কৃষ্ণ কৃপাময় মহেশ্বৰ।
ৰাখিলা বংশক মোৰ তুমি দামোদৰ।।
তুমিসে পৰম দেব ত্ৰিজগত পতি।
তোমাৰ চৰমে জন্মে জন্মে হৌক গতি।'১১৫৮।।

'হে কৃষ্ণ কৃপাময়, তুমি বংশক ৰক্ষা কৰিলা। তুমি পৰম দেৱ, ত্ৰিজগতৰ পতি, তোমাৰ চৰণত জন্মে জন্মে ৰতি হওক। গো, বিপ্ৰ, দেৱগণৰ অভ্যোদয় হওক। আপুনি ইন্দ্ৰ হওক আৰু তোমাক অভিষেক কৰোঁ। ব্ৰহ্মাৰ পৰা অনুমতি লৈ আহিছোঁ।'১১৫৯।। এই বুলি কেশৱক সুমৰি নিজৰ ক্ষীৰে কৃষ্ণক অভিষেক কৰিলে। ইন্দ্ৰ, দেৱ আৰু ঋষিসবে উঠি আকাশী গঙ্গাৰ জল সিঁচিলে।১১৬০।। অদিতি প্ৰমুখ্যে দেব মাতাসবে দুৰ্ব্বাক্ষত, দধি, ক্ষীৰ সুগন্ধী পুষ্পেৰে অভিশেষ কৰিলে। সকলোৱে কৃষ্ণক 'গোবিন্দ' নাম দিলে। নাৰদ, তুম্বুৰু (এজন বিদ্যাধৰ) আদিয়ে তালধৰি মাধবৰ গুণ-গীত গালে। সিদ্ধমুনি গণে তুতি কৰিলে, অপেস্বৰাগণে নৃত্য কৰিলে। আকাশৰ পৰা কিছুমান অপেস্বৰাই পুষ্প বৃষ্টি কৰিলে।১১৬১-৬২।। গৌৰ ইন্দ্ৰ— কৃষ্ণক অভিষেক কৰি 'গৌৰ ইন্দ্ৰ' কৰা হ'ল আৰু ত্ৰৈলোক্যত অপাৰ আনন্দ হ'ল। ধেনুগণে যুদ্ধ অপ্লাবিত কৰিলে, নদীবোৰে পঞ্চামৃত বহন কৰিলে।১১৬৩।। তৰুবোৰে মধুৰস বহন কৰিলে আৰু আপোনা আপুনি শস্য উৎপাদন হ'ল। পৰ্ব্বতবোৰে নানা ৰত্ন-মণি ধাৰণ কৰিলে। নাৰায়ণৰ অভিষেকৰ ফলস্বৰূপে এনে মধুময় পৰিবেশৰ সৃষ্টি হ'ল।১১৬৪।। দেব, ঋষি, সুৰভি, ইন্দ্ৰৰ সহযোগত কৃষ্ণৰ অভিষেক সম্পন্ন হ'ল আৰু সকলোৱে মহা মহোৎসৱ কৰি কৃষ্ণৰ নাম গোবিন্দ ( গো+ইন্দ্ৰ = 'গো' মানে বেদ আৰু ইন্দ্ৰ মানে বেদৰ অধিকৰ্তা) ৰখা হ'ল। সকলোৱে কৃষ্ণত মেলানি মাগি নিজস্থানলৈ গমন কৰিলে।১১৬৫।।

**৫১। বৰুণৰ দূতৰ দ্বাৰা নন্দহৰণ আৰু কৃষ্ণৰ দ্বাৰা নন্দ উদ্ধাৰ।**

গোবৰ্দ্ধন ধাৰণৰ পিছত মাধৱে কি কাৰ্য্য কৰিলে। সেই বিষয়ে শুকে পৰীক্ষিতক কলে। কলিত কৃষ্ণচৰিত্ৰৰ কথা অমৃত।১১৬৬।। এদিন নন্দই একাদশী ব্ৰত ধৰি নানা বিধ নৈবেদ্যেৰে দেবহৰিক পূজিলে। পাছদিনা দ্বাদশী তিথিত ৰাতি স্নান কৰিবলৈ গ'ল।১১৬৭।। তেওঁ স্নান কৰিবলৈ যমুনাৰ জলত নামিলে। বৰুণৰ দূতে তেওঁক ধৰি লৈ গ'ল আৰু বন্দী কৰি নি বৰুণৰ ওচৰ পোৱালেগৈ। নন্দক দেখা নাপাই গোপগণ ব্যাকুল হ'ল।১১৬৮।।

নন্দই পানীৰ তলৰ পৰা 'কৃষ্ণ কৃষ্ণ মোক উদ্ধাৰ কৰা' বুলি চিঞঁৰ বাখৰ কৰিলে। গোপগণৰ চিঞঁৰ শুনি কৃষ্ণই সেই ঠাই পাই কথাৰ উমান ললে।১১৬৯।। বৰুণে কৃষ্ণক অপহৰণ কৰিলে বুলি কৃষ্ণই জানিব পাৰিলে। তেওঁ যমুনাত বুৰ মাৰি 'ভয় নাই ভয় নাই বুলি কৈ বৰুণৰ সভা পালেগৈ।১১৭০।।

বনমালী অহাদেখি বৰুণে আথেবেথে উঠি প্ৰেম-অনুৰাগত আপ্লুত হৈ সবান্ধৱে কৃষ্ণৰ চৰণত দীঘল দি পৰিল।১১৭১।। গন্ধে-পুষ্পে, ধূপে-দীপে-ৰত্নৰ সম্ভাৰে কৃষ্ণক মহাবিধি ব্যৱহাৰ অৰ্চ্চনা কৰিলে। কৃষ্ণৰ চৰণ ধুৱাই সতকাৰ কৰি বৰুণে ক'লে 'আজিহে আমাৰ জীৱন সাম্ফল হ'ল'।১১৭২।। বৰুণে ক'লে —

তযু চৰণত আছে ভকতি যাহাৰ
সিসে অপ্ৰয়াসে পাৰে সংসাৰৰ পাৰ।।
ধ্যানত নপাৰে যাক সিদ্ধ মুনিগণ।
কিনো মোৰ ভাগ্য হেন দেখিলো চৰণ।১১৭৩।।
নমো নমো ভগৱন্ত পূৰ্ণ সনাতন।
অৰ্ন্তয্যামী জীৱৰ নিয়ন্তা নাৰায়ণ।
বিধিৰ কল্পনা মায়া নোছোৱে যাহাক।
পৰম ঈশ্বৰ কৃষ্ণ প্ৰণামো তোমাক।১১৭৪।।

'তোমাৰ চৰণত যাৰ ভকতি আছে, তেঁৱে অপ্ৰয়াসে সংসাৰৰ পাৰ পায়। যি ঈশ্বৰক ধ্যানতো পোৱা নাযায়, মোৰ কি ভাগ্যয়ে ঘৰতে থাকি তোমাৰ চৰণ দেখিবলৈ পালো।১১৭৩।। হে পূৰ্ণ সনাতন, হে অন্তৰ্যামী জীৱৰ নিয়ন্তা পৰম

ঈশ্বৰ, তোমাক প্ৰণাম জনাওঁ।১১৭৪।। মোৰ দূতে তোমাৰ পিতৃক ধৰি অনাৰ দোষ মাৰ্জ্জনা কৰা।১১৭৫।। এইবুলি কৈ বৰুণে নন্দক আনি কৃষ্ণৰ আগত দিলে। হে প্ৰভু চক্ৰপানি, তোমাৰ পিতৃক লৈ যোৱা। বৰুণে কৃষ্ণক বহুতো কাকুতি-মিনতি কৰিলে।১১৭৬।।

কৃষ্ণই বৰুণৰ পৰা পিতৃক সাদৰ কৰি বৰুণ লোকৰ পৰা উদ্ধাৰ কৰি আনিলে। বৰুণক পাই সকলোৰে সন্তোষ পালে। জয় কৃষ্ণ জয় কৃষ্ণ বুলি সকলোৰে আনন্দ কৰিলে। নন্দই সকলোকে সম্বুধি ক'লে— 'পৰম আশ্চৰ্য্য কথাটো হৈছে মোক বৰুণৰ অনুচৰে হৰণ কৰি নিলে আৰু বৰুণৰ পৰম ঐশ্বৰ্যসমূহ দেখিবলৈ পালো।১১৭৭,১১৭৮।। আনকি দেবগণৰো ইমান সম্পত্তি নাই; এই দিগপালে কৃষ্ণক দেখিবলৈ পাই পৰম আনন্দ লাভ কৰিলে।১১৭৯।। বৰুণে কৃষ্ণক আথেবেথে সবাঙ্গৰে ভৰিত পৰি সেৱা কৰিলে। ৰত্ন-সম্ভাৰ দি পূজিলে।১১৮০।। বৰুণে কাতৰ বাণীৰে কৃষ্ণৰ ওচৰত ক্ষমা বিচাৰিলে। কৃষ্ণৰ মহিমা যে ইমান তাক আজিহে গম পালোঁ কৃষ্ণ যে মানুহ নহয়, তাক সাক্ষাতে দেখিবলৈ পালোঁ। তেওঁ পৰম পুৰুষ। এই বিষয়ত আৰু সন্দেহ নাই বুলি নন্দই ঘোষণা কৰিলে।"১১৮১-১১৮২।।

**উপদেশ ঃ**

কৃষ্ণৰ চৰিত্ৰ-কথা শুনিলে পৰম পুণ্য অভ্যুদয় হয়। শ্ৰৱণ-কীৰ্ত্তনৰ দ্বাৰা পৰম পুৰুষক লাভ কৰিব পাৰি।১১৮৩।। চাৰিবেদৰ সাৰতত্ব হৈছে কৃষ্ণকথা। সেইবাবে নৰতনু অনাহকত অপব্যয় নকৰি ভগৱন্তৰ নাম লোৱা উচিত।১১৮৩-১১৮৪।। ধন,জন, জীবন ক্ষন্তেকতে বিনাশ হয় আৰু অকলে পৰলোকলৈ গমন কৰিব লাগিব। যমৰ-যাতনা ভুঞ্জিবই লাগিব। এনে আপদ বিপদ দেখিয়ো নেদেখাৰ দৰে বহি থাকিলে নহ'ব। তাৰ পৰা অব্যাহতি পাবলৈ চিন্তা কৰিব লাগে। কৃষ্ণপদ পঙ্কজত শৰণ লোৱাটোৰেই একমাত্ৰ উদ্ধাৰৰ পথ। অন্য ভাষভূৰ এৰি গলত কৃষ্ণ নাম বন্ধা উচিত।১১৮৬।। কৃষ্ণতে এই তনু এই মন সমৰ্পণ কৰা উচিত। তেওঁক স্মৰণ কৰিলেই জগতৰ পুণ্য অভ্যোদয় হয়।১১৮৭।।

অপাৰ সংসাৰৰ পাৰ হৰি নামত পোৱা যায়; এনে হৰি নামক অবহেলা কৰা অনুচিত। কাম, ক্ৰোধ সংসাৰ সাগৰৰ গ্ৰাহ।১১৮৮।। ৰাম নাম মহাসেতু বান্ধি সংসাৰ সাগৰৰ পাৰ হ'বলৈ যত্ন কৰা উচিত। ৰাম নাম লৈ সংসাৰ সাগৰ পাব পৰাটো মনুয্যত্বৰ কাম।১১৮৯।।

**৫২। ব্ৰজবাসীৰ বৈকুণ্ঠদৰ্শন ঃ**

শুক মুনিয়ে পৰীক্ষিত ৰজাক কৈছে ব্ৰজবাসীৰ বৈকুণ্ঠদৰ্শনৰ কথা। নন্দৰ মুখত কৃষ্ণৰ মহিমাৰ কথা শুনি গোপ-গোপীসকলে অতিশয় বিস্ময় মানিলে আৰু কৃষ্ণক পৰম ঈশ্বৰ বুলি জানি আনন্দ পালে। তেওঁলোকৰ তনু ৰোমাঞ্চিত হ'ল, চকুৰ লোতক ঝৰিলে।১১৯০।। যাক ব্ৰহ্মাদিয়েও চিন্তা কৰি নাপায়, যিজন জগতৰ অন্তৰ্য্যামী তেনে ঈশ্বৰক বন্ধু হিচাবে পাই ব্ৰজবাসী ভাগ্যবান বুলি ভাবিছে। কোটি কোটি জন্মত কিবা তপ কৰিহে কৃষ্ণক পালক হিচাবে পাইছে বুলি তেওঁলোকে ভাবিলে।১১৯১।। গোকুলত এনে ঈশ্বৰে কৃষ্ণৰূপে জন্ম লৈছে যেতিয়া গোকুলবাসীকো বৈকুণ্ঠলৈ নিব আৰু তেওঁলোকে ব্ৰহ্ম ৰূপ লাভ কৰিব বুলি আশা কৰিছে। সেইদিনাৰ পৰা তেওঁলোকে কৃষ্ণৰ লগ নেৰা হ'ল।১১৯২।।

তেওঁলোকে শৰীৰ-মন কৃষ্ণত অৰ্পণ কৰি আনন্দ কৰি বেঢ়ি থাকে। গোকুল বাসীৰ মনোবাঞ্ছা জানি কৃষ্ণই ভাবিলে যে জীৱকুলে শৰীৰকে মই বুলি ভাবি সকাম কৰ্ম কৰে। কৰ্মফলৰ বাবেই তেওঁলোকে দেহলৈ বাৰম্বাৰ সংসাৰত বঞ্চে। দেহজ্ঞান এৰি আত্মাক ভাবিব নোৱাৰি মৰে আৰু পুনৰ জন্ম লয়।১১৯৩।। দেহায়ে আনন্দৰূপ আত্মাক ঢাকি থোৱাৰ বাবে ঈশ্বৰ-আত্মাক উপলব্ধি কৰিব নোৱাৰে। সেইবাবে প্ৰথম অৱস্থাত তেওঁলোকৰ অহঙ্কাৰ দূৰ কৰিবলৈ যত্ন কৰিলে, যাতে আত্ম-পৰিচয় হয়। কৃষ্ণই কৃপা কৰি সকলোৰে মায়া দূৰ কৰিলে, সকলোৰে দেহবোৰ নোহোৱা হ'ল। কৃষ্ণই নিজ ব্ৰহ্মৰূপ প্ৰকাশ কৰাৰ লগে লগে তেওঁলোকৰ কায়বোৰ কৃষ্ণত বিলীন হ'ল।১১৯৪।।

সনাতন, আনন্দমুৰুতিয়ে জগত ব্যাপি থাকিল। মহাজ্ঞানীয়ে সমাধিত হে এনে ব্ৰহ্মমূৰ্তি প্ৰত্যক্ষ কৰে। ব্ৰজৰলোকে চাৰিওফালে কেবল নাৰায়ণময় দেখিলে। বিভিন্ন ভেদবোৰ নোহোৱা হ'ল, অজ্ঞানতাবোৰ নাইকীয়া হ'ল, কেৱল আত্মাবোৰে আত্মাবোৰক দেখা পালে আৰু আত্মা-পৰিচয় হ'ল।১১৯৫।।

ব্ৰহ্মৰস হ্ৰদে মন মগ্ন ভৈল
গুচিলে বিষয় জ্ঞান
দেখি দুনাই কৃষ্ণে গোকুল বাসীৰ
গুচাইলন্ত সিটো ধ্যান।।

ব্রহ্মময় ৰস-সৰোবৰত তেওঁলোকৰ মন তন্ময় হৈ থকাৰ বাবে বিষয়জ্ঞান আতৰি গ'ল; আৰু কৃষ্ণই তেওঁলোকৰ ধ্যান আঁতৰালে। তেওঁলোকে আনন্দ সাগৰত তলগৈ থকাৰ পৰা কৃষ্ণই তেওঁলোকৰ চেতনা আনিলে। গোকুলবাসীক কৃষ্ণই বৈকুণ্ঠ দেখুৱালে।১১৯৬।।

**বৈকুণ্ঠৰ দৃশ্যপট**— সূৰ্যসম অসংখ্য বিমান কৃষ্ণই দেখুৱালে। চতুভূৰ্জ ৰূপে প্ৰজাবোৰে কালৰ হাত এৰাই প্ৰকাশ মান হয়। সুন্দৰী পদ্মিনী নাৰীগণে হাতত তাললৈ, কৃষ্ণৰ গুণ-কীৰ্ত্তন কৰি আনন্দত মগ্ন হৈ থকা দেখা পালে।১১৯৭।। তেওঁলোকৰ তনু পুলকিত, চকুলো পৰে, মাধবত ৰতি হয়, কেৱল হৰি ভক্তিত সকলো মগ্ন হৈ থাকে। নন্দ আদি কৰি গোপ গোপীয়ে দেখিবলৈ পালে যে তেওঁলোকৰ কৃষ্ণই অনন্ত শয্যাত চৰ্তুভূজ ৰূপে শয়ন কৰি আছে।১১৯৮।।

তেওঁ নবীন নীৰদ সম শ্যামতনুত পীতবস্ত্ৰে জ্যোতি প্ৰকাশ কৰে, পঙ্কজনয়ন হসিত বদনে মন পুলকিত কৰে, জলমলমণি আৰু মকৰকুণ্ডল তথা কিৰীটিয়ে শোভা কৰে। কণ্ঠত কৌস্তভমণি আৰু বনমালাই চমৎকাৰ ৰূপে প্ৰকাশ পায়। সুবলিত ভুজ যুগল, বহল হৃদয়, হৃদয়ত হেমময় মণিমুকুতাৰ হাৰ, ৰতনখচিত কটিত মেখলা ও পাটৰ ভূনি অতি মনোহৰ। পঙ্কজচৰণত মঞ্জিৰে ৰঞ্জিত, আৰকত নখচয়, নখত চন্দ্ৰমাৰ পান্তিয়ে সংসাৰৰ তাপ দূৰ কৰে। ভৰিত ধবজ-ব্ৰজ-পদ্ম-যব-অঙ্কুশ চিহ্নে ভকতৰ মন মোহে। কোমল কৰ কমল লক্ষ্মীয়ে মোহাৰি তেওঁক সন্তোষ কৰে।১১৯৯,১২০০,১২০১।।

কৃষ্ণৰ পাৰিষদ বৰ্গই চৌপাশে উপাসি, মন্ত্ৰীগণে কৰযোৰে তুতি কৰি তেওঁক আবৰি থাকে। পূৰ্বতে যমুনাৰ জলত অক্ৰুৰে এই দৃশ্য দেখা পাইছিল। গোকুল বাসীয়েও তেনেদৰে বৈকুণ্ঠত নাৰায়ণক দেখা পালে।১২০২।। নন্দ আদি গোপ-গোপীগণে কৃষ্ণৰ এনে 'মধুৰ মুৰুতি দেখি আনন্দত উদবাউল হৈ পৰিল। তেওঁলোকে পৰম বিস্ময় হৈ তন্ময় হৈ আছিল। গোকুলবাসীক বৈকুণ্ঠ দৰ্শন কৰাই কৃষ্ণই নিজৰ ৰূপ এৰি শিশুকৃষ্ণ হৈ পৰিল।১২০৩।।

**উপদেশ ঃ**

কবিয়ে কৃষ্ণৰ দুখানি চৰণ নেপাহৰিবলৈ নৰসমস্তক আহবান জনাইছে।১২০৪।। তেওঁক স্মৰণ কৰা মাত্ৰেই নিজকে দি সংসাৰ বন্ধ দূৰ কৰে। চিন্তামণি জন্ম কৃষ্ণৰ সেৱাত লগাবলৈ তেওঁ নৰগণক অনুৰোধ কৰিছে। আন কৰ্ম্মই যে গতি সাধিব, তাৰ আশা পৰিত্যাগ কৰা ভাল।১২০৫।। ঘোৰ কলিকালত বুদ্ধি স্থিৰ কৰি অপবিত্ৰ বস্তু সমস্তক পৰিত্যাগ কৰিব লাগে। আনকৰ্ম দূৰতে এৰি ভকতিত হে মন মগ্ন ৰাখিব লাগে। কৃষ্ণৰ গুণ-নাম কীৰ্ত্তনত মহাসুখ লাভ হয়।১২০৬।। দিন ৰাতি যাব ধৰিছে, সময় থাকোতেই ৰাম-কৃষ্ণ নাম গলত বন্ধা উচিত। কাৰণ একমাত্ৰ পৰম বান্ধৱ নাম। নমৰালৈকে অনবৰতে ৰাম নাম লোৱা উচিত।১২০৭।।

**৫৩। ৰাস লীলা ঃ**

(বংশীৰ নিস্বনৰ দ্বাৰা বিমোহিতা গোপীসবৰ বৃন্দাবন অভিমুখে যাত্ৰা)

কৃষ্ণই গোপৰূপলৈ গোকুলক সকলোপ্ৰকাৰে উদ্ধাৰ কৰিলে। বৃন্দাবনত আনন্দেৰে ৰাসলীলা কৰি গোবিন্দই গোপীসবৰ কাম পীড়া আতৰ কৰিলে। ১২০৮।। ইয়াক কামজয় কেলি বোলা হয় (কামজয় মানে ইটো কেশবৰ কেলি) ইয়াক শুনিলে পাপ বিনষ্ট হৈ মোক্ষ লাভ হয়। এই কৃষ্ণ-কথা অমৃত শুনিব লাগে।১২০৯।।

শৰত কালৰ ৰাতি আতি বিতোপন।
বহুবিধ পুষ্পে বিকশিত বৃন্দাবন।।
দেখি যোগমায়া বলে হৰিষে তহিত।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল চিত।১২১০।।

গোপকুমাৰীসকলৰ কাত্যায়নী পূজা আৰু বস্ত্ৰহৰণত পাতনি মেলা গোপী সকলৰ প্ৰেম ৰাসলীলাত পূৰ্ণতা লাভ কৰিছে। কৃষ্ণই গোপীসকলক কৈ থৈছিল যে শৰত কালৰ পূৰ্ণিমা ৰাতি বৃন্দাবনত তেওঁ বংশীধ্বনি কৰিব আৰু তেতিয়া তেওঁলোক তালৈ গৈ কৃষ্ণৰ লগত কামকেলি কৰিব। ইতিমধ্যে শৰত আহিল, বিভিন্ন পুষ্পৰাজিৰে বৃন্দাবন উদ্‌ভাসিত হ'ল। কৃষ্ণই যোগমায়াক লৈ আনন্দমনেৰে ৰাসক্ৰীড়া কৰিবলৈ মন কৰিলে।১২১০।। ৰাসক্ৰীড়া কাম চৰিতাৰ্থ নহয়, কাম জয়হে। ভক্তিৰ গভীৰ তত্ব ৰাসলীলাত নিহিত আছে। পুব দিশত চন্দ্ৰমাৰ উদয় হ'ল, কামাতুৰ নাৰীৰ সন্তাপ ইয়াত মাৰ্জ্জিত হয়। চন্দ্ৰই অখণ্ড-মণ্ডল হৈ দেখা দিলে। চন্দ্ৰটো দেখিবলৈ কুঙ্কুমেৰে ৰঙা লক্ষ্মীৰ মুখ-পদ্মৰ দৰে কান্তিময়।১২১১।। চন্দ্ৰমাৰ জ্যোতিয়ে বৃন্দাবনক ৰঞ্জিত কৰি তুলিলে। হৰিয়ে সুন্দৰ সুৰত গীত গালে। বংশীত পঞ্চমৰ সুৰ ধ্বনি হ'ল, যি ধ্বনিত মদন জাগে। এই সুৰধ্বনি শুনি গোপীগণ কামে বিমোহিতা হ'ল।১২১২।। তেওঁলোকৰ কাণৰ কুণ্ডল খোজ কাঢ়োতে দোলিবলৈ ধৰিলে, চাপৰি চাপৰি বনৰ মাজেদি

ঢাপলি মেলিলে। তেওঁলোকে এজোম হৈ আগবাঢ়ে।১২১৩-১২১৪।। কোনো কোনো গোপীয়ে গাই দোহন কৰি আছিল, কোনোজনীয়ে দধি মথি আছিল, কোনোৱে কেচুৱাক স্তন পান কৰোৱাই আছিল, পতি শুশ্রূষাত কোনোজনী ব্যস্ত আছিল, কোনোবা ঠাই সাৰি (সাজন্তে), মাটি লিপি আছিল, কোনোজনীয়ে আহাৰ খাই আছিল। বংশীৰ ধ্বনি শুনি তেওঁলোকে ক্রমে দোহন এৰি, দধিমথন এৰি, স্তনদিবলৈ এৰি, পতি শুশ্রূষা এৰি, মাটি লিপিবলৈ এৰি, আধা ভুঞ্জা ভাত এৰি দৌৰি গৈছিল।১২১৫-১২১৬।।

কোনো গোপীয়ে গাত তেল ঘঁহিবলৈ (কুড় ঘসে), চকুত অঞ্জন ঘঁহিবলৈ, স্বামীক ভাত দিবলৈ আনি পৰিবেশন নকৰোৱাকৈ এৰি ঢাপলি মেলিছিল।১২১৭।। কৃষ্ণৰ কীৰ্ত্তন শুনিলে হৰিভক্তই উত্রাৱলহৈ কর্ম-ধর্ম এৰাৰ দৰে আৰু বিষয়ৰ সুখ-পুত্র দাৰা আদিক এৰি যোৱাৰ দৰে গোপীগণো কৃষ্ণৰ মধুৰ সান্নিধ্য বিচাৰি ল'ৰ মাৰিলে।১২১৮।। কৃষ্ণই তেওঁলোকৰ চিত্ত হৰণ কৰিলে, চেতনাও হেৰাল, ভৰিত ৰত্নৰ কঙ্কন পিন্ধিলে, মূৰত মেখলা, ডিঙিত বলয়া, ভৰিত গলপতা পিন্ধি গোপী গণ অগ্রসৰ হ'ল।১২১৯।। হাতত উজন্তি, ভৰিত আঙঠি পিন্ধি কৃষ্ণক কেতিয়া দেখিব, তাৰ বাবে উৎকণ্ঠিত হৈ ল'ৰিবলৈ ধৰিলে। বাহুত নূপুৰ, মাৰ্গত মুকুত, কঁকালত হাৰ পিন্ধিলে।১২২০।। শ্বেত (বগা) নেত (পাটৰ) শাৰী পিন্ধি কামে উত্রাৱল হ'ল, বিসঙ্গতিকৈ বস্ত্র পিন্ধি তেওঁলোক আগবাঢ়ি গ'ল।১২২১।। কৃষ্ণৰ নিমিত্তে উদ্‌বাউল হোৱা গোপীয়ে যেনেকৈ বস্ত্র-অলঙ্কাৰ নিপিন্ধক তাত ভক্তি বৃথা নহয়।১২২২।।

তেওঁলোকে ঘৰবাৰী এৰি, শহুৰ-শাহুৰ কথা নুশুনি, সুহৃদ সকলৰ বাধা নেওচি গুচি যায়, কিয়নো কৃষ্ণই তেওঁলোকৰ মন হৰণ কৰিলে।১২২৩।। বিমোহিত হৈ তেওঁলোকে লৰৰিবলৈ ধৰিলে, হৰি ভকতক বিঘিনিয়ে লঙিঘব নোৱাৰে। আপদকো গণ্য নকৰি হৰিত ৰতি কৰিলে গতিহে পায়।১২২৪।। কোনো গোপীয়ে ঘৰৰ বাহিৰ হ'ব নোৱাৰিলে, কাৰণ স্বামীয়ে দুৱাৰ বান্ধি ৰাখিলে, তেওঁলোকে বিৰহত দগ্ধ হ'ল।১২২৫।। হাঁ কৃষ্ণ হাঁ কৃষ্ণ বুলি ঢলি পৰিল, হুমুনিয়াহ কাঢ়িলে, মন আকুলিত হ'ল, চকুমুদি কৃষ্ণক চিন্তিবলৈ ধৰিলে।১২২৬।। ধ্যানতে প্রভুক পাই প্রেমে আলিঙ্গন কৰিলে, চকুলোৰে শৰীৰ তিয়াই পুলক অনুভৱ কৰিলে।১২২৭।। কৃষ্ণৰ বিৰহৰ তাপত পাপক্ষয় পালে, আলিঙ্গনত পুণ্য লাভ কৰিলে, কৃষ্ণক চিন্তি ৰমবিন্ধ নাশ হ'ল আৰু দেহ এৰি কৃষ্ণত লীন গ'ল।১২২৮।।

পৰীক্ষিতে শুকক প্রশ্ন কৰিলে যে গোপীসবে মাধবক জাৰ বুদ্ধিৰে(উপপতি গ্রহণৰ ভাবেৰে) ভজি কেনেকৈ মোক্ষ লাভ কৰিলে।১২২৯।। শুকে ক'লে যে গোপিকাৰ মোক্ষ লাভত কোনো বিস্ময়তা নাই; কিয়নো শিশুপালে দ্বেষকৰি মুক্তি লাভ কৰিলে।১২৩০।। জগতক মোক্ষদান কৰিবলৈকে ব্রহ্মৰূপী কৃষ্ণ ব্যক্ত হৈছিল। সমস্ত জীৱৰ আত্মা মহেশ্বৰক সংশয় কৰিব লগা নাই।১২৩১।। যি মানুহে অমৃতকে বিষ বুলি পান কৰে, তেওঁ অজৰ-অমৰ হ'ব নোৱাৰে। যেন তেন কৈ মাত্র ঈশ্বৰক সোঁৱৰণ কৰিব পাৰিলেই মুক্তি পাব পাৰে।১২৩২।। ভকতৰ বিচাৰত জাতি-অজাতিৰ ভেদাভেদ নাই, আনকি পশু-পক্ষী-বৃক্ষকো ভগৱন্তই মোক্ষ দিয়ে। হৰি ভকতি বিফলে নাযায়।১২৩৩।।

গোপীসৱে কৃষ্ণৰ ওচৰ পোৱাত কৃষ্ণই তেওঁলোকক উপহাস কৰিলে। কৃষ্ণই সুধিলে, 'হে গোপীসৱ, তোমালোকে কিয় মোৰ ওচৰলৈ আহিছা? তোমালোকৰ কি হৈছে? ব্রজত কিবা অমঙ্গল বা অথন্তৰ হৈছে নেকি? তোমালোক ভগনীয়াৰ দৰে গুচি আহিলা কিয়? তোমালোকে সুকলমে আহিলানে? তোমালোকৰ কি প্রিয়কর্ম মই সাধন কৰিব লাগে, কোৱাহঁক। ১২৩৪,১২৩৫।। বিলম্ব নকৰি মই সেই কাম কৰিম।' এই বুলি কৈ কৃষ্ণই হাঁহিলে। গোবিন্দই তেওঁলোকক প্রশ্নবোৰৰ উত্তৰ দিবলৈ ক'লে।১২৩৬।। তেওঁ পুনৰ গোপীসকলক ক'লে—

'দুৰ্ঘোৰ ৰাতি প্রেত-পিশাচ সকল ইয়াত বিচৰণ কৰি ফুৰে, ইয়াত ৰৈ নাথাকিব, কিয়নো তোমালোক অবলা নাৰী। ইয়াত বাঘ-ঘোং-বৰাহ আদি বন্যজন্তুৱে ঘূৰি ফুৰে, ভালুকৰ উকি শুনি পুৰুষ সকলেও ভয় কৰে।১২৩৭।। তোমালোকক ঘৰত নেদেখি তোমালোকৰ পিতৃ-মাতৃ-ভাতৃ-স্বামী-পুত্রগণে বিচাৰি ফুৰিছে। তেওঁলোকক বিচাৰি নাপাই সংশয় কৰিছে; গতিকে ঘূৰি গৈ সংশয় দূৰ কৰাগৈ।'১২৩৮।।

কৃষ্ণৰ এনে বাণীশুণি গোপীগণে কৃষ্ণক খং কৰি কটাক্ষ কৰি চালে। তেওঁলোকে কৃষ্ণৰ বিৰূপবাণী (বিৰাণী) শুনি মনতে ভাবিলে যে কৃষ্ণই কিয় এনে নিদাৰুণ বাণী বুলিলে।১২৩৯।।

কৃষ্ণই হাস্যকৰি ক'লে যে এই বিকশিত বৃন্দাবন তোমালোকে দেখিলা, পূৰ্ণ চন্দ্ৰমাৰ কান্তিত ৰঞ্জিত বন্দাবনৰ মনোৰূপ ৰূপ সৌন্দৰ্য দেখিবলৈ পালা,

মৃদুমন্দ বায়ুৰ পৰশপালা, বতাহত হালিজালি থকা নব কিশলয়, বৃক্ষ-লতা দেখিলো, ভ্ৰমৰৰ গুঞ্জন শুনিলা, কোকিলৰ কুউ কুউ ধ্বনিও শুনিলা, মুঠতে দিব্য বৃন্দাবন উপভোগ কৰিলা। এতিয়া তোমালোক ঘূৰি যোৱাহঁক। ১২৪০, ১২৪১।।

'তোমালোকৰ গৃহত শিশুগণে কান্দিছে তেওঁলোকক স্তন দিব লাগে, দামুৰিবোৰে বেবাইছে-গাখীৰ দোহন কৰিব লাগে। তোমালোকৰ স্বামীসকলে গৃহত তোমালোকৰ বাবে অপেক্ষা কৰি আছে। তেওঁলোকক শুশ্ৰূষা কৰিব লাগে। গতিকে তোমালোকে খৰকৈ ঘৰলৈ যোৱা উচিত হ'ব।'১২৪২।।

গোপীগণে কৃষ্ণৰ এনেবোৰ কথা শুনি ক্ৰোধত জাজ্বল্য সমান হৈ চক্ষু পকাই চালে। তেওঁলোকে কৃষ্ণৰ এনে চাতুৰালিৰ বিষয়ে মনতে ভাবিলে। মৰ্মন্তুদ বাণীয়ে দুঃখ দিলে।১২৪৩।।

তাকে দেখি গোবিন্দই হাঁহি মাৰি ক'লে—'আমাৰ স্নেহত যদি আহিলা, ভাল কৰিলা, ই উচিত হৈছে, আনবোৰ প্ৰাণীয়ে মোক দেখি সুখী হয়।১২৪৪।। স্বামী-সেৱা কুলস্ত্ৰীৰ মহাধৰ্ম, পুত্ৰসকলক তত্বাবধান লোৱা আৰু গৃহকৰ্ম কৰাটো প্ৰতি গৃহিণীৰ প্ৰধান কৰ্তব্য। স্বামী যদি কলা, ব্যাধিগ্ৰস্ত, কণা বা কুঁজাও হয় তথাপি তেনে স্বামীক সেৱা কৰাটো শাস্ত্ৰ সন্মত বিধান।১২৪৫।। উপপতি সমেক্ৰীড়া গৰিহিত কৰ্ম, এনে কাৰ্যকৰা পৰ্বত সমান অকাৰ্য। ইহলোকত এই কাৰ্য্যৰ বাবে নিন্দিত আৰু পৰলোকৰ বাবেও ভয়ৰ কাৰণ, নিজ স্বামীয়ে এনে পৰকীয়া প্ৰেমৰ কথা জানিলে অশান্তি হয়।১২৪৬।। মোক আৰাধিবলৈ আহিলা, তাৰো শাস্ত্ৰসন্মত বিধিৰ মাজেদিহে আৰাধনা হয়। মোক মনত একান্তভাৱে চিন্তা কৰিলেই হয়। মহন্তসকলে মোৰ-গুণ স্মৰণ কৰে।১২৪৭।।

দূৰৈত থাকি শ্ৰৱণ-কীৰ্ত্তন কৰিলেও মোত নিৰ্মল ভকতি হয়। গতিকে গৃহত থাকিয়েই মোক ভকতি কৰিব পাৰা।১২৪৮।। তোমালোকে বিলম্ব নকৰি মোৰ কথা শুনি এতিয়াই গৃহলৈ প্ৰত্যাবৰ্ত্তন কৰা।' কৃষ্ণৰ এনে বাণীয়ে গোপীৰ মূৰত যেন বজ্ৰপাত হে হ'ল।১২৪৯।। এনে অপ্ৰিয় কথা শুনি গোপীসকল দুৰন্তৰ চিন্তাত পৰিল। তেওঁলোকৰ মুখ ওলমি পৰিল, দুঃখেৰে মন ভাৰাক্ৰান্ত হ'ল, সঘনে নিশ্বাস এৰিলে, ওঁঠ শুকাই গ'ল।১২৫০।। কচুৰ (বুকুৰ) কুঙ্কুম লোতকেৰে তিতিলে, মুখৰ মাত নাইকীয়া হ'ল আৰু উচুপি উচুপি কান্দি থাকিল। হৃদয়ত তেওঁলোকে মৰ্মবেদনা অনুভৱ কৰিলে, ধাৰাসাৰে চকুলো বৈ গ'ল।১২৫১।। তললৈ মূৰকৈ ভৰিৰে মাটি আঁচুৰি থাকিল আৰু চৌদিশে অন্ধকাৰ দেখিলে। তেওঁলোকৰ শ্ৰুতিজ্ঞান হেৰাল১২৫২।।

গোপীগণৰ কাকুতি-মিনতি ঃ গোপীগণে মহাদুঃখত ম্ৰিয়মাণ হ'লেও শোকক দমন কৰি জ্ঞানপাই কাপোৰেৰে চকুলো মচিলে। আশাচ্ছেদ হোৱাত দীঘলীয়াকৈ হুমুনিয়াহ কাঢ়ি উগুল-থুগুল মনেৰে মূৰ তুলি, প্ৰেমত মগ্ন হৈ গদ্‌গদ মাতেৰে কৃষ্ণক ক'লে গোপীগণে।১২৫৩।।

'হে কৃষ্ণ তুমি ইমান নিষ্ঠুৰ, তোমাৰ হৃদয় পাষাণ হ'ল নেকি যে এনে নিৰ্মম ভাবে আমাক প্ৰত্যাখ্যান কৰিছা। আমি গৃহৰ সৰ্বসুখ ত্যাগ কৰি তোমাৰ চৰণত সেৱা কৰিবলৈ আহিছো, তুমি ভকত বৎসল হৈয়ো আমাক এনেকৈ দুঃখ দিছা। কায়-বাক্য-মনে আমি তোমাকহে সেৱা কৰোঁ, কিন্তু তুমি আমাক নিদাৰুণ বাণী শুনাইছা। ভকতক ত্যাগ কৰা উচিত হোৱা নাই; আমাক দাসী বুলি ধৰা।'১২৫৪।।

গোপীগণে কুলস্ত্ৰীৰ স্বামী শুশ্ৰূষাৰ সম্পৰ্কত কৈছে যে সেই কৰ্ম কৃষ্ণতহে থকা উচিত, কাৰণ কৃষ্ণ জগতৰ আত্মা, কৃষ্ণৰ সেৱাত হে মহাধৰ্ম লাভ হয়। পণ্ডিতে পতি-পুত্ৰ ত্যজি কৃষ্ণত হে ৰতি ৰাখে। তেওঁলোকে চিৰকাল ঈশ্বৰ কৃষ্ণক স্বামী বুলিহে তপ কৰিছে।১২৫৫।। গোপীগণে কৈছে—'তুমি আনন্দমূৰ্তি, আমাৰ চিত্ত হৰণ কৰিছা, আমাৰ মন-গৃহত নাই, গতিকে আমাক গৃহলৈ যাবলৈ কোৱা কথাত আমি দগ্ধ হৈছোঁ। তোমাৰ চৰণৰ বাহিৰে আনত আমাৰ দৃষ্টি নাই, তোমাৰ চৰণ এৰি অন্যস্থানলৈ আমি খোজ দিব নোৱাৰোঁ। এই দুখন কাণেৰে তোমাৰ কথাহে শুনিম ব্ৰজতগৈ আনৰ কথা শুনিব নিবিচাৰোঁ।১২৫৬।। তোমাৰ মোহন গীতে আমাৰ কামনা জগাই তোলে, তোমাৰ কটাক্ষ চাৱনিত আমি পুৰি মৰোঁ। আমাক আকোঁৱালি লৈ আমাৰ মদন বহ্নিক নিৰ্বাপিত কৰা, অধৰ অমৃত দি শান্তনা কৰা। তোমাৰ বিৰহত আমাৰ তনু দহিছে. যোগীয়ে তোমাক ধ্যান কৰি যেনেকৈ মৃত্যু বৰণ কৰে, আমিও তোমাৰ চৰণ স্মৰি মৃত্যুকেই সাৰটি লম। পুনৰ জন্মি তোমাৰ চৰণকে বিচাৰি লম।১২৫৭।।

'হয়তো আমাক স্বামীৰ ওচৰলৈ যাবলৈ আৰু আমাৰ কামনাৰ জুই নুমুৱাবলৈ ক'ব পাৰা; কিন্তু আমি সেই মায়াময় পতিৰ ওচৰলৈ যাবলৈ ইচ্ছা

নাই। পূর্বতে আমি জলত নামি থাকোতে তুমি আমাৰ বস্ত্ৰলৈ কদম্বত ৰাখিছিলা আৰু আমাৰ কাকূতিত আমাক বস্ত্ৰ দিছিলা।১২৫৮।। আমাক তুষ্ট হৈ বৰ দিছিলা। লক্ষ্মীয়েও কেতিয়াবাহে পোৱা তোমাৰ চৰণ আমি শিৰেৰে স্পৰ্শ কৰিবলৈ পাইছিলো। সেইদিন ধৰি আমি আনৰ ওচৰত থাকিব নোৱাৰা হৈ আহিছোঁ। আমি সেইদিন ধৰি গৃহবাসত সুখ শান্তি পোৱা নাই—এই চিৰসত্য আমি প্ৰকাশ কৰিলো।'১২৫৯।।

'ব্ৰহ্মা, ৰুদ্ৰই তপকৰি যাক নাপায় আৰু লক্ষ্মীয়েও যাক পাবলৈ কঠিন হয়, তেনে প্ৰভুৰ পদৰ ধূলা আমি হৃদয়তে পাবলৈ বিচাৰোঁ।' লক্ষ্মীৰ সতিনী তুলসীয়েও তোমাৰ পাদ-পদ্মক সেৱা কৰে। গতিকে আমিও তোমাৰ পদ পঙ্কজত ভজিছোঁ।১২৬০।। হে নাথ, আমাৰ প্ৰতি সুপ্ৰসন্ন হৈ তোমাৰ সেৱা কৰিবলৈ দিয়া। আমি গৃহবাসকো তুচ্ছ ভাবি আহিছোঁ। আমি পতি-পুত্ৰ সমস্তক তৃণহেন বুলি তোমাৰ চৰণসেৱা কৰিবলৈ আহিছোঁ। তোমাৰ মধুৰ হাঁহিটোতে আমি মদনত দগ্ধ হৈছো, আমাক দাসী কৰি লোৱা।১২৬১।। তুমি ক'ব পাৰা আমি তোমাৰ কিয় দাসী হ'ব বিচাৰিছোঁ, আমি তোমাত বিক্ৰি হৈছোঁ। তোমাৰ অলকা আবৃত মুখ; তোমাৰ অধৰৰ চুম্বনৰ সুখ, ঈষত-কটাক্ষ হাঁহি, সুবলিত বাহু, বহল বক্ষস্থল দেখি আমি অতি মোহিত হৈছোঁ।১২৬২।। 'উপপতিসমে ক্ৰীড়া' বুলি তুমি কোৱা কথা আমাৰ কাণত নপৰশে। এই তিনিলোকত থকা সকলো জীৱই তোমাৰ গীতত তন্ময় হয়। বেদ বাণীমতে তোমাৰ গুণ-নাম শুনি ভকতে নিজ ধৰ্ম ত্যাগ কৰে।'১২৬৩।।

'তোমাক চকুৰ আগত দেখি আমি পাপৰ কথা চিন্তা কৰিবই নোৱাৰোঁ। আনকি পশু-পক্ষী বৃক্ষগণেও তোমাক দেখি তেওঁলোক প্ৰেমত পুলকিত হৈছে। তোমাৰ গীতৰ ধ্বনিয়ে পুৰুষৰো মন-চিত হৰে, আমাৰ দৰে নাৰীৰ চিত্ত কি হ'ব পাৰে তাক তুমি জানাই। হে বান্ধ, আমাক কোৱা, আমাক উত্তৰ দিয়া, আমি তোমাৰ উত্তৰ শুনিবলৈ ব্যগ্ৰ হৈ আছোঁ।১২৬৪।। তুমি আমাৰ দুঃখ নিৰাময় কৰিবলৈহে ব্ৰজত জন্ম লৈছা। দেবগণক ৰক্ষা কৰিবলৈ পূৰ্বকালত তুমি 'বামন' অৱতাৰ লৈছিলা অদিতিৰ উদৰত। আমি তোমাৰ 'কিঙ্কৰী, আমি কামানলত বিমোহিত হৈছোঁ; হে নাথ আমাৰ শিৰত আৰু স্তনত তোমাৰ কোমল হাতৰ পৰশ দিয়া, যাতে আমাৰ হৃদয়ৰ জুই নুমায়।১২৬৫।।

সংসাৰৰ সকলো ত্যাগ কৰি তোমাৰ চৰণকে সাৰ কৰিলো, তুমি মৰণ কালতো আমাৰ গতি। গোপীসকলে এনেদৰে দুঃখ কৰি হুমাহুমি কৈ কান্দিবলৈ ধৰিলে।

কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে কৈছে যে কেতিয়া এই দেহাপৰে, প্ৰাণ যায় তাৰ ঠিক নাই; সেইবাবে কৰ্মত বিশ্বাস এৰি হৰি পদত শৰণ লৈ হৰি হৰি বুলি বৈকুণ্ঠলৈ যাব পাৰি।১২৬৬।।

**৫৪। গোপীসকলৰ লগত কৃষ্ণৰ ক্ৰীড়া ঃ**

গোপীগণৰ কাৰুণ্য শুনি কৃপাময় কৃষ্ণৰ স্নেহত হৃদয় পমি গ'ল, মুখৰ মাত নোহোৱা হ'ল, লোতক নিগৰি ওলাল।১২৬৭।। তেওঁ লোকৰ প্ৰেমত বিহবল হৈ প্ৰতিগৰাকী গোপীক কৃষ্ণই প্ৰবোধ দিলে। ভকতৰ দুঃখ দেখি তেওঁৰ হৃদয় নসহা হ'ল আৰু পীতবস্ত্ৰেৰে গোপীৰ চকুলো মাচি দিলে।১২৬৮।। কৃষ্ণই অনেক মধুৰ বাক্য বুলি আশ্বাস কৰিলে আৰু পৰিহাস বাদ দিলে। কৃষ্ণই ক'লে—

'তোমাসাৰ প্ৰেম-ভকতিত ভৈলো বৈশ্য।
আজি মনোৰথ সবে পূৰিবো অৱশ্যে।।১২৬৯।।
কৃষ্ণৰ বচনে যেন অমৃত বৰিষে।
উঠিল উৎসুকে সবে গোপিনী হৰিসে।।
কৃষ্ণৰ সদয় দৃষ্টি দূৰ ভৈলা তাপ।
গোপীক ক্ৰীড়িলা পাছে জগতৰ বাপ।।'১২৭০।।

অৰ্থাৎ 'তোমালোকৰ প্ৰেমভক্তিয়ে মোক বশ্য কৰিলে আৰু আজি তোমালোকৰ মনোবাঞ্ছা পূৰণ কৰিম' বুলি কৃষ্ণই অমৃতময় বচনেৰে গোপীগণক আশ্বস্ত কৰিলে। গোপীগণে আনন্দত উল্লাসিত হৈ কৃষ্ণৰ লগত ক্ৰীড়া কৰিবলৈ উদ্যত হ'ল।১২৬৯।।

হাজাৰ হাজাৰ ৰূপ সৌন্দৰ্যৰে মণ্ডিত গোপীগণে ৰাসক্ৰীড়াৰ বাবে আগবাঢ়ি আহিল। তেওঁলোকৰ ভিতৰত মুখ্য মুখ্য সকলৰ নাম ইন্দুমতী, মদন মঞ্জৰী, ৰত্নমালা, পদ্মাৱতী, কুন্তী, কুমুদিনী, চন্দ্ৰকলা, ৰোহিনী, হৰিনী, স্বয়ম্বৰী, বিদ্যাধৰী, মাধবী, ৰাধিকা, মধুমতী, মন্দোদৰী, ভাগ্যৱতী, ভগৱতী, গৌৰী, ৰতি, ৰামা, বসুমতী, সতী, লীলাৱতী, তিলোত্তমা, শশী, ৰুচি, চম্পক, লতিকা, কামপাশা, কাদম্বিনী, মদন দমনী, মদালসা, সুৰভি, সুৰসা ৰসা, ঊষা, সৰস্বতী, ভৱানী, ভূষিতা, ভূমি, ৰম্ভা, প্ৰভাৱতী, কুমুদা, শ্যামা, সুপ্ৰভা, ভবানী, ভাৰতী, ভানুমতী, সুমালিনী আদি। এওঁলোকে কৃষ্ণক আবৰি অনেক ৰঙ্গ কৰিবলৈ

ধৰিলে।১২৭১-১২৭৬।।

জগত ঈশ্বৰ পূৰ্ণকাম হ'লেও ভকতৰ প্ৰীতি সাধিবলৈ আগবাঢ়িল। তেওঁ হাঁহি হাঁহি গোপযুৱতী সকলৰ কাষ চাপি কেলি কৰিবলৈ ধৰিলে।১২৭৭।। কৃষ্ণৰ প্ৰফুল্ল মুখ নিৰেক্ষি গোপীগণে বৰ সন্তোষ পালে। তেওঁলোকে লীলা গতিৰে অনেক ভাও-ভঙ্গিমাৰে কৃষ্ণৰ চৌপাশে ঘেৰি ধৰিলে।১২৭৮।। কৃষ্ণই সকলোলৈকে হাস্য বদনে চাই, কুন্দকড়িৰ দৰে সমান দাঁত উলিয়াই আকোঁৱালি ললে। গোপীগণ যেন নীলা গগণত তাৰকা মণ্ডলী আৰু কৃষ্ণ যেন সেই আকাশত চন্দ্ৰমা।১২৭৯।। শ্যামবৰণৰ দেহৰ পীতবস্ত্ৰ, বাহুত বলয়া পিন্ধি তেওঁ মেঘত যেন বিজুলিৰ চমকনিহে। গলত বৈজয়ন্তী-পঙ্কজৰ মালাৰে সুশোভিত কৃষ্ণক গোপীগণে বেঢ়ি কৃষ্ণৰ গুণ গাবলৈ ধৰিলে।১২৮০।। কৃষ্ণয়ো গীত গালে, কামিনীমোহন কৃষ্ণই গীতৰ ছেৱে ছেৱে বৃন্দাবন ভ্ৰমিবলৈ ধৰিলে। মৃদু মন্দমলয়া সমীৰ প্ৰবাহিত হ'ল, কোকিলৰ কুহু কুহু ধ্বনিয়ে বৃন্দাবন ছানি পেলালে।১২৮১।। পুষ্পৰাজিৰ সুবাসে বন আমোদিত হ'ল, অলিকুলে গুঞ্জৰিবলৈ ধৰিলে। এনে মধুময় বৃন্দাবনত গোপীসমে কৃষ্ণই অপৰিসীম ক্ৰীড়া-কৌতুক কৰিলে।১২৮২।। যমুনাৰ সুকোমল বালিত পদ্মৰ সুৰভি বতাহৰ বুকুত ভাহি উঠিল, কৃষ্ণই গোপীগণক নি যমুনাৰ বালি পোৱালেগৈ আৰু তাত নানা কেলি কৰিবলৈ ধৰিলে।১২৮৩।।

তেওঁ বাহুমেলি গোপীক আলিঙ্গন কৰিলে আৰু স্তনদ্বয়ত নখেৰে চিকুতি স্পৰ্শ কৰিলে, কোনো গৰাকীক মুখত স্পৰ্শ কৰি হাঁহিলে।১২৮৪।। কেনোজনীক সাৱটি ধৰি আঁকোৱালি ললে, মুখত চুম্বনৰ পৰশ দিলে; কোনো গৰাকীৰ বস্ত্ৰ কাঢ়ি ল'লে আৰু উলঙ্গ কৰিলে; কোনোজনীৰ কাঞ্চুলি (বুকুৰ চোলা) গুচালে আৰু উচ্চ কুচকুম্ভ (ওখস্তনদ্বয়) উদং হ'ল আৰু হাতেৰে তাক ঢাকি ধৰিলে। তেওঁ গোপীক হাতেৰে ধৰি স্তনত নখক্ষত কৰিলে, কঁকালৰ শাৰী সোলোকালে, টিকা আদি অঙ্গ উদংহ'ল, আঠুক-সাৱটি চুপতি কৰিলে। মুখত চুম্বন দিয়াত ছলেৰে গোপীয়ে কৃষ্ণৰ ডিঙিত ধৰি থাকিল। ১৮৫, ১২৮৬, ১২৮৭।। কৃষ্ণৰ সুবাসিত বাহু গোপীয়ে নিজৰ কান্ধত লৈ শুঙিলে, গোপীগণে কৃষ্ণৰ ভৰি দুটি নিজৰ শিৰৰ ওপৰত, স্তনৰ ওপৰত থৈ পৰম শান্তি লাভ কৰে।১২৮৮।।

কিছুমান গোপীয়ে কামত মত্ত হৈ কৃষ্ণক আলিঙ্গন কৰে, কৃষ্ণৰ মুখ-পদ্মক চকুৰে চাই তৃপ্তি পায়, ভকতৰ বশ্য হৰিয়ে যি গোপীয়ে যিদৰে বিচাৰে তাকে দি সন্তোষ্ট কৰে।১২৮৯।। গোবিন্দই গোপিকাৰ আনন্দ বঢ়াই শৰত কালত ৰাতি অতিক্ৰম কৰিলে। গোপীক সুৰভি প্ৰদান কৰি সন্তোষ দি কৃষ্ণই ৰজনী কটালে।১২৯০।। ভকতৰ প্ৰতি ভগৱন্ত সন্তোষ্ট হৈ মনুষ্য চেষ্টা প্ৰদৰ্শন কৰি গোপীসকলক ছায়া পুতলাৰ দৰে নচুৱাইছে। তেওঁ নিজে আনন্দৰ সাগৰ, জগতৰ নিবাসস্থান। কুৎচিত সুখত তেওঁৰ কোনো অভিলাস নাই যদিও মনুষ্য চেষ্টা প্ৰদৰ্শন কৰিছে।১২৯১।।

যিজন কামধেনুপালৰ ঈশ্বৰ, তেওঁৰ ছাগলীত কি প্ৰয়োজন থাকিব পাৰে। অমৃতৰ সাগৰত বুৰগৈ থকাজনৰ খাৰ পানী বিচাৰি খোৱাৰ কিবা প্ৰয়োজন থাকিব পাৰে জানো। কৃষ্ণক বহন কৰি থকা ভক্তজনৰ আনবস্তুৰ প্ৰয়োজন নাথাকে।১২৯২।। ব্ৰহ্মাৰো নমস্য যি পৰম ঈশ্বৰ, তেওঁ গোপীৰ ভক্তিৰে তুষ্ট হৈ বশ্য হৈছিল। সেইবাবেই কৃষ্ণক সকলোৱে ভজিব লাগে।১২৯৩।।

স্ত্ৰীৰ দুৰ্জ্জন ভাব কেতিয়াবা জাগি উঠে। কৃষ্ণৰ মহা মান্যতা পাই গোপীসকলৰ গৰ্বভাব বাঢ়ি গ'ল। তেওঁলোকে পৰস্পৰে ক'বলৈ ধৰিলে 'কৃষ্ণকো কৰিলো বশ্য ৰূপেগুণে জিনি। আমাৰ সমান আন নাহি সৌভাগিনী। ১২৯৪।।

তেওঁলোকে পাৰ্থিব ৰূপ-গুণেৰে কৃষ্ণক বশ্য কৰিলে বুলি ভাবিলে। তেওঁলোকৰ সমান ভাগ্যৱতী কোন হ'ব পাৰে। কৃষ্ণই যে তেওঁলোকৰ বাহ্যিক ৰূপসৌন্দৰ্য্যত মুগ্ধ হোৱা নাই, ভকতিত হে মুগ্ধ হৈ বশ্য হৈছে, সেই তত্ব সিহঁতে ভাবিব পৰা নাই।১২৯৪।।

গোপীগণে ভাবিলে যে গোবিন্দই সিহঁতৰ সৌন্দৰ্যত ভোল গৈছে পাছে পাছে ঘূৰি ফুৰিছে। তেওঁলোকে কোৱা কথা মতেই মাধৱে চলি ফুৰিছে বুলি তেওঁলোকৰ গৰ্ব হ'ল।১২৯৫।। 'আমাৰ সমান আন কোন আছে' বুলি বাহু আচাৰি ফুৰিবলৈ ধৰিলে। দম্ভত সিহঁতে মাটিতো যেন ভৰি নিদিব। কৃষ্ণয়ে মাতিলেও সিহঁতে নামাতা হ'ল।১২৯৬।। মাধৱে কিবা কথা সুধিলে সিহঁতে বহুমান কৰি চকুপকাই চায় আৰু কোনো উত্তৰেই নিদিয়ে। কৃষ্ণক কটাক্ষই নকৰে আৰু পিঠি দিহে থাকে।১২৯৭।।

গোপীৰ পৰম অহম্মম ভাৱ দেখি গোবিন্দৰ সহ্য নহ'ল। তেওঁৰ মান্যপাইয়েই সিহঁতে নমনা হ'ল; মায়াই সিহঁতৰ হৃদয় কলুষিত কৰিলে।১২৯৮।।

তেওঁলোকৰ যে মতি অন্ধ হৈছে তাক কৃষ্ণই দূৰ কৰিবলৈ দৰ্পচূৰ্ণ কৰিবলৈ মন মেলিলে আৰু ভকতি বঢ়াবলৈ যত্ন কৰিলে।১২৯৯।।

কৃষ্ণ হঠাতে অন্তৰ্দ্ধান হ'ল; কৃষ্ণক নেদেখি গোপীসকলে কৃষ্ণক বিচাৰিবলৈ ধৰিলে আৰু ক'তো বিচাৰি নাপাই বৰ চিন্তিত হ'ল। প্ৰাণ প্ৰভুৱে এৰি যোৱাৰ ভয়ত তেওঁলোক আতুক হৈ পৰে আৰু তেওঁলোকে নিজকে নিজে গৰিহণা দিবলৈ ধৰে।১৩০০।। সিহঁতে ক'লে—'আমি গৰ্ব কৰিলো, আমি দুৰাচাৰী, নিজৰ চকু নিজে ফুটুৱালো। প্ৰাণ প্ৰভুক পায়ো মন্দমতি হৈ অৱহেলা কৰিলো।১৩০১।। হা নাথ, তোমাক নেদেখি আমাৰ প্ৰাণ ফুটি যায়, হে দীন দয়াশীল, আমাক পৰিত্ৰাণ কৰা। আমি স্বভাৱতে চঞ্চল স্ত্ৰী, আমাৰ দোষ নধৰিবা। আমি তোমাৰ কিঙ্কৰী, আমাৰ দোষ মৰিষণ কৰা।১৩০২।। আমাৰ সকলো বন্ধুএৰি তোমাকে সাৰ কৰিলোঁ, হে কৃপাময়, আমাক পৰিহাৰ নকৰিবা। হে হৰি তোমাৰ অবিহনে আমাৰ হিয়া পুৰি ছাই হৈ গৈছে। হাঁ প্ৰাণকৃষ্ণ' বুলি তেওঁলোকে মকমকি কৈ কান্দিবলৈ ধৰিলে।১৩০৩।। অত্যন্ত সন্তাপত গোপীগণে বালিত পৰি পৰি কান্দিবলৈ ধৰিলে। হস্তিনাগণে যুথপক (হাতীৰ দল) নাপাই আৰ্ত্তৰাৱ কৰাৰ দৰে স্বামী কৃষ্ণক নাপাই তেওঁলোকে আৰ্ত্তৰাৱে ক্ৰন্দন কৰিবলৈ ধৰিলে।১৩০৪।। তেওঁলোকে 'হাঁ কৈকগৈলা নাথ নন্দৰ কুমাৰ' বুলি চিএঞৰিবলৈ ধৰিলে। কমললোচনক বিচাৰি তেওঁলোকে অস্থিৰ হৈ পৰিল। অৰণ্যত ৰাতি তেওঁলোক অনাথ হৈ কৃষ্ণগুণ বৰ্ণাই বিলাপ কৰিলে।১৩০৫।। কৃষ্ণ মহা ভাগে অতি অনুৰাগে বিনোদ বিলাস লীলা কৰাৰ কথা সুঁৱৰি তেওঁলোকে শোক কৰিলে।১৩০৬।।

কৃষ্ণ-গুণ সুমৰি সুমৰি তেওঁলোকৰ চিত্ত তন্ময় হ'ল। গাৰ চেতনা হেৰাই গ'ল। প্ৰেমে পুলকিত হৈ বেদনা পাহৰি কেশৱৰ দৰে কৰ্ম কৰিবলৈ ধৰিলে।১৩০৭।। তেওঁলোকে কৃষ্ণৰ দৰে লীলাগতি গমন, হাস্যবৰিষণ আদি কৰিবলৈ ধৰিলে।১৩০৮।। কৃষ্ণৰ দৰে কৌতুহল কেলি, আলিঙ্গন অভিনয় কৰিলে। মধুৰ আলাপ, মদন বিনোদন, আদি কৃষ্ণৰ আচৰণ সমূহ প্ৰদৰ্শন কৰি তেওঁলোকে কৃষ্ণৰ গুণ-গান কৰিছিল।১৩০৮-১৩১২।।

বিৰহৰ অগ্নিয়ে তেওঁলোকক দগ্ধ কৰে, চকুৰ পৰা পানী বাগৰি আহে, কৃষ্ণক সুঁৱৰি মন উন্মত্ত হয় ।১৩১৩।।

বাহিৰে ভিতৰে কৃষ্ণই বিৰাজ কৰি থাকে, তেওঁ সৰ্বব্যাপ্ত বাবে বৃক্ষৰ ওচৰতে কৃষ্ণৰ বিষয়ে উৱাদিহ বিচাৰে। তেওঁলোকে গছ-লতিকাকো সুধিছে প্ৰাণৰ কৃষ্ণৰ খবৰ।১৩১৪।।

কৃষ্ণৰ বিৰহত গোপীৰ জীৱন অৱস্থা একেবাৰে শোচনীয় হৈ পৰে। তেওঁলোকে জ্ঞান হেৰুৱাই পাগলীৰ দৰে হ'ল আৰু গছ বন লতিকাকো কৃষ্ণৰ কথা সুধি ফুৰিবলৈ ধৰিলে। ওখ ওখ অশ্বত্থ, কপিত্থ, থৈকৰ, কাঞ্চন, চম্পা, পাকৰি গছক কৃষ্ণৰ কথা সোধে।১৩১৫।। কুৰুবক, অশোক, নাহৰ গছৰ পৰাও কৃষ্ণৰ বাতৰি বিচাৰে। ইয়াৰ পাছত পুষ্পৰাজিৰ কাষ চাপি কৃষ্ণৰ বাতৰি বিচাৰে; ৰাজচম্পা, শিৰিষ, সেৱতী ফুলক প্ৰতিদান দিবলৈ অনুৰোধ কৰে।১৩১৭।। তুলসীৰ পৰাও কৃষ্ণৰ খা-খবৰ বিচাৰে, যুতী ফুলৰ ওচৰত পতিৰ খবৰ লয়।১৩১৮।। আম, জাম্বু, পনস, পিয়াল, কদম্ব, বেল, বকুল আদিৰ ওচৰতো একেই প্ৰশ্ন কৰে। যমুনাৰ পাৰত থকা তীৰ্থবাসী সকলকো কৃষ্ণক দেখিছিল নেকি বুলি প্ৰশ্ন কৰে।১৩১৯-১৩২০।। পৃথিবীৰ ভূমিকো কৃষ্ণৰ বাতৰি সোধে।১৩২১।। গোপীগণে এইদৰে এফালৰ পৰা প্ৰকৃতিৰ সকলো বৈভবকে কৃষ্ণৰ খা-খবৰ বিচাৰি বিচাৰি অনুনয় বিনয় কৰিবলৈ ধৰিলে। পশু-পক্ষীৰ ওচৰলৈ গৈ গৈ কৃষ্ণৰ অনুসন্ধান কৰি তেওঁলোক ভাগৰি পৰে। কোনেও তেওঁলোকক কৃষ্ণৰ সন্ধান দিব নোৱাৰিলে।১৩২২-১৩৩১।।

তেওঁলোকে ক'তো কৃষ্ণৰ সন্ধান নাপাই বিৰহত অধীৰ হৈ পৰে, চকুৰলোতকে শৰীৰ তিয়ালে, কৃষ্ণৰ গুণ গাই গাই বিলাপ কৰিবলৈ ধৰিলে।১৩৩২।। কৃষ্ণক স্মৰণ কৰোঁতে কৰোঁতে গৃহ, শৰীৰক পাহৰি যায়, কৃষ্ণৰ চৰণ হৃদয়ত বান্ধি মৌন হৈ থাকে।১৩৩৩।।

**উপদেশ ঃ**

মনুষ্য শৰীৰ লাভ কৰি যি হৰিক স্মৰণ নকৰে, তেওঁক বিষ্ণুমায়াই মোহে আৰু আত্ম-ঘাতী হয়। হৰিৰ নামেহে সংসাৰ তৰে। গতিকে হৰি নাম লৈ নিজক উদ্ধাৰ কৰা উচিত।১৩৩৪।।

**৫৫। কৃষ্ণ-বিৰহ কাতৰা গোপীসবৰ কৃষ্ণলীলা অভিনয় ও কৃষ্ণ-অন্বেষণ ঃ**

কৃষ্ণক চিন্তা কৰোঁতে কৰোঁতে গোপীগণৰ তনু-মন নিৰ্ম্মল হ'ল, মনত কেৱল কৃষ্ণৰ চিন্তনৰ বাহিৰে অন্য চিন্তা নোহোৱা হ'ল।১৩৩৫।। তেওঁলোকৰ শৰীৰ ৰোমাঞ্চিত হ'ল। একেৰাহে চকুলো বৈ থাকিল, আনন্দ মগ্ন হৈ কৃষ্ণ-চেষ্টা কৰিবলৈ ধৰিলে।১৩৩৬।। তেওঁলোকে কেতিয়াবা কৃষ্ণ হৈ, কেতিয়াবা

দৈত্য হৈ কৃষ্ণ-লীলা অভিনয় কৰিবলৈ ধৰিলে। কোনোজনীয়ে পুতনা হৈ কৃষ্ণক স্তন পান কৰোৱায়, কোনো জনীয়ে কৃষ্ণ হৈ পুতনাক শোষণ কৰে।১৩৩৭।।

কোনো গোপীয়ে শকট ৰূপ ধাৰণ কৰি কৃষ্ণ ৰূপে শকটক উভতায়, যশোদা হৈ কৃষ্ণক সাৰটি ধৰে, কেতিয়াবা শিৰত হাতদি মৰম কৰে।১৩৩৮।। কিছুমান গোপীয়ে শিশু কৃষ্ণৰূপ ধৰি বহে, কেতিয়াবা তৃণাবৰ্ত্ত হৈ কৃষ্ণক হৰি নিয়ে, কৃষ্ণ হৈ তৃণাবৰ্ত্তক গলত চেপি লীলা কৰি মাৰে আৰু অসুৰৰ সৈতে শিলত পৰি থাকে।১৩৩৯।। কিছুমান গোপীয়ে কৃষ্ণ হৈ কঁকালত ঘাঘৰ ঘুঘুৰা শাৰী পৰিধান কৰি আঠুকাঢ়ি ফুৰে। কেতিয়াবা গৰুৰ মাত শুনি যশোদাক সাৰটি ধৰাৰ দৰে অভিনয় কৰে।১৩৪০।। কেতিয়াবা বলৰাম কৃষ্ণ হৈ কিছুমান গোপীক দামুৰি কৰি চৰাই ফুৰে। বৎসাসুৰ হৈ কোনো জনীয়ে ঘূৰি ফুৰে; কোনোজনীয়ে বৎসাসুৰক বধ কৰে।১৩৪১।। কোনো কোনো জনী দামুৰি আৰু গাই হয় আৰু গাইৰ দুগ্ধ দামুৰি হৈ পান কৰে। কেতিয়াবা হাতত কঁড়িয়া লৈ গাই দোহন কৰে।১৩৪২।। কোনোৱে কৃষ্ণ হৈ বংশী বজায় আন কিছুমানে বেঢ়ি প্ৰশংসা কৰে। কেতিয়াবা কোনো গোপীয়ে গৰুৰ দৰে হেম্বেলিয়ায়।১৩৪৩।। কোনোৱে কৃষ্ণ হৈ আন এজনীয়ে গোপিকা হৈ আনন্দৰ খেলা খেলে। কোনো গোপীয়ে নিজকে কৃষ্ণ বুলি লীলা গতিৰে গমন কৰে।১৩৪৪।। কোনো জনীয়ে কৃষ্ণ হৈ মন্দৰ গিৰি তুলিলো বুলি প্ৰদৰ্শন কৰে।১৩৪৫।। কোনো জনীয়ে কালিয় দমন কৰো বুলি আন এজনীৰ মূৰৰ ওপৰত ভৰি দি উঠি ললে।১৩৪৬।। সেইদৰে বনজুই পান, লবনুচুৰি, দধিৰ ভাণ্ড ভঙা, গোপিকাই গোপিকাক উড়ালত বান্ধি থোৱা, অৰ্জ্জুন ভঞ্জন, বস্ত্ৰহৰণ, কদম্বত উঠা, নন্দক বৰুণৰ হাতৰ পৰা উদ্ধাৰ আদি কাৰ্য্যক অনুকৰণৰ অভিনয় প্ৰদৰ্শন কৰে।১৩৪৭-১৩৫১।।

গোপগণৰ লগত কৃষ্ণৰ শয়ন, কৃষ্ণৰ পদ-চৰ্যা, বলৰাম হৈ ধেনুকাসুৰক বধ, পকা তালফল গোপগণক ভক্ষণ, ধেনু, আনয়ন, যশোদাই কৃষ্ণক আদৰণি, কৃষ্ণক ভূষণ পিন্ধোৱা আদি কাৰ্যবোৰ গোপিনীগণে কৰি কৰি কৃষ্ণলীলাত আনন্দ উপভোগ কৰিলে।১৩৫২-১৩৫৪।। এইবোৰ কৰি কৰি তেওঁলোক অচেতন হৈছিল আৰু কৃষ্ণক বিচাৰি কান্দি কান্দি ঘূৰি ফুৰিছিল।১৩৫৫।। কৃষ্ণৰ খোজ অনুসন্ধান কৰি আৰু খোজত পদৰ পঞ্চচিহ্ন দেখি বেজাৰত বিহবল হৈ উঠিছিল। এইদৰে খোজ চাই চাই কৃষ্ণক বিচাৰি বন অৰণ্য চলাথ কৰিলে গোপীগণে।১৩৫৬-১৩৫৭।।

তেওঁলোকে কিছুদূৰ গৈ কৃষ্ণৰ খোজতে এগৰাকী স্ত্ৰীৰ খোজ দেখি জানিব পাৰিলে যে এগৰাকী স্ত্ৰীৰ লগত কৃষ্ণ গুচি গৈছে। তেতিয়া তেওঁলোকৰ বেদনা অধিক চৰিল।১৩৫৮।। ইজনীয়ে সিজনীক মাতি আনি দেখুৱালে যে এজনী সতিনীক লৈ কৃষ্ণ আতৰি গৈছে। এই খোজ কোনজনী সতিনীৰ হ'ব পাৰে তাক তেওঁলোকে নিৰ্ণয় কৰিবলৈ যত্ন কৰিলে। তাই নিশ্চয় কৃষ্ণৰ কান্ধত উঠি গৈছে।১৩৫৯।। হাতীয়ে শুঁৰেৰে হস্তিনাক ধৰি লৈ যোৱাৰ দৰে কৃষ্ণ ই তাইক দাঙি নিছে। এই কথা ভাবি তেওঁলোকৰ হিয়া দগ্ধ হয়।১৩৬০।। কোনো গোপীয়ে কয় যে সেইগৰাকী গোপীয়ে দেৱ হৰিক আৰাধিছিল বাবে কৃষ্ণই আদৰ কৰি নিছে।১৩৬১।। কৃষ্ণৰ পদধূলি লোৱাৰ বাহিৰে অন্যকথা চিন্তা কৰাটো উচিত নহ'ব বুলি এজনীয়ে মত দাঙি ধৰে। ব্ৰহ্মা-হৰেও পদধূলিহে বাঞ্ছা কৰে। এনে কৰিলে মাধৱে নিজেই দেখা দিবহি বুলি এজনী গোপীয়ে কয়। এইদৰে কৈ তেওঁ জগতৰ দুল্লভ কৃষ্ণৰ পদৰজ ঘঁহিলে।১৩৬২,১৩৬৩।।

আন এজনীয়ে পদৰজ ঘঁহা জনীক সমৰ্থন কৰে যদিও সতিনীৰ খোজত ধূলি ইয়াৰ লগতে মিহলি হৈ থকাৰ বাবে ঘঁহিবলৈ অপ্ৰস্তুত হয়।১৩৬৪।। তাইৰ খোজ দেখি তেওঁলোকৰ মন আকুল কৰে। কৃষ্ণৰ অধৰ অমৃত তাই অকলে পান কৰিবলৈ পাইছে বুলি আৰু চুৰ কৰি নি একেশ্বৰে মধু ভক্ষণ কৰিবলৈ পোৱা তাই তেওঁলোকৰ পৰম শত্ৰু বুলি মৰ্ম্মাহত হ'ল।১৩৬৫।। আন কেইজনীমান গোপীয়ে ক'লে যে তাইৰ খোজৰ চিন স্পষ্ট নহয়, বোধকৰো তাইক শূলে বিন্ধিব পাৰে আৰু প্ৰাণতকৈয়ো প্ৰিয় বুলি তাই দুঃখ পাব বুলিয়েই কৃষ্ণই তাইক দাঙি নিব পাৰে।১৩৬৭।। কামাতুৰ হৈ কৃষ্ণই তাইক বহন কৰিবলৈ বাধ্য হৈছে। খোজত দেখা গৈছে যে তাইক নমাই কৃষ্ণই থৈছে যেন লাগে।১৩৬৮।। ভৰিৰ খোজৰ গেৰুৱা অংশ পৰা দেখি সিহঁতে ভাবিলে যে কৃষ্ণই তাইক উৰুত বহুৱাই তাইৰ খোপা বান্ধি দিছে।১৩৬৯।। তাইৰ খোপাত ছাগে ফুল গুজি দিছিল আৰু কৃষ্ণই বাহুমেলি তাইক সাৰটি ধৰি আছিল।১৩৭০।।

এইদৰে কথাপাতি গোপীগণে মহাদুঃখেৰে কৃষ্ণক বিচাৰি ফুৰিছিল। পূৰ্ণকাম হৰিয়ে কি কাৰণে ক্ৰীড়া কৰিলে? এই তত্ত্ব বুজাবৰ কাৰণে অৰ্থাৎ কামাতুৰ পুৰুষৰ দুঃখ দেখুৱাবৰ কাৰণে আৰু তেনে পুৰুষে ঘৰ-বাৰী এৰি সুখ-

শান্তি হেৰুৱাই কেনেকৈ ৰাতিয়ে-দিনে স্ত্ৰীৰ পাছে পাছে ফুৰে, কৃষ্ণই ক্ৰীড়া কৰিছিল।১৩৭২।। কামী পুৰুষৰ লাঞ্ছনা অশেষ; পদে পদে তেনে পুৰুষে লাঞ্ছনা ভোগ কৰে। পুৰুষৰ দৰে দুৰ্জ্জন স্ত্ৰীসমূহেও লাঞ্ছিত হয়। গোপীগণে কৃষ্ণৰ লগত সঙ্গতি কৰি মহাগৰ্বী হৈ পৰিছিল।১৩৭৩।। কৃষ্ণই গোপীগণক ভজাদেখি গোপীগণে নিজকে মহা সুন্দৰী বুলি ভাবি ল'লে। গোপীয়ে ভাবিলে যে কৃষ্ণই গোপীৰ অনিন্দ সুন্দৰ ৰূপ-যৌৱন দেখি মুগ্ধ হ'ল।১৩৭৪।। সিহঁতে ভাবিলে যে তেওঁলোকৰ বাক্যমানি কৃষ্ণই সকলো কৰিবই। তেওঁলোকক ক্ষন্তেক সময় নাপালেই কৃষ্ণই ৰ'ব নোৱাৰে। সিহঁতৰ মাত শুনি কৃষ্ণই পাগলৰ দৰে হৈ পৰে।১৩৭৫।। কৃষ্ণৰ লগত থকা গোপীয়ে ভাবিলে যে—

বোকাত পৰিলে কৃষ্ণই দাঙি নিনিয়াকৈ নোৱাৰে। এনেদৰে ভাবি ভাবি গোপিকাই কৃষ্ণৰ ওচৰত ঠেহ পাতিলে।১৩৭৬।। তাই ব্যক্ত কৰিলে—

'হে কৃষ্ণ কিনো তুমি দাৰুণ পুৰুষ।
ভূমি পাৰে ফুৰো মই জীয়ন্তা মানুষ।।
চলিব নোৱাৰো আৰু মই এক ভৰি।
যৈকে মন নিয়া আবে যেন লাগে কৰি।১৩৭৭।।'

তাই ক'লে —'মই এজনী জীয়া মানুহ হৈ মাটিত খোজ কাঢ়িবলৈ অপাৰগ হৈছোঁ, তুমি বৰ নিষ্ঠুৰ হৈছা, কিয়নো ভৰিৰে খোজ কাঢ়িব নোৱাৰা এজনী স্ত্ৰীক তুমি দাঙি নিয়া নাই। তোমাৰ য'লৈকে মন যায় ত'লৈকে মোক লৈ যোৱা।'১৩৭৭।।

স্বভাবে চঞ্চল স্ত্ৰী আৰো পাইলে নাই।
ঈশ্বৰ কৃষ্ণকো তাইৰ গণাগণো নাই।।

নাৰীয়ে লাই পালে পুৰুষক গণ্য নকৰে। তাই কৃষ্ণৰ লাই পাই সাধাৰণ লোক বুলি কৃষ্ণক গণ্য নকৰি কান্ধত উঠিবলৈ উদ্যত হ'ল। কৃষ্ণই হাঁহি মাৰি ক'লে— 'যাব নোৱাৰা যদি মোৰ কান্ধত উঠিলোৱা।'১৩৭৮।। তাই কৃষ্ণৰ কথা শুনি কৃষ্ণৰ কান্ধত উঠিবলৈ গ'ল আৰু উঠিবলৈ ধৰোঁতেই কৃষ্ণ অন্তৰ্দ্ধান হ'ল।১৩৭৯।। তাই কৃষ্ণক নেদেখি থিয়য়ে মৰিল আৰু তাইৰ ধাতু উৰি গ'ল। তাই মাটিত পৰি কান্দিবলৈ ধৰিলে।১৩৮০।। তাই আৰ্তৰাৱ কৰি কান্দিবলৈ ধৰিলে। তাই ক'লে 'হা নাথ কৈক গৈলা আমাক উপেক্ষি।' 'মই তোমাৰ দাসী, হে নাৰায়ণ, অনাথৰ তুমি নাথ, মোক দৰ্শন দিয়া।১৩৮১।। মই দৰ্প কৰি নিজৰ চকু ফুটুৱালোঁ। তোমাৰ দৰে প্ৰভুক মই হাতে পাই হেৰুৱালোঁ। মই কুলক্ষনীয়ে তোমাৰ দ্ৰোহ আচৰণ কৰিলো, মোক ক্ষমা কৰা প্ৰভু, ভকতৰ ভয়হাৰী।' ১৩৮২।। গোপীজনীয়ে এইদৰে কৈ কান্দিবলৈ ধৰিলে। তেওঁ হাঁ কৃষ্ণ, হাঁ কৃষ্ণ বুলি কৈ মাটিত বাগৰি পৰিল।১৩৮৩।।

সেই সময়তে গোপীগণে গৈ তাইক লগপালেগৈ। তাইৰ কি হৈছে বুলি সোধাত আৰু কৃষ্ণ কলৈ গ'ল বুলি প্ৰশ্ন কৰাত তাই চকুমুখ মচি সবিশেষ ক'লে।১৩৮৪।। কৃষ্ণক পাবলৈ তাই সক্ষম নহ'ল, কুশেৰে তাইৰ ভৰি বিন্ধে বুলি কৃষ্ণই তাইক কোলাত তুলি ললে।১৩৮৫।। সেই গৰ্বত মই অন্ধ হৈ দম্ভ-অহঙ্কাৰ কৰি কৃষ্ণৰ কান্ধত উঠিবলৈ ধৰোতেই কৃষ্ণই তাইক এৰি গুচি গ'ল। কৃষ্ণই তাইক এৰি কলৈ গ'ল তাই ধৰিব নোৱাৰিলে।১৩৮৬।।

গোপীগণে গোপীজনীৰ কথা শুনি আচৰিত হ'ল আৰু তাইক লগত লৈ পুনৰ কৃষ্ণক বিচাৰিবলৈ ধৰিলে। চন্দ্ৰৰ পোহৰত তেওঁলোকে কৃষ্ণক বিচৰাত লাগিল আৰু পাছত ঘোৰ অন্ধকাৰ হোৱাত তেওঁলোকে ঘূৰি আহিল।১৩৮৭।।

তেওঁলোকে কৃষ্ণতে মন অৰ্পণ কৰি কৃষ্ণৰ আলাপ কৰিলে। কৃষ্ণগুণ গাই কৃষ্ণক বিলাপ কৰিলে। কৃষ্ণক নাপালে যদিও তেওঁলোকে নিজ গৃহৰ কথা সোঁৱৰণ নকৰিলে।১৩৮৮।। তেওঁলোকে কেশবৰ লগত ক্ৰীড়া কৰা স্থান কালিন্দীৰ বালিত স্থান ললে। বহল মণ্ডলাকাৰে সকলোৱে শাৰীপাতি বহিলে আৰু কৃষ্ণক প্ৰাৰ্থনা কৰিলে।১৩৮৯।। তেওঁলোকে উত্ৰাৱল কৈ কৃষ্ণগীতেৰে দশোদিশ মুখৰিত কৰিলে। কৃষ্ণৰ পদত মন নিৰ্বিষ্ট কৰিলে। ১৩৯০।।

**৫৬। গোপীসকলৰ কৃষ্ণ-স্তুতি ঃ**

কৃষ্ণৰ বিচ্ছেদত বেদনাকাতৰ হৈ গোপীগণে কৃষ্ণৰ গুণ বৰ্ণাই বালিত নামি গীত গাবলৈ ধৰিলে।১৩৯১।। 'হে কৃষ্ণ, তুমি গোকুলত জন্ম হোৱাৰ বাবে সকলোৱে সুখে-শান্তিৰে আছে। তোমাৰ লগতে লক্ষ্মীদেবীয়েও ব্ৰজত থাকি সমৃদ্ধি বঢ়াইছে। হে কৃষ্ণ, তোমাতে মন প্ৰাণ সপি তোমাকে বিচাৰি ফুৰিছোঁ। আমাৰ নিকাৰ শেষ কৰি তুমি দেখা দিয়া প্ৰভু।১৩৯২।। শৰত কালৰ বিকশিত পদ্মৰ দৰে নয়নৰ কটাক্ষ চাৱনিৰে আমাক মোহিত কৰিছিলা, তোমাৰ গীতে আমাৰ হৃদয় দগ্ধ কৰাত আমি তোমাৰ কাষলৈ দৌৰি আহিছিলোঁ।১৩৯৩।। কালিহ্রদৰ বিষময় জল, অঘাসুৰ, পুতনা, ইন্দ্ৰৰ বৰষুণ, চক্ৰবাত অসুৰ, বনাগ্নিৰ পৰা তুমি সকলোকে উদ্ধাৰ কৰিছিলা, এতিয়া তুমি কিয় আমাক দেখা দি

উদ্ধাৰ নকৰা?'১৩৯৪।।

'তুমি কেৱল নন্দ-যশোদাৰ তনয় নোহোৱা, তুমি সমস্ত প্ৰাণীৰে বুদ্ধি সাক্ষীৰূপে সকলোৰে দেহত সোমাই আছা। ব্ৰহ্মাই তোমাক জগতখন ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা কৰাত তুমি যদুকুলত অৱতাৰ ললাহি। তুমি ভকতৰ প্ৰাণ, ভকতক ত্যাগ কৰা তোমাৰ উচিত হোৱা নাই।১৩৯৫।। তুমি ভকতৰ ভয় আৰু সংসাৰ ভাবন্য আতৰ কৰি মনোৰথ পূৰণ কৰা, আমাক তোমাৰ মুখ পদ্ম প্ৰদৰ্শন কৰা।১৩৯৬।। সমস্ত প্ৰাণীৰ পাপ হৰণকাৰী, তুমি কালীৰ ফণাত নৃত্য কৰিছিলা। আমাৰ কামনাক মৰ্দন কৰি তোমাৰ পাদপদ্মৰ পৰশ আমাৰ স্তনত অৰ্পণ কৰা তোমাৰ চৰণৰ ধূলি লৈ আমি মৃত্যু হওঁ। মধুৰ বচনেৰে অধৰৰ অমৃত দি আমাক জীওৱা।'১৩৯৭।।

'তোমাৰ কথা-অমৃত পাণ কৰি মুক্তি লাভ কৰিব পাৰি, সকাম কৰ্মৰ যোগেদিও তোমাক পোৱা যায়, জ্ঞানীয়ে ও তোমাক স্তুতি কৰে, আমিও তোমাক সকাম ভাবে তোমাক স্তুতি কৰিছোঁ, মৰো মৰো হৈছোঁ। আমাক দেখা দিয়া।১৩৯৮।। তুমি আৰু কপট ভাব নাৰাখিবা, তোমাৰ হাস্য দৰিশন দি আমাক উদ্ধাৰ কৰা। আমি তোমাৰ মৰমত ব্যাকুল হৈছে; আমাক এৰা অনুচিত হৈছে।১৩৯৯।।

তুমি ব্ৰজত গৰু চৰাবলৈ গলে আমাৰ বৰ চিন্তা হয়, জানোচা তোমাৰ পাদ পদ্ম শিলত খুন্দাখাই আহত হৈছে বুলি, গধূলি আহি ঘৰ নোসোমোৱা লৈকে দিনৰ দিনটো আমি অশান্তিত কটাওঁ। অলকা-আবৃত গৰুৰ ধূলিৰে ৰঞ্জিত তোমাৰ মুখমণ্ডল দেখি আমি সন্তোষ পাওঁ।১৪০০।। ৰাতিয়ো তোমাৰ কথাকেই ভাবি ভাবি আমি ৰাতি কটাওঁ। আমাৰ হৃদয়ৰ আবেগ অনুভূতিবোৰ জানিয়ো আমাক দৰ্শন নিদিয়া কিয়?১৪০১।। যি পাদপদ্ম ব্ৰহ্মাই আৰ্চন কৰে, যাৰপাদ পদ্মক স্মৰণ কৰি বিপদৰ পৰা উদ্ধাৰ হ'ব পাৰি, ভকতৰ মনোবাঞ্ছা যাক সাধনা কৰি পূৰ্ণ হয়, মুনিয়েও যি পাদপদ্ম বিচাৰে, সেই পাদপদ্ম আমাৰ স্তনত অৰ্পণ কৰি আমাৰ মনৰ ব্যাধি দূৰ কৰা।'১৪০২।।

'পৰম মোহন বংশীৰ শব্দই সকলোৰে হৃদয় ৰঞ্জিত কৰে। সাৰ্বভৌম বজা হোৱাৰ সুখতকৈ এই বংশীৰ শব্দৰ সুখ অধিক মনোহৰ। তোমাৰ মোহন মুৰুতি দেখিলে সকলোৰে দুঃখ, ভয়, শোক আতৰি যায়। এনে মূৰ্তি আৰু অধৰামৃত দি আমাক জীওৱা।'১৪০৩।। গোপীগণে অনেক কাৰ্পূণ্য কৰি কান্দি কান্দি কৃষ্ণগীত গালে। কৃষ্ণৰ আনন্দময় মুখ দেখিলে তেওঁলোকৰ দুঃখ আৰু অনন্ত বেদনা দূৰ হ'ব। তেওঁলোকে সন্ন্যাসী-যোগিনীৰ দৰে সকলো ত্যাগ কৰি কৃষ্ণক ভজিছে।১৪০৪।। তেওঁলোকৰ প্ৰতিক্ষণ সময় কৃষ্ণৰ বিৰহত উৎকণ্ঠাৰে ভৰি পৰে। কৃষ্ণৰ গুণৰাশি বৰ্ণাই আৰু তেওঁলোকৰ হৃদয় আগুৱা বেদনা প্ৰকাশ কৰি কৃষ্ণক দৰ্শন দিবলৈ কাকূতি-মিনতি কৰিবলৈ ধৰিলে। তেওঁলোকৰ চেতনা হেৰাই গ'ল, প্ৰেম-ভাৱে হৃদয় ভৰপূৰ হ'ল, কৃষ্ণতে প্ৰাণ অৰ্পিত হ'ল, কৃষ্ণ-কৃষ্ণ বুলি চিৎকাৰ কৰি উঠিল।১৪০৫-১৪১০।।

'হাঁ কৃষ্ণ প্ৰাণনাথ বুলি চপৰায়া নাথ
মকমতিকান্দে কতো পড়ি।
কৃষ্ণৰ বিৰহে দহে ধাৰায়ে লোতক বহে
কতো ফুৰৈ মাটিত বাগৰি।।
যমুনাৰ বালি বেঢ়ি কৃষ্ণ বুলি পাৰে গেড়ি
গগণ লঙ্ঘিল সিটো ধ্বনি।
সমস্ত সমাজে ঢাকি হৰি হৰি বোলা ডাকি
পাতকত লাগোক অগণি।।'১৪১০।।

কৃষ্ণৰ বিৰহৰ দাবানলত তেওঁলোকৰ দেহপুৰি যেন ছাৰখাৰ হ'ল, মাটিত বাগৰি বাগৰি দেহ শেষ কৰি দিব যেন, আকাশ লঙঘা মাতেৰে চিঞৰি চিঞৰি কৃষ্ণক মাতিছে।

**৫৭। কালিন্দীৰ উপকূলত কৃষ্ণৰ লগত গোপীৰ পুনৰমিলনঃ**

শুকমুনিয়ে পৰীক্ষিতক ক'লে—'ভকতিৰ ভিতৰত সপ্ৰেম ভক্তি শ্ৰেষ্ঠতম।' গোপীগণে কৃষ্ণক সপ্ৰেম ভকতি কৰাত কৃষ্ণৰ হৃদয় গলিল, দ্ৰবীভূত হ'ল চিত্ত, প্ৰেমত নয়নৰ জল ওলাই আহিল।১৪১১।। ভকতৰ দুঃখ দেখি তেওঁৰ হৃদয়ে সহিব নোৱাৰা হ'ল। তেওঁ অতি আথে-বেথে আহি গোপীগণৰ মাজত মোহন বাংশী বজাই উপস্থিত হ'ল।১৪১২।।

'হাঁসো হাঁসো কৰে আতি বদন মণ্ডল।
অৰুণ পঙ্কজ জ্যোতি নয়ন যুগল।।
তিলফুল সম নাসা ৰাতুল অধৰ।
কুন্দকৰি সম দন্ত পান্তি মনোহৰ।।'১৪১৩।।

তেওঁৰ কপালত তিলক, অলকাৰ পান্তি, মূৰত মণিময় মুকুট, আকুঞ্চিত

কেশগুচ্ছ, চূড়ামণি, কৰ্ণত মকৰকুণ্ডল (গণ্ডস্থলত) জিকমিক কৰে।১৪১৪।। দুই কৰ্ণ অতি ৰুচিকৰ আৰু সুবলিত, কৌস্তুভে শোভিত মনোহৰ কুম্বকণ্ঠ, কেয়ুৰে ৰঞ্জিত আজানুলম্বিত ভুজযুগল, নৱকিশলয়ৰ দৰে কঙ্গনে ৰঞ্জিত কৰ যুগল—চালে চকুৰোৱা।১৪১৫।। সুদীৰ্ঘ আঙুলিত নখচন্দ্ৰ; ৰত্নখচিত সোণৰ আঙঠি, বহল হৃদয়ত মুকুতাৰ হাৰ, পেচন্দাৰ জিক্‌মিকনিৰে কৃষ্ণৰ কান্তিময় জ্যোতি দেখি ভক্তৰ হিয়া শাঁত পৰে।১৪১৬।। তেওঁৰ তনু নীলগগনৰ দৰে, পীতবস্ত্ৰই সজল মেঘত বিজুলী সঞ্চাৰে, কটিত মেখলাই শোভা কৰে। ডিঙিত পঙ্কজৰ মালাই আপাদলম্বিত হৈ শোভি থাকে।১৪১৭।। কৃষ্ণৰ মাধুৰ্য্য মূৰ্ত্তিৰ আকৰ্ষণীয় সৌন্দৰ্য আৰু গাম্ভীৰ্য্যৰ প্ৰধান কাৰক সমূহ হৈছে- উদৰত আৰকত তিনিৰেখা, গম্ভীৰ নাভিদেশ, চাৰুউৰু জঙঘাদ্বয়, পীতভূনি, জঙঘাত হোড়ৰ, পাদপদ্মত সোণৰ নূপুৰ, দহ আঙুলিত ৰত্নৰ উজ্জ্বন্তি, আৰকত নখচন্দ্ৰচয়, ৰাতুল-সুকোমল পদতলদ্বয়, পদত পঞ্চচিহ্ন, ললিত ত্ৰিভঙ্গ আদি। এই সুন্দৰ মূৰ্ত্তিয়ে ভুৱন-ভূলায়।১৪১৮-১৪২১।।

এনে সুকুমাৰ মূৰ্ত্তি কোটি চন্দ্ৰমাৰ দৰে বিদিত হৈ বৃন্দাবনক কান্তিময় কৰি তোলে। তেওঁক দেখি মদনৰো মন মুগ্ধ হয়।১৪২২।। গোপীগণে হঠাতে চকুৰ আগত কৃষ্ণক দেখি শৰীৰ শান্ত হ'ল,সন্তাপ আতৰিল, প্ৰাণ পাই যেন জী উঠিল, মদন ব্যাধি দূৰ হ'ল।১৪২৩।। সকলো গোপীয়ে 'জীলোঁ জীলোঁ' বুলি উঠি আহি কৃষ্ণক বেৰি ধৰিলেহি, কৃষ্ণৰ চৰণত পৰি সেৱা জনায়।১৪২৪।। তেওঁলোকে কৃষ্ণক, হাতত, কঁকালত ধৰি আকোঁৱালি ধৰে।১৪২৫।। ভৰিত তেওঁলোকে পৰি বিনয় বচনেৰে নিজৰ দুঃখ-বেদনাৰ কথা কয়।১৪২৬।। তেওঁলোকে পৰম ভক্তিৰে কৃতাঞ্জলি কৰি পদত আৰু হাতত ধৰি থাকিল।১৪২৭।।

গোপিকাৰ মদনে বিহবল কৰে, কৃষ্ণৰ চৰণ নিজৰ স্তনত লগাই নিজকে অৰ্পণ কৰে। প্ৰেমৰসে তেওঁলোকৰ চিত্তক আকুল কৰে, কৃষ্ণৰ চৰণৰ ধ্বজ-বজ্ৰ পঙ্কজক হৃদয়ত ঘঁহে।১৪২৮।। কোনো কোনো গোপীয়ে কৃষ্ণৰ পঙ্কজ নয়নলৈ চাই চাই মনৰ হেঁপাহ পলুৱায় আৰু কৃষ্ণৰ চৰণ হৃদয়ত চিন্তি সন্তোষ লাভ কৰে।১৪২৯।। কোনোজনীয়ে চকুৰ পৰা দৃষ্টি আনি হৃদয়লৈ পঠায় আৰু সৰ্বাঙ্গতে পুলক অনুভৱ কৰে। আনন্দৰ চকুলো বৈ যায়, মহাযোগীয়ে ধ্যানত পৰমাত্মাক পোৱাৰ দৰে হৃদয়তে কৃষ্ণক পাই আনন্দ কৰে।১৪৩০।।

কৃষ্ণক চাই চাই গোপীগণৰ শৰীৰ আৰু মন উচ্চল হৈ উঠিল আৰু বিৰহৰ তাপ আতৰি গ'ল। আনন্দই তেওঁলোকৰ হিয়া নধৰা হ'ল। ভকতৰ সঙ্গপালে ঘোৰ সংসাৰীলোকে তৰি যোৱাৰ দৰে তেওঁলোকেও কৃষ্ণক পাই উত্ৰাৱল হ'ল।১৪৩১।। মনৰ শোক এৰি তেওঁলোকে চাৰিওফালৰ পৰা কৃষ্ণক বেঢ়ি ললে, গোপীৰ মাজত কৃষ্ণ দীপ্তি মান মণিৰ দৰে জিলিকি উঠিল। ক'লামেঘত বিজুলিৰ চিক্‌মিকনিৰ দৰে কৃষ্ণয়ো গোপীৰ মাজত উদ্‌ভাসিত হৈ পৰিল।১৪৩২।। সকলোৰে প্ৰতি কৃপা পৰশ হৈ কৃষ্ণই আশ্বাসবাণী বুলিলে, সকলোৰে প্ৰতি সদয় হৈ হাঁহি মাৰি চালে আৰু কৃষ্ণৰ কটাক্ষত যেন অমৃতৰ প্ৰবাহ বৈ গ'ল আৰু তেওঁলোক কৃতকৃত্য হ'ল।১৪৩৩।।

ইয়াৰ পাচত গোপীগণক লৈ বনমালীয়ে যমুনাৰ বালিত নামিলেগৈ। তুলীৰ দৰে সুকোমল বিচিত্ৰ বলুকাত তেওঁলোকে সমবেত হ'ল। চাৰিওফালে সুশীতল জলবায়ু ববলৈ ধৰিলে।১৪৩৪।। পুষ্পৰ সুৰভিয়ে বায়ু মণ্ডল মধুময় কৰি তুলিলে, বসন্তৰ মলয়পবন ব'বলৈ ধৰিলে। প্ৰস্ফুটিত মন্দাৰ, কুন্দ ফুলৰ গন্ধত যমুনাৰ বালি মুখৰিত হৈ উঠিল। মধুমত্ত ভ্ৰমৰৰ ৰোল গুঞ্জৰি উঠিল।১৪৩৫।। কুকিলৰ কুহু কুহু ধ্বনি প্ৰতিধ্বনিত হ'ল, শাৰদীয় চন্দ্ৰমাৰ জ্যোৎস্নাই যামিনী উদভাসিত কৰি তুলিলে, পদ্মবনত পক্ষীবোৰে আৰাও কৰিলে, মনৰ মাজত মদনৰ উন্মাদনা জাগি উঠিল।১৪৩৬।। গোপিনীগণে এনে মধুময় যমুনাৰ বালিত সন্তোষ চিত্তেৰে মাধৱক মাজত ৰাখি বহিলে আৰু আনন্দ উৎসৱৰ আয়োজন হ'ল।১৪৩৭।।

প্ৰাণবন্ধু মাধৱক সন্মান কৰি আচল পাতি মাধৱক বহিবলৈ দিলে। অন্তৰ্য্যামী হৃষীকেশে ত্ৰিভুবন মোহন সুন্দৰ ৰূপ ধৰি তাত উপবিষ্ট হ'ল।১৪৩৮।। গোপীসবে মান্য কৰি কৃষ্ণক শুশ্ৰূষা কৰিলে। কোনো জনী গোপীয়ে কৃষ্ণৰ পদ কোলাত থৈ পিতিকিবলৈ ধৰিলে; কোনোজনীয়ে কৃষ্ণৰ বাহুক কান্ধত লৈ ঘহিবলৈ ধৰিলে আৰু প্ৰেম ৰসত সিক্ত হৈ কৃষ্ণক সতৃষ্ণ নয়নেৰে চাবলৈ ধৰিলে।১৪৩৯।। গোপীগণে কৃষ্ণৰ কৰ্পূৰ তাম্বুলৰ যোগান ধৰিলে, মূৰত সুৰভি ফুল সিঞ্চিলে আৰু কোমল ফুলৰ থোপাৰে বা দিবলৈ ধৰিলে।১৪৪০।।

কোনোজনী গোপীয়ে কৃষ্ণৰ পিঠিফালে বহি কৃষ্ণক সাৰটি নিজৰ গাত আৰজাই লয়। কোনোৰে কৃষ্ণৰ উৰু-জঙঘাক মৰ্দ্দন কৰে।১৪৪১।।

কৃষ্ণই বিশ্বৰ সৌন্দৰ্য একেলগে প্ৰকাশ কৰি নিজক বিৰাজিত কৰে।

গোপীগণে চকুৰে চকুৰে কৃষ্ণৰ বিষয়ে কথা পাতিলে।১৪৪২।। গোপীগণে কৃষ্ণৰ মুখৰ পৰা কথা উলিয়াবলৈ যত্ন কৰিলে।১৪৪৩।। 'কোনো কোনো মানুহে উপকাৰীজনক উপকাৰ কৰে। সাধুসবেও কেতিয়াবা উপকাৰীক উপকাৰ নকৰে। তেওঁলোকে সকলোকে সমভাবেহে চায়।১৪৪৪।। তেওঁলোকে উপকাৰী উদাসীন দুই বিধতে মন নিদিয়ে। তেনেলোক কোন, আমাক কওক' বুলি গোপীয়ে কৃষ্ণক প্ৰশ্ন কৰে। তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ কৃষ্ণই অভিপ্ৰায় বুজি দিবলৈ ধৰিলে।১৪৪৫।। যি উপকাৰীক উপকাৰ কৰে, সুহৃদ নহ'লেও যি জনে উপকাৰ কৰে, নিজৰ অৰ্থে যি কৰ্ম কৰে, তেনে লোকত কৈ উপকাৰ নকৰাজনকো যি উপকাৰ কৰে, সেইজনে হে প্ৰকৃতাৰ্থত মহাধৰ্ম কৰে। উপকাৰী, উদাসীন দুয়োতে মন নিদিয়া জনৰ চাৰিবিধ লক্ষ আছে।১৪৪৬,১৪৪৭।।

ওপৰত উল্লেখ কৰা লোকৰ চাৰিবিধ লক্ষণ আছে— সকলো মিছা দেখা মহাব্ৰহ্মজ্ঞানী, পূৰ্ণভোগত ইচ্ছা নোহোৱা, কাকো নমনা আৰু গুৰু দ্ৰোহী, দোষ-গুণৰ জ্ঞান নাইকীয়া মহামূঢ়— এই চাৰিবিধে কাকো ভজনা নকৰে। গোপীগণে কৃষ্ণৰ কথা শুনি মুখ জপাই হাঁহি ইজনীয়ে সিজনীলৈ চাই থাকে।১৪৪৮-১৪৪৯।।

গোপীগণৰ প্ৰতি লক্ষ্য কৰি কৃষ্ণই ক'লে যে তেওঁ চাৰিবিধ লোকৰ বাহিৰত। ভকতহে তেওঁৰ সুহৃদ আৰু প্ৰাণ স্বৰূপ। কৃষ্ণই তেওঁলোকক কিয় এৰি গৈছিল, সেই বিষয়েও ক'লে যে কৃষ্ণক নাপালে তেওঁলোকে মনতে কৃষ্ণক চিন্তিব, সেই কাৰণে তেওঁ ভকতক দেখা নিদিয়াকৈ থাকে। ধনীলোকে ধন হেৰুৱাই, পানীএটোপা নোখোৱাকৈ কেৱল ধনৰ কথাকে চিন্তি থাকে।১৪৫০,১৪৫১।। সেইদৰে 'তোমালোকেও মোৰ বাবে বেদধৰ্ম, পতি, পুত্ৰ, জ্ঞাতি ত্যাগ কৰি মোতে চিত্ত দিলা।'১৪৫২।। 'মই তোমালোকৰ প্ৰেম-ভকতি বঢ়াই তোমালোকৰ পাছে পাছে মোৰ গুণানুকীৰ্ত্তন শুনি ফুৰোঁ। হে সখীসৱ, মোক ভুল নুবুজিবা,।১৪৫৩।।

'তোমালোকে দুস্ত্যজ গৃহৰ সুখ-শান্তি ভোগ-উপভোগ এৰি মোৰ পৰম যতনে ভজিলা, তোমালোকৰ ভক্তিয়ে মোক অধীন কৰিলে, চিৰকালে তোমালোকৰ ধাৰ শুজিব নোৱাৰিম।১৪৫৪।। সঁচা কথা ক'বলৈ হ'লে তোমালোকৰ প্ৰেম ভকতিত মই বন্দী হ'লো। তোমালোকে মোৰ দোষ এৰি প্ৰেম আৰু স্নেহেৰে মোক গ্ৰহণ কৰিলে মোৰ ধাৰ শুজা হ'ব।১৪৫৫।।

এইবুলি কৃষ্ণই ওচৰ চাপি আহি গাৰে গাৰে হাত বুলাই আশ্বাস কৰিলে। কৃষ্ণই ক'লে— 'মোলৈ চাই সকলো কষ্ট পাহৰি পেলোৱা, তোমালোকৰ দুঃখ দেখি মোৰ হৃদয় দ্ৰবীভূত হৈছে।১৪৫৬।। কৃষ্ণই সকলোৰে মুখত হাতবুলাই মৰম কৰিলে। কোনো কোনো গৰাকীক সাৱটি ধৰি কোলাত বহোৱালে। সতৃষ্ণ নয়নেৰে চাই সকলো গোপীক সন্তোষ্টি দিলে।১৪৫৭।। কৃষ্ণৰ পৰা মৰম আৰু সন্মান পাই তেওঁলোক উৎফুল্লিত হ'ল। কৃষ্ণৰ বচন শুনি বিৰহৰ তাপ দূৰ হ'ল। তেওঁলোকে যেন হাতমেলি স্বৰ্গখনকে ঢুকি পালে। আনন্দত বিভোৰ হৈ তেওঁলোকে কৃষ্ণক বেঢ়ি ধৰি কেলি কৰিবলৈ আৰম্ভ কৰিলে।১৪৫৮।।

**উপদেশ ঃ** কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে সকলোকে আহ্বান জনাই কৈছে যে মানৰ জীৱন অথিৰ, কেতিয়া এই শৰীৰৰ পতন ঘটিব, তাৰ ঠিক নাই। কলিযুগত মানুহৰ পৰম আয়ু তেনেই কম। কম সময়ৰ ভিতৰতে কলিযুগত ভগৱন্তক ভজি মানুহে মুক্তি পাব পাৰে। কৃষ্ণ-কীৰ্ত্তন কলিযুগৰ মুক্তিৰ মহান পথ। গতিকে ভগৱন্তৰ পৰম মঙ্গল নাম শ্ৰৱণ, কীৰ্ত্তন, অহৰ্নিশে কৰিবলৈ চিত্ত স্থিৰ কৰিব লাগে। তেহে ঘোৰকলিৰ মলিৰ পৰা পৰিত্ৰাণ পাব পাৰি।১৪৫৯।।

**৫৮। কৃষ্ণৰ ৰাসলীলা ঃ**

শুক মুনিয়ে মহাৰাজ পৰীক্ষিতৰ আগত কৃষ্ণৰ মহাৰাসলীলাৰ বিষয়ে ক'বলৈ ধৰিলে। গোপীসকলক বাক্যৰ দ্বাৰা পৰম সন্তোষিত কৰি গোবিন্দই বৃন্দাবনৰ যমুনাৰ তীৰত কেলি কৰিবলৈ ধৰিলে। তেওঁ গোপীসকলৰ লগত হাস-পৰিহাস কৰি মদন বিলাসেৰে নানা কেলি ক্ৰীড়া কৰিবলৈ উদ্যত হ'ল। তেওঁ গোপিকাসকলৰ স্তনত নখেৰে ক্ষত কৰি পৰম আনন্দ পালে। কোনো জনীৰ বুকুৰ বস্ত্ৰ টানি আনিলে আৰু বুকুত সাৱটি ললে, কাৰোবাৰ অধৰত চুম্বন কৰিলে, মুখত চুম্বনৰ পৰশ দি দুইহাতেৰে আকোঁৱালি ল'লে।১৪৬০।।

কৃষ্ণৰ পৰা সন্মান লাভ কৰি গোপীগণে কাম বিলাস কৰিবলৈ ধৰিলে। তেওঁলোকে কৃষ্ণক আবৰি কৃষ্ণৰ পীতবস্ত্ৰ কাঢ়ি ললে।১৪৬১।। কোনো জনীয়ে কৃষ্ণৰ বাঁহীটো কাঢ়ি নিলে, কোনোজনীয়ে কঙ্কন, কুণ্ডল কাঢ়ি নিলে, মাধৱে গোপীগণৰ পৰা নিজৰ বস্তুবোৰ বিচাৰিলে, বস্তুবোৰ ঘূৰাই দিলে মাধৱে সিহঁতৰ মনৰ আশা পূৰাব বুলি ক'লে। কৃষ্ণৰ কথা শুনি গোপীগণে হাঁহি হাঁহি কৃষ্ণক বস্ত্ৰভূষণ পিন্ধালে।১৪৬২।।

গোপীসবৰ আনন্দ উলাহ দেখি তেওঁলোকক কৃষ্ণই ৰাসকেলি কৰিবলৈ আহবান জনালে। কৃষ্ণই গোপীসকলক হাতে হাতে ধৰি যমুনাৰ বালিলৈ নিলে। মণ্ডলাকাৰে গোপীসকলক কৃষ্ণই শাৰী পতালে।১৪৬৩।। কৃষ্ণই নিজৰ যোগমায়াৰ বলত যিমান গোপী আছিল, সিমানজন কৃষ্ণ হৈ বাহু মেলি অতি মৰমেৰে গোপীক আলিঙ্গন কৰিলে। গোপীৰ ডিঙিত ধৰি দুজনী গোপীক এক কৰি মাজত কৃষ্ণ সোমাই পৰিল। কৃষ্ণই মোহনীয় ৰূপ ধাৰণ কৰি দুগৰাকী গোপীৰ মাজত এজনকৈ কৃষ্ণহৈ দুয়োকে আলিঙ্গন কৰিলে। গোপীয়ে লয়লাস গতিৰে নৃত্যকৰি কৃষ্ণ-গীত গালে, কৃষ্ণই মাজত নানা ভঙ্গিমাৰে নৃত্য কৰিলে।১৪৬৫।।

নৃত্য কৰোঁতে বলয়া-কঙ্কন ৰুণঝুণ শব্দ কৰিবলৈ ধৰিলে, নুপুৰ ধ্বনিত হ'ল, অসংখ্য গোপীৰ অলঙ্কাৰৰ ধ্বনিয়ে গীতৰ সুৰে মহাধ্বনিৰ সৃষ্টি হ'ল। গীতৰ ধ্বনিত অমৃতৰ প্ৰবাহ উথলি উঠিল,।১৪৬৬।। দেবগণে সেই ধ্বনি শুনি আনন্দমনেৰে তাত প্ৰবেশ কৰিলে। দেবগণে আকাশত শাৰী শাৰীকৈ বিমান ৰখাই মহাৰাসৰ আনন্দ উপভোগ কৰিলে। তেওঁলোকে আকাশৰ পৰা পুষ্পবৃষ্টি কৰিলে, এক দৃষ্টিৰে চাবলৈ ধৰিলে আৰু দুন্দুভিৰ শব্দ কৰিলে। গন্ধৰ্বগণে, অপ্সৰা সকলে কৃষ্ণৰ যশ-কীৰ্ত্তন কৰিলে।১৪৬৭।। তেওঁলোকে আনন্দত অধীৰ হৈ মৃদঙ্গ কৰতাল আদি বজালে, মৃদঙ্গৰ ধ্বনিৰ ছেৱে ছেৱে গোপীগণে নাচিবলৈ ধৰিলে। সোণৰ মণিৰ মাজত মৰকত জিলিকি উঠাৰ দৰে দুই গোপীৰ মাজত কান্তিময় কৃষ্ণ উজ্বলি উঠিল। গোপীগণে নানা ভঙ্গিমাৰে পদচালনা কৰি লয়লাসে নাচিলে। তেওঁলোকে কৃষ্ণলৈ চাই মধুময় হাঁহি মাৰিলে।১৪৬৮,১৪৬৯।। গণ্ডস্থলত মকৰ কুণ্ডল জলমল কৰি দোলিবলৈ ধৰিলে। গোপীৰ ডম্বৰুৰ দৰে সৰু কঁকাল হালি পৰিল আৰু স্তনৰ ওপৰৰ বস্ত্ৰ লৰিবলৈ ধৰিলে। মেখলা, কাঙ্কলি শিথিল হৈ পৰিল, খোপা সোলকিল, খোপাৰ ফুলৰ থোপা খহি পৰিল।১৪৭০।।

তেওঁলোক মদনত উন্মত্ত হ'ল, সংসাৰৰ দুঃখ পাহৰি গ'ল, কেৱল কৃষ্ণত চিত্ত মগ্ন হ'ল। তেওঁলোকৰ মুখমণ্ডলৰ পৰা ঘামবোৰ সৰি পৰিল, ভ্ৰমৰবোৰে বেৰি বেৰি সুৰভিৰ লোভত গুঞ্জন কৰিলে।১৪৭১।।

সজল মেঘত বিজুলিৰ চিক্‌মিকনি ওলোৱাৰ দৰে কৃষ্ণৰ বিশ্ববিমোহন অসংখ্য মূৰ্ত্তিৰ চৌদিশে গৌৰাঙ্গ (বগা অঙ্গৰ) গোপিকাচয়ে শোভা কৰিছিল। কৃষ্ণৰ গুণ-গীতবোৰ যেন সেই মেঘৰ গাজনি, নিৰ্গত হোৱা ঘৰ্ম্ম বিন্দুবোৰ যেন মেঘৰ বৃষ্টিজল, বৈজয়ন্তীমালা যেন ইন্দ্ৰধনুহে দেখা দিছিল।১৪৭২।।

পৰম প্ৰেমত আপ্লুত হৈ গোপীৰ কণ্ঠত কৃষ্ণই বাহু মেলি ধৰিছিল, গোপীকাৰ মনৰ বাঞ্ছা পূৰণ কৰি নাৰায়ণে মদন কেলি কৰিছিল। কৃষ্ণৰ পৰা অনাবিল মৰম আৰু সন্মান পাই গোপীগণে প্ৰীতিৰ সাগৰত ডুব গৈছিল। কৃষ্ণ-গীতে নানা ৰাগত ৰঞ্জিত হৈ দিশ-বিদিশ মুখৰিত কৰি তুলিলে।১৪৭৩।। গোপীসকলৰ লগতে পঞ্চম ৰাগত গোবিন্দয়ো গীত গালে। দেৱতাৰ ৰমণী সকলে বিমানত ৰৈ কৃষ্ণ-গোপীৰ ৰাসকেলি দেখি কামবানত মগ্ন হৈ মূৰ্চ্ছা গ'ল। গোপী সকলৰ বলয়া চেতনা হেৰাই গৈছিল যদিও চেতনা পাই স্বামীক দেখি লজ্জা অনুভৱ কৰিছিল।১৪৭৪।। অপেস্বৰা গণে গীতৰ ধ্বনিত দগ্ধ হ'ল, কামত ভোল গ'ল, মাত-বোল নোহোৱা হ'ল আৰু চকু থৰ লাগিল। সিদ্ধ, বিদ্যাধৰ, গন্ধৰ্ব, কিন্নৰ সকলোৱে মোহিত হ'ল।১৪৭৫।।

**লিখক কবিৰ পৰিচয় ঃ**

লোহিতৰ পাৰত শস্যে, মৎস্যে অনুপম বৰদোৱা নামে এখন গাঁওত ৰাজধৰ নামে কায়স্থকুলৰ গ্ৰামেশ্বৰ আছিল। তেওঁৰ পুত্ৰৰ নাম সূৰ্যবৰ মহাদানী, মানী আৰু বিশিষ্ট ব্যক্তি আছিল। তেওঁৰ দুজন ভাতৃৰ নাম—জয়ন্ত আৰু মাধৱ দলৈ।১৪৭৬।। সূৰ্য্যবৰৰ পুত্ৰ হৈছে কুসুম্বৰ। কুসুম্বৰৰ পুত্ৰ শ্ৰীমন্ত শঙ্কৰদেৱ। তেৱে কৃষ্ণৰ পদত সেৱা জনাই দশমৰ পদ ৰচনা কৰিলে। তেওঁ সকলো পাঠকক কৈছে যে তেওঁ বিভিন্ন শাস্ত্ৰৰ টীকা, ভাষ্য চাইহে দশমৰ পদ ৰচনা কৰিছে বাবে তেওঁক কোনেও নিন্দা নকৰিবলৈ কৈছে।১৪৭৭।। লিখনিত যদি কিবা বঢ়া কথা দৃষ্টিগোচৰ হয়, সেই অপৰাধ ক্ষমা কৰিবলৈ তেওঁ অনুৰোধ কৰিছে; কাৰণে ব্যাসেও কথাত ৰহন দি লিখিছিল। আন আন মহাকবি সকলেও মূল কথা ঠিক ৰাখি তাত কিছু ৰহন দি লিখে আৰু সেইসকলক কোনেও নিন্দা নকৰে। সাধুসকলৰ ক্ষমাই ভূষণ। কৃষ্ণ কথাত সকলো জাতি-উপজাতিয়েও বিচাৰ নকৰে; মহা পাতকীয়েও যি কথা শুনি সন্তোষ পায়, সেই কৃষ্ণকথাত নিন্দাৰ স্থান নাই। মহা মূঢ় জনেহে কৃষ্ণকথাত দ্ৰোহ আচৰে। তেওঁলোকে নিজে আত্ম-ঘাতী হয়।১৪৭৮।।

কবিয়ে কৈছে—

'শুনা সামাজিক জন কালে ধাৰে কেতিক্ষণ

হাতে বাটে কৈত গড়ে কায়া।
কৃষ্ণৰ ভকতি ধৰা মিছা মোৰ মোৰ কৰা
ইটো স্বপ্ন সম সবে মায়া।।'

'হে সামাজিক লোক, কালে কেতিয়া ধৰে ঠিকনা নাই, হাতে, বাটে ক'ত দেহা পৰিব তাৰ নিশ্চয়তা নাই; মিছা মোৰ মোৰ বুলি সকলোকে সাৰটি থকা অৰ্থহীন, পুত্ৰভাৰ্য্যা ধন জন সকলোবোৰ মোৰ বুলি ভবা মিছা সকলোবোৰ সপোন মাত্ৰ, মায়াৰ আচ্ছন্ন। ভাৰতত জন্মগ্ৰহণ কৰিবলৈ পোৱাটো পৰম ভাগ্যৰ কথা বুলি মহাভাগৱতে কয়। তদুপৰি কোটি কল্পান্তৰত নৰদেহ পোৱা যায়। বহুত পুণ্যৰ বলতহে নৰজন্ম লাভ হয়।১৪৭৯।। দেৱগণেও নৰজন্ম পাবলৈ বাঞ্ছা কৰে। এনে মূল্যৱান জীৱন ব্যৰ্থে পঠাব নালাগে। অসংখ্য মহাযজ্ঞ, কোটি তীৰ্থস্নান কৰি যিফল পোৱা হয়, হৰিনাম তাতোতকৈ বহুগুণ শ্ৰেষ্ঠ। কলিযুগত নামত হে গতি পোৱা যায়। সেইবাবে অন্য ধৰ্ম্মপথ এৰি নাম ধৰ্ম্মত হে আশ্ৰয় ল'ব লাগে। অক্ষয় পুণ্যৰ ভঁৰাল ভৰাবলৈ নিজক প্ৰবঞ্চনা নকৰিবলৈ সকলোৱে ৰাম নাম সাৰ কৰা উচিত।১৪৮০।।

শুকে ৰজাক কৃষ্ণ আৰু গোপীৰ অনন্তমেলৰ লীলাৰ বিষয়ে ক'বলৈ ধৰিলে; গোপীৰ নৃত্য আৰু গীতক মাধৱে ভুৰি ভুৰি প্ৰশংসা কৰিলে।১৪৮১।। মাধৱে গোপীৰ আনন্দ বঢ়াই পুনঃপুনঃ আলিঙ্গন কৰিলে। নাচি, গীত-গাই তেওঁলোকৰ অত্যন্ত ভাগৰ লাগিলে।১৪৮২।। কিছুমান গোপীয়ে কৃষ্ণৰ লগত ক্ৰীড়া কৰি আকুল হ'ল, বলয়া খহিল, খোপাৰ ফুল সোলকি পৰিল। তেওঁলোকে কৃষ্ণৰ গাতে আৱজি অতি মৰমেৰে কান্ধত বাহুমেলি ধৰিলে। ১৪৮৩।। কোনো গোপীৰ মুখৰ মাত নোলোৱা হ'ল আৰু শান্ত হৈ কৃষ্ণৰ কোলাত শয়ন কৰিলে। কৃষ্ণই দুই হাতে মেলি সাৰটি ধৰিলে। কৃষ্ণৰ কোলাতে গোপী টোপনি গ'ল।১৪৮৪।।

কোনোজনীয়ে ৰতিৰস উপভোগ কৰি কামনা পূৰ কৰিলে, ভাগৰ লগাত গাৰ ঘাম ওলাল, কৃষ্ণই গোপীৰ দেহ শাঁত কৰিলে কাপোৰৰ আগেৰে বিচিবিচি।১৪৮৫।। কোনো গৰাকীক আশ্বাস কৰি কৃষ্ণই নিজৰ উৰুত বহোৱাই চুলিৰ খোপা বান্ধি দিছিল, অমৃত-শীতল হাতেৰে দেহ মোহাৰি দিছিল আৰু তামোল খুৱাই দিছিল।১৪৮৬।। তেওঁ গোপীৰ দেহত অগৰু চন্দন সানি দিছিল, কৃষ্ণৰ মধুৰ আপ্যায়নত গোপীগণে পৰম সন্তোষ লাভ কৰি পুনৰ কেলি কৰিবলৈ সাজু হ'ল।১৪৮৭।। উৎপল, সুগন্ধি, কৃষ্ণবাহু কান্ধত লৈ গোপীয়ে শুঙিবলৈ ধৰিলে। তেওঁলোকৰ তনু ৰোমাঞ্চিত হ'ল আৰু আনন্দ মনেৰে কৃষ্ণৰ বাহু যুগলত চুমা খাবলৈ ধৰিলে।১৪৮৮।। কৃষ্ণই নৃত্য কৰাত মকৰ কুণ্ডল লৰিবলৈ ধৰিলে, গণ্ডস্থলত কুণ্ডলৰ ৰশ্মি পৰি শোভা কৰিলে। নৃত্যৰতা গোপীক কৃষ্ণই নৃত্য ভঙ্গিমাত মুখত মুখ লগাই চুম্বন কৰিলে।১৪৮৯।। নাচোতে নুপূৰৰ ধ্বনি হ'ল, নুপূৰৰ ধ্বনিত গোপীগণে কৃষ্ণৰ কাষ চাপি কৃষ্ণৰ পাদ পঙ্কজ নিজৰ স্তনৰ ওপৰত ঘঁহাবলৈ ধৰিলে।১৪৯০।। যি চৰণ পঙ্কজ ব্ৰহ্মা আৰু লক্ষ্মীয়ে পাবলৈ ক'ত হেঁপাহ কৰে, সেই দুল্লভ চৰণ গোপীয়ে স্তনৰ ওপৰত স্থাপন কৰিবলৈ পাইছে।১৪৯১।। গোপীয়ে হৃদয় পদ্মত চিন্তা কৰা কৃষ্ণই গোপীক আলিঙ্গন দান কৰিছে, দুই বাহু মেলি গোপীৰ কণ্ঠত সাৰটি ধৰিছে, আৰু গোপীয়েও তেনে পৰম দুল্লভ কৃষ্ণৰ মধুৰ পৰশ লাভ কৰিবলৈ সমৰ্থ হৈছে।১৪৯২।। অনিন্দ সুন্দৰ শ্যামতনুৰ লগত গোপীগণে মহানন্দে একেলগে নৃত্য কৰিলে।১৪৯৩।। গোবিন্দই নানা ভঙ্গিমাৰে নৃত্য কৰি গোপীগণক সঘনাই আলিঙ্গন কৰিলে।১৪৯৪।। কোনো কোনো গোপীৰ স্তন স্পৰ্শ কৰি, চুম্বন কৰি, পৰিহাস কৰি বস্ত্ৰ আতৰাই উচ্চ কুচ (ওখ স্তন)ত হাতবুলাই, ৰতিৰস দি কৃষ্ণই গোপীগণৰ মনোৰঞ্জন কৰিছিল।১৪৯৫-১৪৯৬।। তেওঁ নিজৰ লাৱণ্য কলা কৌশল খটুৱাই গোপীগণক ক্ৰীড়িলা কিন্তু গোপীগণে কৃষ্ণক মুহিব নোৱাৰিলে। ছায়াৰ লগত শিশুৱে উমলাৰ দৰে গোপীয়েও কৃষ্ণৰ লগত আৰু কৃষ্ণয়েও গোপীৰ লগত উমলিলে।১৪৯৭।।

কৃষ্ণৰ ক্ৰীড়াত গোপী বিমোহিত হ'ল, অলঙ্কাৰ আৰু মালা ছিঙি পৰিলে, সোলকা খোপা বান্ধিবলৈ পাহৰিলে, বুকুৰ কাপোৰ সামৰি ল'বলৈও পাহৰিলে।১৪৯৮।। তেওঁলোকে কৃষ্ণক পাই নিজৰ শৰীৰ জ্ঞান লোপ পালে, সুৰভি সম্ভোগত কঁকালৰ মেখেলাও খহি পৰিল।১৪৯৯।। দেৱনাৰী গণে কেশবৰ কেলি দেখি মুগ্ধ হৈ বিমানতে ঢলি পৰিল, স্তনযুগল বিমুক্ত হ'ল, কাম বানত স্থিৰ হৈ মুচকুচ গ'ল।১৫০০।।

ক্ৰীড়া দেখি চন্দ্ৰো ভৈলা বিমোহিত আতি।
তম্ভাইল বিমান নুপুহাই সিটো ৰাতি।।
গ্ৰহগণো ৰহিল নচলে কাৰো ৰথ।
দীৰ্ঘ নিশা পাই গোপী পৰে মনোৰথ।১৫০১।।

যত গোপী তত কৃষ্ণ হুয়া কৰি ক্ৰীড়া।
সমস্তে গুচাইলা গোপীকাৰ কামপীড়া।।
যদ্যপি আপুনি পূৰ্ণ আনন্দ সম্পদে।
লীলায়ে কৰিলা কেলি ভকতৰ পদে।১৫০২।।

কৃষ্ণ-গোপীৰ কামকেলি লক্ষ্য কৰি দেৱনাৰী সকল কামদগ্ধ হৈ মূৰ্চ্ছা যোৱা, চন্দ্ৰ-তৰা গণেও বিমোহিত হোৱা পৰমব্ৰহ্মৰ পৰম ঐশ্বৰ্য প্ৰকাশ। যিমান গোপী সিমান কৃষ্ণ হ'ব পৰাটো ভগৱন্তৰ লীলা। তেওঁ নিজ পূৰ্ণ হৈও ভকতৰ বাবে নিজকে অৰ্পণ কৰিলে।

স্ত্ৰী সাধাৰণতে বনচাৰী আৰু ব্যভিচাৰী হ'ব পাৰে, কিন্তু তেনে নাৰীয়ে কৃষ্ণত ভকতি কৰাৰ বাবে কৃষ্ণ নাৰীৰ অধীন হ'ল। তেওঁলোক অজাতি, জাতি, পাপী, পুণ্যৱন্তৰ বিচাৰ নকৰে, তথাপি ভগৱন্তই তেওঁলোকৰ ভক্তিত তুষ্ট নহৈ নোৱাৰে।১৫০৩।।

গোপীসকলে ৰতিশ্ৰান্ত হোৱাত গোপালে তেওঁলোকক হস্ত পদ্মেৰে মুখ মচি মৰম কৰিলে আৰু তেওঁলোকে পৰম আনন্দ পালে।১৫০৪।। সখীগণে কৃষ্ণক আবৰি সতৃষ্ণ নয়নেৰে চাই সতকাৰ কৰিলে আৰু অৰ্চনা কৰি গোবিন্দৰ গীত গাবলৈ ধৰিলে।১৫০৫।। কৃষ্ণই তেওঁলোকক যমুনাৰ জললৈ নিলে আৰু কৃষ্ণক গোপীগণে জলত নামি কৃষ্ণক চাৰিওফালৰ পৰা বেঢ়ি ল'লে।১৫০৬।। জলত গোপীৰ অঙ্গ স্পৰ্শ কৰি ক্ৰীড়া আৰম্ভ কৰিলে। গোপীৰ বুকুৰ কুঙ্কুম কৃষ্ণৰ মালাত লাগিল, কুঙ্কুমৰ গন্ধত মতলীয়া অতি কুলে মত্ত হৈ গুঞ্জন কৰিলে।১৫০৭।। হৰিয়ে গোপীগণৰ গালৈ পানী ছটিয়াই কৌতুক কৰিবলৈ ধৰিলে, গোপীগণৰ লগত ঠেলাঠেলি কৰি জলকেলি কৰিলে।১৫০৮।। গজৰাজে মহামত্ত হৈ হস্তিনাৰ লগত জলক্ৰীড়া কৰাৰ দৰে কৃষ্ণই বেদৰ নিষেধ এৰি গোপীগণৰ লগত আনন্দকেলি কৰিলে।১৫০৯।। গোপীগণেও কৃষ্ণৰ গালৈ পানী সিঁচিলে, সাতুৰি-নাদুৰি তেওঁলোকে কৃষ্ণৰ লগত অনেক আমোদ কৰিলে।১৫১০।। শৰতৰ চন্দ্ৰভৰা ৰাতি যমুনাৰ জলত গোপীগণে শাৰী শাৰী হৈ কৃষ্ণৰ লগত কৰা খেলৰ সৌন্দৰ্য আৰু মাধুৰ্য অতুলনীয় আছিল।১৫১১।। তেওঁলোকে ডালিমৰ গুটিৰ দৰে দাঁত উলিয়াই হাঁহি কৃষ্ণক সাৱটি ধৰিলে।১৫১২।। কৃষ্ণই তেওঁলোকৰ বাহুযুগলৰ পৰা এৰাই পানী ছটিয়াবলৈ ধৰে।১৫১৩।। গোপীৰ মনোৰথ পূৰণ কৰা দৃশ্য দেখি সিদ্ধ মুনিগণে মূৰ তললৈ কৰি আকাশৰ পৰা স্তুতি কৰি পুষ্পবৃষ্টি কৰিলে।১৫১৪।। আপেস্বৰা গণে বাদ্যবজাই কৃষ্ণ-গীত পৰিৱেশন কৰিলে। এইদৰে নৃত্য-গীতৰ মাজেৰে যমুনাৰ জলত কৌতুকৰ সৃষ্টি হ'ল।১৫১৫।। কৃষ্ণই জলে স্থলে কেলি কৰিলে আৰু জলৰপৰা গোপীগণক লৈ যমুনাৰ পাৰলৈ আহিল। গোপীগণে কৃষ্ণক অৰ্চ্চনা কৰিলে।১৫১৬।। গোপীগণে কৃষ্ণক সতকাৰ কৰি আৰু চন্দন ঘঁহি, শিৰত ফুলৰ মালা পিন্ধাই ভক্তি কৰিলে।১৫১৭।। কোনোজনীয়ে মূৰত ফুল দি বিচিবলৈ ধৰিলে, কোনোজনীয়ে কৰ্পূৰ-তামোল দি সেৱা কৰিলে।১৫১৮।। যমুনাৰ তীৰৰ পুষ্পৰাজিৰ সুবাসে তেওঁলোকৰ চিত্ৰ উৎফুল্লিত কৰিলে। মলয়া পবন মন্দমন্দ গতিৰে বৈ গ'ল, পক্ষীৰ আৰাৱে মন উন্মাদ কৰিলে।১৫১৯।। অসংখ্য কুলিয়ে কুঁহু কুঁহু ধ্বনিৰে কুঞ্জবন মুখৰিত কৰিলে, মধুবন ভ্ৰমৰে গুঞ্জন তুলিলে আৰু তেনে মধুময় পৰিৱেশত কৃষ্ণৰ ৰাসকেলি হ'ল।১৫২০।।

ব্ৰজবধু সব বেঢ়ি লয়লাসে।
কৃষ্ণে সমে হাতোহাতি হাসে পৰিহাসে।।
যমুনাৰ তীৰে তীৰে ফুৰে কৰি ৰাতি।
বিকশিত বৃন্দাবনে কৰি লীলাগতি।১৫২১।।
প্ৰকাশন্ত হৰি ধৰি মুৰুতি মধুৰ।
ৰূপে কোটি কন্দৰ্পৰো দৰ্প কৰি চুৰ।।
যাক দেখি মদনে দগধ দিব্য নাৰী।
গোপীৰ আনন্দ বঢ়াই ক্ৰীড়ন্ত মুৰাৰি।১৫২২।।
মোহন বংশীক বজাৱন্ত ৰঞ্জিচিত।
অনুৰাগে গাৱে গোপী বেঢ়ি কৃষ্ণ গীত।।
প্ৰেমৰস পৰশে শিহৰে আতি তনু।
নয়নৰ নীৰ ধাৰে পড়ে পুনু পুনু।১৫২৩।।
আনন্দে নধৰে হিয়া দেখি কৃষ্ণমুখ।
দ্ৰব হোৱে হিয়া মনে মিলে মহাসুখ।১৫২৪।।

কৃষ্ণৰ লগত গোপীৰ মহামিলন ক্ৰীড়াৰ মাজেদি জীৱ-আত্মাৰ মহানন্দৰ ছবি পৰিস্ফুট হৈ উঠে। তেওঁলোকে নিজৰ সত্তা পাহৰি কৃষ্ণক আলিঙ্গন কৰে, সাৱটি ধৰে, ডিঙিত-মুখত চুমা খায়, গীত গায়। আনন্দত মতলীয়া হয়।১৫২৫।।

গোবিন্দয়ো গোপীৰ লগত হস্তিনাৰ লগত হস্তীয়ে প্ৰমত্ত হৈ ফুৰাৰ দৰে ফুৰিছিল। গোপীৰ প্ৰীতি সাধন কৰি কেশৰে নানা ক্ৰীড়া কৰিছিল।১৫২৬।। শৰতৰ দীঘলীয়া ৰাতি কৃষ্ণই কামপীড়া শেষ কৰি গোপীক আনন্দ দিলে। কোটি কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী, পুৰাণ পুৰুষ শিৱ আৰু ব্ৰহ্মাৰ চিৰ নমস্য হৰি যুৱতীৰ বশ্য হ'ল।১৫২৭।। কামাতুৰ অনাচাৰী নাৰীও তেওঁ বশ্য হ'ল। ভকতি কৰি তেওঁলোকে ঈশ্বৰক লাভ কৰিলে। ভকতিত অনাচাৰীয়েও মুক্তি লভে। সেইবাবে সকলোৱে কৃষ্ণক ভজিব লাগে।১৫২৯।।

উপদেশ ঃ হৰিক স্মৰণ কৰিলে জগতৰ সকলোৱে পুণ্য লাভ কৰে। হৰিনামৰ বাহিৰে তৰণৰ উপায় নাই। হৰিক এৰি আনক ভজাজন চোৰ স্বভাৱৰ লোক।১৫৩০।। ধৰ্ম্মৰ চৰণ চাৰিপদ। কলিযুগত চাৰি পাদ নষ্ট হয় আৰু কলিত হৰিনামতহে সকলো ধৰ্ম্মই শৰণ লৈ থাকে। সেইবাবে নামত সমস্ত পুণ্য সিজে। ভাগৱত শাস্ত্ৰৰ সাৰমৰ্মও এইটোৱেই।১৫৩১।। মনুষ্য জন্ম আলেজালে নিনিয়াই মৰণৰ প্ৰধান সম্বল হৰিনাম নিৰন্তৰে লৈ থাকিব লাগে। তেহে পাপ কলিৰ পৰা হাত সাৰি থাকিব পাৰে।১৫৩২।।

ৰজা পৰীক্ষিতে ৰাস ক্ৰীড়াৰ সমস্ত কথা শুনি শুকক সুধিলে যে কৃষ্ণই ঈশ্বৰ হৈয়ো এনে গৰ্হিত কৰ্ম কিয় কৰিছিল? ধৰ্মৰ ৰক্ষা কৰিবলৈহে জগতত জগতঈশ্বৰে অৱতাৰ হৈছিল, কিন্তু পৰগোপনাৰী ৰমন কৰি কিয় মহান পাপ কৰিছিল সন্তক পালন, দুষ্টক দমন কৰাহে তেওঁৰ কৰ্ম আছিল, পূৰ্ণকাম হৈয়ো তেওঁ কুৎচিৎ কৰ্ম কৰাৰ কাৰণ কি? এইবোৰৰ উত্তৰ দি সংশয় দূৰ কৰিবলৈ ৰজাই অনুৰোধ কৰিছিল।১৫৩৩,১৩৩৪।।

মুনিয়ে ৰজাক উত্তৰ দিলে যে কৃষ্ণৰ বাহিৰেও আন দেৱতায়ো এনে কৰ্ম কৰিছিল। ব্ৰহ্মাই নিজ দুহিতাক কামত উন্মত্ত হৈ ৰক্ষা কৰিছিল, গুৰুভাৰ্যা তাৰাক চন্দ্ৰই হৰি নি ৰমন কৰিছিল।১৫৩৫।। গৌতম মুনিৰ ভাৰ্যাক ইন্দ্ৰই ভেশচন ধৰি, কামপীড়াত উন্মত্ত হৈ উপযুপৰি ধৰ্ষণ কৰিছিল। বিশ্বামিত্ৰ মুনিয়ে মেনকা অপেস্বৰাক ক্ৰীড়া কৰিছিল। তেজস্বীসকলক দোষে স্পৰ্শ নকৰে, সৰ্ব্বভক্ষক অগ্নিয়ে সকলোকে দহন কৰে।১৫৩৬।। কিন্তু যি জন অহঙ্কাৰী, পৰম অজ্ঞানী, মূঢ়মতি; তেওঁ পৰদাৰা গমন কৰিলে অধোগতি যায়। ৰুদ্ৰই হলাহল পাণ কৰি নীল কণ্ঠ হ'ল, তেওঁক দেখি আনে বিষপান কৰিলে নিশ্চয়ে মৃত্যু হ'ব।১৫৩৭।। ঈশ্বৰ সকলে যিটো কৰ্ম কৰে তাক কৰিবলৈ সাধাৰণ মনুষ্যই সাহস কৰিব নালাগে, ঈশ্বৰে যি ধৰ্মবিধি থৈছে, তাকহে আচৰিত লাগে। যি জন ব্ৰহ্মময়, মহাজ্ঞানী তেওঁক দোষে গুণে নোছোৱে আৰু কৰ্মৰ প্ৰতি তেওঁলোকৰ ৰতি নাথাকে।১৫৩৮।। সনাতন কৃষ্ণ পৰম পুৰুষ, জগতৰ ঈশ্বৰ, তেনে ঈশ্বৰৰ পৰদাৰা গমন পাতকে তেওঁক কি কৰিব। তেওঁ গোপী আৰু গোৱালৰ অন্তৰ্যামী নাৰায়ণ, সমস্ত যোনি তেওঁৰ অঙ্গ; তেৱে প্ৰকৃত, তেৱে পুৰুষ।১৫৩৯।।

যাৰ পাদপদ্ম হৃদয়ত চিন্তি, মুখত গুণ নাম লৈ কৰ্মবন্ধ ছিন্ন কৰি ভকত তৰে। তেওঁৰ ভকতি কৰি মহাপাতকীও তৰে। তেনেজনক পৰদাৰা গমন দোষে কি কৰিব পাৰে।১৫৪০।। শৃঙ্গাৰ ৰসত ৰতি থকা ভকতেও কৃষ্ণৰ শ্ৰৱণ-কীৰ্তনত মতি নিৰ্ম্মল হয়। এই কাৰণেই কৃষ্ণই গোপীক ক্ৰীড়া কৰিলে।১৫৪১।। এটা মন কৰিব লগা কথা হৈছে গোপীগণে কৃষ্ণৰ লগত সমস্ত ৰজনী ক্ৰীড়া কৰি কটোৱাতো গোৱালসকলে কোনো অসূয়া কৰা নাই। গোকুলৰ গোপ সকলক কৃষ্ণমায়াই মোহিলে। গোপগণে শয্যাত নিজপত্নী সকলক হাতমেলি পালে অথচ সেই পত্নীগণে সেইৰাতি কৃষ্ণৰ লগত যমুনাৰ বালিত ক্ৰীড়াত ব্যস্ত আছিল।১৫৪২।। যশোদায়ে গৃহত সেই ৰাতি কৃষ্ণকো বিচনাত শুই থকা দেখা পাইছিল। তেনেহ'লে কৃষ্ণ কোন সত্য, গোপী কোনবোৰ সত্য, এই সমস্ত কৃষ্ণৰ মায়া। ব্ৰহ্মায়ো এনে মোহত পৰিছিল। ১৫৪৩।। কৃষ্ণৰ লগত ক্ৰীড়া কৰা গোপীসকলে ৰমন কৰি কৰি ভাগৰি নপৰে; মনোশ্ৰান্ত কান্ত নহয়, কৃষ্ণৰ অঙ্গসুখত তেওঁলোক আপোনপাহৰা হয়। পতি পুত্ৰ-গৃহ সকলো পাহৰি গৈছিল, অনুৰাগ আপ্লুত হৈ আছিল।১৫৪৪।। পশ্চিম দিগন্তত চন্দ্ৰ মাৰ গ'ল, দিনমণিয়ে পূৰ্ব দিগন্তত ভুমুকি মাৰিলে, তেওঁলোকৰ মধু যামিনৰ অন্ত পৰিল। কৃষ্ণই প্ৰভাত সময়ত সকলোকে মাতি আনি ক'লে— 'তোমালোক ব্ৰজলৈ যোৱা।' তোমালোকে সম্পূৰ্ণ পোহৰ হোৱাৰ পূৰ্ব্বে নিজৰ গৃহত প্ৰবেশ কৰাগৈ, যাতে কোনেও তোমালোকক দেখা নাপায়।'১৫৪৫।।

গোপীসকলে সেই আদেশ শুনি মৰ্মাহত হ'ল। উপায়হীন হৈ তেওঁলোক মৌন ভাৱে প্ৰত্যাবৰ্ত্তন কৰে। শৰীৰ তেওঁলোকৰ আগবাঢ়ে, মনবোৰ কৃষ্ণৰ লগত থাকি যায়। কৃষ্ণক উলটি চাই চাই দুখ মনেৰে তেওঁলোক আঁতৰি আহে।১৫৪৬।। গোপীগণে ৰাতি কিয় পুৱালে বুলি ৰাতিটোক গালি পাৰিলে। এইদৰে গৈ গৃহত পশি কৃষ্ণকে ধিয়াই গোপীগণে প্ৰাণতো অধিক বন্ধু কৃষ্ণৰ

প্ৰতি বিৰহ লৈ সময় অতিক্ৰম কৰিলে।১৫৪৭।।

মহা মন দুখত দিন-ৰাতিবোৰ তেওঁলোকে কটালে। বংশীৰ ধ্বনি শুনি পুনৰ বৃন্দাবনলৈ যাবলৈ মনবোৰ উদ্‌বাউল হয়। মনৰ মাজতে তেওঁলোকে কৃষ্ণৰ লগত কেলি কৰি থাকে।১৫৪৮।।

**উপদেশ ঃ** গোপী-গোপালৰ কামকেলিৰ কথা যি শুনে, ভনে তেওঁ পৰমপদ লাভ কৰে। তেনেজনে কামকো জিনিব পাৰে। 'কামজয় নামে ইটো কেশৱৰ কেলি।' ইয়াৰ দ্বাৰা কৃষ্ণত প্ৰেম ভক্তি বাঢ়ে।১৫৪৯।।

'শুনা সৰ্ব্বজন গৈলয় জীৱন
অদ্যাপি নাহি চেতনা।
ঘোৰ পৰলোক তৈত কেন হোক
ভুঞ্জাইবে যমে যাতনা।।
তথাপি অচিন্তে আছা কেনমতে
তৰিবা কৰা কাম।
হৰিবিনে গাত নাহিকে সম্প্ৰতি
ডাকি বোলা ৰাম ৰাম।১৫৫০।।

'হে সাধুলোক সকল, ঘোৰ কলিকালত থাকি পৰলোকৰ বাবে ভক্তি কৰা, নহ'লে পৰলোকত যমৰ যাতনা ভোগ কৰিব লাগিব। এই কথা জানিও কিয় চিন্তা কৰা নাই? চৰণৰ উপায় চিন্তা কৰা নাই কিয়? হৰি বিনে গতি নাই। গতিকে ৰাম ৰাম বুলি উদ্ধাৰ হোৱাৰ পথ নিৰ্মাণ কৰা।'

**৫৯। সুদৰ্শন বিদ্যাধৰৰ শাপ মুক্তি ঃ**

পৰীক্ষিত ৰজাৰ আগত শুকে সুদৰ্শন বিদ্যাধৰৰ শাপমুক্তিৰ সম্পৰ্কত ক'লে যে কৃষ্ণই গোপীৰ লগত ৰাসক্ৰীড়া সম্পন্ন কৰাৰ পাচতে, এদিন নন্দ আদি গোপগণে দেৱতাদৰ্শনৰ বাবে ৰথেৰে যাত্ৰা কৰিলে। কৃষ্ণ আৰু গোপৰ কুমাৰ সকল নন্দৰ লগত গৈছিল। তেওঁলোকে গৈ অম্বিকাদেবীৰ দৌলত উপস্থিত হ'ল।১৫৫১,১৫৫২।।

সকলোৱে সৰস্বতী নদীত স্নান কৰি বিবিধ নৈবেদ্য দি দেবীক পূজা কৰিলে।১৫৫৩।। বিশিষ্ট বিপ্ৰগণক মধু মিশ্ৰ অন্ন ভোজন কৰোৱালে। সুবৰ্ণবসন, ধেনু দান কৰিলে। তেওঁলোকে কাঠ গোটাই জুই জ্বলাই সৰস্বতীৰ নদীৰ পাৰত ৰাতিটো বঞ্চিবলৈ ধৰিলে। তেওঁলোকে উপবাসে থাকি শাৰী শাৰীকৈ শুই থাকিল।১৫৫৪,১৫৫৫।। সকলো অচেতন হৈ শুই থকা অৱস্থাত এটা ভয়ঙ্কৰ অজগৰ আহি নন্দক গিলিবলৈ উপক্ৰম কৰিলে। নন্দই সাৰ পাই চিঞৰ মাৰিলে।১৫৫৬।। তেওঁ চিঞৰি কৃষ্ণক মাতিলে আৰু অজগৰৰ পৰা ত্ৰাণ কৰিবলৈ ক'লে।১৫৫৭।। গোপগণে সৰ্পক কোবাবলৈ ধৰিলে।১৫৫৮।। তেওঁলোকে কৃষ্ণক মাতিলে।১৫৫৯।।

কৃষ্ণই 'ভয় নাই, ভয় নাই' বুলি উপস্থিত হ'ল। কৃষ্ণই সৰ্পটোক স্পৰ্শ কৰাৰ লগে লগে সৰ্পই নন্দক এৰি নিজৰ ৰূপ সলনি কৰি এজন দিব্য বিদ্যাধৰ ৰূপে দেখা দিলে। কৃষ্ণই তেওঁৰ পৰিচয় বিচাৰিলে। তেওঁ কি কাৰণে কুৎচিৎ সৰ্প বেশ ধৰিছিল। তাৰ কাৰণ সুধিলে।১৫৬০।।

বিদ্যাধৰে কৃষ্ণক স্তুতি কৰিলে আৰু দণ্ডৱতে কৃষ্ণৰ চৰণত পৰি সেৱা কৰিলে। তেওঁ কৰযোৰ কৰি ক'লে—

'আপুনি সৰ্ব্বজ্ঞ তুমি ভকতৰ গতি।
সুদৰ্শন নাম মই বিদ্যাধৰ পতি।১৫৬১-১৫৬৩।।

বিদ্যাধৰে ক'লে—'মোৰ ৰূপ সুন্দৰ আছিল আৰু মই পৰম উন্মত্ত হৈ বিমানত ফুৰি ফুৰিছিলো। আঙ্গিৰস ঋষিৰ কুৎচিৎ ৰূপ দেখি মোৰ ৰূপৰ গৰ্ব্বত ঋষিক তাচ্ছিল্য কৰি হাঁহিছিলোঁ।১৫৬৪।। ঋষিয়ে জাজ্বল্যমান হৈ মোৰ অভিশাপ দিলে অজগৰ হ'বলৈ। ভাগ্যে মই কৃপাময় কৃষ্ণৰ স্পৰ্শ লাভ কৰি অভিশাপ মুক্ত হলোঁ। আপুনি চৰণৰ আগে চুৱাত মই শাপমুক্ত হৈ পুনৰ বিদ্যাধৰ ৰূপ পালো।১৫৬৫।।

'হে প্ৰভু, তোমাৰ চৰণৰ ৰেণু লাগি মই পৰম নিষ্পাপ হলোঁ মোৰ ব্ৰহ্মশাপ তুমি আতৰালা। তুমি ভৱ ভয়হাৰী, মোৰ গতিদাতা, মোক যাবলৈ অনুমতি দিয়া' বুলি বিদ্যাধৰে কৃষ্ণক কাকুতি কৰিলে।১৫৬৬।।

'মই জানিব পাৰিলো, তুমি মাধৱ, তুমি মহাপুৰুষ, মই তোমাৰ কিঙ্কৰ, তোমাৰ দৰশনে মোক শাপমুক্ত কৰিলে। তোমাত যেন মোৰ চিৰকাল ভকতি থাকে।১৫৬৭।। যাৰ নাম উচ্চাৰণ কৰিলে শুনাসকল পৰম পবিত্ৰ হয়, তেনে পৰম ঈশ্বৰ তুমি চৰণেৰে মোক স্পৰ্শ কৰিলা, এইয়া মোৰ পৰমভাগ্য।'১৫৬৮।। সুদৰ্শন বিদ্যাধৰে স্তুতি কৰি কৃষ্ণক প্ৰদক্ষিণ কৰিলে, দণ্ডৱতে প্ৰণাম জনালে আৰু স্বৰ্গলোকলৈ গতি কৰিলে।১৫৬৯।।

কৃষ্ণই নন্দক দুঃখৰ পৰা মুক্ত কৰিলে। আৰু ব্ৰজবাসীয়ে এই কৰ্ম দেখি

আচৰিত হ'ল। তেওঁলোক তীৰ্থ কৰ্ম শেষ কৰি ব্ৰজলৈ গমন কৰিলে।১৫৭০।।

**৬০। শঙ্খচূড় বধ ঃ**

শুকে ৰজাক অন্য এক অদ্ভুত কথা ক'বলৈ ল'লে— শঙ্কচূড় নামে এজন অতি উন্মত্ত যক্ষ আছিল। এই যক্ষক কৃষ্ণই কিধৰণে বধ কৰিলে তাৰ কথা ক'লে।১৫৭১।। শৰতকালত এৰাতি কৃষ্ণ বলৰামে বৃন্দাবনলৈ গৈ গোপীগণৰ লগত পৰম মোহন ৰূপ ধাৰণ কৰি ক্ৰীড়া কৰিছিল।১৫৭৩।। গোপীগণেও অনেক বসনে-ভূষনে সালঙ্কৃতা হৈ মহা প্ৰেমভাবে গোবিন্দৰ লীলা কীৰ্তন কৰি দুই ভাইক চৌদিশে ঘেৰি লৈছিল।১৫৭৪।। ৰাম-কৃষ্ণয়ো যামিনীক প্ৰশংসা কৰি গীত-গাই নৃত্য কৰিছিল। নিৰ্ম্মল ৰজনী, চন্দ্ৰমাৰ উদয়ত উদ্ভাসিত আৰু কুমুদ কমল বায়ুৰ পৰশত; ভ্ৰমৰৰ গুঞ্জনত মুঞ্জৰি উঠা কান্তিময় পৰিবেশত দুয়ো ভায়ে গোপিকাৰ লগত ক্ৰীড়া কৰিছিল।১৫৭৫।। বৃক্ষবোৰো পুলকিত হৈ মুঞ্জৰি উঠিল, পক্ষীবোৰেও আৰাও কৰিলে, প্ৰেমত সকলো পুলকিতহৈ উঠিল। ১৫৭৬।। পক্ষীবোৰেও ওপৰলৈ কাণ তুলি সেই গীত শুনি থাকে আৰু আনন্দত যেন চকুলো টোকে।১৫৭৭।। গোবিন্দৰ গীত অতি মোহনীয় আৰু ব্ৰজৰ গোপীগণে শুনি আকুল হৈ পৰে। তেওঁলোকৰ গীত শুনি মাতবোল হেৰাই যায়, কামবনত ব্যাকুল হৈ উঠে তেওঁলোক, কাঞ্চুলি সোলকি পৰে আৰু উচ্চকুচ কুম্ভ উদি হয়।১৫৭৮।।

মেখলা শিথিল হয়, খোপাৰ পৰা ফুল খহি পৰে, মনৰ চেতনা হেৰাই যায় আৰু মদনপীড়াত আকুল হয়, বলয়া পৰে, গাৰ বস্ত্ৰ সম্বৰণ কৰিবলৈ পাহৰি যায়, কেৱল কৃষ্ণতেই তেওঁলোকৰ মন নিবিষ্ট হয়।১৫৭৯।। হৃদয়ত প্ৰেমৰ বন্যা উঠে, কামত মন অস্থিৰ হৈ উঠে, তনু ৰোমাঞ্চিত হয় আৰু নয়নৰ নীৰে নদী উপচায় পেলায় আৰু তেওঁলোকে মৌনহৈ কৃষ্ণৰ পাদ পঙ্কজ হৃদয়ত ধৰি থাকে।১৫৮০।। এইদৰে গোপীগণে ৰাম কৃষ্ণৰ লগত পৰম আনন্দেৰে কেলি কৰে। সেই সময়ত যেন দুটা মত্ত হাতীয়ে হস্তিনীৰ লগত লীলা কৰা হৈছিল।১৫৮১।।

তেওঁলোকে লীলা কৰি থাকোঁতেই কুবেৰৰ অনুচৰ শঙ্খচূড় নামে যক্ষ এটাই ভয়ঙ্কৰ মূৰ্ত্তি ধৰি গোপীসকলৰ মাজত হঠাতে প্ৰবেশ কৰি ভয়ঙ্কৰ গৰ্জ্জন কৰিবলৈ ধৰিলে।১৫৮২।। সি ঘোৰ মূৰ্ত্তি ধৰি গোপীসকলক ধৰিবলৈ অহাদেখি গোপী গণে কৃষ্ণক চিঞৰি চিঞৰি মাতিলে। সি এগৰাকী গোপীক লৈ বৰবেগেৰে আঁতৰ হ'ল আৰু উত্তৰ দিশলৈ গমন কৰিলে।১৫৮৩।। ৰাম-কৃষ্ণই এই দৃশ্য দেখি আছিল। গোপীসকলে কৃষ্ণক ক'লে'হে প্ৰভু কৃষ্ণ, তুমি ভকতৰ বন্ধু, তোমাৰ চৰণৰ বাহিৰে আমি আন একো নাজানো। অগতিৰ গতি তোমাক আমি কাতৰ কৰিছো, আমাক পৰিত্ৰাণ কৰা।' গোপীগণে মহাভয়পাই থৰ্থৰ্কৈ কঁপিবলৈ ধৰিলে।১৫৮৪-১৫৮৬।।

ৰাম-কৃষ্ণই 'ভয় নাই' বুলি শালবৃক্ষ উঘালি লৈ শঙ্খচূড়ৰ ওচৰলৈ আগ বাঢ়িগ'ল।১৫৮৭।। দুয়ো তুৰন্তে শালবৃক্ষ ওপৰলৈ তুলি লৈ গুহ্যকৰ কাষপালেগৈ।১৫৮৮।। শঙ্খচূড়ে ৰাম-কৃষ্ণক দেখা পাই যমসদৃশ হৈ খঙত জ্বলিপকি উঠিলে যদিও ভয়ত তাৰ হৃদয় কঁপি উঠিল। সি গোপীগৰাকীক এৰি প্ৰাণৰাখি লৰ মাৰিলে।১৫৮৯।। বলৰামে গোপীগৰাকীক ৰখি থাকিলে আৰু কৃষ্ণই শঙ্খচূড়ক পাছে পাছে খেদি গ'ল।১৫৯০।। শঙ্খচূড়ৰ শিৰত মূল্যবান চূড়ামণি দেখি কৃষ্ণই সেই মণি ল'বলৈ মন কৰিলে। কৃষ্ণই খেদাত সি মৰো জীওঁ কৈ লৰ মাৰিবলৈ ধৰিলে।১৫৯১।।

'বাঘৰ আগত যেন লৰৰয় ছাগ।
তেখনে যক্ষক খঙ্গে খেদি পাইলে লাগ।
লীলায়ে মাৰিয়া ৰাম মুষ্ঠিক প্ৰহাৰ।
চূড়ামণি সহিতে চিণ্ডিল মুণ্ডতাৰ।'১৫৯২।।

বাঘৰ আগত ছাগলী লৰি ক'ত সাৰিব? কৃষ্ণই মুষ্ঠিৰ প্ৰহাৰে তাৰ মুণ্ড চিঙি পেলালে।১৫৯২।। যক্ষ অগ্নিত পতঙ্গ পৰি যাহ যোৱাৰ দৰে নিঃশেষ হ'ল শঙ্খচূড়। তাৰ মূৰৰ অগ্নিসদৃশ মণিটো লৈ কৃষ্ণ ঘূৰি আহিল।১৫৯৩।। কৃষ্ণই লীলা কৰি যক্ষক জয় কৰি মণিটো বলৰামক দিলে। বলৰামে কৃষ্ণক ভুৰি ভুৰি প্ৰশংসা কৰিলে। গোপীসকলেও বৰ আনন্দ পালে।১৫৯৪।। সকলোৱে মিলি কৃষ্ণক নানা পুষ্পৰাজিৰে পূজা কৰিলে।১৫৯৫।। গোপীগণে কৃষ্ণক প্ৰশংসা কৰি, নানা তৰহৰ নৈবেদ্য দি কৃষ্ণৰ চৰণত সেৱা জনালে।

কৃষ্ণই শৰতকালৰ ৰাতিবোৰ এইদৰে ব্ৰজবধুৰ লগত ক্ৰীড়া কৰি অতিক্ৰম কৰিলে।১৫৯৭।। তেওঁলোকে ৰাতিবোৰ দীঘলীয়া হোৱাটোকে কামনা কৰে। কৃষ্ণই তেওঁলোকক গৃহলৈ যাবলৈ কোৱাত বৰ বিষাদ মনেৰে দুখৰ বোজা বান্ধি গমন কৰে।১৫৯৮।।

**উপদেশ ঃ** শঙ্খচূড় বধৰ কথা ৰজাই শুকৰ মুখৰ পৰা শ্ৰবণ কৰে। এই কথা শ্ৰৱণ

কৰিলে সংসাৰ তৰিব পাৰে।১৫৯৯।। শঙ্কৰদেৱে কৈছে যে মানব জীৱন জলৰ বুদবুদৰ নিচিনা অথিৰ, কেতিয়া এই জীৱনৰ অবসান ঘটিব তাৰ ঠিক নাই। তথাপি মৰণৰ ভয়ত কথা মনলৈ নাহে।১৬০০।। ভাৰতত মহাপুণ্যৰ ফলতহে মনুষ্য জীৱন লাভ হয়। এনে চিন্তামণি জন্ম হাততে হেৰাই যায়।

দিনে দিনে মানুহৰ আয়ু টুটি আহে, কলিত হৰিনাম বিনে গতি নাই।১৬০১।। যি মহান কাৰ্য্যৰ বাবে মনুষ্য তনু লাভ কৰা হৈছে তাৰ প্ৰতি বিশেষ ধ্যান দিব লাগে। অনাহকত অমূল্য মানৱ জীৱন নষ্ট কৰিব নালাগে। সংসাৰত মাধবৰ নামহে পৰম বান্ধৱ। সকলোবোৰ মৃত্যুৰ লগতে শেষ হয়; কিন্তু মাধৱৰ নাম জন্মজন্মান্তৰে থাকে। সেইবাবে অন্যবোৰ কাম এৰি মাধবৰ পৰম মঙ্গল নাম ল'ব লাগে, শ্ৰৱণ কৰিব লাগে, স্মৰণ কৰিব লাগে। ইহকাল পৰকালে নামহে পৰম অমূল্য ৰত্ন।১৬০২।।

**৬১। গোপীসকলৰ গীতঃ** গোপীসকলে শৰতৰ ৰাতি কৃষ্ণৰ লগত মহামিলনৰ আনন্দৰ স্মৃতি বুকুত বান্ধি ব্ৰজত কাল অতিক্ৰম কৰিছিল। পুৱাতে কৃষ্ণই বনলৈ যায় আৰু গধূলি ঘৰ সোমাইহি। দিনৰ ভাগত তেওঁলোকে কৃষ্ণক নেদেখি বৰ দুখ অনুভৱ কৰে।১৬০৩।। কেশবৰ লগত কৰা কেলিৰ কথা সুমৰণ কৰি কৰি গোপীগণে ধ্যান কৰি থাকে। গৃহ কৰ্ম তেওঁলোকে কৰে যদিও কৰ্ম্মত মন নবহে, বিৰহত তেওঁলোকৰ প্ৰাণ যাওঁ যাওঁ হয়। তেওঁলোকে একেলগে বহি বহি কৃষ্ণকথা পাতি শান্তি পায়।১৬০৪।। তেওঁলোকে কৃষ্ণৰ মোহন বাঁহী বজোৱাৰ অভিনয় কৰে; আঙুলিৰে বাঁহীৰ মাত উলিয়াই তেওঁলোকে সকলোকে আচৰিত কৰে।১৬০৫।। গোপীয়ে বজোৱা বাঁহীৰ শব্দ শুনি দেবনাৰী গণ বিস্মিত হয়। তেওঁলোকে মোহগ্ৰস্ত হৈ বস্ত্ৰসম্বৰণ কৰিবলৈ পাহৰি যায় আৰু কামবানত জৰ্জ্জৰিত হৈ পৰে। তেওঁলোকে চেতনা পাই কাষতে থকা স্বামীক দেখি লাজ পায়। কৃষ্ণৰ বংশীবজোৱা স্মৃতিবোৰে গোপীগণৰ হৃদয়ত বিৰহাগ্নি জগাই তোলে।১৬০৬।।

অন্য অন্য গোপীগণেও শ্ৰীকৃষ্ণৰ বুকুত থকা শ্ৰীবৎস পান্তিক মেঘৰ বিজুলীৰ লগত তুলনা কৰিছে।১৬০৭।। তেওঁলোকে কৃষ্ণৰ কথাকে ভাবি ভাবি চিত্ৰৰ পুতলিৰ দৰে নিশ্চল হৈ থাকে।১৬০৮।। কৃষ্ণই মূৰত পিন্ধা মৈৰাৰ পাখি, কাণত পিন্ধা পল্লৱ, গাতগেৰু ঘঁহা, মোহন বংশীলৈ ধেনু চৰোৱা আদি বোৰে স্মৰি তন্ময় হৈ পৰে।১৬০৯,১৬১০।।

কৃষ্ণৰ প্ৰতি তৃণ তৰুবোৰৰ মৰম-চেনেহ, পশু-পক্ষী, কীট-পতঙ্গবোৰৰ শ্ৰদ্ধা-ভক্তিৰ কথা গোপীগণে আলোচনা কৰি পৰম আনন্দ লাভ কৰে। বন্যপশু-পক্ষী-গছ-লতিকাৰ কৃষ্ণৰ প্ৰতিথকা প্ৰেমতকৈ গোপীগণৰ প্ৰেম অত্যধিক বাবে তেওঁলোকে কৃষ্ণৰ বিৰহত মৰ্ম্মাহত হৈ পৰিছে।১৬১১-১৬১২।।

কৃষ্ণ আৰু বলৰামে পৰ্বতে পাহাৰে বংশী বজাই ফুৰোতে বংশীৰ ধ্বনি শুনি মেঘেও পুলকিত হৈ মধুৰ গৰ্জ্জন কৰে, সুৰভিফুল বৰষুণ দিয়ে; এনে কৃষ্ণৰ বিয়োগত থাকি গোপীগণে অসহ্য অনুভৱ কৰিছে। তেওঁলোকে যশোদাকো কৃষ্ণৰ কথা কৈ কৈ প্ৰশংসা কৰে। দেবগণেও কৃষ্ণৰ প্ৰতি থকা মোহত আকুল হয়, কৃষ্ণৰ বংশীধ্বনিত, গীতত বাতুল হয়; গোপীয়ে কৃষ্ণৰ প্ৰতি কিয় ব্যাকুল নহ'ব?১৬১৪-১৬১৬।।

কৃষ্ণই ব্ৰজত ভ্ৰমণ কৰোতে পদৰ পঞ্চচিহ্ন খোজত থাকি যায়, ব্ৰজত থাকোতে তেওঁ কটাক্ষ দৃষ্টিৰে চোৱাৰ মধুস্মৃতি হিয়াত শিলৰ ৰেখাৰ দৰে অঙ্কিত হৈ থকাৰ বাবে গোপীগণে, সেইবোৰ কথা ভাবি ভাবিয়েই জীৱন ধৰি আছে। কৃষ্ণই তেওঁলোকৰ কান্ধত হাত থোৱা, গোপৰ কান্ধত হাতথৈ লীলাকৰা, গন্ধতুলসীৰ বিচিত্ৰ মালা পিন্ধি ধেনু ৰোৱাৰ কথা সুঁৱৰি গোপীগণে আনন্দ লাভ কৰে।১৬১৭-১৬১৯।। কৃষ্ণৰ গুণাৱলীক গোপীগণে সোঁৱৰণ কৰি গৃহবাসৰ সুখকো জলাঞ্জলি দিছে। এনে প্ৰাণকৃষ্ণৰ বিৰহত কিমতে প্ৰাণধৰি থাকিব তাকে চিন্তা কৰি তেওঁলোকে উদ্‌বাউল হৈছে।১৬২০।।

কৃষ্ণই বৃন্দাবনত ক্ৰীড়া কৰি গধূলি গৰুলৈ যেতিয়া ঘূৰি আহি ঘৰ পায়হি, তেতিয়া গোপীগণে যশোদাৰ গৃহলৈ গৈ কৃষ্ণৰ বিষয়ে বিভিন্ন কথা কয়। কৃষ্ণই যমুনাত নানা ক্ৰীড়া কৰি কৌতুক কৰে, শীতল মলয়াৰ বা লাগি কৃষ্ণৰ তনু ঠাণ্ডা কৰে, গন্ধৰ্বব গণে সুন্দৰ সুৰে গীত গায় আৰু দিব্যপুষ্প কৃষ্ণৰ শিৰত সিঞ্চে। সিদ্ধ মুনি গণে আকাশৰ পৰা কৃষ্ণক সন্মান জনায়। এনে সন্মানীয়, গুণাতীত কৃষ্ণৰ কথা কৈ শেষ কৰিব নোৱাৰি।১৬২১-১৬২২।। কৃষ্ণ গধূলি ঘূৰি অহা দেখি সকলো গোপীয়ে মূৰ তুলি চাই পৰম সন্তোষ পায়। গোপগণে কৃষ্ণক মাজত লৈ নানান কৌতুক কৰি ঘৰলৈ আহে, ব্ৰজৰ গুণমণিক দেখি সকলোৱে আনন্দত আত্মহাৰা হয়।১৬২৩।।

ব্ৰহ্মা আৰু ৰুদ্ৰই আহি কৃষ্ণক প্ৰণাম যাচে, তাকে দেখি গোপীগণে বৰ গৰ্ব কৰে কৃষ্ণক লৈ। গোপীৰ অন্ধকাৰ আকাশ পোহৰ কৰি কৃষ্ণচন্দ্ৰই পোহৰ

দিয়ে।১৬২৪।। কৃষ্ণক তেনেই ওচৰৰ পৰা দেখি গোপীয়ে কৃষ্ণৰ মৰম লগা চকুযোৰিলৈ সতৃষ্ণ নয়নেৰে চাই থাকে, গণ্ডস্থলত কনক কুণ্ডলৰ কান্তিদেখি একেথৰে নিৰীক্ষণ কৰে। সন্ধ্যা সময়ৰ আধা আলো আধাপোহৰত কৃষ্ণই উদিত চন্দ্ৰমাৰ দৰে জ্যোৎস্না বিলাই গোপীৰ শেঁতামুখত ৰক্তিম পোহৰ ঢালি দিয়ে সকলোৰে হৃদয়ৰ আনন্দ দুৱাৰ যেন খোল খাই যায়।১৬২৫।। গোপীগণে কৃষ্ণক স্নেহত আকোঁৱালি লয়, হৃদয়ত মদনৰ উন্মাদনা উঠে, আঁতৰৰ পৰাই চুমা খাবলৈ মন কৰে, নাসিকাৰ ঘ্ৰাণ ল'বলৈ বিচাৰে আৰু মুখ-কমলৰ মধুপান কৰিবলৈ ব্যাকুল হৈ পৰে।১৬২৬।।

তেওঁলোকে যেন মৰি মৰি পুনৰ উপজি কৃষ্ণক আনন্দ সাগৰত স্নান কৰি তৃপ্তি পাব। চকুৰে চাই যেন কৃষ্ণক হৃদয় মালঞ্চলৈ লৈ যাব, চকুমুদি যেন কৃষ্ণক আলিঙ্গন কৰিব। প্ৰেমৰ নদী হৃদয়ৰ মাজে বৈ গৈ সৰ্ব গাৰ ৰোমাঞ্চিত কৰিব, তাৰ বাবে গোপীগণে দিনৰ দিনটো বাট চাই থাকে। কৃষ্ণতে মন-প্ৰাণ অৰ্পি কামভাৱে বন্দী হৈ থাকিবলৈ বিচাৰে আৰু এনেদৰে ভাগ্যৱতী গোপীগণে মোক্ষ লাভৰ অধিকাৰিণী হয়।১৬২৮।।

**উপদেশ ঃ** ৰাসলীলা হৈছে কামজয়ৰ কেলি। ইয়াক শ্ৰৱণ কৰা, কীৰ্তন কৰা জনে হেলাৰঙে কাম জয় কৰিব পাৰে, দুঃখ উপশম কৰিব পাৰে, মদনক জয় কৰিব পাৰে। কৃষ্ণৰ এই চৰিত্ৰ যিজনে আনন্দ মনেৰে, সগৌৰৱে গায় তেওঁৰ পাপ বিনাশ ঘটে, কৃষ্ণত ভকতি বাঢ়ে, হাততে মুকুতি পায়।১৬২৯।। এই কথা ভাগৱত সন্মত, কৃষ্ণকথাত ৰসিক জনে ক'ত কোটি পুণ্যৰাশি অৰ্জ্জন কৰে, ভাৰতত নৰদেহ লাভ কৰে। দেৱৰ দুৰ্ল্লভ নৰজন্ম পাই যি কৃষ্ণক নুসুমৰে, তেওঁ নিজক বঞ্চনা কৰে, তেওঁ পঞ্চম পাতকী, আত্মঘাতী।১৬৩০।।

সেই বাবে এই তত্ব জানি কলিত আন কৰ্ম এৰি জগতৰ উদ্ধাৰক হৰিনাম ল'ব লাগে। এইকথাই হৈছে শাস্ত্ৰৰ মৰ্ম কথা, নাম পুণ্যৰ ৰজা, আন ধৰ্মবোৰ নামৰ চাকৰ। দিনে দিনে আয়ু টুটি আহিছে, ক'ত প্ৰাণবায়ু পৰে ঠিকনা নাই; সেইবাবে এলাহ নকৰি কৃষ্ণৰ গুণ-নাম লোৱা উচিত।১৬৩১।।

**৬২। অৰিষ্টাসুৰ বধ ঃ** কৃষ্ণই যক্ষ শঙ্খচূড়ক বধ কৰাৰ পাচত অৰিষ্টাসুৰক কেনেকৈ বধ কৰা হ'ল, তাৰ কথা শুকে পৰীক্ষিতক ক'লে।১৬৩২।। ৰাসক্ৰীড়াৰ সময়ত গন্ধৰ্ব সকলে নৃত্যগীত কৰি পুষ্প বৰিষণ কৰা আৰু গোকুলত মহামহোৎসৱ হোৱা দেখি অৰিষ্টাসুৰে সহিব নোৱাৰি আক্ৰমণ কৰিলে। সি বৃষ ৰূপ ধাৰণ কৰি, পৰ্বত আকাৰ হৈ আগবাঢ়ি আহিল। তাৰ চুত গিৰি শৃঙ্গৰ দৰে ওখ আৰু ভয়ঙ্কৰ, দীঘল নেজ ডাল ওপৰলৈ তোলা। সি পৃথিৱী কঁপাই গোকুল পালেহি।১৬৩৩,১৬৩৪।। অৰিষ্টাসুৰে খঙত চকু পকাই চাই, শিং মাটিত পুতি আৰু ভৰিৰে মাটি আঁচুৰি, সঘনাই গোবৰ শৌচ কৰি ফেৰপাতি ধৰিলেহি।১৬৩৫।। তাৰ ঘোৰ নাদত পৃথিৱী লৰচৰ কৰিবলৈ ধৰিলে, দশোদিশ সচকিত হ'ল, তাৰ মাতত গৰ্ভৱতী গৰু আৰু স্ত্ৰীৰ গৰ্ভ খহি পৰিলে।১৬৩৬।। তাৰ সুউচ্চ চুট পৰ্বতৰ সমান হোৱাত ডাৱৰবোৰ তাত গোট খালে। তাৰ এনে ভয়ঙ্কৰ আকৃতি আৰু আস্ফালন দেখি গোপ-গোপীগণ ভয়ত ত্ৰাস্তমান হৈ পৰিল।১৬৩৭।।

গাইবোৰে অত্যন্ত ভয় খালে আৰু গোকুললৈ নেজ দাঙি দৌৰিবলৈ ধৰিলে। ব্ৰজবাসী ভয়ত কঁপি উঠিল, ত্ৰাহি কৃষ্ণ, ত্ৰাহি কৃষ্ণ বুলি আৰ্ত্তনাদ কৰিলে।১৬৩৮।। তেওঁলোকে ক'লে—'হে মাধৱ, অসুৰে আমাক সংহাৰ কৰিবলৈ ধৰিছে, তোমাৰ বাহিৰে আমাক কোনে ৰক্ষা কৰিব? এইদৰে কৈ তেওঁলোকে কৃষ্ণৰ চৰণত শৰণ ল'লে।১৬৩৯।। মাধৱে অসুৰৰ অতপালি দেখি 'ভয় নাই' বুলি দৈত্যৰ সন্মুখত অৱতীৰ্ণ হ'ল।১৬৪০।। তেওঁ নীল আকুঞ্চিত কেশ বান্ধি ললে, কটিত পীতবস্ত্ৰ মেৰিয়াই ল'লে, বাহু দাঙি কৃষ্ণই অসুৰক প্ৰত্যাহবান জনালে।১৬৪১।।

'মই আছোঁ দেখ দুষ্ট দৈত্যৰ অন্তক।
কিসক জোঙ্কাস আসি গৰু গোৱালক।।
সিংহৰ আগত হৰিণৰ আটাইটাই।
এখনে লগাইবো তোৰ কুণ্টুৰণি ঠাই।১৬৪২।।

'তই গৰু আৰু গোৱালক কি কাৰণে আক্ৰমণ কৰিছ? সিংহৰ আগত তই হৰিণ হৈ মৰিবলৈ আহিছ।'১৬৪২।। কৃষ্ণই তাৰ খং তোলাবলৈ গৰ্জন কৰিলে।১৬৪৩।। দৈত্যই ক্ৰোধত মাটিত আঁচুৰি, নেজেৰে মাটিবোৰ উৰুৱাই, ৰক্তবৰ্ণ চকুৰে চাবলৈ ধৰিলে। ক্ৰোধত কাণ ওপৰলৈ তুলিলে।১৬৪৪।। তাৰ তীক্ষ্ণতৰ শিং দুটা আগলৈ কৰি কৃষ্ণলৈ খেদামাৰি আহিল।১৬৪৫।। কৃষ্ণই দুই হাতেৰে দুটা শিঙত ধৰি ১৮ ভৰিমান পিচুৱাই নিলে।১৬৪৬।। তাক ঠেলা মাৰি চিট কৰি পেলালে। সি পুনৰ সষ্টমহৈ ফোঁপাই ফোঁপাই কৃষ্ণক তীব্ৰভাৱে আক্ৰমণ কৰিলে। সি শিংদুটাৰে জাপমাৰি কৃষ্ণক আক্ৰমণ কৰিলে।১৬৪৭-

১৬৪৮।।

কৃষ্ণই প্ৰবল প্ৰতাপেৰে তাক থাপ মাৰি দুই শিঙত ধৰি ঠেকেচি পেলালে আৰু সি মাটিত পৰিল।১৬৪৯।। কৃষ্ণই তাক পাকঘূৰাই মুচৰিলে, সি দুঃখ পাই তেজ বমি কৰিলে, চাৰি ভৰি আচাৰিবলৈ ধৰিলে আৰু চকু ওলাই গ'ল।১৬৫০।। সি বিষ্ঠা মূত্ৰ ত্যাগ কৰিলে। কৃষ্ণই তাৰ দুই শিং উঘালি পেলালে আৰু তাৰ মূৰত ডাঙৰ চাপৰ মাৰিলে। সি লগে লগে যমপুৰলৈ গ'ল।১৬৫১।। সকলোৱে জয় জয় কৃষ্ণ বুলি জয়ধ্বনি কৰিলে। কৃষ্ণক সকলোৱে তুতি নতি কৰি দুন্দুভি বজালে। কৃষ্ণৰ মূৰত পুষ্প বৃষ্টি কৰা হ'ল।১৬৫২।। গোপগণে কৃষ্ণৰ মহিমা কীৰ্তন কৰিলে, গোপীগণে কৃষ্ণৰ আনন্দ মূৰ্তিক চাই ধন্যবাদ দিলে। ৰামৰ লগত কৃষ্ণই ব্ৰজত প্ৰবেশ কৰিলে।১৬৫৩।। নন্দ-যশোদায়ে পুত্ৰৰ মহিমা দেখি আচৰিত হ'ল। অৰিষ্টাসুৰক বধ কৰি কৃষ্ণই ব্ৰজত আনন্দেৰে দিন কটালে।১৬৫৪।।

নাৰদৰ কংসৰ ওচৰলৈ আগমন- দেৱঋষি নাৰদে কংসৰ ৰাজ দৰবাৰত প্ৰবেশ কৰিলে। নাৰদে গৈ কংসক নিশ্চিন্তভাৱে বহি থকা দেখি ক'বলৈ ধৰিলে।১৬৫৫।।

'বাঢ়ন্ত ব্ৰজত কৃষ্ণ তোৰ চিন্তি মাৰে।
আফালিলি কন্যা যিটো জীউ যশোদাৰ।।

'বসুদেৱৰ পুত্ৰ ৰামঃকৃষ্ণ দুই ভাতৃ বসুদেৱৰ মিত্ৰ নন্দৰ ঘৰত ভয় কৰি পলুৱাই থৈছে।১৬৫৬।। তোৰ যিমানবোৰ বীৰ গোকুলত প্ৰবেশ কৰে সেই সকলো দুই ভাতৃয়ে মাৰি পেলাইছে। গতিকে ইয়াৰ চিন্তা কৰা উচিত।'১৬৫৭।।

কংসই নাৰদৰ পৰা এই কথা জানি ডাবৰ পৰা খাণ্ডা উলিয়াই ললে আৰু বসুদেৱক কাটিবলৈ গ'ল। নাৰদে কংসক বাৰণ কৰি ক'লে 'বসুদেৱক খং কৰি তোৰ লাভ নহ'ব। কিয়নো পিতৃৰ বধৰ খবৰ পাই ৰাম-কৃষ্ণ ভয়ত পলাই যাব। গতিকে তেওঁলোক দুজনক আনি বধ কৰ আৰু তাৰ পাছত বসুদেৱক যি কৰিব লাগে কৰিবি।' নাৰদৰ কথা শুনি কংসই বিশ্বাস কৰি সিংহাখনত বহিল। কংসই বসুদেৱ-দৈৱকীক লোহাৰ গঁৰালত বন্দী কৰি থলে।১৯৫৮-১৯৬০।।নাৰদে বিদায় লৈ যোৱাৰ পাছতে কংসই কেশীক মাতি আনিলে আৰু গোকুলত প্ৰবেশ কৰি ৰাম আৰু মাধবক বধিবলৈ পঠালে।১৬৬১।। কেশীক পঠাই কংসই চানুৰ, মুষ্টিক, শল্ল আৰু তোশল্লক মাতি আনি, লগতে হাঠিয়াৰ অম্বষ্টকো একেলগ কৰি ক'লে—'হে দানবগণ, গোকুলৰ নন্দৰ ঘৰত মোৰ পৰম শত্ৰু বলৰাম আৰু কৃষ্ণই মোৰ বীৰগণক বধ কৰি বাস কৰি আছে। দুইমালে সিহঁতক বধ কৰিব লাগিব।১৬৬২,১৬৬৩।। তাৰ বাবে ৰঙ্গশালা তৈয়াৰ কৰিব লাগে। ৰঙ্গশালাত বহি নৰনাৰীবোৰে সিহঁতৰ নৃত্য দেখক। হে, অম্বষ্ঠ, তই ৰঙ্গশালাৰ দুৱাৰত থাকি সিহঁতক চুম্পি থাকি অহাৰ লগে লগে মাৰিবি।১৬৬৪।। চতুৰ্দশী তিথিত ধনুযাৰ্গ হ'ব আৰু অসংখ্য ছাগলী কাটি শিৱ পূজা কৰা হ'ব।' কংসৰ এই আদেশ পাই অসুৰগণ কামত লাগিল।১৬৬৫।।

ইয়াৰ পাচত অক্ৰুৰক মাতি আনি আদৰ কৰি কংসই ক'লে— 'তুমি আমাৰ পৰম মিত্ৰ। এই ভোজ বৃষ্ণিবংশত তোমাৰ দৰে হিতকাৰী আৰু আন কোনো নাই।১৬৬৬।। বিষ্ণুক আশ্ৰয় কৰি ইন্দ্ৰই ৰাজপাট ভোগ কৰাৰ দৰে তুমিও মোক সহায় কৰা। মোৰ প্ৰাণবৈৰীক বসুদেৱে গোকুলত পলুৱাই ৰাখিছে।'১৬৬৭।। 'ৰথত উঠি তুমি গোকুললৈ যোৱা আৰু ৰাম-কৃষ্ণক, লগতে নন্দ আদি গোপ সকলক ইয়ালৈ আনা।১৬৬৮।।

'আনিবাহা যেবে ৰাম কৃষ্ণক হাঙ্কাৰি।
মৰাইবো হস্তীৰ হাতে দুইহাঙ্কো আচাৰি।।
তাতে যেবে এড়াইআসি পশে ৰঙ্গশালে।
বান্ধ ভিৰি মাৰিবেক বজ্ৰ সম মালে।১৬৬৯।।
বসুদেব আদি যত তাৰ বন্ধু আছে।
পিতৃ উগ্ৰসেনক কাটিবো তাত পাছে।।
উপায়ো শত্ৰুক বধি সাধি নিজ কাজ।
তেবেসে ভূঞ্জিবো মিত্ৰ অকন্টকা ৰাজ।১৬৭০।।

কংসই ৰাম-কৃষ্ণক বধ কৰাৰ আঁচনিৰ বিষয়ে অক্ৰুৰক বিতংকৈ ক'লে। কংসই ক'লে যে জৰাসন্ধ কংসৰ শশুৰ, বান-সুহৃদ, সম্বৰ অসুৰ তেওঁৰ মিত্ৰ; সেইসকলৰ সহায়ত বিপক্ষক জয় কৰি কংসই অকন্টকা বসুন্ধৰা ভূঞ্জিব।১৬৭১।। সেইবাবে ধনুৰ্যাগলৈ দুয়োজনকে আনিবলৈ অক্ৰুৰক কংসই আদেশ দিলে।১৬৭২।। অক্ৰূৰেও কংসক ক'লে 'ভাল উপায়কে গ্ৰহণ কৰা হৈছে। নিজৰ মৃত্যুভয় এইদৰে গুচাব লাগে। সিদ্ধি বা অসিদ্ধি অৱশ্যে দৈৱাই নিৰূপণ কৰিব। নিজ কৰ্মফলত হ'ব লগা আছে হ'ব, তথাপি তোমাৰ আজ্ঞা পালন কৰিম।'১৬৭৪।।

ইয়াৰ পাছতে কংসই সভাভঙ্গ কৰিলে, অক্রূৰেও নিজ গৃহত প্ৰবেশ কৰিলে।

**উপদেশ ঃ** কৃষ্ণৰ চৰিত্ৰ কথা সকলোৰে শ্ৰদ্ধাৰে শুনিব লাগে। প্ৰাণ থকালৈকে ভকতি এৰিব নালাগে।১৬৭৫।। হৰি পৰম প্ৰিয়, আত্মা, পিতা, মাতা, ঈশ্বৰ, সুখ-দুঃখ দাতা, ইহলোকে-পৰলোকে হৰি বিনে আন নাই। সেইবাবে হৰিৰ চৰণত সেৱা কৰা উচিত।১৬৭৬।। সংসাৰ নদীত হৰিয়েই তাৰিব, কাৰণ কলিত হৰিনামৰ বিনে পুণ্য নাই। সেইবাবে কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে আনকাম এৰি ৰামনাম ডাকিবলৈ কৈছে।১৬৭৭।।

**৬৩। কেশী আৰু ব্যোমাসুৰ বধঃ** শুকে পৰীক্ষিতক কেশী আৰু ব্যোমাসুৰ বধৰ কথা ব্যাখ্যা কৰিলে। কংসৰ আদেশ পাই কেশীয়ে গোকুললৈ তুৰন্তে আগবাঢ়িল। তাৰ আকৃতি পৰ্বতসদৃশ, ঘোঁৰাৰ আকৃতিৰ; ভয়ঙ্কৰ খুৰাৰে সি পৃথিৱী কঁপাই, কেশৰ জোকাৰণিৰে স্বৰ্গৰ বিমান খহাই, নেজৰ প্ৰহাৰত আকাশৰ মেঘখণ্ড খণ্ড কৰি তীব্ৰ বেগে অগ্ৰসৰ হ'ল।১৬৭৮।। তাৰ হ্ৰেসনিৰ শব্দত ব্ৰজবাসী গণ ভয়ত বিব্ৰত হৈ পৰিল। তাৰ মুখ বিকট, চকু ভয়লগা, বৃহৎ গল ওপৰলৈ উঠা, তাৰ আগমনত গোকুল কঁপি উঠিল।১৬৭৯।। সি প্ৰলয় কালৰ মহাভয়ঙ্কৰ মেঘখণ্ডৰ দৰে গোকুলত পখি কৃষ্ণক বিচাৰি ফুৰিবলৈ ধৰিলে। গোপ-গোপীগণে ভয়ত পেপুৰা লাগিল।১৬৮০।।

কৃষ্ণই কেশীক প্ৰত্যক্ষ কৰিলে। সমস্ত গোকুল তাৰ ভয়ত ভীত হৈ উঠাত কৃষ্ণই পীতবস্ত্ৰ কঁকালত টানি বান্ধি ল'লে। আকুঞ্চিত কেশ গুচ্ছ মেৰিয়াই বান্ধিলে আৰু বাহু দাঙি হুঙ্কাৰ দিলে আৰু অসুৰক খেদি গ'ল।১৬৮১।।

'গৰু গোৱালিক কেনে ডৰুৱাস
শুনৰে দৈত্য অবোধ।
যতেক শকতি আছে আৰে আমি
কেশী মোক দেহ যুদ্ধ।।

কৃষ্ণই কেশীক ককৰ্থনা কৰাত কেশীয়ে চণ্ডবেগে খেদি যায়, আৰু কৃষ্ণক সি দুই ঠেঙেৰে লাথি মাৰিলে।১৬৮২-১৬৮৩।। কৃষ্ণই গা কাতি কৰি এৰাই দুই হাতেৰে তাৰ দুই ভৰি ধৰি ওপৰলৈ তুলি পাক ঘূৰালে। তাৰপাচত তাক মাটিত আচাৰি পেলালে।১৬৮৪।। গৰুড়ে সৰ্পক অপ্ৰয়াসে আক্ৰমণ কৰাৰ দৰে কৃষ্ণই দৈত্যক লৈয়ো কেলি কৰিবলৈ ধৰিলে। কিছুসময়ৰ পাচত কেশীয়ে মহাকোপে মুখমেলি কৃষ্ণক ধৰি পেলালে। কৃষ্ণই তাৰ গহবৰ সদৃশ মুখখন দেখি বাওঁ হাতখন তাৰ মুখত ভৰাই দিলে।১৬৮৫।। কেশীয়ে কৃষ্ণৰ হাতখন টানকৈ কামুৰি দাঁতবোৰ বহোৱাবলৈ ধৰিলে; কিন্তু তাৰ দাঁত দুপাৰি সুলকি পৰিলে। কৃষ্ণৰ হাতখন বাঢ়ি যাবলৈ ধৰিলে, তাৰ গল ভেটি ধৰিলে, পেট উখহিলে। উশাহ নাপাই তাৰ ছাটি ফুটি লাগিল। সি হাত ভৰি মাৰিবলৈ ধৰিলে। মুখ আৰু চকু মুদি দিলে, বিস্তৰ বিষ্ঠা ত্যাগ কৰিলে, মূত্ৰ ত্যাগ কৰিলে। প্ৰাণ এৰি সি মাটিত পৰি ৰ'ল।১৬৮৬-১৬৮৮।। কৃষ্ণই তাৰ শৰীৰ ছিৰাছিৰি কৰিলে। কৃষ্ণই নিজৰ হাত তাৰ মুখৰ পৰা উলিয়াই আনিলে।১৬৮৯।।

এই কাৰ্য দেখি ব্ৰহ্মা, হৰ, ত্ৰিদশে পুষ্প বৃষ্টি কৰিলে। আনন্দত দুন্দভি বজালে আৰু কৃষ্ণক বহুত তুতি-মিনতি কৰি নিজ স্থানে তেওঁলোক গমন কৰিলে। গোপগণে বেঢ়ি কৃষ্ণৰ মহিমা কীৰ্তন কৰিলে।১৬৯০।। কৃষ্ণই অসুৰ বধ কৰি গোকুলবাসীৰ আনন্দ বঢ়াই দিন অতিক্ৰম কৰিলে।১৬৯১।।

**৬৪। নাৰদৰ কৃষ্ণ-স্তুতি ঃ**

নাৰদে কংসৰ ওচৰৰ পৰা কৃষ্ণৰ ওচৰলৈ আহিল। কৃষ্ণই কেশীক বধ কৰি গোকুলত বিৰাজ কৰি আছিল।১৬৯২।। নাৰদ জগতৰ সুহৃদ আৰু কৃষ্ণক নিৰ্জ্জন স্থানত পাই স্তুতি কৰিবলৈ ধৰিলে।

'হে কৃষ্ণ কৃষ্ণ ঈশ্বৰৰো ঈশ তুমি।
দৈত্যক সংহৰি প্ৰভু উদ্ধাৰিলা ভূমি।১৬৯৩।।
অনুৰূপ জগতকে কৰা প্ৰতিপাল।
নুহি পৰিচ্ছিন্নৰূপ তোমাৰ গোপাল।।
জগততে আছা তুমি অচিন্ত্য স্বভাৱ।
জগতো তোমাতে আছে নজানি প্ৰভাৱ।১৬৯৪।।
একে আত্মা ব্যাপি আছা সমস্ত জগতে।
যেন এক হুতাশন সমস্ত কাষ্ঠতে।।
আছা অন্তৰ্যামী জগততে গূঢ় ভাৱে।
তথাপিতো অভকতে তোমাক নপাৱে।১৬৯৫।।
যিহেতু হিয়াত আছা কৃষ্ণকৃপাময়।
তাতেসে সমস্তে জড় জীৱ প্ৰকাশয়।।
যদ্যাপি তোমাত কৰি জীৱ নুহি ভিন্ন।

তথাপিতো ভৈল প্ৰভু তোমাৰ অধীন।১৬৯৬।।
নাৰদে কৃষ্ণক স্তুতি কৰিছে আৰু সেই স্তুতিত কৃষ্ণৰ পৰম পুৰুষত্ব ফুটি উঠিছে।

'হে কৃষ্ণ তুমি ঈশ্বৰৰো ঈশ্বৰ মহেশ্বৰ। তুমি জগতক প্ৰতি পালন কৰি আছা। তোমাৰ বেলেগ ৰূপ নাই। সমস্ত জগতত্তে তুমি বিৰাজমান হৈ আছা আৰু তোমাক চিন্তাৰে ঢুকি পোৱা নাযায়। সমস্ত জগতখনো তোমাতে আছে। সকলো কাঠতে অগ্নি সোমাই থকাৰ দৰে তুমি আত্মাৰূপে সকলো প্ৰাণীত বিৰাজমান হৈ আছে। তুমি অন্তৰ্যামী, অভকতে তোমাক নাপায়।১৬৯৪-১৬৯৫।।

যিহেতু তুমি হিয়াত আছা, সেয়ে জড়জীৱই প্ৰবৰ্ত্তি আছে। জীৱ তোমাৰ অধীন। মায়াৰদ্বাৰা স্ৰজন, তম গুণৰ দ্বাৰা সংহাৰ আৰু সত্বগুণৰ দ্বাৰা পালন কৰিছা। তুমি ইচ্ছা কৰা মাত্ৰেই সৃষ্টি হয়।১৬৯৬,১৬৯৭।। ৰাক্ষস, দানবগণে ৰজাহৈ তোমাৰ ভক্তক অত্যাচাৰ কৰিলেই তুমি অৱতাৰ হোৱা।১৬৯৮।। কেশীয়ে ঘোঁৰাৰ ৰূপধাৰণ কৰি ভকতক অপকাৰ কৰাৰ বাবে বাধা কৰিলা। তাক দেবগণেও ভয় কৰে।১৬৯৯।।' কৃষ্ণই ভৱিষ্যতে কি কি কৰ্ম কৰিব, তাকো স্তুতিত উল্লেখ কৰিছে নাৰদে।

'আজি অক্ৰূৰ আহি গোকুল পাবহি, কালৈ তুমি মথুৰালৈ যাবা, ধোবাক বধিবা, হৰধনু ভাঙিবা, কুজীক প্ৰসাদ দিবা, মালাকাৰকো সন্তোষ কৰিবা।১৭০০।। পৰহিলৈ কুবলয়ক বধ কৰিবা, চানুৰ আদিমালৰ প্ৰলয় ঘটাবা, কংসকো বধ কৰিবা। তোমাৰ ঈশ্বৰ লীলা সকলোৱে দেখিব।১৭০১।। বসুদেব-দৈৱকীক কাৰাগাৰৰ পৰা মুক্ত কৰিবা, উগ্ৰসেনক ৰজা পাতিবা, সান্দীপনি গুৰুগৃহত শাস্ত্ৰ পঢ়িবা, পাঞ্চজন্যক বধ কৰি মৃতপুত্ৰক আনি দিবা।১৭০২।।

'যুদ্ধত মগধৰ সেনাক ক্ষয় কৰি কালযবনক মুচুকুন্দুৰ হতুৱাই মৰাবা, মুচুকুন্দই তোমাক স্তুতি কৰিব, দ্বাৰকাত সাগৰৰ মাজত নগৰ নিৰ্মাণ কৰিবা,।১৭০৩।। ৰুক্মিণীক হৰণ কৰি অষ্টমহিষীক বিয়া কৰাবা, মুৰ আৰু নৰকক বধ কৰিবা, অদিতিক কুণ্ডল দিবা।১৭০৪।। ভাৰ্যাৰ কাৰণে দেবপাৰিজাত হৰিবা, ইন্দ্ৰই যুদ্ধত পৰাজয় হ'ব। যোল্ল হেজাৰ কন্যা আনি বিবাহ কৰিবা।১৭০৫।। ৰুক্মিণীক পৰিহাস কৰিবা আৰু চতুৰ্ভুজ ৰূপে আশ্বাস কৰিবা।১৭০৬।। অনিৰুদ্ধৰ বিবাহৰ বাবে বানৰ লগত যুদ্ধ কৰিবা আৰু হৰে বানৰ হৈ তোমাৰ লগত যুদ্ধ কৰিব আৰু মহেশক বিজম্ভন শৰে মুহিবা।১৭০৭।।

বাৰানসীলৈ গৈ সুদক্ষিণ পৌণ্ড্ৰকক চক্ৰেৰে তুমি বধ কৰিবা, তোমাৰ বহুত পুত্ৰ-নাতি হ'ব, তোমাৰ গৃহধৰ্ম আদৰ্শস্থানীয় হ'ব।১৭০৮।। ভকতৰ বাবে তুমি ভীমৰ হাতত জৰাসন্ধক বধ কৰাবা, জৰাসন্ধই বন্দী কৰি থোৱা ৰজাসকলক মুক্ত কৰিব।১৭০৯।।

পাণ্ডৱ সকলক ৰাজসূয় যজ্ঞ কৰোৱাই তোমাক নিন্দবাণী শুনোৱা শিশুপালক শিৰচ্ছেদ কৰিবা।১৭১০।। কুৰু-পাণ্ডৱৰ মাজত বিৰোধ ঘটাই কুৰুক্ষেত্ৰ মহাসমৰ কৰাবা, তোমাক সাৰথি কৰি অৰ্জ্জুনে অষ্টাদশ অক্ষৌহিনী সেনা মৰাবা, শাল্ব, বিদুৰথ, দন্তবক্ৰক  বধ কৰি সৌভকক ভাঙিবা।১৭১১।। গ্ৰহণৰ সময়ত কুৰুক্ষেত্ৰলৈ গৈ পিতৃৰ মহাযজ্ঞ কৰাবা, নন্দ-যশোদাক মান্যকৰিবা, গোপীক জ্ঞানদান দিবা।১৭১২।। পিতৃক তুমি মহাজ্ঞান দিবা, দৈবকীৰ মৃত পুত্ৰক দান দিবা, সুভদ্ৰাক অৰ্জ্জুনত বিয়া দিবা, অৰ্জ্জুনৰ প্ৰতিজ্ঞা ৰক্ষা কৰিবা।১৭১৪।।

তুমি নৃগ ৰজাক উদ্ধাৰ কৰিবা আৰু পৃথিৱীৰ মহাভাৰ হৰিবা; দ্বাৰকাত থাকি যিবোৰ লীলা কৰিবা; সেই সকলোবোৰ দেখিবলৈ পাম'।১৭১৫।। এইদৰে কৈ থাকোতে নাৰদৰ ভক্তি প্ৰেম বাঢ়ি গ'ল আৰু দণ্ডৱতে পৰি কৃষ্ণক প্ৰণাম জনালে।১৭১৬।।

নাৰদে নমস্কাৰ জনাই ক'লে—'হে আনন্দ মূৰ্তি, তোমাক প্ৰণাম কৰোঁ, হে পূৰ্ণকাম, চৰণত প্ৰণাম যাচোঁ। তুমি মায়াৰে সংসাৰ স্ৰজন কৰি ক্ৰীড়াৰ নিমিত্তে মনুষ্য আকৃতি ধৰিছে।'১৭১৭।।

কৃষ্ণৰ দৰ্শন লাভ কৰি পৰমসম্পদ লাভ কৰিলে নাৰদে আৰু কৃষ্ণ-গুণ গাই গাই নাৰদ আতৰি গ'ল।১৭১৮।।

**ব্যোমাসুৰ বধ—**

কৃষ্ণই কেশীক বধ কৰাৰ পাছত কৃষ্ণই ধেনু চৰাই ফুৰিছিল। গৰুবোৰ পৰ্বতৰ শিখৰত চৰিছিল। কৃষ্ণ গোপগণৰ লগত ক্ৰীড়া কৰিবলৈ ধৰিলে। ১৭১৯,১৯২০।। কোনোৱে চোৰ হৈ, কোনোৱে গৃহস্থ হৈ, কোনো ভেৰাছাগলী হৈ খেলা খেলিলে। ১৭২১।। চোৰক গৃহস্থয়ে উগ্ৰশাস্তি বিহিছিল।১৭২২।। সেই সময়তে ব্যোম নামে ময়ৰ পুত্ৰই (কংসৰ প্ৰিয়লোক) গোৱালৰ ৰংদেখি চোৰৰ লগলৈ খেলিবলৈ ধৰিলে। যিটো চোৰে ভেৰা হৈ আছিল, সি চোৰ কৰি সকলোকে লৈ গৈ গহবৰত প্ৰবেশ কৰিলে। ভয়ঙ্কৰ শিল এটা দি গুহাৰ দুৱাৰ

সি বন্ধ কৰি দিলে। ১৭২৩-১৭২৫।। কৃষ্ণই এই চতুৰালি দেখিবলৈ পালে। ১৭২৬।। কৃষ্ণই তাক বধ কৰিবলৈ যত্ন কৰিলে। গোৱালবোৰক ধৰি সি হৰণ কৰা দেখি কৃষ্ণই তাক থাপ মাৰি চুলিত ধৰি ৰাখিলে।১৭২৭।। সিংহই কুকুৰক ধৰাৰ দৰে তাক ধৰাত অসুৰে নিজ ৰূপ ধাৰণ কৰিলে। তাৰ নাকৰ বিন্ধা দুটা অন্ধকূপৰ দৰে, কাণ দুখন শগুনৰ পাখিৰ দৰে, চকু দুটা ৰঙা জুইৰ দৰে, দাঁত দুপাৰি পৰ্বতৰ শৃঙ্গৰ দৰে আৰু পেটটো যেন এটা শুকান পুখুৰীহে।১৭২৯।। তাৰ শালবৃক্ষ সমান দুই বাহু আৰু মূৰে স্বৰ্গ চুই থকাৰ নিচিনা আৰু দেহটো কাল পৰ্বতৰ দৰে ভয়ঙ্কৰ।১৭৩০।।

সি কৃষ্ণৰ হাতৰ পৰা এৰাবলৈ যত্ন কৰিলে। কৃষ্ণই তাৰ ঘাৰত ধৰি মোহাৰিবলৈ ধৰিলে। সৰ্পই এন্দুৰ ধৰাৰ দৰে কৃষ্ণই তাক ধৰিলে। বৰ দুখ পাই সি চিঞৰ মাৰিলে।১৭৩১।। আকাশৰ পৰা দেবগণে তাক দেখি আচৰিত হ'ল। কৃষ্ণই তাক দুই হাতেৰে মাটিত বগৰাই পেলালে, তাৰ ঘাৰ মোচৰিবলৈ ধৰিলে আৰু দানবে গা-জোকাৰ মাৰি প্ৰাণ এৰিলে।১৭৩২।। দামোদৰে শিল আতৰ কৰি চুৰি কৰি নিয়া গোপসকলক উদ্ধাৰ কৰিলে। তেওঁলোকে বিপদৰ পৰা ৰক্ষা পাই আনন্দ কৰে আৰু দেবগণে কৃষ্ণৰ শিৰত পুষ্পবৃষ্টি কৰে। ১৭৩৩।। গোপগণে গৰুবোৰ আগত লৈ যাওঁতে কৃষ্ণৰ মহিমা কীৰ্তন কৰে। আকাশৰ পৰা দেবগণ আৰু কৃষ্ণই স্তুতি কৰে, দুন্দুভি বজাই পুষ্প বৰিষণ কৰে। ১৭৩৪।। গোপগণ আৰু কৃষ্ণই আনন্দ মনেৰে ব্ৰজলৈ গমন কৰে।১৭৩৫।। যশোদাই আগবাঢ়ি আহি কৃষ্ণক আলিঙ্গন কৰে। ধুৰাই খুৰাই পুত্ৰমুখলৈ চাই যশোদাই ব্ৰহ্মানন্দ লাভ কৰে।১৭৩৬।।

উপদেশ—

কবিয়ে কৈছে—'হে নৰগণ, কেতিয়া মৰি যাব লগা হয় তাৰ ঠিক নাই। কালে ধৰি আছে, তথাপি চেতনা অহা নাই। সেইবাবে সাৰধানহৈ কৃষ্ণৰ চৰণত ধৰা উচিত।১৭৩৭।। ভাৰতত মনুষ্য তনু লাভ কৰিবলৈ সহজে পোৱা নাযায়। মাধবৰ বাহিৰে ভকতৰ বন্ধু নাই; গতিকে আন সকলো কৰ্ম এৰি হৰি কীৰ্তন কৰি সংসাৰ তৰিবলৈ যত্ন কৰা উচিত।১৭৩৮।।

**৬৫। গোষ্ঠলৈ অক্ৰূৰৰ আগমন ঃ** কংসৰ আদেশ পাই অক্ৰূৰে সেই ৰাতি মথুৰাতে কটালে আৰু গোটেই ৰাতি তেওঁ অনিদ্ৰাৰে পঠালে; কিয়নো তেওঁ কৃষ্ণৰ দৰ্শন লাভ কৰিবলৈ সুবিধা পাইছে। ৰাতিপুৱাই ৰথলৈ তেওঁ হৰিক স্মৰণ কৰি গোকুললৈ যাত্ৰা কৰিলে। তেওঁ প্ৰেমে পুলকিত হ'ল।১৭৩৯।। তেওঁ ভাবিলে যে কি তপ আচৰিনো এই সুবিধা লাভ কৰিলে। স্বচক্ষে কৃষ্ণক দেখিবলৈ পাব বুলি নিজকে প্ৰশংসা কৰিলে।১৭৪০।। কৃষ্ণ দৰশনৰ আশাত তেওঁ উল্লাসিত হ'ল। কালনদীৰ মাজত জীৱবোৰ পৰি উটি উটি যায় যদিও তাৰে মাজৰ পৰা কিছু মানে ভাগ্যক্ৰমে তৰি যায়। তেওঁ তাৰে এজন ভাগ্যবান লোক বুলি ভাবিলে। তেওঁৰ জন্ম যেন সফল হৈছে কাৰণ তেওঁ গৈ নিজে কৃষ্ণৰ চৰণত মূৰ দোঁৱাব পাৰিব।১৭৪১।।

কংসই তেওঁক পঠাই কৃপাহে কৰিলে বুলি ভাবি তেওঁ কৃষ্ণৰ গুণ স্মৰণ কৰিলে। অম্বৰীষ আদি ৰজাগণে যাক স্মৰণ কৰি, ব্ৰহ্মা মহেশ্বৰে যাক পূজা কৰে, লক্ষ্মীয়ে যাক অৰ্চ্চনা কৰে, ভকতে সততে যাক সেৱা কৰে, গোপীয়ে কুচ কুঙ্কুমে যাক ৰঞ্জিত কৰে, সেই ঈশ্বৰ কৃষ্ণক তেওঁ সেৱা কৰি পৰম পবিত্ৰ হ'ব।১৭৪২।।

তেওঁ সংসাৰৰ তাপ হৰণ কৰে, তেওঁ এটা ডাঙৰ বগাছাতিৰ দৰে, পৰম সুখকৰ, কামদ, তীৰ্থশ্ৰেষ্ঠ, তেওঁৰ পাদ পদ্মত অক্ৰুৰে সেৱা কৰিবলৈ পোৱাটো পৰম সৌভাগ্য বুলি ভাবিলে। মুকুন্দৰ মুখপদ্ম আৰু পঙ্কজপদযুগল দেখিবলৈ তেওঁ সক্ষম হ'ব।১৭৪৩।। কৃষ্ণৰ সুন্দৰ নাসিকা, সুন্দৰ মুখ কান্তি দেখি তেওঁ কৃতকৃত্য হ'ব। যাৰ গুণ-কৰ্মই জগতক পবিত্ৰ কৰে, মুক্তি দিয়ে, তেনেজনৰ কথা স্মৰণ কৰি সুখ পোৱা যায়।১৭৪৪।। যি বোৰ কথাত ভগবানৰ গুণ-নাম নাই, সেইবোৰ মৰাশৰ দৰে অপবিত্ৰ। তেওঁ জগতৰ গুৰু হৈয়ো লক্ষ্মীৰ বশ্য হৈছিল, বেদে যাৰ যশ-গান গায়, ভকতৰ যিজন কল্পতৰু তেওঁক দেখিবলৈ পোৱাটো কোটিজনমৰ সাধনা।১৭৪৫।। কৃষ্ণৰ পদ পঙ্কজ দেখিলে তেওঁ ৰথৰ পৰা জাপমাৰি পৰিব। যোগীয়ে যাক ধ্যান কৰে। সেই কৃষ্ণ আৰু গোপগণক তেওঁ সেৱা জনাব।১৭৪৭।। মৃত্যুৰ ভয়ত যি তেওঁৰ চৰণত শৰণ লয়, সেই কৃষ্ণই তেওঁক কংসৰ দূত হ'লেও আপোনজ্ঞান কৰিব, তেওঁ অন্তৰ্যামী যেতিয়া অক্ৰূৰৰ ভক্তি বুজিব।১৭৪৮।। চৰণত পৰাৰ লগে লগে তেওঁক কৃষ্ণই দয়া দৃষ্টি কৰিব, তেতিয়া তেওঁৰ সমস্ত পাপ বিনাশ হ'ব, বাহু মেলি আকোৱালি লৈ তেওঁৰ কৰ্ম বন্ধ ছেদ কৰিব।১৭৪৯।।

গোবিন্দৰ সঙ্গলাভ কৰি তেওঁৰ মন আনন্দত ভৰি পৰিব, অক্ৰূৰ খুৰা বুলি কৃষ্ণই তেওঁক প্ৰবোধ দিব, তেতিয়া তেওঁৰ জীৱন সাৰ্থক হ'ব।১৭৫০।।

শত্ৰু-মিত্ৰ উদাসীন কৃষ্ণক ভকতে ভজিলে ফলপায়। হাতত ধৰি কৃষ্ণই তেওঁৰ ভিতৰলৈ নি বহুৱাব।১৭৫০-১৭৫১।। সত্কাৰ কৰি কথা সুধিব। এনেদৰে চিন্তা কৰি কৰি অক্ৰূৰে দীঘলীয়া পথ অতিক্ৰম কৰি গধূলি গোকুল পালেগৈ। তেওঁ গোপপুৰী (গোষ্ঠ) দেখা পালে।১৭৫২।। দধি মথাৰ শব্দ, লোকৰ আৰাৱ তেওঁ শুনিলে।

**উপদেশ**— হে সভাসদ সকল, মাধবত মন দিয়া, অন্তকে চুলিত ধৰি টানি নিবলৈ ৰৈ আছে। আয়ু ক্ষণে ক্ষণে যাব ধৰিছে, কালে ধৰিবলৈ বাট চাই আছে, তথাপি গাত চেতনা অহা নাই। আন কৰ্ম এৰি হৰি নাম লোৱা, হৰিনাম শুনা হৰিনামেহে মৃত্যু বেলা তাৰিব।১৭৫৩।।

**৬৬। ৰাম-কৃষ্ণ আৰু অক্ৰূৰৰ কথোপকথন ঃ ৰাম-কৃষ্ণৰ মধুপুৰ যাত্ৰাঃ**

সন্ধ্যাৰ লগে লগে অক্ৰূৰে গোপপুৰ পাই কৃষ্ণৰ খোজৰ চিহ্ন দেখিবলৈ পায়।১৭৫৪।। পঞ্চচিহ্নেৰে সুশোভিত খোজ বসুধাৰ বুকুত জিলিকি থকা দেখি তেওঁৰ প্ৰেমভাব উপজিল।১৭৫৫।। লোতকে চকু ভৰিল, হিয়া দ্ৰবীভূত হ'ল, আথেবেথে ৰথৰপৰা জাপমাৰি পৰি খোজৰ চিহ্নক আকোৱালি ধৰিলে।১৭৫৬।। আনন্দত অধীৰ হৈ তেওঁ ৰাম-কৃষ্ণ বুলি আৰ্তনাদ কৰিলে, খোজৰ চিহ্নত পৰি পৰি সেৱা জনালে।১৭৫৭।। দেৱৰ দুৰ্ল্লভ চিহ্ন ভবনদী তৰিবৰ বাবে দৃঢ়নৌকা বুলি তেওঁ ভাবিলে।১৭৫৮।। পুনৰ ৰথত উঠি তেওঁ আগবাঢ়িল।১৭৫৯।।

ৰামকৃষ্ণই সেই সময়ত গাইদোহন কৰা চাই আছিল। অক্ৰূৰে গৈ ৰাম-কৃষ্ণক তেনে সময়তে দেখা পালে আৰু ৰাম-কৃষ্ণৰ মনোহৰ ৰূপ লাৱণ্য দেখি আচৰিত হ'ল— আনন্দত হিয়া নধৰা হ'ল।১৭৫৯।।

পৰম সুন্দৰ দুয়ো ৰূপ সুকুমাৰ।
নীলপীত বস্ত্ৰে আতি কৰে জাতিষ্কাৰ।১৭৬০।।
শ্যামশ্বেত বৰ্ণ দুইৰো বদন প্ৰসঙ্গ।
আজানুলম্বিত ভুজ পঙ্কজ নয়ন।।
গন্ধ চন্দনে দুইৰো সৰ্ব্বাঙ্গে লেপিত।
পিন্ধি আছে মালাদিব্য ৰত্নে বিৰচিত।১৭৬১।।
হেম ময় অলঙ্কাৰে দুইৰো কলেবৰ।
হসিত বদনে দুয়ো চান্ত দায়াতৰে।।
জগত কাৰণ দুয়ো পুৰুষ পৰম।
কিশোৰ বয়স বা মাতঙ্গ বিক্ৰম।১৭৬২।।
ধ্বজ বজ্ৰ পদ্মে দুইৰো পদ অলঙ্কৃত।
কৰন্তে আছন্ত খোজে ব্ৰজক মণ্ডিত।।
শৰীৰ কান্তিৰ দিশ প্ৰকাশিত দুই।
মৰকত ৰূপাৰ পৰ্বত যেন দুই।১৭৬৩।।

'দুয়োৰে পৰম সুন্দৰ শৰীৰ, বয়সত কিশোৰ, সুকুমাৰ, নীলপীত বস্ত্ৰ পৰিহিত, শ্যাম-শ্বেতবৰণৰ; আজানুলম্বিত ভুজ, পঙ্কজনয়ন, দিব্যমালা পৰিহিত, সোণালী অলঙ্কাৰে ভূষিত, কান্তিময় শৰীৰৰ জ্যোৎস্না ভৰা আবেশ দেখি অক্ৰূৰৰ আত্মাবিমোহিত হ'ল।১৭৬০-১৭৬৩।।

দুয়োৰে ৰূপ-লাৱণ্যই মদনকো ছেৰ পেলায়।১৭৬৪।। অৰুণ-চৰণ-চাৰু নুপুৰে সুশোভিত, ৰূপৰ জ্যোতি চকুৰে চাই হেঁপাহ নপলায়। অক্ৰূৰে ৰূপ দেখি ব্যাকুল হয়।১৭৬৫।। তেওঁৰ হৃদয়ত প্ৰেম ভক্তিৰ নদী প্ৰবাহিত হ'ল। তেওঁ বিহ্বল হ'ল,।১৭৬৬।। ৰাম-মাধবৰ চৰণত অক্ৰূৰ দীঘল দি পৰিল।১৭৬৭।।

আনন্দত অক্ৰূৰে কান্দিবলৈ ধৰিলে। মুখত মাত নাই।'ত্ৰাহি কৃষ্ণ কৃষ্ণ' বুলি ভৰিত পৰি থাকিল। অক্ৰূৰৰ ভকতি দেখি কৃষ্ণৰ লোতক বাগৰি আহিল, বিহবল হ'ল।১৭৬৯।। কৃষ্ণই 'খুড়া খুড়া' বুলি অক্ৰূৰক বাহুমেলি আলিঙ্গি ললে। ৰামেও অক্ৰূৰক সাৱটি ধৰিলে। অক্ৰূৰক তেওঁলোকে গৃহলৈ নিলে।১৭৭০।।

অক্ৰূৰক সাদৰ কৰি সুবৰ্ণ সিংহাসনত উপবিষ্ট কৰালে, কুশল মঙ্গলৰ বাতৰি সোধা হ'ল, অক্ৰূৰৰ ভৰি কৃষ্ণই নিজে পখালি মধু পৰ্ক অৰ্পণ কৰিলে।১৭৭১।। তেওঁৰ ভৰি দুয়ো ভায়ে তেললৈ মোহাৰিলে আৰু পৰমান উপবেশন কৰোৱালে। চন্দন পুষ্প দি মুখ শুদ্ধি যাচিলে। নন্দই অক্ৰূৰক সাদৰে খা-খবৰ সুধিলে।১৭৭২।। নন্দই অক্ৰূৰক সুধিলে কিদৰে মথুৰাত তেওঁ জীৱন কটাইছে।১৭৭৩।। কংসই ভাগিন সকলক কেনেকৈ নিধন কৰিলে? প্ৰজাগণ কুশলে আছেনে? আদি কথা সুধিলে আৰু আলাপ কৰিলে।১৭৭৪।। ৰাম আৰু মাধবৰ পৰা প্ৰভুৰ আদৰ আপ্যায়ন পাই অক্ৰূৰে সুবৰ্ণ খাটত শয়ন কৰিলে।১৭৭৫।। জগতৰ ঈশ্বৰ কৃষ্ণৰ পৰা প্ৰচুৰ সম্পদ পালেও ভকতে সেইবোৰ ত্যাগ কৰি কৃষ্ণৰ চৰণত হে ভজে।১৭৭৬।। কৃষ্ণ বলৰামে আহাৰ ভূঞ্জি অক্ৰূৰৰ ওচৰলৈ আহিল। বিৰলে বলোৰাম আৰু কৃষ্ণই অক্ৰূৰৰ লগত

বহি অহাৰ কাৰণ সুধিলে।১৭৭৭।।'হে খুৰা, আমাৰ জাতিগণ সুখেৰে আছেনে? কংস মামা থকালৈকে কাৰো মঙ্গল হ'ব নোৱাৰে।১৭৭৮।। আমাৰ পিতৃ-মাতৃ পৰম মহন্তলোক, মোৰ বাবেই তেওঁলোকে বৰ দুখ কষ্ট সহ্য কৰিব লগা হৈছে। মোৰ বাবেই ছয়পুত্ৰৰ মৰণ হৈছে। মোৰ বাবেই তেওঁলোকে দুৰ্ঘোৰ বন্ধনত অশেষ কষ্ট ভোগ কৰিব লগা হৈছে।১৭৭৯।। হৰি হৰি মোৰ দুখিনী দৈবকী আয়ে নিকাৰ ভূঞ্জিব লগা হৈছে। মোৰ বাবে বন্ধনতে তেওঁলোকৰ জীৱন শেষ হওঁ হওঁ হৈছে।১৭৮০।। তোমাক দেখি বৰ আনন্দ পালো, কি কাৰণে আহিলা কোৱা।'

অক্ৰূৰে যোৱাৰ কাৰণ ব্যক্ত কৰিলে।১৭৮১।। নাৰদে গৈ কংসৰ আগত যিদৰে ক'লে সেই সকলোখিনি কথা ক'লে। কংসই বসুদেৱক বধ কৰিবলৈ লোৱাত নাৰদে বাধা দি তোমালোক দুয়োকে মথুৰালৈ নি বধ কৰিবলৈ কোৱাতহে বসুদেবক বধ নকৰি কংসই এৰি বন্দী কৰি ৰাখিলে। কংসই ধনুৰ্যাগ পাতি চলেৰে তোমালোকক আমন্ত্ৰণ কৰিবলৈ অক্ৰূৰক পঠাইছে।

হস্তী আৰু মালৰ হতুৱাই তোমালোকক বধ কৰিবলৈ কংসই বুদ্ধি পাতিছে।১৭৮২।।

হেনয় সম্ভেদ কথা শুনি হৃষীকেশ।
পিতৃত কহিলা সবে কংসৰ আদেশ।১৭৮৩।।
হুয়ো সাজ-পিতৃ কালি যাইবো লাগি জানি।
নন্দো আদেশিলা পাছে গোপগণ আনি।।

কৃষ্ণই অক্ৰূৰৰ পৰা কংসৰ আমন্ত্ৰণৰ কথা পিতৃক ক'লে আৰু পাছদিনা পুৱাতে মথুৰালৈ যাবলৈ সাজু হ'বলৈ ক'লে। নন্দই গোপগণক সাজু হ'বলৈ আদেশ কৰিলে। বাৰ্ষিক কৰ-কাতল, দুগ্ধ আদি যোগাৰ কৰিবলৈ নন্দই আদেশ কৰিলে। গাড়ী যুগুত কৰি মহোৎসব কৰি যাবৰ বাবেও নিৰ্দেশ দিলে। গোপগণে সেই মতে খৰখেদাকৈ সাজু হ'ল।১৭৮৫।।

**৬৭। গোপীসবৰ বিলাপ ঃ**

গোপীগণে এই খবৰ পোৱাৰ লগে লগে তেওঁলোক থিয়য়ে মৰিব লগীয়া হ'ল। তেওঁলোকে চাৰিওফালে তমোময় দেখিলে। মুখৰ মাত হৰিল।১৭৮৬।। হৃদয়ৰ সন্তাপত ঘনে ঘনে উশাহ ললে, ওঁঠ শুকাই গ'ল আৰু মুখ মলিন হ'ল। তেওঁলোকৰ খোপাৰ বলয় খহিপৰে, বস্ত্ৰ ঢিলা হয়, কৃষ্ণক কেৱল ধ্যান কৰি চকু নেমেলাকৈ থাকে।১৭৮৭।। যোগীয়ে দেহজ্ঞান এৰি ধ্যান কৰাৰ দৰে তেওঁলোকেও কৃষ্ণক চিন্তি মূৰ্চ্ছা যায়। কৃষ্ণৰ স্মৃতি ৰোমন্থন কৰি তেওঁলোকে ব্যাকুল হৈ পৰে। কৃষ্ণক চিন্তা কৰি কৰি নয়নৰ জলেৰে মুখ তিয়াইছিল। তেওঁলোকে একলগ হৈ হুমুনিয়াহ কাঢ়িলে।১৭৮৮,১৭৮৯।।

তেওঁলোকে ক'লে—'হে বিধি, তোমাৰ দোষ নাই; প্ৰিয় জনক আনি পুনৰ আতৰাই নিব বিচাৰিছা।১৭৯০।। সুন্দৰ কপাল, হাস্যমুখ, মুকুন্দৰ এনে ৰুচিকৰ মুখ আমাক দৰ্শন কৰোৱাই এতিয়া আমাৰ পৰা আতৰাই নিছা।১৭৯১।। হে বিধি, তুমি বৰ নিদাৰুণ। কৃষ্ণ চক্ষু আমাৰ পৰা কাঢ়ি নিবলৈ লৈছা। বিধাতাক তেওঁলোকে গৰিহণা দিছে।১৭৯২।। তেওঁলোকে পতিপুত্ৰ এৰি কৃষ্ণদাসী হৈছিল, এতিয়া তেওঁ এৰি থৈ যাব। মথুৰাৰ নাৰীবোৰে নিশ্চয় পুণ্য কৰি থৈছে বুলি গোপী গণে ভাবিবলৈ বাধ্য হৈছে। 'কৃষ্ণক তেওঁলোকে দেখিবলৈ পাব। কৃষ্ণৰ নয়ন পান কৰিবলৈ মথুৰাৰ নাৰীয়ে পাব।১৭৯৪।। তেওঁলোকে মনুষ্য মূৰ্তিক দেখি কৃত্য কৃত্য হ'ব। কৃষ্ণই প্ৰিয় সম্ভাষণে তেওঁলোকৰ মন মুহিব। নগৰৰ ৰমণী সকলক পাই কৃষ্ণ ঘূৰি নাহিব।১৭৯৫।। আজি মথুৰাত মহোৎসৱ হ'ব; বৃষ্ণি বংশৰ আজি সুপ্ৰভাত মিলিব। তেওঁলোকে চকুৰে লক্ষ্মীকান্ত মাধবক দেখিবলৈ পাব।১৭৯৬।।' তেওঁলোকে অক্ৰূৰকো শাপ দিব বিচাৰে। অক্ৰূৰ ধূমকেতু হৈ গোকুলৰ আকাশত আৰ্বিভাৰ হ'ল। গোপীৰ প্ৰাণ অক্ৰূৰে কাঢ়ি নিলে। সেই বাবেই তেওঁৰ নাম অক্ৰূৰ হ'ল বুলি গোপীগণে আক্ষেপ কৰিলে।১৭৯৭।। কৃষ্ণও নিষ্ঠুৰ বাবে ৰথত উঠিলে বুলি তেওঁলোকে ভাবিলে, যাত্ৰা ভঙ্গ হোৱাৰ আশাও কৰিলে।১৭৯৮

কোনো বিঘিনি বা অমঙ্গল নোহোৱা দেখি গোপীগণে দুঃখ কৰিলে।১৭৯৯।। কিছুমান গোপীৰ মৰসাহ কৰি কৃষ্ণক বাধা দিবলৈ চেষ্টা কৰে। কৃষ্ণৰ বিহনে জীয়াই থকাত কৈ মৃত্যুকেই আকোঁৱালি ল'ব বুলি কয়।১৮০০।। ভকতৰ দুখত আকুল হৈ কৃষ্ণই সকলো কথাকৈ চিত্ত শান্ত কৰিলে। তেওঁলোকৰ দুঃখ দেখি যে কৃষ্ণ অত্যন্ত আতুৰ হৈ উঠিছে তাকো ব্যক্ত কৰিলে। ১৮০৯।। তেওঁ অনতি পলমে মালৰ লগত খেলি আহিব বুলি কৈ গোপী গণক আশ্বাস দিলে। কৃষ্ণৰ কথাত তেওঁলোকে কিছু শান্ত্বনা পালে আৰু কৃষ্ণলৈ সজলনয়নে চাই থাকিল।১৯১০।।

মাধৱে শুভক্ষণত মধুপুৰলৈ যাত্ৰা আৰম্ভ কৰিলে। গোৱাল সকলে

কৃষ্ণগুণ গাবলৈ ধৰিলে। বীণা, বেনু, শঙ্কা, শিঙ্গাৰ নিস্বান বজাই কংসক বধিবলৈ তেওঁ আগবাঢ়িলে। ১৮১১।। অতি চমৎকাৰ ভাবে তেওঁলোকে যোৰা গোপীগণে নিৰীক্ষণ কৰি থাকিল। তেওঁলোকৰ চিত্তবোৰ যেন কৃষ্ণৰ লগতে গ'ল।১৮১২।। তাৰ পাচত তেওঁলোকে বিমৰ্ষ মনেৰে, নিশ্বাসলৈ, গোবিন্দৰ গুণ-গীত গাই, কৃষ্ণৰ চৰণ চিন্তি ঘূৰি আহি দিন কটাবলৈ ধৰিলে।১৮১৪।।

অক্ৰূৰে চাবুকেৰে চাৰিঘোঁৰাক কোবাই ৰথ চলাই নিলে। বায়ুত কৈ বেগবান গতিৰে পথৰ ধূলি উৰাই ৰথ চলিবলৈ ধৰিলে। গোৱালসকলে জয় জয়ধ্বনি কৰিলে। সেই শব্দত অমঙ্গল পলাই পটং দিলে। ৰাম-কৃষ্ণ সহিতে অক্ৰূৰ গৈ কালিন্দী হ্রদ পালেগৈ। ৰথৰ পৰা ৰাম-কৃষ্ণই নামি যমুনাৰ জল পান কৰিলে। গছৰ ছাঁত দুয়ো ৰথৰ কাষতে জিৰণি লৈ থাকিল।১৮১৫-১৬।।

অক্ৰূৰে শত্ৰুৰ বাবে শঙ্কা কৰি ৰথতে ৰাম-কৃষ্ণক বহুৱাই ৰাখিলে আৰু নিজে যমুনাৰ জলত সন্ধ্যাপালন কৰিবলৈ নামিল; বিধিৰতে স্নান কৰি জলত মন্ত্ৰজপ কৰিলে। অক্ৰূৰে জলৰ মাজতে ৰাম-কৃষ্ণক দেখা পালে।১৮১৭।। অক্ৰূৰে দুই ভাতৃক ৰথৰ পৰা নামি গৈছিল বুলি ভাবি ৰথৰ ওচৰলৈ আহি ৰথতে বহি থকা দেখা পালে। দুনাই বুৰ মাৰি পানীৰ তলত দেখা পাই তেওঁ আচৰিত হ'ল অনন্তই সহস্ৰ শিৰ তুলি প্ৰকাশমান হৈ আছে।১৮১৮।। হাজাৰ ফণাত আদিত্যৰ শৰীৰ নীল বস্ত্ৰেৰে আবৃত, মৃণাল ধবল কায়, ফণাবোৰ শৃঙ্গসম ওখ।১৮১৯।। সৰ্পই মূৰ দোঁৱাই প্ৰণাম কৰি আছে। তেওঁৰ কোলাত নব ঘনশ্যাম শৰীৰ লৈ কৃষ্ণই অৱস্থান কৰিছে।

শৰীৰত পীতবস্ত্ৰ, প্ৰসন্ন বদন, অৰুণ-পঙ্কজ নয়ন, ৰাতুল অধৰ, কুন্দকড়ি সম দন্ত, মনোহৰ হাঁহিৰে, মোহন নাসিকাৰে, অলকা পান্তিৰে কৃষ্ণ আলোকিত হৈ আছে। তেওঁৰ শিৰত মুকুত, মকৰ কুণ্ডল, কৰ্ণত ঝলমল কৰি আছে।১৮১৯-১৮২১।। চাৰু চৰ্তুভুজ, আজানুলম্বিত বাহুদ্বয়ত কঙ্গনে শোভা কৰিছে। শঙ্খ-চক্ৰ-গদা-পদ্ম দিব্যমালা ধৰি আৰু কৌস্তভ মণি ও ৰত্নৰ হাৰ পিন্ধি তেওঁ জাতিস্কাৰ হৈ আছে। বুকুত শ্ৰীবৎস, গজমুকুতাৰ মালাৰে তেওঁ জ্যোতিষ্মান হৈ প্ৰকাশ পাইছে। উদৰত তিনিৰেখা আঁহত গছৰ পাতৰ দৰে, কান্ধত নবগুণৰ উত্তৰী, নাভি সুগভীৰ, কটিত ৰত্নময় কাঞ্চি মনোহৰ ৰূপে প্ৰতিভাত হৈছে। কুৰি আঙুলিত ৰত্নে উঝন্তি, নখ পান্তি অৰুণিমা কান্তিৰে ভৰা। ৰত্নৰ নুপুৰ ৰঙা পদত ৰুণঝুণু শব্দেৰে মুঞ্জৰিত আৰু পদৰ পঞ্চচিহ্ন প্ৰকাশিত। ব্ৰহ্মা আদিদেৱ, সুন্দৰ আদি পাৰিষদ গণে সেৱা কৰি সন্মুখত পৰি আছে। এনে দিব্য ৰূপত অক্ৰূৰে কৃষ্ণক দেখা পালে।১৮২২-২৫।।

অক্ৰূৰে মহেশ্বৰ কৃষ্ণ বুলি জানি গা শিয়ৰি উঠিল, প্ৰেমৰ উদ্ৰেক হ'ল, হৃদয় দ্ৰব হ'ল, চকুৰ লোতক বৈ গ'ল। তেওঁ কৃষ্ণৰ পাৰত পৰি সেৱা জনালে।১৮২৬।। তেওঁ কৰযোৰে স্তুতি কৰিলে।

**উপদেশ ঃ** 'সকলোৱে অন্যকাম এৰি কৃষ্ণৰ চৰিত্ৰ পান কৰা। মুখেৰে হৰি হৰি বোলা। তেহে তৰিবা'।১৮২৭।।

**৬৭। অক্ৰূৰৰ দ্বাৰা কৃষ্ণ স্তুতি ঃ**

অক্ৰূৰে গদ্‌গদ্‌স্বৰে কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে
'হে কৃষ্ণ কৃষ্ণ মই প্ৰণামো তোমাক।
জানিলো জগত হেতু তুমি নাৰায়ণ।
যাৰ নাভি পদ্মে ব্ৰহ্মা ভৈলা উতপন্ন।১৮২৮।।
যত পঞ্চভূত দেহ ইন্দ্ৰিয় সাখ্যাত।
তোমাৰ মূৰ্তিত হন্তে সবে ভৈলা জাত।।
তথাপি তোমাৰ ৰূপ নজানন্ত কেৱ।।
ইটো জড় জগত চৈতন্য তুমি দেৱ।১৮২৯।।
ব্ৰহ্মাকো কৰিলা বন্দী মায়াৰ গুণতে।
নিৰ্গুণ ৰূপক আবে জানিবো কিমতে।
জড় বস্তুৰেসে জানে নজানে তোমাক।১৮৩০।।
তোমাকেসে বোলে জ্ঞানী ব্ৰহ্ম নিৰঙ্কুশ।
সাংখ্যমতে বোলে তুমি প্ৰকৃতি পুৰুষ।।
ভকতৰ মতে তুমি পৰম ঈশ্বৰ।
মতিভেদে তোমাকেসে পুজে নিৰন্তৰ।১৮৩১।।
ইন্দ্ৰ চন্দ্ৰ বায়ু বুলি পূজে যত দেব।
তাৰো অন্তৰ্যামী তুমি বিনে নাই কেৱ।।
সৰ্বদেবময় তুমি বচন নলৰে।
যেন যত নদী মানে সাগৰত পৰে।'১৮৩২।।

ওপৰৰ পদখিনিৰ চমু তত্ব হৈছে— (অক্ৰূৰে কৃষ্ণক স্তুতি কৰি কৈছে) 'তুমি জগতৰ কাৰণে নাৰায়ণ, ব্ৰহ্মা তোমাৰ নাভিৰ পৰা সৃষ্ট, মহাপঞ্চভূত তোমাৰ

পৰাই উদ্ভৱ, সমস্ত জগত জড় তুমিহে চৈতন্য, মায়াৰে তুমি ব্ৰহ্মাক বন্দী কৰি থৈছা। তুমি নিৰ্গুণ বাবে তোমাক জানিব নোৱাৰি। জগতৰ সমস্ত জড়বস্তুৱে তোমাক চিনিব নোৱাৰে। জ্ঞানীয়ে তোমাক ব্ৰহ্ম, সাংখ্যই প্ৰকৃতি পুৰুষ, ভকতে পৰমেশ্বৰ বুলি পূজে। ইন্দ্ৰ-চন্দ্ৰ-বায়ু আদিৰ তুমি অন্তৰ্যামী শক্তি, তুমি সৰ্বদেৱত মিহলি হৈ আছা। সকলো নদী সাগৰত পৰাৰ দৰে মতি অনুসাৰে যিয়ে যিদৰে তোমাক পূজে সেইমতে তোমাক পায়।১৮২৮-৩২।।

'হে প্ৰভু, তোমাকে প্ৰণাম জনাওঁ। তুমি সমস্তৰে আত্মা, সৰ্বসাক্ষী, নিত্যজ্ঞান, সুৰ-অসুৰ-নৰ-স্থাৱৰৰ মায়াৰ প্ৰবৰ্তক।১৮৩৩।। স্বৰ্গত তোমাৰ শিৰ; দিশ-বিদিশ তোমাক কাণ, মুখ হুতাশন, চকু সূৰ্য্য, মেঘ কেশ, কুক্ষি সপ্ত সাগৰ, বাহু দিগপাল পুৰন্দৰ।১৮৩৪।। নোম বৃক্ষ-বায়ু-পঞ্চ প্ৰাণ, অস্থি পৰ্বত সমূহ, ৰাতিদিন জলদ্বাৰ, বৃষ্টি জল তোমাৰ বীৰ্য-এয়ে তোমাৰ বিৰাট শৰীৰ।১৮৩৫।। অসংখ্য ব্ৰহ্মাণ্ড তোমাৰ নোমৰ ৰন্ধ্ৰত অৱস্থিত।১৮৩৬।। তুমি মৎস্য, কূৰ্ম্ম, বৰাহ, নৰসিংহ, বামন পৰশুৰাম অবতাৰ লৈছিলা।'১৮৩৭।। 'হে প্ৰভু, তুমি ৰাম, বাসুদেৱ, হলধাৰী।১৮৩৮।। তুমি প্ৰদুম্ন্য অনিৰুদ্ধ অবতাৰ লৈছিলা। বুদ্ধ অনিৰুদ্ধ অৱতাৰ লৈছিলা। বুদ্ধ অৱতাৰে তুমি দানবক মোহন কৰিছা, কল্কি অৱতাৰে ম্লেচ্ছগণক উচ্ছেদ কৰিবা। তোমাৰ চৰণত কোটি নমস্কাৰ।১৮৩৯।। তোমাৰ মায়াত সকলো ভ্ৰম হৈছে, কৰ্মপথত আমাক অহঙ্কাৰী কৰিছা, স্বপ্নময় পুত্ৰ ভাৰ্যাক লৈ সুখী হৈছোঁ।১৮৪০।। স্বৰ্গসুখকে নিত্য বুলি কৰোঁ, জড়দেশকে লৈ অহঙ্কাৰ কৰোঁ, দুখময় গৃহবাসতে সুখ বুলি ভাবো, মোৰ বুদ্ধি ভ্ৰম হৈছে।'১৮৪১।।

'অজ্ঞান আন্ধাৰে আমাক অন্ধ কৰিলে, প্ৰিয়তম তোমাক চিনি নাপালো, পুত্ৰ ভাৰ্যা বুলি মৰিব পাৰোঁ, এনেবোৰ কুবুদ্ধি দূৰ কৰা প্ৰভু।১৮৪২।। মনক মই নিয়ন্ত্ৰণ কৰিব পৰা নাই, তোমাৰ চৰণত শৰণ লৈছো, পাতকীক গতি দিয়া প্ৰভু, তোমাৰ অনুগ্ৰহত সুমতি হওক।১৮৪৩।। মোৰ সংসাৰ নিস্তাৰ হওক, ভকতৰ সঙ্গত তোমাক যেন পাওঁ। ভকতৰ সঙ্গত শ্ৰৱণ-কীৰ্তন কৰোঁ, দুখময় গৃহবাসকে সুখ বুলি ভাবো, মোৰ বুদ্ধি ভ্ৰম হৈছে।'১৮৪৪।।

এই বুলি স্তুতি কৰি কৃষ্ণৰ চৰণত অক্ৰূৰে সেৱা জনালে। 'হে বিজ্ঞান মূৰ্তি, জগতৰ অন্তৰ্য্যামী, জীৱৰ সুখ দুঃখ দাতা, অনন্ত শকতিপূৰ্ণ ব্ৰহ্ম, জন্মে জন্মে তোমাৰ পাৱত ভকতি হওক। মোক ত্ৰাণ কৰা প্ৰভু" এই বুলি পুনৰ প্ৰণাম কৰে।১৮৪৫-৪৬।। কৃষ্ণ হঠাতে অন্তৰ্দ্ধান হ'ল। জলৰপৰা দান পতি (অক্ৰূৰ) উঠি আহিল আৰু ৰথত উঠিলে।১৮৪৭।। তেওঁ ৰথ চলালে। কৃষ্ণই হাঁহি মাৰি সুধিলে— "কৰবাত কিবা অদ্ভুত দেখিলানেকি? কোৱাচোন কি দেখিলা।১৮৪৮।।

অকূৰে ক'লে — "সমস্ত অদ্‌ভূত তোমাতে বিৰাজমান। মোত তুমি দেখা দিলা; অদ্‌ভূত দেখিবলৈ আৰু বাকী নাই।১৮৪৯।। অক্ৰুৰে ৰথ চলালে চমু পথেৰে। বাটত বাটৰুৱাই ৰাম-মাধৱক বেঢ়ি বেঢ়ি চালে। তেওঁলোকে প্ৰেমে পুলকিত হৈ ৰোমাঞ্চিত হ'ল।১৮৫১।।

**৬৯। ৰাম-কৃষ্ণাদিৰ মথুৰা প্ৰবেশ ঃ**

দিনৰ অবসানৰ লগে লগে ৰাম-কৃষ্ণই গৈ মথুৰাৰ সমীপত উপনীত হ'লগৈ।১৮৫২।। ৰাম-কৃষ্ণ-নন্দ আৰু গোপগণ একে ঠাইত লগ হয় আৰু ৰথৰ পৰা অৱতৰণ কৰে। অকূৰৰ হাতত ধৰি কৃষ্ণই হাঁহিমাৰি ক'লে— "নগৰৰ উপবন স্থান অতি মনোৰম। আমি ইয়াত ক্ষন্তেক বিশ্ৰাম কৰোঁ, তুমি ৰথলৈ নিজৰ গৃহলৈ আগবঢ়া। আমি পাচত মথুৰা নগৰত প্ৰৱেশ কৰিম।"১৮৫৩-৫৪।। অকূৰে প্ৰণিপাত জনাই ক'লে— "তোমাক এৰি মথুৰাত প্ৰবেশ নকৰোঁ। মোৰ গহলৈ গৈ মোক পবিত্ৰ কৰা। ভকতক ত্যাগ কৰা উচিত নহয়।১৮৫৬।। এই চৰণতে গঙ্গা উৎপত্তি হৈ জগতক পবিত্ৰ কৰিলে। হৰে পাদোদক শিৰতলৈ কৃতকৃত্য হ'ল; ময়ো তোমাৰ চৰণৰ ধূলা লৈ জীৱন-সম্ফল কৰো। মোৰ ঘৰ আজি তীৰ্থতকৈ পবিত্ৰ হওক। তোমাৰ পাদোদকত সবংশে স্নান কৰিবলৈ বিচাৰো। হে দেব জগন্নাথ, প্ৰসন্নহৈ দয়া কৰক। মোৰ শিৰত প্ৰসাদ দিয়ক।"১৮৫৭-৫৮।।

গোবিন্দই ক'লে—"হে খুৰা, আজি আমাক আমনি নকৰিবা। যদুকুলৰ কন্টকক বধ কৰি আমি দুয়ো তোমাৰ গৃহলৈ যাম।"১৮৫৯।। দানপতিয়ে কৃষ্ণৰ বচনত বিমৰ্ষ মনেৰে মথুৰাত প্ৰবেশ কৰিলে। তেওঁ কংসৰ ওচৰলৈ গৈ কৃষ্ণক অনাৰ বাতৰি দি নিজ গৃহলৈ গমন কৰে।১৮৬০।। অকূৰক বিদায় দি ৰাম-কৃষ্ণই গোপগণৰ লগত ৰংকৰি পৰম উৎসুকে মথুৰাত প্ৰবেশ কৰিলে আৰু বিতোপন পুৰী মথুৰাক দেখিবলৈ পালে।

**মথুৰাৰ বৰ্ণনা ঃ** পুৰীখন ফটিকেৰে গথা, বৃহৎ সুবৰ্ণৰ কপাট, হেমময় তোৰণ, অলঙ্কৃত, চাৰিওফালে গড়খাৱৈ, বহুবিধ উদ্যান, শাৰীশাৰী গৃহ, ফটিকৰ বাৰ,

হেম কুন্দৰুখ, অগৰু-ধূপৰ গন্ধেৰে আমোল মোল নগৰী। তেওঁলোকে এনে সুন্দৰ নগৰৰ মাজে মাজে যাবলৈ ধৰিলে।১৮৬২-৬৩।।নগৰৰ গৃহবোৰ ফটিকৰ স্তম্ভৰ, কনকৰ কাঠি, পোৱালৰ খাট কৰি, হীৰা-মৰকতে ৰঞ্জিত। ময়ুৰবোৰে পাখিমেলি তাত উৰি ফুৰে।১৮৬৪।। ধবজ-দণ্ডত চিৰল অৰা, ৰাজপথৰ চৌপথবোৰ ধুনীয়াকৈ সজোৱা। ঘৰৰ দুৱাৰৰ দুই কাষে তণ্ডুলৰ ওপৰত পূৰ্ণঘট সজোৱা হৈ আছে।১৮৬৫।। সুবৰ্ণগচাত ঘিউৰ চাকি ৰাতি জ্বলি থাকে।১৮৬৬।। শাৰী শাৰী পতাকাই শোভা কৰে।

**নাৰীগণৰ কৃষ্ণক চাবলৈ উদ্যোগ ঃ** নৰ-নাৰীবোৰে বস্ত্ৰ-অলঙ্কাৰ পিন্ধি ঘূৰি ফুৰে, কণ্ঠত তেওঁলোকৰ মুকুট , কঁকালত সাতেসৰী, আঙুলিত উঝন্টি-কেয়ুৰে ৰঞ্জিত।১৮৭০।। কৰ্ণত কুণ্ডল হাতত সোণৰ খাৰু, চকুত অঞ্জল আদিৰে সুশোভিত। এটা ভৰিত নূপুৰ পিন্ধি নাৰীগণে আহ-যাহ কৰে।১৮৭১-৭২।। কৃষ্ণ অহা শুনি টোপনিৰপৰা উঠি তেওঁলোক ওলাই আহিল। বসন সোলকে যদিও নসামৰাকে, চুলি নবন্ধাকে বাতুলৰ দৰে নাৰীগণে ৰাষ্টালৈ ওলাই আহে কৃষ্ণক চাবলৈ।১৮৭৩।। কিছুমান নাৰীয়ে শিশুক স্তন দি থকা শিশুকো এৰি আহিলে আৰু ঘৰৰ ওপৰত উঠি কৃষ্ণক দৰ্শন পাবলৈ অপেক্ষা কৰিলে। তেওঁলোকে জুমাজুমি কৰি মহাপ্ৰেমভাৱে এক দৃষ্টিৰে বাটলৈ চাই থাকিল।১৮৭৪।। তেওঁলোকে মধুৰ মূৰ্ত্তিক দেখিবলৈ উদবাউল হৈ থাকে। তেওঁলোক চিত্ৰৰ পুতলিৰ দৰে ৰ'লাগি চাই থাকিল।১৮৭৫।।

**উপদেশ** ঃ মহাভাগৱত শাস্ত্ৰ পাপৰ দাহক, কৃষ্ণৰ লীলা সংসাৰতে সাৰ, কালনদীৰ পৰা উদ্ধাৰ হোৱাৰ পথ কৃষ্ণ নাম, লীলা, চৰিত্ৰ পানকৰাহে। ১৮৭৬।। কৃষ্ণই পৃথিৱীত ধৰ্মজ্ঞান থৈ, গুণনামথৈ বৈকুণ্ঠলৈ গমন কৰে, কৃষ্ণক দৰ্শন পালে যি লাভ হয়, তেওঁৰ নাম গুণকীৰ্তন কলিত কৰিলে ততোধিক ফল লাভ হয়।১৮৭৭।। নিজৰ হিত চিন্তা কৰিলে আনকাম এৰি মুখত ৰাম নাম, কৃষ্ণনাম আওৰাব লাগে। নামত চাণ্ডালো তৰে, সংসাৰ-বন্ধন গুচে।১৮৭৮।। গীতা-ভাগৱত শাস্ত্ৰই কৃষ্ণকেই সাৰতত্ব বুলি কৈছে। কৃষ্ণগুণ-নাম পৰম ৰহস্য ধৰ্ম; সেইবাবে কৃষ্ণ নাম লোৱা উচিত।১৮৮৯।।

**কৃষ্ণক চাবলৈ মথুৰাৰ নাৰীসকলৰ আগ্ৰহ ঃ**

ঘৰৰ পৰা ওলাই গৈ ৰাষ্টাৰ দুয়োকাষে ঘৰৰ ওপৰত উঠি নাৰী গণে কৃষ্ণৰ দৰ্শন পাবলৈ অপেক্ষা কৰিলে। কৃষ্ণৰ সুন্দৰ নাক, অলকাই আবৃত মুখ, পদ্মকোষৰদৰে শ্যামবৰণীয়া তনুক দেখি নাৰী সকলে অমৃত পান কৰা যেন পালে।১৮৮০।। কৃষ্ণৰ যি অঙ্গতে চকুপৰে তাতে তেওঁলোকৰ চকু ৰ' লাগি থাকে। তনু-মন-প্ৰাণ তেওঁলোকৰ পুলকিত হৈ পৰে। তেওঁলোকৰ মহাভাগ্য উদয় হ'ল। দেৱৰ দুৰ্ল্লভ কৃষ্ণক তেওঁলোকে স্বচক্ষে দেখা পালে।১৮৮১।।ৰাজ পথেৰে গতিৰে যোৱা ৰাম-মাধৱক দেখি নাৰীগণৰ আনন্দৰ সীমা নাই। হসিত বদনে, সদয় নয়নেৰে কৃষ্ণই তেওঁলোকলৈ দৃষ্টি নিক্ষেপ কৰে আৰু তেওঁলোকৰ মন হৰণ কৰে।১৮৮২।। তেওঁলোকে কৃষ্ণ-ৰামৰ ৰূপ গুণৰ কথা আগেয়ে শুনি আছিল। তেওঁলোকে আনন্দ মূৰ্তিক দেখি প্ৰেমে পুলকিত হৈ উঠিল আৰু মনে আলিঙ্গন কৰিবলৈ বিচাৰিলে। তেওঁলোকৰ নেত্ৰত লোতক বাগৰি আহিল, তনু ৰোমাঞ্চেৰে ভৰি পৰিল, মনৰ তাপ নাইকীয়া হ'ল আৰু কৃষ্ণৰ চৰণ পঙ্কজত নিজকে উৰ্চগা কৰিলে।১৮৮৩-৮৪।।

তেওঁলোকৰ হিয়া আনন্দত নধৰা হ'ল। আনন্দত উত্ৰাৱল হৈ অঞ্জলিয়ে অঞ্জলিয়ে কৃষ্ণৰ শিৰত পুষ্প বৰিষণ কৰিলে।১৮৮৫।। তেওঁলোকে ভাবিলে ব্ৰজৰ গোপীগণ পৰম ভাগ্যৱতী, কত তপ আচৰি তেওঁলোকে কৃষ্ণ-ৰামৰ সুন্দৰ বদন-পদ্মক লাভ কৰিবলৈ পালে।১৮৮৬।। গোপীগণে কৃষ্ণৰ মধুৰ অধৰৰ সুৰা পান কৰি, কৃষ্ণৰ পাদপদ্ম নিজৰ স্তনদ্বয়ত অৰ্পণ কৰি সংসাৰৰ তিনিতাপ দূৰ কৰিছিল, ক্ষন্তেক কৃষ্ণৰ সান্নিধ্য নাপালেই অনুৰাগত কৃষ্ণ গুণ গাইছিল। গোপীয়ে সাৰ্থক জীৱন-যাপন কৰিলে।১৮৮৭।। কৃষ্ণলৈ চাই মথুৰাৰ নাৰীগণে পৰম তৃপ্তি লভিলে। বাটে বাটে যাওঁতে কৃষ্ণক দ্বিজগণে কুসুম-চন্দন-দধি-দুৰ্বাক্ষত আদি উপায়নে পূজি পূজি শান্তি পালে।১৮৮৮।।

**কৃষ্ণৰ দ্বাৰা ৰজক বধ** ঃ

এইদৰে ৰাম-কৃষ্ণই লীলা দেখুৱাই জনগণৰ অনুৰাগ বঢ়াই আগবাঢ়ি গ'ল। বিপৰীত ফালৰ পৰা কংসৰ ধোবাই ৰজাক যোগাবলৈ বস্ত্ৰলৈ গৈছিল। কৃষ্ণই হাঁহিমাৰি ধোবাৰ কাষ চাপি বস্ত্ৰদান কৰিবলৈ ক'লে। 'মোক বস্ত্ৰ দিলে, মোৰ বাঞ্ছা পূৰণ কৰিলে তোৰ পৰম কল্যাণ হ'ব''।১৮৮৯।। ধোবাই ক্ৰোধ কৰি চকুপকাই কৃষ্ণক ক'লে— 'তই গোপজাতি, বনবাসী, মূঢ়মতি, মৰিবলৈ তোৰ ভয় নাই নেকি ? ৰজাৰ বস্ত্ৰক পিন্ধিবলৈ বিচাৰিছ, তোৰ সমান অধম নাই। তোক ৰাজদূতে পালে উচিত দণ্ড দিব, গতিকে ততালিকে পলাই যা।'১৮৯০।। কৃষ্ণই তাৰ কথা শুনি ক'লে— 'অধম ধোবা, তোৰ ইমান অহঙ্কাৰ', খণ্ডত দাঁত

কামুৰি একেটা চৰতে তাৰ মুণ্ড চিঙি পেলালে। তাৰ লগৰীয়াবোৰে বৰ ভয় খাই বস্ত্ৰ পেলাই দৌৰি পলাল। গোপগণে খলখলি হাঁহিলে, ৰাম-কৃষ্ণই ৰং পালে।১৮৯১।। ৰাম-কৃষ্ণই ভাল ভাল চাই বস্ত্ৰ ল'লে আৰু বাকীবোৰ গোৱালক দিলে। তাৰপাছত বেশকাৰে আহি ৰাম কৃষ্ণক কিন্তু প্ৰণামহে জনালে। ৰাম- কৃষ্ণই বেশকাৰক ইষ্টলাভৰ বৰ দিলে। তদুপৰি তাক শ্ৰী, ঐশ্বৰ্য আৰু সাৰূপ্যমুক্তি প্ৰদান কৰিলে।১৮৯২।। বেশকাৰ ভক্তিৰ পাত্ৰ নহ'লেও কৃষ্ণ-ৰামক বস্ত্ৰ পিন্ধোৱাৰ বাবে মোক্ষ দান কৰিলে। ভকতবৎসলদেৱে ভক্তজনক গতি দিয়ে।

**উপদেশ ঃ**

শঙ্কৰে কৈছে — 'হে সভাষদ চয় (নৰলোক সমস্ত) শৰীৰ অথিৰ, প্ৰাণ কোন দিনা যায় ঠিক নাই; সত্বৰে চক্ৰপানিক চিন্তা কৰা।১৮৯৩।। ভগৱন্তক পাবলৈ কৰ্মপথ, জ্ঞানপথ আদি অনেক পথ আছে। কিন্তু এইবোৰ পথ বিঘ্নিযুক্ত; ভক্তিপথৰ কিন্তু কোনো বিঘিনি নাই। সমস্ত পাপক ভক্তিয়ে নিঃশেষ কৰিব পাৰে। ভাগৱত শাস্ত্ৰই এই কথা কৈছে। কৃষ্ণৰ দুই পদত স্নেহভাৱে মনক থৈ যি মাত্ৰ এবাৰ চিন্তে তেওঁৰ দুঃখ দূৰ হয়; যমদূত, যমক সপোনতো দেখা নাপায়।১৮৯৪।।

'পাতক শুকান বন ৰাম নাম হুতাশন
দহি কৰে ক্ষনেকে নিৰ্যান।
সাঞ্চে মহাপুণ্যচয় মিলি মোক্ষ মহোদয়
বেদবাক্যে ইহাৰ প্ৰমাণ।।'

অগ্নিয়ে শুকান বন ক্ষন্তেকতে পুৰি পেলোৱাৰ দৰে হৰি নামে ক্ষন্তেকতে পাপ নাইকীয়া কৰে। লগে লগে পুণ্য উদয় হয় আৰু মোক্ষ লাভ হয়। হৰিনাম বিনে ধৰ্ম নাই, নিজৰ মঙ্গল চিন্তা কৰিলে আন এৰি ৰাম ৰাম বোলা উচিত।১৮৯৫।।

**৭১। সুদামাৰ কৃষ্ণ-কৃপা লাভ ঃ**

কংসৰ কাপোৰ দুয়ো ভায়ে পৰিধান কৰি জ্যোৰ্তিময় ৰূপ পৰিগ্ৰহ কৰিলে।১৮৯৬।। দুটি বগা হাতী পোৱালিৰ দৰে দুইভায়ে অলঙ্কাৰে মণ্ডিত হৈ আনন্দ মনেৰে আগবাঢ়িল। গোপগণৰ মাজত হৰ্ষধ্বনি কৰি গৈ সুদামাৰ ঘৰৰ চৌহদ পালেগৈ।১৮৮৭।। সুদামা মহাভক্ত মালাকাৰ। তেওঁ ৰজাৰ বাবে মালা তৈয়াৰ কৰে। তেওঁ দূৰৰ পৰা ৰাম-কৃষ্ণক দেখা পাই আথে বেথে উঠি অৱনত হৈ, কৃতাঞ্জলি কৰি দণ্ডবতে পৰি ৰাম-কৃষ্ণক প্ৰমাণ জনালে।১৮৯৮।। তেওঁ ৰাম-কৃষ্ণৰ চৰণ ধোৱালে আৰু পাদোদকেৰে নিজে স্নান কৰিলে। পাদ্য-অৰ্ঘ-গন্ধ-পুষ্পলৈ, প্ৰদীপ প্ৰজ্বলন কৰি দুই ভাইক পূজা কৰিলে।১৮৯৯।। তেওঁ পৰি পৰি প্ৰণাম যাচিলে আৰু কৰযোৰ কৰি স্তুতি কৰিলে।

"আজিসে জন্মম ইটো সাফলিলো আমি।
কুলকো পবিত্ৰ মোৰ কৰিলাহা স্বামী।১৯০০।।
তযু আগমনে আবে জগত আধাৰ।
দেৱঋষি পিতৃ তুষ্ট জানিবা আমাৰ।।
জগত গুৰুৰ পায়া চৰণ ধূলিক।
আজি গৃহ ভৈল মোৰ তীৰ্থতো অধিক।১৯০১।।
জগতৰ পৰম কাৰণ তুমি হুই।
ভৈলা আসি অৱতাৰ তোৰা দেব দুই।।
দুষ্টক দণ্ডিবা ভকতক ৰক্ষা কৰি।
এহিসে কাৰণে নাথ আছা অৱতৰি।১৯০২।।
জগতৰে আত্মা তুমি সুহৃদ বান্ধৱ।
নাহি শত্ৰু মিত্ৰ আৰ তোমাৰ মাধৱ।।
জগতকে সমভাৱে আছাহা বিয়াপি।
ভজন্তা জনক মাত্ৰ ভজাহা তথাপি।"১৯০৩।।

অৰ্থাৎ—'আজিহে মোৰ জন্ম সম্ফল হ'ল, কুল উদ্ধাৰ হ'ল আৰু পৰম পবিত্ৰ হ'লো, অৰ্থাৎ তোমাৰ আগমনত হে এই সৌভাগ্য ঘটিল। তোমাৰ চৰণৰ ধূলিৰে আমাৰ গৃহ তীৰ্থত কৈ পবিত্ৰ কৰিলে। জগতৰ মঙ্গলৰ কাৰণে, দুষ্টক দমন কৰি ভক্তক ত্ৰাণ কৰিবৰ কাৰণে তোমালোক দুজনৰ অৱতাৰ হৈছে। তোমাৰ মানত শত্ৰু-মিত্ৰ সমান।'

তেওঁ দুয়োকে কি দৰে আপ্যায়ন কৰিব সুধিলে। কৃষ্ণৰ ইঙ্গিত বুজিব পাৰি পুষ্পমালাৰে পৰিভূষিত কৰিলে মালাকাৰে আৰু গোপগণকো পিন্ধালে। সুদামাই কৃষ্ণৰ চৰণ চুই শিৰেৰে সেৱা জনালে।১৯০৬।। সুদামাই কান্দি পেলালে।১৯০৭।। তাৰ প্ৰেম ভক্তি দেখি কৃষ্ণই সুদামাক বৰ ল'বলৈ ক'লে। কৃষ্ণই হাতেৰে শিৰত হাত দি তুষ্ট হ'ল বুলি ক'লে।১৯০৮।। সুদামাই হাত

যোৰ কৰি ক'লে— 'তোমাতে মোৰ অচলা ভক্তি যেন ৰয়।' মনত কৃষ্ণক ৰাখি কৃষ্ণৰ গুণ নাম কীৰ্তন কৰিব বুলি সুদামাই কয়। ৰাম-কৃষ্ণই সুদামাক বৰ দিলে— 'তোক অচলা লক্ষ্মীয়ে কেতিয়াও লগ নেৰিব, আয়ু-বল-যশ-সমৃদ্ধি লাভ হ'ব আৰু সৰ্বকাল বংশ বৃদ্ধি হ'ব।১৯১০-১১।। এই বৰ দান কৰি ৰাম-কৃষ্ণ আগবাঢ়িল।

**৭২। কুঁজীৰ কৃষ্ণ-কৃপা লাভ ঃ**

বসন ভূষনে বিভূষিত হৈ চতুৰ্ভিতি বেঢ়ি গোপগণে ৰঙ্গমনে ৰাজপথেদি আগবাঢ়ি যায়।১৯১৩।। 'তুমি কোন? সুগন্ধী চন্দন কাৰ বাবে আনিছা? এই চন্দন যদি মোক দিয়া অচিৰ কালতে তোমাৰ কল্যাণ হ'ব।' তাই উত্তৰ দিলে— 'হে সুন্দৰ, মই কংস ৰজাৰ মুখ্য দাসী। মই চাৰি বিধ অঙ্গৰাগ তৈয়াৰ কৰোঁ। মোৰ চন্দনে ৰজাক বৰ আনন্দ দিয়ে।১৯১৪-১৫।। এই ৰাজযোগ্য চন্দনৰ তুমিহে পাত্ৰ, তোমাক এই চন্দন দিম। বহুত ভাগ্যৰ বলতহে তোমাক এই চন্দন দিবলৈ পাইছোঁ।' কুঁজীয়ে চন্দন ৰাম-কৃষ্ণ দুয়োকে অনুৰাগে দিলে।১৯১৬।। সৈৰন্ধ্ৰীয়ে (কুঁজীয়ে) কৃষ্ণৰ সুন্দৰ মধুৰ সম্ভাষণ আৰু সুকুমাৰ চেহেৰা আৰু হাস্য-কটাক্ষ দেখি মোহিত হ'ল আৰু কাম ভাব উপজিল। তাই নিজ হাতেৰে দুইৰো শৰীৰত চন্দন ঘঁহি দিলে।১৯১৭।। সেইদৰে শৰীৰত অঙ্গৰাগ ৰঞ্জিলে। ৰাম-কৃষ্ণ চন্দনলৈ অতি মনোহৰ হ'ল। সুন্দৰীয়ে সানি দিয়া চন্দন আৰু অঙ্গৰাগত কৃষ্ণ বৰ সন্তোষ্টি হ'ল।১৯১৮।। কৃষ্ণই ভক্তা কুবুজাৰ প্ৰতি মুগ্ধ হৈ তাইক গাতধৰি পোন কৰি পেলালে, তাইৰ কুঁজ নোহোৱা হ'ল।১৯১৯।। তাইৰ ভৰি দুটা কৃষ্ণই নিজ ভৰিৰে জান্তি ওপৰলৈ টানমাৰি দিয়াত কুঁজটো পোন হৈ পৰিল। কৃষ্ণৰ স্পৰ্শত তাই পৰম সুন্দৰী হৈ পৰিল।১৯২০।।

ৰূপে-গুণে তাই অতি মোহনীয়, কমনীয় হৈ পৰিল। কৃষ্ণৰ প্ৰতি তাইৰ পৰম প্ৰেম উপজিল আৰু তাইৰ মনত মদনৰ অগ্নি জ্বলি উঠিল। কৃষ্ণৰ বস্ত্ৰত ধৰি তাই ক'লে 'মোত আবে হুয়ো মহাপুৰুষ প্ৰসন্ন।১৯২১।। তোমাক এৰিবে আৰু নাপাৰোহোঁ আমি। গৃহক আসিয়ে আৰে জগতৰ স্বামী।' ৰামৰ সন্মুখতে তাই কৃষ্ণক আজোৰাত কৃষ্ণই গোপৰ মুখলৈ চাই হাঁহি মাৰিলে।১৯২২।। তাইক মধুৰ বচনেৰে পৰিহাৰ কৰি কমলনয়নে প্ৰবোধ দিলে। 'তোমাৰ গৃহলৈ নিশ্চয়ে যাম' বুলি কৃষ্ণই ক'লে।১৯২৩।। কংসক বধ কৰি আহিহে কুঁজীৰ বাঞ্ছা পূৰণ কৰিব বুলি তেওঁ কয়।১৯২৪।। তাইক বিদায় দি কৃষ্ণ-বলৰাম সহ গোপগণ ৰাজপথেদি অগ্ৰসৰ হয়। ব্যৱসায় কৰালোকে কৃষ্ণক দেখাপাই প্ৰণাম কৰিলে।১৯২৫।। তেওঁলোকে সুগন্ধীচন্দন, পুষ্প, তামোল আগবঢ়াই দুই ভাতৃক অনেক প্ৰকাৰে পূজিলে। মথুৰা নগৰৰ যিমান যুৱতী আছিল, সেই সকলে কৃষ্ণৰ বিশ্ববিমোহন মূৰ্তি উপভোগ কৰিলে।১৯২৬।। তেওঁলোকৰ মন বিমোহিত হ'ল, মদনৰ তাড়নাত গাৰ চেতনা হেৰাল। চিত্ৰৰ পুতলিক দৰে শাৰী শাৰী হৈ তেওঁলোকে চাই থাকিল। কত পূণ্যৰ ফলত কৃষ্ণক দেখা পাইছে বুলি কৃষ্ণৰ মুখ পদুমক অনুৰাগে চাবলৈ ধৰিলে।১৯২৮।। প্ৰেমত পুলকিত হৈ চকুলো টুকিলে, আনন্দত মন মগ্ন হ'ল। গোকুলৰ গোপীগণে ভাবিলে যে মথুৰানগৰীত বিধি সুপ্ৰসন্ন হৈছে, কৃষ্ণৰ মুখ মথুৰাবাসীয়ে দেখিবলৈ পাইছে।১৯২৯-৩০।। কৃষ্ণক দেখি মথুৰাৰ সুন্দৰী নাৰীগণে চাগে জীৱন সফল কৰিছে। মথুৰা নাৰীৰ ভাগ্য উদয় হৈছে।১৯৩১।।

**৭৩। কৃষ্ণৰ ধনুভঙ্গ ঃ**

তেওঁলোকে গৈ গৈ ধনুৰ্যাগ পালেগৈ।১৯৩২।। কৃষ্ণই কংসৰ দিব্যধনু দেখিবলৈ পালে। ইন্দ্ৰ ধনুৰ দৰে বজ্ৰসম, দৃঢ়, অনুপম ধনুত সুবৰ্ণৰে খচিত।১৯৩৩।। সূৰ্য্যৰ ৰশ্মিত ধনুখন চিক্‌মিকাই আছিল। অনেক ভক্তিভাবে ধনুখনক পূজা কৰি আছিল। ধনুখনক ৰক্ষা কৰিবলৈ অস্ত্ৰশস্ত্ৰ ধাৰী অনেক সৈন্য আছিল। তাকে দেখি কৃষ্ণই পীতবস্ত্ৰ কঁকালত টানকৈ বান্ধি ল'লে।১৯৩৪।।

গোবিন্দই আনন্দমনেৰে ধনুখন ধৰিবলৈ আগবাঢ়ে। তাকে দেখি ৰখীয়া সেনাগণে কৃষ্ণক বাধা দিলে। তেওঁলোকে ভাবিলে ক'ৰ ল'ৰা এটাই ৰজাৰ ধনুখন ধৰিবলৈ আহিছে? ইয়াৰ মৰিবলৈ ভয় নাই নেকি।১৯৩৫।। তেওঁলোকে 'নাযাবি নাযাবি' বুলি চিঞৰ বাখৰ কৰিলে। মাধৱে সেই বাধা নামানি বাওঁ হাতেৰে ধনুখন তুলি ল'লে, নিমিষতে ধনুত গুণ লগালে।১৯৩৬।। তেওঁ ধনুখন টঙ্কাৰ কৰি ভাঙি পেলালে। প্ৰকাণ্ড শব্দ হ'ল। সকলো লোক চমকি উঠিল। মাধৱে অপ্ৰয়াসে ধনুখন দুইখণ্ড কৰি ভাঙিলে। মত্ত হাতীয়ে কুঁহিয়াৰ ভঙাৰ দৰে মাধৱে ধনুখন ভঙাত সকলোৰে আচৰিত হ'ল।১৯৩৭।।

ধনুভঙাৰ শব্দ দিশ-বিদিশ ভেগি গ'ল। বজ্ৰৰ শব্দৰ দৰে সন্ত্ৰাসৰ সৃষ্টি হ'ল, ওচৰৰ লোকৰ কাণ ফাটো ফাটো হ'ল। কংসই এই মহাশব্দ শুনিবলৈ পালে।১৯৩৮।। কংসই শব্দ শুনি ভয়ত কঁপি উঠিল। তেওঁ সৈন্য পঠালে আৰু

সৈন্য গণ অস্ত্র লৈ উধাও হ'ল। ৰখীয়াবোৰে মাধবক চাৰিওফালৰ পৰা আক্ৰমণ কৰিলে।১৯৩৯।। চাৰিওফালৰ পৰা ধৰ, মাৰ, বুলি চিঞৰিবলৈ ধৰিলে। ৰাম-কৃষ্ণই ভগাধনুৰ অংশ লৈ সৈন্য সকলক বধ কৰিলে। সিহঁতৰ হাড়-মূৰ ভাঙি খণ্ড খণ্ড কৰিলে।১৯৪০।।

কাৰোবাৰ উৰু; হাত, কটি ভাঙিলে, তেজে ৰঙা হ'ল। সেই সময়তে কংসৰ সৈন্যই আহি ৰাম-কৃষ্ণক আক্ৰমণ কৰাত বিজুলি সঞ্চাৰে ৰাম-কৃষ্ণয়েও প্ৰত্যাক্ৰমণ কৰিলে।১৯৪১।। ভগাধনুৰ খণ্ড লৈ দুয়ো ভাতৃয়ে সৈন্যগণক কোবাই হাৰাশাস্তি কৰিলে। সিহঁতে পৰিপৰি চিৎকাৰ কৰিবলৈ ধৰিলে। তেওঁলোকে সিহঁতৰ এটাকো জীয়াই নাৰাখিলে।১৯৪২।।

শত্ৰুক সংহাৰ কৰি ৰাম কৃষ্ণই ৰং কৰিলে আৰু গোপগণে নৃত্য কৰিবলৈ ধৰিলে। তাৰ পাছত তেওঁলোকে আগবাঢ়িল। নগৰ চাই চাই ৰাম-কৃষ্ণই আনন্দ মনেৰে অগ্ৰসৰ হ'ল।১৯৪৩।। এওঁলোকৰ পৰাক্ৰম দেখি তাৰ অধিবাসীবোৰে ভাবিলে যে এওঁলোক প্ৰবল প্ৰতাপী দেবতাহে। গোপগণক লৈ কৃষ্ণই বলৰামে সহিতে নগৰৰ বাহিৰত শিবিৰ পাতি থাকিল।১৯৪৫।। ৰাম-কৃষ্ণই ভৰি পখালি গোপগণক লগত দধিভাত ভূঞ্জি ৰাতিটো কটালে।১৯৪৬।। গোপগণে তেওঁলোকক বেঢ়ি লৈ শয়ন কৰিলে।

**৭৪। কংসৰ অমঙ্গল দৰ্শন ঃ**

কংসই ধনুভঙ্গ কৰা কথা শুনিবলৈ পালে আৰু ৰখীয়াবোৰৰ নিধনৰ কথাশুনি চিন্তিত হ'ল। কংসৰ টোপনি নহা হ'ল। মনত অতি ভয়ৰ উদ্ৰেক হ'ল।১৯৪৭।। নানা অমঙ্গল দেখি কংসৰ চিত্ত অস্থিৰ হ'ল। ছাঁটোলৈ চাই সি নিজৰ মূৰটো দেখা নাপালে। ধূলি আৰু বোকাত সি নিজৰ খোজৰ চিহ্ন নেদেখে। আকাশত একেলগে দুটা চন্দ্ৰ দেখিবলৈ পায়।১৯৪৮।। সপোনত তাক মৃতকে সাৱটি ধৰা দেখে। গৰ্দ্ধভত উঠি বিষ ভোজন কৰা, ঔগছৰ ফুল পিন্ধি উলঙ্গ হৈ ফুৰা, গাত তেল ঘঁহি দক্ষিণ দিশে অকলশৰে যোৱা, আদি অমঙ্গল সমূহ কংসই দেখিবলৈ পায়।১৯৪৯।। আন আন নানা প্ৰকাৰৰ বিমঙ্গল দেখি তাৰ ভয়তে নিদ্ৰা নাহে।

ৰাতিপুৱা কংসই মল্লমহোৎসবৰ আয়োজন কৰোৱালে।১৯৫০।। উচ্চ ৰঙ্গমালা-মঞ্চ তৈয়াৰ কৰালে, নানাবিধ বাদ্য যন্ত্ৰ যেনে ঢাক, ঢোল, ভেৰী অনোৱা হ'ল। মঞ্চত নগৰবাসী বহিল, স্থানে স্থানে ৰজাসকলক আসন দিয়া হ'ল।১৯৫১।। মন্ত্ৰীগণ ৰজাৰ আসনৰ কাষতে উপবিষ্ট হ'ল। আৰু কংসই ৰাজ আসনত বহি ল'লে। বাদ্যবাদক সকলে বাদ্য বজালে, মালবোৰে অংশ গ্ৰহণ কৰিলে। চানুৰ মুষ্টিক, কুট, শল্ল তোশল আদিয়ে নিজ স্থানত অৱস্থান কৰিলে।১৯৫২।। ৰঙ্গশালাত মহাপ্ৰয়োভৰ হ'ল, বসুদেব দৈৱকীক শিকলি লগাই মঞ্চলৈ বহোৱালে।১৯৫৩।। নন্দই কৰশোধাই গোপগণৰ লগত মঞ্চত স্থান ললে। চাৰিওফালে কৃষ্ণ কথাকেই আলোচনা বিলোচনা কৰা হ'ল। কৃষ্ণৰ মহিমাৰ কথা কাণেৰে সকলোৱে শুনি আহিছিল।১৯৫৪।। সকলোৱে কৃষ্ণক দেখিবলৈ পাব বুলি মনত আশা পালি থাকিল।

**উপদেশ ঃ** কৃষ্ণ কথা নিৰন্তৰ শুনিবলৈ শ্ৰীমন্ত গুৰুৱে নৰলোকক কৈছে। সদায় কৃষ্ণৰ চৰণ কমলত চিন্তা কৰা উচিত। ব্ৰহ্মাই পূৰ্বতে চাৰিবেদ আনি তিনিবাৰ পঢ়ি তাত কি আছে বিচাৰিলে।১৯৫৬।। বিৰিঞ্চিয়ে বেদৰ সাৰ বস্তু হিচাবে হৰি নামকেই পালে। হৰি কীৰ্তনে দুৰ্ঘোৰ সংসাৰ তৰাব, কলিত ইয়েই মহাধৰ্ম। সেইবাবে আনধৰ্ম এৰিব লাগে।১৯৫৭।। হৰিনামত পৰম বিশ্বাস, ৰাখিব লাগে, তেতিয়া যমৰ যাতনা দূৰ হয়। যমৰ দূতে ধৰি যাতনা ভূঞ্জাব।১৯৫৮।। তৈলকুণ্ডত পেলাব, কাউৰীৰ দ্বাৰা মাংস টনাব, কৰতেৰে মূৰ ছিৰিব, উভতাকৈ গাঁতত পুতিব, বিষ্ঠা খাবৈত ৰাখিব।১৯৫৯।। ডাঙৰ জোকে গাত মেৰিয়াই তেজ পিব আদি শাস্তি বিহিব। পৰলোকত তাৰপৰা অব্যাহতি নাপাব। হৰিবিনে ইয়াৰ পৰা ৰক্ষা পোৱাৰ উপায় নাই।১৯৬০।। যাতনাৰ পৰা অব্যাহতি পাবলৈ ডিঙিত নামৰ ভাণ্ড বান্ধি ল'ব লাগে।১৯৬১।।

**৭৫। কুবলয় পীড় বধ ঃ**

ৰঙ্গশালাত দুন্দুভিৰ ধ্বনি শুনি (ৰাতিপুৱা) ৰাম-কৃষ্ণৰ শৌচ হৈছিল। কৃষ্ণই ধনুভাঙি নিজৰ বীৰ্যপ্ৰদৰ্শন কৰা সত্বেও কংসই পিতৃ বসুদেৱৰ বন্ধন মোচন নকৰিলে আৰু কৃষ্ণকো মাৰিবলৈ মন কৰাৰ বাবে মোমায়েকক বধ কৰাত দোষ নহয় বুলি স্থিৰ কৰিলে। কৃষ্ণ-বলৰাম গোপগণৰ সহিতে আনন্দমনে ৰঙ্গশালালৈ অগ্ৰসৰ হ'ল। নানা খেলা কৰি গৈ তেওঁলোকে ৰঙ্গশালাৰ দ্বাৰা পালেগৈ।১৯৬২-৬৩।। দুৱাৰত থকা কুবলয় পীড়ে তেওঁলোকৰ বাট ভেটি ধৰিলে। মাউতে কুবলয় পীড়ত উঠি লাংচিঙে কুবলয়ক খুচিবলৈ ধৰিলে। কুবলয় শৃঙ্গসম আকৃতিৰ, কৃষ্ণই তাক দেখি থমকিলে আৰু তাৰ ইঙ্গিত বুজিব পাৰিলে।

কৃষ্ণই সচকিত হৈ পীতবস্ত্ৰ টানকৈ বান্ধি ল'লে।১৯৬৪।। আকুঞ্চিত

কেশগুচ্ছ সম্বৰণ কৰিলে আৰু আগবাঢ়ি গৈ অম্বষ্ঠক ক'লে 'মল্ল মহোৎসব চাবৰ কাৰণে আমি যাব লাগে। জীয়াই থাকিবলৈ মন আছে যদি বাট এৰি আতৰি যা।১৯৬৫।। বাট এৰি নিদিলে মোৰ দোষ নহ'ব। হাতীৰে সৈতে তোক বধ কৰিম।' অম্বষ্ঠই খঙত অতীষ্ঠ হৈ হস্তীক অঙ্কুশে খুচিলে আৰু মত্ত হস্তীয়ে কালান্তক হৈ পৰম আটোপে মাধবক শুড়েৰে মেৰাই ধৰিলে। কৃষ্ণই যত্ন কৰি তাৰ হাতৰ পৰা এৰাই, দাঁত কামুৰি মাতঙ্গৰ সন্ধিস্থলত মুষ্টি প্ৰহাৰ কৰিলে। ১৯৬৭।। কৃষ্ণই তাৰ ভৰিৰ মাজত লুকাই থাকিল। ভয়ঙ্কৰ মুষ্টিৰে আঘাত পাই কৃষ্ণক সি বিচাৰি চায়ো নেদেখিলে। মূৰ চাপৰাই শুঙি শুঙি কৃষ্ণক দেখা পালে।১৯৬৮।। সি খং কৰি শুঁৰৰ আগেৰে কৃষ্ণক মেৰাই ধৰিলে। কৃষ্ণয়ো হাঁহি হাঁহি তাৰ শুঁৰৰ পৰা এৰাই তাৰ পাছফালে গৈ লীলা কৰি নেজত ধৰিলে। কৃষ্ণই তাক পাছলৈ টানি ১০০ হাত মান পিচুৰাই নিলে।১৯৬৯।। গৰুড়ে সৰ্পক টানি নিয়াৰ দৰে নিয়াত সি ইকাটি সিকাতি কৰিলে আৰু কৃষ্ণই শুঁৰৰ পৰা আঁতৰি থাকিল। হাতীটোৱে মলমূত্ৰ ত্যাগ কৰিলে, বৰ দুঃখ পালে। কেশৱে তাৰ সন্মুখলৈ আহি চাপৰ মাৰি দৌৰ মাৰি পাচলৈ গ'ল। কৃষ্ণক সি খেদি নিলে।১৯৭০-৭১।। পলাব নোৱাৰি তেওঁ বাগি দি হাৰিলে। সি মাটিত দাঁতেৰে ভিৰ দিলে।১৯৭২।। কৃষ্ণক মাটিত নাছিল বুলি জানিব পাৰি পুনৰ কৃষ্ণক জাপমাৰি তাৰ শুঁৰত দুই হাতেৰে ধৰিলে। সি কৃষ্ণৰ হাতৰ পৰা এৰাবলৈ প্ৰবল ভাৱে যত্ন কৰিলে।১৯৭৩।। গৰুড়ই ঠোঁটেৰে সৰ্পক ধৰাৰ দৰে কৃষ্ণই তাক মাটিত বগৰাই পেলালে। তাৰ কুম্ভস্থলত মাধবে ভৰিৰে ভিৰি ধৰিলে। আৰু দুইহাতেৰে তাৰ দাঁত উঘালি আনিলে,।১৯৭৪।। সেই দাঁতেৰে তাৰ মাথাত এটা প্ৰকাণ্ড মাৰ শোধালে, সি মলমূত্ৰ এৰি প্ৰাণ ত্যাগ কৰিলে। লগে লগে গোপগণে জয় জয় ধ্বনি কৰিবলৈ ধৰিলে।১৯৭৫।। কৃষ্ণই লগে লগে হস্তীৰ প্ৰাণ ললে দাঁতেৰে কোবাই। কৃষ্ণৰ আচৰিত পৰাক্ৰম আৰু শক্তি দেখি সবাৰে মনত বিস্ময় হ'ল। তেওঁৰ গোটেই দেহ ধৰ্ম্ম বিন্দুৰে ভৰি পৰিল। মুখত হস্তীৰ তেজ লাগি তেওঁৰ মুখমণ্ডল জ্যোতিৰ্ম্ময় হ'ল।১৯৭৬।।

ৰত্ন অলঙ্কাৰে শ্যাম তনু জিলিকি উঠিল, নবমেঘৰ দৰে তেওঁ শৰীৰ জিলিমিলি কৰিলে। এইদৰে কুবলয় পীড়ক বধ কৰি ৰাম-কৃষ্ণ ৰঙ্গশালালৈ যায়। ৰত্নৰ নূপুৰ দুই ভৰিত বাজি উঠিল। কান্ধত তেওঁৰ হস্তীৰ দন্ত।১৯৭৭।। মুখত মৃদু হাস্য, কণ্ঠত কদম্বৰ মালা, চৌদিশে গোপগণক লৈ ৰঙ্গশালাত কেশৱে প্ৰবেশ কৰিলে। কোটি কন্দৰ্পকো জিনি তেওঁৰ শৰীৰৰ শোভা বিৰিঙি উঠে।

শত চন্দ্ৰমাৰ দৰে উদ্‌ভাসিত হৈ তেওঁ সভাত প্ৰবেশ কৰিলে।১৯৭৮।। উপদেশ ঃ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই পদ ৰচনা কৰিলে। কৃষ্ণৰ চৰিত্ৰই কলিযুগৰ পৰম পাপ ধ্বংস কৰিব পাৰে। সেই কথা জানি কৃষ্ণক ভকতি কৰি জীৱন সম্ফল কৰা উচিত। হৰি পৰম সুহৃদ, ইহ-পৰলোক গতি দিওঁতা,।১৯৭৯।। গীতা, ভাগৱতৰ এয়ে মত। জ্ঞান আৰু কৰ্মতকৈ ভক্তি শ্ৰেষ্ঠ। শাস্ত্ৰৰ এই তত্ব নুবুজি আনক বখানিব নালাগে। তেনে কৰিলে আনক নষ্ট আৰু নিজকো নষ্ট কৰা হয়।১৯৮০।। যি চণ্ডালৰ জিভাৰ আগত হৰিৰ গুণ-নাম থাকে, তেওঁৰ তপ-জপ যজ্ঞ এনেয়ে সাধন হয়; তেওঁ হোম, মহাদান কৰিবৰ প্ৰয়োজন নহয়। কুকুৰ ভক্ষণ কৰা ম্লেচ সকলেও যদি হৰিনাম লয়, তেওঁলোকেও যজ্ঞৰ ফল লাভ কৰে।১৯৮১।। হৰিনামৰ মহিমা তৰ্কিব নোৱাৰি। পাপত অন্ধ হৈ অহঙ্কাৰ কৰি লোক বিনাশ হয়। যিজনে কৃষ্ণৰ কৃপালাভ কৰে, তেওঁহে হৰি নাম লয়। এনে বেদৰ মহান বাণী সাৰ কৰি ৰাম ৰাম বোলা উচিত।১৯৮২।।

**৭৬। ৰাম-কৃষ্ণৰ লগত চানুৰ-মুষ্টিকৰ মল্লযুদ্ধ ঃ**

শুক মুনিয়ে ৰজা পৰীক্ষিতক কৃষ্ণৰ আশ্চৰ্য চৰিত্ৰৰ বিষয়ে ক'বলৈ আগবাঢ়িল। কৃষ্ণ-বলৰাম চমৎকাৰ হৈ প্ৰবেশ কৰিলে। সকলোৱে এই চমৎকাৰ ৰূপদেখি বিস্মিত হ'ল।১৯৮৩।। সভাত প্ৰবেশ কৰাৰ লগে লগে বিভিন্নজনে বিভিন্ন ৰূপত এওঁলোকৰ চিন্তা কৰিবলৈ ললে। প্ৰধান কৈ কৃষ্ণক দহ প্ৰকাৰে দেখিলে—

(১) মালে বোলে কিনো ইটো **তনু ৰজ্ৰসম**।
(২) অন্যজনে বোলে ইটো **নৰতে উত্তম**।১৯৮৪।।
(৩) **মূৰ্ত্তিমন্ত কাম** নাৰীসকলে বখানে।
(৪) আমাৰেসে **বন্ধু বুলি** গোপগণে মানে।।
(৫) ৰাজাগণে বোলে এন্তে **শাস্তা** অদভূত।
(৬) বসুদেব দৈবকী বোলন্ত **মোৰ পুত্ৰ**।১৯৮৫।।
(৭) কংসে বোলে এই মোৰ **মৃত্যু** বনমালী।
(৮) অজ্ঞানী সকলে বোলে **ছোটসে ছৱালি**।।
(৯) যোগীগণে বোলে এহন্তেসে **ব্ৰজতত্ব**।
(১০) বৃষ্ণিবংশে বোলে এন্তে **কুলৰ দৈৱত**।।

মল্লযোদ্ধাৰু সকলে কৃষ্ণক বজ্রসম তনু, অন্যান্যসকলে নৰোত্তম, নাৰীগণে কামিনীকান্ত, গোপগণে আপোনবন্ধু, নৃপগণে, শাস্তা, বসুদেব-দৈবকীয়ে নিজ পুত্র, কংসই মৃত্যুবনমালী, অজ্ঞানীগণে সৰু ল'ৰা, যোগীয়ে ব্রজতত্ব আৰু বৃষ্ণিবংশই কুলৰ দৈবত বুলি ভাবি লৈছিল।১৯৮৪-১৯৮৬।।

ভকতসকলে কৃষ্ণক প্রভু, পৰম ঈশ্বৰ বুলি ভাবি তেওঁক দেখাৰ লগে লগে শৰীৰ ৰোমাঞ্চিত হয়, নয়নৰ পৰা চকুলো ওলায়, মনত প্রেমৰ উদয় হয়। এইদৰে দহ প্রকাৰে কৃষ্ণক ললে।১৯৮৭।। কান্ধত হাতীৰ দাঁত লৈ যোৱা দেখি ভাৱিলে যে এই দুই বালকৰ হাতত তেওঁ সবংশে মৰিব। সিহঁত দুজনে কুবলয় হাতীক যেতিয়া বধ কৰিছে, সিহঁত অতি পৰাক্রমী হ'ব।১৯৮৮।। বসুদেৰৰ পুত্র ইমান দাৰুণ আৰু দুর্জ্জয় যে সকলো দৈত্য আৰু অসুৰক বধ কৰিব পাৰিছিল। কংসই ৰাম মাধবলৈ লক্ষ্য কৰি ভীত হ'ল।১৯৮৯।। গোপ গণৰ লগত কৃষ্ণই সভাত বিপৰীত ৰূপে প্রকাশ পালে। ৰুচিকৰ শ্যাম তনু, পীতবাস পৰিহিত, নবীনা মেঘত বিজুলীৰ প্রকাশৰ দৰে শোতা পাইছিল। ১৯৯০।। তেওঁৰ ঈশ্বৰ হসিত মুখখন দেখিলে মনলৈ সন্তোষ্টি আহে, নব পঙ্কজৰ কোষৰ দৰে অৰুণ নয়ন চাই থাকিলে হেঁপাহ নপলায়, সুবলিত ভ্রব (চকুৰ চেলাউৰী) দ্বয় ধেনুভিৰীয়া, যাক দেখি মনত শান্তি আহে, কপালত ললিত তিলক ৰত্নৰ দৰে মনলৈ জিলিকি মনত উৎসাহ যোগায়।১৯৯১।। মূৰত কনক কিৰীটি, আকুঞ্চিত কেশ, মৈৰা পাখিয়ে তেওঁৰ মাধুর্য সোণত সুৰগা চৰায়। কুটিল অলকা, কর্ণৰ মকৰ কুণ্ডল আৰু তাৰ ৰশ্মিয়ে পাণ্ডুৰ গণ্ডস্থল অতি মোহনীয়।১৯৯২।।

উন্নত নাসিকা তিলফুলৰ দৰে, ৰাতুল অধৰ কম্বুকণ্ঠ কৌস্তভে শোভিত। বহল হৃদয়ত মুকুতাৰ হাৰে কৃষ্ণৰ কান্তিময় দেহৰ জ্যোতি উদভাসিত হৈ উঠিছে।১৯৯৩।। কটিত মেখেলা, পাৰত কেলিকদম্বৰ মালাই তেওঁৰ সৌন্দর্য বঢ়াই তোলে। তেওঁৰ বাহুদ্বয় আজানুলম্বিত আৰু নীলৰত্নৰ মোলানৰ দৰে সুবলিত।১৯৯৪।। সুবর্ণ কঙ্কন, কেয়ুৰ, ৰত্নৰ আঙুঠি আঙুলিত শোভা কৰে। তেওঁৰ হাতৰ তলুৱা কুঁহিপাতৰ দৰে ৰঙা, উৰুযুগল হাতীৰ শুৰৰ দৰে বলিত বর্ত্তুল।১৯৯৫।। পাতপীত ভূনি তেওঁৰ ভৰিলৈকে ওলমি আছে, তৰণত নূপূৰ ৰুণঝুণ ৰৈ ধ্বনিত হয়, পদযুগল ৰাতুল আৰু দহ আঙুলিত ৰত্নৰ আঙঠিয়ে জল মলায়।১৯৯৬।।আঙুলিৰ নখবোৰৰ নখচন্দ্র চন্দ্রমাৰ শাৰীৰ দৰে আৰু ভকতৰ দুঃখ এইবোৰে হৰণ কৰে। ৰঙা পদ তলৰ পঞ্চচিহ্নই ভকতক পৰম শান্তি দিয়ে।১৯৯৭।। কৃষ্ণৰ এনে মধুৰ মূৰ্ত্তিয়ে সমস্ত জগতকে আনন্দ দিয়ে। তেওঁৰ আগত কোটি মদন ম্লান হৈ যায়। তেওঁৰ শৰীৰ হিমৱন্ত গিৰিৰ দৰে। নিষ্কম্প, কোটি সমুদ্রতকৈও তেওঁ গহীন গম্ভীৰ।১৯৯৮।। সৰ্বাঙ্গতে তেওঁৰ লাৱণ্য ৰূপৰ সমাবেশ ঘটিছে। ৰামৰ লগত এনে মনোহৰ ঈশ্বৰ মূৰ্তিয়ে সভাত প্রবেশ কৰিলে। তেওঁৰ চতুৰ্ভিতি গোপৰ কুমাৰ, মাজত দুই শিশু সিংহই বিহাৰ কৰিছে।১৯৯৯।। তেওঁলোক দুয়ো নিৰ্ভয় মনেৰে আনন্দিত হৈ সভাত প্রবেশ কৰিলে দুটি পূৰ্ণবিকশিত চন্দ্ৰমাৰ দৰে। তেওঁলোকে সভাৰ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলে।২০০০।।

পৰম মধুৰ মূৰ্তি সকলো সভাস্থ লোকে দেখি আনকি চাঙৰ ওপৰত উঠি থকা সকলেও একেথৰে চাবলৈ ধৰিলে। তেওঁক দেখি সকলোৰে আনন্দ সাগৰত মগ্ন হ'ল। দুই জনৰ ৰূপ-সৌন্দৰ্য পান কৰি সকলোৰে পৰম তৃপ্তি লাভ কৰিলে।২০০১।। তেওঁলোকে চকুৰে দেখি জিভাৰে চেলেকি যেন খাব, বাহুৰে আগুৰি লৈ আলিঙ্গন কৰিব আৰু নাকেৰে যেন ঘ্রাণ ল'ব। আনন্দত তেওঁলোকৰ চিত্ত বিগলিত হ'ল, তনু ৰোমাঞ্চিত হ'ল আৰু চকুৰে আনন্দৰ লোতক বাগৰি আহিল।২০০২।। কৃষ্ণত তেওঁলোকৰ মন মজিলে, পৰম ভাগ্যোদয় হ'ল। তেওঁলোকে ইমান দিনে কাণেৰে গুণৰ মহিমা শুনিছিল, এতিয়া স্বচক্ষে দেখিবলৈ পোৱাৰ কথা ইজনে সিজনৰ লগত পাতিবলৈ ধৰিলে।২০০৩।। নিৰ্ভয় আৰু চিৰ আনন্দ মনেৰে সভাত ভ্রমণ কৰা ৰাম-কৃষ্ণক দেখি তেওঁলোকে মানুহ যেন নালাগে বুলি ভাবিলে। তেওঁলোকে পৰম পুৰুষৰ বাহিৰে আন হ'ব নোৱাৰে বুলি সভাষদে স্বাৰৰ কৰিলে।২০০৪।। দুয়ো নাৰায়ণৰে অংশ, বসুদেৰৰ গৃহত জন্ম লৈছে, বসুদেৱে নি গোকুলত থৈছিল আৰু নন্দৰ ঘৰত গুপুতে আছিল বুলি সকলোৰে ভাবিলে।২০০5।।

এৰেঁ শিশুকালতে পুতনাৰ প্ৰাণ লৈছিল, চক্ৰবাত অসুৰত ডিঙি চেপি মাৰিছিল, অৰ্জ্জুনবৃক্ষ উঘালিছিল।২০০৬।। বৎসাসুৰ, বকাসুৰ, অঘ, ধেনুকাসুৰক এৰেঁ বধ কৰিছিল।২০০৭।। বিষধৰ কালিক দমন, বনাগ্নিপান কৰি গোকুল বাসীক এৰেঁ উদ্ধাৰ কৰিছিল।২০০৮।। মখভঙ্গ হোৱাত ইন্দ্ৰই সাদিন বৃষ্টি পাত কৰাত গোবৰ্দ্ধন ধাৰণ কৰি এই কৃষ্ণই ইন্দ্ৰৰ দৰ্পচূৰ্ণ কৰিছিল।২০০৯।। গোপিকাৰ লগত এই বালকেই শৰৎ কালৰ ৰাতি ৰাসক্ৰীড়া কৰিছিল। আৰু শঙ্খচূড়ক বধক

কৰিছিল।২০১০।। গোপ আৰু বৎসক বনাগ্নিৰ পৰা ত্ৰাণ কৰি অৰিষ্টাসুৰক এৰেঁ বধ কৰিছিল। কেশী আৰু ব্যোমাসুৰৰ প্ৰাণ হন্তা এৰেঁ।২০১১।। এওঁৰ কান্তিভৰা মুখ মধু পান কৰিছিল গোপীগণে। এৰেঁই যদুবংশ ৰক্ষা কৰিব, শ্ৰী, যশ, মহত্ব এঁৰে বঢ়াব। প্ৰলম্ব বধি এৰেঁ দুঃখ মোচন কৰিছিল।২০১২-১৩।।

পুৰাণ পুৰুষ দুয়ো আছা অৱতৰি
ভকতক ৰাখিবন্ত দুষ্টক সংহৰি।।
আমাৰো মিলিল আজি কিনো মহাভাগ।
হেন ৰাম কৃষ্ণক দেখিবে পাইলো লাগ।২০১৪।।

এইদৰে লোকে আলোচনা কৰি থাকোতেই মল্লমহোৎসৱ আৰম্ভ হ'ল, বাদ্য বাজি উঠিল। চানুৰে সহ্য কৰিব নোৱাৰি অহঙ্কাৰ মত্তহৈ আগবাঢ়ি আহিল।২০১৫।। সি ৰাম-কৃষ্ণক সম্বোধন কৰি ক'লে।

'হে নন্দসুত, কৃষ্ণ, হে বীৰ বলৰাম।
মহাবলশালী দুয়ো বীৰ অনুপাম।'২০১৬।।

'শুনিবলৈ পাইছোঁ দুয়ো বোলে বাহুযুদ্ধত কৌশলী, সেইবাবে ৰজাই বাহুযুদ্ধ চাবলৈ দুয়োকে মতাই অনাইছে। গতিকে ৰজাক সন্তোষ্ট কৰিব লাগে।'২০১৭।।

তোমালোকে অখণ্ডিত বীৰ, মহাপৰাক্ৰমী, মল্লযুদ্ধত পাৰ্গত। ২০১৮।। ৰজা সৰ্বভূতময়, তেওঁক সন্তোষ্ট কৰিবলৈ আমি মল্লযুদ্ধ কৰো।'২০১৯।।

কৃষ্ণই তাৰ কথাৰ উত্তৰ দিলে— 'আমি ভোজৰজাৰ প্ৰজা, বনচৰ, ৰজাৰ প্ৰীতিৰ বাবে সমুচিত কৰ্ম কৰিম, বাহুযুদ্ধ কৰিম। তেতিয়া সভাসদকো অৰ্ধৰ্মই নুচুব।'২০২০।। চানুৰে ক'লে 'তুমি কিশোৰ বালক, অযুত হাতীৰ বলথকা কুবলয়ক মাৰিলা, বলৰামো বলী, বীৰ, তোমালোকে আগবাঢ়ি অহা, বাহুৰ প্ৰহাৰৰ বাবে।২০২১।। মুষ্টিকৰ লগত বলৰামে আৰু মোৰ লগত তুমি যুদ্ধ কৰা উচিত হ'ব।' কৃষ্ণয়েও সেয়ে হওক বুলি ক'লে। কৃষ্ণয়ে চানুৰৰ সন্মুখলৈ আগবাঢ়ি গ'ল।২০২২-২৩।। মুষ্টিকক বলৰামে প্ৰত্যাহবান জনালে। মহাৰণ আৰম্ভ হ'ল।

মল্লযুদ্ধৰ বিবৰণ ঃ—

ধৰ ধৰ বুলি আতি কৰি আৰস্ফতি।
অন্যো অন্যো ধৰে আসি বাহুত সাৱটি।২০২৪।।
বাঘে যেন গৰ্জ্জিয়া পাৱক পাবে চান্দি।
হাতে হাতে থাকে কতো মালবান্ধে বান্ধি।।
অন্যো অন্যে আজোৰা গাৰৰ বলে ধলি।
সন্ধানে মুঠিত মুঠি তাৰে দৃঢ় কৰি।২০২৫।।
লৰৰন্তে আসিয়া আঠুত আঠু হানে।
আজুৰিয়া মুণ্ডে মুণ্ডে ঠেকা মাৰে টানে।।
আফালে হিয়াত হিয়া কতো ঠাত কৰি।
টানি আনে কতো শৰীৰৰ বলে ধৰি।২০২৬।।
গল দঙ্গা মাৰে দুয়ো হাতে হু বুলি।
বাহুৰে আটিয়া কেহো আচাৰয় তুলি।।
যৈত পৰে তথাতে পৃথিৱী হোৱে খাল।
তলবল কৰে যেন যায় ভূমিচাল।২০২৭।।

বাহুৰে বাহু সাৱটি, পাৱে পাৱে চান্দি, মালবান্ধে বান্ধি, আজোৰা-আজুৰি, মুষ্টি প্ৰহাৰি, আঠুৰে-আঠুৰে, মুণ্ডে-মুণ্ডে, হিয়াই হিয়াই, আচাৰি অনেক প্ৰকাৰে দুয়ো মালৰ লগত কৃষ্ণ-বলৰামে মল্লযুদ্ধ কৰে।২০২৪-২৭।।

তেওঁ কেতিয়াবা হাততালি মাৰি, চিঞৰি চিঞৰি প্ৰচণ্ড যুদ্ধ কৰে। তেওঁলোকৰ মাত ব্ৰজৰ নিনাদৰ দৰে গম্ভীৰ, সভাসদে যুদ্ধ দেখি কঁপি উঠিল।২০২৮।। বাগৰা-বাগৰি, তৰ্জন-গৰ্জন, কামোৰা-কামুৰি কৰি চাৰিবীৰে তুমুল সংগ্ৰাম কৰিলে।২০২৯-৩০।। শৰীৰ ধূলি ধূসৰিত হৈ ঘাম ওলাবলৈ ধৰিলে। বলী-অবলীৰ মাজত হোৱা যুদ্ধখন দেখি মথুৰাৰ নাৰীৰ হৃদয় ব্যাকুল হ'ল।২০৩১।। ইজনৰ লগত সিজনে কোৱাকুই কৰে যে এই যুদ্ধ অনুচিত কৰ্ম হৈছে। এনে অনুচিত কৰ্ম হ'বলৈ দিয়াটো সমাজৰ উচিত হোৱা নাই বুলি সভাত থকা লোকে ভাবিলে। গতিকে এনে অধৰ্ম যুদ্ধ চোৱাটোও পাপ।২০৩২।। ল'ৰাৰ লগত মালৰ যুদ্ধ হিংসা কৰ্ম চোৱা সকলক মহাপাপে চুব বুলি নাৰীগণে কৈছে আৰু তেওঁলোকৰ হৃদয়ত বৰ দুখ হৈছে বুলি কৈছে। কৃষ্ণৰ মুখলৈ চাই তেওঁলোকে ভাগি পৰিছে।২০৩৩।।

**উপদেশ ঃ** কৃষ্ণৰ একান্ত সেৱক শ্ৰীমন্ত শঙ্কৰে কৈছে কৃষ্ণৰ চৰিত্ৰ শুনা উচিত। কৃষ্ণৰ কথাত অনেক গুণ আছে। ইয়াক শ্ৰৱণ কৰা মাত্ৰে পুণ্য লাভ হয়।২০৩৪।।

অনেক জন্মৰ সঞ্চিত পাপৰাশি কৃষ্ণকথা শ্ৰৱণে বিনষ্ট কৰে, শুদ্ধ বুদ্ধি-বিষ্ণুজ্ঞানৰ উদ্ৰেক হয়, ইহ পৰলোকত বিষয়ৰ প্ৰতি বৈৰাগ্য আনে আৰু সপ্ৰেম ভকতি উপনিজব।২০৩৫।। হৰি ভকতিয়ে মায়াক লাহে লাহে নষ্ট কৰিব আনকি মুক্তিৰ ইচ্ছাকো ত্যাগ কৰিব পাৰিব। ন প্ৰকাৰৰ ধৰ্ম শ্ৰৱণত লাভ হয়। আত্ম-ঘাতকী, পাতকী, মন্দমতিৰ কৰ্মবন্ধ, শ্ৰৱণ-কীৰ্ত্তন ভক্তিয়ে বিনাশ কৰে।২০৩৬-৩৭।। শ্ৰৱণৰ ইচ্ছা হোৱা মাত্ৰকে হৰি হৃদয়ত প্ৰবেশ কৰে। মহাভাগৱত শাস্ত্ৰই এই কথাকেই কৈছে।২০৩৮।। কৃষ্ণই পৰম বন্ধু, ইষ্টদেৱ; ইয়াক জানি কৃষ্ণৰ চৰণত সেৱা কৰা উচিত। কলিৰ পৰম ধৰ্ম কৃষ্ণৰ গুণ-নাম; আনকৰ্ম এৰি ৰাম ৰাম বোলা উচিত।২০৩৯।।

**নাৰীসকলৰ বিষাদ ঃ**

মল্লযুদ্ধত অৱতীৰ্ণ ৰাম-কৃষ্ণৰ প্ৰতি ৰজাই কৰোৱা অন্যায়ৰ বিৰুদ্ধে নাৰীগণে আলোচনা কৰিছে— সমাজৰো ই এটা অন্যায় কাম হৈছে— কাৰণ পৰ্বত সমান আকৃতিৰ আৰু ব্ৰজসম শৰীৰৰ দুই মালৰ লগত সুকুমাৰ দুটি কিশোৰৰ লগত যুঁজ কৰিবলৈ দিয়াটো দুৰ্ঘোৰ অন্যায় কাম হৈছে।২০৪০।। এই পাপমতি ৰজাই জানিও এই অন্যায় কৰিছে। সমাজেও ৰজাক এই কথা বুজাই বাধা দিয়াব লাগিছিল। সভাত থাকি উচিত থকা নোকোৰাটো পাপকাম। ইয়াত থাকিবই নাপায়।২০৪১।। কোনো কোনো জনীয়ে কয়— 'চোৰাচোন অৰুণ বৰণৰ চকুযোৰি, কন্দুকড়ি সম দাঁতবোৰ মুষ্টিকৰ কঠোৰ প্ৰহাৰত কেনেকৈ উজ্বল হৈ উঠিছে।২০৪২-৪৩।। নাৰীবোৰে কৃষ্ণলৈ চাই চাই হাহাকাৰ কৰিছে; লক্ষ্মীয়ে যাক পূজে, সেই পুৰাণ পুৰুষৰ লগত মালক যুঁজিবলৈ দি কি ভীষণ অন্যায় কৰিছে কংসই।২০৪৪।। কৃষ্ণই বজ্ৰত ভ্ৰমণ কৰাৰ বাবে ব্ৰজভূমি পুণ্যভূমি আৰু ইয়াত জন্মগ্ৰহণ কৰিবলৈ পোৱাহেঁতেন কৃষ্ণৰ জন্মৰে পৰা দেখাৰ সৌভাগ্য ঘটিলহেঁতেন বুলি মথুৰাৰ নাৰীগণে ভাবিলে। গোপীসকলে কি পুণ্যৰ বলত ব্ৰজত জন্ম ললে আৰু যাৰ বাবে কৃষ্ণক পোৱাৰ সৌভাগ্য হ'ল।২০৪৫।। ব্ৰহ্মা, ৰুদ্ৰ, লক্ষ্মীয়ে যি পৰম পুৰুষৰ পদধূলা লাভ কৰে সেই পদধূলা গোপীগণে লাভ কৰিছিল। ত্ৰৈলোক্য নাথৰ অনুপম ৰূপ-লাৱণ্য চিত্তত ধৰি তেওঁৰ গুণ-গীত গাবলৈ পাইছিল গোপীগণে।২০৪৬-৪৭।। মথুৰাৰ নাৰীসকলে, ব্ৰজৰ গোপীগণে কৃষ্ণক দেখিবলৈ পোৱা, কৃষ্ণৰ গুণ গান কৰি ভক্তি প্ৰেমত আপ্লুত হোৱা, মোহন বংশীৰ স্বৰ শুনিবলৈ পোৱা, কৃষ্ণক মধুৰ সান্নিধ্য লাভ কৰিবলৈ পোৱা আদি কথাবোৰ বৰ্ণাই মনত আনন্দ লভিছিল। মথুৰাৰ নাৰীসমস্তই কৃষ্ণক বৰ্তমান যুদ্ধ ক্ষেত্ৰতহে দেখিবলৈ পাইছে আৰু কৃষ্ণৰ লীলাস্মৰি তেওঁলোকেও কৃষ্ণৰ প্ৰতি ভক্তি প্ৰেম প্ৰদৰ্শন কৰিছে।২০৪৮-৫০।।

**বসুদেৱ-দৈৱকীৰ খেদ ঃ** বসুদেৱ-দৈৱকীয়ে পুত্ৰশোকত এনেই ম্ৰিয়মাণ হৈ আছিল, মথুৰাৰ নাৰীসকলৰ কথা শুনি পুত্ৰশোকৰ দাবানল অধিক জ্বলি উঠিল।২০৫১।। কৃষ্ণৰ আৰু বলৰামৰ অচিন্ত্য প্ৰভাব দেখি দুয়োয়ে বিহবল হ'ল, চকুৰ লোতক বাগৰি আহিল, চেতনা হেৰাল।২০৫২।। তেওঁলোকে দশোদিশে অন্ধকাৰ দেখিলে আৰু বিলাপ কৰিলে।

হৰি হৰি প্ৰাণ পুত্ৰ পৰিচ্ছেদা
দেখাদেখি ভৈলতাৰ।
একেবাৰে পড়ি নপাইলো দুনাই
বিপদ নদীৰ ওৰ।।
সপুত্ৰ বান্ধৱে যাওঁ যমালয়
মিলিল কৰ্ম বিপাক।
পিণ্ডক জলক নাথাকিল সঞ্চ
বঞ্চিল বিধি আমাক।।

'জন্ম হোৱাৰ পিছৰে পৰা দেখা দেখি নহ'ল। পৰৰ ঘৰত থাকি ডাঙৰ হ'ল আৰু নিজে পালন কৰিবলৈ নাপালে' বুলি দৈৱকীয়ে বেজাৰ কৰি কৰি কান্দিলে।২০৫৩-৫৪।।

উপদেশ ঃ মহা মহন্তৰ ভাগ্যতো মহা অথন্তৰ আহে। এই সংসাৰত পৰম নিকাৰ ভোগ কৰিব লগা হয় মহা মহন্তয়ো, সামান্য লোকৰতো কথাই নাই।২০৫৫।।

পুত্ৰ দাৰা ধন সংযোগ বিয়োগ
অধিকে মিলাৱে দুঃখ।
হেনজানি আন কৰ্ম পৰিহৰি
কৃষ্ণক হুয়ো সন্মুখ।।
হৰি বিমুখৰ জীৱন নিষ্ফল
পশুতো অধম অতি।
আত্মঘাত কৰি চিতনি মৰয়
নকৰি হৰি ভকতি।২০৫৬।।
হৃদয়ত হৰি আছন্ত সাক্ষাত

নিচিন্তে তান চৰণ।
ৰাম কৃষ্ণ নাম বিয়াপি আছয়
নকৰে তাক কীৰ্তন।।

অৰ্থাৎ— পুত্ৰ, ভাৰ্য্যা, ধন আহে আৰু যায়। সেইবোৰ নাপালেও দুখ, হেৰাই গলেও দুঃখ। হৰিনামৰ সংযোগ হোৱাৰ পাচত স্থায়ী হয়। হৰিবিমুখ জনৰ জীৱন পশুতকৈ অধম। হৰি হৃদয়ত আত্মা ৰূপে আছে যেতিয়া তেওঁৰ চৰণ চিন্তাকৰা উচিত। হৰি কথা এৰি আন কথা শুনা জন গৰ্তত বাস কৰে, গোবিন্দ নুবুলি আনদেবক উচ্চাৰণ কৰিলে বেঙৰ জিভাৰ দৰে হয়।২০৫৭।। শিৰ থাকোতে কৃষ্ণক প্ৰণাম কৰা উচিত। ভকতিবিহীন তনু শৱৰ দৰে। গতিকে ইহ-পৰলোকৰ ধন হৰি ভকতিহে।২০৫৮।। ভকতি কৰিলে ভাগৰ নালাগে, হৰি নাম ললে জগৰ নালাগে। গতিকে কৃষ্ণ নাম লোৱা উচিত।২০৫৯।।

**চানুৰ, মুষ্টিক-কূট, শল্ল, তোশল্ল, কংসৰ ভাতৃসকলৰ মৃত্যুঃ**

শুকে পৰীক্ষিতক কৈছে— চানুৰাদিৰ বধৰ কথা। ভকতৰ বেজাৰ দেখি কৃষ্ণৰ হৃদয় দগ্ধ হ'ল। পিতৃ-মাতৃৰ নিকাৰ দেখি তেওঁৰ অন্তৰ কান্দি উঠিল। যদুনন্দনে অত্যন্ত দুঃখ অনুভৱ কৰিলে, চকুৰ লোতক বাগৰি গ'ল। তেওঁ দুষ্টক দমন আৰু ভক্তক আনন্দ দিবৰ কাৰণে সাজু হ'ল।২০৬০।।

কৃষ্ণই চানুৰক ভীষণ ভাৱে প্ৰহাৰ কৰিলে।২০৬১।। বজ্ৰৰ সমান প্ৰহাৰ পাই চানুৰ মূৰ্চ্ছিত হৈ পৰিল আৰু বিহবল হ'ল। কিছু সময়ৰ পাচত চেতন পাই শেনটোৰ দৰে আহি কৃষ্ণৰ বুকুত দুই হাতেৰে মুষ্টিৰ প্ৰহাৰ কৰিলে।২০৬২।। তাৰ প্ৰহাৰত কৃষ্ণৰ গা নলৰিল। প্ৰহাৰ পাই কৃষ্ণই প্ৰমত্ত হাতীৰ দৰে থাপমাৰি ধৰি চানুৰক ওপৰলৈ দাঙি পাক ঘূৰালে।২০৬৩।। তেওঁ তাক মাটিত আচাৰি পেলালে, তাৰ হাড়মূৰ ভাগি গ'ল। ইন্দ্ৰধ্বজ মাটিত পৰাৰ দৰে চানুৰ খহি পৰি জাহ গ'ল।২০৬৪।। ইফালে বলৰামক মুষ্টিকে বুকুত মুষ্টি প্ৰহাৰ কৰিলে যদিও তেওঁ কটাক্ষ নকৰি, তাৰ হিয়াত প্ৰবল প্ৰহাৰ কৰিলে। সি বৰ দুখপাই অচেতন হ'ল।২০৬৫।। মুষ্টিকে শৌচ-প্ৰস্ৰাব কৰিলে, তেজ বমি কৰিলে। সি প্ৰাণ এৰি ভূমিত পৰিল। বতাহে গছ উঘালি পেলোৱাৰ দৰে তাক বলৰামে বগৰাই পেলালে। সকলোৰে দুই মালৰ মৰণ দেখি আৰু কৃষ্ণ-বলৰামৰ প্ৰতাপদেখি ভয়ত কঁপি উঠিল।২০৬৬।। চানুৰ মুষ্টিক ৰণত পৰাত কূট নামে মালে ক্ৰোধকৰি খেদি আহিল। বাঘে ক্ৰোধত খৰ্ববাণীবোলাৰ দৰে বলৰামে মুষ্টিহানি কূটক বধ কৰিলে।২০৬৭।। তাকে দেখি তোশল্ল আৰু শল্লই খেদি আহিল আৰু কৃষ্ণই লাথিমাৰি দুয়োটাৰে মূৰ ছিঙি পেলালে। দুয়োদানব পৃথিৱীকঁপাই মাটিত পৰি থাকিল। তাকে দেখি কংসই বৰ ভয় খালে।২০৬৮।। চানুৰ, মুষ্টিক, কূট, তোশল্ল বধ কৰা দেখি আন মালবোৰে প্ৰাণ ৰাখি পলাই গ'ল।২০৬৯।। ৰাম-কৃষ্ণই মালক বধ কৰি আনন্দ কৰিলে আৰু গোপগণক লগত লৈ নৃত্য কৰিবলৈ ধৰিলে।২০৭০।। ৰুণঝুণ কৰি নূপুৰ বাজিবলৈ ধৰিলে, বাদ্যকাৰ সকলে নানা বাদ্য বজাবলৈ ললে আৰু নানা অঙ্গিভঙ্গিৰে তেওঁলোকে নৃত্য কৰি সভাৰ সকলোৰে মনোৰঞ্জন কৰিলে।২০৭১।। গোপগণে বেঢ়ি চাপৰি বজাবলৈ ধৰিলে। নৃত্যত জলমল কৰি ময়ূৰৰ পুচ্ছ লৰিবলৈ ধৰিলে। কণ্ঠত কদম্বৰ মালা দোলিবলৈ ধৰিলে।২০৭২।। কটিতমেখলা, কিঙ্কিনীৰে কামদেবক জিনি নৃত্য কৰিবলৈ ধৰিলে। কৃষ্ণৰ ৰাতুলপদ পল্লৱ দুখানি পেলাই লয়লাসে নৃত্য কৰিলে।২০৭৩।। খোজত পদত পঞ্চচিহ্ন ভূমিত প্ৰকাশি থাকিল। সমস্ত সমাজে অপূৰ্ব অভিনয়-নৃত্যত পৰম আনন্দ উপভোগ কৰিলে।২০৭৪।। কৃষ্ণই পৰম আনন্দৰ চাৰনিয়ে চাই সকলোৰে মন আকৰ্ষণ কৰিলে।২০৭৫।। সভাসদে জাউৰীয়ে জাউৰীয়ে হাঁহি আনন্দ কৰিলে আৰু কৃষ্ণ-বলৰামক আৰ্শীবাদ কৰিলে।

ধন্য ধন্য বসুদেৱ সুত কৃষ্ণ ৰাম।
কৰিলাহা দুষ্কৰ মালক মাৰি কাম।২০৭৬।।

মথুৰাৰ নাৰীৰ মহা আনন্দ মিলিল। ৰাম-কৃষ্ণক তেওঁলোকে ভূৰি ভূৰি প্ৰশংসা কৰিলে।২০৭৭।। বসুদেৱ-দৈৱকীৰ প্ৰাণ ঘূৰি আহিল। সদয় নয়নে দুয়ো পুত্ৰলৈ তেওঁলোকে চালে; কিন্তু কংসলৈ চাই মহাদুখ মিলিল।২০৭৮।। কংস জীয়াই থকালৈকে তেওঁলোকৰ জীৱনৰ আশা নাই। পুত্ৰলৈ চাই তেওঁলোকে বেজাৰ কৰিলে। কংসৰ বাহিৰে সকলোৰে আনন্দ কৰিলে। ২০৭৯।।

**কংস বধ ঃ**

মাৰিলন্ত ৰামকৃষ্ণ যেবে মহামাল।
কোপে অপমানে আতি কাম্পে কংস কাল।।

মল্লসকলক ৰাম-কৃষ্ণই মৰাত কংসই খং আৰু অপমানত জ্বলি উঠিল। বাদ্যকাৰ

সকলক যি বাদ্যবাদন বন্ধ কৰিবলৈ আদেশ কৰিলে।২০৮০।। কংসৰ খং দেখি সভাঘৰ নিজান হ'ল। ৰজাৰ ভয়ত সভাসদ ভয়ত কঁপি উঠিল। ৰজাৰ গাত খঙত যেন জুই জ্বলি উঠিল।২০৮১।। সি বকিবলৈ ধৰিলে। তেওঁৰ সন্মুখতে মালক বধ কৰাত সি অতি লজ্জিত হয়। সৈন্য সকলক ক'লে— 'ইহঁত দুটাক ৰাজ্যৰ বাহিৰ কৰি দিয়া। নন্দক লোহা লগাই বান্ধি থোৱা।২০৮২-৮৩।। দুষ্ট বসুদেৱে ইহঁতক গোকুলত পলুৱাই থলে, গতিকে সিহঁতক কাটি পেলা।২০৮৪।। পিতৃ উগ্ৰসেনক মাৰি পেলা, সকলো লগৰীয়াক হত্যা কৰ। এনে মহান আদেশ কংসই জাৰি কৰিলে।২০৮৫।। ৰজাৰ গৰ্জ্জনত সমাজে বৰ ভয় খালে। তেওঁলোকে ভাবিলে যে উগ্ৰসেন বসুদেৱৰ প্ৰাণ যাব। কৃষ্ণই কংসৰ এনে বিকৰ্থনা শুনিলে।২০৮৬।। তেওঁ কংসৰ এনে আদেশ শুনি উগ্ৰমূৰ্তি ধাৰণ কৰিলে। তেওঁ কটিত পীতবস্ত্ৰ টানকৈ বান্ধি ল'লে। কৃষ্ণই লঘিমা গুণক আশ্ৰয় কৰি কংসৰ ওখ আসনলৈ জাপমাৰি উঠিল।২০৮৭।।

যেন গিৰি শিখৰত আৰোহিলা সিংহ।
খলখলি হাসি কৃষ্ণ ৰঙ্গে দিলা ৰঙ্গ।।'

কৃষ্ণই কংসৰ ৰাজসিংহাখনৰ ওপৰত উঠি হাঁহিবলৈ ধৰিলে আৰু ডাঙৰকৈ চিঞৰ মাৰিলে। তাকে দেখি কংসই ততালিকে আসনৰ পৰা উঠি হাতত খাণ্ডা তুলি ললে।২০৮৮।। সি খাণ্ডা ঘুৰাবলৈ ধৰিলে আৰু বাঘৰ গৰ্জ্জনৰ দৰে গৰ্জ্জি উঠিল। শেনে আকাশত ঘূৰাৰ দৰে খাণ্ডা ঘূৰিবলৈ ধৰিলে।২০৮৯।। কৃষ্ণয়ো খাণ্ডাৰ ঘূৰণৰ পাকে পাকে ফুৰিবলৈ ধৰিলে।

দেখাৱে অনেক শ্ৰম বাৰুতে লুকাই।
পাকে পাকে ফুৰন্ত কেশৰো ছিদ্ৰ চাই।।
অচিন্ত্য মহিমা হৰি লীলাই হাসিয়া।
আলগতে কংসক ধৰিলা চাম্পদিয়া।২০৯০।।
কংসলে সৰ্পক যেন ধৰিলা ইন্দুৰ।
দোঙ্গা দুঙ্গি পাৰে সিটো দানৱ দন্দুৰ।।
আৰ্চিলা দুই হাতে তাক ধৰি নাৰায়ণ।
ভৈল শ্ৰুতি ভঙ্গ কংস হৰিলে চেতন।২০৯১।।
প্ৰচণ্ড অগনিযেন নিমাই ভৈল শান্ত।
মুখত নাহিকে মাত তকিলৈকে দান্ত।।
গুচিলপ্ৰভাব সবে হত ভৈল দৰ্প।
গৰুড়ৰ হাড়ে যেন বন্দী ভৈল সৰ্প।২০৯২।।

অনন্ত মহিমাযুক্ত ঈশ্বৰ কৃষ্ণই কংসক আলগতে থাপ মাৰি ধৰি টানকৈ আটিবলৈ ধৰিলে। কৃষ্ণৰ টিপাত তাৰ চেতনা হেৰাই গ'ল। দুই হাতেৰে ধৰি টিপিবলৈ ধৰাত তাৰ শৰীৰ দুৰ্বল হ'ল, মাত নাইকীয়া হ'ল, দাঁত কামুৰি ধৰিলে, দৰ্প অহঙ্কাৰ নিমিষতে নোহোৱা হ'ল। এন্দুৰক গৰুড় পক্ষীয়ে ধৰাৰ দৰে কৃষ্ণৰ হাতৰ মাজত সি পেপুৱা লাগিল।২০৯০-৯২।।

কৃষ্ণই কংসক চুলিত ধৰি ঘূৰাই ঘূৰাই উচ্ছ্রিত মঞ্চৰ পৰা কাৰাই মাটিলৈ পেলালে আৰু দাঁত কামুৰি জাপ মাৰি নামি আহিল।২০৯৩।। কংসক মাৰিবলৈ তেওঁ জগতৰ মহাভাৰ তাৰ শৰীৰৰ ওপৰত দিলে আৰু আৰু সি কৃষ্ণৰ ভৰত প্ৰাণ এৰিলে।২০৯৪।।

হস্তীক মাৰিলে যেন মহামত্ত সিংহ।
খলখলি হাঁহি হৰি ৰঙ্গে দিলা ৰিঙ্গ।।
গোপশিশু গণে কৰে কৃষ্ণত জয় জয়।
দিলেক লৰৰ ভিৰি দুষ্ট ৰাজাচব।২০৯৫।।
পৰমলীলায়ে হকি মাৰি কংসৰায়।
চুলে ধৰি সমাজতে ফুৰাইলা ঘযাই।।
হস্তীক আঝোড়ে যেন মত্ত সিংহৰাজে।
দেখি হাঁহাকাৰ কৰে সমস্ত সমাজে।২০৯৬।।

গোপ শিশুগণে বেঢ়ি চাপৰি বজায়, জয় জয় কৃষ্ণ বুলি জয়ধ্বনি দিয়ে। তেওঁলোকে শিঙা, বাঁহী বজাই আনন্দ কৰে।২০৯৭।। সাধুগণে শুভ শুভ বুলি আশীৰ্বাদ কৰে। তেওঁলোকে কয় পৃথিৱীৰ মহাভাৰ গুচিল, শান্তিৰ সূৰ্য উদয় হ'ল।২০৯৮।। নগৰৰ নাৰীগণে কৃষ্ণৰ শিৰত কুসুমৰ বৰিষণ কৰে। তেওঁলোকে মাঙ্গল্য উৰুলি দিয়ে, ধন্য ধন্য ৰাম কৃষ্ণ বুলি প্ৰশংসা কৰে।২০৯৯।। নন্দ আদি গোপগণে নতুনকৈ জীৱন পালে বুলি কয়। দুষ্টক মাৰি সকলোকে উদ্ধাৰ কৰিলে বুলি কয়।২১০০।। বসুদেৱ-দৈৱকীয়ে কংস বধ দেখি তবধ নয়নে চাই আছিল। তেওঁলোকে যেন স্বৰ্গ ঢুকি পালে। চকুৰ পৰা তেওঁলোকৰ চকুলো নিজৰি পৰে, মাত গদ্ গদ্ হয়।২১০১।। তেওঁলোকক দুৰ্দ্দিন অন্তাপৰিলে বুলি

প্ৰকাশ কৰে। চিৰৰোগীয়ে ব্যাধিৰ পৰা সকাহ পোৱাৰ দৰে তেওঁলোকে দীৰ্ঘদিনীয়া দুঃখ নিৰ্যাতনৰ পৰা উদ্ধাৰ পালে। চতুৰ্ভিতি গণে জয় জয় ধ্বনি কৰে।২১০২।। আকাশত দেৱগণে দুন্দুভি বজায়; কৃষ্ণৰ শিৰত কুসুম সিঁচে। সিদ্ধ মুনিগণে তুতি-নতি কৰে।২১০৩।।

কংসই খাওঁতে, শয়ন কৰোতে, উঠোতে, বহোতে সপোনত কৃষ্ণক ভয়ভাৱে চিন্তা কৰাৰ বাবে কংসই সাৰুপ্য মুক্তি লাভ কৰিলে।২১০৪।।

পীতবস্ত্ৰে শোভে চাৰু শ্যাম কলেবৰ।
বিজুলি ৰঞ্জিত যেন নব জলধৰ।
কিৰীটি কুণ্ডল হাৰ কঙ্কন কেয়ুৰ।
চৰণত ৰঞ্জে তাৰ ৰত্নৰ নূপুৰ।২১০৫।।
পঞ্চবৰ্ণ বনমালা প্ৰকাশে হিয়াত।
শঙ্খ চক্ৰ গদা পদ্ম আছে চাৰিহাত।।
কৃষ্ণৰ শৰীৰ এড়ে কিছুনাহি ভিন্ন।
শ্ৰীবৎস কৌস্তভ মাত্ৰ নাহি দুই চিহ্ন।২১০৬।।

এয়ে কংসই পোৱা সাৰূপ্য মুক্তিৰ ৰূপ। কংসই এই ৰূপধাৰণ কৰি বৈকুণ্ঠলৈ গমন কৰে। কৃষ্ণই তাৰ গতি দিলে।২১০৭।। ভয়ে ভজাৰ কাৰণে সি কৃষ্ণৰ প্ৰসাদ পালে, এয়ে বৈৰ ভক্তিৰ নমুনা। যি কৃষ্ণক ভক্তি ভাবে ভজে তেওঁৰ মহিমা কৈ অন্ত কৰিব নোৱাৰি।২১০৮।। কৃপাৰ সাগৰ, কৃষ্ণই এনেকৈ ভক্তক গতি আৰু মুক্তি দিয়ে। জন্মে জন্মে তেওঁৰ চৰণৰ ভক্তি থকা নিতান্তই উচিত।২১০৯।। কংসবধৰ খবৰ শুনি তেওঁৰ আঠজন ভাতৃ যথাক্ৰমে কঙ্ক, ন্যাগ্ৰোধ আদি সকলে প্ৰবল পৰাক্ৰমেৰে ৰাম আৰু মাধবক আক্ৰমণ কৰিলে।২১১০।। বলদেবে পৰিঘলৈ কোবাই কোবাই সিহঁতৰ হাড়-মূৰ গুৰি কৰিলে। আঠজনৰ ততালিকে মৃত্যু হ'ল।২১১১।। হলধৰে অনায়াসে সিহঁতক বধ কৰিলে। সকলোৰে বলৰামৰ পৰাক্ৰম দেখি আচৰিত হ'ল আৰু প্ৰশংসা কৰিলে। আকাশত আনন্দৰ দুন্দুভি বাজি উঠিল।২১১২।। জয় ৰাম জয় ৰাম ধ্বনিৰে চৌদিশ মুখৰিত হ'ল আৰু ব্ৰহ্মা-শিৱ আদিয়ে পুষ্প বৰিষণ কৰিলে। অপেশ্বৰা বিদ্যাধৰ আদিয়ে ৰাম-কৃষ্ণৰ গুণ-গীত গালে।২১১৩।। অসুৰৰ ভাৰ্য্যাগণে স্বামীসকলৰ মৃত্যুৰ বাৰ্তা পাই কান্দিবলৈ ধৰিলে।২১১৪।। তেওঁ মৃতস্বামীগণৰ দেহবোৰ আকোৱালি লৈ হিয়াঢাকুৰি ক্ৰন্দন কৰিলে।২১১৫।। তেওঁলোকে স্বামীসকলৰ ওপৰত দোষাৰোপ কৰিলে; কিয়নো সততলোকক অনাহকতে কষ্ট দিয়াৰ এয়ে প্ৰতিফল স্বীকাৰ কৰিলে। মহন্তৰ দ্ৰোহ আচৰণ কৰাৰ বাবেই প্ৰাণ হেৰুৱালে বুলি তেওঁলোকে কয়। হিংসুকৰ কেতিয়াও কল্যাণ হ'ব নোৱাৰে বুলি তেওঁলোকে নিজকে প্ৰবোধ দিলে।২১১৬-১৭।।

কৃষ্ণ যে পৰম ঈশ্বৰ তাক তেওঁলোকে জানিলে। কৃষ্ণৰ অহিত চিন্তা কৰিয়েই তেওঁলোকে চিৰকালৰ অমঙ্গল সাধিলে বুলি ক'লে। কৃষ্ণই তেওঁলোকক প্ৰবোধ দি কংস আদিৰ প্ৰেত কাৰ্য কৰিলে।২১১৭-১৯।।

উপদেশঃ 'হে নৰলোক কৃষ্ণৰ চৰিত্ৰ শ্ৰৱণ কৰা। কলিত ইয়াৰ বাহিৰে আন পুণ্যকাৰ্য নাই। সত্য-শৌচ, আচাৰ নাইকীয়া হৈ একাকাৰ হ'ল।২১২০।। কলিত মানুহৰ বুদ্ধি মলিন হ'ল, চিত্ত দুষ্ট হ'ল। তীৰ্থ স্নান আদি কৰিলেও পবিত্ৰ হ'ব নোৱাৰে।২১২১।। দুষ্টচিত্তৰ লোকেও যদি হৰিক সুমৰণ কৰে তেওঁৰ পাতক দূৰ হৈ যায়। অনিচ্ছা কৰি অগ্নি স্পৰ্শ কৰিলে অগ্নিয়ে পুৰাৰ দৰে হৰিনাম ললে পাপ ক্ষয় হয়।২১২২।। কলিত তৰিবৰ যাৰ মন আছে তেওঁ হৰি-কীৰ্তন কৰি কৰ্মবন্ধ ছিঙিব লাগে। এইটোৱেই মোক্ষ লাভৰ পথ। অনবৰতে হৰি নাম মুখত নেৰিবা বুলি কবিয়ে কৈছে।২১২৩।।

**বসুদেৱ দৈৱকীৰ বন্ধন মোচন ঃ**

ৰাম্ কৃষ্ণই কংসক বধ কৰি লোহাৰ কাৰাগাৰত কংসই বন্দী কৰি থোৱা পিতৃ-মাতৃ বসুদেৱে-দৈৱকীৰ কাষ পালেগৈ। কৃষ্ণই লোহাৰ বন্ধন মোচন কৰিলে আৰু সম্বোধন কৰি ক'লে—

'হে পিতৃ-মাতৃ বুলি সম্বোধিয়া
দুয়ো কৃতাঞ্জলি হই।
আঠু জানু পাৰি প্ৰণামিলা পৰি
শিৰে চৰণক চুই।২১২৪।।
দেখি বসুদেৱে দৈৱকী দুইহন্তো
এৰিলন্ত পুত্ৰ ভ্ৰান্তি।
জানিয়া জগত ঈশ্বৰ দুইহাঙ্কো
সঙ্কোচে আছা নামাতি।
পৰম পুৰুষে আমাক নমিলা
ইহাতেসে আবে মৰি

আলিদিয়া ধৰি বিষ্ণু বিষ্ণু স্মৰি
ৰৈলা কৃতাঞ্জলি কৰি।২১২৫।।

কৃষ্ণই আৰু বলৰামে বসুদেৱ দৈৱকীৰ চৰণত মূৰথৈ প্ৰণাম জনালে। বসুদেৱ-দৈৱকীয়ে পৰম ঈশ্বৰ বুলি দুয়োকে ভাবি আৰু ঈশ্বৰে তেওঁলোকক প্ৰণাম কৰিলে বুলি সঙ্কোচ কৰিলে। তেওঁলোকে কৃষ্ণ-বলৰামক আলিঙ্গন ধৰিলে আৰু বিষ্ণু বিষ্ণু স্মৰণ কৰি কৃতাঞ্জলি কৰিলে। কেশৰ দেশিলে যে তেওঁলোকে ঈশ্বৰ জ্ঞান কৰিলে। তেওঁ বৈষ্ণৱী মায়া বিস্তাৰ কৰি পিতৃ-মাতৃৰ পুত্ৰভাৱ আনিবলৈ যত্ন কৰিলে।২১২৬।। দুয়ো ভাতৃয়ে অনেক কাতৰ কৰি ক'লে —

‘হে পিতৃ-মাতৃ মৰষিয়ো দোষ
সকলে আমি পুত্ৰৰ।।
বালক কালৰ নেদেখিলা দুয়ো
আনন্দ দৈব বিপাকে।।
তোমসাৰ গৃহে বাঢ়িবে নাপাইলে।
বঞ্চিল বিধি আমাকে।২১২৭।।
যিটো পিতৃ-মাতৃ জানিলেক দেহ
পুষিলেক অনুদিন।
শতকে বৎসৰে সিটো পুত্ৰে তাৰ
সুজিবে নপাৰে ঋণ।।
পুত্ৰ হুয়া যিটো পিতৃক নোপোষে
দুৰ্জ্জন আহি আৰতি।
তাহাৰ মাংসক তাকে খুৱাৰয়
যমৰ কিঙ্কৰ কাটি।২১২৮।।
বৃদ্ধ পিতৃ-মাতৃ গুৰু বন্ধুজনা
নোপোষে পিতৃ পুত্ৰক

‘হে পিতৃ-মাতৃ, আমাৰ দোষ ক্ষমা কৰিবা, বালক কালত আমাক বিধিৰ বিড়ম্বনাত আমাক নেদেখিলা। পুত্ৰ-কন্যাই পিতৃ-মাতৃৰ ঋণ এশ বছৰতো সুজিব নোৱাৰে। পুত্ৰহে পিতৃক নোপোহাটো দুৰ্জ্জনৰ চিন। সেই পুত্ৰৰ জীৱন নিস্ফল। আমাৰো অৱস্থা তথৈবচ। তোমালোকক শুশ্ৰূষা নকৰি গোকুলত পলাই আছিলোঁ।২১২৯।। আমাৰ বাবেই পাপী কংসই তোমালোকক বহুতো দুঃখ দিলে। সেইবাবে আমাক ক্ষমা কৰিবা।’

কৃষ্ণৰ বাণী শুনি বসুদেৱ-দৈৱকী পুত্ৰস্নেহত বিমোহিত হ'ল, দুয়ো কৃষ্ণ-ৰামক সাৱটি ধৰিলে। কোলাত বহুৱালে, মূৰত চুমাখালে, মৰম কৰোতে চকুলো বোৱালে। দুয়োয়ে পুত্ৰক লৈ কান্দিলে।২১৩১।।

**৭৯। উগ্ৰসেনক ৰাজপদত স্থাপন ঃ**

ৰাম-কৃষ্ণই পিতৃ-মাতৃক আশ্বাস কৰি অনেক মধুৰ কথা ক'লে। তাৰ পাচত মথুৰাৰ ৰাজসিংহাসনত উগ্ৰসেনক ৰজা পাতি উপবিষ্ট কৰোৱালে। সিংহাসনত ৰজাক বহুৱাই হাতযোৰ কৰি ৰজাৰ পৰা প্ৰয়োজনীয় কিবা কাম আছে যদি আজ্ঞা বিচাৰিলে। কৃষ্ণই ক'লে যে যযাতিৰ শাপ অনুসৰি যদুবংশীয় লোক ৰজা নহয়।২১৩২।। কৃষ্ণই ৰজাক ক'লে— ‘হে ৰাজন, মই ভৃত্যৰ দৰে ৰাজকাৰ্যত সহায় কৰিম, সকলো কাম সমাধা কৰাত অসুবিধা নহ'ব। স্বৰ্গৰ দেবতালৈকে সকলোৱে তোমাক কৰভাৰ যোগাব; আমি সভাসদহৈ থাকিম, ইন্দ্ৰৰ দৰে পৃথিৱীত তুমি ৰজা হৈ থাকা।’ এই কথা কৈ ধবল ছাত্ৰ তুলি ধৰিলে আৰু চামৰে বিচিবলৈ ধৰিলে।২১৩৩।।

জগতৰ পতি হৈয়ো ভকতৰ বশ্য হৈ লোকক আদৰ্শ দেখুৱালে কংসৰ ভয়ত যি সকল জ্ঞাতিবৰ্গই গুচি গৈছিল, সেই সকলকো অনালে। তেওঁলোকক গৃহ আৰু বাৰীদি সংস্থাপন কৰিলে।২১৩৪।। কৃষ্ণৰ ঈষত হষিত কমল মুখ দেখি তেওঁলোকে দুঃখ পাহৰি পেলালে। বৃদ্ধগণেও কৃষ্ণৰ মুখপদ্ম পান কৰি যেন যুবকৰ দৰে হ'ল। সকলোৱে আনন্দৰ সীমা নাইকিয়া হ'ল।২১৩৫।।

**৮০। নন্দাদি গোপৰ প্ৰত্যাৱৰ্তন ঃ**

কৃষ্ণই গোপগণৰ নিবাস স্থানলৈ গৈ নন্দক সাৱটি ধৰিলে, অনুনয়-বিনই কৰি আশ্বাস কৰিলে। তেওঁ কলে —‘হে পিতৃ, তুমি আমাৰ দুইজনক অতি মৰম আৰু আদৰ কৰি তুলিলা।২১৩৬।। পিতৃয়ে মোক ইয়াত ৰাখিব নোৱাৰি গোকুলত থলে আৰু তোমালোকে পোহপাল দি ডাঙৰ-দীঘল কৰিলা। প্ৰথমতে যি পিতৃ-মাতৃয়ে পুত্ৰবতে, তোলে সিহে আচল পিতৃ-মাতৃ। যশোদা মাৱত মোৰ নমস্কাৰ দিবা, মোৰ বাবে খেদ কৰিবলৈ নকবা। মোৰ বাবে তেওঁ দিনে-ৰাতিয়ে কান্দি আছে।২১৩৭।। মই এদিনৰ ধাৰে সুজিব নোৱাৰিলোঁ, মোক তেওঁ প্ৰাণতকৈয়ো আপোন জ্ঞান কৰিছিল। হে পিতৃ, তেওঁক বুজাবা,

মোৰ বাবে আকুল নহ'বলৈ ক'বা। বান্ধব সকলক স্বস্থ কৰি অনতিপলমে মই গোকুললৈ ঘূৰি যাম'।২১৩৮।।

কৃষ্ণই সুবৰ্ণ ৰজত পাত্ৰ, বস্ত্ৰ-অলঙ্কাৰ আদি দি গোপগণক সন্তোষ্টি কৰিলে। নন্দয়ো মাধৱক ধৰি বহুত কান্দিলে, কৃষ্ণক এৰি যাবলৈ টান পালে। গোপগণেও মহাস্নেহত কান্দিবলৈ ধৰিলে। কৃষ্ণয়ো তেওঁলোকক ধৰি ক্ৰন্দন কৰিলে আৰু কাকূতি কৰি আগবঢ়াই দিলে। তেওঁলোকৰ ভৰি আগনাবাঢ়ে, চকুৰ লোতক পৰে আৰু এইদৰে গৈ গৈ গোপপুৰ পালেগৈ।

কৃষ্ণ নোহোৱা দেখি গোপিনীসকলে চিঞঁৰি চিঞঁৰি কান্দিবলৈ ধৰিলে, যশোদাৰ প্ৰাণ যায় যায় অৱস্থা হ'ল।

'যশোদাৰ নাহি প্ৰাণ শূন্য ভৈলো সিটো থান
যিদিনা গোবিন্দে এড়ি গৈলা।২১৪০।।
সূৰ্য্য অবিহনে যেন দিনৰ প্ৰকাশ নাই
চন্দ্ৰবিনে নজ্বলৈ ৰজনী
কৃষ্ণবিনে ব্ৰজবাসী প্ৰজাৰ উৎসৱ গৈল
দহে হৰি বিৰহ অগনি।
যশোদা কান্দন্ত ৰাৱ মহামৰ্ম্মে পোৰে গাৱ
হা কৃষ্ণ বোলন্তে পুতাই।
স্বস্থ নাহি দিনে ৰাতি কৃষ্ণ বুলি কান্দে আতি
গোপী বৃন্দাবন চাই চাই।২১৪১।।

**উপদেশ ঃ** মহাভাৰতৰ পদ আৰু কৃষ্ণ কথা জগততে সাৰ বস্তু। জগতক উদ্ধাৰ কৰিবলৈ গৰুড় কেতু (কৃষ্ণ) জগতত অৱতাৰ হৈছিল। সেই কৃষ্ণৰ কৰ্মাৱলী-গুণ-চৰিত্ৰ শুনিলে মুক্তি লাভ হয় আৰু পৰম পদ প্ৰাপ্ত হয়। সেইবাবে জীৱগণে জ্ঞানপথ এৰি কৃষ্ণৰ গুণনাম বেঢ়ি বেঢ়ি গায়। তেওঁলোকে ধৰ্ম-কৰ্মক নেচাই কেবল হৰি নাম শ্ৰৱণ কীৰ্তন স্মৰণ কৰে।২১৪২।।

বাল্মীকি চোৰ, ডকাইত আছিল আৰু মহাপাপ অৰ্জ্জন কৰিছিল। ৰাম নামলৈ তেওঁ মহাপাতকৰ পৰা উদ্ধাৰ হ'ল। নাৰদে দাসীতনয় হৈয়ো নামত তৰি গ'ল, মহাপাপী অজামিল পাপ নিস্তৰি বৈকুণ্ঠৰ বিমানত উঠিল। কৰ্ম ধান্দা এৰি, নামক গলত বান্ধি চেতনা থকালৈকে আগবাঢ়ি যোৱা উচিত।২১৪৩।। কৃষ্ণৰ নাম কীৰ্ত্তনত তপ-জপ-তীৰ্থ-ব্ৰত সকলো সিজে। পৰম জ্ঞান, যাগ-যজ্ঞ-দান সকলোবোৰ নামত লাভ কৰিব পাৰি। এনে পৰমানন্দ মাধৱৰ স্মৰণ কৰা আৰু চৰণত সেৱা কৰা, প্ৰণাম জনোৱা পৰম ভক্তি। শঙ্কৰদেৱে এই উপদেশ পদৰ অন্তত উপস্থাপন কৰিছে।২১৪৪।।

**৮১। ৰাম-কৃষ্ণৰ জাত-কৰ্ম ঃ**

বসুদেৱে কৃষ্ণ-ৰামৰ জাত কৰ্মৰ বাবে পুৰোহিত গৰ্গমুনিক অনালে। লগত অসংখ্য ব্ৰাহ্মণকো নিমন্ত্ৰণ কৰি আনিলে। ৰাম-কৃষ্ণক যজ্ঞ সূত্ৰদান কৰিবলৈ দিলে।২১৪৫।। বিপ্ৰগণক সোণৰ অলঙ্কাৰ দি গন্ধ-পুষ্প চন্দনেৰে বাৰম্বাৰ অৰ্চনা কৰালে। সুবৰ্ণৰ মালা-বসনে আবৰি অনেক ধেনু দক্ষিণা দিলে।২১৪৬।। জাত-কৰ্ম কৰি, নানা বাদ্যবজোৱা হ'ল, নৰ্তকীগণে নৃত্য কৰিলে।২১৪৭।। তেওঁলোকে দুয়োজন জগতৰ নাথ হ'লেও মনুষ্যচেষ্টা দেখুৱাবৰ বাবে এনে কৰ্মানুষ্ঠান কৰা হ'ল। বিদ্যাৰ উদ্ভৱ আৰু সৰ্বজ্ঞ হ'লেও, গৰ্গই গায়ত্ৰী গালে।২১৪৮।।

**৮২। গুৰুকুলত ৰাম-কৃষ্ণৰ শিক্ষালাভ ঃ** ৰাম-কৃষ্ণই গুৰুকুলত থাকিবৰ কাৰণে ইচ্ছা কৰিলে। অৱন্তী দেশত সান্দীপনি নামেৰে এজন গুৰু আছিল। উক্ত গুৰুৰ গৃহত দুয়ো কাল অতিবাহিত কৰিলে। দুয়ো ভায়ে গুৰুক শুশ্ৰূষা কৰিলে। গুৰুৰ বচন ৰজাৰ আদেশৰ দৰে তেওঁলোকে পালন কৰিলে।২১৪৯-৫০।। তেওঁলোকে গুৰুক একান্ত ভক্তিৰে শুশ্ৰূষা কৰিলে আৰু সান্দীপনি গুৰুৱে তেওঁলোকক সকলো বেদ, বেদান্ত, শাস্ত্ৰ, চৌষষ্টি কলা, ধনুৰ্বেদ, ধৰ্ম, ন্যায় পন্থ, তৰ্কশাস্ত্ৰ, ৰাজনীতি, আন আন গ্ৰন্থৰ জ্ঞান দান কৰিলে। নিজে জগতৰ গুৰু হৈয়ো মানৱীয় চেষ্টা দেখুৱাই তেওঁলোকে গুৰুৰ পৰা শিক্ষা লাভ কৰা দেখুৱালে।২১৫১-৫২।। এবাৰ কলেই তেওঁলোকে সেই কথা মনত ৰৈ যায়; দুবাৰ ক'ব লগা নহয়। বুদ্ধিত তেওঁলোক অত্যন্ত পাৰ্গত। অতি কম সময়তে তেওঁলোকে চৌষষ্টি কলা আয়ত্ত কৰিলে।২১৫৩।।

সমস্ত জ্ঞান লাভ কৰাৰ পাচত কৃষ্ণই গুৰুক কি দক্ষিণা দিব লাগিব, সুধিলে—

'সত্তৰ কহিয়ো তাত নাহি কিছো লাজ।
সেইমনে বাঞ্ছাহা সাধিবো সবে কাজ।'২১৫৪।।

**৮৩। গুৰু দক্ষিণা প্ৰদান ঃ**

সান্দীপনি মুনিয়ে ৰাম-কৃষ্ণৰ অদ্ভুত মহিমা দেখি ভাবিলে যে

তেওঁলোকে প্ৰকৃততে নৰ শিশু নহয়। গুৰুৱে ভাৰ্যাৰ লগত আলোচনা কৰি তেওঁলোক দুজনক ক'লৈ —।২১৫৫।।

‘শুনা ৰাম কৃষ্ণ নিষ্ঠ কৰি বোলো বাক।
মৰি আছে পুত্ৰ মোৰ আনি দিয়ো তাক।
প্ৰভাস ক্ষেত্ৰত সাগৰত তল গৈল।
দুনাই নুপঙ্গিল প্ৰাণ পুতাই কিবা ভৈল।২১৫৬।।

কৃষ্ণৰ ওচৰত মুনি আৰু ভাৰ্যাই কান্দি কান্দি কৈছে— ‘তাৰ বেজাৰত আমাৰ বুকুফাটি গৈছে। হৃদয় শেল উলিয়াই আমাক উদ্ধাৰ কৰা। সেয়ে আমাক দিয়া মহান দক্ষিণা হ'ব।২১৫৭।। গুৰুপত্নীয়ে কান্দি কান্দি ক'লে—

‘শুনা যদুবংশী বাপ দৈবকীনন্দন।
সুমৰি পুত্ৰক ৰাত্ৰি দিনে ফুটে প্ৰাণ।।
দিয়ো মাগো আঞ্চল পাতিয়া পুত্ৰদান।২১৫৮।।

তেওঁ বিলাপ কৰি শোক সাগৰৰ পৰা পৰিত্ৰাণ কৰিবলৈ ক'লে।

কৃষ্ণই হাঁহি মাৰি উত্তৰ দিলে—

‘হে গুৰু পত্নী খেদ এৰিয়োক।
আনি দিবো অৱশ্যে তোমাৰ মৰা পোক।।
পুত্ৰবতে আমাক পঢ়াইলা সবেশাস্ত্ৰ।।
গুৰু ঋণ সুজিবাক লাগে ভৈল ছাত্ৰ।’২১৬০।।

গুৰুক প্ৰণাম জনাই দুয়ো ভায়ে সাজি-কাচি ঘোঁৰাৰ ৰথ লৈ প্ৰভাস তীৰ্থলৈ আগবাঢ়িল।২১৬১।। তেওঁলোকৰ শৰীৰৰ কান্তিয়ে বাট পোহৰ কৰি গৈছিল। দুই সুকুমাৰ পুৰুষ পৰম গম্ভীৰ ভাৱে গৈ প্ৰভাসৰ পাৰ পালেগৈ।২১৬২।। সাগৰৰ ঢৌৰে জলভাগ উথলি উঠিছিল। বতাহৰ আন্দোলনত সাগৰত প্ৰকাণ্ড প্ৰকাণ্ড উৰ্মিমালা উত্থিত হৈছিল। কুম্ভীৰ, মগৰ আদি জলচৰ প্ৰাণীবোৰ পানীত তোলপাৰ লগাইছিল। সাগৰৰ পাৰত তেওঁলোকে ক্ষন্তেক ৰৈ আছিল।২১৬৩।।

জগতগুৰু কৃষ্ণক দেখা পাই সাগৰ ৰাজে ৰত্ন সম্ভাৰ লৈ, পাদ্য অৰ্ঘ্য দি দুয়োকে সাদৰ কৰি পূজিলে। সপ্ত সাগৰে দুয়োকে স্তুতি কৰিলে।২১৬৪।। মাধৱে সাগৰক ক'লে যে গুৰুৰ পুত্ৰক আনি দিব লাগে। সাগৰৰ জলত সি তলগৈ আছে।২১৬৫।। সিন্ধু ৰাজে হাতযোৰ কৰি ক'লে— ‘হে প্ৰভু, গুৰুপুত্ৰক আমি হৰণ কৰা নাই। ইয়াত এটা মহাদুষ্ট অসুৰ আছে আৰু তাৰ নাম পাঞ্চজন্য।২১৬৬।। মোৰ জলত সি শঙ্খৰূপ ধৰি ঘূৰি ফুৰে। সিয়ে গুৰু পুত্ৰক হৰণ কৰি নিলে।২১৬৭।।

সাগৰৰ বাণী শুনি কৃষ্ণই হঠাতে জলত বুৰ মাৰি তাক অনুসন্ধান কৰিলে। জলজন্তু বিলাকে ফাটমাৰি পলালে।২১৬৮।। জলৰ মাজে মাজে কৃষ্ণই বিচাৰি বিচাৰি পাঞ্চজন্য দৈত্যক দেখা পালে। জগন্নাথে তাক খেদি গ'ল সি দৌৰি পলাবলৈ চেষ্টা কৰিলে।২১৬৯।। গম্ভীৰ জলত সি প্ৰবলবেগে পলালে যদিও কৃষ্ণই পাছে পাছে খেদি গ'ল। কুম্ভীৰৰ ভয়ত মাছ পলোৱাৰ দৰে সি পলাবলৈ ধৰিলে। কৃষ্ণৰ আগত সি এৰাবলৈ চেষ্টা কৰিলে। কৃষ্ণই তাক দুই হাতে টিপা মাৰি ধৰাত সি বমি কৰিলে।২১৭১।। কৃষ্ণই তাৰ নাড়ীৰ ভিতৰত চাই গুৰুৰ পুত্ৰক নাপালে দৈত্যৰ শৰীৰৰ শঙ্খটো কৃষ্ণই ধুই পখালি লৈ পুনৰ ৰথত উঠিল।২১৭২।।

ৰাম হৰিয়ে ৰথত উঠি সঞ্জমণি যমৰ নগৰী পালেগৈ। কেশৱে পাঞ্চজন্য শঙ্খ ধ্বনি কৰিলে। শঙ্খৰ শব্দত দশোদিশ ভেদিলে।২১৭৩।। শঙ্খধ্বনি শব্দত জগতৰ প্ৰজা গণৰ হৃদয় কঁপি উঠিল।

**যমৰ কৃষ্ণ-স্তুতি ঃ**

শুনি যমৰজাই বুজিব পাৰিলে যে তালৈ দেৱহৰি আহিছে। তেওঁ পাদ্য অৰ্ঘ্যলৈ আগবাঢ়ি আহিল।২১৭৪।। কৃষ্ণক দূৰতে দেখি যমে দণ্ডৱতে পৰি ‘কৃষ্ণ কৃষ্ণ’ বুলি উচ্চাৰণ কৰি প্ৰণাম জনালে। তেওঁৰ চৰণ পখালিলে, বলৰামৰ চৰণ পখালিলে, তেওঁলোকৰ পাদোদক সুকুটুম্বে শিৰত ল'লে।২১৭৫।। কৃষ্ণৰ দৰ্শনপাই যমৰ হিয়া আনন্দত নাচি উঠিল, মধুপৰ্ক, পাদ্য অৰ্ঘেৰে, পুষ্প-গন্ধেৰে, ধূপ দীপে পৰম ভকতি ভাৱে যমৰ পাৰত পৰি পূজিলে।২১৭৬।।

‘সমস্ত প্ৰাণীৰ যিটো আছো হৃদয়ত।
হেন ঈশ্বৰক পায়া প্ৰত্যক্ষ আগত।”

কৃষ্ণক যমে কৰযোৰে স্তুতি কৰিলে।২১৭৭।। ‘জগতকাৰণ তোমাৰ চৰণ কোন পুণ্যৰ বলত লাভ কৰিলোঁ। যোগীয়ে ধ্যানতো যাক নাপায়, তেনে প্ৰভুক ঘৰতে লাভ কৰিলোঁ।২১৭৮।।

সংসাৰ নিস্তাৰ কৰে যাৰ মন শুনি।
লীলায়ে মনুষ্য চেষ্টা দেখাবা আপুনি।।
পৰম ঈশ্বৰ ৰাখি ফুৰা ধৰ্মসেতু।

ভৈলাবা বেকত জগতৰে মোক্ষহেতু।২১৭৯।।
হেৰা কৰোঁ কৃষ্ণ কৌটিশত নমস্কাৰ।
যৈতে তৈতে জন্ম কৰ্ম মিলোক আমাৰ।।
থাকোক ভকতি মাত্ৰ তোমাক চৰণে
এহিসে কাৰণে মই পশিলো শৰণে।২১৮০।।

'মই তোমাৰ কিঙ্কৰ, তুমি হৃষীকেশ, হে প্ৰভু মই তোমাৰ কি প্ৰয়োজন সাধিব লাগে? তুমিয়েই মোক অধিকাৰ দিছা, ধন-জন-জীৱ সকলো তোমাৰ, মই মাত্ৰ তোমাৰ আজ্ঞাবাহী কৰ্মী।২১৮১।।

নাৰায়ণে ক'লে 'মই কি কাৰণে আহিছো, তাৰ কথা শুনা ঃ মোৰ গুৰু পুত্ৰক তুমি ইয়াত আনি থৈছো।২১৮২।। মোৰ আজ্ঞা পালন কৰিয়েই সকলোবোৰ কৰিছা, তাত তোমাৰ দোষ নাই। বিপ্ৰ পুত্ৰক মোক দিয়া, গুৰুক পুত্ৰ দিম বুলি মই কথা দি আহিছোঁ। তাকে শুনি যমে গুৰুপুত্ৰক আনি দিলে।২১৮৩।। ৰাম-কৃষ্ণই গুৰুপুত্ৰক ৰথত তুলি আনি গুৰুক দিলে। গুৰু আৰু গুৰুপত্নীয়ে পুত্ৰক পাই পৰম আনন্দ লাভ কৰিলে।২১৮৪।। মৃতপুত্ৰক লাভ কৰি গুৰুৱে কৃষ্ণক অশেষ আশীৰ্বাদ দিলে।২১৮৫।।

**উপদেশ ঃ**

কৃষ্ণৰ চৰিত্ৰ সৰ্বজনে শুনা উচিত। তেওঁ কিমান ভকত বৎসল; নিজ কৰ্মফলত মৰাজনকো তেওঁ আনি দিয়ে। কৃষ্ণক সুদৃঢ়ভাৱে ভজিলে এনে লাভ হয়।২১৮৬।। হৰি পৰম সুহৃদ, মাধবৰ বাহিৰে আৰু আনদেৱ নাই, তেওঁ ভকতৰ কোনো ছিদ্ৰ নধৰে। হৰিক স্মৰণ কৰি দুৰাচাৰীজনেও গতি পায়।২১৮৭।। পুতনাই মৰিবলৈ কৃষ্ণক স্তন দিলে যদিও নাৰায়ণে তাইক জননী গতিহে দিলে। অঘাসুৰে গোৰখ-দামুৰি গিলিলে যদিও তাক নিজপুৰীত স্থান দিলে।২১৮৮।।

ঘাতুক কংসক বৈকুণ্ঠক স্থান দিলে। তেওঁ কুঁজীক পোন কৰিলে, তেওঁ পাপী-পুণ্যৱন্তক বাচবিচাৰ নকৰে; তেওঁক যিয়েই স্মৰণ কৰে তেওঁক তুষ্ট হৈ দয়া কৰে।২১৮৯।। মহামুনিয়ে ধ্যানতো নোপোৱা কৃষ্ণক গোপীয়ে কামভাৱে ভজি লাভ কৰিলে। শত্ৰুবুদ্ধিৰে চিন্তা ৰজাকো তেওঁ দয়া কৰে, তেওঁৰ মহিমা অৰ্তক।২১৯০।।

সেইবাবে হৰিৰ নামত ৰতি কৰা উচিত। অথিৰ জীৱন ক'ত কেতিয়া পৰিব তাৰ ঠিক নাই। পুত্ৰ-দ্বাৰা-ধন-জন সপোনৰ দৰে; সপোন ভাগিলে তাৰ অস্তিত্ব নাথাকে।২১৯১।। কলিযুগত ভাৰতত মনুষ্যজন্ম পোৱাটো পৰম ভাগ্য। কলিযুগ, ভাৰতবৰ্ষ, মানবীতনু, হৰিনাম এই চাৰিসংযোগ লাভ পৰম ভাগ্যৰ ফলতহে হয়।২১৯২।। কালে ধৰো ধৰোকৈ আছে, নিজৰ নিজে বিনাশ নকৰিবলৈ কৃষ্ণৰ নাম ল'ব লাগে বুলি শঙ্কৰে মিনতি জনাইছে।২১৯৩।।

**৮৪। ৰাম-কৃষ্ণৰ প্ৰত্যাবৰ্তন ঃ**

কৃষ্ণই সান্দীপণি গুৰুক ক'লে— 'হে গুৰুদেৱ আৰু কিবা লাগে যদি কওক। তুমি মোৰ গুৰু, তুমি পৰম দেৱতা, শাস্ত্ৰ পঢ়ালা।' সান্দীপণি গুৰুৱে ক'লে— 'ৰাম-কৃষ্ণ মোৰ সাৰ্থক শিষ্য, তোমালোক ধন্য। তোমালোকে মোক উত্তম গুৰুদক্ষিণা কৰিলা। তোমালোকক নিজ গৃহলৈ বিদায় দিছো' তেওঁলোক দুয়োয়ে গুৰুক প্ৰণাম জনাই ৰথত উঠি আনন্দ মনেৰে ঘৰলৈ প্ৰত্যাবৰ্তন কৰিলে। বায়ুবেগে ৰথ আহি মথুৰাত প্ৰবেশ কৰিলে। কৃষ্ণই শঙ্খধ্বনি কৰিলে। সকলোৱে ৰাম-কৃষ্ণ আহি পালে বুলি জানিলে। ২১৯৬-২১৯৭।।

মথুৰাৰ প্ৰজাগণে মহোৎসবৰ আয়োজন কৰিলে। বসুদেৱ আদিও আগবাঢ়ি গ'ল। বহুতদিন আনন্দমূৰ্তি ৰাম-কৃষ্ণক নেদেখাকৈ থকাৰ বাবে তেওঁলোক ব্যগ্ৰ হৈ আছিল। ২১৯৮।। পিতৃক দেখি দূৰতে ৰাম-কৃষ্ণই ৰথৰ পৰা নামি নমস্কাৰ জনালে। তেওঁলোকে বসুদেৱক প্ৰদক্ষিণ কৰি প্ৰণাম যাচিলে। বসুদেৱে দুয়োকে বুকুত সাৱটি ধৰিলে। তেওঁৰ মন পুলকিত আৰু শৰীৰ ৰোমাঞ্চিত হ'ল। ২১৯৯।। আন জ্ঞাতি গণেও ৰাম-মাধৱক সন্মান জনালে। সকলোৱে তেওঁলোকক পাই পৰম উল্লাসিত হ'ল।২২০০।। তেওঁলোক শঙ্খ ভেৰী, তবল কাহান আদি বাদ্যযন্ত্ৰ বজালে, জয়জয় কৃষ্ণ ধ্বনি কৰিলে আৰু ৰাম-কৃষ্ণই ভাগে ভাগে তেওঁলোকক অভিনন্দন জ্ঞাপন কৰিলে।২২০১।। মথুৰাৰ নাৰীগণে ৰাম-কৃষ্ণক দেখি পৰম সন্তোষ লাভ কৰিলে। কৃষ্ণ-ৰামৰ মোহনীয়, কমনীয় মূৰ্তিক চাই তেওঁলোকে পৰম তৃপ্তি লভিলে।২২০২।।

তেওঁলোকে কৃষ্ণ-বলৰামৰ ৰূপ-মাধুৰী সতৃষ্ণ নয়নেৰে পান কৰি তন্ময় হ'ল, চিত্ৰৰ পুতলিৰ দৰে থৰ লাগি ৰ'ল।২২০৩।। ৰাম-কৃষ্ণৰ গতি গম্ভীৰ। তেওঁলোকে ৰত্নৰ মন্দিৰত প্ৰবেশ কৰিলে আৰু মাতৃৰ চৰণত সেৱা জনালে। দৈৱকী-ৰোহিনীয়ে পুত্ৰৰ ডিঙিত ধৰি মৰম কৰিলে।২২০৪।। তেওঁলোকক বুকুত সাৱটি তনু মন প্ৰাণ জুৰালে।২২০৫।। ৰাম-মাধৱে মাতৃক প্ৰবোধ দিলে।

কৃষ্ণৰ মধুৰ বচনত তেওঁলোকে অমৃত লভিলে। ৰাম-কৃষ্ণই আন সকলকো যথাযোগ্য সা-সন্মান জনালে। ঘৰে ঘৰে মথুৰাত আনন্দৰ শিহৰণ উঠিল।২২০৬-২২০৭।।

**কবিৰ উপদেশ ঃ**

সৰ্বলোকৰ বাবে কৃষ্ণৰ চৰিত্ৰ অমৃতৰ তুল্য। কৃষ্ণ নামৰ মাহাত্ম্যৰ সীমা নাই। কৃষ্ণ বৈকুণ্ঠৰ ঈশ্বৰ, তেওঁক ভকতিৰ দ্বাৰা মৰ্ত্ত্যলৈ নমাই আনিব পাৰি। কংস পিতৃ উগ্ৰসেনৰ শত্ৰু আৰু কৃষ্ণৰো শত্ৰু। শত্ৰু কংসক বধি তাৰ পিতৃক কৃষ্ণই ৰজা পাতিলে। তাৰ কাৰণ হৈছে ভকতিৰ মাহাত্ম্য, উগ্ৰসেনে কৃষ্ণক ভক্তি কৰাৰ বাবে কৃষ্ণ ভকতিত বশ্য হৈছিল।২২০৮।।

গোপীসকল বনচাৰী আৰু অনাচাৰী; তেওঁলোকে কামভাবে ভজাৰ বাবে তেওঁলোকে কৃষ্ণৰ অনুগ্ৰহত বৈকুণ্ঠচাৰী হ'ল। কুঁজী কংসৰ দাসী, ভক্তিৰ বাবে তাইৰ কুঁজ নাইকিয়া কৰি তাইৰ গৃহত কৃষ্ণই মনোবাঞ্ছা পূৰণ কৰিলে। কেৱল ভক্তিৰ বাবে। ভক্তিয়ে আচাৰ ধৰ্ম নিবিচাৰে।২২০৯।। যি জনে শুদ্ধভাৱে হৰি নাম গায়, তাৰ হৃদয়ত হৰিয়ে বাস কৰি পবিত্ৰ কৰে। অনুক্ষণে হৰিক স্মৰিলে, হৰি কথা ভাবি চকুৰ লোতক টোকে, ৰোমাঞ্চিত হৈ হৰিকথা শুনিলে কৃষ্ণই তেওঁক দয়া কৰে আৰু তেওঁৰ মায়া দূৰ কৰে।২২১০।।

সমস্ত শাস্ত্ৰৰ সাৰ ভকতি; ভকতি বিনে সংসাৰত নিস্তাৰৰ আন নাই। সেইবাবে আনত ৰতি কৰিব নালাগে। আৰু কৃষ্ণক ইষ্টদেৱ বুলি মানি ল'ব লাগে। এনে মনুষ্যশৰীৰ কোটি কল্পতো পোৱা কঠিন বাবে এই তনু কৃষ্ণৰ সেৱাত লগাব লাগে। আয়ু আলে-জালে নিয়াব নালাগে।২২১১।। প্ৰাণ নোযোৱা পৰ্যন্ত হৰিনাম ডিঙিত বান্ধি ৰাখিব লাগে। ৰত্নদ্বীপলৈ গ'লে ৰত্ন ননাকৈ খালী হাতেৰে ঘূৰি আহিলে পাচত অনুশোচনা কৰি লাভ নাই। জীৱিত কালত হৰিক আৰাধনা নকৰিলে অন্তকালত কান্দি লাভ নাই।২২১২।। কৃষ্ণদেৱক নমস্কাৰ কৰা উচিত, চৰণত সেৱা কৰা উচিত, দণ্ডৱতে পৰি শিৰ দোঁওৱা উচিত। অন্ত্যজাতিয়েও হৰিসেৱা কৰি শুদ্ধ হয়। সমস্ত শাস্ত্ৰৰ মজ্জা, ধৰ্মৰ ৰজা হৈছে তেওঁৰ পবিত্ৰ গুণ-নাম। এনে কৃষ্ণৰ সেৱক শঙ্কৰে ৰচনা কৰা পয়াৰ গাই, ৰাম নাম লৈ সংসাৰৰ মায়াৰ পৰা নিস্তাৰ লভা উচিত।২২১৩।।

**৮৬। গোপী-উদ্ধৱ সংবাদ ঃ**

জয় জগন্নাথে নাৰায়ণ নিৰঞ্জন।
জয় দামোদৰ দেৱ দৈৱকীনন্দন।।
কৃষ্ণৰ চৰণে কৰি নতি বাৰশত।
শঙ্কৰে ৰচিলা কথা মহাভাগৱত।২২১৪।।

'নাৰায়ণ'ক স্মৰণ কৰি গুৰুজনে মহাভাগৱতৰ পদ গোপী-উদ্ধৱ-সংবাদ ৰচনা কৰিছে।২২১৪।। গোপী-উদ্ধৱ সংবাদৰ কথা শুনিলে কোটি জনমৰ পাপ দূৰ হয়। ঈশ্বৰ কৃষ্ণৰ প্ৰতি গোপীগণৰ প্ৰেম ভক্তি অতুলনীয় ভক্তি আৰু গোপী সকল ভক্তৰ ভিতৰত শ্ৰেষ্ঠ। কৃষ্ণকথা শ্ৰৱণৰ বাহিৰে উত্তম ধৰ্ম নাই। ইয়াক শুনি মহামহা পাপীয়েও নিস্তৰে।২২১৫।।

গোকুলৰ পৰা হৰিয়ে মথুৰালৈ আহি ৰঙ্গশালত কংসক বধ কৰি পিতৃ-মাতৃক উদ্ধাৰ কৰিলে আৰু উগ্ৰসেনক ৰজা পাতিলে।২২১৬।। সান্দীপনি মুনিৰ গৃহত শাস্ত্ৰ পঢ়ি, মৃতপুত্ৰক গুৰু দক্ষিণাদি ৰামৰ লগত কৃষ্ণই মথুৰালৈ আহিলে আৰু যদুকুলক ৰক্ষা কৰি থাকিল।২২১৭।।

শুকে ক'লে যে— যি দিনাই দামোদৰে গোকুল এৰি আহিলে, সেইদিন ধৰি গোপীগণে আকুল হৈ কালকটাই আছিল।২২১৮।। কৃষ্ণৰ বিৰহৰ তাপত তেওঁলোক দগ্ধ হৈছিল, তেওঁলোকৰ মুখত কেৱল কৃষ্ণৰ গুণ নাম উচ্চাৰিত হৈ আছিল। কৃষ্ণৰ বিনে তেওঁলোকৰ বিষয়ত ৰতি মতি নহৈছিল কৃষ্ণক স্মৰণ কৰি কৰি কেৱল কান্দি আছিল।২২১৯।। মুৰুলীৰ ধ্বনি শুনিলেই কৃষ্ণক সুমৰি মৰ্মাহত হৈছিল। গৰুবোৰক দেখিলেই তেওঁলোকৰ চকুলো বাগৰি আহিছিল। মাত্ৰ তেওঁলোকে ক্ৰন্দন কৰিয়েই দিনৰাতিবোৰ অতিক্ৰম কৰিছিল।২২২০।। ধ্বজ ব্ৰজ অঙ্কুশ অঙ্কিত খোজবোৰ দেখি, বৃন্দাবন দেখি শৰীৰত অগ্নি লাগি প্ৰাণ ফুটি গৈছিল। তেওঁলোকে হাঁ কৃষ্ণ বুলি খোজবোৰতেই লুটিখাই পৰিছিল।২২২১।। জল আনিবলৈ গৈ যমুনাৰ সুকোমল বালি দেখি চিঞৰি উঠিছিল হা প্ৰাণনাথ বুলি।২২২২।।

তেওঁলোকৰ বাবে এটা দিন যেন এটা যুগহে। গোবিন্দত প্ৰাণ অৰ্পণ কৰি ভাবিছিল যে কমলনয়ন আদি দেখা দিবহি; এই আশা কৰি তেওঁলোকে কথমপি প্ৰাণধৰি আছিল।২২২৩।। কৃষ্ণবিনে গোপীৰ অৱস্থা শোচনীয় হৈছিল। গোপীৰ এনে অৱস্থাৰ কথা গোবিন্দই শুনি হৃদয়ত অত্যন্ত দুখ অনুভৱ কৰি ভাবিলে যে কি প্ৰকাৰে গোপিকাক শান্ত্বনা দিব পৰা যায়।২২২৪।। কোনে এই কাম কৰিব ? আনকো এই কথা ক'বলৈ লাজ লাগে। কৃষ্ণই ভাবি ভাবি উদ্ধৱকে

পালে।২২২৫।। ৰহস্যস্থানলৈ উদ্ধৱক মাতি আনি হাতত ধৰি গোবিন্দই ক'লৈ— 'মথুৰাপুৰীত বৃষ্ণিবংশৰ মাজত মোৰ সখি মুখ্যমন্ত্ৰী তোমাৰ বাহিৰে আন নাই, যাক মোৰ হৃদয়ৰ কথা ক'ব পৰা যায়।২২২৬।।

গতিকে তুমি মোৰ হৈ গোকুললৈ যাব লাগে। মোৰ পোষ্টা পিতা-মাতা নন্দ-যশোদাৰ উপকাৰ সাধিব লাগে।২২২৭।। মোৰ অনুপস্থিতিত গোপীগণে প্ৰাণ এৰো এৰো হৈছে তেওঁলোকৰ গাৰ চেতনা হেৰাই গৈছে। মোৰ সন্দেশবচন তেওঁলোকক দি শান্ত্বনা কৰিব লাগে। তোমাৰ বাহিৰে আনে এই কাম কৰিব নোৱাৰে। কাৰণ তুমি মোৰ একান্ত ভকত।২২২৮।। তুমি ক'ব পাৰা যে তেওঁলোকক শান্ত্বনা দিয়াৰ পৰা কি লাভ হ'ব? সেই গোপীগণ মোৰ প্ৰাণতো অধিক মৰমৰ। তেওঁলোকৰ প্ৰেমভক্তি আচৰ্যজনক ।২২২৯।।

মোৰ বাহিৰে গোপীগণে আন নিচিন্তে, মই তেওঁলোকৰ মোক্ষ বুলি ভাৱে, মোৰ বাবে তেওঁলোকে গৃহৰ সকলো সুখ ত্যাগ কৰিলে। পতি পুত্ৰ বিষয়ক তেওঁলোকে তুচ্ছ জ্ঞান কৰিলে।২২৩০।। মোকেই তেওঁলোকে স্বামী, আত্মা বুলি ভাৱে? মোক কেৱল স্মৰণ কৰে, মোৰ বাদে আন একো নাজানে, মোৰ বাবে তেওঁলোকে লোক ধৰ্ম ত্যাগ কৰিলে। তেনেজনক মই ঐশ্বৰ্য দিওঁ ।২২৩১।। হে উদ্ধৱ তুমি শুনা গোপিকাৰ দুঃখবোৰ, মই তেওঁলোকৰ প্ৰিয়তম। মই মধুপুৰলৈ অহাৰ পৰা মোক দেখা নাই। মোৰ বিৰহত তেওঁলোকে দেই পুৰি মৰিছে।২২৩২।। তেওঁলোকে পৰম বিহ্বল হৈ মোৰ গুণ গাই মুৰ্চ্ছা গৈছে। গোপীগণ কি কাৰণে জীয়াই আছে তাৰ কাৰণ কৃষ্ণই উদ্ধৱক ক'লৈ।২২৩৩।। তেওঁ ক'লৈ— 'মথুৰালৈ আহিবৰ সময়ত তেওঁলোকক মই কথা দি আহিছো যে অলপ দিনৰ পাচতে মই গোকুললৈ ঘূৰি আহিম।২২৩৪।। তেওঁলোকে সেই বাক্য শুনি মোৰ বাবে আশা কৰি আছে। মোক গুণ নাম গাই, মোকে প্ৰাণ সপিদি তেওঁলোক জীয়াই আছে।২২৩৫।। তেওঁলোকে নিজৰ বাবে জীয়াই থকা নাই, মোৰ বাবেহে জীয়াই আছে।২২৩৬।। সেই গোপীগণ মোৰ প্ৰাণতকৈ অধিক, তেওঁলোকৰ দুখত মই অধীৰ হৈ পৰিছোঁ। সেইবাবে সোনকালে গোপপুৰলৈ মোৰ বাতৰি দিবলৈ যোৱা'।২২৩৭।।

কৃষ্ণৰ আদেশ আৰু অনুৰোধ উদ্ধৱে কৃতাঞ্জলি কৰি গ্ৰহণ কৰিলে।২২৩৮।। কৃষ্ণক স্তুতি কৰি উদ্ধৱে ক'লৈ— 'হে নাথ, মই তোমাৰ ভৃত্য, মোৰ পৰমভাগ্য যে তোমাৰ হৈ গোকুললৈ যাম।'২২৩৯।। তেওঁ কৃষ্ণক সাতবাৰ প্ৰদক্ষিণ কৰিলে, প্ৰণাম জনালে, কৃষ্ণৰ পদ ধূলি শিৰত ল'লৈ, 'জয় কৃষ্ণ' বুলি যাত্ৰা কৰিলে।২২৪০।। কৃষ্ণৰ চৰণ হৃদয় পদ্মত ধৰি, মুখে মাধৱৰ নামলৈ, সুবৰ্ণৰথত উঠি গোকুললৈ আগবাঢ়িল।২২৪১।। তেওঁ গৰুবাটেৰে গৈ গৈ গোকুলত প্ৰবেশ কৰি অদ্ভুত দৃশ্য দেখিবলৈ পালে।২২৪২।।

তাত অসংখ্য গাই, বৃষ দেখিবলৈ পালে উদ্ধৱে।২২৪৩।। গৰুবোৰৰ অসংখ্য পোৱালি দেখিলে আৰু ঘৰে ঘৰে মোহনবংশীৰ ধ্বনি শুনিবলৈ পালে।২২৪৪।। গোপ-গোপীয়ে গাখীৰ মথা গোবিন্দৰ গীত গোৱা দেখা পালে।২২৪৫।।

তেওঁলোকৰ শৰীৰ ৰোমাঞ্চিত, চকুৰ পৰা চকুলো বাগৰি পৰা কৃষ্ণৰ গীতত ব্যাকুল, অতিথি সৎকাৰ আদি দৃশ্য দেখিবলৈ পালে উদ্ধৱে।২২৪৬।। প্ৰতিঘৰতে প্ৰজ্বলিত দীপ আৰু ধূপৰ ধোঁৱাৰ সুগন্ধ, ফুলৰ সুবাস তেওঁৰ অনুভূত হ'ল।২২৪৭।। চাৰিওফালে ফুলপ্ৰস্ফুটিত হৈ আহিছে। পক্ষীৰ কলকণ্ঠী আৰাও, ভ্ৰমৰৰ গুঞ্জন তেওঁৰ কাণত পৰিল। কমল বনত মত্ত ৰাজহংসৰ ধেমালি তেওঁৰ চকুত পৰিল।২২৪৮।।

এনে মনোময় গোকুলক দেখি তেওঁ পৰম আনন্দ লভি নন্দৰ গৃহত প্ৰবেশ কৰিলে। নন্দই কৃষ্ণৰ পৰম প্ৰিয় অনুচৰক দেখি ঘৰৰ পৰা আগবাঢ়ি আহিল।২২৪৯।। তেওঁ উদ্ধৱক আলিঙ্গন কৰিলে আৰু ঘৰৰ ভিতৰলৈ নিলে।২২৫০।। আনবোৰে তেওঁকে বাসুদেৱ বুলি ভাবি অৰ্চনা কৰিলে। পৰমান্ন, পঞ্চামৃত ভোজন কৰাই বিচিত্ৰ পালঙ্কত উদ্ধৱক উপবিষ্ট কৰোৱা হ'ল।২২৫১।। নন্দই কৰ্পূৰ তাম্বুল দি, নিজ হাতেৰে উদ্ধৱৰ দুইপদ পক্ষালন কৰিলে।২২৫২।। তাৰ পাছত উদ্ধৱক কুশল বাৰ্তা সুধিলে। যাদৱ বংশৰ কথা উদ্ধৱক নন্দই সুধিলে।২২৫৩।।

**উপদেশ ঃ** হৰিকথা অমৃতৰ সমান। হৰিকথাইহে সংসাৰত শান্তি দিয়ে। চাৰিবেদৰ মূল তত্ব হৈছে হৰি কথা। হৰি বিমুখৰ কোনোদিনে কল্যাণ নহয়।২২৫৪।। সেইবাবে হৰিচৰণত চিত্ত দিব লাগে। কলিত এয়ে পৰম ধৰ্ম। মনুষ্যৰ জন্ম লোৱাৰ প্ৰধান কাম এয়ে। ইয়াকে গুৰুজনে ৰচনা কৰিলে আৰু ৰাম নাম ল'বলৈ আহবান জনালে।২২৫৫।।

**৮৮। নন্দাদিক উদ্ধৱৰ শান্ত্বনা প্ৰদান ঃ**

নন্দই বসুদেৱ-দেৱকীৰ কুশল মঙ্গল সুধিলে। কংসৰ মৃত্যুৱে নিশ্চয়

মথুৰাত শান্তি আনিছে বুলি নন্দই ভাবিছে। মথুৰাত সকলোৱে সুখে-শান্তিৰে গ্ৰাস কৰিছে বুলি নন্দই ভাবিছে আৰু উদ্ধৱক সেই বিষয়ে সবিশেষ জনাবলৈ অনুৰোধ কৰিছে।২২৫৬।। দ্বিতীয়তে প্ৰাণৰ সদৃশ মাধৱৰ বাৰ্তাও নন্দই সুধিলে।২২৫৭।। হৰিয়ে তেওঁলোকক চাবলৈ এবাৰমান আহিবনে বুলি প্ৰশ্ন কৰিলে। কেতিয়াকৈ কৃষ্ণক দেখিবলৈ পাব, তাকো সুধিলে।২২৫৮।।

নন্দই চকুলো মচি কৃষ্ণৰ গুণ-গৰিমাৰ কথা উদ্ধৱৰ আগত প্ৰকাশ কৰিলে— ইন্দ্ৰই মখভঙ্গৰ খঙত বৰিষণ কৰাত কৃষ্ণই ৰক্ষা কৰা, বনজুইৰ পৰা ৰক্ষা কৰা, অঘবক, কেশী, কালি, ধেনুকাসুৰ, অৰিষ্ট দমন, চক্ৰবাত, বৎসাসুৰ পুতনা, ব্যোমাসুৰৰ পৰা গোকুল বাসীক ৰক্ষা কৰা, কৃষ্ণৰ বিৰহত তেওঁলোকে দগ্ধ হৈছে বুলি নন্দই ক'লে।২২৬০।। কৃষ্ণই গোকুলত থাকি কৰা কাম সমূহৰ কথা উল্লেখ কৰি নন্দই উদ্ধৱক কয়। যমুনানদী, গিৰিগোবৰ্দ্ধন, বৃন্দাবনত কৃষ্ণৰ পৰি থকা পদচিহ্নই তেওঁলোকৰ স্মৃতিপটত শোকৰ বহ্নি জ্বলাই তুলিছে বুলি কয়।২২৬২।। ৰাম-কৃষ্ণ দুয়ো দেৱতো উত্তম, তেওঁলোকে ভূমিৰ ভাৰ দূৰ কৰিবলৈ অবতাৰ লৈছিল, তেওঁৰ ঐশ্বৰিক মহাত্ম্য স্বচক্ষে দেখিবলৈ পোৱা গ'ল। মথুৰাত প্ৰৱেশ কৰি এটা চৰতে ধোবাৰ মুণ্ডচ্ছেদ, ধনুভঙ্গ, কুবলয় পীড় বধ, মালবধ, কংস বধ আদিবোৰে কৰ্ম্ম সম্পাদন কৰাত।২২৬৩-৬৫।।

গোকুলত গোবৰ্দ্ধনধাৰণ, দানৱবধ অৰিষ্ট-ধেনুকাসুৰ প্ৰলম্ব আদিক বধকৰা কাৰ্য নিঃসন্দেহে অতি মানবিক কৰ্ম আছিল। এনে প্ৰাণ কৃষ্ণৰ পৰা বঞ্চিত হৈ থকাটো তেওঁলোকৰ বাবে অতি হৃদয়বিদাৰক যান্ত্ৰণা হৈছে বুলি নন্দই উদ্ধৱক জানিবলৈ দিয়ে।২২৬৬।। নন্দই আৰু কথা ক'ব নোৱাৰা হ'ল।২২৬৭।।

**উপদেশ ঃ** ভগৱন্তৰ পদ সম্যকে পাপৰ জুই নিৰ্বাপক। এই পদ স্মৰণ কৰোঁতে শুনোতে ভাগৰ নালাগে, পাপ দূৰ হয় পুণ্যৰ উদয় হয়। বেদান্ত অৰ্থাৎ গীতা-ভাগৱতৰদ্বাৰা ই সমৰ্থিত।২২৬৮।। জ্ঞানযুগ বা কৰ্মযুগত বিঘ্নিত ভয় আছে, ভকতিযুগত কোনো ভয় নাই। ঈশ্বৰে ভক্তিপথত সহায় কৰে। গতিকে ভক্তি পথেৰে মুক্তি লভিবলৈ যত্ন কৰা উচিত। শঙ্কৰদেৱে ৰামনাম ল'বলৈ মানুহক পৰামৰ্শ দিছে।২২৬৯।।

নন্দ আৰু উদ্ধৱে কথা পাতি থকাৰ সময়ত যশোদায়ো কাষতে বহি আছিল আৰু নন্দই কৃষ্ণৰ গুণাৱলী বৰ্ণনা কৰি থকা শুনি যশোদাই কৃষ্ণৰ প্ৰতি আকুল হৈ পৰে।২২৭০।। যশোদাৰ চকুৰ পৰা বিষাদৰ লোতক বাগৰি আহে। তেওঁ কৃষ্ণক স্মৰি বিলাপ কৰিবলৈ ধৰে—

হা কৃষ্ণ বাপ মোৰ গৈলে পৰিহৰি।
সিটো মুখ নেদেখিয়া জীও কেন কৰি।২২৭১।।
মোৰ জীৱধন পুত্ৰ নাহিকে অঙ্গনে।
ভৈলো অনাথিনী সিটো পুত্ৰ অবিহনে।।
শূন্য ভৈল বৃন্দাবন গোকুল আমাৰ।
কৃষ্ণ সূৰ্য্য বিনে দেখো দিনতে আন্ধাৰ।২২৭২।।
ইটো ধন গোধনত সাঞ্চো কাৰ তৰে।
কমল লোচন পুত্ৰ নাই মোৰ ঘৰে।।
মোক আই বুলি কোনে লগাইবেক মাত।
ইহাকেসে সুমৰন্তে অগ্নি লাগে গাত'।২২৭৩।।

'বৃন্দাবন কালিন্দী দেখি প্ৰাণ ফুটি যায় যেন লাগিছে; কাৰণ ইয়াতেই কৃষ্ণই নানাখেল ধেমালি কৰিছিল। গৰুবোৰ দেখাৰ লগে লগে কমল লোচনলৈ মনত পৰি হৃদয় দগ্ধ হয়। গৃহ-কৰ্মতো মন নবহা হ'ল।' বুলি যশোদাই বেজাৰ কৰিলে।২২৭৪।। কৃষ্ণই আহিম বুলি কৈ এতিয়াও ঘূৰি নহা হ'ল। কোন অপৰাধৰ বাবে আমাক এৰি থৈ গ'ল। এইদৰে যশোদাই কান্দিবলৈ ধৰিলে।২২৭৫-২২৭৬-২২৭৭।।

নন্দ-যশোদাৰ পুত্ৰ কৃষ্ণৰ প্ৰতি থকা প্ৰেমৰ ভাব দেখি উদ্ধৱে পৰম বিস্ময় মানিলে।২২৭৮।। উদ্ধৱে দুয়োকে সাদৰ জনাই দুয়োকে ধন্যবাদ জনালে। অখিল ব্ৰহ্মাণ্ডৰ অধিপতি প্ৰভু নাৰায়ণৰ প্ৰতি দুয়োৰে মন নিমৰ্জ্জিত হ'ল। তোমালোকে সংসাৰ তৰিলা। ৰাম-কৃষ্ণৰ বিষয়ে উদ্ধৱে ক'বলৈ ধৰিলে।২২৮০।। 'ৰাম-কৃষ্ণ পৰম পুৰুষ, জগত জনক, তেওঁ গৰ্ভতে সমস্ত জগত বিদ্যমান। মায়াৰ বলেৰে তেওঁ জগত নিৰ্মাণ কৰি, ভূতগণক সৃষ্টি কৰি, তাতে তেওঁ প্ৰবিষ্টি হৈ অন্তৰ্যামী নাৰায়ণ ৰূপে আছে। তেওঁৰ জীৱত ভেদবুদ্ধি সৃষ্টি কৰি ৰাখিছে।২২৮১-৮২।। দৈৱকীতনয় মনুষ্যৰ দৰে হ'লেও, তেওঁৰ জন্ম-কৰ্ম থাকিলেও তেওঁ মনুষ্য নহয়, তেওঁ পৰমপুৰুষ।২২৮৩।। তেওঁক কৃষ্ণৰ ৰূপত অন্তকালে ক্ষন্তেক মনত স্মৰণ কৰিলে তেওঁৰ কৰ্মবন্ধ মোচন হয়, আৰু পৰম বৈষ্ণৱ জ্ঞানোদয় হয়।২২৮৪।। তেওঁ কৃষ্ণৰ সমান চৰ্তুভুজৰ ৰূপ লাভ

কৰে; সেই ৰূপ সজল জলদৰ দৰে শ্যাম বৰণৰ নীৰুজ শৰীৰ; মেঘত বিজুলীৰ দৰে পীতবস্ত্ৰৰ জ্যোতি হাতত শঙ্খ-চক্ৰ-গদা-পদ্ম।২২৮৫।। কঙ্কন-কেয়ুৰৰ হাৰ, উজ্জ্বল কিৰীটি, কৰ্ণত মকৰ কুণ্ডল, গলত বনমালা (আপাদ'লম্বিত), পদ পঙ্কজত ৰত্নৰ নুপূৰ আদিৰে ৰঞ্জিতহৈ পাৰিষদসহ বিমানত উঠি বৈকুণ্ঠপুৰীলৈ গমন কৰে সাৰুপ্য লাভ কৰা জনে।২২৮৬।।

এতেকে জানিবা কৃষ্ণ নোহন্ত মানুষ।
জগতৰ আত্মা এন্তে পৰম পুৰুষ।২২৮৭।।

উদ্ধৱে কৈছে— 'হে যশোদা, তুমি প্ৰত্যক্ষ কৃষ্ণক দেখিছা, তেওঁৰ মাহাত্ম্যও দেখিছা। তিনিমাহতে শকটক চৰণেৰে উভতোৱা, পুতনাই স্তনদি মৃত্যু হোৱা, চক্ৰবাতৰ প্ৰাণলোৱা, তুমি নিজ চকুৰে দেখিলা।২২৮৮-২২৮৯।। কৃষ্ণই মাটি খালে বুলি তুমি ধৰাত কৃষ্ণই মুখমেলি তোমাক সমস্ত জগত দেখুওৱা কৃষ্ণক তুমি মানুহ বুলি ধৰিবানেকি?।২২৯০।। শিলাহানি দধিভাণ্ড ভঙা, উড়ুখলত বন্ধা আৰু জৰীৰে নোজোৰা মানুহৰ শিশুনেকি?।২২৯১।। অৰ্জুনভঞ্জন, কালিয় দমন, বনাগ্নি পাণ, অঘ-বক বৎসাসুৰ নিপাত মানুহৰ কামনে?।২২৯২।। সাত বছৰীয়া বালকে গিৰি গোবৰ্দ্ধনক বাওঁহাতেৰে দাঙি ধৰা আৰু ইন্দ্ৰৰ দৰ্পচূৰ্ণ কৰা সম্ভৱনে?।২২৯৩।। প্ৰলম্ব; অৰিষ্ট, ধেনুকাসুৰৰ প্ৰাণ লোৱা, কংসৰ ধনুভঙ্গ কৰা, একে চৰতে ধোবাৰ মুণ্ড ছিঙা, কুঁজীক ঋজু কৰা মানৰৰ কাম হ'ব পাৰেনে?।২২৯৪-৯৫।। সান্দীপনিৰ মৃতপুত্ৰক আনি দিয়াটো ঈশ্বৰৰ বাহিৰে কোন হ'ব পাৰে?।২২৯৬।। পৰিপূৰ্ণকাম কৃষ্ণ ত্ৰৈলোক্যৰ পতি, তেওঁ নৰৰ আকৃতি ধৰি আছে।২২৯৭।।

হে নন্দ-যশোদা, মোৰ বাক্যশুনি— কৃষ্ণক দেখি নোপোৱাৰ বাবে বেজাৰ নকৰিবা। তেওঁ ইয়াত মানৰ শিশুৰ দৰে সোমাই থাকিলে নহ'ব; তেওঁ সমস্ত জগতত কৰিবলগীয়া বহুত কাম আছে। তথাপি তেওঁ তোমালোকৰ ওচৰলৈ অতি সোনকালে আহিব। তেওঁ পিতৃ-মাতৃক প্ৰীতি সাধন কৰিবহি।২২৯৮।। কংস বধৰ পাছতে কৃষ্ণই তোমাক কৈছিল যে তুমি আগহোৱা, মই পাচত গৈ আছো বুলি। গতিকে কথামতেই কৃষ্ণ আহিব।২২৯৯-২৩০০।।

তোমালোকক কৃষ্ণই সদায়ে সুমৰণ কৰে, গতিকে নাকান্দিবা।' ২৩০১।। নন্দ-যশোদাই তথাপিও কান্দিয়েই থাকিল।২৩০২।। উদ্ধৱে পুনৰ ক'লে — 'কৃষ্ণ দেখোন তোমালোকৰ হৃদয়তে সোমাই আছে—

সমস্তৰে হৃদিতে আছন্ত কৃষ্ণে ৰই।
হেনবা বুলিবা কেনে সবে নেদেখয়।২৩০৩।।
সমস্তে কাষ্ঠতে বহ্নি আছয় বিয়াপি।
ঘৰিষন বিনে তাঙ্ক নেদেখি তথাপি।।
সেহিমতে কৃষ্ণ আছে সবাৰে হৃদিত।
ভকতি নভৈল নোন্ত কাহাতো বিদিত।২৩০৪।।
হেনজানি কৰা নিতে শ্ৰৱণকীৰ্তন।
হৃদি মধ্যে দেখা পাই পঙ্কজলোচন।।
বাহিৰতো পাইবা নাগ লবা মোৰ কথা।
কৃষ্ণৰ বচন কদাচিতো নুহি বৃথা।২৩০৫।।

অৰ্থাৎ— কৃষ্ণ সকলোৰে হৃদয়তে আত্মাৰূপে আছে কাঠত অগ্নি নিহিত গৈ থাকে, কিন্তু অগ্নিক দেখা পোৱা নাযায়। ঘৰ্ষণ কৰিলে কাঠত অগ্নি নিৰ্গত হয়। সেইদৰে হৃদয়ত থকা কৃষ্ণক ভক্তি কৰিলেহে কৃষ্ণ ব্যক্ত হয়। শ্ৰৱণ-কীৰ্তন-ভক্তিৰে কৃষ্ণক সন্তোষ্টি কৰিব পৰা যায়। কৃষ্ণ বাহিৰতো আছে।

উদ্ধৱে ক'লে — 'তোমালোকে ক'ব পাৰা যে বন্ধু-বান্ধৱক এৰি গোকুললৈ কৃষ্ণ কিয় আহিব? তাৰ উত্তৰত মই কওঁ যে কৃষ্ণকথাৰ নিৰ্দিষ্ট স্থান নাই। উত্তম, মধ্যম, অধম, প্ৰিয়স, অপ্ৰিয় তেওঁৰ বাবে সমান।

হেনবা বুলিবা বন্ধু বান্ধৱক এৰি।
কিসক আসিবো গোকুলক দেবহৰি।।
কৃষ্ণৰ এতেকে নাই নিষ্ঠ কৰি জান।
উত্তম অধম প্ৰিয় অপ্ৰিয় সমান।২৩০৬।।

তেওঁৰ পিতা-মাতা নাই, জন্ম-কৰ্ম নাই, ভাৰ্যা-পুত্ৰ, শত্ৰু-মিত্ৰৰ প্ৰতি সম্পূৰ্ণ উদাসিন। তথাপি তেওঁ ভক্তক ৰক্ষা কৰিবলৈ লীলাৰে অৱতাৰ গ্ৰহণ কৰে।২৩০৭।।

নাহি পিতা মাতা কৃষ্ণ জন্ম কৰ্মহীন।
নাহি ভাৰ্যা পুত্ৰ শত্ৰু মিত্ৰ উদাসীন।।
তথাপিতো ভকতৰ ৰক্ষাৰ কাৰণে
লীলায়ে ধৰন্ত অৱতাৰ নাৰায়ণে।২৩০৭।।

তেওঁ দুৰ্জ্জনক দণ্ডদিবলৈ, ভূমিৰ ভাৰ হৰণ কৰিবলৈ মৎস্য, কচ্ছপ, নৰ, নৃসিংহ, বৰাহ, দেব, ঋষি আদি বহুবিধ ৰূপধৰি লীলা অৱতাৰ লৈছিল।

বহুবিধ ধৰাজপ জগতৰ নাহ।
মৎস্য কচ্ছপ নৰ নৃসিংহ বাৰাহ।
দেব ঋষি ৰূপে কতো হুয়া অৱতাৰ।
দুৰ্জ্জনক দণ্ডিয়া খণ্ডিলা ভূমিভাৰ।২৩০৮।।

যদি তেওঁৰ জন্ম-কৰ্ম নায়েই, তেওঁ কি কাৰণে সৃষ্টি পালন প্ৰলয় কৰে। তাৰ উত্তৰ হৈছে—তেওঁ প্ৰকৃতিক সচেতন কৰাই গুণৰ সহায়ত জগতৰ স্ৰজন-পালন কৰোৱায়। তেওঁ হৃদয়ত প্ৰধান সাক্ষী হৈ থাকে। পৰম ঈশ্বৰৰ এয়ে লীলা।২৩০৯-২৩১০।।

যদি জন্ম কৰ্মহীন কৃষ্ণ কৃপাময়।
কিসক কৰন্ত সৃষ্টি পালন প্ৰলয়।।
হেনবা বুলিবা তাৰ শুনিয়ো উত্তৰ।
যদ্যাপি নিৰ্গুণ জন্মৰহিত ঈশ্বৰ।২৩০৯।।
তথাপিতো প্ৰকৃতিক কৰাই সচেতন।
কৰান্ত গুণৰ হাতে স্ৰজন পালন।।
সাক্ষী হুয়া হৃদয়ত আপুনি ৰহিলা।
পৰম ঈশ্বৰ কৃষ্ণ তান এহি লীলা।২৩১০।।

জীৱবোৰ অৰ্কতা, অজ্ঞানতাৰ বাবেহে জীৱই নিজকে কৰ্তা জ্ঞান কৰে। পৰমাৰ্থ বিচাৰত ঈশ্বৰ কৰ্মৰহিত; জীৱৰ কৰ্ম অন্ত কৰিবৰ কাৰণেহে তেওঁ কৰ্ম কৰা দেখুৱায়।২৩১১।।

চকুৰে চালেহে পৃথিৱীৰ বিভিন্ন স্থান দেখা যায়, নাচালে দেখা নাযায়। প্ৰতিবিম্বকে জীৱই নিজ কৰ্তা বুলি দেখে। উদ্ধৱে নন্দক কৈছে— 'কৃষ্ণ কেৱল তোমাৰ পুত্ৰ হ'ব নোৱাৰে।২৩১২।। তেওঁ জগতৰে পুত্ৰ, জগতৰে আত্মা, জগতৰ পিতা-মাতা। তেৱে সুহৃদ, সোদৰ, বন্ধু-বান্ধৱ, বিধাতা। যিমানবোৰ দেখিছো, শুনিছো, ভূত-ভৱিষ্যত, স্থাৱৰ-জঙ্গম সমস্তই তেওঁ।২৩১৩।। কৃষ্ণব্যতিৰেকে একোবস্তু নাই, সমস্ত জগতেই কৃষ্ণময়। গতিকে কৃষ্ণৰ বিয়োগ নাই; বিচাৰ কৰি চালে কৃষ্ণ সৰ্বত্ৰতে বিৰাজমান।'

'যত জীৱৰাশি ইয়ো কৰ্তা অজ্ঞানতা।
নাহি কৰ্ম জানা পৰমাৰ্থ বিচাৰত।।
'তোমাৰ কেৱল পুত্ৰ নোন্ত হৃষীকেশ।'২৩১২।।
জগতৰে আত্মা কৃষ্ণ পুত্ৰ-পিতা-মাতা।
স্থাৱৰ জঙ্গম ইটো সমস্তে জগত।২৩১৩।।
কৃষ্ণ ব্যক্তিৰেকে একো বস্তু নাহি জানা।
সমস্তে জগতে কৃষ্ণ হেনমনে মানা।।
তেবে সিটো কৃষ্ণৰ বিয়োগ আছে কৈত।২৩১৪।।

মাধৱে দিবলৈ কৈ পঠোৱা সকলো প্ৰবোধ বচন উদ্ধৱে দুয়োকে দিলে। তেওঁ বহুতো যুক্তিপ্ৰদৰ্শন কৰি দুয়োকে শান্তনা দিবলৈ ধৰাত তেওঁলোক শান্ত হ'ল।২৩১৫।। তেওঁলোকে হাতেৰে মুখ মচি নিশ্বাস এৰিলে। যশোদাই উদ্ধৱক বাৰে বাৰে প্ৰশ্ন কৰিলে কৃষ্ণৰ বিষয়ে। কৃষ্ণ ব্ৰজলৈ আহিবনে বুলি উদ্ধৱক সুধিলে।২৩১৬।। কৃষ্ণৰ সুন্দৰ মুখ তেওঁ দেখিবলৈ উদ্বিগ্ন হৈ পৰিছে বুলি যশোদাই কয়। তেওঁৰ চকুৰ পৰা চকুলো বাগৰি আহি। উদ্ধৱে তেওঁক পুনঃ পুন প্ৰবোধ দিলে। এইদৰে গোটেই ৰাতি অতিবাহিত হ'ল আৰু ৰাতিপুৱাল।২৩১৭।।

**উপদেশ ঃ** কৃষ্ণৰ চৰিত্ৰ সকলোকে শুনিবলৈ কৈছে লিখকে। মানৱ জীৱন জলত উঠা বুদবুদৰ নিচিনা। ধন, জন, বন্ধু, পুত্ৰ, ভাৰ্যা, আদিবোৰ অবস্তু, ঐন্দ্ৰজালিক মায়াৰে আবৰা।২৩১৮।। দুঃখময় সংসাৰত অমৃত কেৱল কৃষ্ণ নাম, বিষ কলহত থকা অমৃত সদৃশ হৰিনামে সংসাৰৰ দুঃখ দূৰ কৰে। বিষয় হৈছে বিষৰ দৰে, বিষয়ক বিশ্বাস কৰা অনুচিত। বিষয় ত্যাগ কৰি অমৃত পান কৰা উচিত। কিন্তু অমৃতক ত্যাগ কৰি বিষয়ক হে পান কৰা জনে বিষ পান কৰাৰ দৰে হয়।২৩১৯।।

পৰম অজ্ঞানী কিৰাতী সকলে মুকুতাক এৰি গুঞ্জামণি ডিঙিত পিন্ধে। হৰিভক্তি এৰি আন কৰ্ম কৰাটোও তেনে।২৩২০।। ৰামনাম পৰম অমৃত। কেতিয়া জীৱনৰ সমাধি ঘটিব, তাৰ নিশ্চয়তা নাই। সেইবাবে জীৱন থাকোতেই হৰিভক্তি এৰি আন কৰ্ম কৰাটোও তেনে।২৩২০।। ৰামনাম পৰম অমৃত। কেতিয়া জীৱনৰ সমাধি ঘটিব, তাৰ নিশ্চয়তা নাই। সেইবাবে জীৱন থাকোতেই ৰাম নাম লোৱা উচিত। ৰাম নামেহে জীৱনৰ সঠিক গতি নিৰ্ণয় কৰিব।২৩২১।।

**৮৯। গোপী-উদ্ধৱ সংবাদ ঃ**

শুক মুনিয়ে পৰীক্ষিতক গোপী আৰু উদ্ধৱৰ মাজত হোৱা আলাপৰ বিষয়ে ব্যাখ্যা কৰিবলৈ ধৰিলে। উদ্ধৱে নন্দ-যশোদাক প্ৰবোধ দিয়াৰ পাচত গোপীগণক কৃষ্ণই কৈ পঠোৱা সন্দেশ দিবলৈ সাজু হ'ল। গোপীসকল ৰজনীপ্ৰভাততে গা-পা ধুই পবিত্ৰ চাকি বন্তি লগাই দধি মথিবলৈ আৰম্ভ কৰিলে।২৩২২।। গাখীৰ মথোতে তেওঁলোকৰ স্তন হলফল কৰিলে, কঙ্কনৰ ৰুণঝুণ শব্দ হ'ল। গাৰ বলয়া-মেখলা লৰিবলৈ ধৰিলে। ৰচি টানোতে গাৰ অলঙ্কাৰবোৰ জিকমিকাই উঠিল। কাণৰ কুণ্ডল ডোলি গণ্ডস্থলক কান্তি বঢ়ালে আৰু কৃষ্ণৰ গুণ কীৰ্তন কৰিলে।২৩২৩।।

তেওঁলোকৰ শৰীৰ ৰোমাঞ্চিত হয়, চকুৰ পৰা লোতক বাগৰে, কৃষ্ণকৃষ্ণ বুলি চিঞৰে। কোনোজনীয়ে হিয়াত কৃষ্ণক ধ্যান কৰি চৰণত চুমা খায়। মথনৰ শব্দই আৰু কীৰ্তনৰ ধ্বনিয়ে আকাশ বতাহ মুখৰিত কৰি তোলে।২৩২৪।। তাত কৃষ্ণৰ কীৰ্তনৰ বাহিৰে অন্য কথা নাই, এইদৰে পৰম ভক্তিৰে গোবিন্দৰ গীত গাই তেওঁলোকে দধিমথি থাকোতেই সূৰ্য উদয় হয়।২৩২৫।। দশোদিশ পোহৰ হয়, গোপীগণে গৃহৰ পৰা ৰাজপথলৈ ওলাই যায়; তেওঁলোকে ৰাজপথেদি গৈ নন্দৰ ঘৰত সুবৰ্ণৰ ৰথ দেখিলে। ৰথখনে সূৰ্যৰ দৰে জিলিকি আছে আৰু তেওঁলোকে সেইখন কাৰ ৰথ বুলি সোধপোচ কৰে।২৩২৬।। তেওঁলোকে অক্ৰূৰ মথুৰাৰ পৰা আহিছে বুলি ভাবিলে। অক্ৰূৰৰ লগত তেওঁলোকৰ বৈৰীভাব আছিল, কাৰণ তেওঁ কৃষ্ণক তেওঁলোকৰ বুকুৰ পৰা কাঢ়ি নিছিল। কংসক বধ কৰাই পুনৰ অক্ৰূৰ কিয় আহিছে বুলি তেওঁলোক চিন্তিত হ'ল।২৩২৭।। কোনোজনীয়ে ভাবিলে এইবাৰ তেওঁলোকৰ মাংস কাটি নিবলৈ তেওঁ আহিছে কিজানি। ইমান দিন পাৰ হ'ল, কৃষ্ণৰ মুখ দেখাৰ পৰা তেওঁলোক বঞ্চিত হ'ল। কি অধৰ্মৰ বাবে এনে দুৰ্গতি তেওঁলোকৰ হৈছে।২৩২৮।। তেওঁলোকে নানা আলোচনা কৰি থাকোতেই কৰি থাকোতেই উদ্ধৱে কালিন্দীত নিত্য কৃত্য কৰি আহিছিল।

**উপদেশ ঃ** সকলোৰে কৃষ্ণৰ কথাত চিত্ত দি, কৃষ্ণত মন অৰ্পণ কৰি দুৰ্ঘোৰ কলিত কৃষ্ণক ভক্তি কৰা উচিত।২৩২৯।। কলিত লোক মলমতি হয়, অন্যত্ৰ ধৰ্ম আচৰে, দুটি আখৰ যুক্ত ৰাম নাম লৈ সুখেৰে সংসাৰ সাগৰ পাৰ হ'বলৈ হেলা কৰে। এনে মধুময় ৰাম-নাম এৰি অইনত বিশ্বাস কৰি আত্মঘাতী হয়। মনুষ্য শৰীৰ লাভ কৰিয়ো কৃষ্ণত ভকতি নকৰি যাতনা ভোগে।২৩৩০।। চাৰি বেদৰ মাজত কেৱল ভকতিহে প্ৰকাশ পায়। বেদৰ নাৰায়ণহে সংসাৰৰ গতিদাতা। ঈশ্বৰকৃষ্ণই অৰ্জুনৰ সাৰথি হৈ অৰ্জুনক পঞ্চ সত্য প্ৰকাশ কৰি কৈছিল। তথাপিতো কৃষ্ণক বিশ্বাসত নলৈ আনক ভজাসকল দুৰ্ভগীয়া।

দেবৰো দেবতা হৰি কৰিলন্ত সত্য কৰি
তথাপি নামত নাহি চিত্ত।২৩৩১।।
কোটি কোটি জনমৰ আছে পাতকৰ বল
তাতেসে নামত নাহি মতি।
দেখিয়ো নেদেখে অন্ধ প্ৰবন্ধে আনক ভজি
জানা ইটো গৈল অধোগতি।।
তাৰ সঙ্গ পৰিহলা সিটো জীৱন্ততে মৰা
জানিসৰে এড়া ান কাম।২৩৩২।।

কৃষ্ণ দেবতাৰো দেবতা বুলি কৃষ্ণই নিজে সত্য কৰি কোৱা সত্বেও নামত চিত্ত নিদিয়া জন মহাপাপী; কাৰণ কোটি জনমত তেওঁ পাপত তললৈ আছে। তেওঁ দেখিও নেদেখাৰ ভাওলৈ থাকে। তেনে লোকৰ সঙ্গ ত্যাগ কৰিব লাগে।

শ্লোক ঃ সত্যং সত্যং পুনঃসত্যং সত্যং সত্যং ৰদম্যহম্।
ন্যাস্লোহন্যত্তাৰকং নাস্তি সমস্ত শ্ৰুতিগোচৰে।। (ইয়াৰ অৰ্থঃ 'সত্য, সত্য, সত্য সত্য সত্য— এই পঞ্চ সত্য মই কৈছো, সমস্ত শ্ৰুতি বা বেদত কোৱা হৈছে যে এই সত্যৰ বাহিৰে আন একোৱে নৰকৰ পৰা উদ্ধাৰ কৰিব নোৱাৰে; সেয়ে হৰিনামেহে মূলধন)

গোপীগণে উদ্ধৱক দেখিবলৈ পালে। উদ্ধৱৰ ৰূপ আছিল—

'জলে যেন অৰবিন্দ বদন মণ্ডল।
ঝলমল কৰে কৰ্ণে মকৰ কুণ্ডল। ২৩৩৩।।
শ্যামতনু পীতবস্ত্ৰে দেখিতে শোভন।
গলে বনমাল নব পঙ্কজ লোচন।।
আজানুলম্বিত বাহু সুদীৰ্ঘ আঙ্গুলি।
পৰম বিস্ময় সোধে ইটো কোন বুলি।২৩৩৪।।

গোপীগণে কৃষ্ণসদৃশ ৰূপেৰে এইজন কোন বুলি আচৰিত হয়। কৃষ্ণৰ দৰে বেশ, ভূষণৰ এনে এজন লোক ক'ৰ পৰা আহিল বুলি তেওঁলোকে কোৱামেলা কৰিলে। গোপীগণে উদ্ধৱক বেঢ়ি ধৰিলে।২৩৩৫।। তেওঁলোকে জানিলে যে

এওঁ কৃষ্ণৰ এজন পৰম ভক্ত। তেওঁলোকে উদ্ধৱক সতকাৰ কৰাত লাগিল। হাঁহিমুখে আৰু লাজ ভাবেৰে উদ্ধৱক সুধিলে কুশল-মঙ্গলৰ বাৰ্তা।২৩৩৬।। তেওঁলোক কৃষ্ণৰ সন্দেশ আনিছে বুলি ধাৰণা কৰি বিচিত্ৰ আসনত উপবিষ্ট কৰোৱালে। তেওঁলোকে চাৰিওফালে আগুৰি বহিলে।২৩৩৭।।

গোপীগণে উদ্ধৱক প্ৰশ্ন কৰিলে— 'আপুনি কৃষ্ণৰ সেৱক যেন লাগিছে, পিতৃ-মাতৃৰ প্ৰীতিৰ বাবে ব্ৰজলৈ তোমাক পঠাইছে যেন বোধ হৈছে। ২৩৩৮।। তোমাক গোকুললৈ কৃষ্ণই পঠাইছেনে? গোকুলক তেওঁ সোঁৱৰণ কৰেনে।২৩৩৯।। তেওঁৰ চাগে গোকুলৰ প্ৰতি প্ৰয়োজন বোধ নকৰে? আনৰ বাবেহে তেওঁ কৰ্ম কৰে। স্ত্ৰীত পুৰুষৰ প্ৰেম নাথাকে; কাৰণ পুষ্পক চুহি মধুকৰে এৰিথৈ যায়।২৩৪০।। বেশ্যাগণে নীচপুৰুষক ত্যাগ কৰে, প্ৰজাই দুৰ্জ্জন ৰজাক ত্যাগ কৰে, শিষ্যই বিদ্যাশিকি গুৰুক এৰি পেলায়, পক্ষীবোৰে নিষ্ফল বৃক্ষক ত্যাগ কৰে।২৩৪১।। অতিথি আহাৰ ভূঞ্জি গৃহস্থৰ ঘৰ এৰি গুচি যায়, দগ্ধ অৰণ্যত মৃগই বাস নকৰে, নাৰীৰ মনোৰথ পূৰ্ণ নকৰাকৈ উপপতিয়ে এৰিথৈ যায়।২৩৪২।।

কৃষ্ণয়ো সেইদৰে আনক পঠাইছে। এইবোৰ কথা কওঁতে তেওঁলোকৰ চকুলো পৰিবলৈ ধৰিলে। কৃষ্ণদূত উদ্ধৱক দেখি তেওঁতে কৃষ্ণলৈ বাক্য-মন অৰ্পণ কৰিলে।২৩৪৩।। কৃষ্ণৰ বাবে তেওঁলোকে লোকমৰ্যাদা এৰিছিল। তেওঁলোকে উদ্ধৱক বেঢ়ি লৈ কৃষ্ণ-গুণ কীৰ্তন কৰিবলৈ ধৰিলে। কৃষ্ণ কেতিয়াকৈ আহিব বুলি উদ্ধৱক সুধিলে।২৩৪৫।। কৃষ্ণক স্মৰণ কৰি প্ৰেম উপজিল আৰু পতি পুত্ৰ শৰীৰকো তেওঁলোকে পাহৰি গ'ল। কৃষ্ণৰ ভকতি ৰসে তেওঁলোকক মত্ত কৰি তুলিলে। গোপীৰ গাত চেতনা নাইকীয়া হ'ল।২৩৪৬।। কৃষ্ণক ধ্যান কৰি সন্মুখত ভ্ৰমৰক দেখি গোপীয়ে উদ্ধৱক দেখুৱাই ক'লে— 'হে মধুকৰ, তই ধূৰ্ত কুটুম্ব, তোৰ গাত সপত্নীৰ বুকুৰ কুঙ্কুম লাগি আছে। তই মোৰ ভৰি স্পৰ্শ নকৰিবি।২৩৪৭-৪৮।। তই মাধৱৰ কাম সাধন কৰিবলৈ আহিছ, তোৰ যদুপতিয়ে সেই স্ত্ৰীকে মৰম কৰি থাকক।২৩৪৯।। যি স্ত্ৰীৰ বুকুত কুঙ্কুমক লৈ তেওঁ আছে, তাইকে গোবিন্দৰ গুণ শুনোৱা তই কাৰ দূত আমি জানিলো। হে মধুকৰ, কৃষ্ণৰ সমান নিৰ্গুণ পুৰুষ নাই।২৩৫০-৫১।। কৃষ্ণৰ অধৰ মধু অমৃত সমান, আমাক মাত্ৰ এবাৰ হে পান কৰোৱালে, আমাৰ হেঁপাহ নপলালে, সিমানতে আমাক এৰি মথুৰালৈ গমন কৰিলে।২৩৫২।। হে মধুকৰ তই নিকৰুণ, পুষ্পক ঘ্ৰাণ লৈ গুচি গলি, এবাৰলৈও নুসুধিলি। ভকতজনৰ প্ৰতি ছদ্মবেশ ধাৰণ কৰিলি, লক্ষ্মীয়ে কিয় তোৰ পাদপদ্মত সেৱা কৰিলে, নাজানো'।২৩৫৩।।

কোনো জনীয়ে কয় 'মই লক্ষ্মীৰ অৱস্থাৰ কথাও জানো। লক্ষ্মীৰ দৰে আমাৰো একে অৱস্থা হৈছে, আমি অজ্ঞানী।'২৩৫৪।। কোনোজনীয়ে কয়— 'এই ভ্ৰমৰৰ চৰিত্ৰৰ বিষয়ে জনা আছে, কৃষ্ণৰ কথা আৰু নুশুনো, কৃষ্ণৰ কথা আমাক নক'বা।' এই বুলি ভ্ৰমৰক মাত লগালে।২৩৫৫।। সম্প্ৰতি যিজনী নাৰী কৃষ্ণৰ কুটুম, তাইক আলিঙ্গন কৰি যাৰ কুচৰ কুঙ্কুম গুচে, সেইজনীৰ ওচৰলৈ গৈ কৃষ্ণগীত গাবলৈ ভ্ৰমৰক গোপীয়ে কৈছে।২৩৫৬।। তাইহে ভ্ৰমৰৰ মনৰ কামনা দূৰ কৰিব। গোপীয়ে ভোমোৰাক প্ৰতীক হিচাপে লৈ কৈছে যে কৃষ্ণই তেওঁলোকক এৰি থৈ মনোকষ্ট পাইছে আৰু সেই বাবেই ভ্ৰমৰক পঠাই তেওঁলোকক নিবলৈ কৈছে।২৩৫৭।। স্বৰ্গ-মত্য-পাতালৰ যিমানবোৰ সুন্দৰী আছে, কৃষ্ণৰ বাবে সেইসকলক লাভ কৰিবলৈ দুৰ্ল্লভ নহয়। তেওঁ কপটভাব ৰাখি মুখত হাঁহি দেখুৱাই চায়, তেওঁৰ সেই চাৱনিত কোনেনো ভোল যাব?।২৩৫৮।। লক্ষ্মীয়ে দেখোন তেওঁৰ চৰণত সেৱা কৰি থাকোতে, আমাকনো কি কাৰণে নিবলৈ পঠাব? তথাপিতো যদি কৃষ্ণ দয়ালু আৰু সত্যবাদী হয়, তেন্তে কৃষ্ণত ক'ব পাৰিবি।২৩৫৯।।

ভোমোৰাই গোপীৰ ভৰিত পৰা দেখি গোপীয়ে ভৰিৰ পৰা আতৰি যাবলৈ ক'লে। ভোমোৰাই আঁতৰি নোযোৱা দেখি তেওঁ ভাবিলে যে তাক মুকুন্দই শিকাই পঠাইছে মুকুন্দৰ বিশ্বাস নোহোৱাৰ দৰে ভোমোৰাটোৰো বিশ্বাস নাই বুলি তেওঁ কৈছে।২৩৬০-২৩৬১।। 'মুকুন্দই কৰা মন্দকৰ্মৰ বাবে আমি এৰিলো যদিও কৃষ্ণই চঞ্চল চিত্তৰ বাবে আমাক ত্যাগ কৰিলে।২৩৬২।। এনে কৃষ্ণৰ লগত সখিত্ব কৰিবলৈ আমাৰ মন নাই। কৃষ্ণৰ পূৰ্বৰ কথা শুনিছো যে তেওঁ হেনো দশৰথৰ পুত্ৰ ৰাম আছিল। তেওঁ গৰ্হিত কাম কৰিছিল; তেওঁ বালিক বিনা কাৰণত বধ কৰিছিল। মাংস খাবৰ বাবে বাধ্য শৰ মৰাৰ দৰে তেওঁ কপীন্দৰ (বালিৰ) প্ৰাণ লৈছিল। শূৰ্পনখাই পতিৰূপে বৰণ কৰিবলৈ যোৱাত নাক কাণ কটাইছিল। বামন অৱতাৰত তেওঁ বলিৰ পৰা পূজা লৈছিল, বলিয়ে নিজৰ শৰীৰকো বামনক দান দিছিল, পদোদক শিৰত লৈছিল, ভকতি কৰিছিল; তথাপি স্বৰ্গৰ পৰা পাতাললৈ অধোগামী কৰিছিল।২৩৬৩-২৩৬৬।।

কৃষ্ণৰ এনে হিংসা কৰ্ম জগতত জনাজাত হৈ আছে। তেনে কৃষ্ণৰ লগত মিত্ৰতা নকৰিম। তেওঁৰ গুণ-কিয় গাব লাগে? কেশবৰ কথা দুস্ত্যজ।'২৩৬৭।। ধৰ্ম, অৰ্থ, কাম, মোক্ষ লতাৰ দৰে, কৃষ্ণৰ কথাই তাক সম্পূৰ্ণ উঘালে। কৃষ্ণক সুমৰণ কৰি আমি মৰিবলৈহে ধৰিছো। কৃষ্ণৰ চৰিত্ৰ অমৃতৰ তুল্য, তাৰ অকণমানো যদি পীখোৱা যায়, তেতিয়া ৰাগ-লোভ-মোহ নষ্ট হয়। আমি বিষয় সুখত ভ্ৰষ্ট হৈছোঁ।২৩৬৮-২৩৬৯।। কৃষ্ণৰ চৰিত্ৰৰ অমৃতময় কথা শ্ৰৱণ-কীৰ্তন গৃহ আৰু কুটুম্বৰ প্ৰতিও আসক্তি কমে, প্ৰাণ ৰক্ষাৰ বাবেও কেৱল ভিক্ষা কৰিহে চলিবলৈ ইচ্ছা হয়; যেনেকৈ মহাজ্ঞানীয় গৃহসুখৰ প্ৰতি বীতশ্ৰদ্ধ হয়। তৎসত্বেও আশাই জীৱক এৰা নিদিয়ে।২৩৭০।। হে ভ্ৰমৰ এই কথা কৃষ্ণত কিয় নকলা? কৃষ্ণসাৰ হৰিণৰ পত্নীগণে ব্যাধৰ গীত শুনি উত্ৰাৱল মনে তাকে সত্য বুলি মানি ওচৰ চাপি যায় আৰু ব্যাধৰ শৰত প্ৰাণ এৰে। সেইদৰে কৃষ্ণৰ জটিল কুটিল কথাও আমাৰ বিশ্বাস নহয়, গতিকে সেইবোৰ কথা এৰি হে দূত; আন কথা কোৱা।২৩৭৩।। গোপীগণে পুনৰ মধুকৰক ক'লে— 'তোমাক আমি সন্মান কৰোঁ। তুমি আমাক কৃষ্ণৰ ওচৰলৈ কিয় নিবলৈ বিচাৰিছা? আমাৰ তেনে গুণ আৰু উপাধি নাই, আমাক লৈ তেওঁৰ কি উপকাৰ হ'ব?' এই দৰে গোপীয়ে প্ৰেমভাৱে চেতনহীন শৰীৰ-মনেৰে মধুকৰক বহু কথা কয়।

উদ্ধৱে গোপীগণৰ বেদনাসিক্ত প্ৰেম ভক্তি ভৰা কথা শুনি কয়— 'ইয়ালৈ প্ৰাণ বান্ধৱ কৃষ্ণ আহিব। তোমালোক স্বস্ত হোৱা, দামোদৰে সকলোৰে দুঃখ অন্ত কৰিবহি। কৃষ্ণক দেখিবলৈ চিন্তা নকৰিবা। তোমালোক তেওঁৰ প্ৰাণতো অধিক প্ৰিয় হৈ আছা। তোমালোকক স্মৰণ কৰি তেওঁ অধৈৰ্য্য হৈ পৰিছে। সেই বাবেই মোক পঠাই দিছে।' উদ্ধৱৰ এই কথা শুনি তেওঁলোকে কিছু শান্ত হ'ল আৰু পুনৰ ক'বলৈ ধৰিলে—।২৩৭৪-২৩৭৮।।

তেওঁলোকে আনন্দ লভি ক'লে— 'হে উদ্ধৱঙ্গ মাধৱ গুৰু গৃহ এৰি আহিলেনে? তেওঁ অগতিৰ গতি, তেওঁ কুশলে মথুৰাত আছেনে? আমালৈ মাধৱৰ মনত পৰেনে? আমাৰ কথা কয়নে? অগৰু সুগন্ধেৰে ভৰা সেই হাত দুখনি আমাৰ শিৰত কেতিয়াকৈ থবহি?' এনেদৰে কৈ থাকোতে তেওঁলোকৰ চকুৰ পানী সৰ সৰকৈ পৰিল, মাত মাতিব নোৱাৰা হ'ল। ব্যভিচাৰী দুষ্টা গোপৰ যুৱতী সকলৰ সপ্ৰেমা ভকতি বৰ্ণনাতীত। তেওঁলোকৰ কোনো আচাৰ ধৰ্ম, নাই, তথাপি কৃষ্ণৰ প্ৰতি ভকতিত বলিয়া।২৩৭৯-২৩৮২।।

উপদেশ ঃ কৃষ্ণত ভক্তি থাকিলে সুখে সংসাৰ তৰিব পাৰি। কৃষ্ণৰ বাহিৰে মুক্তিদাতা নাই। হৰিভক্তিৰ পৰম গতি অভকত মানুহ অপবিত্ৰ। (তাৰে এটি উদাহৰণ তলত দিয়া হ'ল)।২৩৮৩।।

'ৰান্ধে গৰু মাংস চাণ্ডলিনী সুৰা দিয়া।
মনুষ্যৰ মুণ্ডে আছে তাহাক ঢাকিয়া।।
পুছিলন্ত ইন্দ্ৰে আতি দেখি বিপৰীত।
আতে কৰি কোন বস্তু আছে অপবিত্ৰ।২৩৮৪।।
চাণ্ডালিনী বোলে ইন্দ্ৰ কথা নতু বুজা।
হৰি বিনে কৰে যিটো আনদেব পূজা।
তাৰ চৰণৰ ধূলা পৰিবাক ভৰে।
জানি আনি দিলো আমি ঢাকম উপৰে।২৩৮৫।।
হেন শুনি ইন্দ্ৰে তাইক বচনে সাদৰি।
ৰথে ঢড়ি লড়ি গৈলা আপুন নগৰী।।'

নিকৃষ্ট চাণ্ডালিনীয়ে গৰুমাংস সুৰাৰে ৰান্ধি মানুহৰ মূৰেৰে ঢাকন দি থৈছে। গৰুমাংস, সুৰা মানুহৰ মুণ্ড এইবোৰ অতি নিকৃষ্ট বস্তু। এইবোৰ বস্তুতকৈ নিকৃষ্ট বস্তু লাগে বুলিলে চাণ্ডালিনীয়ে কৈছে। সেই নিকৃষ্টতম বস্তুটো হৈছে 'হৰিভক্তিহীন লোকৰ ভৰিৰ ধূলি। সেইবাবে ইন্দ্ৰই তাইক প্ৰশংসা কৰিছিল। গতিকে হৰিভক্তি কৰা জনৰ মহিমা অশেষ।২৩৮৪-৮৬।।

উদ্ধৱে জানিব পাৰিলে যে কৃষ্ণক চাবলৈ গোপীগণ উত্ৰাৱল হৈ আছে। সেয়ে কৃষ্ণৰ সন্দেশ দি গোপীগণক উদ্ধৱে ক'বলৈ ধৰিলে 'জানো গোপীসব, তোমালোকে একান্তভাৱে কৃষ্ণত নিজকে অৰ্পণ কৰিলা, তোমালোক জগতৰ ভিতৰত শ্ৰেষ্ঠ পূজিতা। তপ-জপ- ব্ৰত-তীৰ্থ-যজ্ঞ-দান আদিয়ে যি ফল সাধে ভকতিয়ে অকলেই ততোধিক গতি সাধিব পাৰে। পতি, পুত্ৰ, গৃহ, শৰীৰ সুহৃদক এৰি তোমালোকৰ চিত্ত কৃষ্ণত মজিলে, তাকে দেখি মই অতি আনন্দিত হ'লো। কৃষ্ণই বিষ্ণু, এওঁ কোটি ব্ৰহ্মাণ্ডৰ পতি। তোমালোকৰ মহাভাগ্য যে তেওঁৰ বিৰহতে তেওঁত ভক্তি সাধন হ'ল। তোমালোক কৃষ্ণৰ পৰম প্ৰিয়, তোমালোকক দেখি মোৰো পৰম লাভ হ'ল।

মাধৱে বহুমান কৰি তোমালোকক বিৰহ এৰিবলৈ কৈছে। তেওঁ কৈ

পঠাইছে— 'কৃষ্ণৰ লগত তোমালোকৰ একে আত্মা, ই কেতিয়াও এৰা এৰি নহয়।

'যেন জল বায়ু পৃথিৱী আকাশ
ব্যাপি আছে চৰাচৰ।
সেই মতে ময়ো মন বুদ্ধি প্ৰাণ
ব্যাপি আছো সমস্তৰ।২৩৯০।।
আপোনাকে পাছে আপুনি সংহৰো
আপুনি মায়াৰ বলে।।
পৰম বিশুদ্ধ গুণহীন মই
জ্ঞানৰূপ আত্মা এক।
মোতে আছে ইটো জগত মই পুনু
জগতৰ ব্যতিৰেক।২৩৯১।।
জাগন সপোনে নিৰ্ভৰ নিদ্ৰাত
ই তিনি মনৰ বৃত্তি।
মনৰ নিৰোধ তিনিও গুচয়
আত্মাত মিছা প্ৰকৃতি।।
যেন সোপনক পুৰুষে চিন্তয়
ঘুমটিৰ পৰা জাগি।
সেহিমতে মনে অনুক্ষণে স্মৰে
মিছা বিষয়ক লাগি।২৩৯২।।

২৩৯০ ৰ পৰা ২৩৯২ পদ পৰ্য্যন্ত উদ্ধৱে পৰমতত্ব গোপীৰ আগত দাঙি ধৰিছে— 'কৃষ্ণ পৰমাত্মা, গোপীকুল জীৱাত্মা, আত্মা আৰু পৰমাত্মাৰ এৰা এৰি নাই। জলবায়ু-পৃথিৱী, আকাশ-চৰ-অচৰ সকলোতে পৰমাত্মা ঈশ্বৰ ব্যাপ্ত হৈ আছে। এয়া বাহ্যিক ব্ৰহ্মাণ্ডত ভগৱন্তৰ অৱস্থিতি। ক্ষুদ্ৰ ব্ৰহ্মাত অৰ্থাৎ শৰীৰৰ ভিতৰতো পৰমাত্মাই মন-বুদ্ধি প্ৰাণ হিচাবে ব্যাপ্ত হৈ আছে। মন-বুদ্ধি প্ৰাণ একত্ৰে আত্মা।

তেওঁ পৰমাত্মা, পৰমাত্মাই নিজতে জীৱজগত সৃষ্টি কৰে, নিজে পালন কৰে আৰু নিজে সংসাৰ কৰে তিনিগুণত তিনি প্ৰধান দেৱতা হৈ তেওঁ প্ৰৰম বিশুদ্ধ অৰ্থাৎ বিকাৰহীন, গুণৰহিত, জ্ঞানৰূপী আত্মা। এই জ্ঞানৰূপী আত্মা তেওঁতে বিৰাজি আছে আৰু তেওঁ সেই আত্মাতে সোমাই আছে। তেওঁ বাহিৰত গুৰুৰূপে, ভিতৰতো গুৰুৰূপে জীৱ দেহক অনুগ্ৰহ কৰি আছে। জাগ্ৰত স্বপ্ন আৰু সুষুপ্তি মনৰ এই তিনি অৱস্থাত তেঁৰে বিভক্ত হৈ থাকে। মনক দমন কৰিলে আত্মা দৰ্শন হয়। মনে বিষয়ত লাগি থাকে। বিষয় সপোন। সপোন ভাগিলে সপোনত পোৱা বস্তু মিছাহে পৰে, সেইদৰে বিষয়জ্ঞান নোহোৱা হ'লে পৰম্পৰা জ্ঞানৰ উদয় হয়।

গতিকে মনক নিয়মন কৰি, এলাহ নকৰি, সংসাৰ বান্ধ ছিঙিবলৈ যত্ন কৰা। সংখ্যাজ্ঞান, যোগ, স্বধৰ্ম,সন্ন্যাস, তপৰ ফলো এয়ে। সকলো নদী সাগৰত মিলিযোৱাৰ দৰে সকলোপথেৰে গৈ ভগৱানক পোৱা যায়। পৰমসুন্দৰ সৰ্বগুণাকৰ তেওঁ কেতিয়াও এৰি নগ'লহেঁতেন, তেওঁ কৰ্মলীলা থকাৰ বাবে গ'ল যদিও তোমালোকক ধ্যানত তেওঁ দেখি আছে আৰু গোপীগণেও ধ্যান কৰি তেওঁক দেখি থাকিবলৈ কৈছে। সেইবাবেই ইমান দূৰলৈ আহিলো, তোমালোকে বেজাৰ এৰা। প্ৰিয়স্বামী বিদেশলৈ গ'লে নাৰীৰ মনত দুঃখ লগাটো স্বাভাৱিক। সদায় দেখি থাকিলে আকৰ্ষণ কমি যায়। সেইবাবে কৃষ্ণ দূৰত আছেগৈ বুলি কৈছে। 'সমস্ত বিষয় এৰি মোকে পাবা।' এয়া কৃষ্ণৰ গোপীসবলৈ আহবান। 'মোৰ ওচৰলৈ আহিবলৈ যত্ন কৰিছিল, স্বামী সকলে বান্ধি ৰখাৰ বাবে আহিব নোৱাৰি মোৰ ৰূপ চিন্তি প্ৰাণ এৰি মোতে লীন গৈছিল। (গোপী কেইজনীমানে ৰাসক্ৰীড়াৰ সময়)। তেওঁলোকে সংসাৰৰ পাশছিঙি মোক লভিছিল। এই কথা তোমালোকে নিশ্চয় জানা। একাচিতে সি মোৰ গুণ গাই ফুৰে, মই কৌমদকী গদা ধৰি তেওঁক ৰক্ষা কৰি ফুৰোঁ। মই ভকতিত তুষ্ট হৈ মোকে দি দিওঁ।' কৃষ্ণ কৃপাময়, ভকতৰ বাবে তেওঁ সদায় আকুল। সেইবাবে উদ্ধৱক গোকুললৈ পঠাই গোপীক শান্ত্বনা দিছিল।

**উপদেশ ঃ**

সেইবাবে কৃষ্ণৰ চৰণ কমলত একচিত্তে ভক্তি কৰা উচিত। আমাৰ আয়ু যাব ধৰিছে, কৃষ্ণ কথা চিন্তা কৰি সময় অতিবাহিত কৰা উচিত। মানুহৰ জীৱন লাভ কৰাৰ এয়ে উদ্দেশ্য। নিজে ঈশ্বৰৰ নাম লোৱা আৰু আনকো উদ্ধাৰ কৰা উচিত।২৩৯৩-২৪০১।।

উদ্ধৱৰ মুখে কৃষ্ণৰ মুখৰ কথাখিনি শুনি গোপীসকলে কিছু শান্তি পালে আৰু উদ্ধৱক কুশলে আছেনে? মাক-বাপেকক পাই তেওঁ আনন্দমনেৰে

আছেনে? যাদৱ বংশৰ শত্ৰু কংস দুৰাচাৰ সসৈন্যে মৰাত আমি আনন্দ পালো। কৃষ্ণৰ বিষয়ে বিভিন্ন কথা উদ্ধবক প্ৰশ্ন কৰে। নগৰৰ নাৰীগণৰ প্ৰতি কৃষ্ণৰ প্ৰেম-প্ৰীতি কেনে তাকো জানিবলৈ বিচাৰে। গোপীগণৰ লগত বনত কৰা ক্ৰীড়া কেলিৰ কথা কৃষ্ণই কেতিয়াবা কয়নে? কোনো কোনো গোপীয়ে দীৰ্ঘ নিশ্বাস তেজি অতীতৰ আনন্দৰ দিনবোৰৰ কথা ব্যক্ত কৰে। কৃষ্ণৰ লগত কৰা ক্ৰীড়া কৌতুক, কৃষ্ণই কৰা মৰম-চেনেহ, আলিঙ্গনৰ কথা, ৰাসক্ৰীড়াৰ মধুৰ স্মৃতি-বিজড়িত কথাবোৰ তেওঁলোকে কৈ বিষাদৰ মাজতে আনন্দ কৰে। সেই কৃষ্ণৰ অৰুণ চৰণ পুনৰ দেখিবলৈ পাবনে? তেওঁলোকৰ চকুলো বৈ আহে। কৃষ্ণ পদপঙ্কজক হৃদয়ত ধৰি তেওঁলোকে মৌন হৈ ৰয়।২৪০২-২৪১১।।

কোনো কোনো গোপীয়ে উদ্ধবক সোধে— প্ৰাণৰ বান্ধৱ কৃষ্ণ ব্ৰজলৈ আহিবনে? আমাক বিৰহৰ জুয়ে পুৰি মাৰিছে। কৃষ্ণই আমাক হাতেৰে স্পৰ্শ কৰি জীয়াব। আমাৰ প্ৰাণ মধুৰ বচনেৰে প্ৰাণবন্ত কৰি তুলিব।' কোনো জনীয়ে কয়— 'কৃষ্ণ মথুৰা এৰি ঘূৰি নাহে; কিয়নো কংসৰ ভয়ত হে মথুৰাত থাকি মনৰ হেঁপাহ পলাইছে। তাত সুহৃদ সকলক তেওঁ পাইছে, নগৰীয়া মহিলাৰ সান্নিধ্য পাইছে; গতিকে গোপীৰ কাৰণে কিয় চিন্তা কৰিব?' কোনো কোনো গোপীয়ে পাৰমাৰ্থিক ভাবে মন্তব্য আগবঢ়াই কৈছে 'কৃষ্ণ পূৰ্ণকাম, জগতৰ ঈশ্বৰ, আমি বনচাৰী, ৰাজভাৰ্যাগণ আৰু লক্ষ্মীৰ প্ৰয়োজন কৃষ্ণৰ থাকিব নোৱাৰে। আমি কৃষ্ণক পোৱাৰ আশা নকৰোঁ। যদিও মনে নামানে।' আন গোপীয়ে ক'লে 'আশা কৰাতকৈ নিৰাশা কৰাহে সুখ। পিঙ্গলা বেশ্যাই আশা কৰি দুঃখহে পালে, আশা ত্যাগ কৰাত হে পৰম শান্তি-সন্তোষ্টি লভিলে। তথাপি কৃষ্ণক আশা নকৰাকৈ থাকিব নোৱাৰোঁ।' এগৰাকী গোপীয়ে ক'লে — 'যাৰ লক্ষ্মীৰ প্ৰতি ইচ্ছা নাই, তেওঁৰ হিয়াৰ পৰা দেখোন লক্ষ্মী আতৰি নাযায়। কৃষ্ণ যশে সংসাৰ বাসনা উচ্ছেদ কৰে যদিও কৃষ্ণৰ কথা নুশুনাকৈ থাকিব নোৱাৰি।' কোনোৱে কয়— 'পাহৰি থাকিলে মনত দুঃখ নালাগে, তথাপি কৃষ্ণক পাহৰিব পৰা নাযায়। বৃন্দাবনে পুনঃপুনঃ স্মৃতিবোৰ সোঁৰৰাই দিয়ে। যমুনা গিৰি গোবৰ্দ্ধন আদিয়ে অতীতক সোঁৰৰায়।২৪১২-২৪২২।। পৰি থকা কৃষ্ণৰ পদচিহ্নবোৰে কথাবোৰ পাহৰণিৰ পৰা বুটলি আনে। তাকে দেখি চিত্ত ব্যাকুল হৈ উঠে। আমাৰ বুকু যেন ফুটি যায় শোকত। মাধবক কিমতে পাহৰিম? তেওঁ মহালীলা কৰি কটাক্ষ নয়নে চাই আমাৰ মন মোহিলে।' বিৰহ তাপত জৰ্জৰিত হৈ তেওঁলোকে হা কৃষ্ণ হা কৃষ্ণ বুলি আৰ্তনাদ কৰিলে। শোক সাগৰত পৰি তেওঁলোকৰ চেতনা হেৰাই গৈছে, তেওঁলোকক উদ্ধাৰ কৰিবলৈ ভকতৰ ভয়হাৰী কৃষ্ণক পাবলৈ তেওঁলোকে মাধবক স্মৰণ কৰিলে।২৪২৩-২৪২৮।।

গোপীৰ এনে মৰ্ম্মন্তুদ বিলাই দেখি উদ্ধবৰ চকুৰ পানী ওলাল। তেওঁ গোপীগণক মাতি প্ৰবোধ দিবলৈ অপ্ৰাণ চেষ্টা কৰিলে। তেওঁ ক'লে — 'তোমালোকে শোক পৰিহাৰ কৰা। কৃষ্ণক তোমালোকে লগ পাবা। তোমালোকৰ বাবেও কৃষ্ণ অতি ব্যাকুল হৈ আছে। তেওঁ ভকত বৎসল, তোমালোকৰ দুখ অচিৰে খণ্ডন কৰিব। তোমালোকৰ ভাগ্য ভাল, তোমালোকে গোবিন্দক জয় কৰিলা। পুত্ৰ-স্বামী-গৃহ সকলো কৃষ্ণৰ বাবে এৰিলা, নিৰন্তৰে কৃষ্ণত মন-প্ৰাণ চিত্ত কৃষ্ণত অৰ্পণ কৰিলা। মই তোমালোকৰ দৰে ভক্তাৰ চৰণ দেখিবলৈ পাই পৰম ভাগ্যবান হ'লো।'

উদ্ধবৰ প্ৰবোধ বাণীত গোপীসবে বিৰহৰ তাপ কিছু পৰিমাণে এৰিব পাৰিলে। তেওঁলোকে প্ৰজ্ঞা ঘূৰাই পালে আৰু সকলোৱে উদ্ধবক সতকাৰ কৰিলে, তেওঁকেই কৃষ্ণ বুলি মানি গন্ধে-পুষ্প-ধূপে-দীপে পূজিলে। গোপীগণৰ বিৰহ অগ্নি নিৰ্বাপিত কৰি ৰাতিটো তেওঁ ব্ৰজতে বঞ্চিলে।২৪২৯-২৪৩৫।।

উদ্ধৱে ওৰে ৰাতি কৃষ্ণ-লীলা কথা কৈ সকলোৱে মনত আনন্দ দি থাকিল। গোপীসবেও উদ্ধবৰ কাষতে বহি কৃষ্ণ কথা মধু পান কৰি থাকিল। এইদৰে উদ্ধব যিমান দিন ব্ৰজত বাস কৰিলে সিমান দিন, সিমান ৰাতি গোপীগণৰ মনত ক্ষন্তেক সময় যেনহে লাগিল।

ৰাত্ৰি দিনে গোপীসবো নেৰে সন্নিহিত।
আনন্দে উদ্ধবে কন্ত কৃষ্ণৰ চৰিত্ৰ।২৪৩৬।।

বিকশিত বৃন্দাবন, গিৰি গোবৰ্দ্ধন, কালিন্দী নদী দেখি উদ্ধবে কৃষ্ণৰ কথা চিন্তি মহানন্দত নিমগ্ন হ'ল। গোপীগণে কৃষ্ণগীত গালে, উদ্ধবে চকুলো টুকিলে। তেওঁৰ তনু ৰোমাঞ্চিত হ'ল, 'হেৰা পাইলো কৃষ্ণ' বুলি চিঞৰি উঠে। গোপীসকলকে কৃষ্ণ গ্ৰাহে গ্ৰাস কৰা দেখি উদ্ধবে শুদ্ধ নয়নে কেৱল চাবলৈ ধৰিলে। উদ্ধবে 'মই কৃষ্ণ মই কৃষ্ণ' বুলি কৃষ্ণলীলা কৰিবলৈ ধৰিলে। তেওঁ নীৰৱ হৈ পৰি পৰি যায়, আনন্দ মূৰ্তিক স্মৰণ কৰি হৃদয় অধীৰ হয়।২৪৩৬-

২৪৪১।।

পৰম ভক্তিত সৰ্বতনু তেওঁৰ পুলকিত হৈ উঠে। কৃষ্ণত প্ৰাণ-মন-চিত্ত অৰ্পণ কৰে আনবোৰৰ গাৰো চেতনা হেৰাই যায়। গোপীগণৰ এনে উত্তম ভকতি দেখি উদ্ধৱে পৰম তৃপ্তি লাভ কৰিলে। তেওঁ সকলোকে পৰিপৰি নমস্কাৰ কৰিলে।২৪৪২-৪৩।।

উপদেশ ঃ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে মানৱ সমাজক কৈছে হৰিভকতি পৰম সম্পদ। ইন্দ্ৰ আৰু ব্ৰহ্মায়ো কালৰ হাত এৰাব নোৱাৰি। হৰি ভকতিয়েহে যমৰ যাতনাৰ পৰা ত্ৰাণ কৰে।২৪৪৪।। পুত্ৰ-দাৰা-ধন-জনাদি মায়াৰ ৰচনা। এইবোৰ পৰিহাৰ কৰি হৰিৰ চৰণত ভজিব লাগে। মৃত্যু ক'ত কেতিয়া সংঘটিত হ'ব ক'ব নোৱাৰি। সেই সেতু হৰিকীৰ্তন; শ্ৰৱণ কৰা উচিত।২৪৪৫।। কলিযুগত ইয়াৰ বাহিৰে ধৰ্মনাই; এয়ে যুগ ধৰ্ম অনুসৰি শাস্ত্ৰৰ মৰ্ম্মকথা। চাৰিযুগৰ ভিতৰত কলিযুগ শ্ৰেষ্ঠ; কাৰণ এই যুগত কেৱল শ্ৰৱণ-কীৰ্ত্তন কৰি দুৰ্ঘোৰ সংসাৰ তৰিব পাৰি।২৪৪৬।। সত্যাদি যুগৰ লোকে আশা কৰে কেতিয়াকৈনো কলি যুগ আহিব আৰু সেই যুগত মানবীজন্ম ল'ব পৰা যাব।২৪৪৭।। কলিযুগত নৰতনু লাভ কৰা দুৰ্লভ মানবী জনম কোটি কল্পৰ অন্ততো পাবলৈ টান। কৃষ্ণৰ কৃপাত হে মানবীজন্ম লাভ হয়। সেই কাৰণে কৃষ্ণত ভকতি কৰিব লাগে। মাধৱত নামগুণ পৰম বান্ধৱ। শ্ৰবণ কৰিলেই পুণ্য অৰ্জন হয়। হৰিনাম এৰিলেই পাপে আগুৰি ধৰে বাবে হৰিনাম নিৰন্তৰে ল'ব লাগে।২৪৪৯।।

**৯০। হৰিভক্তিৰ প্ৰশংসা ঃ**

পৰম ভক্ত গোপীসকলক উদ্ধৱে প্ৰশংসা কৰি ক'লে যে তেওঁলোকে ভাৰতত সফল জন্ম গ্ৰহণ কৰিলে। জগতৰ অন্তৰ্যামী ঈশ্বৰপুৰুষক গোপবধূগণে প্ৰেমভাৱে ভক্তি কৰি তৰি গ'ল।২৪৫০।। এনে প্ৰেমময়ী ভক্তি কৰিবলৈ সকলো ভক্তই বাঞ্ছা কৰে। ব্ৰহ্মাৰো দুৰ্ল্লভ পৰমপদ গোপীগণে লাভ কৰিলে। সি সকল কৃষ্ণকথাত ৰসিক, তেওঁলোকে ব্ৰাহ্মণ জন্ম পাব নালাগে। হৰি ভক্তিত যাৰ শ্ৰদ্ধা আছে, তেওঁ যতেই জনম নলওক তেওঁ নৰৰ ভিতৰতে উত্তম।২৪৫১।।

জাতি কুলাচাৰ ধৰ্মই সাধিব নোৱাৰা কাম, জ্ঞানৰ গৰ্ব্বৰ দ্বাৰাও সাধিব নোৱাৰো। কাম অজ্ঞানী, অজাতি, পাপীয়ে কৃষ্ণক ভজি পৰম মহৎ কাৰ্য সাধন কৰিব পাৰে। গোপীগণ স্ত্ৰীজাতি হৈয়ো, ব্যভিচাৰী হৈয়ো কৃষ্ণক প্ৰেমভক্তি কৰি পৰমভক্তা হ'ল।২৪৫২।।

মহা মহা পাপীগণেও নিতে একান্ত চিত্তে শ্ৰৱণ-কীৰ্ত্তন কৰক আৰু নাৰায়ণে তেওঁলোকৰ পৰম কল্যাণ সাধন কৰিব। কৃষ্ণই ভকতি পথত কোনো আচাৰ-নীতি অৱলম্বন নকৰিলেও হয়। কিয়নো অমৃত পাই পান কৰিলে তেওঁ অজৰ অমৰ হ'বই।২৪৫৩।। কৃষ্ণৰ লগত গোপীগণে ৰাস ক্ৰীড়াত কৃষ্ণৰ সান্নিধ্য লাভ কৰি পৰম প্ৰসাদ লভিলে।

দেৱতাৰ পৰম পবিত্ৰ ৰমণীগণেও কৃষ্ণক দেখিবলৈ নাপায়, লক্ষ্মীয়ে কৃষ্ণৰ বক্ষস্থলত থাকিও কৃষ্ণৰ প্ৰসাদ লাভ কৰিবলৈ সমৰ্থ হ'ল। গোপীৰ চৰণ ৰেণুও বৃন্দাবনৰ তৃণবনত লাগি থাকে আৰু সেই তৃণৰ পৰশ লাভ কৰিব পাৰিলেও লোকধন্য হয়। গোপীৰ দৰে পৰমভক্তৰ চৰণৰেণুও মহামূল্যবান প্ৰসাদ।২৪৫৪-৫৫।। এই গোপীগণে কৃষ্ণৰ বাবে যথাসৰ্বস্ব এৰি কৃষ্ণক কেৱল মহাশ্ৰদ্ধাৰে ভক্তি কৰিছিল। চাৰিও বেদে যাক বিচাৰি লগ নাপায়, সেই গুপ্তবিত্ত কৃষ্ণক গোপীগণে ভক্তিৰে কাষতে পালে।

ৰাসক্ৰীড়াৰ সময়ত কৃষ্ণৰ পদ পঙ্কজ গোপীগণে নিজৰ স্তনৰ ওপৰত স্থাপন কৰিবলৈ সক্ষম হৈছিল। এনেকৈ পদস্থাপন কৰি তেওঁলোকে কৃষ্ণৰ মহান প্ৰসাদ লভিছিল। তেওঁলোকৰ মহিমা বৰ্ণাই উদ্ধৱে আনন্দ লভিছিল। হৰিদাসে ভূমিত পৰি কৃতাঞ্জলি কৰিছিল গোপীসবক এইদৰে মহাভক্ত উদ্ধৱে ব্ৰজৰ গোপীৰ চৰণৰ ৰেণু পাবলৈ প্ৰাৰ্থনা জনাইছিল।২৪৫৬-৫৮।।

**৯১। উদ্ধৱৰ বিদায় গ্ৰহণ ঃ**

উদ্ধৱে ভালেমান দিন গোকুলত থাকি গোপীসকলক মাতি আনি আৰু নন্দাদি গোপকুমাৰক সমবেত কৰি সকলোৰে পৰা বিদায় ল'বলৈ বিচাৰিলে। তেওঁ ৰথত উঠি যাওঁতে গোপিনীগণে আকুল চিত্তে অতি অনুৰাগেৰে দধি, দুগ্ধ আদি উপায়ন যাচিলে। নন্দ, যশোদা আদি ব্ৰজবাসীয়ে সলোতক নয়নে চাই ক্ৰন্দন কৰিলে। তেওঁলোকে উদ্ধৱক ক'লে— 'কৃষ্ণক আমাৰ সেৱা দিবা, তেওঁৰ চৰণত যেন আমাৰ সদায় মতি থাকে। আমি সদায় তেওঁৰ নামকে হৃদয়ত ধৰি থাকিম। তেওঁৰ অনুগ্ৰহৰ পৰা যাতে বঞ্চিত নহওঁ। আমি ঈশ্বৰৰ আজ্ঞাতে য'তে জন্ম নলওঁ লাগিলে, তাতেই তেওঁৰ নাম লৈ আমি জীয়াই থাকিম। কৃষ্ণৰ চৰণৰ বাহিৰে আমি আৰু আনত শিৰ নথওঁ'।২৪৫৯-৬২।।

'ঈশ্বৰ কৃষ্ণত আমাৰ নির্মল ভকতি যেন চিৰকাল ৰওক।' গদগদ বাক্যৰে তেওঁলোকে উদ্ধবক অর্চ্চনা কৰিলে। কৃষ্ণৰ পৰমভক্ত গোপীগণৰ পৰা মহা মান্যপাই মথুৰালৈ ৰথ চলাই উদ্ধৱ আগবাঢ়িল। গোপ-গোপীগণে কৃষ্ণক সুমৰি আর্ত্তৰাৱে চিঞৰি থাকিল। গোকুল কৃষ্ণ ধ্বনিয়ে মুখৰিত হ'ল।২৪৬৩-৬৪।। ব্রজৰ লোকৰ প্রেমভাব দেখি হৰিদাসে ৰথতে কান্দিলে। ৰথলৈ চাই চাই গোকুলবাসীয়ে হুৰাওৰাৱে কান্দিয়েই থাকিল হাঁ হাঁ কৃষ্ণ বুলি।২৪৬৫।।

গোকুলৰ গোপীগণৰ আচৰিত ভক্তি সুমৰি সুমৰি উদ্ধব যাবলৈ ধৰিলে। এইদৰে গৈ গৈ তেওঁ মথুৰা পালেগৈ আৰু কৃষ্ণৰ চৰণত পৰি ৰাম-কৃষ্ণক ব্রজৰ সকলো কথা ক'লে।২৪৬৬-৬৭।। নন্দ-যশোদাৰ কাৰুণ্য, গোপীগণৰ বিৰহ-দুখৰ কথা শুনি ৰাম-কৃষ্ণই অধোমুখে ৰ'ল; ভকতৰ ক্লেশ শুনি চকুলো টুকিলে। তাৰ পাচত ৰজা উগ্রসেনৰ ওচৰত নন্দৰ বাতৰি উদ্ধৱে প্রদান কৰিলে।২৪৬৮।। উদ্ধৱে কৃষ্ণৰ চৰণ চিন্তি ৰজাৰ পৰা বিদায় ল'লে।২৪৬৯।।

**৯২। কবিৰ উপদেশ ঃ**

সর্বজনে একচিত্ত মনে কৃষ্ণক চিন্তা কৰক; তেতিয়াহে মহা আপদসমূহ দূৰ হ'ব। এয়ে সমস্ত ধর্মৰ সাৰ। কলিত তৰিবৰ বাবে ইয়েই একমাত্র পথ।২৪৭০।।

'হৰিগুণ নাম ধর্ম অনুপাম
আক দৃঢ় মনে ধৰি।
শ্রৱণ কীর্তন কৰা অনুক্ষণ
যি যাইবা সংসাৰ তৰি।
ইটো নৰতনু ভাগ্যে পাইলা পুনু
আক ব্যর্থ কৰা কিক।
বিষয়ৰ ভোলে যেন কাঞ্চমোলে
অজ্ঞানী বিকৈ মানি।২৪৭১।।
পৰম দুল্লভ নৰ তনু নৌকা
সুহৃদ আতি সুসাৰ।
উপদেশ দাতা গুৰুভৈলা আত
সুজান দৃঢ় কাণ্ডাৰ।।
কৃষ্ণে অনুকূল বায়ু হুয়া সুখে
আপুনি কৰন্ত পাৰ।
হেনা জানি যিটো নতৰে আপুনি
দুর্ঘোৰ ইটো সংসাৰ।'২৪৭২।।

'হৰিগুণ নাম' অনুপম ধর্ম। শ্রৱণ-কীর্ত্তন ইয়াৰ সুগম মার্গ। নৰতনু ভগৱানৰ দান। বিষয়ত নৰতনু নলগাই ভগৱানৰ নামত লগাব লাগে। সংসাৰ মহাসাগৰ নৰতনু সংসাৰ সাগৰত উঠি যোৱা নাও। নাৱৰ উপদেষ্টা গুৰু, তেওঁ সুজান কাণ্ডাৰী। কৃষ্ণ নাওখন লৈ যোৱাৰ অনুকূল বায়ু। এইখন ভক্তি নৌকা। ইয়াত উঠি ভৱসংসাৰ তৰিবলৈ কবিয়ে উপদেশ দিছে নৰ সমাজক।২৪৭১-৭২।।

যি নৰে এই তত্ত্ব উপলব্ধি নকৰে তেওঁ আত্মঘাতীহে মৰে। তেওঁ কোটি কোটি জন্ম যমৰ যাতনা ভূগি অতীষ্ঠ হয়।

'জানি হৰি পাবে ধৰা শুদ্ধভাবে
অন্তকে পাইলেক পৰা।
এড়ি আন কাম বোলা ৰাম ৰাম
সুখে ভবনদী তৰা।'২৪৭৩।।

দশমৰ শেষত মহাপুৰুষ শঙ্কৰদেৱে সমস্ত সমাজক এই মহার্ঘ বাণী দান কৰিছে। 'হৰি পাৰত ধৰা, শুদ্ধচিতে ধৰা, মৃত্যুৱে টানি আছে, আনকর্ম এৰা, ৰাম-ৰাম-একনাম কীর্তন কৰা, সংসাৰ-নদী সুখেৰে পাৰহৈ যোৱা' বুলি কবিৰ সামৰণি শ্লোক —

শ্লোক — "যথাদৃষ্টং তথা লিখিতং লেখকে নাস্তি দূৰণম্।
ভীমৌস্যাহপি ৰণে ভঙ্গং মুনিনাঞ্চ মতিভ্রমঃ।।"

অর্থাৎ — 'যি দেখিছোঁ, তাকেহে লিখিছোঁ, লেখকৰ দোষ নাই।
ৰণত ভীমো কেতিয়াবা পৰাজয় হয়, মুনিৰো মতিভ্রম হয়।

০০০০০০০

# পৰিশিষ্ট

## (ক) কঠিন শব্দাৰ্থ ঃ প্ৰাসঙ্গিক টোকা আদি ঃ

পদ সংখ্যা —১

যদু — যদু + ষ্ণ = যাদৱ, কৃষ্ণ যদু বংশত জন্মাৰ্ৰ বাবে যাদব বোলে। যদুসকলৰ ভিতৰত শ্ৰেষ্ঠ কাৰণে কৃষ্ণক যদুপতিও বোলে।

মাধৱ — 'মা' মানে লক্ষ্মী + 'ধৱ' মানে স্বামী, লক্ষ্মীৰ স্বামী, মাধৱ। মাধৱেই কৃষ্ণ, লক্ষ্মীয়েই ৰুক্মিণী।

জনাৰ্দ্দন — জন অৰ্দ্দন; 'জন' মানে মায়া 'অৰ্দ্দন' সংহাৰ কৰোঁতা, ভগবানৰ যাদুকৰী শক্তিয়েই 'মায়া'; মায়া ঈশ্বৰৰ অধীন, ভগবান মায়াৰ গৰাকী। 'জনা' নামে মায়াক মৰ্দ্দন কৰে বাবে ভগবানক জনাৰ্দ্দন বোলে। কৃষ্ণ ভগৱানৰ পূৰ্ণ অৱতাৰ 'কৃষ্ণস্তু ভগৱান্ স্বয়ম্'। জনাৰ্দ্দন শব্দই কৃষ্ণক বুজাইছে। সমস্ত জীৱ মায়াৰ অধীন, ভগবান মায়াধীশ। ব্ৰহ্মাই প্ৰথম জীৱ। ব্ৰহ্মা-শিৱ মায়াৰ অধীন।

হৃষীকেশ — হৃষীক ঈশ, 'হৃষীক' ইন্দ্ৰিয়গণ অৰ্থাৎ জ্ঞানেন্দ্ৰিয়। চকু-কাণ-নাক-জিভা জ্ঞানেন্দ্ৰিয়। 'ঈশ' মানে ঈশ্বৰ। ইন্দ্ৰিয়বোৰ ভগৱানে পৰিচালনা কৰে। ইহঁত ভগবানৰ অধীন। গীতাশাস্ত্ৰত আছে— 'ত্বয়া হৃষীকেশ হৃদিস্থিতেন যথা নিযুক্তিহস্মি তথা কৰোমি' অৰ্থাৎ তুমি ইন্দ্ৰিয়ৰ গৰাকী, তুমি যেনেকৈ নিযুক্ত কৰিবা, মই তেনেকৈ কৰিম। ইন্দ্ৰিয় ১৪ বিধ। ই দুভাগত বিভক্ত, অন্তৰেন্দ্ৰিয় আৰু বহিঃইন্দ্ৰিয়। মন-বুদ্ধি-চিত্ত-অহঙ্কাৰ অন্তৰেন্দ্ৰিয় আৰু পঞ্চজ্ঞানেন্দ্ৰিয় ও পঞ্চকৰ্মেন্দ্ৰিয় বহিঃইন্দ্ৰিয়।

ইন্দ্ৰিয়

| অন্তৰেন্দ্ৰিয় | বহিঃইন্দ্ৰিয় |
|---|---|
| মন +বুদ্ধি +চিত্ত +অহঙ্কাৰ | পঞ্চজ্ঞানেন্দ্ৰিয়-চকু, কাণ, নাক, জিভা,ছাল<br>পঞ্চকৰ্মেন্দ্ৰিয়-হাত, ভৰি, মুখ, গুহ্য, লিঙ্গ। |

সদাশিৱ — সৰ্ব মঙ্গলময়, মঙ্গল প্ৰদান কৰোঁতা, কল্যাণ কৰোঁতা।

সনাতন — (সদা + তন) চিৰকাল বিৰাজমান, চিৰস্থায়ী, নিত্য, ভগৱানৰ বাহিৰে সকলোবোৰৰ আদি-অন্ত আছে। ভগবান বা ব্ৰহ্ম সত্য, বাকীবোৰ অসত্য। ব্ৰহ্ম ত্ৰিসত্য
(১) সৃষ্টিৰ আদিত ব্ৰহ্ম থাকে,
(২) সৃষ্টিৰ বৰ্তমানত ব্ৰহ্ম থাকে,
(৩) সৃষ্টিৰ অন্তত ব্ৰহ্ম থাকে,
অতীত + বৰ্তমান + ভবিষ্যত তিনি কালত থাকে বাবে ভগবান 'সনাতন' 'আদি মধ্য অবসানেষু হৰি সৰ্বত্ৰ গীয়তে।' আদি বা অতীত সৃষ্টিৰ পূৰ্বে, বৰ্তমান জগত সৃষ্টি হোৱাৰ পাছত বা মধ্যত, জগত সৃষ্টিৰ পৰৱৰ্তী কালত ভৱিষ্যত।

প্ৰণত তাৰুণ — শৰণাগত, ভগৱানক ভক্তি কৰাজনক ভগৱানে পৰিত্ৰাণ কৰে। তাকে ভাগৱতত 'পোষণ' বোলে। বল্লভাচাৰ্য মাৰ্গে ইয়াক 'পুষ্টি' বোলে। ভগৱানত শৰণ লোৱাজন প্ৰণত বা ভক্ত, তেওঁক ভগৱানে উদ্ধাৰ কৰিবই।

নাৰায়ণ — নাৰ অয়ন নাৰায়ণ; 'নাৰ' মানে পানী, 'অয়ন' মানে বাস কৰা স্থান অৰ্থাৎ জলত শয়ন কৰি থকা ভগৱান। অনন্ত-মানে পৰম ভক্ত, অয়ন মানে ক্ষীৰসাগৰ অৰ্থাৎ হৃদয়ত থকা ভক্তিভাৱৰ লগত আত্মাৰূপে থকা নাৰায়ণ। 'ক্ষীৰ সাগৰ' মানে ভক্তিসাগৰ।

নিৰাকাৰ — নিঃ আকাৰ। ভগৱানৰ কোনো আকাৰ বা আকৃতি নাই। ব্ৰহ্ম মূৰ্তিশূন্য। 'অব্যক্ত ঈশ্বৰ হৰি.... এতাৱন্ত মূৰ্তিশূন্য' নাম ঘোষা।

অৱতাৰ — 'অবতৃণ' শব্দৰ পৰা ওলোৱা। অবতৃণ মানে অবৰোহণ, তললৈ নামি অহা। ভগবান নিৰাকাৰ হ'লেও ভক্তক সহায় কৰিবলৈ নানাৰূপলৈ বৈকুণ্ঠৰ পৰা মৰ্ত্যলৈ নামি আহে। 'অপ্রপঞ্চাৎ প্রপঞ্চে অৱতাৰনং অবতাৰঃ।' 'অপ্রপঞ্চ' মানে বৈকুণ্ঠ, প্রপঞ্চ মানে মায়া-সংসাৰ। গীতাত কৃষ্ণই নিজেই কৈছে— 'যদা যদাহি...যুগে যুগে।' বুলি ভগৱানে সত্যযুগত মৎস্য, কূৰ্ম্ম, নৰসিংহ, বৰাহ অবতাৰ, ত্রেতাযুগত বামন, পৰশুৰাম, শ্রীৰাম অৱতাৰ, দ্বাপৰত হলি ৰাম (পূৰ্ণব্রহ্মৰূপে কৃষ্ণ), কলিত বুদ্ধ ৰূপে আৰু কলিৰ অন্তত কল্কি ৰূপে অবতাৰ হ'ব। তদুপৰি অংশ, বিভূতি কলাৰূপে ১৪ টা অৱতাৰ মুঠ (১৪+১০) = ২৪ অৱতাৰ ভগৱানে ধৰিছে।

কৃষ্ণ — কৃষ্ণৰ গাৰ বৰণ নীলা বা ক'লা। মথুৰাৰ বসুদেৱৰ ঔৰষত দৈবকীৰ ৮ ম গৰ্ভত দ্বাপৰৰ শেষভাগত ভাদ মাহৰ ৰোহিনী নক্ষত্রত অষ্টমী তিথিত কৃষ্ণই অবতাৰ লয়। এওঁ বিষ্ণুৰ একবিশেষ ৰূপ। তেওঁৰ বহুতো নাম আছে। কৃষি, সংসাৰ + ন, মুক্তি। কৃষি-ভূ-বাচক 'নশ্চ নিবৃত্তিবাচক 'তযোৰৈক্যং পৰং ব্রহ্ম কৃষ্ণ ইত্যাভিধীয়তে।'

ভগৱন্তৰ ৬ ভাগ — ঐশ্বৰ্য, বীৰ্য, যশ, শ্রী, জ্ঞান, বৈৰাগ্য এই ছয়গুণৰ অধিকাৰী জনকেই ভগযুক্ত ভগৱান বোলা হয়।

**পদ নং — ২**

নিধি নিধান — আধাৰ, ধনৰত্ন, গচ্ছিতধন, ন্যাস, সঞ্চিতধন।

হৰি — যি মায়া, মমতা, দুঃখ, পাপ, হৰণ কৰিব পাৰে, কৃষ্ণ।

**পদ নং — ৩**

মহাভাৰত — অষ্টাদশ পুৰাণৰ ভিতৰত সূৰ্যস্বৰূপ শ্রীমদ্ভাগৱত পুৰাণক মহাভাগৱত বোলা হয়। ইয়াৰ ভক্তিবাদ আৰু সাহিত্যিক মূল্যবোধ গভীৰ। ৯ ম শতিকা মানত ৰচিত। দাক্ষিণাত্যত এই পুৰাণ ৰচিত হৈছিল বুলি কোৱা হয়। কোনোৱে দক্ষিণ ভাৰতৰ মন্দিৰবোৰৰ চাৰিখন দুৱাৰক গোপুৰম বোলা হয়। দ্রাবীড় দেশত ভাগৱত ৰচিত হৈছিল বুলি পোৱা যায়।

মূঢ় — মূৰ্খ, অজ্ঞান।

কেহো — কোনোৱে।

মহাপাপ — পঞ্চ মহাপাতক -ব্রহ্মহত্যা, সুৰাপান, ব্রাহ্মণৰ স্বৰ্ণচুৰি গুৰুভাৰ্যা গমন, গোহত্যা।

পদ নং — ৪

মনুষ্য — মনুৰ পুত্র, মানৱ।

সূচী — বেজি।

তাৰে — ত্রাণ কৰে।

পদ নং — ৫

মহাজ্ঞানী — আত্মজ্ঞানী, আত্মজ্ঞ, তেওঁলোকে ব্রহ্মক সত্য, জগৎ মিছা বুলি জানে বাবে মহাজ্ঞানী। শ্রৱণ-কীৰ্তনৰ দ্বাৰা ভক্তিজ্ঞান জন্মে, জ্ঞানৰ পৰা বৈৰাগ্য আহে।

পদ নং — ৮

দুৰ্ঘোৰ সাগৰ সেনাবল কৌৰবৰ — কৌৰবৰ এঘাৰ অক্ষৌহিনী সৈন্যক সাগৰৰ লগত তুলনা কৰিছে। সাগৰৰ পানীত কুম্ভীৰ, মগৰ আদি থাকি সাগৰৰ ভয়াবহতা গভীৰ কৰি তোলাৰ দৰে কৌৰবৰ সৈন্যবাহিনীত দ্রোণ, ভীষ্ম আদি কুম্ভীৰ মগৰৰ দৰে। পাণ্ডৱে কৃষ্ণনৌকা পাই কৌৰবৰ বিপুল বাহিনীক জয় কৰিছিল।

পদ নং ৯

মোৰ দেহা — উত্তৰাৰ গৰ্ভস্থ পৰীক্ষিতৰ দেহ।

দ্রোণী — (দ্রোণ + ষিত)- দ্রোণৰপুত্র অশ্বত্থামা।

ইষ্টদেৱ — উপাস্যদেৱ, উপাসনা কৰিবলগীয়া দেৱতা।

দামোদৰ — (দাম + উদৰ) - দাম মানে পঘা, উদৰ মানে পেট। যশোদায়ে পঘাৰে কৃষ্ণক পেটত বন্ধাৰ বাবে পেটত থকা চিহ্ন। তাৰ পৰা তেওঁৰ নাম 'দামোদৰ' হয়।

পদ নং — ১৪

ত্রিদশ — (ত্রি + দশ) ত্রিশকোটি দেৱতা। তিনি কোটি গন্ধৰ্ব মিলি ত্রেত্রিশ কোটি দেৱতা।

ক্ষীৰোদধি — সাত সাগৰৰ এখন সাগৰ, এঁৱাগাখীৰৰ সাগৰ। দেবাসুৰে

মন্থন কৰা সাগৰ।

পদ নং — ১৮

মহামায়া — বিষ্ণুৰ আদেশমতে মহামায়াই দৈৱকীৰ ৭ ম গৰ্ভ ৰোহিনীৰ গৰ্ভত স্থাপন কৰে আৰু যোগমায়া নামলৈ জন্ম গ্ৰহণ কৰে। কংসই বধ কৰিবলৈ লোৱাত হাতৰ পৰা এৰাই যায় আৰু তেওঁ মহামায়া, কুমুদা, চণ্ডিকা, কৃষ্ণ, মাধবী, মায়া, নাৰায়ণী নাম লৈ পূজা সেৱা খাই ফুৰে।

পদ নং — ২১

বসুদেৱ — মথুৰাৰ সুৰ যদুপতিৰ পুত্ৰ বসুদেৱ। বসুদেবৰ পুত্ৰ (বসুদেৱ+ ষ্ণ) = বাসুদেৱ (কৃষ্ণ) নাম হৈছে। ইতিহাসৰ দৃষ্টিৰে পৌণ্ড্ৰৰ ৰজাই বাসুদেব উপাধি লৈছিল। কৃষ্ণই পৌণ্ড্ৰকক বধ কৰি এই উপাধি গ্ৰহণ কৰে।

পদ নং — ২৩

বাঘজৰী — অৱগ্ৰহ বা লেগাম শব্দৰ পৰা 'বাঘ' শব্দৰ সৃষ্টি। 'বাঘ' শব্দৰ লগত জৰীশব্দটো লগাই বাঘজৰী কৰি প্ৰকাশ কৰা হৈছে। 'বাঘজৰী' মানে ইয়াত মৃত্যুক বুজোৱা হৈছে। জন্ম হ'লেই মৃত্যু আছে। মৃত্যু মানে পৰিবৰ্তন। নিশ্চিত মৃত্যুক বাৰণ কৰিবলৈ গৈ পাপকৰ্ম কৰা অনুচিত। কংসই মৃত্যুৰ ভয়ত অনেক পাপকৰ্ম কৰিলে। দৈবকীক হত্যা কৰিলে কংসৰ মহাপাপ হ'ব আৰু মৃত্যুকো বাধা দিব নোৱাৰিব। জীৱ কৰ্মবন্ধনৰ বাবে জীয়াই থাকে। জীৱাত্মাৰ মৰণ নাই। নামৰূপ ধাৰী জীৱৰ মৰণ আছে, জীৱাত্মাৰ ধ্বংস নাই। কৰ্মবন্ধন শেষ নোহোৱালৈকে জীৱাত্মাই সংসাৰ চক্ৰলৈ অহাযোৱা কৰি থাকে। জীৱন-মৰণৰ মাজত পাৰ্থক্য নাই। মৃত্যু মানে পুনৰ জন্ম। এয়ে বাঘজৰী।

পদ নং — ৩৯

অশ্বাশ্বত জীৱন লাভ কৰি আনৰ দ্ৰোহ কৰা অনুচিত। পৰজন্মত তাৰ ফল ভয়াবহ হয়।

হৰিভক্তিৰ মহিমা — হৰিভক্তৰ মায়া-মমতা, কামনা-বাসনা নাথাকে, জগতত সকলো কাম কৰিব পাৰে, মোক্ষ বা মুক্তিও লাভ কৰিব পাৰে। কংসৰ বিপৰীত বসুদেব পৰম বৈষ্ণৱ; কিয়নো তেওঁ সত্যৰক্ষা কৰি নিজ পুত্ৰসমূহক ঘাতক কংসৰ হাতত তুলি দিছিল।

পদ নং — ৪১

মন্যু — খং, ক্ৰোধ।

পদ নং — ৫২

আসৰিশ — অসদৃশ, সাদৃশ্য নোহোৱা।

পদ নং — ৫৪

সংকৰ্ষণ — মহামায়াই দৈবকীৰ গৰ্ভ সংকৰ্ষণ কৰি ৰোহিনীৰ গৰ্ভত স্থাপন কৰে বাবে বলৰামক সংকৰ্ষণ নামেৰে জনা যায়। বলৰাম আচলতে হৰিভক্ত অনন্ত আছিল। অনন্ত ই ত্ৰেতাযুগত লক্ষ্মণ, দ্বাপৰত বলোৰাম আৰু কলিত মাধৱ নামেৰে পৰিচিত হয়।

পদ নং — ৬১

সত্যব্ৰত — সত্যই যাৰ একমাত্ৰ কৰ্ম বা ব্ৰত।

মোক্ষৰ সাধন — মুক্তি লাভ, বিষ্ণু ভক্তিতহে মোক্ষ সাধন হয়। অন্য দেৱতাই মুক্তি দিব নোৱাৰে।

ভগৱান ত্ৰি-কালজ্ঞ, ত্ৰিসত্য — তিনি কালৰ অধিকাৰী, তিনিকালতে সত্য।

মহদাদিতত্ব — মহত্ব আদি তত্ব, ২৪ মহাতত্ত্ব, প্ৰকৃতি, মন, বুদ্ধি, অহঙ্কাৰ, পঞ্চ, মহাভূত, দশ ইন্দ্ৰিয়, পঞ্চতন্মাত্ৰ।

অহঙ্কাৰ তিনিবিধ — সাত্বিক, ৰাজসিক, তামসিক। তামসিক অহঙ্কাৰৰ পৰা পঞ্চমহাভূত, পঞ্চজ্ঞানেন্দ্ৰিয়, পঞ্চকৰ্মেন্দ্ৰিয় পঞ্চতন্মাত্ৰৰ সৃষ্টি। পৰম ব্ৰহ্মই বিষ্ণু, তেওঁৰে কৃষ্ণৰূপে দৈবকীৰ গৰ্ভত বাস লয়। ভক্তিজ্ঞান— বৈৰাগ্যৰ সংযোগত কৰ্মবন্ধন নাশ হয় আৰু মোক্ষ লাভ হয়। মোক্ষদাতা বিষ্ণু। বিষ্ণুক ভক্তি কৰিলে জ্ঞান উপজে। জ্ঞানৰ পৰা বৈৰাগ্য আহে। তেতিয়া মোক্ষ লাভ হয়। জগত ধ্বংস হ'বৰ সময়ত মহদতত্ব সমূহ আৰু জীৱ-সূক্ষ্মৰূপে প্ৰকৃতিত লীন হয়, প্ৰকৃতি পৰম ব্ৰহ্মাৰ শৰীৰত প্ৰবেশ কৰে। জগত সৃষ্টিৰ সময়ত ব্ৰহ্মাৰ চিৎ শক্তি স্বৰূপ পুৰুষ প্ৰকৃতিৰ সংযোগত ২৪ তত্বৰ সৃষ্টি কৰে।

পদ নং — ৬৩

প্ৰকৃতি আশ্ৰয় — পৰিদৃশ্যমান জগতখনক এজোপা গছৰ লগত তুলনা কৰা হৈছে। এই গছ জোপাৰ মূল উৰ্দ্ধৰ ফালে, শাখা অৰ্দ্ধৰ ফালে ‘উৰ্দ্ধং মূলং অধং শাখাঃ’ গছ জোপাক কোৱা হয় —“দ্বৈত প্ৰপঞ্চং বৃক্ষ ৰূপকেন নিৰূপয়ন্তি।”

সংসাৰ বৃক্ষৰ দুটা ফল — সুখ আৰু দুঃখ।

মূল (শিপা) — তিনিগুণঃ সত্ত্ব-ৰজ-তম্।

চাৰিৰস — চাৰি অৰ্থ, ধৰ্ম-অৰ্থ-কাম-মোক্ষ।

শিপা — ইন্দ্ৰিয় বল, ইন্দ্ৰিয়ই জীয়াই ৰাখে। জ্ঞানেন্দ্ৰিয় আৰু কৰ্মেন্দ্ৰিয়।

গছৰ আত্মা — ছয় উৰ্মি শোক-মোহ-জৰা-মৃত্যু- ক্ষুধা, পিপাসা।

ছাল — সপ্ত ধাতু- ৰস, ৰক্ত, মাংস, মেদ, মজ্জা, শুক্ৰ।

শাখা বা ডাল — অষ্ট প্ৰকৃতি— পঞ্চমহাভূত-মন-বুদ্ধি-অহঙ্কাৰ।

পাত — দশবায়ু-প্ৰাণ-অপ্ৰাণ-সমান-উদান-ব্যান, দেবদত্ত, কৃকৰ-কুৰ্ম-ধনঞ্জয়-নাগ

মহাজ্ঞানী — তত্বজ্ঞানী, মায়া-অবিদ্যাৰ পৰা দূৰত থকা জন।

অপণ্ডিত — মায়া আৰু অবিদ্যাৰ দ্বাৰা বিমোহিত জন।

পদ নং — ৬৬

নামৰ সাত কাৰ্য —
(১) পাপ নষ্ট কৰে।
(২) পুণ্য অৰ্জ্জন কৰে।
(৩) বিষয়ত বিৰক্তি জন্মায়।
(৪) কৃষ্ণত প্ৰেম-ভক্তি জন্মায়।
(৫) পৰম জ্ঞান লাভ হয়।
(৬) মায়া-অবিদ্যা নাশ হয়।
(৭) লীন মুক্তি লাভ হয়।

পদ নং —৭৭

শ্ৰীবৎস পান্তি — বিষ্ণু (কৃষ্ণৰ) বুকুৰ দক্ষিণ ফালে থকা বগা কেঁকোৰা নোমৰ শাৰী, পান্তি-শাৰী)।

কৰত — হাতত।

দীপিতি — পোহৰ, দীপ্তি।

সূতি গৃহ — কেঁচুৱা জন্মহোৱা ঘৰ।

পদ নং — ৭৯

সপটে — সবস্ত্ৰে, বস্ত্ৰ সহ।

পদ নং — ৮১

পুৰুষ পুৰাণ — ঋকবেদৰ পুৰুষ সূক্তত বৰ্ণনা কৰা মূলপুৰুষ ঈশ্বৰ, বিষ্ণু বা নাৰায়ণ।

পদ নং — ৮২

ব্ৰহ্ম আৰু ৰূদ্ৰ — পৰমাত্মাৰ দুটা ৰূপ।

পদ নং — ৮৯

পৰম ব্ৰহ্ম — বিশ্ব প্ৰপঞ্চ বা পৰিদৃশ্যমান জগতখন মহাপ্ৰলয়ৰ পাছত সূক্ষ্মৰূপ ধাৰণ কৰি ব্ৰহ্মত লীন হয়। মহাপ্ৰলয়ত ২৪ তত্ত্ব প্ৰকৃতিত মিলি যায়, প্ৰকৃতি পৰম ব্ৰহ্ম বা পৰম পুৰুষত মিলি যায়। ভগৱন্তই মহাকালৰ সৃষ্টি কৰি জগৎ ধ্বংস কৰে। কালে সৃষ্ট জীৱৰ আয়ুস হ্ৰাস কৰি আনে। জন্ম-মৃত্যু চক্ৰ ঘূৰ্ণীয়া। জন্ম হয়, পুনৰ মৃত্যু হয়। জন্ম হোৱাই সৃষ্টি, জীৱিত কাল স্থিতি আৰু ধ্বংস কালেই লয়। কালে এই তিনি অৱস্থা নিয়ন্ত্ৰণ কৰে। ভগৱানে সৃষ্টি কৰা এই মহাকাল শক্তিৰ দ্বাৰা জগত সৃষ্টি-স্থিতি-সংহাৰ কৰি আছে। এই পৰম ব্ৰহ্মকেই সগুণ ‘ব্ৰহ্ম’, ‘নাৰায়ণ’ ৰূপে লোৱা হৈছে। পৰম ব্ৰহ্ম নিৰাকাৰ, নিৰ্গুণ, নিৰ্বিকাৰ তেওঁৰ এই ৰূপহীন অৱস্থাক নিৰ্গুণ ব্ৰহ্ম বোলা হয়। নিৰ্গুণে গুণধাৰণ কৰিলেই ‘সগুণ’ হয়।

পদ নং — ৯১

নিচুক — নিঃ শব্দ, নিমাত।

পদ নং — ৯৫

বাহ্ণ — বাৰ সংখ্যা।

পদ নং — ৯৯

নিহল — শিকলি।

বজাইবে — বাহিৰলৈ ওলাবলৈ।

পদ নং — ১০১

আটোপ টঙ্কাৰে — অতি প্ৰবলভাৰে, বল বিক্ৰমেৰে।

হাঙ্গাৰ — হেঙাৰেৰে, ছুটে আঁতৰি যোৰা, খোলখোৰা।

পদ নং — ১০২

সৰ্পৰাজে — বাসুকিয়ে।

পদ নং — ১০৩

বজোৰাৰ — প্ৰকাণ্ড শব্দেৰে উঠাতো।

পন্থ — পথ,

সিন্ধুৰাজে — সাগৰে।

পদ নং — ১১৩

অনেক কাৰ্পূণ্য কৰি — অশেষ কাতৰ বা অনুৰোধ কৰি।

পদ নং — ১১৫

আন্ত — কনিষ্ঠ

আঞ্চল পাতি — আচল পাতি।

পদ নং — ১১৬

চাৰী নিলাজী তিৰোতা

ভৰচন্তে — গালি পাৰি।

পদ নং — ১২১

দৈবকীৰ ছয় তনয় — কংসই বধ কৰা ছয় পুত্ৰৰ নাম — কীৰ্তিমন্তং, সূযেনঞ্চ, ভদ্ৰসেন মদাবধীং, মৃদুং সমৰ্দ্ধনং ভ্ৰদং সাঙ্কৰ্থন মহীশ্বৰম্।।

পদ নং — ৬১২২

পঞ্চভূতীদেহ — ক্ষিতি-মাটি, অপ-পানী, তেজঃ অগ্নি, মৰুৎ-বায়ু, ব্যোম—আকাশ, পঞ্চভূতেৰে দেহ তৈয়াৰ হৈছে। এইদেহ নামৰূপধাৰী, দেহত থকা আত্মা-অজৰ-অমৰ, দেহ-মৰণশীল।

বিমৰিষ — চিন্তা কৰা, ভবা।

পদ নং — ১২৩

আমি — চকু

পদ নং — ১৩০

চৈধ্যশাস্ত্ৰ — শিক্ষা, কল্প, নিৰুক্ত, ছন্দ, জ্যোতিষ। ৰীতি-নীতি, শ্ৰুতি, স্মৃতি, মীমাংসা, তৰ্ক, কলাপ, ত্বক, ন্যায়।

পদ নং — ১৩১

ৰণছেৰ — যুদ্ধত পিছপৰা, পৰাজিত।

পদ নং — ১৩৩

টাই — অহঙ্কাৰ, দৰ্প।

ভাথৰ — ভতুৰা।

পদ নং — ১৩৫

আযুধি — দৰব, ঔষধ।

পদ নং — ১৪০

সপটে — বস্ত্ৰেৰে, কাপোৰৰ সৈতে

পদ নং — ১৪৩

নটে-ভাটে — নটে-নৃত্য কৰা, ভাটে-বাৰ্তা বহনকৰা, দূত। তোষামোদ কাৰীকো 'ভাট' বোলা হয়।

চপয় — বিষ্ণুক স্তুতি কৰা চাৰিপদ যুক্ত শ্লোক।

দুন্দুভি — ডাঙৰ নাগেৰাৰ দৰে বাদ্য যন্ত্ৰ।

ভেৰী — মুখেৰে বজোৰা বাদ্য।

গোষ্টক — গৰুবন্ধা ঠাই, গোহালি।

পদ নং — ১৪৫

ফালি — মূৰত মেৰাই লোৱা কাপোৰ।

লোতয় — ওলমি থকা।

পদ নং — ১৪৬

উৰুক-মূৰক — আনন্দত অধীৰহৈ।

পদ নং —১৪৭

আখিত — চকুত

শিখে — শিৰত, সেওঁতাত।

বলয়া — খাৰু।

পদ নং — ১৪৮

নেটখোন্টা জালি — এবিধ পাটৰ শাৰী।

পদ নং — ১৫০

গুণ্ডি — গুৰি।
সিঞ্চে — সিঁচি বা ছটিয়াই দিয়া।

পদ নং —১৫৩

নীৰ — চকুলো
ঝৰে — নিগৰি ওলোৱা

পদ নং — ১৫৮

আউৰ — আৰু

পদ নং — ১৬০

বলাই — বলভদ্ৰ

পদ নং — ১৬৩

আন্তপোচা — কনিষ্ঠ, পেট মোচা।

পদ নং — ১৬৭

শকট — গাড়ী

পদ নং — ১৭১

নিতম্ব — তপিনা
কৃশকটি — সৰু কঁকাল।

পদ নং — ১৭৩

ছাৱালক — কেঁচুৱা।

পদ নং — ১৭৮

হেম্পচয় — হেচি ধৰা, হেচা মাৰি ধৰা।
চেঞ্চাই — চিঞৰি

পদ নং — ১৮০

বেন্তবাই — মুখমেলি,
লাঙ্গলৰ ঈশ — নাঙলৰ ফাল।

পদ নং — ১৮৫

ৰক্ষামন্ত্ৰ — ৰাশিবন্ধন
আসটি-কুসটি — আতৌপুতৌ
মেহ্লাইলা — মেৰালে
নোৰাইল — গা-ধুৱালে।

পদ নং — ১৮৬

দেৱাই ভৈল — ভূত-প্ৰেতে পালে বুলি।
গোময় — গোবৰ।

পদ নং — ১৮৭

শ্ৰুতি পাই — জ্ঞান পাই
অজ — যাৰ জন্ম নাই, বিষ্ণু।
মণিমন্তে — কৌস্তভমণি, বিষ্ণু

পদ নং — ১৮৮

অচ্যুত — যাৰ পৰিবৰ্তন নাই, যি খহি নপৰে। বিষ্ণু।
হয়গ্ৰীব — ঘোঁৰাৰ ডিঙিৰ দৰে বিষ্ণুৰ এক অবতাৰ। ভগবান বিষ্ণুৱে এনে অৱতাৰ লৈ যোগনিদ্ৰাত সলিলৰ মাজত শুই আছিল। এওঁৰ পৰাই ভগৱানে ‘মই বহু হম’ বুলি চিন্তা কৰাত তেওঁৰ নাভিকমলৰ পৰা ব্ৰহ্মা উদ্ভব হৈ সহস্ৰদল পদ্মৰ ওপৰত উপবিষ্ট হয়। পদ্মৰ মধ্যস্থ দুটোপাল জলৰ পৰা মধু আৰু কৈটভ নামৰ দুটা দৈত্যৰ জন্ম হয়। দৈত্যদ্বয়ে সনাতন বেদ বলেৰে কাঢ়ি আনি ৰসাতলত প্ৰবেশ কৰে।ব্ৰহ্মাই বেদ উদ্ধাৰৰ বাবে বিষ্ণুক স্তুতি কৰে। স্তুতিত বিষ্ণুৱে যোগনিদ্ৰাৰ পৰা উঠি হয়গ্ৰীৱ-শিৰোধৰ মূৰ্তি ধৰি ৰসাতললৈ গৈ মধু আৰু কৈটভক বধ কৰি বেদ উদ্ধাৰ কৰে।
কেশৱ — (কে + শৱ)— ‘কে’ মানে পানী, ‘শৱ’ মানে মৰাশ। পানীত মৰা শৱৰ দৰে পৰিথকা কেশীক বধ কৰাৰ বাবেও ভগবানক কেশৱ বোলে।
উৰুক্ৰম — ভগৱানৰ বামন অৱতাৰ। নিৰুজ-নিৰোগী।

পদ নং —১৯০

নাৰায়ণ — (নাৰ + অয়ন) জগত সৃষ্টিৰ পূৰ্বে পৰমব্ৰহ্মাই নিজৰ শৰীৰৰ পৰা ওলোৱা জলৰ ওপৰত শয়ন কৰি থকাৰ দৰে আছিল

বা ভগৱানক নাৰায়ণ বোলে।

শ্বেতদ্বীপ পতি — শ্বেত দীপ- চন্দ্ৰদ্বীপ। বিষ্ণুৰ ধান, বিষ্ণু।

পৃষ্ণিগৰ্ভ — প্ৰজাপতি সুতপাৰ ঔৰষত আৰু পৃষ্ণিসতীৰ গৰ্ভত জন্ম লাভ কৰা পুত্ৰক পৃষ্ণিগৰ্ভ বোলে।

যোগেশ্বৰ — শিৱ, বিষ্ণু।

পদ নং — ১৯১

মধূসুদন — মধু আৰু কৈটভক বধ কৰোঁতা বিষ্ণু। শ্ৰীপতি —‘শ্ৰী’ মানে লক্ষ্মী, লক্ষ্মীৰ পতি বিষ্ণু।

পদ নং — ১৯৩

লণ্ডি-ঘুণ্ডি — লাৰি-চাৰি

পদ নং — ২০৬

গণ্ডুৰ — হাতৰ তলুৱাৰ ঠোলাত ধৰা পানী।

পদ নং — ২০৮

অঙ্গ পৰিবৰ্ত্ত — কেঁচুৱা উবুৰি হোৱা উৎসৱ।

পদ নং — ২১৩

ঋচ — ঋক মন্ত্ৰ।

পদ নং — ২১৫

বাত মাগুলি — বা’ মাৰলি।

পদ নং — ২২৩

লৰৰা যম — বুঢ়াযম।

পদ নং — ২২৫

খুই — খুলি,

একুতি — এক পুত্ৰিকা, এটা মাত্ৰ সন্তান থকা তিৰোতা।

পদ নং — ২২৯

ঢেল — চকুৰ বগা ভাগ।

নিকলিল — বাহিৰ ওলাল।

পদ নং — ২৩০

ত্ৰিপুৰ — ত্ৰিপুৰ শিবৰ দ্বাৰা নিধন হয়, তিনি অসুৰ ভাতৃ।

পদ নং — ২৫০

ঘাঘাৰ — জুনুকাৰ ধ্বনি।

কৰ্দ্দম — বোকা।

পদ নং — ২৫২

লাজত — নেগুৰত

পদ নং — ২৫৪

বজাত — বাহিৰ হৈ যায়।

পদ নং — ২৬৪

মূৰাৰি — ‘মূৰ’ + অৰি = মূৰ নামৰ অসুৰৰ শত্ৰু, বিষ্ণু, মূৰ নিধনকাৰী।

পদ নং — ২৬৫

চাণ্ড — দুষ্ট।

পদ নং — ২৬৬

ভৰাসন্ত — ভয় প্ৰদৰ্শন কৰে।

সদাগিৰি — সাধুগৃহস্থ।

ভৰ্চ্ছি — মলত্যাগ কৰি, শৌচ কৰি।

পদ নং — ২৬৯

সসাগৰা মহী — সাগৰৰ সৈতে পৃথিৰী বা মহী।

পদ নং — ২৭৯

ক্ষৌম — পাট, চিল্ক।

নিতম্ব — তপিনা।

মেখলা — কঁকালত পিন্ধা কাপোৰ।

আটি — টানকৈ

পদ নং — ২৮০

স্ৰবে — ক্ষৰিত হোৱা, নিজৰি ওলোৱা।

পদ নং — ২৮২

অৰুণ অধৰ — ৰঙাওঠ।

পদ নং — ২৮৩

হাণ্ডী — হাড়ী, মাটিৰ পাত্ৰ।

খুপি — কোঠাত

পদ নং —২৮৫

পোষণ বানৰে — পোহনীয়া বান্দৰে।

জুম্পিজুম্পি — লাহে লাহে।

পদ নং — ২৮৭

শ্ৰোণী — তপিনা

পদ নং — ২৯০

ভৰ্চ্ছিয়া — ভৰ্ৎসনা কৰি, গালিগালাজ পাৰি। পূৰ্বাপৰ-আদি অন্ত হীন।

পদ নং —৩০০

নাগ — মতা হাতী।

পদ নং — ৩০১

শ্ৰীমদে — ধন, ঐশ্বৰ্য আদিৰ বাবে অহঙ্কাৰ। মদান্ধ

পদ নং — ৩০৭

জাতিস্মৰ — পূৰ্ব জন্মৰ কথা সুঁৱৰিব পৰা।

পদ নং — ৩০৮

গুহ্যক — যক্ষ, কুবেৰৰ অনুচৰ।

পদ নং — ৩০৯

টেৰ কৰি — বেঁকা কৰি।

পদ নং — ৩১০

চণ্ড — প্ৰচণ্ড

পদ নং — ৩১২

অচিন্ত্য প্ৰভাৱ — যি জনৰ প্ৰভাৱৰ বিষয়ে চিন্তা কৰিব নোৱাৰি।

পদ নং — ৩১৩

ছন্ন — আবৰি থকা।

পদ নং — ৩১৫

মালাৰী — ল'ৰা-ছোৱালীৰ খেল বিশেষ।

পদ নং — ৩৩৬

কামনা-বাসনাৰ নদী— মানুহৰ ছয় ৰিপু হৈছে কাম-ক্ৰোধ-লোভ-মোহ-মদ-মাৎসৰ্য। কামনা-বাসনা-লোভ-মোহ আদিক নদীৰ লগত তুলনা কৰা হৈছে। দৌলত, ধন আদিবোৰে নদীৰ পানী, কামনাৰ অন্ত নাই; কামনাৰ পৰা তৃষ্ণাৰ উদ্ভৱ হয়। নদীৰ অসংখ্য ঢৌবোৰ অন্তহীন কামনা-বাসনা। ছয় ৰিপু নদীৰ ঘড়িয়াল, মগৰ আদি। ঈশ্বৰ সম্বন্ধে কৰা তৰ্কবিতৰ্কবোৰক অগম্য অৰণ্যৰ লগত তুলনা কৰা হয়। হাবিৰ-বনৰ অন্ত নাই, তৰ্কৰো অন্ত নাই। তৰ্কেৰে ঈশ্বৰক পাব নোৱাৰি; বিশ্বাস আৰু ভক্তিৰেহে পাব পাৰি।

পদ নং — ৩৪০

ঘাগি — আশ্ৰয় বা মূল।

পদ নং — ৩৪৫

বৎস পাল — গৰখীয়া।

কাছতে — ওচৰতে।

পদ নং — ৩৪৬

সিহৰন্ত — চিঞৰা।

পদ নং — ৩৪৭

লুকাদিল — পলাল।

কপিত্থ — ঔ-গছ।

পদ নং — ৩৫৭

বাইল — বজালে,

ওবা — হেৰা (ওবা নৰলোক)

পদ নং — ৩৬৮

তহিৰো — তাৰ পৰা।

পদ নং — ৩৬৯

খেকট কৰি দাঁন্ত— দাঁন্ত নিকটাই।

পদ নং — ৩৭০

দৈৱত — দেৱতা।

পদ নং — ৩৮০

গোৰক্ষ — গৰখীয়া।

পদ নং — ৩৮৪

আন্টা পাইল — অনুমান কৰিলে, গম পালে।

পদ নং — ৩৯৮

আম্বয় — সদৃশ, নিচিনা।

পদ নং — ৪০২

বেতৰিত — কাযলতিত।

বেৰটিত — টঙালিত।

পদ নং — ৪০৭

লতাক সান্ধিত — লতাৰ জোপোহাত।

নিহালি — দেখি।

পজাল — খোজ।

পদ নং — ৪২০

কুড় — গাত ঘঁহা মচলা বিশেষ। তেল- কুড়।

কষায় — ৰসবিশে।

পদ নং — ৪২২

প্ৰলম্পিয়া — সোলকি গৈ, বৈ গৈ।

পদ নং — ৪২৭

ৰস বিভাবন — ৰস অনুভৱ, ৰসাস্বাদন।

নীৰ — পানী।

পদ নং — ৪৪০

বোকণ্ডাক — পিয়নি এৰা পোৰালি।

পদ নং — ৪৫০

দড়দড়ি — সোনকালে, তৎক্ষনাৎ।

পদ নং — ৪৫৪

চটি — অহঙ্কাৰ, গৰ্বভাব।

পদ নং — ৪৫৮

নিৰুজ — বেমাৰ নোহোৱা, সুস্থ।

পদ নং — ৪৬০

বয়ন — মুখ, বদন।

চাৰু — ধুনীয়া।

পদ নং — ৪৬২

অষ্ট ঐশ্বৰ্য্য — (১) অনিমা, (২) লঘিমা, (৩) প্ৰাপ্তি, (৪) মহিমা, (৫) প্ৰাকাস্য, (৬) ঈশিত্ব, (৭) বশিত্ব, (৮) কামবসায়িতা।

অনিমা — দেবতা বা সিদ্ধপুৰুষে নিজৰ শৰীৰক সূক্ষ্ম কৰিব পৰা গুণ।

লঘিমা — নিজৰ শৰীৰক অতি পাতল কৰিব পৰা ক্ষমতা।

প্ৰাপ্তি — ইচ্ছানুসৰি লাভ কৰিব পৰা বা সকলোকে গতি কৰিব পৰা ক্ষমতা।

প্ৰাকাস্য — স্বচ্ছন্দ অনুবৰ্তিতা ৰূপ-ঐশ্বৰ্য।

মহিমা — নিজ শৰীৰক স্থূল কৰিব পৰা ক্ষমতা।

ঈশিত্ব — সকলোৰে ওপৰত প্ৰভূত্ব বিস্তাৰ কৰিব পৰা ক্ষমতা।

বশিত্ব — সকলোকে বশ কৰিব পৰা ক্ষমতা।

কামাবসায়িতা — ইন্দ্ৰিয় দমন কৰিব পৰা শক্তি।

চৌবিশতত্ব — (১) প্ৰকৃতি ১

(২) পঞ্চ জ্ঞানেন্দ্ৰিয় (চকু, নাক, কাণ, জিভা, ছাল) ৫

(৩) পঞ্চ কৰ্মেন্দ্ৰিয় (হাত, ভৰি, মুখ, গুহ্য, লিঙ্গ) ৫

(৪) পঞ্চ তন্মাত্ৰ (ৰূপ, ৰস, শব্দ, গন্ধ, স্পৰ্শ) ৫

(৫) পঞ্চ মহাভূত (মাটি, পানী, অগ্নি, আকাশ, বায়ু)৫

(৬) তিনি অন্তৰেন্দ্ৰিয় (মন, বুদ্ধি, অহঙ্কাৰ) ৩

মুঠ — ২৪

৩ গুণ সত্ব, ৰজঃ, তম — (২৪+৩) = ২৭ তত্ব।

ছয়তৰ্ক — ছয় দৰ্শন— বেদান্ত, বৈশেষিক, যোগ, মিমাংসা, সাংখ্য নৈয়ায়িক।

পদ নং — ৪৭৪

নাঘালে — অপকাৰ নকৰে।

পদ নং — ৫০৪

নৈয়ে — নাই।

পদ নং — ৫২৫

বান্টন্ত — পিঁটিকি দিয়া

পদ নং — ৫২৬

শয্যাক বিছায় — বিচনা পাৰি দি।

পদ নং — ৫৩৯

উভিলেক লাঞ্জ— নেজ ওপৰলৈ তুলি।

পদ নং — ৫৪৪

পৰমত — বেচি জোৰেৰে।

পদ নং — ৫৪৫

ওচাই — ওপচি পৰা।

পদ নং — ৫৪৮

লোহান্তি — লোৰ অস্ত্ৰ, কটাৰী।

পদ নং — ৫৫২

বৰছে — বমি কৰে।

পদ নং — ৫৫৩

ইচিতি — ইচ্ছা কৰাত।

পদ নং — ৫৫৫

সচন্দ — সুগম।

পদ নং — ৫৫৭

গোধূলি ধূসৰ — গৰুৰ খোজৰ ধূলিৰে মলিয়ন হোৱা ধূলিৰে।

পদ নং — ৫৫৯

ইক্ষণ — দৃষ্টি।

পদ নং — ৫৬৮

তৃষাত — তৃষ্ণাত

পদ নং — ৫৯১

কাঞ্চি — কঁকালত পিন্ধাহাৰ,

জঙঘা — আঁঠুৰ তলভাগ।

পদ নং — ৫৯২

উঝান্তি — ভৰিৰ আঙুলিত পিন্ধা অলঙ্কাৰ।

পদ নং — ৫৯৪

আউডালন্ত — মেলিদিয়া, প্ৰসাৰিত কৰি দিয়া।

পদ নং — ৫৯৫

দুতয় — দুই।

মৰ্ম্মস্থানে — বুকুত, হৃদয়স্থানত।

পদ নং — ৬০০

নিশ্চেষ্ট — জ্ঞানহীন, চেতনাহীন।

পদ নং — ৬০১

ফেৰু — শিয়াল।

পদ নং — ৬০৬

নভাসন্ত — নকয়।

পদ নং — ৬১৮

গোৰস — গাখীৰ।

পদ নং — ৬৩৫

দুস্সহ — দুঃসহ, অত্যন্ত ভৰ।

ঘাৰ ছিৰি — গল ছিৰি।

পদ নং — ৬৪০

ওৱাৰি — কাৰেংঘৰ, ঘৰ।

পদ নং — ৬৪১

আগি — আগ।

পদ নং — ৬৫০

পৰিচ্ছিন্ন — যাৰ সীমা বা পৰিমাণ আছে, সি বিভক্ত।

পদ নং — ৬৫৫

পৰিবেদনে — কষ্টত, দুঃখত।

পদ নং — ৬৬১

দুস্ত্যজ — এৰিবলৈ টান।

পদ নং — ৬৬৯

পটলৈ — অন্ধকাৰ আবৰণ।

পদ নং — ৬৭৮

পলম্পিল — কঁপি উঠিল।

কোলাৰ — কোলাহল।

পদ নং— ৬৮১

ডউখা — পাখি, ডেউকা।

পদ নং — ৬৮৭

উচ্ছাদিলা — খেদি দিলে।

পদ নং — ৬৯৩

পিঞ্জৰি — বৰ্ণ সুষমাৰে জিলিকি উঠা। মঞ্জৰে কুসুমিত হৈ উঠা।

পদ নং — ৭৩৫

পিঙ্গট — পিতল বৰণৰ।

পদ নং — ৭৪৪

লটক — ধূৰ্ত, দুষ্ট।

পদ নং — ৭৬২

এক যুথে — এটা দলহৈ।

পদ নং — ৭৬৭

মুঞ্জিলা আখি — চকু মুদিলে।

পদ নং — ৭৬৮

ভাণ্ডীৰৰ তলে — বৰগছৰ তলত।

পদ নং — ৭৭৫

ইচিতি — ইঙ্গিত, ইচ্ছা কৰা।

পদ নং — ৭৭৭

খৰ্ববায়ু — প্ৰবল বায়ু।

পদ নং— ৭৮০

পুঠাই — পুষ্ট হয়।

পদ নং — ৭৯২

নিৰ্গুণ ব্ৰহ্ম ঃ ৰামধেনু— বাৰিষাৰ মেঘত ৰামধেনুৰ সৃষ্টি হয়। ৰামধেনু নিৰ্গুণ, ইয়াৰ কোনো আকাৰ নাই। গুণযুক্ত মেঘৰ বাবে ৰামধেনুক গুণযুক্ত যেন লাগে। সেইদৰে ব্ৰহ্মত নিৰ্গুণ; তিনিগুণৰ পৰা জগতৰ সৃষ্টি হৈছে। গুণময় জগতত নিৰ্গুণ পুৰুষ লুকাই থকাৰ দৰে আছে। সেইবাবে জগতখন সত্য যেন লাগে।

পদ নং — ৭৯৩

চন্দ্ৰৰ কিৰণে মেঘবোৰক উজ্জ্বল কৰি তোলে। চন্দ্ৰমেঘৰ দ্বাৰা অপ্ৰকাশ হৈ পৰে। অৰ্থাৎ অসত্যমেঘৰ দ্বাৰা সত্য চন্দ্ৰ আচ্ছাদিত হয়। সেইদৰে আত্মা পৰমব্ৰহ্মৰ অংশ স্বৰূপ; জীৱ ব্ৰহ্মতকৈ বেলেগ নহয়। 'জীৱোব্ৰহ্মৈৱনাপৰঃ' অসত্য মায়া কুঁৱলীৰ দ্বাৰা আৰু অসত্য অহঙ্কাৰাদিৰ দ্বাৰা আচ্ছাদিত হোৱাৰ কাৰণে জীৱ অহংভাবাপন্ন হয় আৰু তেতিয়া জীৱই ব্ৰহ্মৰ পৰা বেলেগ বুলি ভাবে।

পদ নং — ৭৯৫

শিফায়ে — শিপাৰে।

পদ নং — ৭১৮

পৰিচ্ছেদ — বিৰাম।

পদ নং — ৭৯৬

খজ্জৰ — খেজুৰি

পদ নং — ৮০৩

উনাৱৈ — শুনে।

পদ নং — ৮২৪

সুখদে — মুকলি মনেৰে।

পদ নং — ৮২৬

পঙ্ক ধৰিবেক — মল ধাৰণ কৰিব।

পদ নং— ৮৩১

অখণ্ড মণ্ডল শশী — সম্পূৰ্ণ ঘূৰণীয়া চন্দ্ৰ, পূৰ্ণিমাৰ চন্দ্ৰ।

পদ নং — ৮৩৫

টাটেকৰ খেড়ি — বাজীকৰৰ খেলা।

পদ নং — ৮৩৯

মৃণাল — পদুম।

পদ নং — ৮৬০

উনাই — শুনি থাকে

পদ নং — ৯৪৯

ইক্ষু — কুঁহিয়াৰ।

পদ নং — ৯৮৩

কামদ — কামনাপ্রদ, অভীষ্টসিদ্ধ।

পদ নং — ৯৯৯

সামৰাজে — সমস্ত প্ৰজাই।

পদ নং — ১০০৩

পাৰম্পৰ্য — পূৰ্বৰ পৰা চলি অহা।

পদ নং — ১০১০

নিদানে — কাৰণে, গুণে।

পদ নং — ১০৩৪

কাদোৱানী পানী— বোকা মিহলি পানী, ঘোলাপানী।

উলি — নির্মূল কৰা।

সম্বৰ্ত্তক — মেঘ।

বহুবল্ক — বেচি কথা কোৱা লোক।

দুৰ্ব্বিনীত — অহঙ্কাৰী।

চপকাৰে — ঘূৰণীয়া ভাৱে।

মখভঙ্গ — ইন্দ্ৰযজ্ঞ ভঙ্গ।

বাতে — বতাহে।

পদ নং— ১০৬৭

টাই — বৰকথা।

পদ নং — ১০৬৯

কক্ষা — খং।

পদ নং —১০৭৭

কপালৰ ওচৰত থকা কেঁকুৰা চুলি।

পদ নং —১০৭৮

আকুঞ্চিত — কেকুৰা চুলি।

পাণ্ডুৰ গণ্ড — বগা গাল।

চিবুক — থুতৰি।

ৰাতুল — ৰঙা।

অধৰ — ওঁঠ।

কুম্বকণ্ঠ — শঙ্খৰ নিচিনা ৰেখা যুক্ত গল।

পদ নং — ১০৭৯

তড়িত-জড়িত — বিজুলিযুক্ত, বক্ষত-বুকুত।

পদ নং — ১০৮১

লোটন্তে — ওলমি থকা।

পদ নং — ১০৮৩

তাত — পিতৃ

পদ নং — ১০৮৪

শশাঙ্ক — চন্দ্ৰ

পদ নং — ১০৯৮

স্বকি স্বকি — নিজা নিজা।

পদ নং — ১০৯১

গৰ্ত্তৰ — গাঁতৰ

পদ নং — ১১০৩

দুৰ্বাক্ষত — দুবৰিবন আৰু চাউল।

পদ নং — ১১১৫

প্ৰচণ্ড মাতঙ্গে — বলিয়া মতাহাতী

পদ নং — ১১১৬

ত্ৰিতয় — তিনি।

পদ নং — ১১১৯

তাললে — তাল গছলৈ।

পদ নং — ১১২০

বনচিহ্ন — বনজুই।

পদ নং — ১১৪০

'কৃষ্ণস্তু ভগৱান্ স্বয়ম্'— শুদ্ধ সত্ত্ব। তেওঁ ত্ৰিকালজ্ঞ। তেওঁ সত্ব-ৰজ-তম গুণেৰে জগত সৃষ্টি কৰে। তেওঁ অন্যহাতে গুণ ৰহিত। 'অঘটন-ঘটন-পটীয়সী-মায়া' তেওঁৰ অধীন। গুণৰ স্ৰষ্টা

হ'লেও তেওঁ গুণাতীত। তেওঁ মায়িক কিন্তু মায়ধীৰ জগতৰ উদ্ধাৰৰ বাবে তেওঁ নাম-ৰূপ ধাৰণ কৰিছে। ব্ৰহ্মাৰ চিৎ শক্তিৰ পৰা পুৰুষৰ সংযোগত জগতৰ সৃষ্টি হৈছে।

পদ নং— ১১৬২

তুম্বুৰু — সঙ্গীত বিদ্যাবিশাৰদ এজন গন্ধৰ্বব।

পদ নং — ১১৯৩-১১৯৪

এই দুটা পদত— সত্য-অসত্য, দেহ-আত্মা, আত্মাতত্ব, ব্ৰহ্মতত্ব, ব্ৰহ্মানন্দৰ কথা নিহিত হৈ আছে— পৰিদৃশ্যমান জগতৰ সকলোবোৰেই মায়িক আৰু অসত্য। মায়া আৰু অবিদ্যাৰ বাবে এইবোৰক সত্য যেন লাগে। ৰচিকেই কেতিয়াবা সাপযেন জ্ঞান হয়। ৰচি অসত্য, সাপহে সত্য। দেহটো অসত্য, আত্মাহে সত্য। দেহটো পঞ্চভূতেৰে তৈয়াৰ হৈছে। ই অস্থায়ী বা সত্য নহয়। আত্মা, ব্ৰহ্মৰ অংশ, ই জীৱাত্মাৰূপে দেহত সোমাই থাকে। জীৱাত্মা থকাৰ বাবে দেহে অহঙ্কাৰত নিজকে স্বয়ংকৰ্তা বুলি ভাবে। শৰীৰটোকে মই বুলি ভাবি সত্য আত্মাক পাহৰি যায়। আত্মাক জানিবলৈ ইচ্ছা নকৰি দৈহিক কামনা-বাসনাতহে মনোযোগ দিয়ে। ফলত কৰ্ম কৰি কৰ্মফল ভোগ কৰে।

ৰাসক্ৰীড়াৰ দ্বাৰা লীলাৰ সহযোগত ভক্তৰ মনত সাংসাৰিক কামনা-বাসনা, মায়া-মমতা এৰি, সপ্ৰেম ভকতিৰ যোগে ব্ৰহ্মৰ লগত একাত্মক হোৱাৰ প্ৰবল-প্ৰেৰণাৰ মুক্ত প্ৰকাশ ঘটা। কৃষ্ণৰ লগত গোপীসকলৰ ভক্তিয়েই নাৰদীয় ভক্তি। কামজয় কৰাৰ ই এটা ব্ৰত।

পদ নং — ১২১৪

সতিয়াসবক — সতিনী সকলক।

পদ নং — ১২১৬

কুড় — তেল

পৰিসে — পৰিবেশন কৰা।

পদ নং — ১২২৫

সসাঙ্গ — সম্পূৰ্ণ।

পদ নং — ১২২৯

জাৰবুদ্ধি — কোনো লোকক উপপতি ৰূপে ভবা কাৰ্য্য।

পদ নং — ১২৩৯

বিবানী — বিৰূপ বাণী।

পদ নং — ১২৪০

আথাকে — অনবৰত

পদ নং — ১২৫৪

ঘাতুক — নিষ্ঠুৰ, মৰম শূন্য

পদ নং — ১২৫৯

নভাসন্ত — নকওঁ, প্ৰতিভাত নহয়।

পদ নং — ১২৬১

পুৰুষ-ভূষণ — পুৰুষ শ্ৰেষ্ঠ

পদ নং — ১২৬২

চেড়ী — দাসী

পদ নং — ১২৭৭

পূৰ্ণকাম — যাৰ কামনা-বাসনা পূৰ্ণ হৈছে।

পদ নং — ১২৭৯

কুন্দ কড়ি সম দন্ত — কুন্দ ফুলৰ নিচিনা বগা দাঁত।

পদ নং — ১২৮৬

কাঞ্চুলি — তিৰোতাই বুকুত পিন্ধা কাপোৰ

পদ নং — ১২৯৭

সেৰুবাক — তিৰোতা সেৰুৱা, স্ত্ৰৈন।

পদ নং — ১৩০৪

যুথপক — ডাঙৰ মতাহাতী।

পদ নং — ১৩১৫

উচ্ছ্ৰিত — ওখ

পদ নং — ১৩১৬

নাগৰ — নাগেশ্বৰ, নাহৰ

পদ নং — ১৩২০

শাৰঙ্গ পানি — যাৰ হাতত শাৰঙ্গ ধনু থাকে, কৃষ্ণ।

পদ নং — ১৩৩০

সাৰু — হাঁহজাতীয় চৰাই।

পদ নং — ১৩৪২

কণ্ডিয়া — কড়িয়া গাখীৰ খীৰোৱা পাত্ৰ।

পদ নং — ১৩৫৩

ওচাত — ওপচায়, ভবায়।

পদ নং — ১৪১২

পীত উত্তৰীয় — হালধীয়া চাদৰ

পদ নং — ১৪১৯

হোড়াৰ — অলঙ্কাৰ বিশেষ

পদ নং — ১৪৪০

কুৰালে মেলি চুল — মূৰ ফণিওৱা

পদ নং — ১৪৫৫

উখণ্ডি — তিৰস্কাৰ।

পদ নং — ১৪৭৭

বুধজন — জ্ঞানীজন।

পদ নং — ১৪৯৮

কুচ — স্তন। সুৰভি সম্ভোগে-ৰতি সম্ভোগত

পদ নং — ১৫০৯

জলখেড়ি — জলক্ৰীড়া

পদ নং — ১৫১০

সান্তৰে — সাঁতোৰে।

পদ নং — ১৫১৫

কন্দুক বিলাস — বীণা।

পদ নং — ১৫৩৬

ভগৱান পাবক — পণ্ডিত পাবন (ঈশ্বৰ)

পদ নং — ১৫৪০

প্ৰগলভ ভকতি — মান-অপমান আদিলৈ ভয়হীন ভক্তি

পদ নং — ১৫৪২

অসূয়া — হিংসা, দোষাৰোপ।

পদ নং — ১৫৫৬

বুভুক্ষিত — ভোকাতুৰ।

পদ নং — ১৫৫৬

আধৰা — আধাপোৰা খৰি

পদ নং — ১৫৭৭

মঞ্জৰল— নতুন পাতেৰে পল্লবিত হোৱা

পদ নং — ১৫৮৪

নিস্থল — ধূৰ্ত, দুষ্ট।

পদ নং — ১৫৮৫

নিশঙ্ক — ভয় নকৰা।

পদ নং — ১৫৮৮

নাগ — হাতী।

পদ নং — ১৫৯৮

পুহালি — ৰাতি কিয় এতিয়াই পুৱালি।

পদ নং — ১৬০৫

কাপোল — গাল।

পদ নং — ১৬৩৫

শিঙ্গা মাটিয়াৰে— শিং মাটিত খোচে।

পুৰীষ—বিষ্ঠা, শৌচ।

পুৰীষ — বিষ্ঠা, শৌচ।

পদ নং — ১৬৩৭

দোহাৰ — দুইখণ্ড।

পদ নং — ১৬৩৮

থিউলাঞ্চে — থিয় নেজ।

পদ নং — ১৬৪২

আটাই টাই — বৰ কথা, গপ্তপ মৰা বাক্য।

পদ নং — ১৬৪৩

ঘাৰ — ডিঙি।

পদ নং — ১৬৬২

হাঠিয়াৰ — হাতীৰ মাউত।

পদ নং — ১৬৭৩

অকন্টকা ৰাজ — শত্ৰুহীন ৰাজ্য।

পদ নং — ১৬৮২

আন্টানয়ো পাশ মোৰ — মোৰ পৰাক্ৰম জনা নাই।

পদ নং — ১৬৮৭

পালি — পাৰি।

চিনাল — বাঙি

পদ নং — ১৬৯৫-১৬৯৪

(এই তিনিটাত — কৃষ্ণ, ব্ৰহ্ম, জীৱ, জগতৰ তত্ত্ব আছে।) শ্ৰীকৃষ্ণই ব্ৰহ্মাৰ স্বৰূপ। তেওঁ ব্ৰহ্মা, মহেশ্বৰ, ইন্দ্ৰাদি দেৱতাক স্বজন কৰিছে। পৰমব্ৰহ্মাই মানৱৰূপে পৃথিবীৰ ভাৰ; সমতা ৰক্ষাৰ বাবে অৱতাৰ লয়। অশান্তিৰ মূল দৈত্য-অসুৰ-দানৱ আৰু অত্যাচাৰী সকলক বধ কৰি শান্তি আৰু ধৰ্ম প্ৰতিষ্ঠা কৰে। সন্ত সকলক তেওঁ পালন কৰে। তেওঁ সৰ্বসাক্ষী আৰু সৰ্বদ্ৰষ্টা। তেওঁ সকলোৰূপতে, স্থানতে, কালতে, পাত্ৰতে বিৰাজমান হৈ থাকে। জগত তেওঁৰে সৃষ্টি আৰু জগত তেওঁতে আছে। জীৱ ব্ৰহ্মৰ অংশ।

শঙ্কৰাচাৰ্য্যই ব্ৰহ্ম আৰু জীৱৰ মাজত ভেদ নাই বুলি ব্ৰহ্মৈৱ নাপৰঃ।।' অৰ্থাৎ ব্ৰহ্ম আৰু জীৱৰ কোনো পাৰ্থক্য নাই, পাৰ্থক্য কৰে মায়াই। সৃষ্টিৰ অন্তত প্ৰলয়ৰ সময়ত সমস্ত জগত ব্ৰহ্মাত লীন যায় আৰু সূক্ষ্মৰূপে ব্ৰহ্মাত প্ৰবেশ কৰি থাকে।

পদ নং — ১২১৪

(এই দুই পদত ব্ৰহ্ম আৰু জীৱৰ মাজত থকা সাদৃশ্যৰ কথা কৈছে) পৰমব্ৰহ্ম অনাদি অনন্ত। তেওঁ মায়াৰ উৰ্দ্ধত। কাঠৰ মাজত অগ্নিথকা সত্বেও আমি তাক নাজানো, ঘৰ্ষণ কৰিলে অগ্নি ওলালেহে আমি অগ্নি দেখো। আমাৰ দেহ মায়াৰে আবৰা বাবে দেহত থকা ব্ৰহ্মক নেদেখো। পৰম ব্ৰহ্মাই জগতৰ সকলোতে অনুপ্ৰবেশ কৰি আছে। ব্ৰহ্ম সত্য। ব্ৰহ্মাই লীলাৰ বাবে জগত সৃষ্টি কৰি লৈছে। ব্ৰহ্ম তিনিকালতে থাকে। জগতখন তেওঁৰ বিচৰণভূমি। 'ব্ৰহ্মসত্য, জগত মিথ্যা' হ'লেও জগতৰো মূল্য আছে। জগত নোহোৱাহেঁতেন ব্ৰহ্মৰ অস্তিত্ব প্ৰকাশ পোৱাৰ সুবিধা নাথাকিলেহেঁতেন। ভক্তিৰ সহায়ত ব্ৰহ্মজ্ঞান, আত্মজ্ঞান, উপলব্ধি হয়। মনত অহঙ্কাৰ, মায়া, অবিদ্যাই আগুৰি থকাৰ বাবে অন্তঃ কৰণ, মন-বুদ্ধি, অহঙ্কাৰক নিয়ন্ত্ৰণ কৰে। তেওঁৰ জীৱৰ সকলো কাৰ্য্যৰ নিয়ন্ত্ৰক। মাটি আৰু মাটিৰ পাত্ৰ দেখাত বেলেগ হ'লেও মূলতঃ দুইটা একেবস্তু। সোণ আৰু সোণৰ কুণ্ডল একেবস্তু। ব্ৰহ্মই মৌন, জীৱই কুণ্ডল, ব্ৰহ্মাই মাটি, জীৱই মাটিৰ পাত্ৰ। ১৬৯৬ পদত জীৱয়ে ব্ৰহ্মৰ অধীন সেই কথা কোৱা হৈছে। জীৱ ব্ৰহ্মৰ অধীন, নিজৰ সত্তা নাই, ব্ৰহ্মৰ সত্তাই জীৱৰ সত্তা। ব্ৰহ্ম মায়াধীশ, জীৱ মায়াৰ অধীন। ব্ৰহ্মৰ ওপৰত মায়াৰ অধিকাৰ নাই বাবে মায়াতীত। জীৱ মায়াৰ অধীন বাবে কৰ্মবন্ধত আবদ্ধ হয়। সেয়ে মায়া-বন্ধনৰ পৰা মুক্তি পাবলৈ ঈশ্বৰৰ ভক্তি কৰিব লাগে। মায়াৰ মূল উপাদান-তিনিগুণ সত্ব-ৰজ-তম।

পদ নং — ১৬৯৯

হয় ৰূপী — ঘোঁৰাৰ ৰূপধাৰী ভগৱানৰ অৱতাৰ 'হয়গ্ৰীৱ'।

পদ নং — ১৭০০

অক্ৰূৰ — কৃষ্ণৰ খুৰায়েক। যদুবংশৰ শ্বফল্কৰ ঔৰষত কাশী ৰজাৰ কন্যা

গান্দিনীৰ গৰ্ভত এওঁৰ জন্ম। উগ্ৰসেনৰ এজনী কন্যাক এওঁ বিয়া কৰাইছিল।

পদ নং — ১৭০৩

পয়োনিধি — ক্ষীৰ সাগৰ, শ্বেতসাগৰ।

পদ নং — ১৭০৭

নাহে — নাথ, পিতা।

পদ নং — ১৭০৮

পৌণ্ড্ৰক — পৌণ্ড্ৰদেশৰ এজন ৰজা। জৰাসন্ধৰ বন্ধু। তেওঁ বাসুদেব উপাধি লৈছিল আৰু দ্বাৰকা আক্ৰমণ কৰিছিল। কৃষ্ণই চক্ৰেৰে ছেদন কৰি মাৰে।

পদ নং — ১৭১০

নৃগনৃপ — এজন ভক্ত ৰজা। ব্ৰাহ্মণৰ অভিশাপত এওঁ কৃকলাস হয়।

পদ নং — ১৭১৭

মায়া — মায়া ব্ৰহ্মৰ অধীন। ব্ৰহ্মৰ যাদুকৰী শক্তি মায়া। ব্ৰহ্মাই মায়াৰ সহায়ত জগত সৃষ্টি কৰিছে। জগত কল্পনাময়। ব্যৱহাৰিক ক্ষেত্ৰত জগতৰ মূল্য আছে। পাৰমাৰ্থিক বিচাৰত জগতৰ মূল্য আছে, পাৰমাৰ্থিক বিচাৰত জগতৰ মূল্য নাই। ব্ৰহ্মাই 'লীলৈব কেৱলম' লীলাৰ বাবেই জগত সৃষ্টি কৰে।

পদ নং —১৭৪০

সই চক্ষু — নিজ চকুৰে, স্বচক্ষে।

পদ নং —১৭৪২

অম্বৰীষ — সূৰ্য্যবংশীয় ৰজা নাভাসৰ পুত্ৰ, বিষ্ণুভক্ত।

পদ নং —১৭৪৩

মুকুন্দ — যি মুক্তি দান কৰিব পাৰে, বিষ্ণু।

পদ নং —১৭৪৪

সুনাসিকা — সুন্দৰ নাক।

সুকপোল — ধুনীয়া গাল।

পদ নং —১৭৪৮

অন্তকক — মৃত্যু, যম।

পদ নং —১৭৪৯

ছিন্দি মাইবা — ছিঙিযাব।

পদ নং —১৭৫০

ধিস্কাৰ — ধিক্কাৰ।

পদ নং —১৭৬৫

সুহাই — শোভিত।

পদ নং —১৭৭২

জান্তিলা — সানিলে, ঘঁহি দিলে।

পদ নং —১৭৭৩

অক্ৰূড় ক্ৰূড় — তেওঁ অক্ৰূৰ, কিন্তু কামটো ক্ৰূড়।

পদ নং —১৭৭৮

কুলৰোগ — বংশক হিংসা কৰা।

পদ নং —১৭৮৩

বিচেষ্টা — অপ্ৰিয় চেষ্টা।

পদ নং —১৭৯১

বিঘটিত — বিৰহ যুক্ত

পদ নং —১৭৯২

ক্ৰূড় — নিৰ্দ্দয়, নিষ্ঠুৰ।

পদ নং —১৭৯৫

নাগৰী — নগৰত থকা তিৰোতা। ৰসিকা নাৰী, কুগ্ৰামী-গাঁৱত থকা কুৰূপা নাৰী।

পদ নং —১৭৯৬

পন্থকৰ — বাটৰুৱা।

পদ নং —১৭৯৯

হাঞ্চি — হাঁচি।

পদ নং —১৮০২

গোৰজে — গৰু খোজৰ ধূলি।

পদ নং —১৮১৭

দানপতি — অক্রূৰ।

পদ নং —১৮২৮-১৮২৯

(নাৰায়ণ, সৃষ্টিতত্ত্বাদিৰ কথা আছে এই পদ দুটাত) সৃষ্টিৰ আদিত ব্ৰহ্মাণ্ডত একো নাছিল। তেতিয়া বিৰাট পুৰুষে গৰ্ভোদক নামে শুদ্ধজল সৃষ্টি কৰিলে। পুৰুষৰ পৰা সৃষ্টি হোৱা জনকে 'নাৰ' বোলা হয়। নাৰায়ণে গৰ্ভোদক জলত শুই থাকোতে পদ্মকল্পত নাৰায়ণৰ পৰা ব্ৰহ্মাৰ সৃষ্টি হয়। নাৰায়ণৰ আদেশত ব্ৰহ্মাই জগত সৃষ্টি কৰে। পৰম ব্ৰহ্মই মায়া আৰু তেওঁৰ চিদাভাস স্বৰূপ পুৰুষৰ সংযোগত তিনিগুণৰ বৈষম্যৰ জগত সৃষ্টি কৰে। তেওঁ ২৪ তত্বৰে জগত সৃষ্টি কৰে।

পদ নং —১৮৩০-১৮৩২

(পদ দুটাত সাংখ্য যোগৰ তত্ত্ব আছে) প্ৰকৃতি-পুৰুষ ব্ৰহ্মৰ অভিব্যক্তি। ইয়াক কাৰ্য্য-কাৰণ বুলিবও পাৰি। সাংখ্যৰ মত প্ৰকৃতি স্বাধীন, কিন্তু বেদান্তমতে প্ৰকৃতি পুৰুষৰ অধীন। পুৰুষৰ সংযোগ হলতে প্ৰকৃতিয়ে জগত সৃষ্টি কাৰ্য্য সম্পন্ন কৰে।

পদ নং —১৮৩৪

বিদিশে — দিশ-বিদিশ।
কুক্ষি — পেটৰ ভিতৰ ভাগ।
পঞ্চপ্ৰাণ — পান-অপান, সমান, উদান, ব্যান।
সপ্ত সাগৰ — সাত সাগৰ, ইক্ষু, সুৰা, ঘিউ, দধি, দুগ্ধ, জল, লবন।

পদ নং —১৮৩৫

প্ৰজেশ — প্ৰজাপতি
মস — কীট।

পদ নং —১৮৬৪

খাট কৰি — খট খটি।

পদ নং —১৮৬৫

তণ্ডুল — চাউল।

পদ নং —১৮৬৮

দুতি — দ্বিতীয়

পদ নং —১৮৭২

কূড় কষাই — তেল-খাৰ।

পদ নং —১৮৮০

ভৃঙ্গ — ভোমোৰা।

পদ নং —১৮৯০

ৰণ্ডক — দুষ্ট।

পদ নং —১৯১৫

সৈৰিন্ধী — ৰাজ অন্তঃ পুৰুৰ নাৰীৰ কেশবিন্যাস কৰা নাৰী।

পদ নং —১৯৩৩

চাপ — ধনু।

পদ নং —১৯৫৯

ওৰফুল — জবাফুল।

পদ নং —১৯৬৩

ৰঙ্গৰ দ্বাৰ — ৰঙ্গালয়ৰ দুৱাৰ মুখ।

পদ নং —১৯৬৪

কংসৰ গজৰূপী দৈত্য বিশেষ।
হস্তিয়াৰে — মাউতে
মেহ্লাই — মেৰাই।

পদ নং —১৯৬৬

কুঞ্জৰে সবিতে — হাতীৰ সৈতে।

পদ নং —১৯৭৪

কুম্ভ স্থলে — হাতীৰ মূৰৰ টেমুনা দুটাত।

পদ নং —১৯৯৫

উৰু কৰীকৰ — হাতীৰ শুৰৰ দৰে কৰঙন।
বৰ্ত্তুল — ঘূৰণীয়া।

পদ নং —২০০৪

প্ৰগলভ — সাহসী।

পদ নং —২০২৪

আৰস্ফতি — আড়ম্বৰ কৰি।

পদ নং —২০২৮

ষণ্ড — ষাঁড়

পদ নং —২০৪০

অৰ্মৰ্য্যাদ — মৰ্যাদা নজনা।

নৌতম — নতুন।

পদ নং —২০৫৪

সঞ্চ — সঁচা।

পদ নং —২০৬৬

ছাদিল — বমি কৰিলে।

পদ নং —২০৬৭

ঋষি — খং উঠি।

পদ নং —২০৯১

কংসাল — কাৰশালা সাপ।

পদ নং —২১১০

পৰম আটোপে — প্ৰবল বিক্ৰমেৰে।

পদ নং —২১৪৮

গায়ত্ৰী — ঋকবেদৰ পবিত্ৰতম মন্ত্ৰ। প্ৰত্যেক ব্ৰাহ্মণে প্ৰাতঃ মধ্যাহ্ন আৰু সায়াহ্নত গায়ত্ৰীমন্ত্ৰেৰে সূৰ্য্যক ধ্যান কৰে। এওঁ ব্ৰহ্মাৰ পত্নী, নাম সবিতা, চতুৰ্বেদৰ মাতা, বেদস্বৰূপা।

পদ নং —২১৭৫

ৰড়ি — চিঞৰি।

পদ নং —২১৮৯

ঋজু — পোন সৰল।

পদ নং —২২১৫

উচ্ছাদ — উচ্ছেদ।

পদ নং —২২২৫

উদ্ধৱ — কৃষ্ণৰ সখি, ও পৰমভক্ত। সত্যকৰ পুত্ৰ। বৃহস্পতিৰ শিষ্য, বৃষ্ণিবংশৰ মন্ত্ৰী।

পদ নং —২২২৭

পোষ্টাপিতা-মাতা — প্ৰতিপালন কৰা পিতৃ-মাতৃ।

পদ নং —২২৩৫

সুম্পি — সপি

পদ নং —২২৪৪

বাছৰু — দামুৰি

পদ নং —২২৭৫

অঙ্গিনা — চোতাল।

পদ নং —২৩০২-২৩০৪

জীৱৰ মূল শৰীৰৰ অন্তৰালত থকা সূক্ষ্মশৰীৰত ব্ৰহ্মাই আত্মাৰূপে অনুপ্ৰৱেশ কৰি থাকে।

পদ নং —২৩১২

নোন্ত — নহয়। স্থাৱৰ-জঙ্গম— লৰচৰ কৰিব নোৱাৰা আৰু পাৰা।

পদ নং —২৩১৯

কিৰাতীসকলে — পৰ্বতীয়া সকলৰ পত্নীসকলে।

গুঞ্জামণি — লাতুৰমণি।

পাতক উচ্ছাদ — পাপ বিনাশ।

পদ নং —২৩৩০

চিতনি — চিন্তা

পদ নং —২৩৪৮

মধুকৰ — ভোমোৰা,

ধূৰ্ত্তৰ কুটুম্ব — ধূৰ্ত কৃষ্ণক আৰু কুটুম্বই উদ্ধৱক কৈছে।

কুচৰকুঙ্কুম — স্তনত লিপা কুঙ্কুম।

পদ নং —২৩৪৯

নমাচাইবে পৰা — খাতিৰ কৰিব নালাগে।

প্ৰসাদোক — আনন্দ দিয়ক।

পদ নং —২৩৫৭

বিচাট — অস্থিৰতা।

পদ নং —২৩৬১

চটুৰা — চাতুকাৰ।

পদ নং —২৩৬৪

কপীন্দ্ৰ — বান্দৰৰ ৰজা, বালি।

পদ নং — ২৩৬৯

বিষয়সুখ — কামনা-বাসনা, লোভ-মোহাদি বিষয় ভোগ।

পদ নং —২৩৭২

স্বস্থ — শান্ত

পদ নং —২৩৮১

লোহো — লোতক।

জীৱৰ মনৰ কাৰ্য তিনিটা (১) জাগন, (২) স্বপন, (৩) নিদ্ৰা।

পদ নং —২৩৯৩

সংসাৰ পাশ — সংসাৰৰ প্ৰতি থকা আসক্তি।

পদ নং —২৩৯৭

ভাণ্ড — ভাও, ছলনা

পদ নং —২৩৯৯

কৌমুদকীগদা — অগ্নিপ্ৰদত্ত কৃষ্ণৰ গদা।

পদ নং —২৪১১

তম্ভি — লৰচৰ নকৰাকৈ থকা অৱস্থা।

নবজাই — নোলায়।

পদ নং —২৪১৩

আবুধি — বুদ্ধি হীন।

পিঙ্গলা — এজনী বেশ্যা।

পদ নং —২৪২১

তনুতাৰে — শৰীৰ পোৰে।

পদ নং —২৪২২

নিস্তান — বাঁহীৰ মাত।

পদ নং —২৪২৪

লোটাৰি — বাগৰাবাগৰি।

পদ নং —২৪২৮

এভো — এতিয়াও

পদ নং —২৪৩৫

কতিপয় — কিছুমান।

পদ নং —২৪৫২

এসম্বো — এওঁলোকো।

পদ নং —২৪৫৪

বাঞ্ছনী — বাঞ্ছা।

পদ নং —২৪৫৬

দুস্ত্যজ — এৰিবলৈ টান।

আসম্বাৰ — এওঁলোকৰ।

পদ নং —২৪৬০

উপায়ন — উপহাৰ।

পদ নং —২৪৬৪

ঘোঁৰা ডকাই — ঘোঁৰাত উঠি।

পদ নং —২৪৬৫

ৰথক ভিত্তিক — ৰথৰ ফালে।

পদ নং —২৪৬৬

ধাতু ভয় মাথ — মূৰত আঘাত কৰি।

পদ নং —২৪৭২

সুজান দৃঢ় কাণ্ডাৰ — জ্ঞানী আৰু অবিচলিত গুৰিয়াল।

পদ নং —২৪৭৩

চিন্তনি — চিন্তা।

ভবনদী — নদী ৰূপ সংসাৰ।

০০০০০

**(খ) দশমত পূৰ্ণব্ৰহ্ম কৃষ্ণৰ কৰ্মলীলা ঃ সমীক্ষা**

'কীৰ্ত্তন-দশম মোৰ মূৰ্তিৰ সমান' বুলি জগত গুৰু শ্ৰীমন্তশঙ্কৰদেৱে কৈ গৈছে। সেয়ে গুৰুজনা অদ্যাপিত্তও কীৰ্ত্তন-দশমৰ মাজতেই মূৰ্তিমান হৈ আছে। কীৰ্ত্তন, দশম, নামঘোষা আৰু ভক্তিৰত্নাৱলী একশৰণ হৰিনাম ধৰ্মৰ চাৰিখন বেদস্বৰূপ। গুৰুজনাই শ্ৰীধৰ স্বামীৰ 'ভাগৱত-ভাবাৰ্থ-দীপিকা'ৰ আলমত মহাশাস্ত্ৰ ভাগৱত অনুবাদ কৰে। 'দশম' ভাগৱতৰ ওপৰত প্ৰতিষ্ঠিত এক মহান শাস্ত্ৰ। ইয়াত পূৰ্ণব্ৰহ্ম কৃষ্ণৰ আদ্যলীলা বৰ্ণিত হৈছে। ভগৱন্ত কৃষ্ণৰ সমগ্ৰ জীৱনৰ কৰ্মলীলা দশমস্কন্ধ ভাগৱতত ব্যাপি আছে। কৃষ্ণৰ জীৱন-লীলা তিনিটা স্তৰত বিভক্ত—আদ্য, মধ্য আৰু অন্তিমলীলা। আদ্যদশমত আদ্যলীলা, মধ্য দশমত মধ্যলীলা বা মথুৰালীলা আৰু অন্ত্য দশমত অন্তিম লীলা বা দ্বাৰকালীলা প্ৰকাশ কৰা হৈছে। ১মৰ পৰা ৪৯শ অধ্যায়লৈ আদ্যলীলা, ৫০ৰ পৰা ৮০ শ অধ্যায়লৈকে মধ্যলীলা আৰু ৮১ৰ পৰা ৯০ শ অধ্যায়লৈ দ্বাৰকা লীলাত অন্তৰ্ভুক্ত। শ্ৰীমন্ত শঙ্কৰদেৱে ১ ৰ পৰা ৪৭ শ অধ্যায়লৈ অনুবাদ কৰি বাকী ৪৩ টি অধ্যায় অনন্ত কন্দলিক অনুবাদ কৰিবলৈ দিয়ে।

**১। আদি 'দশম'ত শ্ৰীকৃষ্ণৰ লীলা (বৃন্দাবন লীলা)**

বসুদেৱৰ প্ৰথম পত্নী ৰোহিনীৰ গৰ্ভত নন্দৰ ঘৰত বলৰামৰ আৰু বসুদেৱৰ ঔৰসত দৈৱকীৰ গৰ্ভত কৃষ্ণৰ জন্ম হয় আৰু নন্দৰ ঘৰলৈ স্থানান্তৰ কৰা হয়। কৃষ্ণই পানীকেঁচুৱা অৱস্থাতে, পুতনাক বধ কৰে আৰু শকট ভঞ্জন কৰে। কংসৰ দ্বাৰা প্ৰেৰিত চক্ৰবাত আৰু তৃৰ্ণবৰ্তক বধ কৰাৰ পাচত যশোদাই কৃষ্ণৰ মুখৰ ভিতৰত বিশ্বদৰ্শন কৰে। যশোদাই কৃষ্ণক উড়লত বান্ধি থোৱাত উড়াল লগাই যমলাৰ্জ্জুন ভঞ্জন কৰে। ইয়াৰ পাচত কৃষ্ণ-বলৰামে বৃন্দাবনত গৰু চৰাবলৈ যায়। বৃন্দাবনত কৃষ্ণই বৎসাসুৰ, বকাসুৰ, অঘাসুৰক বধ কৰাৰ পাচত ব্ৰহ্মাৰ মোহ-ভঙ্গ কৰে আৰু বলৰামে প্ৰলম্বাসুৰক বধ কৰে। কৃষ্ণই বনভোজলৈ গৈ ধেনুকাসুৰক বধ কৰি কালীক দমন কৰে আৰু গোৱালসকলক দাবাগ্নিৰ পৰা উদ্ধাৰ কৰে। কৃষ্ণই গোপীসকলৰ বস্ত্ৰ হৰণ কৰি বিপ্ৰপত্নী সকলৰ প্ৰসাদ গ্ৰহণ কৰে। ইয়াৰ পাচতে ইন্দ্ৰৰ গৰ্বচুৰ্ণ কৰি গোবৰ্দ্ধন ধাৰণ কৰে আৰু ইতিমধ্যে বৰুণৰ দূতে নন্দক হৰণ কৰি নিয়াত নন্দক উদ্ধাৰ কৰেগৈ ব্ৰজবাসীসকল বৈকুণ্ঠদৰ্শন কৰিবলৈ বিচৰাত কৃষ্ণই বৈকুণ্ঠদৰ্শন কৰোৱায় আৰু তাৰ পাচতেই গোপীসকলৰ লগত ৰাসক্ৰীড়া কৰে। শঙ্খচূড়, অৰিষ্টাসুৰ, কেশী আৰু ব্যোমাসুৰক বধ কৰি কৃষ্ণই অক্ৰূড়ৰ লগত মথুৰালৈ যাত্ৰা কৰে। মথুৰালৈ গৈ ৰজকক বধ কৰি সুদামা, কুঁজীৰ বাঞ্ছা পূৰ্ণ কৰে আৰু কংসৰ ধনুভঙ্গ কৰি কুবলয় হস্তীক বধ কৰে। বলৰাম কৃষ্ণই চানুৰ আৰু মুস্তিকক বধ কৰে, কংসক কৃষ্ণই সংহাৰ কৰে আৰু উগ্ৰসেনক ৰাজআসনত অধিষ্ঠিত কৰে। বসুদেৱ-দৈৱকীক কাৰাগাৰৰ পৰা মুক্ত কৰি সান্দীপনি গুৰুৰ ওচৰত শিক্ষালাভৰ বাবে কৃষ্ণ-বলৰামে যাত্ৰা কৰে। শিক্ষা সাং কৰাৰ পাচত কৃষ্ণই গুৰুৰ মৃতপুত্ৰক আনি দক্ষিণা দিয়ে ও দুয়ো গৃহলৈ প্ৰত্যাগমন কৰে। কৃষ্ণই বিৰহ-বিধুৰা নন্দ-যশোদা আৰু গোপীসকলৰ ওচৰলৈ ভক্ত উদ্ধবক পঠায় আৰু উদ্ধৱে সকলো সংবাদ দি মথুৰালৈ ঘূৰি আহি কৃষ্ণক সকলো বৃত্তান্ত দিয়ে।

**২। মধ্যলীলা ঃ (মথুৰালীলা) ঃ**

কৃষ্ণই জৰাসন্ধৰ লগত অষ্টাদশবাৰ যুদ্ধ কৰি থাকোতেই কালযবনে মথুৰা অবৰোধ কৰে আৰু তেতিয়া কৃষ্ণই সাগৰৰ মাজত দুৰ্গ নিৰ্মাণ কৰি নগৰবাসীক দুৰ্গত থৈ কালযবনৰ লগত যুদ্ধ কৰিবলৈ যায় আৰু মুচুকুণ্ডৰ দ্বাৰা কালযৱনক বধ কৰায়। বলৰামে ৰেৱতীক আৰু কৃষ্ণই ৰুক্মিণীক বিবাহ কৰে। তাৰ পাচত স্যামন্তক মণি উদ্ধাৰ কৰিবলৈ গৈ কৃষ্ণই জাম্ববানৰ লগত যুদ্ধ কৰে আৰু জাম্ববান পৰাস্ত হৈ জাম্বৱতীক কৃষ্ণলৈ বিয়া দিয়ে। স্যামন্তক মণি আনি সত্ৰাজিতক দিয়াত সত্ৰাজিতে কৃষ্ণক বিয়া দিয়ে সত্যভ্ৰমাক। ইয়াৰ পিচতে কৃষ্ণই শতধনুক বধ কৰে আৰু সাত্যকিক লগত লৈ ইন্দ্ৰপ্ৰস্থলৈ যাত্ৰা কৰে। কৃষ্ণই এই সময়তে কালিন্দী আৰু লক্ষণাক বিয়া কৰায়। নৰকক বধ কৰি তেওঁ ইন্দ্ৰপুৰীলৈ যায় আৰু পাৰিজাত পুষ্প হৰণ কৰে। ইতিমধ্যে অনিৰুদ্ধক বন্দী কৰা খবৰ পাই বানৰ লগত যুদ্ধ কৰে যদিও হৰ পৰাজিত হৈ বানৰ কন্যাক অনিৰুদ্ধলৈ বিয়া দিবলৈ বানক কয়; বানেও যুদ্ধত হাৰি ঊষাক বিয়া দিয়ে। কৃষ্ণই পৌণ্ড্ৰক আৰু কাশীৰাজক সংহাৰ কৰে আৰু বলৰামে দ্বিবিধিক বধ কৰে। নাৰদে কৃষ্ণক দৰ্শন কৰি পৰমজ্ঞান লাভ কৰে। ইন্দ্ৰপ্ৰস্থত যুধিষ্ঠিৰে ৰাজসূয়যজ্ঞ পাতি কৃষ্ণক আমন্ত্ৰণ কৰাত কৃষ্ণই আহি ভীমৰদ্বাৰা জৰাসন্ধক বধ কৰোৱায় আৰু যজ্ঞস্থলীতে শিশুপালকো নিধন কৰে। তদুপৰি তেওঁ শাল্ব, দন্তবক্ৰ, বিদুৰথ আদিকো বধ কৰে।

**৩। অন্ত্যদশম (দ্বাৰকালীলা) ঃ**

কৃষ্ণই দ্বাৰকাবাসীসকলক লৈ কুৰুক্ষেত্ৰলৈ গমন কৰে আৰু দৈৱকীৰ

মৃতপুত্রসকলক আনি দিয়াৰ পাচতে বিপ্ৰপুত্ৰক আনিবলৈ গৈ অৰ্জ্জুনক নাৰায়ণ দৰ্শন কৰোৱায়। কুৰুক্ষেত্ৰ মহাসমৰত অৰ্জ্জুনৰ সাৰথ্য গ্ৰহণ কৰি ভগবান কৃষ্ণই কুৰুক্ষেত্ৰ যুদ্ধ কৰোৱাই পাণ্ডৱক ৰাজ্য গতাই দি দ্বাৰকালৈ গমন কৰে। দ্বাৰকাত গৈ যদুবংশক সমূলে নিধন কৰোৱাই উদ্ধৱক ভক্তি-ধৰ্ম প্ৰদান কৰি প্ৰয়াণ কৰে।

**কৰ্মলীলাৰ চমু আভাস ঃ**

পূৰ্ণব্ৰহ্ম কৃষ্ণৰ অৱতাৰীজীৱন বৈচিত্ৰৰে ভৰা। জন্মৰ পৰা বৈকুণ্ঠপ্ৰয়াণলৈকে সমগ্ৰজীৱনত মানৱীয়ৰূপ পৰিগ্ৰহ কৰি যি মহান লীলা কৰি থৈ গ'ল— তেনে লীলা ব্ৰহ্মাণ্ডত কোনো অৱতাৰী পুৰুষে কৰি যাব পৰা নাই। আত্ম-তত্ব প্ৰকাশৰ বাবে হৰিয়ে নানা লীলা অৱতাৰ লৈছে; কিন্তু পূৰ্ণ অৱতাৰী ঈশ্বৰ-পুৰুষে প্ৰদৰ্শন কৰা লীলা অৱতাৰ লৈছে; কিন্তু পূৰ্ণ অৱতাৰী ঈশ্বৰ পুৰুষে প্ৰদৰ্শন কৰা লীলা খণ্ডিত লীলা নহয়। ই বিস্তৃত আৰু পূৰ্ণ লীলা। ভগৱন্ত কৃষ্ণৰ অৱতাৰ কৰ্মৰ নানান লীলা-মালা, তেওঁৰ মহিমা, গুণ-যশ-শ্ৰৱণ-কীৰ্তন কৰিলে মানবে মুক্তি পায়, মায়াক দূৰ কৰিবলৈ সমৰ্থ হয়; ধৰ্ম-অৰ্থ-কাম-মোক্ষ ভক্তি লাভ হয়। ভগৱান কৃষ্ণৰ বিস্তৃত কৰ্মৰাজিৰ ভিতৰত গুৰুজনাই দশমত প্ৰকাশ কৰা ঐশ্বৰিক কৰ্মৰ আভাস মাত্ৰ দিয়া হ'ল—

কৃষ্ণই দৈৱকীৰ গৰ্ভত স্থিত হৈ চতুৰ্ভূজৰূপলৈ অৱতাৰ হয় আৰু তেওঁ যে স্বয়ং ভগৱান, তেওঁ ভূমিৰ ভাৰ হৰণৰ বাবেহে যে মানবী তনু পৰিগ্ৰহণ কৰিছে তাক বসুদেৱ-দৈৱকীক বুজাই কৈছে আৰু তেওঁক ক'ত থব, কি কৰিব সকলো দিহা-পৰামৰ্শ দান কৰাৰ পাচতহে মানবীয় শিশুৰ ৰূপ লৈছে আৰু মানবীয় চেষ্টা দেখুৱাই অসাধাৰণ কৰ্মৰাজি কৰি গৈছে। অৱতাৰ গ্ৰহণৰ দিন ধৰি, বৈকুণ্ঠ প্ৰয়াণলৈকে কৃষ্ণৰ কৰ্মলীলা অতি চমকপ্ৰদ আৰু কোনো সময়ত তেওঁ অতি শান্তমূৰ্ত্তি, কোনো সময়ত ভয়াবহ উগ্ৰমূৰ্তি, কেতিয়াবা পৰমদয়ালু, কেতিয়াবা প্ৰেমিক, ৰাজনীতিজ্ঞ, ৰণ কৌশলী আৰু কেতিয়াবা বাধ্য শিশু-বৎসলভাবে নিজকে প্ৰকাশ কৰিছে। মাতৃ যশোদাক মুখমেলি মুখৰ ভিতৰতে বিশ্বব্ৰহ্মাণ্ডখন দেখুৱালে, দুৰ্যোধনক ৰাজসভাত বিশ্বৰূপ প্ৰদৰ্শন কৰি সকলোকে চমক লগালে। কুৰুক্ষেত্ৰ ৰণাঙ্গনত অৰ্জ্জুনক বিশ্বৰূপ প্ৰদৰ্শন কৰিলে।

বসুধাৰ বুকুত— বলোৰাম, নন্দ-যশোদা, বসুদেব-দৈবকী, গোপ-গোপী, ব্ৰজবাসী, যদুবংশাদিৰ কিয় সৃষ্টি হ'ব লগা হ'ল তাৰ সৃষ্টি পাতনিৰে দশমৰ আৰম্ভণি। শ্ৰীমন্ত শঙ্কৰদেৱে 'দশম'ৰ আৰম্ভণিতে জনাৰ্দ্দনক নমস্কাৰ জনাইছে—

— 'জয় নমো যাদৱ মাধৱ জনাৰ্দ্দন।  
জয় ঋষিকেশ সদাশিৱ সনাতন।  
প্ৰণত তাৰণ নাৰায়ণ নিৰাকাৰ।  
কৃষ্ণৰ চৰণে কোটি কোটি নমস্কাৰ।১।  
নমো নমো ভগৱন্ত ভকতৰ নিধি।  
হৰিক স্মৰণে আৰম্ভৰ হৌক সিদ্ধি।।'

সকলো কৰ্ম আৰম্ভ কৰাৰ প্ৰাক্‌মুহূৰ্তত ভগৱানক স্মৰণ কৰি ল'ব লাগে, ভগৱানৰ অংশকলা-অৱতাৰ শ্ৰীমন্ত গুৰুজনাই তাৰে আদৰ্শ মানবৰ আগত দাঙি ধৰিছে। মুমূৰ্ষ পৰীক্ষিতে শুকদেৱক প্ৰশ্ন কৰিছে— 'নাৰায়ণে কি কাৰণে যদুবংশত অৱতাৰ ল'ব লগা হ'ল আৰু কি কি কৰ্ম সম্পন্ন কৰিলে সেই বিষয়ে কৈ মোক অমৃতপান কৰাওক।' কৃষ্ণ-কথা শ্ৰৱণ কীৰ্তন কৰাই হৈছে জীৱৰ একমাত্ৰ ধৰ্ম। পৰীক্ষিতক শুকদেবে উত্তৰত ক'লে যে দৈত্য দানবৰ অমিত প্ৰতাপ সহ্য কৰিব নোৱাৰি বসুন্ধৰীয়ে ধেনুৰূপ ধাৰণ কৰি বিৰিঞ্চিৰ ওচৰ পালেগৈ আৰু নিজৰ দুখ-দুৰ্গতিৰ কথাবৰ্ণনা কৰি স্তুতি আৰম্ভ কৰিলে। ব্ৰহ্মাই ত্ৰিদশ সহিতে ক্ষীৰোদধি তীৰলৈ গৈ মাধৱক আৰাধনা কৰিলে আৰু মাধৱে আকাশবাণী শুনাই ক'লে যে তেওঁ অনতি পলমে বসুদেবৰ গৃহত জন্ম গ্ৰহণ কৰি ভূমিৰ ভাৰ হৰণ কৰিব আৰু সেই কৰ্ম সমাধা কৰিবলৈ দেবতাসকলেও গোকুল-বৃন্দাবনত জন্ম গ্ৰহণ কৰিব লাগিব।

'সংহৰিবা হৰি পৃথিৱীৰ মহাভাৰ।  
তুমি সবো হোৱা যদুকুলে অৱতাৰ।।'

ভগৱন্ত কৃষ্ণৰ নিৰ্বন্ধমতেই মথুৰাৰ ৰাজকুমাৰ বসুদেবৰ লগত কংসৰ ভনীয়েক দৈৱকীৰ বিয়া হয় আৰু আকাশবাণীৰ যোগে কংসই শুনিবলৈ পালে যে দৈৱকীৰ অষ্টম গৰ্ভসম্ভূত পুত্ৰৰ দ্বাৰাই কংস নিধন হ'ব। লগে লগে নাৰদে আহি ক'লে যে— পূৰ্বজন্মত কংস কালনেমী দৈত্য আছিল আৰু তেওঁক বিষ্ণুৱে বধ কৰিছিল। এই জন্মতো সেই বিষ্ণুৱেই কৃষ্ণৰূপে অৱতাৰ হৈ কংসক বধ কৰিব। এই কথা শুনামাত্ৰেই কংসই বসুদেৱ-দৈৱকীক কাৰাগাৰত বন্দী কৰি থলে আৰু

৬ষ্ঠ পুত্ৰলৈকে ছয়পুত্ৰক কংসই হত্যা কৰিলে। ৭ম পুত্ৰ দৈৱকীৰ গৰ্ভত সম্ভূত হোৱাত কৃষ্ণৰ আদেশত মহামায়াই এই ভ্ৰূণ ৰোহিনীৰ গৰ্ভলৈ সঙ্কৰ্ষণ কৰে আৰু নন্দৰ ঘৰত বাস কৰি থকা ৰোহিনীৰ গৰ্ভৰ পৰা সঙ্কৰ্ষণ বা বলোৰামৰ জন্ম হয়। কৃষ্ণই অষ্টম গৰ্ভত স্থিতহৈ কংসৰ কাৰাগাৰত চতুৰ্ভূজ ৰূপধাৰণ কৰি অৱতাৰ হয় আৰু পিতৃ-মাতৃক পূৰ্ব্বজন্মৰ বৃত্তান্ত ব্যক্ত কৰে।

পূৰ্বতে বসুদেৱ 'সুতপা' প্ৰজাপতি আৰু দৈৱকী 'পৃশ্নী' সতী আছিল। দুয়োকে ব্ৰহ্মাই সৃষ্টি কৰিবলৈ আদেশ দিছিল। দুয়ো ঘোৰ তপস্যাত নিমগ্ন হৈছিল আৰু তপস্যাৰ অন্তত ভগৱানে তেওঁলোকৰ পুত্ৰহৈ জন্ম গ্ৰহণ কৰিব বুলি প্ৰতিশ্ৰুতি দিলে। সেয়ে দুয়ো পৰজন্মত কাশ্যপ আৰু অদিতি ৰূপে জন্মলাভ কৰিলে। আৰু ভগৱানে বামন অৱতাৰ লৈ পুত্ৰৰূপে জন্ম লৈছিল। ৩ য় জন্মত কাশ্যপেই বসুদেৱ আৰু অদিতিয়ে দৈৱকী হৈ জন্ম লোৱাত কৃষ্ণই তেওঁলোকৰ পুত্ৰহৈ জন্ম হৈছে। দ্বাপৰৰ শেষভাগত কলিৰ প্ৰভাৱে বসুধাক আবৰি লোৱাত কৃষ্ণসূৰ্য উদিত হৈ নামধৰ্ম বিদিত কৰিলে। কলিৰ প্ৰভাৱত সকলো ধৰ্মই নামত একত্ৰিত হয়হি—

'কলিৰ ভয়ত ত্ৰাস হৈয়ো ধৰ্ম যত।
একস্থান হৈয়ো ৰৈল হৰিৰ নামত।।
জানি এক চিত্তে ফুৰা ৰামনাম গাই।
সমস্তে ধৰ্মকে লগ পাইবা একে ঠাই।১১২।।
ইসে পৰমাৰ্থ তত্ব চাৰিও বেদৰ।
সমস্তে দেৱৰ জানো কৃষ্ণসে ঈশ্বৰ।।
সমস্ত ধৰ্মৰ ৰাজা মাধবৰ নাম।
জানি নিৰন্তৰে নৰে বোলা ৰাম ৰাম।১১৩।।

কৃষ্ণই চতুৰ্ভূজ ৰূপ ত্যাগ কৰি মানব শিশুৰূপে ধাৰণ কৰে আৰু তেওঁক নন্দ-যশোদাৰ ঘৰত পলোৱাই থবলৈ আৰু যোগমায়াক লৈ আহিবলৈ বসুদেৱক কৈছিল। কংসই কৃষ্ণৰ পৰিবৰ্তে যোগমায়াক হত্যা কৰিবলৈ লওঁতেই হঠাতে আকাশলৈ উৰা মাৰিলে আৰু আকাশবাণী হৈ কংসক শুনালে যে কংসক বধ কৰোতা কৃষ্ণৰ জন্ম ইতিমধ্যে হৈ গৈছে। কংসই সেই মুহূৰ্তৰ পৰা আত্মৰক্ষাৰ বাবে কৃষ্ণ-বধৰ নানা ষড়যন্ত্ৰ কৰিবলৈ ধৰিলে। প্ৰথমে ৰাক্ষসীপুতনাক স্তনত বিহদি শিশুবধ কৰিবৰ কাৰণে নিয়োগ কৰিলে। তদনুক্ৰমে পুতনাই ঘৰে ঘৰে শিশুবধৰ তাণ্ডৱ নৃত্য কৰি গ'ল। অৱশেষত কৃষ্ণক স্তন পান কৰোৱাই বধ কৰিবলৈ কোলাত লৈ স্তনপান কৰোৱালে—

"আটি ধৰি মুখে হৰি কোপে হুপিলন্ত।
স্তনে সমন্বিতে তাইৰ প্ৰাণ শুষিলন্ত।১১৭।।

পুতনাৰ স্তনদ্বয়ত মিহলি হৈ থকা বিহ অমৃতলৈ ৰূপান্তৰ হ'ল। পুতনাৰ সৰ্বশৰীৰৰ ৰস নিষ্কাষণ কৰা হ'ল আৰু পুতনাৰ দেহলতা ক্ষণিকতে মৰহি গ'ল। ভগৱন্তৰ অনন্ত-অসীম শক্তিৰ আগত পুতনাৰ ক্ষুদ্ৰমায়া তিলকতে নিচ্ছিন্ন হ'ল।

এদিন যশোদাই নিদ্ৰিত কৃষ্ণক গাড়ীৰ (শকট) তলত শুৱাই থৈছিল। নিদ্ৰাৰ পৰা সাৰপাই কৃষ্ণই মাতৃ-স্তন পান কৰিবলৈ নোপোৱাৰ খঙতে ভৰিৰে গাড়ী ওভোতাই পেলালে। এটি পানী কেঁচুৱাৰ এনে কাৰ্য ঐশ্বৰিক প্ৰভাবৰ বাহিৰে কি হ'ব পাৰে। আন এদিন কৃষ্ণক কোলাত লৈ থাকোতে যশোদাই কৃষ্ণক বৰগধুৰ যেন পাই নমাই থয় আৰু ইতিমধ্যে কংসই পঠোৱা তৃণবৰ্ত্তই শিশু কৃষ্ণক হৰণ কৰি নিয়ে। দুৰ্ঘোৰ ধূলিৰ প্ৰবাহে সকলোৰে চকু চাটমাৰি ধৰিলে। যশোদাই কৃষ্ণক বিচাৰি নাপাই কান্দিবলৈ ধৰিলে। তৃণবৰ্ত্তই কৃষ্ণক লৈ যাওঁতে কৃষ্ণই নিজ শৰীৰৰ ওজন বঢ়াই দিয়াত অসুৰে বহন কৰিব নোৱাৰি ভাগৰি পৰিল আৰু কৃষ্ণই অসুৰক ডিঙিত চেপা দি মাৰে। এইদৰে চক্ৰবাত নিধন হয়।

মাতৃ যশোদাক এদিন কৃষ্ণই বিশ্বব্ৰহ্মাণ্ড দৰ্শন কৰোৱাবলৈ মানস কৰিলে। কৃষ্ণই কোলাত স্তন পান কৰি হামি মাৰোতেই যশোদাই কৃষ্ণৰ মুখৰ ভিতৰত দেখিবলৈ পালে—

'যশোদা দেখন্তে পাচে গৰ্ভতে জগত।
দশোদিশ আকাশ নক্ষত্ৰ গ্ৰহণত।২৬৮।।
চন্দ্ৰ সূৰ্য বায়ু-বহ্নি পৰ্বত সাগৰ।
সমস্তে পৃথিৱী আছে গৰ্ভৰ ভিতৰ।।

এই দৃশ্য দেখি যশোদাই বিস্মিতহৈ চক্ষুমুদি দিলে। ভাবিলে কিবা জানে মায়া মোৰ তনয়, কৰিবে নোৱাৰো একো নিৰ্ণয়। ভগৱন্তৰ মায়া মানবৰ পাৰ্থিব চকুৰে চাই উৰাদিহ পাব নোৱাৰে। ভগৱন্তৰ মায়া 'অনুৰণীযান— মহতো মহিয়ান।' ইন্দ্ৰিয়েৰে ভগবানক ঢুকি পাব নোৱাৰি। একান্ত ভক্তিৰ দ্বাৰা ভগবানৰ অস্তিত্বৰ উমান পাব পাৰি।

কৃষ্ণ সত্যযুগত শুক্লবৰ্ণৰ ত্ৰেতাত ৰাতুল, দ্বাপৰত শ্যাম বৰ্ণৰ আছিল। গৰ্গ মুনিয়ে তেওঁৰ নাম ৰাখিলে কৃষ্ণ। কৃষ্ণই আঁঠুকাঢ়িবলৈ এৰি থিয় হ'বলৈ ধৰে। আৰু এইসময়ৰ পৰাই কৃষ্ণই গোৱালীৰ ঘৰত গাখীৰ, দৈ, মাখন আদি নানা দুষ্টামিৰে খাই, বান্দৰক খুৱাই দধিভাণ্ড ভাঙি, চৌৰ-চাতুৰী কৰি, নৃত্যভঙ্গিমা দেখুৱাই বাল্যলীলা কৰিছিল। আনকি কৃষ্ণই মাটি খাইছিল বুলি শুনি যশোদাই কৃষ্ণক মুখ মেলিবলৈ ক'লে আৰু মুখৰ ভিতৰত পুনৰায় চৈধ্যব্ৰহ্মাণ্ড দেখিবলৈ পালে। যশোদাই এইবাৰ কৃষ্ণত শৰণ ললে—

'নোহন্ত মানুস পৰম পুৰুষ
জানিয়া লৈলো শৰণ।।'

গাখীৰ ভাণ্ড ভঙাৰ বাবে যশোদাই কৃষ্ণক সাধাৰণ বালক হিচাবে গণ্য কৰি বান্ধিবলৈ যত্ন কৰে, কিন্তু দুআঙুল ৰচিৰ আটক হয়। সমস্ত জৰীৰে কৃষ্ণক বান্ধিব নোৱাৰাত পৰমব্ৰহ্মই আপুনি বন্ধন ল'লে। দুআঙুল ৰচী নোযোৰাৰ তাৎপৰ্যটো হৈছে যশোদাৰ মনত 'মই' বৰভাৱ আৰু কৃষ্ণ 'মোৰ ল'ৰা' এই দুই ভাবৰ অহঙ্কাৰ থকাৰ বাবেই জৰীয়ে নোযোৰে। সেয়ে 'মই' আৰু 'মোৰ' ভাবেই ভক্তিৰ প্ৰধান অন্তৰায়। কৃষ্ণই উড়ালেৰে সৈতে গৈ যমলাৰ্জুন দুজোপাক উঘালি [illegible]ালে। দুজোপা গছৰ পৰা দুজন দেৱতা ওলাই আহি কৃষ্ণক স্তুতি কৰিলে। এওঁলোকে দুজন হৈছে—কুবেৰৰ দুই পুত্ৰ মণিগ্ৰীব আৰু নলকুবেৰ। শ্ৰীমদ গৰ্বিত হৈ দুয়োয়ে বিবস্ত্ৰ হৈ জলক্ৰীড়া কৰি নাৰদক অবমাননা কৰাৰ বাবে নাৰদে দুয়োকে বৃক্ষ হ'বলৈ অভিশাপ দিছিল।

ইয়াৰ পাচত কৃষ্ণই গোপ-গোপী আৰু গোধনক লৈ বৃন্দাবনলৈ যায়। কংসৰ দূত হিচাবে বৎসাসুৰে গৈ কৃষ্ণক বধিবলৈ যত্ন কৰাত বৎসাসুৰক বধ কৰে। তাৰ পাচতে বকাসুৰক বধ কৰি কৃষ্ণ বনভোজলৈ যায়। সেই সুবিধাতে কংসৰ দূত অঘাসুৰে ভয়ঙ্কৰ সাপ হৈ কৃষ্ণসহ সকলোৰে শৰীৰ বঢ়াই দিয়াত মুদ্ধাফুটি অসুৰৰ প্ৰাণনাশ হয়। কৃষ্ণৰ এনে অদ্ভুত কাৰ্য দেখি গোৱালসকলে কৃষ্ণত পৰমপুৰুষত্ব দেখিবলৈ পায়। ইফালে ব্ৰহ্মাই কৃষ্ণক পৰীক্ষা কৰিবলৈ আহি সমস্ত গো-দামুৰী চুৰ কৰি নি লুকাই থয়। কৃষ্ণই উপায় উলিয়াই নিজে পুনৰ গো-দামুৰী সৃষ্টি কৰি আগৰদৰেই ব্ৰজবাসীয়ে গম নোপোৱাকৈ ৰাখি থাকিলে। সৃষ্টি কৰি বৃন্দাবনলৈ আহি একে গো-দামুৰী একেদৰেই দেখি ভগৱানৰ মোহত পৰিল। এবছৰ কাল ধৰি এনেকৈ চলি যোৱাত ব্ৰহ্মাই উপায়হীন হ'ল। আচলতে বৃন্দাবনৰ গো-দামুৰী আৰু পোৱালিবোৰে হৈছে—ঋষিবংশহে—

'মই জানো গোপশিশু সৱেদেব অংশ।
বৎস গণ যতেক ঋষি বংশ।৪৪৫।।

বলোভদ্ৰয়ো কৃষ্ণৰ মহিমাদেখি আশ্চৰ্য প্ৰকাশ কৰে। ব্ৰহ্মাই কৃষ্ণৰ আচল কথাটো জানি কৃষ্ণৰ কাষ চাপিল। ব্ৰহ্মাৰ শ্ৰুতি-বুদ্ধি হত হ'ল, পেট উখহিল, কৃষ্ণই দয়া কৰি ব্ৰহ্মাৰ সংজ্ঞা ঘূৰাই আনিলে। কৃষ্ণৰ অৰ্তক মহিমা আৰু ৰূপ ব্ৰহ্মাই চাব নোৱাৰি চক্ষু মুদি দিলে—

'যিটো প্ৰকৃতিৰ পৰা প্ৰভু ভগৱন্ত।
বেদান্তৰো মুখ্যভাগে যাক প্ৰকাশন্ত।।
নিজ ব্ৰহ্মৰূপ আতি অৰ্তক মহিমা।
তাঙ্ক কি চক্ষুৰে চাহিবাক পাৰে ব্ৰহ্মা।"৪৬৯।।

ব্ৰহ্মাই কৃষ্ণৰ চৰণত পৰি স্তুতি কৰিবলৈ ধৰিলে। গোপসকলে তালফল ভূঞ্জিবৰ বাবে কৃষ্ণ বলৰামে যত্ন কৰি থাকোতে তালফলৰ অধিকাৰী ধেনুকাসুৰে আক্ৰমণ কৰে আৰু বলৰামে ধেনুকাসুৰক বধ কৰে। ইয়াৰ পাচত কালীহ্ৰদত পানী খাই গোপ আৰু গো-বৎস সকলো মৰাত কৃষ্ণই কদম্ব গছৰ পৰা জাপ মাৰি কালীহ্ৰদত বুৰ দিয়ে আৰু কালীয়ে সহস্ৰ ফণা তুলি কৃষ্ণক বিষ ঢালিবলৈ ধৰিলে। কৃষ্ণই অমৃত দৃষ্টি নিক্ষেপ কৰি গৰু আৰু গৰখীয়া সকলোকে জীয়ালে আৰু কালীক দমন কৰি ৰমনক দ্বীপলৈ খেদাই দিলে। নাগপত্নীসকলে কৃষ্ণক পূৰ্ণব্ৰহ্ম বুলি জানিব পাৰি স্তুতি কৰিলে। যমুনাৰ তীৰত আন্ধাৰ ৰাতি চাৰিওফালে বনাগ্নিয়ে বেঢ়ি ধৰাত কৃষ্ণই অনায়াসে বনাগ্নি পান কৰি সকলোকে ৰক্ষা কৰে। আন এদিন গোপবালক সকলে বৃন্দাবনত নানা খেলাখেলি থাকোতে প্ৰলম্বাসুৰে গৰখীয়াৰ বেশ ধৰি বলৰামক কান্ধত তুলি হৰণ কৰি নিয়ে আৰু বলৰামে প্ৰলম্বাসুৰক মুষ্টি হানি বধ কৰে।

যমুনাৰ নিৰ্মল জলাধিত গোপীসকলে কাত্যায়নী পূজা সমাপন কৰি স্নান কৰিছিল। তেওঁলোকে বস্ত্ৰবোৰ পাৰত থৈ বিবস্ত্ৰা হৈ জলত নামি কৃষ্ণ-গুণগীত গাই আছিল। কৃষ্ণই গোপীৰ বস্ত্ৰবোৰ কদম্বত তুলি নিজেও গছত বহি আছিল। গোপীসকলে কৃষ্ণক পতিৰূপে পাবলৈ কাত্যায়নী পূজা কৰিছিল, কিন্তু এতিয়া কৃষ্ণক পাই লৰ্জ্জিত হ'ল। কৃষ্ণই গোপীসকলক দুই হাত-মূৰৰ

ওপৰত থৈ কৃতাঞ্জলি কৰি পাৰলৈ উঠি আহি বস্ত্ৰ গ্ৰহণ কৰিবলৈ ক'লে। গোপীসকলৰ দ্বৈতজ্ঞান থকাৰ বাবে এনে কৰিবলৈ প্ৰথমে অসন্মত হৈছিল যদিও কৃষ্ণৰ কথামতেই কাম কৰিলে। কৃষ্ণই পৰমভক্তা গোপীসকলৰ কৃষ্ণৰ প্ৰতি থকা প্ৰেম ভক্তিৰ এয়া প্ৰথম পৰীক্ষা। বস্ত্ৰাবৰণ হৈছে 'মায়া'। প্ৰকৃত ভক্তি থাকিলে মায়াৰ আবৰণে বাধা দিব নোৱাৰে। কৃষ্ণই গোপীসকলক এবছৰ সময় দি বিদায় দিলে আৰু এবছৰৰ পাচত শাৰদীয় পূৰ্ণিমাত কৃষ্ণৰ লগত তেওঁলোকৰ পূৰ্ণমিলন ঘটিব বুলি ক'লে। কৰ্মগৰ্বী বিপ্ৰসকলে ৰাম-কৃষ্ণৰ প্ৰসাদ নিদিয়াত কৃষ্ণৰ কথামতে গোপসকল আহাৰ বিচাৰি বিপ্ৰপত্নীসকলৰ ওচৰলৈ গ'ল আৰু পত্নীসকলে পৰমভক্তি ভাবেৰে ৰাম-কৃষ্ণক প্ৰসাদ দিবলৈ স্বামীসকলক উপেক্ষা কৰি অগ্ৰসৰ হ'ল। কৃষ্ণই বিপ্ৰপত্নীসকলৰ অচলাভক্তিত তুষ্ট হ'ল আৰু তেওঁলোকক নিজস্বামীসকলৰ কৰ্মত সহায় কৰিবলৈ পঠাই দিলে। বিপ্ৰপত্নী সকলৰ কৃষ্ণভক্তি অতুলনীয়।

ইয়াৰ পাচত নন্দ-আদি গোপসকলে ইন্দ্ৰযজ্ঞ কৰিবলৈ লোৱাত কৃষ্ণই বাধা দিলে আৰু ইয়াৰ পৰিবৰ্তে গোবৰ্দ্ধন পূজা কৰিবলৈ দিলে। ইন্দ্ৰই খং আৰু অভিমানত অতীষ্ট হৈ ব্ৰজবাসীৰ ওপৰত অকাল বৰ্ষাৰে প্লাবন আনিলে আৰু কৃষ্ণই গোৰ্বৰ্দ্ধন পৰ্বত আঙুলিৰ ওপৰত দাঙি ৰাখি গোৱাল- গো-গোপী, বৎস আদি সকলোকে ৰক্ষা কৰিলে আৰু ইন্দ্ৰৰ বজ্ৰক বাধা দিলে। অৱশেষত ইন্দ্ৰই কৃষ্ণৰ মহিমা দেখি চৰণত পৰি স্তুতি কৰিবলৈ ধৰিলে—

'শুদ্ধ ব্ৰহ্মমূৰ্তি তুমি সৰ্বজ্ঞ আপুনি।
তোমাক নোছোৰে ৰজস্তম একো গুণি।।
অধীন তোমাৰ মায়া তুমি নিত্য বোধ।
এতেকে তোমাৰ নাহি ৰাগ-লোভ-ক্ৰোধ।১১৪০।।

যমুনাৰ জলত স্নান কৰোতে নন্দক বৰুণৰ দূতে ধৰি নি বৰুণৰ ৰাজসভা পোৱালে। লগে লগে কৃষ্ণই জলত বুৰদি বৰুণৰ ৰাজসভা পোৱাৰ লগে লগে বৰুণে সবান্ধৱে কৃষ্ণৰ এই অপাৰ মহিমাৰ কথা নন্দৰমুখৰ পৰা শুনি ব্ৰজবাসীসকলে বৈকুণ্ঠ দৰ্শন কৰোৱাবলৈ কৃষ্ণক খাটিলে। কৃপাৰ সাগৰ দৈবকীনন্দনে তেওঁলোকক বৈকুণ্ঠ দৰ্শন কৰোৱাই কৃতকৃত্য কৰোৱালে। তাৰ বাবে কৃষ্ণই ব্ৰজবাসীৰ মায়া দূৰ কৰি লৈছিল ক্ষণিকৰ বাবে। ইয়াৰ পাচত বৃন্দাবনত শৰতৰ পূৰ্ণিমাই ভুমুকি মাৰিলে। কৃষ্ণই মধুৰ বংশীধ্বনি বাজি উঠিল। ভক্তা গোপীসকলৰ হৃদয়ত ভক্তিৰ অনল জ্বলি উঠিল— মনোমোহা শৰতৰ স্পৰ্শ লাগি পৰমাত্মাই বিচাৰিলে আত্মাৰ সান্নিধ্য।

'শৰত কালৰ ৰাতি অতি বিতোপন।
বহুবিধ পুষ্পে বিকশিত বৃন্দাবন।।
দেখি যোগমায়া বলে হৰিৰে তহিত।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈলচিত্ত।১২১০।।

পৰমাত্মাক এৰি আত্মা থাকিব নোৱাৰে, ভগৱানক এৰি ভকত থাকিব নোৱাৰে। ভক্তাগোপীসকলেও পতি-পুত্ৰ-গৃহ-সংসাৰ সকলো এৰি কৃষ্ণৰ ওচৰলৈ ঢাপলি মেলিলে আৰু কৃষ্ণৰ লগত অনঙ্গ কেলি কৰি শান্তি লাভ কৰিলে। 'কাম- জয় নামে ইটো কেশবৰ কেলি। ইয়াত জোনাকী পৰুৱাৰ পোহৰ আছে, দাহিকা শক্তি নাই। কৃষ্ণৰ বিন্দু স্খলন হোৱা নাই। গোপীভৰ্ত্তা কৃষ্ণই গোপীসকলক স্তৰে স্তৰে ভক্তিৰ পৰীক্ষা কৰি কৰি অবশেষত চূড়ান্ত মিলন ঘটাইছে। গোপীৰ প্ৰেম ভক্তিৰ চূড়ান্ত অৱস্থা ৰাসলীলা। শৃঙ্গাৰ ৰসৰ সহায়ত ভক্তি-প্ৰেম ৰসৰ স্বৰূপ ৰাসলীলাত প্ৰতিফলিত হৈছে। সমস্ত ভাগৱতৰ মূলতত্ত্ব ৰাসক্ৰীড়াত নিহিত হৈ আছে। যোনি ভগবানৰে ঐশ্বৰ্য্য। নিজদেহতেই নিজে ক্ৰীড়া কৰিছে ভগৱন্তই। তাৰ বাবে তেওঁ সৃষ্টি কৰি লৈছে 'যোগমায়াক'। সেয়ে প্ৰতি গৱাকী গোপীয়েই নিজগৃহত নিজ স্বামীৰ কাষতে শয়ন কৰি আছে। নোহোৱাক হোৱা দেখুওৱাটোৱেই যোগমায়া।

সুদৰ্শন বিদ্যাধৰে অভিশপ্ত হৈ সৰ্প হৈ আছিল আৰু কৃষ্ণই তেওঁক মুক্তি দিয়ে। ইয়াৰ পাচত কুবেৰৰ অনুচৰ শঙ্খচুড় যক্ষই গোপীসকলৰ মাজত সোমাই ত্ৰাসৰ সৃষ্টি কৰে আৰু কৃষ্ণই শঙ্খচুড় বধ কৰে। এই দৰে অৰিষ্টাসুৰে আক্ৰমণ কৰাত তাকো সংহাৰ কৰে। কংসৰ অনুচৰ কেশী আৰু ব্যোমাসুৰকো কৃষ্ণই নিপাত কৰে।

ইয়াৰ পাচত নাৰদে কৃষ্ণক দৰ্শন কৰে আৰু কৃষ্ণৰ অপাৰ মহিমা দেখি শৰণে পশে আৰু পাচদিনাই অক্ৰূৰে আহি ৰাম-কৃষ্ণক মথুৰালৈ লৈ যাবহি বুলি জনায়। অক্ৰুৰে ৰাম-কৃষ্ণক ৰথত তুলি মথুৰালৈ লৈ যায় আৰু বাটতে অক্ৰূৰে কৃষ্ণ দৰ্শনৰ অপাৰ আনন্দ ভোগ কৰে। ইফালে কৃষ্ণ বিহীন গোপীসকলে বিলাপ কৰিবলৈ ধৰে। ৰাম-কৃষ্ণই মথুৰা নগৰীত প্ৰবেশ কৰিয়েই ৰাজকীয় ধোবা— ৰজকক বধ কৰে। সুদামা মালি আৰু কুজীৰ বাঞ্ছা পূৰণ কৰাৰ পাচত

কংসৰ ৰঙ্গশালাত প্ৰবেশ কৰি কংসক ধনু ভঙ্গ কৰে কৃষ্ণই। লগে লগে দুৱাৰত থকা কুবলয়-পীড়ক বধ কৰে আৰু মল্লযুদ্ধা চানুৰক কৃষ্ণই আৰু মুষ্টিকক বলৰামে বধ কৰে। কালান্তক মূৰ্তিধাৰণ কৰি কৃষ্ণই কংসৰ সিংহাসনৰ ওপৰত লৈ উঠি যায়।

'যেন গিৰিশিখৰত আৰোহিলা সিংহ।
খলখলি হাসি কৃষ্ণে ৰঙ্গে দিলা ৰিঙ্গ।।
দেখি কংসে আসনৰ উঠি তাৰ তাবক্ষণে।
ধৰিলেক খাণ্ডাবাৰু যুঁজিবাক মনে।২০৮৮।।

অচিন্ত-মহিমাৰে কৃষ্ণই কংসক সিংহাসনৰ পৰা আজুৰি আনি দুই হস্তেৰে পাপী কংসক নিধন কৰে। লগে লগে কংস কাৰাগাৰলৈ গৈ নিজ পিতৃ-মাতৃক বন্ধনমুক্ত কৰে আৰু উগ্ৰসেনক ৰাজসিংহাসনত বহুৱায়।

ইয়াৰ পাচতে বসুদেৱ-দৈৱকীয়ে কৃষ্ণৰ জাতকৰ্ম সম্পন্ন কৰে আৰু গুৰু গৃহলৈ পঠায়। সান্দিপনি গুৰুৰ ওচৰত অল্পকালতে বিদ্যা-শিক্ষা সাংকৰি কৃষ্ণ-বলৰাম গৃহলৈ প্ৰত্যাবৰ্তন কৰে। কৃষ্ণই গুৰু দক্ষিণা হিচাবে গুৰুৰ মৃত পুত্ৰক আনি দিয়ে। ই কৃষ্ণৰ এক ঐশ্বৰিক কৰ্ম। গোকুলৰ সকলো খা-খবৰ লবৰ বাবে আৰু বিৰহী পিতৃ-মাতৃ গোপীসকলক বুজনি দিবলৈ মহাভক্ত উদ্ধৱক কৃষ্ণই গোকুললৈ পঠায়। উদ্ধৱে কৃষ্ণৰ সবিশেষ নন্দ-যশোদাক জনায় শান্ত কৰে আৰু তাৰ পাচত গোপীসকলক সংবাদ প্ৰেৰণ কৰে। গোপীসকলে কৃষ্ণৰ বিৰহত আতুৰ হৈছিল আৰু উদ্ধৱৰ উপদেশত তেওঁলোকে সংজ্ঞা ঘূৰাই পাইছিল। উদ্ধৱ-সংবাদত গোপীৰ কৃষ্ণভক্তিৰ অন্যতম নিদৰ্শন প্ৰতিভাত হৈছে। উদ্ধৱে সকলোৰে পৰা বিদায়লৈ মথুৰালৈ যায় আৰু কৃষ্ণৰ ওচৰত গোকুলৰ নন্দ-যশোদাৰ ভক্তা গোপী সকলৰ বিষয়ে বিবৰি কয়। পূৰ্ণব্ৰহ্ম কৃষ্ণৰ চৰণ সেৱা কৰি উদ্ধৱে মথুৰাতে কটায়।

ভগৱন্ত কৃষ্ণই বলোভদ্ৰৰ লগহৈ অসংখ্য দুষ্ট দৈত্য দানবক বধ কৰি সন্ত-সাধুক মুক্তিদান কৰি ধৰাত শান্তি প্ৰতিষ্ঠাৰ কৰ্মলীলা কৰিবলৈ ধৰিলে। দশমত প্ৰকাশ পোৱা এই কৰ্মৰাজি গোবিন্দৰ ল'ৰালিকালৰ একাংশ হে মাত্ৰ। জন্মৰ দিন ধৰি তেওঁ কৰ্মলীলা আৰম্ভ কৰে। ভগৱন্তই কৰ্ম কৰিবলৈ অৱতাৰ গ্ৰহণ কৰি প্ৰয়োজন সাপেক্ষে লগত এজনক লৈ আহে। বলৰাম তাৰেই অভিব্যক্তি। মহাপুৰুষ শঙ্কৰদেৱেও তেৰাৰ কৰ্মৰাজি পুৰিপূৰ্ণ কৰিবলৈ মাধৱদেৱক লৈ আহিছিল। শঙ্কৰদেৱেই কৃষ্ণ—

'তলগৈলা লোক কালি পাপ সাগৰত।
কৃপাময় কৃষ্ণে জানি গুণিয়া মনত।।
ইটো লোক সমস্তক কৰিবে উদ্ধাৰ।
শঙ্কৰ-মাধৱৰূপে ভৈলা অৱতাৰ।।'

দুৰ্ঘোৰ কলিকালত চাৰিওফালে পাপেৰে আগুৰি নৰলোকক জ্বলা-কলা কৰি মাৰিছে। ভগৱন্তৰ গুণানুচৰিত্ৰ পান কৰি পাপ-সাগৰৰ পৰা ত্ৰাণ পাব পাৰি। চাৰিওফালে— আশাৰ লোভে মনক টানিব লাগিছে, মনক স্থিৰ কৰি ৰাখিবলৈ শাস্ত্ৰালাপ, সাধুৰ সঙ্গ অতি প্ৰয়োজনীয়। এখন বিমল সাহিত্যপুথিয়েও মনলৈ আনন্দ কঢ়িয়াই আনে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ আদি মহান মনিষীসকলে আমালৈ দি যোৱা মহান গ্ৰন্থৰাজি শ্ৰদ্ধাৰে পঠন-পাঠন কৰিলে মানৱজীৱনৰ গতি মহান পথেৰে ধাবিত হ'ব। মহাপুৰুষ আৰু জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ 'দশম' শাস্ত্ৰত এক মহান আদৰ্শ আৰু বিশ্বসাহিত্যৰ সম্ভাৰ নিহিত হৈ আছে।

ভগৱন্ত কৃষ্ণৰ চৰণাৰবিন্দত কোটি কোটি সেৱাজনাই গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰাতুল চৰণত প্ৰণিপাত কৰি নামঘোষাৰ ঘোষাৰে সামৰণি মৰা হ'ল—

'অপৰাধ বিনাশ তযুনাম নাৰায়ণ
জানি নাম পশিলো শৰণে।
আনগতি নাহিলে মৰণে।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিও চৰণে।।

— দাসানুদাস —
সেৱাৰে—
শ্ৰী বিপিন চুতীয়া

**(গ) দশমৰ কিছুমান চৰিত্ৰৰ পূৰ্বজন্ম বৃত্তান্ত ঃ**

সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণে ভূমিৰ ভাৰ হৰণ কৰিবলৈ কৃষ্ণ ৰূপে মানবী তনু লৈ পূৰ্ণঅৱতাৰ গ্ৰহণ কৰে। দুষ্কৃতিকাৰীক বিনাশ, সাধু-সন্ত-মহন্ত, ভকতক দুৰ্দ্দান্ত অশুভ শক্তিৰ কবলৰ পৰা মুক্ত কৰিবলৈ আৰু জগতত

বিলোপহোৱা ধৰ্ম সংস্থাপণ কৰিবলৈ বসুদেবৰ ঔৰষত দৈবকীৰ গৰ্ভত মথুৰাত জন্মগ্ৰহণ কৰে। সেই সময়ত মথুৰা, গকুল, বৃন্দাবন আদি স্থানত দৈত্য-দানৱ-অসুৰ আদিয়ে মানৱ সমাজত দুৰ্ঘোৰ অত্যাচাৰ কৰিছিল। কৃষ্ণৰ অগ্ৰজ বলৰামে কৃষ্ণজন্মৰ আঠদিনৰ আগত গকুলৰ নন্দৰজাৰ ঘৰত বসুদেৱৰ পত্নী ৰোহিনীৰ গৰ্ভত জন্মগ্ৰহণ কৰে আৰু কৃষ্ণই কংসৰজাৰ কাৰাগাৰত জন্মগ্ৰহণ কৰে। জন্মৰ সময়ত তেওঁ চৰ্তুভূজ ৰূপ পৰিগ্ৰহ কৰি পিতৃ-মাতৃক নিজৰ পৰিচয় দিয়ে আৰু তেওঁক নি নন্দ-যশোদাৰ মাজত শুৱাই থৈ তেওঁলোকৰ গৰ্ভজাত কন্যাশিশু যোগমায়াক মায়াবলেৰে লৈ আহে। অজ্ঞাত নন্দ-যশোদাই কৃষ্ণকেই পুত্ৰ বুলি ভাবি বলোৰাম সহ ডাঙৰ-দীঘল কৰে। কৃষ্ণই নিজ আচনি অনুসৰি মাতৃদুগ্ধ খাই থকা অৱস্থাতে দৈত্য ৰাক্ষস দানৱবধৰ শুভকাৰ্য্য আৰম্ভ কৰে। প্ৰথমে তেওঁ পুতনাক বধ কৰে। পুতনাৰ পাছতে শকটাসুৰ, তৃৰ্ণাবৰ্ত, বৎসাসুৰ, বকাসুৰ, অঘাসুৰ, কালীসৰ্প, ধেনুকাসুৰ, অৰিষ্টাসুৰ, ৰজক, দৰ্জ্জী, মালাকাৰ, কংস আদিক বধ কৰে।

বসুদেৱ, দৈবকী, দৈবকীৰ ছয় পুত্ৰ, অৰ্জুনগছ, কুবুজা, গ্ৰাহ, গজেন্দ্ৰ আদি সকলকো ভগৱন্তই পৰম গতি দিয়ে। প্ৰকৃততে এই চৰিত্ৰসমূহ পূৰ্বজন্মত কি আছিল, কাৰ অভিশাপত কেনেদৰে ৰূপধাৰণ কৰি, কাৰ সান্নিধ্য লাভ কৰি গতি পালে, সেই বিষয়ে আলোচনাত সংক্ষিপ্ত ভাৱে বৰ্ণনা কৰা হ'ব। সেই সময়ত ঘোৰ অত্যাচাৰী ৰজা আছিল কংস আৰু তেওঁ যুদ্ধ জয় কৰি 'সমস্ত দৈত্যগণ'ক নিজৰ তলতীয়া কৰিছিল। সেইবাবে মূল কংসৰ গৃহতেই কৃষ্ণই জন্মলৈ অসুৰ বধৰ পৰিকল্পনা কৰিলে। নিজ ভনীয়েকক বসুদেৱলৈ বিয়া দি লৈ যাওঁতেই দেৱবাণী শুনিলে আৰু দৈৱকীৰ অষ্টম পুত্ৰৰ হাততে মৃত্যু বুলি জানি দৈৱকীৰ ছয়পুত্ৰক বধ কৰিলে। নাৰদৰ মুখে কৃষ্ণ জন্ম হোৱাৰ কথা শুনি পুতনাকে আদি কৰি দানবী আৰু দৈত্যগণক শিশুকৃষ্ণক বধিবলৈ এজন এজনকৈ পঠালে।

(১) **কংস ঃ**

এওঁ নিজেই পাপ, বিঘিনী, ৰোগ আৰু দানবৰ প্ৰতীক। 'অসু' মানে ইন্দ্ৰিয়,'ৰ' মানে ৰমন। ইন্দ্ৰিয় সমূহৰ লগত ৰমন যি কৰে, তেওঁ অসুৰ, কংস তেনে এজন অসুৰ। কংস অসুৰ কংসাসুৰ মানে ভোগাসক্ত পাপী। পূৰ্ব জন্মত তেওঁৰ নাম 'কালনেমী' দৈত্য আছিল। বিষ্ণুৱে কালনেমীক বধ কৰিছিল। বিষ্ণু বিদ্বেষী কালনেমী কংস ৰূপে জন্মগ্ৰহণ কৰি বিষ্ণুৰ অৱতাৰ কৃষ্ণক বিদ্বেষ কৰিছিল। কৃষ্ণৰ হাতত মৰি কংসই গতি লাভ কৰিলে।

(২) **পুতনা ঃ**

কংসৰ সৰচৰী ৰাক্ষসী। কৃষ্ণক বধৰ বাবে কংসই পুতনাক প্ৰেৰণ কৰিলে। পুতনাই নিজৰ স্তনত কালকুট বিহ সানি কৃষ্ণক স্তন পান কৰোৱালে কৃষ্ণই তাইৰ শৰীৰত থকা সমস্ত ৰস শুহি পেলালে আৰু মৃত্যুক সাৱটি ল'লে। পুত্ৰই মাতৃৰ দুগ্ধ পান কৰে, পুতনা একপ্ৰকাৰে মাতৃ, কৃষ্ণই তাইক মাতৃ গতি দিলে।

ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ আৰু গৰ্গসংহিতাৰ গোলোক খণ্ডৰ মতে— মহাভক্ত বলিৰ ৰাজসভাত বামনৰূপী বিষ্ণুৱে প্ৰৱেশ কৰোঁতে বলিৰ কন্যা ৰত্নমলাই বামনৰ মনোহৰ ৰূপ-সৌন্দৰ্য সুষমাত মুগ্ধ হৈ বামনৰ দৰে এটি শিশুৰ মাতৃ হ'বলৈ বৰ হাবিয়াস কৰে। তেওঁ বামনক নিজৰ কোলাত লৈ পুত্ৰস্নেহ ঢালি মৰম কৰিবলৈ আৰু নিজৰ স্তন লৈ দুগ্ধ খুৱাবলৈ ব্যাকুল হৈ পৰে। বামনে ৰত্নমালাৰ মনোভাৱ বুজি পৰবৰ্তী জন্মত ৰত্নমালাৰ কুচকুম্ভৰ দুগ্ধ পান কৰিব বুলি আশীৰ্বাদ দিয়ে। সেই বাবে দ্বাপৰ যুগত তাই পুতনা নামলৈ জন্মলয় আৰু কংসৰ পাঞ্চনি পাই শিশু কৃষ্ণক কোলাত লৈ এদিনলৈ হ'লেও পুত্ৰৰূপে স্তনপান কৰোৱালে। কৃষ্ণই পূৰ্বৰ কথামতে তাইৰ বাৎসল্য ভক্তিৰ বাবে মাতৃগতি প্ৰদান কৰিলে।

(৩) **শকটাসুৰ ঃ**

পুতনা বধৰ পাচতেই কংসই শকটাসুৰক পঠালে। মায়াবী শকটাসুৰ এখন গাড়ীৰ আকৃতি ধাৰণ কৰি শুই থকা শিশুকৃষ্ণৰ ভৰি প্ৰহাৰ পাই সি নিজৰূপ ধৰি প্ৰাণ এৰিলে। সিত্ত কৃষ্ণৰ পদপ্ৰহাৰত মুক্তি লভিলে।

'গৰ্গ সংহিতা'ৰ মতে এই অসুৰ হিৰণ্যাক্ষৰ পুত্ৰ, নাম উৎকচ্। ই লোমশ মুনিৰ আশ্ৰমত প্ৰবেশ কৰি গছ-গছনি ভাঙি তহিলং কৰিছিল। মুনিয়ে তাক দেহ ৰহিত হ'বলৈ অভিশাপ দিলে। সি মুনিক কাকুতি কৰাত মুনিয়ে ক'লে— 'তই চাক্ষুস মন্বন্তৰ পৰ্য্যন্ত বায়ুময় হৈ থাকিবি, বৈবস্বত মন্বন্তৰত কৃষ্ণৰ চৰণ স্পৰ্শ লাভ কৰি নিজৰূপ পাই মুক্তি পাবি।' সি গাড়ীখনৰ চক্ৰত বহি আছিল। ব্ৰহ্মঋষি সকলৰ ব্ৰহ্মবাক্য লৰচৰ নহয়। সাধু-সন্ত মহন্তক অত্যাচাৰ কৰিলে সকলোৱে এনে দৃশ্য হয়, কিন্তু কৃষ্ণৰ শৰণ ললে শেষত মুক্তি পায়।

(৪) **তৃৰ্ণাত্ত বা চক্ৰবাত্ ঃ**

'তৃণাৰ্ত্ত বা চক্ৰবাত'ৰ অৰ্থ ঘূৰ্ণবতাহ। ই কংসৰ আদেশত আহি কৃষ্ণক অকলশৰীয়া অৱস্থাত আকাশৰ ওপৰলৈ উৰাই লৈ গ'ল। কৃষ্ণই তাক আকাশতে বধ কৰিলে। কৃষ্ণৰ চৰণৰ আঘাত পাই তাৰ মৃত্যু হয় আৰু পাপমুক্ত হয়।

ব্ৰহ্ম-বৈবৰ্ত্ত পুৰাণৰ মতে তাৰ পূৰ্ব্বজন্ম আছিল পাণ্ড্যদেশত, তেওঁ এই দেশৰ মহাপ্ৰতাপী ৰজা আছিল। তাৰ নাম আছিল সহস্ৰাক্ষ। তেওঁ অতি কামান্ধ আছিল আৰু হেজাৰজনী সুন্দৰী লৈ ৰমন কৰি ফুৰিছিল। এদিন গন্ধমাৰ্দন পৰ্বতৰ তীৰস্থ নদীৰ পাৰত ৰমণীক লৈ আমোদ কৰি থাকোঁতে দুৰ্বাসা ঋষি সেই ঠাই পালেহি। সহস্ৰাক্ষই মুনিক সন্মান নজনোৱাত মুনিয়ে অভিশাপ দিলে— 'তই অসুৰ যোনিত জন্মি পৃথিৱীত ভ্ৰমি ফুৰিবি, কৃষ্ণৰ চৰণ স্পৰ্শ পালে পাপৰ পৰা মুক্ত হবি।'

(৫) **বৎসাসুৰ ঃ**

কৃষ্ণই গোপৰ লগত গৰু চৰাই ফুৰোতে কংসৰ আদেশত বৎসাসুৰে গৰুৰ পোৱালিৰ ৰূপ লৈ আহি-গৰুৰ জুমত সোমাই অত্যাচাৰ কৰাত কৃষ্ণই বৎসাসুৰক বধ কৰে আৰু কৃষ্ণক হাতত মৰি মুক্তি পায়। পূৰ্বজন্মত ইয়াৰ নাম প্ৰমীল আছিল।

মূৰ দৈত্যৰ পুত্ৰৰ নাম প্ৰমীল আৰু ই দেবগণক জয় কৰিছিল। এদিন সি বশিষ্ঠ মুনিৰ কামধেনুক দেখি মুনিৰ ওচৰত গৰুজনী বিচাৰিছিল। মুনিয়ে দিবলৈ অমান্তি হোৱাত সি গাইজনীক নিবলৈ যত্ন কৰাত কামধেনুৱে ক'লে— 'তই বিপ্ৰবেশ ধৰি ছালনা কৰি মোক বিচাৰিছ, তই গৰু পোৱালি হৈ থাকগৈ।' সি বৰকৈ কাকুতি কৰাত কামধেনুৱে ক'লে— 'দ্বাপৰ যুগত তই কৃষ্ণৰ সান্নিধ্যত মুক্তি পাবি।' অপ্ৰাপ্য দ্ৰব্যৰ প্ৰতি মোহত পৰিলে এনেদশা হয়।

(৬) **বকাসুৰ ঃ**

ই বৃন্দাবনত গৰু চৰাই থকা গোপবালক আৰু কৃষ্ণক বধ কৰিবলৈ কংসৰ আদেশত বগলী হৈ গৈছিল। তাৰ আক্ৰমণত গোপ সকলে ভয় খাই কৃষ্ণক জনালে। কৃষ্ণই তাক ঠেঁটুত চেপি মাৰে। সি কৃষ্ণৰ পৰশ পাই বকজন্মৰ পৰা মুক্তি লাভ কৰে।

পূৰ্বজন্মত ইয়াৰ নাম আছিল উৎকল। হয়গ্ৰীব দৈত্যৰ পুত্ৰ উৎকলে স্বৰ্গৰাজ্য আক্ৰমণ কৰি ইন্দ্ৰাদি দেৱতাক পৰাজয় কৰে। ইন্দ্ৰৰ ছত্ৰলৈ সি প্ৰত্যাগমন কৰে। মুনিৰ আশ্ৰমবোৰত অত্যাচাৰ কৰি কৰি এদিন গঙ্গানদীৰ পাৰত থকা জাজলি মুনিৰ পৰ্ণশালত প্ৰবেশ কৰি পানী আউদালি মাছ ধৰিছিল। মুনিয়ে দেখি তাক বগলী হ'বলৈ অভিশাপ দিলে। কৃষ্ণৰ স্পৰ্শ পালে সি শাপ মুক্ত হ'ব বুলি ক'লে। এই আখ্যান গৰ্গ সংহিতাত আছে। অসুৰবোৰ সাধাৰণতে অত্যাচাৰী আৰু দুৰ্দ্দান্ত চৰিত্ৰৰ। দেৱতাৰ 'ছত্ৰ'ক হস্তগত কৰাৰ বাবে আৰু মুনিৰ আশ্ৰমত অত্যাচাৰ কৰি সি শাপ অৰ্জন কৰে। এনে কুকাৰ্য্যৰ পৰিণতি সকলো সংসাৰীলোকে ভোগ কৰিব লগা হয়। কৃষ্ণই পাপীকো দায়াকৰি মুক্তি প্ৰদান কৰে।

(৭) **অঘাসুৰ ঃ**

অঘ অসুৰে সৰ্পাকৃতি হৈ বৃন্দাবনত কংসৰ আদেশত কৃষ্ণক বধ কৰিবলৈ যায়। ই বকাসুৰৰ ভাতৃ।

'দুষ্ট অঘে পাতিলেক কাপ।
বাট ভেন্টি ভৈলা ঘোৰ সাপ।।
উদ্ধ ওঁঠ স্বৰ্গত লাগিল।
তল ওঁঠ মাটিত পাতিল।।'

গৰু-গৰখীয়া কৃষ্ণ সমে তাৰ পেটত সোমাল। কৃষ্ণই নিজ মহিমা গুণেৰে নিজৰ শৰীৰ বঢ়াই দিয়াত তাৰ পেট ফাটি যায় আৰু সকলো গৰু-গৰখীয়া মুক্ত হয় আৰু সিয়ো কৃষ্ণৰ স্পৰ্শত শাপমুক্ত হৈ গতি পালে।

পূৰ্বজন্মত সি আছিল— শঙ্খচুৰৰ পুত্ৰ, নাম 'অঘ'। কামদেৱতকৈ ৰমনীয়-কমনীয় আছিল অঘ। নিজ সৌন্দৰ্য্যময় চেহেৰাত ই অত্যন্ত গৰ্বী হৈছিল। কুৰূপা-কুৎচিত আকৃতিৰ লোকক দেখিলে সি ইতিকিং কৰি হাঁহিছিল। অষ্টবক্ৰ মুনি দেখাত অতি কুৰূপ আৰু গাত আঠটা ভাঁজ আছিল। এদিন সি অষ্টাবক্ৰ মুনিক দেখি বাৰম্বাৰ হঁহাত মুনিয়ে অতীষ্ঠ হৈ তাক সৰ্প হ'বলৈ অভিশাপ দিলে। সি বৰকৈ মিনতি কৰাত অষ্টাবক্ৰই ক'লে যে কৃষ্ণৰ স্পৰ্শ পালে সি মুক্তি পাব।' ভগৱন্তই সকলোকে একে চেহেৰা দিয়া নাই। চেহেৰা যিয়েই নহওক দেহৰ আত্মাবোৰ একে সুন্দৰ। দেহ-সৌন্দৰ্যক লৈ গৰ্বকৰা সকলে পৰজন্মত অতি ঘৃণনীয় ৰূপ লাভ কৰে। আনক ব্যঙ্গ কৰা অনুচিত।

(৮) **ধেনুকাসুৰ ঃ**

তাল বনত বলৰামৰ হাতত প্ৰাণ এৰে। ধেনুকাসুৰ বলিৰ পুত্ৰ আছিল। সি বৰ সাহসী অসুৰ আছিল। সি স্ত্ৰীসকলক লৈ গন্ধমাদন পৰ্বতত বিহাৰ কৰি

আছিল। স্ত্ৰীসকলে নুপুৰ পিন্ধি নাচিছিল। নৃত্যত সিয়ো নুপুৰ পিন্ধি যোগদান কৰিছিল। নুপুৰৰ ধ্বনিত নিকটবৰ্তী আশ্ৰমত ধ্যান কৰি থকা দুৰ্বাসা মুনি অতীষ্ঠ হৈ ধেনুকাক গাধ হ'বলৈ অভিশাপ দিয়ে আৰু 'তালবনত বলৰামৰ হাতত মৃত্যু— হ'ব বুলি কয়। নিজৰ আনন্দ উপভোগৰ কাৰণে পাৰিপাৰ্শ্বিক বাতাবৰণ বিনষ্ট কৰাৰ বাবে গাধৰ নিচিনা জন্ম ল'ব লগা হয়।

(৯) **অৰিষ্টাসুৰ ঃ**

এওঁ বৃহস্পতিৰ শিষ্য আছিল। অৰিষ্টাসুৰে গুৰুৰ ওচৰত বহি ভৰি দুখন গুৰুৰ ফালে মেলি বহিছিল। এই দোষৰ বাবে গুৰুৱে অৰিষ্টক বলদগৰু হ'বলৈ অভিশাপ দিলে। কৃষ্ণই অৰিষ্টাসুৰক গৰুৰ মাজত সোমাই অত্যাচাৰ কৰাৰ বাবে বধ কৰে আৰু কৃষ্ণৰ হাতত মৰি গতি পায়। গুৰু বা গুৰু স্থানীয় লোকৰ ওচৰত নম্ৰ বা বিনয়-ভাব প্ৰদৰ্শন কৰিব লাগে। ই শিষ্টাচাৰ, অশিষ্টাচাৰ আৰু দাম্ভিকতাৰ বাবে গুৰুস্থানীয় লোকৰ পৰা দয়া লাভ কৰিব নোৱাৰে। জ্যেষ্ঠজনক সদায় সন্মান কৰা উচিত।

(১০) **শঙ্খচূড় ঃ**

এওঁ কুবেৰৰ অনুগত প্ৰবল প্ৰতাপী বীৰ আছিল। কংসৰ লগত গদাযুদ্ধ কৰি এওঁ অপৰাজেয় হয় আৰু কংসৰ লগত মিত্ৰতা কৰে। কৃষ্ণৰ ৰাসক্ৰীড়াত গোপীসকল ৰত থকা সময়ত শঙ্খচূড়ে গোপীক হৰণ কৰি নিয়াত কৃষ্ণৰ হাতত লাঞ্ছিত হয়।

(১১) **ৰজক ঃ**

কংসৰ কাপোৰধোৱা ৰাজধোবী আছিল। কৃষ্ণই মথুৰাত প্ৰবেশ কৰাৰ পথত ৰজকে ৰজাৰ কাপোৰ লৈ গৈছিল আৰু কৃষ্ণই কাপোৰ খোজাত কাপোৰ দিবলৈ অমান্তি হোৱাত তাক বধ কৰে। ত্ৰেতাযুগত এই ধোবীয়ে ৰামৰ বদগুণ ৰতিছিল। সি মথুৰাত জন্মগ্ৰহণ কৰি কুৎসা ৰতনা কৰাৰ বাবে কৃষ্ণৰ হাতত মৃত্যু হয়।

(১২) **বেশকাৰ বা দৰ্জ্জী ঃ**

ত্ৰেতাত মিথিলাৰ এইজন দৰ্জ্জীয়ে ৰামৰ বিবাহৰ সময়ত ৰাম-লক্ষ্মণৰ বাবে বস্ত্ৰ সী দিছিল আৰু নিজহাতে পিন্ধাবলৈ বিচাৰি নেপালে। ৰামে ক'লে যে দৰ্জীৰ সেই আশা দ্বাপৰত পূৰ্ণ হ'ব। সেইবাবে মথুৰাপ্ৰবেশৰ সময়ত সেই দৰ্জীয়ে (বেশকাৰ) কৃষ্ণ ৰামক বস্ত্ৰ পিন্ধাই পৰম আনন্দ লাভ কৰিছিল।

(১৩) **মালাকাৰ বা সুদামা মালী ঃ**

এওঁ ৰাম কৃষ্ণক মালা পিন্ধাইছিল। পূৰ্বজন্মত কুবেৰৰ উদ্যানৰ এজন মালী আছিল; তেওঁৰ নাম হেম মালী। এওঁ বিষ্ণু-ভক্ত আছিল আৰু বিষ্ণুক পাবলৈ দেবপূজা কৰিছিল। শিবই তেওঁক বৰ দিছিল দ্বাপৰ যুগত তেওঁৰ মনোবাঞ্ছা পূৰ্ণ হ'ব। ভগৱন্তক কোনো জন্মত শ্ৰদ্ধা-ভক্তি কৰিলে জন্মান্তৰত মনোবাঞ্ছা পূৰ্ণ হয়।

(১৪) **কুবুজা ঃ**

ত্ৰেতাযুগত সূৰ্পনখাক নাক-কাণ কটাৰ পাচত দহ হাজাৰ বছৰ তীৰ্থৰ জলৰ মাজত থাকি ৰামক স্বামীৰূপে লাভ কৰিবলৈ শিবক আৰাধনা কৰে। শিবই বৰ দিলে যে দ্বাপৰত তেওঁৰ মনোবাঞ্ছা পূৰ্ণ হ'ব। কৃষ্ণই মথুৰা প্ৰবেশৰ পথৰ কুবুজাক কৃষ্ণই আকোঁৱালি ধৰি কুঁজটো নাইকীয়া কৰে আৰু সৰ্বাঙ্গসুন্দৰী ৰমণী কৰে। মথুৰাত কংসক বধ কৰি ঘূৰি আহোঁতে তাইৰ গৃহত থাকি কৃষ্ণই তাইৰ মনোবাঞ্ছা পূৰণ কৰে। ভগৱন্তৰ প্ৰতি ভক্তি থাকিলে বা প্ৰেম থাকিলে ভগৱানে মনৰ আশা পূৰণ কৰে— প্ৰেমিক হিচাবে, বন্ধু হিচাবে, পিতৃ-মাতৃ হিচাবে।

(১৫) **নলকুবেৰ- মণিগ্ৰীব ঃ**

এওঁলোক দুজন কুবেৰৰ পুত্ৰ আছিল। এদিন কৈলাশত দুয়োয়ে মদ্যপান কৰি মাতালহৈ নাৰীগণক লৈ ক্ৰিয়া কৰিছিল। তেওঁলোক দুয়ো নিবস্ত্ৰ হৈছিল আৰু নাৰীগণকো বিবস্ত্ৰা কৰি কামকেলি কৰি থকা অৱস্থাতে নাৰদ সেই ঠাইত উপস্থিত হ'ল। নাৰীগণে নাৰদক দেখা পাই বস্ত্ৰ পৰিধান কৰিলে, কিন্তু তেওঁলোক দুজন উলঙ্গ হৈয়েই ৰ'ল। নাৰদে দুয়োকে দুজোপা অৰ্জ্জুনবৃক্ষ হ'বলৈ অভিশাপ দিলে আৰু কৃষ্ণৰ স্পৰ্শত মুক্তি পাব বুলি ক'লে। যশোদাই কৃষ্ণক মানব শিশুজ্ঞান কৰি উড়ালত বান্ধি থৈছিল। কৃষ্ণই উড়াল টানি নি গছদুজোপাত লগাই উঘালি পেলালে আৰু দুটি দিব্য পুৰুষ তাৰপৰা ওলাই কৃষ্ণক স্তুতি কৰিলে আৰু কৃষ্ণই দুয়োকে কৈলাশলৈ পঠাই দিলে।

ইয়াত শ্ৰীমদৰ গৰ্ব, মদ্যপান, নগ্নযৌন কৰ্মৰ পৰিণতি দেখুৱাইছে। দশমত গুৰুজনে লিখিছে—

'শ্ৰীমদে অন্ধ আৰু মদ্যে অচেতন।
থাকিলা বিবস্ত্ৰে দুয়ো কুবেৰ নন্দন।'৩০১।।

'শ্ৰীভৈলে লাগে স্ত্ৰীক কৰে মদ্যপান।
অন্ধহুয়া অনেক পশুৰ লৰে প্ৰাণ।'৩০২।।
'একে নিদাৰুণ স্ত্ৰী মদান্ধত পৰে
শ্ৰীব্যাধি কৰে পুৰুষক হতবুদ্ধি।'৩০৩।।

**(১৬) নন্দ-যশোদা ঃ**

পূৰ্ব জন্মত নন্দ-দ্ৰোণ নামে বসু আৰু যশোদা ধৰা নামে আছিল। বিধাতাই দুয়োকে বৰ দি ক'লে— 'তোমালোক দুয়োৰে কৃষ্ণত ভকতি হ'ব, কৃষ্ণই দুয়োৰে পুত্ৰহৈ প্ৰীতি সাধন কৰিব। ব্ৰহ্মাৰ বচন অনুসৰি গোকুলত নন্দ-যশোদাৰ জন্ম হয় আৰু কৃষ্ণক পুষ্য পুত্ৰৰূপে পায়। ইয়ো বাৎসল্য ভক্তিৰ অনুপম নিদৰ্শন।

**(১৭) বসুদেৱ-দৈৱকী ঃ**

সত্য যুগত সুতপা প্ৰজাপতি আৰু তেওঁৰ ভাৰ্যা পৃষ্ণি সতীয়ে নাৰায়ণক পুত্ৰৰূপে পাবলৈ আশা কৰি বহু হাজাৰ বছৰ তপস্যা কৰিছিল। শ্ৰী নাৰায়ণ সন্তোষ্টি হৈ তেওঁলোকৰ মনোবাঞ্ছা পূৰণ কৰিব বুলি বৰ দিলে। এই বৰৰ প্ৰভাৱত তেওঁলোকৰ এটি পুত্ৰ সন্তান হয়। তেওঁৰ নাম পৃষ্ণি-গৰ্ভ। ত্ৰেতাযুগত সুতপা কশ্যপ জন্মত বামন ৰূপে তেওঁলোকৰ পুত্ৰ হৈ জন্মে। দ্বাপৰত কশ্যপেই বসুদেব আৰু অদিতিয়ে দৈবকী হৈ জন্ম গ্ৰহণ কৰে আৰু ঈশ্বৰে কৃষ্ণৰূপে পুত্ৰ হৈ জন্মে।

ভগৱন্তই তিনিপ্ৰজন্মত পুত্ৰৰূপে জন্মি পিতৃ-মাতৃক পৰমানন্দ দিছিল।

**(১৮) কালি সৰ্প ঃ**

কদ্ৰুৰ পুত্ৰ কালি ৰমন দ্বীপৰ অধিকাৰী আছিল। তাৰ সৰ্পবোৰে প্ৰত্যেক মাহতে গৰুড়ক এটাকৈ সাপ খাবলৈ দিব লাগে। কালিয়ে সেইবোৰ সৰ্প নিজে ভোজন কৰাৰ বাবে গৰুড়ে যুদ্ধ কৰি কালিনাগক খেদি পঠায় আৰু সি গৈ অগম্যস্থান যমুনাহ্ৰদত বাস কৰেগৈ। এদিন গৰুড় পক্ষীয়ে তালৈ মাছ খাবলৈ যায়, তাঁত সৌভৰি মুনিয়ে তপস্যা কৰি আছিল। মুনিয়ে গৰুড়ক অভিশাপ দিলে যে তালৈ পুনৰ গ'লে তাৰ মৃত্যু হ'ব।

স্বয়ম্ভূৰ মনুৰ দিনত বেদশিৰা মুনিয়ে বিন্ধ্যা পৰ্বতত তপস্যা কৰি আছিল। অশ্বশিৰা মুনি তালৈ আহি তপস্যা কৰিবলৈ বিচাৰিছিল, কিন্তু বেদশিৰাই নিদিয়াত অশ্বশিৰাই বেদশিৰাক সৰ্প হ'বলৈ শাপে আৰু গৰুড়লৈ ভয় কৰি থাকিব বুলি কয়। বেদশিৰাই অশ্বশিৰাক কাউৰী হ'বলৈ শাপে। বিষ্ণুৱে আহি বেদশিৰাক ক'লে যে বেদশিৰাৰ মূৰত বিষ্ণুৰ পদচিহ্ন থাকিব আৰু অশ্বশিৰাই উত্তম জ্ঞান লভিব বুলি বৰ দিলে। কালীহ্ৰদৰ পানী খাই গো-গৰখীয়াৰ মৃত্যু হোৱাত কৃষ্ণই কালিক দমন কৰে আৰু ৰমনক দ্বীপলৈ স্থানান্তৰ কৰে।

**(১৯) দৈবকীৰ ছয়পুত্ৰ ঃ**

কংসই দৈবকীৰ ছয়পুত্ৰক হত্যা কৰে, বলোৰাম সপ্তম আৰু অষ্টম পুত্ৰ। ৭ ম গৰ্ভ যোগমায়াই ৰোহিনী গৰ্ভলৈ সঙ্কৰ্ষণ কৰে। গুৰু পুত্ৰক কৃষ্ণই আনি দিয়াৰ কথা শুনি দৈবকীয়ে কৃষ্ণক নিজৰ ছয় মৃত পুত্ৰক আনি দিবলৈ ক'লে। হিৰণ্য কশিপুৰ ছয় পুত্ৰই পিতৃবৈৰী বিষ্ণুক ভক্তি কৰাৰ বাবে অভিশাপ দিলে— 'তহঁত নিজ পিতৃৰ হাতত বিনাশ হবি'। বসুদেবে পুত্ৰক নিজে বধ কৰা নাছিল যদিও কংসক সপি দিছিল বাবে বসুদেবে পুত্ৰৰ মৃত্যুৰ কাৰণ। এই ছয় পুত্ৰই মৰি পুনৰ দৈত্যকুলত জন্মি বলিৰ ৰাজ সভাত আছিলগৈ। কৃষ্ণই বলিৰ ৰাজসভাৰ পৰা বৃদ্ধপুত্ৰসকলক আনি দৈবকীক দিলে আৰু প্ৰতিজনে মাতৃদুগ্ধ পান কৰি মুক্তি লাভ কৰিলে।

**(২০) জয়- বিজয় ঃ**

বৈকুণ্ঠ ৭ ম দুৱাৰৰক্ষী। দুয়ো জ্ঞান বিজ্ঞানী কিন্তু আধ্যাত্মিক জ্ঞান ৰহিত। নাৰায়ণক দৰ্শন কৰিবলৈ অহা চাৰিসিদ্ধক পথ এৰি নিদি আৰু অপমান কৰাৰ বাবে চাৰিসিদ্ধই জয়-বিজয়ক অসুৰ যোনিত জন্ম গ্ৰহণ কৰিবলৈ অভিশাপ দিলে। কৃষ্ণই নিজৰ দাসৰ দোষ দেখি ক'লে যে তেওঁলোকে শাপ অনুসৰি মৰ্ত্যত সাতবাৰ জন্মলৈ পুনৰ বৈকুণ্ঠ পাবহি। মিত্ৰভাৱে সাতবাৰ জন্ম ল'ব নাইবা শত্ৰুভাৱে তিনিবাৰ জন্ম ল'ব। তেওঁলোকে ভগৱানক কম সময়তে পাবৰ বাবে তিনিবাৰ জন্মকে বাচি ললে। প্ৰথম জন্মত দিতিৰ গৰ্ভত হিৰণ্যকশিপু-হিৰণ্যাক্ষ, দ্বিতীয়জন্মত ৰাবন-কুম্ভকৰ্ণ, তৃতীয়জন্মত শিশুপাল-দন্তবক্ৰহৈ বিষ্ণুক শত্ৰু হিচাবে ভক্তি কৰি পুনৰ বৈকুণ্ঠলৈ ঘূৰি যায়। বৈকুণ্ঠত থকা ভক্তই বিভেদ ভাব ৰাখিব নালাগে, ভকতক চিনিব লাগে, বস্ত্ৰৰ মায়া থাকিব নালাগে। যাৰ বাবে চাৰি সিদ্ধৰ পৰা অভিশাপ পালে। মহাভাগৱত হৈ লঘুদোষত গুৰু শাস্তি চাৰিসিদ্ধই দিয়া অনুচিত। অৱশ্যে কৃষ্ণইহে এই অভিশাপ দিয়ালো বুলি কৈছে। বৈৰ ভক্তিৰ দ্বাৰা ভগৱানক পাব পাৰি।

**(২১) গ্ৰাহ-গজেন্দ্ৰ ঃ**

গ্ৰাহ-ঘঁড়িয়াল, গজেন্দ্ৰ-হস্তী; গ্ৰাহ সংসাৰৰ কাম-ক্ৰোধ-লোভ-মোহাদিভাব, গজেন্দ্ৰ মন। গ্ৰাহৰ কবলত পৰি গজেন্দ্ৰই শেষত হৰিক ত্ৰাণ কৰিবলৈ স্তুতি কৰি মুক্তি পালে। পূৰ্ব জন্মত গজেন্দ্ৰ আছিল অবন্তিৰ ৰজা ইন্দ্ৰদ্যুম্ন আৰু গ্ৰাহ আছিল হুদু গন্ধৰ্ব। ইন্দ্ৰদ্যুম্ন ৰজা অত্যন্ত বিষ্ণু পৰায়ণ, বিষ্ণুক ধ্যান কৰি থাকোতে সমাগত অগস্তমুনিক শুশ্ৰূষা নকৰাৰ বাবে অভিশাপ পালে, হস্তী হ'বলৈ। বিষ্ণুক ধ্যান কৰিলেও অভ্যাগতৰ প্ৰতি ধ্যান ৰখাটো শিষ্টাচাৰ। হুদু গন্ধৰ্ব দেবলঋষিৰ পৰা অভিশাপ পালে গ্ৰাহ হ'বলৈ। দুয়োকে বৰ দিয়া হ'ল যে কৃষ্ণৰ স্পৰ্শত দুয়োয়ে মুক্তি পাব। দুয়ো একেহ্ৰদতে থাকি অভিশাপ ক্ৰমে হৰিৰ দ্বাৰা মুক্তি লাভ কৰিলে। মন অস্থিৰ। নিজৰ মিত্ৰ-ভাৰ্যা-পুত্ৰই সময়ত এৰা দিব, কিন্তু ভগৱানে এৰা নিদিয়ে। তেঁৱে একমাত্ৰ জীৱৰ আশ্ৰয়।

মহাভাৰত, ৰামায়ণ, পুৰাণ-ভাগৱত, উপনিষদ আদি শাস্ত্ৰৰাজিত এনে অনেক চৰিত্ৰ আছে, যিবোৰ পূৰ্বজন্মৰ কৰ্মফলত পৰজন্মত নানা আকৃতি প্ৰকৃতি লৈ জন্ম ল'ব লগা হয় আৰু কৃতকৰ্মৰ ফল ভুগিব লগাত পৰে। কৃষ্ণৰ ভক্ত হৈ অনুশোচনাৰ দ্বাৰা মুক্তি লাভ কৰিব পাৰে জীৱই। প্ৰাৰব্ধ, আৰব্ধ আৰু অপ্ৰাৰব্ধ কৰ্মফলে জীবক এৰা নিদিয়ে। পূৰ্বজন্মৰ সঞ্চিত কৰ্মফলে প্ৰাৰব্ধ বা ভাগ্য, ইহকালৰ সঞ্চয় হোৱা কৰ্মফল আবদ্ধ আৰু পৰৱৰ্তী জন্মৰ কৰ্মফল হ'বগৈ অপ্ৰাৰব্ধ। ইয়াকে নিয়তি, ভাগ্য, দৈব্য, বিধাতাৰ লিখন বোলা হয়। চৈতন্য চৰিত্ৰামৃতত আছে—

'আত্মেন্দ্ৰিয় প্ৰীতি ইচ্ছা তাৰে বলি কাম।
কৃষ্ণেন্দ্ৰিয় প্ৰীতি ইচ্ছা ধৰে প্ৰেম নাম।"

অৰ্থাৎ— ইন্দ্ৰিয় সুখজনক ইচ্ছাকেই কাম আৰু কৃষ্ণৰ প্ৰীতিৰ বাবে ইন্দ্ৰিয়গণক ব্যৱহাৰ কৰাকে প্ৰেম বোলা হয়। প্ৰেমভক্তিৰ মূল উৎস এয়ে।

কৃষ্ণৰ নামৰ অমিয়া ৰস হৃদয়ৰ মাজে বৈ থাকিলে ভাগ্য বা দৈব্যই একো কৰিব নোৱাৰে। 'কৃষ্ণ' নামত ছয়টি অক্ষৰ ব্ৰহ্ম নিহিত হৈ আছে—

ক — কমলাকান্ত
ঋ — ৰাম
ষ — ছবিত্ৰ ঐশ্বৰ্য্য-শ্ৰী, যশ, জ্ঞান, বৈৰাগ্য, ধৰ্ম আৰু অনিমাদি, ঐশ্বৰ্য্য
ন — নৰসিংহৰ প্ৰতীক (নামসিংহ)
অ — অগ্নিৰ গৰাকী।
ঃ — নাৰায়ণ বোধক চিহ্ন।

মহাপুৰুষ — মাধৱদেৱে ঘোষাত কৃষ্ণনামৰ অন্বয় কৰিছে— 'কৃষ' হেন শব্দ ইটো— পৃথিৱীবাচক, পৃথিবীক বুজায়। 'ন' আনন্দ — পৃথিবীত একমাত্ৰ আনন্দ দিব পাৰে কৃষ্ণইহে। কৃষ + ন = 'কৃষ্ণ' ই পৰম ব্ৰহ্মক বুজায় (পৰমাত্মা)।

কৃষ্ণ — পৰমব্ৰহ্মৰূপী নাম আনন্দ।

ভগৱতৰ নাম নিৰ্গুণ; তাৰ বাহিৰে জগতৰ সকলোবোৰ গুণময়। কৃষ্ণৰ নামৰ মহিমা কৈ শেষ কৰিব নোৱাৰি। কৃষ্ণই একমাত্ৰ দেৱ, যি সমস্ত দুঃখ দূৰ কৰিব পাৰে, কাল আৰু মায়া দুয়োৰে হৰ্তা-কৰ্তা বিধাতা তেঁৱে। সৃষ্টি-স্থিতি-অন্তকাৰী তেঁৱেই। সমস্ত জগতৰ সাৰবস্তু কৃষ্ণ। কৃষ্ণ বেদৰ গুপ্ত বিত্ত। ঈশ্বৰ কৃষ্ণক পোৱাৰ উপায় হৈছে তেওঁৰ নাম শ্ৰৱণ কীৰ্ত্তন কৰা, হৃদয়ত তেওঁক বিশ্বাসেৰে স্থাপন কৰা। অব্যক্ত ঈশ্বৰক তেওঁৰ নাম উচ্চাৰণ কৰি লাভ কৰিব পাৰি। অভিশপ্ত সকলে তেওঁ সান্নিধ্য লাভ কৰিয়েই পাপ আৰু সংসাৰ বন্ধনৰ পৰা মুক্ত হৈছিল। কৃষ্ণই গীতাত নিজেই জন্মান্তৰবাদ সত্য বুলি কৈ গৈছে। সংসাৰৰ প্ৰতিজীৱই এদিন নহয় এদিন পৰম পিতাৰ কাষ চাপিব লাগিবই।

*****